PGED S1- 06
(EPE)

মাষ্টাৰছ অৱ আর্টছ (শিক্ষা)

পৰিৱেশ আৰু জনসংখ্যা শিক্ষা

প্রথম ষাণ্মাসিক

শিক্ষা

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক স্বর্ণলতা দাস, শিক্ষা বিভাগ, গৌহাটী বিশ্ববিদ্যালয়
অধ্যাপক গায়ত্রী গোস্বামী, শিক্ষা বিভাগ, গৌহাটী বিশ্ববিদ্যালয়
ড° সাধনা গোস্বামী, শিক্ষা বিভাগ, কটন মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° দেৱযানী দুৱৰা আৰু ড° প্ৰণৱ শইকীয়া, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১ আৰু ৮	ড° নিলিমা ডেকা, ললিত চন্দ্র ভৰালী মহাবিদ্যালয় আৰু ড° হোম্যয় গোহাঁই, ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ	ড° অপৰাজিতা শর্মা, এম এছ বালিকা মহাবিদ্যালয়, ৰঙিয়া (১, ২, ৫, ৬)
২	ড° তৰালি পাঠক, কটন বিশ্ববিদ্যালয়, গুৱাহাটী	ড° দেৱযানী দুৱৰা, কৃঃ কাঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয় (৭)
৩ আৰু ৯	ড° ৰঞ্জু মেধি, আয্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী	গীতাঞ্জলী মেধি, কৃঃ কাঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয় (৮-১৫)
৪, ১৩	ড° উৎপল কলিতা, আৰ জি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী	জোনালী ৰাভা, গুৱাহাটী বিশ্ববিদ্যালয় (৩)
৫	ড° চয়নিকা ডেকা, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী	ড° ৰুমী চৌধুৰী, উত্তৰ পূব অধ্যয়ন প্রতিষ্ঠান, গুৱাহাটী বিশ্ববিদ্যালয় (৪)
৬	ড° ইন্দ্রানী কলিতা আৰু ড° অর্চনা অধিকাৰী, কৃঃ কাঃ সঃ ৰাঃ মুঃ বিশ্ববিদ্যালয়	
৭	ড° দেৱযানী দুৱৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	
১০	ড° প্রণৱ শইকীয়া, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	
১১	ড° শিখা ভাগৱতী, নগাঁও ছোৱালী মহাবিদ্যালয়, নগাঁও	
১২	ড° অপৰাজিতা শর্মা, এম এছ বালিকা মহাবিদ্যালয়, ৰঙিয়া	
১৪ আৰু ১৫	ড° কৃষ্ণা কলিতা, কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ **অধ্যাপক গায়ত্রী গোস্বামী,** গৌহাটী বিশ্ববিদ্যালয় (৩, ৮, ৯ নং অধ্যায়)
ড° মৰমী গোস্বামী, প্রাক্তন সহযোগী অধ্যাপক, গুৱাহাটী মহাবিদ্যালয় (১০ নং অধ্যায়)
ড° প্রণৱ শইকীয়া, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (১, ২, ৪, ৭, ১১ আৰু ১৫ নং অধ্যায়)

ভাষা সম্পাদনা ঃ **ড° অপু বৰা,** প্রাক্তন সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (৩—৯, ১৩-১৪ আৰু ১৫ নং অধ্যায়)
কাকলি চুতিয়া, অসমীয়া বিভাগ, জে বি কলেজ, যোৰহাট, অসম (১, ২, ১০, ১১ আৰু ১২ নং অধ্যায়)

গাঁথনিক সম্পাদনা ঃ **ড° প্রণৱ শইকীয়া** আৰু **ড° দেৱযানী দুৱৰা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রকাশ ঃ জুলাই, ২০২৫

কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক ৪.০ লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ পৰিৱেশ শিক্ষা ৭-২৪

পৰিৱেশ শিক্ষাৰ অর্থ আৰু প্রকৃতি, পৰিৱেশ শিক্ষাৰ পৰিসৰ, পৰিৱেশ শিক্ষাত ব্যৱহাৰ হোৱা পদ্ধতি।

অধ্যায় ২ ঃ পৰিৱেশ শিক্ষাৰ দৃষ্টিভংগী ২৫-৩৭

পৰিৱেশ শিক্ষাৰ দৃষ্টিভংগী, মানুহ আৰু পৰিৱেশ শিক্ষাৰ মনোবৈজ্ঞানিক দৃষ্টিভংগী।

অধ্যায় ৩ ঃ পৰিৱেশ অৱনতি ৩৮-৫২

পৰিৱেশ অৱনতিৰ ধাৰণা, পৰিৱেশ অৱনতিৰ কাৰণ, পৰিৱেশৰ অৱনতি ৰোধৰ বাবে পদক্ষেপ, পৰিৱেশ সজাগতা আৰু মনোভাৱৰ পৰিৱর্তনৰ বাবে শিক্ষা।

অধ্যায় ৪ ঃ পাৰিপার্শ্বিক প্রদূষণৰ অর্থ ৫৩-৭০

পাৰিপার্শ্বিক প্রদূষণৰ অর্থ, কাৰণ, পাৰিপার্শ্বিক প্রদূষণৰ প্রকাৰঃ ভূমি, পানী, বায়ু, শব্দ আৰু তেজস্ক্রীয় প্রদূষণ।

অধ্যায় ৫ ঃ পৰিৱেশ শিক্ষাৰ কার্যসূচী ৭১-৮৬

শিক্ষাৰ বিভিন্ন স্তৰত পৰিৱেশ শিক্ষাৰ কার্যসূচীঃ প্রাথমিক, মাধ্যমিক, উচ্চ শিক্ষা।

অধ্যায় ৬ ঃ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা ৮৭-১০৩

পৰিৱেশ সংৰক্ষণৰ অর্থ, গুৰুত্ব, প্রয়োজনীয়তা, পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ লগত জড়িত আইনী আৰু সাংবিধানিক বিধান, পৰিৱেশ সংৰক্ষণৰ প্রতি ব্যক্তি আৰু সমাজৰ ভূমিকা।

অধ্যায় ৭ ঃ পৰিৱেশ শিক্ষাৰ সংস্থাসমূহ ১০৪-১২৪

আনুষ্ঠানিক, অনানুষ্ঠানিক, চৰকাৰী, বেচৰকাৰী।

অধ্যায় ৮ ঃ পৰিৱেশ শিক্ষাত গণ মাধ্যম ১২৫-১৪৬

নির্দেশনামূলক মাধ্যম, দৃশ্য-শ্রব্য মাধ্যম, মডেল, প্রদর্শনী, কর্মশালা, আলোচনা চক্র, আলোচনী আদি সামগ্রীৰ ধাৰণা।

অধ্যায় ৯ ঃ পৰিৱেশ বা পাৰিপার্শ্বিক শিক্ষাৰ সমস্যা ১৪৭-১৫৯

অসমৰ পৰিপ্রেক্ষিতত পৰিৱেশ শিক্ষাৰ প্রত্যাশা আৰু প্রত্যাহ্বান।

অধ্যায় ১০ ঃ জনসংখ্যা শিক্ষা ১৬০-১৭৫

জনসংখ্যা শিক্ষাৰ অর্থ, প্রকৃতি, পৰিসৰ আৰু প্রয়োজনীয়তা।

অধ্যায় ১১ ঃ জনসংখ্যা গতিশীলতা ১৭৬-১৮৮

জনসংখ্যা গতিশীলতা, জনগাঁথনিগত বৈশিষ্ট্য, জনসংখ্যা নিয়ন্ত্রণ ব্যৱস্থাৰ প্রকৃতি আৰু উপাদানসমূহ।

অধ্যায় ১২ঃ জনসংখ্যা শিক্ষাৰ পদ্ধতি ১৮৯-২০৩

পর্যবেক্ষণ পদ্ধতি, স্ব-অধ্যয়ন পদ্ধতি, আলোচনা পদ্ধতি, বক্তৃতা পদ্ধতি, গৃহকর্ম আৰু ক্ষেত্র অধ্যয়ন পদ্ধতি।

অধ্যায় ১৩ ঃ জনসংখ্যা শিক্ষা আৰু জীৱনৰ মানদণ্ড ২০৪-২২২

জীৱনৰ মানদণ্ডৰ অর্থ, জীৱনৰ মানদণ্ড পৰিকল্পনাৰ সৈতে জড়িত জনসংখ্যা, সৰু পৰিয়াল আৰু পৰিয়াল পৰিকল্পনা নীতি।

অধ্যায় ১৪ঃ জনসংখ্যা নিয়ন্ত্রণত গণমাধ্যমৰ ভূমিকা ২২৩-২৪২

জনসংখ্যা নিয়ন্ত্রণ, গণ মাধ্যমৰ ধাৰণা, জনসংখ্যা নিয়ন্ত্রণত গণমাধ্যমৰ গুৰুত্ব, জনসংখ্যা নিয়ন্ত্রণত গণমাধ্যমৰ ভূমিকাঃ ৰেডিঅ, বাতৰি কাকত, টেলিভিছন আৰু অন্যান্য দৃশ্য-শ্রব্য সামগ্রী।

অধ্যায় ১৫ঃ জনসংখ্যা বৃদ্ধি আৰু শৈক্ষিক উন্নয়ন ২৪৩-২৬০

জনসংখ্যা বৃদ্ধিৰ ধাৰণা, ভাৰতৰ প্রেক্ষাপটত জনসংখ্যা বৃদ্ধিৰ কাৰণ, শিক্ষাৰ মানদণ্ড আৰু জনসংখ্যা বৃদ্ধি, জনসংখ্যা বৃদ্ধি আৰু প্রাপ্তঃবয়স্ক শিক্ষা, জনসংখ্যা বৃদ্ধি আৰু বৃত্তিমূলক শিক্ষা, জনসংখ্যা বৃদ্ধি আৰু অনানুষ্ঠানিক শিক্ষা, জনসংখ্যা বৃদ্ধি আৰু জনসংখ্যা শিক্ষা।

প্রসংগ পুথি ২৬১-২৬৫

পাঠ্যক্রমৰ পৰিচয়

এইখন স্নাতকোত্তৰ শিক্ষা বিষয়ৰ প্ৰথম ষাণ্মাসিকৰ বাবে প্ৰস্তুত কৰা ঐচ্ছিক পাঠ্যক্রম। এই পাঠ্যক্রমত পৰিৱেশ শিক্ষাৰ ধাৰণা আৰু গুৰুত্বৰ সৈতে শিক্ষার্থীসকলক পৰিচিত কৰি পৰিৱেশৰ সমস্যাৰ বিষয়ে সচেতন কৰাৰ লগতে পৰিৱেশ সুৰক্ষা তথা প্ৰসাৰৰ বিভিন্ন ব্যৱস্থাৰ সম্পৰ্কত সম্যক ধাৰণা প্ৰদান কৰাৰ যত্ন কৰা হৈছে। তদুপৰি এই পাঠ্যক্রমটোৱে জনসংখ্যা নিয়ন্ত্রণৰ বিভিন্ন কৌশলৰ সৈতে পৰিচয় কৰাই দিয়াৰ উপৰিও জনসংখ্যা শিক্ষাৰ মৌলিক ধাৰণা আৰু জনসংখ্যা বৃদ্ধিৰ পৰিণতি আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে ধাৰণা লাভ কৰাত সহায় কৰে। এই পাঠ্যক্রমত মুঠ পোন্ধৰটা অধ্যায় আছে।

ইয়াৰ **পৰিৱেশৰ অর্থ আৰু প্রকৃতি** শীৰ্ষক প্ৰথম অধ্যায়টোত পৰিৱেশ শিক্ষাৰ সংজ্ঞা, বৈশিষ্ট্য, লক্ষ্য, উদ্দেশ্য আৰু পৰিসৰৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াৰ উপৰিও পৰিৱেশ শিক্ষা প্ৰদানৰ বাবে গ্ৰহণ কৰিব পৰা বিভিন্ন পদ্ধতিৰ কথাও এই অধ্যায়ত আলোচনা কৰা হৈছে।

ইয়াৰ **পৰিৱেশ শিক্ষাৰ দৃষ্টিভংগী** শীৰ্ষক দ্বিতীয় অধ্যায়ত মানুহ আৰু পৰিৱেশৰ পৰিস্থিতগত সম্পৰ্ক আৰু মানুহ আৰু পৰিৱেশৰ মনোবৈজ্ঞানিক দৃষ্টিভংগী সম্পৰ্কে আলোচনা কৰা হৈছে।

ইয়াৰ **পৰিৱেশৰ অৱক্ষয়** শীৰ্ষক তৃতীয় অধ্যায়ত পৰিৱেশ অৱক্ষয়ৰ ধাৰণা, পৰিৱেশ অৱক্ষয়ৰ প্ৰকাৰ, পৰিৱেশ অৱক্ষয়ৰ কাৰক আৰু প্ৰতিৰোধৰ উপায়, পৰিৱেশ সজাগতা আৰু মনোভাৱৰ পৰিৱৰ্তন প্ৰসাৰিত কৰা পৰিৱেশ শিক্ষাৰ ভূমিকা সম্পৰ্কে শিক্ষার্থীসকলক পৰিচয় কৰাই দিয়ে।

ইয়াৰ **পৰিৱেশ প্রদূষণ** শীৰ্ষক চতুৰ্থ অধ্যায়ত পৰিৱেশ প্ৰদূষণৰ অর্থ, কাৰণ, পৰিৱেশ প্ৰদূষণ নিয়ন্ত্রণৰ উপায় সম্পৰ্কে ধাৰণা দিয়া হৈছে।

ইয়াৰ **পৰিৱেশ শিক্ষাৰ কার্যসূচী** শীৰ্ষক পঞ্চম অধ্যায়ত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষা ব্যৱস্থাত গ্ৰহণ কৰা পৰিৱেশ শিক্ষাৰ বিভিন্ন কার্যসূচীৰ বিষয়ে আলোচনা কৰা হৈছে।

ইয়াৰ **পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষা** শীৰ্ষক ষষ্ঠ অধ্যায়ত পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে গ্ৰহণ কৰা বিভিন্ন আইনী আৰু সাংবিধানিক বিধানৰ বিষয়ে আলোচনা কৰা হৈছে।

ইয়াৰ **পৰিৱেশ শিক্ষাৰ সংস্থা** শীৰ্ষক সপ্তম অধ্যায়ত পৰিৱেশ শিক্ষাৰ লগত জড়িত আনুষ্ঠানিক-অনানুষ্ঠানিক, চৰকাৰী-বেচৰকাৰী সংস্থাৰ পৰিচয় দিয়াৰ লগতে সংস্থাসমূহৰ বিভিন্ন কার্যকলাপ সম্পৰ্কে ধাৰণা দিয়া হৈছে।

ইয়াৰ **পৰিৱেশ শিক্ষাৰ মাধ্যম** শীৰ্ষক অষ্টম অধ্যায়ত পৰিৱেশ শিক্ষাৰ শিক্ষণ প্ৰক্রিয়াত ফলপ্রসূভাৱে ব্যৱহাৰ কৰিব পৰা বিভিন্ন ধৰণৰ মাধ্যমৰ বিষয়ে আলোচনা কৰা হৈছে।

ইয়াৰ **পৰিৱেশ শিক্ষাৰ প্রত্যাহ্বান** শীৰ্ষক নৱম অধ্যায়ত পৰিৱেশ শিক্ষাৰ লগত জড়িত প্রত্যাহ্বানসমূহৰ সৈতে শিক্ষার্থীসকলক পৰিচয় কৰোৱা হৈছে।

ইয়াৰ **জনসংখ্যা শিক্ষা** শীৰ্ষক দশম অধ্যায়ত জনসংখ্যা শিক্ষাৰ অর্থ, পৰিসৰ, প্রকৃতি, বৈশিষ্ট্য, জনসংখ্যা শিক্ষাৰ প্রয়োজনীয়তাৰ বিষয়ে আলোচনা কৰা হৈছে।

ইয়াৰ **জনসংখ্যা গতিশীলতা** শীৰ্ষক একাদশ অধ্যায়ত জনসংখ্যা গতিশীলতা, জনগাঁথনিগত বৈশিষ্ট্য, জনসংখ্যা নিয়ন্ত্রণ বঞ্জয়ৱস্থাৰ প্রকৃতি আৰু উপাদানসমূহৰ বিষয়ে আলোচনা কৰা হৈছে।

ইয়াৰ **জনসংখ্যা শিক্ষাৰ পদ্ধতি** শীৰ্ষক দ্বাদশ অধ্যায়ত জনসংখ্যা শিক্ষাৰ অধ্যয়ন পর্যবেক্ষণ পদ্ধতি, অধ্যয়ন পদ্ধতিৰ বিষয়ে আলোচনা কৰা হৈছে।

ইয়াৰ **জনসংখ্যা শিক্ষা আৰু জীৱনৰ মানদণ্ড** শীৰ্ষক ত্রয়োদশ অধ্যায়ত জীৱনৰ মানদণ্ডৰ অর্থ, জীৱনৰ মানদণ্ডৰ সৈতে জড়িত নিয়ম আৰু পৰিয়াল পৰিকল্পনা, সৰু পৰিয়াল নীতি, জনসংখ্যা পৰিকল্পনাৰ বিষয়ে আলোচনা কৰা হৈছে।

ইয়াৰ **জনসংখ্যা নিয়ন্ত্রণত গণমাধ্যমৰ ভূমিকা** শীৰ্ষক চতুর্দশ অধ্যায়ত জনসংখ্যা নিয়ন্ত্রণৰ ধাৰণা, গণ মাধ্যমৰ ধাৰণা, জনসংখ্যা নিয়ন্ত্রণত বিভিন্ন গণ মাধ্যম যেনে- বাতৰি কাকত, ৰেডিঅ', টেলিভিছন আৰু অন্যান্য দৃশ্য-শ্রব্য সামগ্রীৰ বিষয়ে আলোচনা কৰা হৈছে।

ইয়াৰ **জনসংখ্যা বৃদ্ধি আৰু শৈক্ষিক উন্নয়ন** শীৰ্ষক পঞ্চদশ অধ্যায়ত জনসংখ্যা বৃদ্ধিৰ ধাৰণা, জনসংখ্যা বৃদ্ধি শিক্ষাৰ মানদণ্ড আৰু ভাৰত, জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণৰ বিভিন্ন শিক্ষা পদ্ধতিৰ ভূমিকা আদি বিবিধ দিশৰ বিষয়ে আলোচনা কৰা হৈছে।

এই অধ্যায়সমূহ অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা কিছুমান শব্দ আৰু ধাৰণাৰ অর্থ ব্যাখ্যা কৰা হৈছে। বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। ইয়াৰ উপৰিও অগ্রগতি নিৰীক্ষণ যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে আপোনালোকক অধ্যয়নৰ অগ্রগতিৰ স্ব-মূল্যায়নৰ সুবিধা দিব। উক্ত প্রশ্নসমূহৰ উত্তৰৰ ৰূপৰেখাও অন্তর্ভুক্ত কৰা হৈছে। আকৌ প্রতিটো গোটৰ আলোচনাৰ অন্তত কিছুমান সম্ভাব্য প্রশ্ন দিয়া হৈছে। এই প্রশ্নবোৰে পৰীক্ষাৰ উদ্দেশ্যয়ে সম্ভাব্য বিষয়বোৰৰ ওপৰত আপোনাৰ মনোযোগ আকর্ষণ কৰাৰ লগতে আত্মবিশ্বাসেৰে প্রস্তুতি চলোৱাত সহায় কৰিব।

অধ্যায় ১ ঃ পৰিৱেশ শিক্ষাৰ অর্থ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ পৰিৱেশ শিক্ষাৰ অর্থ আৰু প্রকৃতি

- ১.৩.১ পৰিৱেশ শিক্ষাৰ সংজ্ঞাসমূহ
- ১.৩.২ পৰিৱেশ শিক্ষাৰ বৈশিষ্ট্যসমূহ
- ১.৩.৩ পৰিৱেশ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ

১.৪ পৰিৱেশ শিক্ষাৰ পৰিসৰ

১.৫ পৰিৱেশ শিক্ষাত ব্যৱহাৰ হোৱা বিভিন্ন পদ্ধতিসমূহ

- ১.৫.১ আলোচনা পদ্ধতি
- ১.৫.২ প্রকল্প পদ্ধতি
- ১.৫.৩ সমস্যা সমাধান পদ্ধতি
- ১.৫.৪ নিৰীক্ষণ পদ্ধতি
- ১.৫.৫ নাটকীয়কৰণ
- ১.৫.৬ ক্ষেত্র অধ্যয়ন

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৰিৱেশ শিক্ষাৰ অর্থ আৰু প্রকৃতি সম্পর্কে আলোচনা কৰিব পাৰিব।
- পৰিৱেশ শিক্ষাৰ বৈশিষ্ট্যসমূহ, লক্ষ্য আৰু উদ্দেশ্যসমূহ ব্যাখ্যা কৰিব পাৰিব।
- পৰিৱেশ শিক্ষাৰ পৰিসৰৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- পৰিৱেশ শিক্ষাৰ বিভিন্ন পদ্ধতিবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

বিজ্ঞান আৰু প্রযুক্তিবিজ্ঞানৰ উন্নতিৰ সৈতে মানৱ জাতিও উন্নতিৰ পথত আগবাঢ়ি গৈছে। কিন্তু ই পৰিৱেশৰ সৈতে মানুহৰ প্রাগ ঐতিহাসিক সময়ৰ পৰা সম্পর্কক পৰিৱর্তন কৰি

পেলাইছে। উদ্যোগসমূহ আৰু বৈজ্ঞানিক বিপ্লৱে আমাৰ পৰিৱেশত দ্রুত পৰিৱর্তন আনিছে। প্রকৃতিৰ অবিৰত অন্বেষণে মানৱ জাতিক এক গুৰুত্বপূর্ণ পৰিৱেশৰ সংকটত উপনীত কৰাইছে। কিন্তু, প্রকৃত সত্যটো হৈছে মানৱ জাতিৰ কল্যাণ আৰু অস্তিত্ব মানুহৰ লগতে পৰিৱেশৰ সম্পর্কৰ ওপৰত নির্ভৰশীল। সেইবাবে সকলো মানুহৰ মাজত নতুন পৰিৱেশ নৈতিকতাৰ বিকাশ কৰাতো প্রয়োজনীয়, যাৰ দ্বাৰা মানুহৰ আৰু প্রাকৃতিক সম্পদৰ মাজত বহনক্ষম আৰু সুষম সম্পর্ক নিশ্চিত কৰিব পাৰি। এইটো তেতিয়ালৈকে সম্ভৱ যেতিয়ালৈকে মানুহে জীৱনৰ নতুন পথ গ্রহণ নকৰে। মানুহৰ আচৰণ আৰু মনোভাব নতুনকৈ গঢ় দিয়াৰ ক্ষেত্রত শিক্ষাৰ ভূমিকা গুৰুত্বপূর্ণ। সেইবাবে আমি এনেকুৱা শিক্ষা ব্যৱস্থা বিকশিত কৰিব লাগিব যিয়ে পৰিৱেশীয় বুজাপৰা, পৰিৱেশীয় সচেতনতা, পৰিৱেশীয় পৰিকল্পনা আৰু পৰিচালনা কৰিব পাৰে।

১.৩ পৰিৱেশ শিক্ষাৰ অর্থ আৰু প্রকৃতি

পৰিৱেশ শিক্ষাৰ লগত দুটা শব্দ জড়িত হৈ আছে। এটা হৈছে 'পৰিৱেশ' আৰু আনটো হৈছে 'শিক্ষা'। আমি প্রথমে 'পৰিৱেশ' শব্দটোৰ কথা আলোচনা কৰোঁ আহক। 'পৰিৱেশ' শব্দটোৰ আভিধানিক অর্থ হৈছে চৌপাশ বা অৱস্থা, য'ত ব্যক্তি, জীৱ-জন্তু বা গছ-গছনিয়ে বাস কৰে। ই হৈছে আমাৰ জীৱনক প্রভাৱিত কৰা বাহ্যিক অৱস্থা। সামগ্রিকভাৱে পৰিৱেশে দুটা মৌলিক উপাদানক অন্তর্ভুক্ত কৰে— শাৰীৰিক বা প্রাকৃতিক পৰিৱেশ আৰু মানৱ-সৃষ্ট বা সাংস্কৃতিক পৰিৱেশ। শাৰীৰিক পৰিৱেশ জৈৱিক আৰু অজৈৱিক দুয়োটা উপাদানৰ দ্বাৰা গঠিত হয়। গছ-গছনি আৰু জীৱ-জন্তু হৈছে জৈৱিক পৰিৱেশৰ উদাহৰণ, আনহাতে মাটি, পানী, বায়ু, জলবায়ু পৰিঘটনা আদিবোৰ অজৈৱিক পৰিৱেশৰ উদাহৰণ। পৰিস্থিতি তন্ত্র শাৰীৰিক পৰিৱেশ আৰু পৃথিৱীত বাস কৰা সকলো জীৱক লৈ গঠিত হয়। এটা বিশেষ অঞ্চলত বৃহৎ সংখ্যক গছ-গছনি আৰু বিভিন্ন প্রাণীৰ প্রজাতি একেলগে বৃদ্ধি পায় আৰু মিলামিছা আৰু আন্তঃনির্ভৰশীলতাৰ শৃংখল গঢ়ি তোলে। যিকোনো প্রজাতিৰ যিকোনো পৰিৱর্তনে অন্য প্রজাতিৰ জীৱন বিঘ্নিত কৰে, যিটোক পৰিস্থিতি তন্ত্রৰ ভাৰসাম্যতাৰ শংকা বুলি কোৱা হয়।

মানুহ হৈছে অনন্য আৰু প্রভাৱশালী জীৱ যিয়ে পৰিৱেশক বিভিন্ন ধৰণে হস্তক্ষেপ কৰে, যেনে গছকটা, ঘাঁহনি ভঙা, খন্দা, খনিজ পদার্থ নিষ্কাসন ইত্যাদি। যদিয়ো প্রথম অৱস্থাত, পূর্বপুৰুষসকলৰ পৰিৱেশ কেৱল পৃথিৱীৰ শাৰীৰিক দিশেৰে গঠিত আছিল, সমাজৰ অগ্রগতিৰ ফলত মানুহে পৰিৱেশত সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক কার্যলৈ বিস্তৃত কৰি তুলিলে। শেষৰ ফালে, মানুহে কিছুমান মূল্যৱান প্রাকৃতিক সম্পদ যেনে— খনিজ তেল, প্রাকৃতিক গেছ, কয়লা ইত্যাদি শোষণ কৰিবলৈ ধৰিছেল। প্রকৃতিৰ ওপৰত মানুহৰ হস্তক্ষেপে প্রায়ে জন্তুৰ বিলুপ্তকৰণ কৰে, পৰিস্থিতি তন্ত্রৰ ভাৰসাম্যতা বিনষ্ট কৰে। পৰিৱেশ শব্দটোৱে সকলো বাহ্যিক উৎসবোৰক অন্তর্ভুক্ত কৰে, যিবোৰে অৱস্থাত প্রভাৱ পেলায়, জীৱন, প্রকৃতি আচৰণ আৰু বৃদ্ধি, জীৱন বিকাশ আৰু পৰিপক্কতাত প্রভাৱ পেলায়। ই ব্যক্তিয়ে জন্মৰ পৰা মৃত্যুলৈকে লাভ কৰা সমগ্র উদ্দীপককে অন্তর্ভুক্ত কৰে। এনেদৰে, পৰিৱেশ হৈছে অভিন্ন সমগ্র আৰু ই শাৰীৰিক,

জৈৱিক আৰু সাংস্কৃতিক উপাদানসমূহকলৈ গঠিত হয়, যিবোৰ আন্তঃসম্পর্কিত।

শিক্ষা হৈছে এক স্বাধীন অধ্যয়নৰ শাখা, যিটো বিকাশ প্রক্রিয়াৰ অর্থাৎ শিক্ষণ, শিকন, প্রশিক্ষণ আৰু নির্দেশনাৰ সৈতে জড়িত। ইয়াৰ লক্ষ্য হৈছে শিশুৰ শাৰীৰিক, সামাজিক, আবেগিক আৰু বৌদ্ধিক বিকাশ সাধন কৰা। সকলো শিক্ষণবিদৰ মুখ্য চিন্তা হৈছে মানুহৰ পৰিৱেশ। কিন্তু মানুহ কেতিয়াও অকলশৰীয়াকৈ বা অন্যবস্তুৰ যেনে— জীৱ বা গছ নোহোৱাকৈ বাচি থাকিব নোৱাৰে। সেইবাবে শিক্ষাবিদসকলে সকলো জৈৱিক জনসংখ্যাৰ প্রতি গুৰুত্ব দিব লাগে। পৰিৱেশ শিক্ষা হৈছে শিক্ষাৰ এনে এটা শাখা যিয়ে পৰিৱেশৰ বিভিন্ন সমস্যাৰাজিৰ পর্যাপ্ত পৰিমাণৰ জ্ঞান আৰু বোধ প্রদান কৰে। ই সেইবোৰৰ সমাধানতো অৱিহণা যোগায় আৰু পৰিৱেশ সুৰক্ষা, প্রকৃতি আৰু মানুহৰ আন্তঃ নির্ভৰশীলতাৰ বুজাবুজিৰ বাবে অনুকূল মনোভাব আৰু মূল্যবোধ গঢ়ি তোলে।

পৰিৱেশ শিক্ষাৰ লক্ষ্য হৈছে পৰিৱেশৰ সমস্যা সম্পর্কে সচেতনতা বৃদ্ধি কৰা। ইয়াৰ লক্ষ্য পৃথিৱীৰ জনসাধাৰণক কেৱল প্রাকৃতিক পৰিৱেশ আৰু ইয়াৰ সমস্যা সম্পর্কে শিক্ষা দিয়াই নহয়, ই পৰিৱেশৰ প্রাকৃতিক ভাৰসাম্যতা সুৰক্ষা কৰিবলৈ প্রয়োজনীয় জ্ঞান, মনোভাব আৰু দক্ষতাৰ বিকাশ কৰি তোলে। ইয়াৰ বাবে মানুহে নবীকৰণযোগ্য আৰু শেষ হ'বলৈ ধৰা সম্পদৰ পার্থক্য শিকিব লাগিব আৰু মানৱ সভ্যতাৰ ধাৰাবাহিকতাৰ ক্ষেত্রত ইয়াৰ প্রাসংগিকতা সম্পর্কে জানিব লাগিব।

এইটো সত্য যে মানুহে প্রকৃতিৰ সৈতে একেৰাহে যুদ্ধ কৰি বাচি থাকিব নোৱাৰে। অন্যহাতে, মানুহে প্রকৃতিৰ সৈতে শান্তি আৰু সু-সামাঞ্জস্যভাৱে বাস কৰিব শিকিব লাগে। এইটো তেতিয়াহে সম্ভৱ হ'ব যেতিয়া মানুহে প্রকৃতিৰ নীতি, ইয়াৰ গোপনীয়তা আৰু ৰহস্য সম্পর্কে শিকিব। পৰিৱেশ শিক্ষা অন্য একো নহয়, ই মানুহক নিজৰ চাৰিওকাষৰ পৃথিৱীখনৰ সৈতে আদান-প্রদান আৰু মানুহৰ জীৱনক ৰক্ষণাবেক্ষণ দিয়ে। ইয়াৰ ফলত মানৱ জাতিৰ সংৰক্ষণত সহায় হয়। ই বিলুপ্তপ্রায় প্রাকৃতিক সম্পদ, পৰিৱেশ প্রদূষণ আৰু জনসংখ্যা বিস্ফোৰণৰ সমস্যাৰ বিষয়ে চালি জাৰি চায়।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হৈছে যে পৰিৱেশ শিক্ষা হ'ল প্রাকৃতিক আৰু মানৱ-সৃষ্ট পৰিৱেশৰ মাজৰ সম্পর্ক গভীৰ কৰি তুলিবৰ বাবে বাঞ্ছনীয় মনোভাব পৰিৱর্তনৰ বাবে জ্ঞান, বোধ, দক্ষতা আৰু সজাগতা লাভৰ বাবে শিকন অভিজ্ঞতা প্রদান কৰা। এনেদৰে পৰিৱেশ শিক্ষা হৈছে অধ্যয়নৰ এক ন ৱ সংযোজন যিয়ে পৰিৱেশৰ প্রত্যাহ্বানসমূহ সমাধান কৰিবলৈ শিক্ষাৰ অধীনত বিকাশ হৈ উঠিছে। সেইবাবে পৰিৱেশ শিক্ষাক জীৱনজোৰা অবিৰত শিক্ষা বুলি ধৰা হয়, যাৰ আৰম্ভণি প্রাক্-স্কুলতে হয় আৰু সকলো আনুষ্ঠানিক তথা অনানুষ্ঠানিক শিক্ষাৰ স্তৰলৈ ইয়াৰ বিস্তাৰ ঘটে। ইয়াক এক আন্তঃশাখা হিচাপে বিবেচনা কৰিব লাগে যিয়ে সামগ্রিকভাৱে আৰু ভাৰসাম্য দৃষ্টিকোণৰ পৰা পৰিৱেশ শিক্ষা শিকোৱাত সহায় কৰিব পাৰে। বহল দৃষ্টিকোণৰ পৰা পৰিৱেশ শিক্ষা হৈছে পৰিৱেশৰ বাবে শিক্ষা, পৰিৱেশৰ বিষয়ে শিক্ষা আৰু পৰিৱেশৰ মাজেৰে শিক্ষা।

১.৩.১ পৰিৱেশ শিক্ষাৰ সংজ্ঞাসমূহ

'পৰিৱেশ শিক্ষা' বিষয়টোক বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰত আলোচনা কৰা হৈছে আৰু বিভিন্ন ধৰণে সংজ্ঞা দিয়া হৈছে। ইয়াৰ প্ৰকৃতি আৰু ধৰণ সম্পৰ্কে বুজিবলৈ তলত পৰিৱেশ শিক্ষাৰ কেইটামান সংজ্ঞা দাঙি ধৰা হ'ল।

১৯৭০ চনত পেৰিচত UNESCO-ৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা বিদ্যালয়ৰ পাঠ্যক্ৰমৰ পৰিৱেশ শিক্ষাৰ আন্তঃৰাষ্ট্ৰীয় বৈঠকত আন্তৰ্জাতিক প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণ শিক্ষা আয়োগে মন্তব্য কৰিছিল এইদৰে—

"পৰিৱেশ শিক্ষা হৈছে মানুহ, তেওঁৰ সংস্কৃতি আৰু তেওঁৰ জৈৱ-ভৌতিক পৰিৱেশৰ মাজত থকা আন্তঃসম্পৰ্ক বুজিবলৈ আৰু প্ৰশংসা কৰিবলৈ প্ৰয়োজনীয় দক্ষতা আৰু মনোভাব গঢ়ি তুলিবলৈ মূল্যবোধসমূহ পুনৰ সংগঠিত আৰু ধাৰণাসমূহ স্পষ্ট কৰাৰ প্ৰক্ৰিয়া। ইয়াৰ উপৰি পৰিৱেশৰ গুণাগুণ সম্পৰ্কীয় সমস্যা আৰু বিষয়সমূহ বিষয়ে সিদ্ধান্ত গ্ৰহণ আৰু আত্ম-প্ৰণয়ণ অনুশীলন জড়িত হৈ থাকে।"

১৯৭৪ চনত অনুষ্ঠিত হোৱা এখন আলোচনা চক্ৰত ফিনলেণ্ডৰ ৰাষ্ট্ৰীয় আয়োগে কৈছিল- "পৰিৱেশ শিক্ষা হৈছে পৰিৱেশ সুৰক্ষাৰ লক্ষ্যসমূহ কাৰ্যকৰী কৰাৰ এক উপায়। পৰিৱেশ শিক্ষা বিজ্ঞান বা অধ্যয়নৰ কোনো সুকীয়া শাখা নহয়। ইয়াক আজীৱন অবিচ্ছেদ্য শিক্ষাৰ নীতি অনুসৰি চলাব লাগে।"

"উন্নয়নৰ বাবে সম্পদসমূহৰ যুক্তিসংগত ব্যৱহাৰ আৰু কথোপকথনৰ সৈতে সামগ্ৰিকভাৱে বিকশিত সামাজিক আৰু ভৌতিক পৰিৱেশ ইয়াৰ প্ৰাকৃতিক, মানৱ-সৃষ্ট, সাংস্কৃতিক, আধ্যাত্মিক সম্পদসমূহৰ বিষয়ে সজাগতা আৰু বুজাবুজি স্পষ্ট কৰা।"

মিশ্ৰই (১৯৯৩) মত প্ৰকাশ কৰে যে "পৰিৱেশ শিক্ষাক এনে এক প্ৰক্ৰিয়া যেন লাগে যিয়ে মানুহক পৰিৱেশ উন্নত কৰাৰ বাবে সজাগতা, জ্ঞান, দক্ষতা মনোভাব আৰু দায়বদ্ধতাৰে সজ্জিত কৰে।"

আৰ এ. শৰ্মা (১৯৯৬)-ৰ মতে "পৰিৱেশ শিক্ষাই শাৰীৰিক আৰু সাংস্কৃতিক পৰিৱেশৰ প্ৰতি সজাগতা আনি দিয়ে আৰু বাস্তৱ জীৱনৰ পৰিস্থিতিত ইয়াৰ প্ৰাসংগিকতা অনুভৱ কৰোৱাৰ লগতে সমস্যা আৰু বিষয়সমূহ চিনাক্তকৰণ কৰে। বহনক্ষম উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি পৰিৱেশৰ ভাৰসাম্যহীনতা উন্নত কৰিব লাগে।

ওপৰত উল্লেখ কৰা সকলোবোৰ সংজ্ঞা আধৰুৱা হৈ ৰ'ব যদিহে টিবলিচী সন্মিলনে দিয়া সংজ্ঞাটো উল্লেখ কৰা নহয়। ১৯৯৭৭ চনত USSR ৰ জৰ্জিয়াত UNESCO আৰু UNEP-ৰ তত্ত্বাৱধানত টিবলিচি সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনৰ মতে পৰিৱেশ শিক্ষাই তলত দিয়া দিশবোৰ অন্তৰ্ভুক্ত কৰে—

ক) **সজাগতা ঃ** সামাজিক দল আৰু ব্যক্তিসকলক সমগ্ৰ পৰিৱেশ আৰু ইয়াৰ সৈতে জড়িত সমস্যাবোৰৰ বিষয়ে সজাগতা আৰু সংবেদনশীলতা অনাত সহায় কৰা।

খ) **জ্ঞান ঃ** সামাজিক দল আৰু ব্যক্তিসকলক পৰিৱেশ আৰু ইয়াৰ সমস্যাবোৰৰ সম্পর্কে বিভিন্ন অভিজ্ঞতা আহৰণ আৰু চেতনাবোধ অনাত সহায় কৰা।

গ) **মনোভাব ঃ** সামাজিক দল আৰু ব্যক্তিসকলক পৰিৱেশক মূল্যবোধ আৰু অনুভৱ আহৰণত সহায় কৰা আৰু লগতে পৰিৱেশ উন্নীতকৰণ আৰু সংৰক্ষণৰ বাবে সক্রিয় অভিৰোচন আনি দিয়া।

ঘ) **দক্ষতা ঃ** পৰিৱেশৰ সমস্যাবোৰ চিনাক্ত কৰা আৰু তাৰ সমাধান কৰাৰ বাবে দক্ষতা আহৰণ কৰাৰ ক্ষেত্রত সামাজিক দল আৰু ব্যক্তিসকলক সহায় কৰা।

ঙ) **মূল্যায়ন সমর্থতা ঃ** অর্থনৈতিক, সামাজিক, সৌন্দর্যবোধ আৰু শৈক্ষিক উপাদানৰ মূল্যায়নৰ ক্ষেত্রত ব্যক্তি আৰু সামাজিক দলক সহায় কৰা।

চ) **অংশগ্রহণ ঃ** পৰিৱেশীয় সমস্যাসমূহ সমাধানৰ বাবে সকলো পর্যায়তে সক্রিয় অংশগ্রহণৰ বাবে সুবিধা প্রদান কৰা।

১.৩.২ পৰিৱেশ শিক্ষাৰ বৈশিষ্ট্যসমূহ

ওপৰৰ সংজ্ঞাসমূহ বিশ্লেষণ কৰি আমি পৰিৱেশ শিক্ষাৰ ক্ষেত্রত তলত দিয়া বৈশিষ্ট্যসমূহ পাব পাৰোঁ—

- পৰিৱেশ শিক্ষা হৈছে শিক্ষাৰ এক মাধ্যম আৰু প্রক্রিয়া যিয়ে প্রকৃতি আৰু মানৱ-সৃষ্ট চৌপাশৰ সৈতে মানুহৰ সম্পর্কক সামৰি লয়।
- ই ভৌতিক, জৈৱিক আৰু সাংস্কৃতিক পৰিৱেশৰ জ্ঞান আৰু বোধক বুজায় আৰু বাস্তৱ জীৱনৰ পৰিৱেশৰ সৈতে ইয়াৰ প্রাসংগিকতাক নির্দেশ কৰে।
- পৰিৱেশ শিক্ষাই জনসংখ্যা বিস্ফোৰণ, উদ্যোগীকৰণ, প্রদূষণ ইত্যাদিয়ে পৰিৱেশৰ ওপৰত পেলোৱা প্রভাৱক আলোচনা কৰে।
- পৰিৱেশ শিক্ষাই পৰিৱেশৰ ভাৰসাম্যহীনতাক চিনাক্ত কৰে আৰু বহনক্ষম উন্নয়নক আগুৱাই নিবলৈ চেষ্টা কৰে।
- ই জৈৱিক আৰু অজৈৱিক জীৱবোৰৰ সহ-অস্তিত্বৰ বিষয়ে ব্যাখ্যা কৰে আৰু প্রকৃতিত জীয়াই থাকিবলৈ ইয়াৰ অৰিহণাক ব্যাখ্যা কৰে।
- পৰিৱেশ সংৰক্ষণ আৰু ৰক্ষা কৰাৰ বাবে প্রয়োজন হোৱা দক্ষতা, মনোভাব, অনুভৱ আৰু মূল্যবোধৰ বিকাশ কৰা।
- পৰিৱেশৰ সমস্যাবোৰৰ প্রকৃত কাৰণ চিনাক্ত কৰিবলৈ ই শৈক্ষিক অভিগমন পদ্ধতিসমূহ আৰু কৌশলবোৰ ব্যৱহাৰ কৰে আৰু মানুহৰ সাংস্কৃতিক আৰু জৈৱিক পৰিৱেশৰ সৈতে আন্তঃসম্পর্কক স্বীকাৰ কৰাত গুৰুত্ব দিয়ে।
- পৰিৱেশ শিক্ষাৰ লগত পৰিৱেশৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দুয়োটা দিশে জড়িত হৈ থাকে যাতে ভাৰসাম্যহীনতা উন্নত হয় আৰু ইয়াৰ অৱক্ষয় বা প্রদূষণ ৰোধ কৰিব পৰা যায়।

- ইয়াক এক শৈক্ষিক প্রক্রিয়া যেন লাগে যিয়ে শিক্ষার্থীসকলৰ মাজত প্রদূষণ মুক্ত পৰিৱেশৰ ভাৰসাম্যৰ সন্তুলনৰ প্রতি ইতিবাচক মূল্যবোধৰ সৃষ্টি কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক।

i) পৰিৱেশ শিক্ষা হৈছে ..... অধ্যয়নৰ শাখা।

ii) পৰিৱেশ হৈছে ..... য'ত মানুহ, জন্তু বা গছে বাস কৰে।

iii) পৰিৱেশ শিক্ষাই পৃথিৱীৰ জনসাধাৰণক কেৱল প্রাকৃতিক পৰিৱেশ ..... জ্ঞান, মনোভাব আৰু দক্ষতাৰ বিকাশ কৰি তোলে।

vi) পৰিৱেশ শিক্ষাক ..... পৰিৱেশ শিক্ষা শিকোৱাত সহায় কৰিব পাৰে।

প্রশ্ন নং ২ ঃ পৰিৱেশ শিক্ষাক বুলিলে কি বুজে?

প্রশ্ন নং ৩ ঃ পৰিৱেশ শিক্ষাৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰক।

১.৩.৩ পৰিৱেশ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ

বর্তমান আপোনালোকে পৰিৱেশ শিক্ষাৰ প্রকৃতি, ধাৰণা আৰু বৈশিষ্ট্যবোৰৰ সম্পর্কে অৱগত হৈছে, আপোনালোকে নিশ্চয় অনুভৱ কৰিছে যে পৰিৱেশ শিক্ষা হৈছে প্রত্যাহ্বানসমূহক সমাধান কৰা এক শৈক্ষিক হস্তক্ষেপ। সেইবাবে ইয়াৰ কিছুমান লক্ষ্য আৰু উদ্দেশ্য আছে, সেইবোৰ তলত দাঙি ধৰা হ'ল—

- পৰিৱেশৰ জ্ঞান আৰু অভিজ্ঞতা আহৰণ আৰু ইয়াৰ লগত জড়িত সমস্যাবোৰ জনাৰ ক্ষেত্রত ছাত্র-ছাত্রীক সহায় কৰা।
- প্রকৃতিৰ নীতি আৰু মানুহৰ ক্ষেত্রত সেইবোৰৰ তাৎপর্য বুজাৰ ক্ষেত্রত ছাত্র-ছাত্রীক সহযোগ কৰা।
- মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পর্ক আৰু আন্তঃনির্ভশীলতা সম্পর্কে অন্তঃর্দৃষ্টি আৰু প্রশংসাৰ বিকাশ কৰা।
- প্রকৃতিক পালন কৰা, ইয়াৰ সৌন্দর্যক প্রশংসা কৰা, ইয়াৰ নীতিবোৰক বুজা আৰু প্রকৃতিৰ সৈতে সুসামঞ্জস্যভাৱে বাস কৰিবলৈ সমাযোজন কৰাৰ ক্ষেত্রত ছাত্র-ছাত্রীক উৎসাহ প্রদান কৰা।
- প্রদূষণ মুক্ত পর্যাবৰণ সন্তুলনৰ প্রতি ইতিবাচক মূল্যবোধ সৃষ্টি কৰাৰ ক্ষেত্রত শিক্ষার্থীক সহায় কৰা।
- পৰিৱেশৰ সমস্যাবোৰ চিনাক্তকৰণ আৰু সমাধানৰ বাবে দক্ষতা অর্জনত ছাত্র-ছাত্রীক সহায় কৰা।
- পৰিৱেশৰ প্রতি মনোভাব, মূল্যবোধ আৰু উদ্বেগ সৃষ্টি কৰা আৰু পৰিৱেশৰ

উন্নীতকৰণত আৰু সংৰক্ষণত সক্রিয় অংশগ্রহণৰ বাবে ছাত্র-ছাত্রীক অভিৰুচিত কৰা।

- পৰিৱেশীয় সমস্যাবোৰৰ সমাধান আৰু প্রতিৰোধকৰণত সক্রিয় অংশগ্রহণৰ সুযোগ প্রদান কৰা।
- ছাত্র-ছাত্রীসকলৰ মাজত মানুহৰ ভাগ্য মানৱ জাতিৰ ভৱিষ্যৎ আৰু এই পৃথিৱীক মানুহৰ বাবে অসীমভাৱে জীয়াই থকাৰ উপযোগী স্থান হিচাপে এৰি যাবলৈ প্রতিটো প্রজন্মৰ অধ্যয়নৰ বিষয়ে চিন্তা-চর্চা কৰা।
- প্রকৃতিৰ নীতিৰ প্রতি সন্মান জনাই শান্তিপূর্ণভাৱে জীয়াই থাকি জীৱন উপভোগ কৰা।

১.৪ পৰিৱেশ শিক্ষাৰ পৰিসৰ

সাহিত্যৰ দিশৰ পৰা পৰিসৰৰ অর্থ হৈছে এটা বস্তুৰ প্রসাৰ বা অধ্যয়নৰ প্রয়োজনীয় বিষয়। ইয়াৰ অর্থ হৈছে কার্যৰ ক্ষেত্র, কার্যকলাপ আৰু প্রয়োগ। পৰিৱেশ শিক্ষাৰ পৰিসৰৰ অর্থ হৈছে শিক্ষা প্রক্রিয়াৰ জৰিয়তে ব্যক্তিক প্রদান কৰিবলগীয়া শিকন অভিজ্ঞতাৰ বিস্তৃতি আৰু ব্যাপকতা।

আমি জানো যে পৰিৱেশ শিক্ষা হৈছে শিক্ষা বিষয়ৰ অন্তর্গত অধ্যয়নৰ এক ক্ষেত্র। কিন্তু পৰিৱেশ সচেতনতা বা পৰিৱেশ অধ্যয়ন বিদ্যায়তনিক শাখা হিচাপে নতুন, যাৰ উৎপত্তি উন্নতিশীল পশ্চিমীয়া পৃথিৱীত। মানুহে পৰিস্থিতি তন্ত্র, পৰিৱেশ আৰু সমগ্র পৰিৱেশৰ ওপৰত চলোৱা কার্যৰ বাবে আমি বর্তমান গুৰুতৰ পৰিৱেশৰ সমস্যাত ভুগিবলগীয়া হৈছে। সেইবাবে আমি এক শিক্ষা ব্যৱস্থাৰ সৃষ্টি কৰিছোঁ যিয়ে পৰিৱেশৰ বিভিন্ন দিশৰ প্রতি প্রয়োজনীয় গুৰুত্ব আৰোপ কৰিব, ইয়াৰ ফলতে পৰিৱেশ শিক্ষা এক পৃথক বিষয় হিচাপে গঢ় লৈ উঠিছে। পৰিৱেশ শিক্ষাৰ পৰিসৰৰ অন্তর্গত বহল ক্ষেত্রসমূহ হৈছে— পৰিৱেশীয় বুজাপৰা, পৰিৱেশ সচেতনতা, পৰিৱেশ পৰিকল্পনা আৰু পৰিৱেশ পৰিচালনা। বিদ্যায়তনিক বিষয় হিচাপে ই তলত বর্ণনা কৰা দিশবোৰ সামৰি লয় (Shrivastava, 2008, P ১০৮-১০৯)

- পৰিৱেশ শিক্ষাৰ ধাৰণা ঃ এই ক্ষেত্রখনে পৰিৱেশৰ ধাৰণা আৰু ইয়াৰ উপাদান, শিক্ষাৰ ধাৰণা, পৰিৱেশ শিক্ষাৰ অর্থ আৰু অন্য বিষয়ৰ সৈতে ইয়াৰ সম্পর্ক আৰু এটা বিষয় হিচাপে পৰিৱেশ শিক্ষাক সামৰি লয়।
- পৰিস্থিতি তন্ত্রৰ ধাৰণা আৰু পৰিৱেশীয় প্রদূষণ ঃ পৰিস্থিতি তন্ত্রই এটা জীৱৰ লগত আনটোৰ সম্পর্কৰ বিষয়ে অধ্যয়ন কৰে। প্রদূষণ হৈছে মানুহৰ কার্যকলাপৰ ফলত হোৱা ক্ষতিকাৰক আৱর্জনাৰে পৰিৱেশৰ বায়ু, পানী আৰু ভূমি দূষিত হোৱা পৰিৱেশ। পৰিৱেশীয় প্রদূষণে জৈৱমণ্ডলক বেয়াকৈ প্রভাৱিত কৰিছে আৰু সমগ্র পৃথিৱীজুৰি ভাবুকি সৃষ্টি কৰিছে। এইটো ক্ষেত্রই পৰিস্থিতি তন্ত্রৰ ধাৰণা আৰু পৰিৱেশৰ প্রদূষণ— বায়ু, পানী, মাটি আৰু শব্দ, মানৱ পৰিৱেশ, পৰিৱেশবাদ, পৰিৱেশৰ আন্তঃনির্ভৰশীলতা, খাদ্য শৃংখল আৰু শক্তিৰ

খাদ্য প্ৰৱাহ আৰু জৈৱ ৰাসায়নিক চক্ৰক সামৰি লয়।

শৈক্ষিক আৰু মনোবৈজ্ঞানিক পৰিৱেশৰ ধাৰণা ঃ শিক্ষাণৰ লক্ষ্য হৈছে শিশুৰ শাৰীৰিক, সামাজিক, আবেগিক আৰু বৌদ্ধিক বিকাশ কৰা, য'ত পৰিৱেশৰ উল্লেখযোগ্য ভূমিকা থাকে। ফলপ্ৰসূ শিক্ষা প্ৰক্ৰিয়াত, শিক্ষকে তেওঁৰ ছাত্ৰ-ছাত্ৰী আৰু পৰিৱেশ দুয়োটাই জানিব লাগে। ই পৰিৱেশ শিক্ষাৰ পৰিসৰত এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ, যিয়ে শৈক্ষিক পৰিৱেশৰ ধাৰণা, বৃদ্ধি আৰু বিকাশ, মনোবৈজ্ঞানিক পৰিৱেশ আৰু মানসিক স্বাস্থ্য, জনসংখ্যা বিস্ফোৰণ আৰু পৰিৱেশক অন্তৰ্ভুক্ত কৰে।

পৰিৱেশ পৰিচালনাৰ ধাৰণা ঃ পৰিৱেশ পৰিচালনা হৈছে মানুহ আৰু পৰিৱেশৰ সম্পৰ্কক উন্নত কৰা এক প্ৰক্ৰিয়া, যাতে পৰিৱেশ আৰু মানৱ সমাজ দুয়োটাৰে গুণমান বৃদ্ধি পায়। মানুহ আৰু পৰিৱেশৰ সম্পৰ্ক উন্নত হ'বলৈ মানুহৰ ধংসমূলক কাৰ্য ৰোধ কৰা, সংৰক্ষণ, প্ৰতিৰোধ আৰু প্ৰকৃতিৰ পুনৰ উৎপাদন হ'ব লাগিব। পৰিৱেশ শিক্ষাৰ পৰিসৰৰ অন্তৰ্গত ই এক বহল ক্ষেত্ৰ। ই পৰিৱেশ পৰিচালনাৰ অর্থ আৰু প্ৰকৃতি, শিক্ষকৰ শিক্ষা আৰু পৰিৱেশ শিক্ষাৰ সমস্যা আৰু সমাধানৰ উপায় আৰু পৰিৱেশ শিক্ষাৰ মূল্যায়নক সামৰি লয়।

পৰিৱেশ শিক্ষাৰ পৰিসৰৰ বিষয়ে আলোচনা কৰোঁতে, আমি মনত ৰাখিব লাগিব যে পৰিৱেশ শিক্ষাৰ মূল বিষয়বস্তু অতি আন্তঃবিভাগযুক্ত। কিন্তু পাৰ্থক্য অভিপ্ৰায়ৰ স্তৰ আৰু উদ্দেশ্যৰ মাজত থাকে। অন্য বিষয়ৰ অভিপ্ৰায় আৰু উদ্দেশ্যবোৰে পৰিৱেশ আৰু পৰিৱেশ সম্পৰ্কীয় অধ্যয়নৰ সচেতনতা যোগায়। কিন্তু পৰিৱেশ শিক্ষাই জ্ঞানমূলক, আবেগিক আৰু মনসঞ্চালনমূলক ক্ষমতাৰ বিকাশ কৰিব লাগে। চমুকৈ ক'বলৈ হ'লে পৰিৱেশ শিক্ষাৰ পৰিসৰে শিক্ষা প্ৰক্ৰিয়াৰ যোগেদি ব্যক্তিক প্ৰদান কৰা পৰিৱেশ সম্পৰ্কীয় জ্ঞান আৰু অভিজ্ঞতাক সামৰি লয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ পৰিৱেশ শিক্ষাৰ ৪ টা প্ৰধান উদ্দেশ্য উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ পৰিৱেশ শিক্ষাৰ পৰিসৰত অন্তৰ্ভুক্ত কৰা বহন ক্ষেত্ৰবোৰ কি কি?

.....

.....

১.৫ পৰিৱেশ শিক্ষাত ব্যৱহাৰ হোৱা বিভিন্ন পদ্ধতিসমূহ

পৰিৱেশ শিক্ষাক পৰিৱেশ অৱনমিত হোৱাৰ ক্ষেত্ৰত মানুহক সজাগ কৰি তোলাৰ আটাইতকৈ উল্লেখযোগ্য কাৰ্যসূচী হিচাপে বিবেচনা কৰা হয়। শিক্ষণ আৰু বিভিন্নধৰণৰ কাৰ্যসূচী

অনুষ্ঠিত কৰি মানুহৰ মাজত সজাগতা আনিব পৰা যায়। পৰিৱেশ শিক্ষাৰ শিক্ষণে ব্যৱহাৰিক (ক্ৰিয়াশীল) আৰু তাত্ত্বিক (বোধ) দুয়োটা দিশকে সামৰি লয়। পৰিৱেশ শিক্ষাৰ প্ৰধান উদ্দেশ্যবোৰ হৈছে সচেতনতা সৃষ্টি কৰা, মনোভাবৰ পৰিৱৰ্তন আৰু পৰিৱেশৰ সুৰক্ষা তথা সংৰক্ষণৰ বাবে কাৰ্য কৰাৰ বাবে মানুহক আগবঢ়াই অনা। ই শিক্ষণ-শিকনৰ জ্ঞানসমূহ, জ্ঞানসঞ্চলনমূলক আৰু অনুভূতিৰ দিশবোৰ সামৰি লয়। শিক্ষণ-শিকণৰ কৌশলসমূহ, ইয়াৰ বিষয়বস্তু আৰু উপাদান, শিক্ষাৰ স্তৰ আৰু পৰিৱেশ শিক্ষাৰ ব্যাপক উদ্দেশ্যৰ ভিত্তিত গঢ় লয়। পৰিৱেশ শিক্ষাৰ শিক্ষাদানৰ বাবে বিভিন্ন পদ্ধতি আছে। কিছুমান ফলপ্ৰসূ পদ্ধতিৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

১.৫.১ আলোচনা পদ্ধতি

আলোচনা পদ্ধতি হৈছে দলীয়া শিকন পদ্ধতিৰ এক সৰল ধৰণ বা ৰূপ। এই পদ্ধতিটো শিক্ষাৰ মাধ্যমিক আৰু উচ্চ পৰ্যায়ত বিভিন্ন পৰিৱেশত ব্যৱহাৰ কৰিব পাৰি। দলত বেছিসংখ্যক সদস্যৰ অংশগ্ৰহণে আলোচনা পদ্ধতিৰ সবলতাক বুজায়। আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাতো শিক্ষকৰ দায়িত্ব। এই পদ্ধতিটোৰ উপযুক্ত প্ৰয়োগৰ বাবে শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিষয়বস্তু সম্পৰ্কত সম্পূৰ্ণ তথ্য দাঙি ধৰিব লাগে ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ আলোচনাৰ ক্ষেত্ৰত উত্থাপন কৰিব পাৰে। পৰিৱেশ শিক্ষাৰ ওপৰত ভিত্তি কৰি এটা বিষয়বস্তু লৈ শিক্ষকে সহজে আলোচনা অনুষ্ঠিত কৰিব পাৰে। ই জ্ঞান শক্তিশালী কৰাৰ উপৰি উচ্চ জ্ঞানমূলক সমৰ্থক উপযুক্তভাৱে বিকাশ কৰিব পাৰে। এই পদ্ধতিটো ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰে। এই পদ্ধতিটো হৈছে আদান-প্ৰদান কৰিব পৰা পদ্ধতি যিয়ে শ্ৰেণীকোঠা অধিক সজীৱ আৰু শক্তিশালী কৰি তোলে। শ্ৰেণীকোঠাত চাৰি প্ৰকাৰৰ আদান-প্ৰদান সংঘটিত হয়। সেইবোৰ হৈছে— শিক্ষক-শিক্ষাৰ্থীৰ আদান-প্ৰদান, শিক্ষাৰ্থী-শিক্ষাৰ্থীৰ আদান-প্ৰদান, শিক্ষক-বিষয়বস্তুৰ আদান-প্ৰদান আৰু শিক্ষাৰ্থী-বিষয়বস্তুৰ আদান-প্ৰদান। পৰিৱেশ হৈছে এটা গুৰুত্বপূৰ্ণ দিশ। সেইবাবে আলোচনা পদ্ধতিৰ প্ৰয়োগে ছাত্ৰ-ছাত্ৰীৰ মাজত এই দিশটো অধিক স্পষ্ট কৰি তুলিব পাৰে।

পৰিৱেশ শিক্ষা শিকাবলৈ শিক্ষকে পৰিৱেশ সম্পৰ্কীয় কিছুমান দিশ আলোচনা কৰিব পাৰে যেনে— নগৰত পানীৰ নাটনি, সাগৰৰ পানী প্ৰদূষণ, জাৰৰ-জোখৰ নিষ্কাসন ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ আলোচনা পদ্ধতিত অন্তৰ্ভুক্ত আদান-প্ৰদানৰ প্ৰকাৰসমূহ কি কি?

.....

.....

১.৫.২ প্রকল্প পদ্ধতি

পৰিৱেশ শিক্ষাৰ অন্যতম গুৰুত্বপূর্ণ পদ্ধতি হৈছে প্রকল্প পদ্ধতি। এই পদ্ধতিটো অতি উদ্দেশ্যপূর্ণ। প্রকল্প হৈছে কোনো এটা সমস্যা সমাধানৰ বাবে ছাত্র-ছাত্রীয়ে গ্রহণ কৰা কার্য। এই কার্যৰ ফলত ছাত্র-ছাত্রীৰ শিকন অভিজ্ঞতা লাভ কৰে। প্রকল্প পদ্ধতিৰ কিছুমান মৌলিক নীতি তলত দাঙি ধৰা হ'ল—

- **কার্য ঃ** প্রকল্প পদ্ধতিয়ে কার্যক অন্তর্ভুক্ত কৰে, যিটো মানসিক বা সঞ্চালনমূলক হ'ব পাৰে।
- **উদ্দেশ্য ঃ** কার্য সদায় উদ্দেশ্যপূর্ণ হ'ব লাগে, এই ছাত্র-ছাত্রীয়ে অনুভৱ কৰা প্রয়োজন হ'ব লাগে।
- **অভিজ্ঞতা ঃ** গ্রহণ কৰা প্রকল্পটোৱে ছাত্র-ছাত্রীক বিভিন্ন প্রকাৰৰ অভিজ্ঞতা যেনে — নিপুনতা, মূর্ত বা মানসিক অভিজ্ঞতা প্রদান কৰিব লাগে।
- **বাস্তৱতা ঃ** গ্রহণ কৰা প্রকল্পই বাস্তৱ অভিজ্ঞতা প্রদান কৰিব লাগে।
- **স্বাধীনতা ঃ** প্রকল্পৰ সৈতে জড়িত বিভিন্ন কার্যবোৰ কৰোঁতে ল'ৰা-ছোৱালীক স্বাধীনতা প্রদান কৰিব লাগে।
- **উপযোগিতা ঃ** কৰিবলৈ লোৱা কার্যসমূহৰ উপযোগিতা থাকিব লাগে।

প্রকল্প পদ্ধতিয়ে ছাত্র-ছাত্রীক সক্রিয় অংশগ্রহণৰ দ্বাৰা কোনো নির্দিষ্ট বিষয়ত জ্ঞান আহৰণতেই সহায় নকৰে, স্ব-শিকনতো সহায় কৰে। প্রধানকৈ প্রকল্প পদ্ধতিত ছাত্র-ছাত্রীক কাম কৰিবলৈ কিছুমান নির্দিষ্ট বিষয় বা ক্ষেত্র দিয়া হয়। নিৰীক্ষণ, সাক্ষাৎকাৰ আৰু অন্য পদ্ধতিৰে ছাত্র-ছাত্রীসকলে নির্বাচিত বিষয়ত তথ্য আহৰণ কৰে আৰু বিশ্লেষণৰ জৰিয়তে প্রকল্প প্রস্তুত কৰে। ইয়াৰ ৰিপোর্ট হাতে লিখে বা টাইপ কৰে বা ই চার্ট, আর্হি, ছবি ইত্যাদিৰবোৰ অন্তর্ভুক্ত কৰে। প্রকল্পটো শেষ কৰাৰ ক্ষেত্রত তেওঁলোকে শিক্ষক আৰু মাক-দেউতাকৰ সহায় ল'ব পাৰে। প্রকল্পটো সম্পূর্ণ কৰাৰ প্রধান দায়িত্ব যদিয়ো ছাত্র-ছাত্রীৰ ওপৰত থাকে, শিক্ষকেও এই কার্যত ল'ৰা-ছোৱালীক সহায় কৰিব লাগে। শিক্ষকে ছাত্র-ছাত্রীসকলক উপযুক্ত বিষয় নির্বাচনত, প্রকল্পৰ উদ্দেশ্য গঠনত, নিয়মিতভাৱে অগ্রগতি নিৰীক্ষণ, সংশোধনৰ পৰামর্শ প্রদানেৰে সহায় কৰিব লাগে। পৰিৱেশ শিক্ষা শিকোৱাৰ ক্ষেত্রত এই পদ্ধতিটো উত্তম। স্কুলৰ পৰিৱেশত ছাত্র-ছাত্রীসকলক বহু সংখ্যক পৰিৱেশীয় প্রকল্প প্রদান কৰিব পাৰি, যেনে— স্কুলৰ চৌহদত বৃক্ষৰোপণ, প্রদূষণ যুক্ত স্থানলৈ যোৱা, বনপ্রাণী, অভয়াৰণ্যলৈ ভ্রমণ, গাঁও অঞ্চলত কৃষি অনুশীলন, গৃহ নিষ্কাসন ইত্যাদি।

১.৫.৩ সমস্যা সমাধান পদ্ধতি

পৰিৱেশ শিক্ষাত ব্যৱহাৰ হোৱা এইটো উল্লেখযোগ্য পদ্ধতি। পৰিৱেশ অৱক্ষয়ৰ

সমস্যা এই পদ্ধতি জৰিয়তে সমাধান কৰিব পৰা যায়। এই সমস্যাৰ প্ৰতি মানুহৰ সচেতনতা অনাটো প্ৰয়োজনীয়। এইটো তেতিয়াহে সম্ভৱ হ'ব যেতিয়া ছাত্ৰ-ছাত্ৰীসকলক কার্যসূচীত সক্ৰিয় অংশ গ্ৰহণৰ বাবে উৎসাহিত কৰা হয়। সমস্যা সমাধান পদ্ধতিতো হৈছে এনে এক পদ্ধতি, য'ত ছাত্ৰ-ছাত্ৰীয়ে নিজে সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত তেওঁলোকক শিক্ষকে সহায় কৰে। এই পদ্ধতিটোত ছাত্ৰ-ছাত্ৰীয়ে সমস্যাৰ ওপৰত কাম কৰাৰ দ্বাৰা শিকে। ই ছাত্ৰ-ছাত্ৰীক সমস্যাৰ সন্মুখীন হৈ জ্ঞান আহৰণত সহায় কৰে। সমস্যাৰ সমাধান পদ্ধতিত ছাত্ৰ-ছাত্ৰীৰ নিৰীক্ষণ, বোধ, বিশ্লেষণ, ব্যাখ্যা আৰু সমাধান উলিওৱাৰ আশা কৰা হয় আৰু ইয়াৰ প্ৰয়োগেৰে সমগ্ৰ দিশটোৰ ধাৰণা বুজাৰ আশা কৰা হয়। এই পদ্ধতিয়ে বিজ্ঞানসম্মত দক্ষতাৰ বিকাশ কৰে। এই পদ্ধতিয়ে শিকন ধাৰণাত মগজুৰ ধুমুহা সৃষ্টিকার্যৰ অভিগমনত সহায় কৰে। ই হৈছে অনুশীলনৰ পৰা তত্ত্বলৈ যোৱা প্ৰক্ৰিয়া, ইয়াৰ বিপৰীত নহয়। ছাত্ৰ-ছাত্ৰীসকলে বাস্তৱ জগতত বাস কৰে আৰু যিবোৰ তেওঁলোকে চুব পাৰে, অনুভৱ কৰিব পাৰে গঢ় দিব পাৰে তেনে মূৰ্ত বস্তুৰ সৈতে কাম কৰিবলৈ ভাল পায়, বিজ্ঞানৰ শিকন প্ৰক্ৰিয়াক এই পদ্ধতিয়ে আগবঢ়াই নিব পাৰে।

সমস্যা সমাধান হৈছে সমস্যাৰ সংজ্ঞা নির্ধাৰণ কৰা, সমস্যাৰ কাৰণবোৰ নির্ধাৰণ কৰা, সমাধানৰ বাবে বিকল্প নির্বাচনত অগ্ৰাধিকাৰ প্ৰদান কৰা আৰু সমাধানত প্ৰয়োগ কৰা। সমস্যা সমাধান পদ্ধতিৰ লক্ষ্য হৈছে সমস্যাৰ জৰিয়তে জ্ঞান উত্থাপন কৰা। ইয়াৰ আৰম্ভণি হয় সমস্যা জড়িত পৰিস্থিতিৰ পৰা আৰু ইয়াত থাকে অবিৰত, অর্থপূর্ণ আৰু উপযুক্ত একত্ৰীকৰণ কার্য। সমস্যাবোৰেৰে স্বাভাৱিকভাৱে ছাত্ৰ-ছাত্ৰীক পৰীক্ষা কৰা হয় আৰু ছাত্ৰ-ছাত্ৰীসকলে সেইবোৰ সমাধানৰ বাবে প্ৰকৃততে আগ্ৰহী হোৱাতো নিশ্চিত কৰা হয়।

এই পদ্ধতিটোত ছাত্ৰ-ছাত্ৰীবোৰক কিছুমান সমস্যা দিয়া হয়, যিবোৰ তেওঁলোকে বিকল্প সমাধান উলিয়াই সমাধান কৰিব লাগে। সমাধানবোৰ অন্তর্ভুক্ত কৰি ৰিৰ্পোট উপস্থাপন কৰা হয়। পৰিৱেশ শিক্ষাত ছাত্ৰ-ছাত্ৰীবোৰক কিছুমান সমস্যা দিব পাৰি যেনে— জল প্ৰদূষণ, শব্দ প্ৰদূষণ ইত্যাদি। এইবোৰৰ কিছুমান বিকল্প সমাধান উলিয়াই ছাত্ৰ-ছাত্ৰীসকলে এনে গুৰুতৰ সমস্যাবোৰৰ গভীৰ ধাৰণা আহৰণ কৰিব পাৰে। সেইবাবে পৰিৱেশ শিক্ষা শিকোৱাৰ ক্ষেত্ৰত সমস্যা সমাধান পদ্ধতিক অন্যতম গুৰুত্বপূর্ণ পদ্ধতি হিচাপে ধৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ সমস্যা সমাধান পদ্ধতিৰ তিনিটা বৈশিষ্ট্য লিখক।

.....

.....

১.৫.৪ নিৰীক্ষণ পদ্ধতি

পৰিৱেশ শিক্ষাৰ বিস্তৃতভাৱে ব্যৱহাৰ হোৱা আন এক পদ্ধতি হৈছে নিৰীক্ষণ পদ্ধতি। যদিয়ো এই পদ্ধতিটো বিশেষভাৱে আচৰণমূলক বিজ্ঞানৰ ক্ষেত্ৰত অধিকভাৱে প্ৰয়োগ হয়, পৰিৱেশ শিক্ষাৰ ক্ষেত্ৰতো ইয়াৰ প্ৰয়োগ হয়। পৰিৱেশ হৈছে আমাৰ চৌপাশ। যেতিয়া আমি আমাৰ চৌপাশ নিৰীক্ষণ কৰোঁ, ই আমাক প্ৰকৃতিৰ বিষয়ে জনাত আৰু ইয়াৰ সৈতে সু-সামঞ্জস্যপূৰ্ণ সম্পৰ্ক স্থাপনত সহায় কৰে। এইটোৱে আমাৰ নৱ প্ৰজন্মক পৰিৱেশৰ গুৰুত্বৰ অনুভৱ কৰাত সহায় কৰিব আৰু কেনেকৈ আমি ইয়াক বচাই ৰাখিম তাক উপলব্ধি কৰিবলৈ দিব। এই পদ্ধতিৰ দ্বাৰা পোৱা তথ্যসমূহ বৰ্তমান কি ঘটি আছে তাৰ সৈতে জড়িত, যিয়ে পৰিৱেশৰ অৱক্ষয়ৰ কাৰকসমূহ বিচাৰি উলিওৱাত সহায় কৰে আৰু সমাধান উলিওৱাৰ ক্ষেত্ৰতো সহায় কৰে।

এইটো বিশ্বাস কৰা হয় যে শিকন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত প্ৰত্যক্ষ অভিজ্ঞতাসমূহ অধিক ফলপ্ৰসূ আৰু ই দীৰ্ঘসময়লৈকে মনত থাকে। সেইবাবে ছাত্ৰ-ছাত্ৰীসকলক পৃথিৱী আৰু আকাশৰ সাধাৰণ বস্তুবোৰ নিৰীক্ষণ কৰিবলৈ দিব লাগে যাতে সি/তাই জীৱিত আৰু অজীৱিত উপাদানসমূহৰ প্ৰতি সজাগতা আহৰণ কৰিব পাৰে আৰু সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশৰ পৰিপ্ৰেক্ষিতত সি/তাইৰ মংগলৰ প্ৰতি সচেতনতাৰ বিকাশ কৰিব পাৰে। এনেদৰে ল'ৰা-ছোৱালীয়ে ক্ৰমান্বয়ে পৰিৱেশ সংৰক্ষণৰ প্ৰতি ইতিবাচক অনুভূতি আৰু মনোভাৱৰ আৰম্ভণি হয়। তেওঁলোকে এনে দক্ষতা আৰু মনোভাবক ব্যক্তিগত অভ্যাসলৈ পৰিণত কৰিব পাৰে। ব্যক্তিগত অভ্যাসসমূহে পৰিৱেশৰ গুণমান উন্নত কৰি তোলাত অৰিহণা যোগাব পাৰে। শিক্ষকৰ তত্ত্বাৱধানত নিৰীক্ষণ, তাৎক্ষণিক চৌপাশ, ভৌগোলিক তথ্য আৰু সম্পৰ্কৰবোৰ পৰিৱেশ শিক্ষা শিকোৱাৰ ক্ষেত্ৰত অমূল্য দিশ হিচাপে প্ৰমাণিত হৈছে।

১.৫.৫ নাটকীয়কৰণ

আমি জানো যে নাট হৈছে এক জীৱন্ত অভিজ্ঞতা। ই ল'ৰা-ছোৱালীক নিজৰ পৰিসীমা বিস্তৃত কৰাত সহায় কৰে, ঘটনা আৰু ঘটি থকা দিশবোৰৰ প্ৰতি কল্পনা, ধাৰণা আৰু অনুভূতি প্ৰকাশত সহায় কৰে। অভিনয় হৈছে শিকনৰ এক আচৰিত পথ। নাটকীয় শিক্ষণবোৰ বিভিন্ন প্ৰকাৰৰ পাঠ্যক্ৰমৰ সৈতে জড়িত, বিশেষকৈ শিক্ষাৰ নিম্নস্তৰত। এই পদ্ধতিয়ে শিক্ষণৰ আহিলা সংগ্ৰহ কৰে যিয়ে প্ৰচলিত নাট পদ্ধতি যেনে— উন্নীতকৰণ, সাধু কোৱা, অভিনয় কৰা, খেলা আদিক অন্তৰ্ভুক্ত কৰে। নাটকীয় পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীসকলক পৰস্পৰ সংবেদনমূলক কাৰ্যকলাপৰ যোগেদি জড়িত কৰাত গুৰুত্ব আৰোপ কৰে। শ্ৰেণীকোঠাত বিভিন্ন প্ৰকাৰে নাটকীয় পদ্ধতি ব্যৱহাৰ কৰিব পাৰি। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক বিষয়ৰ গভীৰ অন্তৰ্দৃষ্টি প্ৰাপ্তি, ধাৰণা গঠন আৰু

বিষয়বস্তু ব্যৱহাৰ কৰাত সহায় কৰে। তাৰোপৰি ইয়াক ছাত্র-ছাত্রীৰ জ্ঞান পৰীক্ষাৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হয়। নাটকীয় অভিনয় কোনো এটা কাহিনীৰ সৈতে উন্মোচিত হয়। নাটক এখনৰ প্রণয়নে গণতান্ত্রিক নাগৰিকত্বৰ দায়িত্বসমূহ উন্মোচিত কৰে যিয়ে ল'ৰা-ছোৱালীক সম্প্রদায়ৰ জীৱন-যাপনৰ সমস্যাসমূহৰ বিষয়ে বুজাবুজি আৰু সম্প্রদায়ৰ কার্যকলাপত অংশ গ্রহণৰ গুৰুত্বৰ কথা উপলব্ধি কৰায়। ই ভাল পৰিৱেশ আৰু শোষিত ধাৰণা দাঙি ধৰিব পাৰে।

পৰিৱেশ শিক্ষাৰ ক্ষেত্রত নাটকীয় পদ্ধতিৰ ব্যৱহাৰৰ দিশত শিক্ষকে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তেওঁ ছাত্র-ছাত্রীসকলক নাটকৰ পণ্ডুলিপি প্রস্তুত, সাজ-সজ্জা প্রস্তুত, মঞ্চৰ বাবে প্রয়োজনীয় ছবি আঁকা, কার্যসূচী প্রস্তুত কৰিবলৈ দিব পাৰে আৰু নিমন্ত্রণ আৰু নাটকৰ বাবে প্রয়োজনীয় দিশবোৰ প্রস্তুত কৰিবলৈ দিব পাৰে। এনেদৰে নাটকৰ জড়িত হৈ শিশুৱে নিজৰ ধৰণেৰে মানৱ জীৱনৰ কার্যকলাপ আৰু সম্পর্কসমূহ অন্বেষণ কৰে আৰু অতি প্রয়োজনীয় তথ্য আৰু দক্ষতা আহৰণ কৰে। পৰিৱেশ হৈছে এক গুৰুত্বপূর্ণ ঘটনা, সেইবাবে তৃণমূল পর্যায়ৰ পৰাই শিশুসকলক এই বিষয়ত সজাগতা আনি দিয়াতো অতি প্রয়োজনীয়। নাটকীয় পদ্ধতিয়ে শিশুসকলক এই গুৰুত্ব অনুভৱ কৰাত সহায় কৰে।

১.৫.৬ ক্ষেত্র অধ্যয়ন

পৰিৱেশৰ অর্থ হৈছে আমাৰ চৌপাশ। পৰিৱেশ জানিবলৈ আৰু পৰিস্থিতি তন্ত্র পৰিচালনা কৰিবলৈ আমি আমাৰ পৰিৱেশ অন্বেষণ কৰিব লাগিব। কেৱল কিতাপৰ জ্ঞানে ছাত্র-ছাত্রীৰ মাজত পৰিৱেশৰ প্রতি ভালপোৱাৰ অনুভৱ আনি দিব নোৱাৰে। যেতিয়া তেওঁলোকে পৰিৱেশ অন্বেষণৰ সুবিধা পাব তেওঁলোকে ইয়াৰ প্রতি আকর্ষণৰ বিকাশ কৰিবলৈ শিকিব। ছাত্র-ছাত্রীসকলক পৰিৱেশ অন্বেষণ কৰিবলৈ দিয়াৰ উপযুক্ত সুবিধা হৈছে ক্ষেত্র অধ্যয়ন, যিটো স্কুলীয়া শিক্ষাৰ এক প্রয়োজনীয় অংশ। সাধাৰণতে ক্ষেত্র অধ্যয়ন হৈছে ছাত্র-ছাত্রী আৰু শিক্ষকে আয়োজন কৰা এক যাত্রা, যাৰ জৰিয়তে প্রাকৃতিকভাৱে, সাংস্কৃতিকভাৱে, সামাজিকভাৱে বা ভৌগোলিকভাৱে উল্লেখযোগ্যৰূপে অধ্যয়ন কৰিব পাৰে। ক্ষেত্র অধ্যয়ন বা শৈক্ষিক ভ্রমণৰ দ্বাৰা ফলপ্রসূভাৱে পৰিৱেশ শিক্ষা প্রদান কৰিব পাৰি। পৰিৱেশ শিক্ষাৰ শিক্ষা প্রদানৰ ক্ষেত্রত ই হৈছে আটাইতকৈ বেছি ব্যৱহাৰিক পদ্ধতি। এই পদ্ধতিয়ে স্থানীয় নিৰীক্ষণ, আঞ্চলিক আৰু ৰাষ্ট্রীয় নিৰীক্ষণ, ভৌগোলিক অৱস্থাৰ নিৰীক্ষণ, ঐতিহাসিক ঠাই আৰু ইয়াৰ আৱশিষ্ট নিৰীক্ষণ, উদ্যোগিক ক্ষেত্র আৰু প্রাকৃতিক গছ-গছনি, যিবোৰ পৰিৱেশৰ সৈতে সম্পর্ক থকা স্কুলীয়া বিষয়ৰ প্রধান উপাদান। এই উপাদানে এই সকলোবোৰৰ বাস্তৱ অভিজ্ঞতা প্রদান কৰে।

নিৰীক্ষণ পদ্ধতিত পৰিৱেশৰ সচেতনতা ছাত্র-ছাত্রীসকলৰ ধাৰণা অনুসৰি প্রদান

কৰা হয়। ই নিৰীক্ষণ, কল্পনা, কাৰণ আৰু প্ৰভাৱক উদ্ভাৱন কৰা পৰিৱেশীয় উপাদানসমূহৰ মাজৰ সম্পৰ্ক আদিবোৰক অন্তৰ্ভুক্ত কৰে। এনেদৰে ই ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশৰ প্ৰকৃত সংস্পৰ্শ প্ৰদান কৰে। ক্ষেত্ৰ অধ্যয়নে প্ৰাকৃতিক পৰিৱেশক উপলব্ধি কৰাৰ ক্ষমতাৰ বিকাশ কৰে, নিজৰ অভিজ্ঞতা আৰু নিৰীক্ষণক ব্যাখ্যা কৰাৰ সুযোগ প্ৰদান কৰে। পৰিৱেশ শিক্ষা প্ৰদানৰ অন্যতম উত্তম পদ্ধতি হৈছে ক্ষেত্ৰ অধ্যয়ন, যিয়ে সহযোগিতাৰ অনুভৱ, দলীয় কাৰ্যকলাপ বা দলীয় কৰ্মৰ বিকাশ কৰে। যেতিয়া ক্ষেত্ৰ অধ্যয়নৰ আয়োজন কৰা হয়, তেতিয়া শিক্ষণ-শিকন ফলপ্ৰসূ কৰি তুলিবলৈ কিছুমান দিশ বিবেচনা কৰা উচিত। সেইবোৰ তলত দাঙি ধৰা হ'ল—

- বিশেষ উদ্দেশ্যবোৰ গঠন কৰি ল'ব লাগে।
- এনে উদ্দেশ্যবোৰ অনুভৱ কৰাৰ পথ আৰু উপায় চিনাক্তকৰণ কৰিব লাগে।
- এখন তালিকা প্ৰস্তুত কৰিব লাগে য'ত তাৰিখ, সময়, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, সময়সীমা আৰু অর্থনৈতিক দিশ অন্তৰ্ভুক্ত থাকিব লাগে।
- যাতায়তৰ ব্যৱস্থা আৰু সময়সূচী নির্ধাৰিত কৰিব লাগে।
- যাবলগীয়া সংস্থাৰ সৈতে আগতীয়া যোগাযোগ কৰি প্ৰয়োজনীয় আয়োজনৰ ব্যৱস্থা কৰিব লাগে।

ক্ষেত্ৰ অধ্যয়নৰ সার্থকতা নির্ভৰ কৰে স্থান নির্বাচন আৰু ছাত্ৰ-ছাত্ৰীৰ নিৰীক্ষণৰ সূচীৰ ওপৰত। প্ৰত্যেক গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিৰীক্ষণৰ ওপৰত ৰিপোৰ্ট প্ৰস্তুত কৰিব লাগে। প্ৰত্যেকটো ক্ষেত্ৰ অধ্যয়নত দলীয় আলোচনা থাকিব লাগে যাতে পৰিৱেশৰ উপাদানসমূহক উপস্থাপন কৰিব পৰা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ ক্ষেত্ৰ অধ্যয়নৰ পৰিকল্পনা কৰাৰ ক্ষেত্ৰত কোনবোৰ দিশ বিবেচনা কৰিব লাগে ?

.....

.....

ওপৰত উল্লেখ কৰা পদ্ধতিবোৰৰ উপৰি পৰিৱেশৰ বিষয়ৰ ওপৰত শিক্ষকে বক্তৃতা, তর্ক, আলোচনা চক্ৰ আৰু কর্মশালা অনুষ্ঠিত কৰিব পাৰে। শিক্ষকে ছাত্ৰ-ছাত্ৰীক পৰিৱেশৰ প্ৰতি ইতিবাচক মনোভাব গঢ়ি তোলাৰ বাবে সংবেদনশীল কৰিব পাৰে। পৰিৱেশীয় মান উন্নত কৰাৰ বাবে দায়বদ্ধতা গঢ়ি তুলিব পাৰে যিয়ে শেষত নাগৰিকসকলক পৰিৱেশ সমস্যাৰ সমাধানৰ দিশত কাম কৰিবলৈ প্ৰেৰণা দিব।



১.৬ এই অধ্যাটিৰ পৰা আমি কি শিকিলোঁ

- 'পৰিৱেশ' শব্দটোৰ আভিধানিক অৰ্থ হৈছে চৌপাশ বা অৱস্থা য'ত ব্যক্তি, জীৱ-জন্তু বা গছ-গছনিয়ে বাস কৰে।
- পৰিৱেশ সামগ্ৰিকভাৱে দুটা মৌলিক উপাদানক কেন্দ্ৰ কৰি গঠিত হয়। শাৰীৰিক বা প্ৰাকৃতিক আৰু মানৱসৃষ্ট বা সাংস্কৃতিক।
- পৰিৱেশ শিক্ষা হৈছে শিক্ষাৰ এনে এটা শাখা যিয়ে পৰিৱেশৰ বিভিন্ন সমস্যাৰাজিৰ পৰ্যাপ্ত পৰিমাণৰ জ্ঞান আৰু বোধ প্ৰদান কৰে। ইয়াৰ লক্ষ্য হৈছে পৰিৱেশৰ সমস্যা সম্পৰ্কে বহল ভিত্তিত সচেতনতা বৃদ্ধি কৰা।
- পৰিৱেশ শিক্ষা অন্য একো নহয়, ই মানুহৰ নিজৰ চাৰিওফালৰ পৃথিৱীখনৰ সৈতে আদান-প্ৰদান আৰু মানুহৰ পৃথিৱীখন উন্নত কৰিবলৈ শিকায়। এনেদৰে ই শিক্ষাৰ এক মাধ্যম আৰু প্ৰক্ৰিয়া যিয়ে প্ৰাকৃতিক আৰু মানৱ-সৃষ্ট চৌপাশৰ সৈতে মানুহৰ সম্পৰ্কক সামৰি লয়।
- পৰিৱেশ শিক্ষাই জনসংখ্যা বিস্ফোৰণৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰে আৰু বহনক্ষম বিকাশ উন্নত কৰিবলৈ চেষ্টা কৰে। ই পৰিৱেশৰ তাত্বিক আৰু ব্যৱহাৰিক দিশ দুয়োটাকে অন্তৰ্ভুক্ত কৰে আৰু ইয়াৰ দ্বাৰা পৰিৱেশৰ ভাৰসাম্যহীনতা আৰু অৱক্ষয় প্ৰতিৰোধৰ প্ৰচেষ্টা চলায়।
- পৰিৱেশ শিক্ষাৰ পৰিসৰে পৰিৱেশ শিক্ষাৰ ধাৰণা, পৰিস্থিতি তন্ত্ৰ আৰু পৰিৱেশ, শৈক্ষিক আৰু মনোবৈজ্ঞানিক পৰিৱেশ আৰু পৰিৱেশৰ পৰিচালনাক অন্তৰ্ভুক্ত কৰে।
- পৰিৱেশ শিক্ষাৰ শিক্ষণে ব্যৱহাৰিক (ক্ৰিয়াশীল) আৰু তাত্ত্বিক (বোধ) দুয়োটা দিশকে সামৰি লয়। শিক্ষকে এগৰাকীয়ে ছাত্ৰ-ছাত্ৰীক পৰিৱেশ শিক্ষাৰ জ্ঞান দিবলৈ বিভিন্ন পদ্ধতি অৱলম্বন কৰিব পাৰে। কিছুমান গুৰুত্বপূৰ্ণ পদ্ধতি হৈছে আলোচনা পদ্ধতি, প্ৰকল্প পদ্ধতি, সমস্যা সমাধান পদ্ধতি, ক্ষেত্ৰ অধ্যয়ন ইত্যাদি।



১.৭ অধিক জানিবলৈ

১) Akhatar, P. and others (2008). *Environment and Population Education*. Guwahati: Assam Book Depot.

২) Barua, J. (2009*). Paribesh Aru Janasankhya Siksha*. Guwahati: Chandra Prakash.

৩) Bhattacharya, K., Bhattacharya, R & Sharma, S (2012). *Environmental Education*. Guwahati: Assam Book Depot.

৪) Das, S. (2011). *Environmental Education- Concepts, Issues and Problems*. Guwahati: K.K. Publication.

৫) Saruna, A. B. (1986). *Environmental Education*. Agra: National Psychological Corporation.

৬) Sharma, R.A. (2010). *Environmental Education*. Meerut: R.Lall Book Depot.

৭) Shrivastva, K.K. (2004). *Environmental Education- Principles, Concepts and Management*. New Delhi: Kanishka Publishers & Distributors.

৮) Sing, S. & Dubey, A. (1989). *Environmental Management*. Allahabad: Allahabad University.

১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ i) নতুন ii) চৌপাশ iii) সমতা iv) আন্তঃশাখাযুক্ত

২ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ শিক্ষা হৈছে জ্ঞানৰ এক শাখা যিয়ে মানুহক পৰিস্থিতি তন্ত্ৰৰ ভাৰসাম্য ৰক্ষা কৰাৰ সচেততা, জ্ঞান, দক্ষতা, মনোভাব আৰু পৰিৱেশৰ গুণাৱলী উন্নত কৰি তোলাৰ প্রতিশ্রুতিৰ বিষয়ে শিক্ষা প্রদান কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ শিক্ষাই প্রকৃতি আৰু মানৱ-সৃষ্ট চৌপাশৰ সৈতে মানুহৰ সম্পর্কক সামৰি লয়। দ্বিতীয়তে, ই ভৌতিক, জৈৱিক আৰু সাংস্কৃতিক পৰিৱেশৰ জ্ঞান আৰু বোধক বুজায়। তৃতীয়তে, ই জনসংখ্যা বিস্ফোৰণ, উদ্যোগীকৰণ, প্রদূষণ ইত্যাদিয়ে পৰিৱেশৰ ওপৰত পেলোৱা প্রভাৱক আলোচনা কৰে। চতুর্থতে, জৈৱিক আৰু অজৈৱিক জীৱবোৰৰ সহ-অস্তিত্বৰ বিষয়ে ব্যাখ্যা কৰে আৰু পঞ্চমতে, ই হৈছে এক শৈক্ষিক প্রক্রিয়া যিয়ে শিক্ষার্থীসকলৰ মাজত প্রদূষণ মুক্ত পৰিৱেশৰ ভাৰসাম্যৰ প্রতি ইতিবাচক মূল্যবোধৰ সৃষ্টি কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ i) পৰিৱেশৰ জ্ঞান আৰু ইয়াৰ লগত জড়িত সমস্যাবোৰে জনাৰ ক্ষেত্রত ছাত্র-ছাত্রীক সহায় কৰা।

ii) প্রকৃতিৰ নীতি জনা আৰু প্রশংসা কৰাত ছাত্র-ছাত্রীক সহায় কৰা।

iii) প্রদূষণ মুক্ত পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ প্রতি শিক্ষার্থীৰ মনত ইতিবাচক মূল্যবোধৰ সৃষ্টি কৰা।

iv) পৰিৱেশৰ সমস্যা সমাধানৰ প্ৰতিৰোধ ক্ষেত্ৰত সক্ৰিয় অংশগ্ৰহণৰ সুবিধা প্ৰদান কৰা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ i) পৰিৱেশ শিক্ষাৰ ধাৰণা

ii) পৰিস্থিতি তন্ত্ৰ আৰু পৰিৱেশ প্ৰদূষণ

iii) শৈক্ষিক আৰু মনোবৈজ্ঞানিক পৰিৱেশৰ ধাৰণা

iv) পৰিৱেশ পৰিচালনাৰ ধাৰণা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ i) আলোচনা পদ্ধতিৰ অন্তৰ্গত আদান-প্ৰদান

ii) শিক্ষার্থী-শিক্ষার্থীৰ আদান-প্ৰদান

iii) শিক্ষক-বিষয়বস্তু আৰু শিক্ষার্থী-বিষয়বস্তুৰ আদান-প্ৰদান।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ সমস্যা সমাধান পদ্ধতিৰ তিনিটা বৈশিষ্ট্য হৈছে—

i) সমস্যাৰ সংজ্ঞা নির্ধাৰণ কৰা, সমস্যাৰ কাৰণবোৰ নির্ধাৰণ কৰা, সমাধানৰ বাবে বিকল্প নির্বাচনত অগ্ৰাধিকাৰ প্ৰদান কৰা আৰু সমাধানক প্ৰয়োগ কৰা।

ii) ইয়াৰ আৰম্ভণি হয় সমস্যা জড়িত পৰিস্থিতিৰ পৰা আৰু ইয়াত থাকে অবিৰত, অর্থপূর্ণ আৰু উপযুক্ত একত্ৰীকৰণ কার্য।

iii) সমস্যা সমাধান পদ্ধতি লক্ষ্য হৈছে সমস্যাৰ জৰিয়তে জ্ঞান উত্থাপন কৰা।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ষেত্ৰ অধ্যয়নৰ সময়ছোৱাত বিবেচনা কৰিবলগীয়া দিশবো হৈছে—

i) বিশেষ উদ্দেশ্যবোৰ গঠন কৰি ল'ব লাগে।

ii) এনে উদ্দেশ্যবোৰ অনুভৱ কৰাৰ পথ আৰু উপায় চিনাক্তকৰণ কৰিব লাগে।

iii) এখন তালিকা প্ৰস্তুত কৰিব লাগে য'ত তাৰিখ, সময়, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, সময়সীমা আৰু অর্থনৈতিক দিশ অন্তর্ভুক্ত থাকিব লাগে।

iv) যাতায়ত ব্যৱস্থা আৰু সময়সূচী নির্ধাৰিত কৰিব লাগে।



১.৯ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ পৰিৱেশ বুলিলে কি বুজে? চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ বহনক্ষম পৰিৱেশৰ উন্নয়নৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা কি হোৱা উচিত?

প্ৰশ্ন ৩ ঃ বহনক্ষম উন্নয়নৰ অর্থ লিখক।

প্ৰশ্ন ৪ ঃ পৰিৱেশ পৰিচালনা কাক বোলে?

প্ৰশ্ন ৫ ঃ পৰিৱেশ শিক্ষা প্ৰদানৰ প্ৰকল্প পদ্ধতিৰ সম্পর্কে বর্ণনা কৰক।

প্ৰশ্ন ৬ ঃ সমস্যা সমাধান পদ্ধতিত শিক্ষকৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ৭ ঃ পৰিৱেশ শিক্ষাত ক্ষেত্ৰ অধ্যয়নৰ গুৰুত্বৰ বিষয়ে এটা টোকা লিখক।

খ) দীঘল প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ পৰিৱেশ শিক্ষাৰ সংজ্ঞা দিয়ক আৰু বৈশিষ্ট্যৰ ওপৰত এটা টোকা লিখক।

প্রশ্ন ২ ঃ পৰিৱেশ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যবোৰ কি কি?

প্রশ্ন ৩ ঃ পৰিৱেশ শিক্ষা কাক বোলে? ইয়াৰ প্রকৃতি আৰু পৰিসৰ সম্পর্কে লিখক।

প্রশ্ন ৪ ঃ বর্তমান সময়ৰ পৰিপ্রেক্ষিতত পৰিৱেশ শিক্ষা অধ্যয়নৰ প্রয়োজন আৰু গুৰুত্ব কি? উদাহৰণসহ লিখক।

প্রশ্ন ৫ ঃ পৰিৱেশ শিক্ষা প্রদানৰ যিকোনো দুটা পদ্ধতি বহলভাৱে আলোচনা কৰক।

প্রশ্ন ৬ ঃ পৰিৱেশ অৱক্ষয় প্রতিৰোধত নাটকীয়কৰণে কি ধৰণে সহায় কৰে? নিজৰ মতামতৰ ওপৰত লিখক।

*** ***** ***

অধ্যায় ২ ঃ পৰিৱেশ শিক্ষাৰ দৃষ্টিভংগী

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ পৰিৱেশ শিক্ষাৰ দৃষ্টিভংগী

২.৩.১ মানুহ আৰু পৰিৱেশৰ পৰিস্থিতিগত দৃষ্টিভংগী

২.৩.২ মানুহ আৰু পৰিৱেশৰ সম্পৰ্কৰ পৰিৱেশ বিজ্ঞান

২.৪ মানুহ আৰু পৰিৱেশৰ মনোবৈজ্ঞানিক দৃষ্টিভংগী

২.৪.১ পৰিৱেশে আমাক মনোবৈজ্ঞানিকভাৱে কিদৰে প্ৰভাৱিত কৰে।

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্ৰগতিৰ খতিয়ান

২.৮ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানুহ আৰু পৰিৱেশৰ সম্পৰ্কৰ বিভিন্ন দৃষ্টিভংগী বৰ্ণনা কৰিব পাৰিব।
- শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ অসুস্থতাৰ কাৰণবোৰ চিনাক্ত কৰিব পাৰিব।
- পৰিৱেশ আৰু মনোবৈজ্ঞানিক সম্পৰ্কৰ ক্ষেত্ৰত ইহঁতৰ কাৰ্যাৱলী ব্যাখ্যা কৰিব পাৰিব।
- সম্পদৰ বহনক্ষম ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ জ্ঞানৰ দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

আগৰ অধ্যায়ত আপোনালোকে ইতিমধ্যে পৰিৱেশ শিক্ষাৰ বিষয়ে জানি আহিছে। এই অধ্যায়টোত আমি পৰিৱেশ শিক্ষাৰ দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিম। এতিয়া আপোনালোকৰ মনত এটা প্ৰশ্ন আহিব পাৰে যে পৰিৱেশ শিক্ষাৰ বিভিন্ন দৃষ্টিভংগীসমূহ কি কি? এগৰাকী ব্যক্তি হিচাপে আমি এটা বস্তুক বিভিন্ন দিশৰ পৰা চাব পাৰোঁ। সেইবাবে সমগ্ৰ পৰিৱেশ আমাৰ সৈতে কেনেদৰে জড়িত আমি তাক বিভিন্ন দৃষ্টিকোণৰ পৰা চাব পাৰোঁ। আমি যদি লক্ষ্য কৰোঁ দেখিবলৈ পাওঁ যে মানুহ কেৱল শাৰীৰিক দিশৰ পৰাই প্ৰকৃতিৰ সৈতে জড়িত নহয় অৰ্থাৎ আমাৰ খাদ্য, বতাহ বা পানীৰ বাবেই প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল নহয়, আমি মানসিকভাৱেও প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। এই অধ্যায়টোত মানুহ আৰু পৰিৱেশৰ সম্পৰ্কৰ ক্ষেত্ৰত মনোবৈজ্ঞানিক আৰু পৰিৱেশীয় দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব দিবলৈ বিচৰা হৈছে।

২.৩ পৰিৱেশ শিক্ষাৰ দৃষ্টিভংগী

পৰিৱেশ শিক্ষণ হৈছে এক সামগ্রিক জীৱনজোৰা প্রক্রিয়া, যিয়ে মানুহক পৰিৱেশীয় সমস্যাসমূহ বুজাত সহায় কৰে আৰু এনে সমস্যাবোৰ সমাধানৰ বাবে উপযুক্ত পদক্ষেপ লোৱাতো সহায় কৰে। পৰিৱেশৰ কার্যবোৰৰ প্রতি মানুহক সজাগ কৰি তোলে আৰু পৰিৱেশ সুৰক্ষিত আৰু সংৰক্ষিত কৰাৰ বাবে মানুহৰ আচৰণৰ প্রয়োজনীয় দিশ আহৰণত সহায় কৰে। পৰিৱেশীয় দৃষ্টিভংগীয়ে আমাক দেখুৱাই দিয়ে আমি কিদৰে পৰিৱেশৰ ওপৰত নির্ভৰশীল। পৰিৱেশীয় শিক্ষণৰ বিভিন্ন দৃষ্টিভংগী বুজাৰ দ্বাৰা আমি পাঠ্যক্রম, শিকন পদ্ধতি আদিবোৰ জানিব পাৰোঁ। এই অধ্যায়টোত দুটা দৃষ্টিভংগীৰ পৰা বিবেচনা কৰা হৈছে— এটা হৈছে পৰিৱেশীয় আৰু আনটো হৈছে মনোবৈজ্ঞানিক দৃষ্টিভংগী। যদি আমি আমাৰ চাৰিও দিশ পর্যবেক্ষন কৰোঁ তেতিয়া আমি দেখিবলৈ পাওঁ যে সুস্থ পৰিৱেশীয় ব্যৱস্থাটো মানুহেই ধ্বংস কৰি আছে। সেইবাবে পৰিৱেশীয় শিক্ষাৰ উদ্দেশ্য হৈছে মানুহৰ ধ্বংসমূলক দিশটো কমাই আনি পৰিৱেশ সংৰক্ষণৰ প্রতি দায়িত্বশীল কৰি তোলা। পৰিৱেশীয় দৃষ্টিভংগীয়ে মানুহক বৃহত্তৰ সামাজিক পৰিৱেশীয় ব্যৱস্থাৰ এক অংশ স্বৰূপে বিবেচনা কৰে।

তলত দিয়া উপভাগবোৰৰ জৰিয়তে আমি মানুহ আৰু পৰিৱেশৰ কেনেদৰে পৰিৱেশীয়ভাৱে সম্পর্কিত তাৰ বিষয়ে আলোচনা কৰিম।

২.৩.১ মানুহ আৰু পৰিৱেশৰ পৰিস্থিতিগত দৃষ্টিভংগী

পৰিস্থিতি বিজ্ঞান হৈছে এনে এক বিজ্ঞান যিয়ে জীৱ আৰু ইহঁতৰ পৰিৱেশৰ মাজৰ সম্পর্ক আৰু আত্মনির্ভৰশীলতা নিয়ন্ত্রণ কৰা বিভিন্ন নীতিৰ বিষয়ে আলোচনা কৰে। অধ্যয়নৰ পৰিস্থিতিগত অভিগমনে পৰিৱেশীয় সম্পর্ক সামৰি লয়, যিটো শাৰীৰিক পৰিৱেশ আৰু জীৱৰ পাৰস্পৰিক আদান-প্রদান আৰু পৰিস্থিতি ব্যৱস্থাৰ জীৱৰ মাজত আদান-প্রদানৰ ওপৰত নির্ভৰশীল। মানুহ আৰু পৰিৱেশৰ সম্পর্ক হৈছে দ্বিমাত্রিক য'ত ইটোৱে সিটোক প্রভাৱিত আৰু সংশোধিত কৰি তোলে। পৰিস্থিতিগত দৃষ্টিভংগী হৈছে সম্প্রদায় মনোবিজ্ঞানৰ এটা ধাৰণা য'ত এটা সম্প্রদায়ৰ মানুহৰ ভূমিকা, সংগঠন, স্থানীয় পৰিঘটনাৰ সম্পদ আৰু সমস্যাৰ মাজৰ আন্তঃসম্পর্কৰ ভিত্তিত চোৱা হয়। ই ব্যক্তি আৰু তেওঁলোকৰ পৰিৱেশৰ পাৰস্পৰিক ক্রিয়াৰ হিচাপ দিয়ে। শিকন ব্যৱস্থা হৈছে ব্যক্তিৰ সমষ্টি য'ত পৰিৱেশত ইজনে সিজনৰ সৈতে আদান-প্রদান কৰে আৰু প্রকৃতিৰ সৈতেও আদান প্রদান কৰে। মানুহ আৰু পৰিৱেশৰ সম্পর্কৰ পৰিস্থিতিৰ দৃষ্টিভংগীয়ে বৃদ্ধিৰ গতিশীল প্রক্রিয়া, অৱনতি আৰু পুনৰগঠন, স্থিৰ ব্যৱস্থা আৰু প্রতিক্রিয়া অন্তর্ভুক্ত কৰে। ই শিক্ষামূলক পদ্ধতিসমূহৰ পৰামর্শ দিয়ে যিয়ে শিক্ষার্থীসকলক নিজকে পৰিৱেশ ব্যৱস্থাৰ অংশ হিচাপে চাবলৈ সহায় কৰে আৰু সম্পদ ব্যৱস্থাপনা পদ্ধতি আৰু নীতিসমূহত অৱিহণা যোগায়। মানুহ আৰু পৰিৱেশৰ পৰিস্থিতিৰ দৃষ্টিভংগী

হৈছে ছাত্ৰ-ছাত্ৰীৰ মাজত বাঞ্ছনীয় পৰিৱৰ্তনৰ উদ্দেশ্যে আচৰণ নিয়ন্ত্ৰণ আৰু নিমমীয়াকৰণ কৰাৰ এক অভিগমন। পৰিস্থিতিৰ দৃষ্টিভংগীয়ে কেৱল মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্কক অন্তৰ্ভুক্ত নকৰে, ই মানুহৰ জীৱনৰ বিভিন্ন দিশবোৰ অন্তৰ্ভুক্ত কৰে। ই কেৱল জীৱ বিজ্ঞানৰ মাজতে আবদ্ধ হৈ থকা নাই, যাৰ পৰা ই বিকশিত হৈছে কিন্তু ই সামাজিক বিজ্ঞানতো উপনীত হৈছে আৰু এতিয়া ইয়াক এক মানৰ অৱস্থা হিচাপে দেখা যায়।

পৰিৱেশগত দৃষ্টিভংগী মাত্ৰাসমূহ

- পৰিৱেশগত দৃষ্টিভংগীয়ে আমাক জীৱিত জীৱ আৰু পৰিৱেশৰ সম্পৰ্কক বুজাত সহায় কৰে।
- ই জীৱ আৰু পৰিৱেশৰ উপাদানৰ মাজৰ আন্তঃনিৰ্ভৰশীলতা বুজাৰ ক্ষেত্ৰত আমাক সুযোগ প্ৰদান কৰে।
- ই পৰিৱেশৰ কল্যাণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ আচৰণৰ নিয়ন্ত্ৰণ আৰু নিয়মীয়াকৰণৰ অভিগমনত সহায় কৰে।
- ই সমগ্ৰ পৰিৱেশৰ পাৰস্পৰিক সম্বন্ধৰ ব্যাপক সজাগতা অনাত সহায় কৰে।
- ই পৰিৱেশৰ উপাদানসমূহৰ ফলপ্ৰসূ সম্পৰ্কিত আৰু ভৱিষ্যৎবাণী কৰিবলৈ গাণিতিক আৰ্হি প্ৰদান কৰে।
- ই প্ৰাকৃতিক সম্পদ সু�ৰক্ষিত আৰু সংৰক্ষিত কৰাৰ পথ দেখুৱায়।

পৰিৱেশ বিজ্ঞানৰ প্ৰকাৰসমূহ

পৰিৱেশ বিজ্ঞানৰ বিভিন্ন শাখাবোৰ আছে যিয়ে আমাক পৰিৱেশৰ বিষয়ে বুজিবলৈ বিভিন্ন দৃষ্টিভংগী লাভ কৰাত সহায় কৰে আৰু জ্ঞান প্ৰচাৰৰ বাবে পদ্ধতি আৰু নক্সাৰ অনুশীলন কৰে।

- বাসস্থান পৰিৱেশ বিজ্ঞানে পৃথিৱীৰ বিভিন্ন বাসস্থানৰ বিষয়ে বুজাবুজি প্ৰদান কৰে।
- সম্প্ৰদায়ৰ পৰিৱেশ বিজ্ঞানে বিভিন্ন স্থানত জীৱ-জন্তুৰ স্থানীয় বিতৰণৰ বিষয়ে অধ্যয়ন কৰে।
- মানৱ পৰিৱেশ বিজ্ঞানে মানুহ আৰু পৰিৱেশৰ সম্পৰ্ক আৰু ইটোৰ ওপৰত সিটোৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়ন কৰে।
- জনসংখ্যা পৰিৱেশ বিজ্ঞান হৈছে প্ৰদূষণৰ (জীৱৰ) বৃদ্ধি, গঠন আৰু নীতি-নিয়ম।
- প্ৰয়োগিক পৰিৱেশ বিজ্ঞানে মানুহৰ প্ৰয়োজন আৰু পৰিৱেশীয় ধাৰণাৰ প্ৰয়োগৰ বিষয়ে অধ্যয়ন কৰে।
- উৎপাদনশীল পৰিৱেশ বিজ্ঞান বিভিন্ন পৰিৱেশৰ ব্যৱস্থাৰ সৈতে জড়িত থাকে।
- ভৌগোলিক পৰিৱেশ বিজ্ঞানে উদ্ভিদ আৰু জীৱৰ ভৌগোলিক বিতৰণৰ বিষয়ে

অধ্যয়ন কৰে।

- পৰিৱেশীয় বিজ্ঞানৰ সৈতে জড়িত অন্য এটা শাখা হৈছে সমাজবিজ্ঞান, যিয়ে মানৱ জাতিৰ নৃতত্ত্ব আৰু পৰিৱেশৰ সৈতে জড়িত।
- ব্যৱস্থাগত পৰিৱেশ বিজ্ঞানে পৰিৱেশ তন্ত্ৰৰ গঠন আৰু কাৰ্যৰ বিশ্লেষণ কৰে।

পৰিৱেশতন্ত্ৰ

পৰিৱেশীয় দৃষ্টিভংগীৰ অন্যতম গুৰুত্বপূৰ্ণ অংশ হৈছে পৰিৱেশ তন্ত্ৰ। পৰিৱেশ তন্ত্ৰ হৈছে জীৱৰ এক একক যিটো এটা নিৰ্দিষ্ট স্থান আৰু সময়ৰ এককৰ ভিতৰত এটা আনটোৰ সৈতে সংযুক্ত হৈ থাকে। ই তিনিটা মৌলিক উপাদানেৰে গঠিত হয়— জৈৱিক, অজৈৱিক আৰু শক্তি। পৰিৱেশ তন্ত্ৰৰ নিজস্ব উৎপাদন আছে যিটো হৈছে পৰিৱেশ তন্ত্ৰৰ মাজেৰে পাৰ হৈ যোৱা শক্তিৰ উপলব্ধতা আৰু পৰিমাণৰ ওপৰত ভিত্তি কৰি জৈৱিক পদাৰ্থ নিৰ্মাণৰ প্ৰক্ৰিয়া। পৰিস্থিতি তন্ত্ৰ প্ৰধানকৈ দুই প্ৰকাৰৰ—

- প্ৰাকৃতিক পৰিৱেশ তন্ত্ৰ মানুহৰ কোনো হস্তক্ষেপ নোহোৱাকৈ প্ৰাকৃতিক পৰিস্থিতিত নিজেই পৰিচালিত হয়।
- মানুহে পৰিচালনা কৰা কৃত্ৰিম পৰিৱেশ তন্ত্ৰ।

পৰিৱেশ তন্ত্ৰ বিভিন্ন প্ৰকাৰৰ জীৱৰ দ্বাৰা গঠিত যেনে বিভিন্ন ধৰণৰ উদ্ভিদ, জীৱ-জন্তু আৰু অণুজীৱ, যিবোৰৰ মাজত পাৰস্পৰিক আদান-প্ৰদান আছে। মানুহ হৈছে পৰিৱেশ তন্ত্ৰৰ এক অবিচ্ছেদ্য অংগ, যিয়ে নিজৰ সুবিধাৰ বাবে প্ৰকৃতিৰ বিভিন্ন উপাদানৰ সৈতে মিলামিছা আৰু সংশোধন কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পৰিৱেশীয় দৃষ্টিভংগীৰ এটা দিশ লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ মানৱ পৰিস্থিতি বিজ্ঞানৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন নং ৩ ঃ কৃত্ৰিম পৰিৱেশ তন্ত্ৰ বুলিলে কি বুজে?

.....

.....

২.৩.২ মানুহ আৰু পৰিৱেশৰ সম্পৰ্কৰ পৰিৱেশ বিজ্ঞান

মানুহ কেৱল পৰিৱেশৰে সৃষ্টি নহয়, মানুহ নিজে সৃষ্টি কৰোঁতা আৰু ৰূপান্তৰ কৰোঁতা হৈ পৰিছে আৰু পৰিৱেশক অবদমন কৰোঁতা মানুহ খাদ্য শৃংখলৰ উচ্চ স্তৰত

উপনীত হৈছে। ই কেৱল খাদ্য ভক্ষণ নকৰে, তাৰ উৎপাদনো কৰে। মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক, উদ্ভিদ আৰু জীৱ-জন্তুতকৈ পৃথক। মানুহে জীয়াই থাকিবৰ বাবে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হয় আৰু অন্যহাতে মানুহে নিজৰ জ্ঞান, বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগিতৰ ফলত নিজৰ প্ৰয়োজন অনুসৰি প্ৰকৃতিক ৰূপান্তৰ কৰে।

প্ৰাকৃতিক আৰু মানৱ-সৃষ্ট শক্তিৰ ফলত প্ৰকৃতিৰ পৰিৱৰ্তন ঘটে। বেছিভাগ পৰিৱেশীয় পৰিৱৰ্তন ঘটে মানুহে কৰা প্ৰাকৃতিক সম্পদৰ শোষণৰ ফলত। ইয়াৰ প্ৰধান চাপসমূহ হৈছে— বতাহ, পানী, শব্দ প্ৰদূষণ ইত্যাদি যিবোৰে পৰিৱেশৰ পৰিৱৰ্তন কৰে। জনসংখ্যা বিস্ফোৰণেও প্ৰাকৃতিক পৰিৱেশৰ অৱনমিত কৰি পেলাইছে।

মানুহে নিজ কাৰ্যৰ দ্বাৰা পৰিৱেশ সলনি কৰি পেলাইছে, তথাপি আমি পৰিৱেশৰ সৈতে জড়িত আৰু আমি জীয়াই থাকিবলৈ আমাৰ চাৰিওফালৰ পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল।

পৰিৱেশ পৰিৱৰ্তনৰ দুটা প্ৰধান উৎস হৈছে জলবায়ু আৰু মানুহ, যি দুটাই প্ৰত্যক্ষভাৱে পৰিৱেশীয় ব্যৱস্থাৰ কাৰ্য প্ৰক্ৰিয়াক প্ৰভাৱিত কৰা। সম্পদৰ পৰ্যাপ্ততাই মানুহৰ কাৰ্যাৱলীৰ ধৰণ নিৰ্ধাৰণ কৰে। মানুহৰ কাৰ্যবোৰৰ প্ৰভাৱিত কৰা পৰিৱেশৰ গুৰুত্বপূৰ্ণ দিশটো হৈছে প্ৰাকৃতিক সম্পদ। অৰ্থনৈতিক জীৱন মুখীতা মানুহৰ চাৰিওফালে থকা সম্পদৰ পৰ্যাপ্ততাৰ ওপৰত নিৰ্ভৰশীল। বৰ্তমান সময়ত আন্তৰ্জাতিক সম্পৰ্কও দেশ এখনৰ সম্পদৰ পৰ্যাপ্ততা আৰু ইয়াৰ ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰে।

মানুহ আৰু পৰিৱেশৰ সম্পৰ্কৰ পৰিৱেশীয় দৃষ্টিভংগীয়ে কৃষি ক্ষেত্ৰৰ পৰিৱৰ্তনৰ বিষয়ে অধ্যয়ন কৰে। কৃষি ব্যৱস্থাৰ পুৰণি পদ্ধতিৰ পৰা নতুন অৰ্থাৎ আধুনিক প্ৰযুক্তিগত পদ্ধতিলৈ হোৱা পৰিৱৰ্তনে উৎপাদন বৃদ্ধি কৰিছে আৰু পৰিৱেশৰ ওপৰত কৰা নিৰ্ভৰশীলতা ক্ৰমান্বয়ে কমাই আনিছে। কিন্তু কৃত্ৰিম সাৰৰ প্ৰয়োগে মাটিৰ গুণমান হ্ৰাস কৰিছে। অন্যহাতে তেনেবোৰ বস্তু খোৱাৰ ফলত মানুহৰ স্বাস্থ্য হানি কৰিছে।

মানুহৰ কাৰ্যৰ ফলস্বৰূপে বনাঞ্চল ধংস হৈছে। গছ-গছনিয়ে পৰিৱেশৰ সমতা ৰক্ষা কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বনাঞ্চল ধংসকৰণে পৃথিৱীৰ উপৰিভাগ, বায়ু, তাপমাত্ৰা, আদ্ৰতা আৰু ৱৰষুণৰ পৰিৱৰ্তন ঘটায়, এইবোৰে মানুহৰ জীৱন শৈলীত পৰিৱৰ্তন আনি দিয়ে।

বিনোদনমূলক আৰু পৰ্যটন উদ্যোগ দিনে দিনে বৃদ্ধি পাইছে যিয়ে মাটি ত্বৰান্বিত কৰিছে আৰু জীৱজন্তুৰ পৃথিৱীখনত বিঘিনি ঘটাইছে।

জনসংখ্যা বৃদ্ধিয়ে পৰিৱেশৰ সমতাৰ ক্ষেত্ৰত বিপদ আনিছে। অত্যাধিক জনসংখ্যাই বেছি খাদ্য, বাসস্থানৰ চাহিদা বৃদ্ধি কৰি তুলিছে যাৰ ফলত মানুহে প্ৰাকৃতিক পৰিৱেশক ধংস কৰিছে। গুৱাহাটীত সঘনে সংঘটিত হোৱা মানুহ আৰু জীৱজন্তুৰ সংঘাত হৈছে মানুহৰ প্ৰয়োজনীয়তাৰ বাবে প্ৰাণীৰ প্ৰাকৃতিক বাসস্থান ধংস কৰাৰ এক উদাহৰণ।

মানুহৰ জনসংখ্যাৰ ঘনত্ব বৃদ্ধি গাঁও অঞ্চলতকৈ চহৰ অঞ্চলত বেছি হয়। কিছুমান সুবিধাৰ বিকাশ যেনে— স্বাস্থ্য, শিক্ষা, কর্ম সংস্থানৰ সুবিধা আদিয়ে চহৰলৈ মানুহক আকর্ষিত কৰে। ইয়াৰ ফলত যান-বাহন, পানী যোগান, বিজুলী যোগান, নলা-নর্দমা আদিৰ ক্ষেত্রত অত্যাধিক হেঁচা পৰে। এনে হেঁচাই মানুহক শাৰীৰিক আৰু মানসিকভাৱে ৰোগগ্রস্ত কৰি তোলে।

প্রকৃতিয়ে যদিয়ো আমাক পর্যাপ্ত পৰিমাণে আর্শীবাদ দিছে, তথাপি মানুহে প্রকৃতিক ধংস কৰাৰ পৰা নিজকে বিৰত ৰখা উচিত। ব্যৱহাৰৰ ফলত মজুত থকা কেঁচা সামগ্রী শেষ হ'বলৈ ধৰিছে। অৱশ্যে ইয়াৰ অন্য কাৰণো আছে উদাহৰণস্বৰূপে ঘৰ আৰু আন্তঃগাঁথনিৰ বাবে মাটিৰ প্রয়োজন। কেঁচামালৰ ব্যৱহাৰে প্রাকৃতিক সম্পদৰ ব্যৱহাৰিক উপযোগিতা বহু পৰিমাণে নির্ধাৰণ কৰে। প্রাকৃতিক সম্পদৰ ব্যৱহাৰ আৰু নিষ্কাসন হৈছে সমগ্র পৃথিৱীৰ পৰিৱেশৰ সমস্যা আৰু ইয়াৰ সামাজিক আৰু অর্থনৈতিক প্রভাৱ সদায় ন্যায্য বুলিব নোৱাৰি। বর্তমান আমি প্রাকৃতিক সম্পদ ব্যৱহাৰৰ ক্ষেত্রত এই তিনিটা দিশত গুৰুত্ব দিয়া উচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ পৰিৱেশীয় দৃষ্টিভংগীৰ অর্থ লিখক।

.....

.....

প্রশ্ন নং ৫ ঃ বনাঞ্চল ধংসকৰণে মানুহৰ জীৱন শৈলীত কেনেদৰে পৰিৱর্তন আনে?

.....

.....

২.৪ মানুহ আৰু পৰিৱেশৰ মনোবৈজ্ঞানিক দৃষ্টিভংগী

মানুহ আৰু পৰিৱেশৰ মাজত লেনদেন আৰু পৰিৱেশে মানৱ আচৰণ প্রভাৱিত কৰে আৰু মানৱ আচৰণেও পৰিৱেশক প্রভাৱিত কৰে, দুয়োটাই পাৰস্পৰিকভাৱে প্রভাৱিত হয়। পৰিৱেশে আমাক পুষ্টি যোগায়, কিন্তু ই আমাক ধংস কৰাৰো শক্তি আছে। অনাদিকালৰ পৰাই মানুহ বানপানী, ভূমিকম্প আৰু অন্য প্রাকৃতিক দুর্যোগৰ বলি হ'বলগীয়া হৈছে। যদিও মানুহে চন্দ্রত ভৰি দিছে, আমি তথাপিও মানুহৰ ওপৰত পৰা পৰিৱেশৰ প্রভাৱক নিয়ন্ত্রণ কৰিব পৰা নাই। তাৰ সলনি আমি কিছুমান পৰিৱেশীয় সমস্যাৰহে সৃষ্টি কৰিছোঁ যিবোৰ হৈছে মানুহে সৃষ্টি কৰা সমস্যা। এইবোৰে আমাৰ শাৰীৰিক আৰু মানসিক ভয়াৱহতাৰ সৃষ্টি কৰি তুলিছে। বায়ু প্রদূষণ, পানী প্রদূষণ, শব্দ প্রদূষণ আৰু জনসমাগম আদিয়ে আমাৰ মানসিক স্বাস্থ্যত বেয়াকৈ প্রভাৱ পেলাইছে, যিবোৰ হৈছে মানৱ সৃষ্টি। প্রযুক্তিবিজ্ঞানৰ বিকাশেও আমাৰ বাবে ভয়ানহতা

আনিছে ১৯৮৪ চনৰ ভূপালৰ মিথাইল আইছ'চাইনেট মানৱ সৃষ্ট সমস্যাৰ এটা উদাহৰণ যিটোৱে অবিৰত আৰু দীর্ঘম্যাদী বিৰূপ প্রভাৱ মানুহৰ ওপৰত এৰি থৈ গৈছে। ভূপালৰ এই দুর্যোগৰ প্রায় ৮,০০০ মানুহৰ মৃত্যু হৈছিল আৰু ২,০০,০০০ মানুহ শাৰীৰিকভাৱে ক্ষতিগ্রস্ত হৈছিল। আজিও গেছ দুর্ঘটনাত বলি হোৱা বহুতোলোক মানসিক আৰু শাৰীৰিক সমস্যাত ভোগী আছে।

পৰিৱেশ আৰু মানুহৰ মানসিক প্রক্রিয়াৰ মাজত এক ওচৰ সম্পর্ক আছে। পৰিৱেশৰ উপাদানসমূহে মানুহৰ মানসিক আৰু আচৰণগত কার্যাৱলী দুয়োটাৰ ওপৰত উল্লেখযোগ্য প্রভাৱ পেলায়। মানসিক কার্যসমূহ হৈছে আমি কেনেকৈ বুজোঁ, বিচাৰ কৰোঁ, বিশ্বাস কৰোঁ, ব্যাখ্যা কৰোঁ আৰু মনোভাব, আকৌ আচৰণৰ কার্যবোৰ যেনে— আমি কেনেকৈ পৰিৱেশৰ প্রতি প্রতিক্রিয়া দেখুৱাওঁ আদি। মানুহৰ সামাজিক, অর্থনৈতিক, মনোবৈজ্ঞানিক, মানসিক আৰু শাৰীৰিক সুস্থতা পৰিৱেশীয় সমস্যাই যেনে— ঘূর্ণী বতাহ, বানপানী, খৰাং, চুনামী আদিয়ে প্রভাৱিত কৰে। আগতে উল্লেখ কৰা হৈছে যে আমি প্রকৃতিৰ প্রতি দেখুওৱা প্রতিক্রিয়া নির্ভৰ কৰে মানসিক বোধ যেনে আমি কেনেকৈ আমাৰ চৌপাশ লক্ষ্য কৰোঁ? আমাৰ চৌপাশ পৰিৱেশে আবৰি আছে— ইয়ে হৈছে আমাৰ জীৱন অংশ বা সাধাৰণভাৱে আমি তেনেকৈ ভাবোঁ। আমি কেনেকৈ মনোযোগ দিওঁ সেইটো আমাৰ পৰিৱেশৰ সৈতে থকা সম্পর্কই প্রভাৱিত কৰে। পৰিৱেশৰ প্রতি আমাৰ ধাৰণা আৰু আমাৰ মগজুত পুনৰুদ্ধাৰ হোৱা তথ্যই আমাৰ কার্যকলাপ চিনাক্ত , পৰিচালনা আৰু পৰিকল্পনা কৰাত সহায় কৰে। মানুহ সদায় পৰিচিত পৰিৱেশৰ সৈতে থকাৰ প্রৱণতা থাকে আৰু তেনে চৌপাশৰ সৈতে নিজকে জড়িত কৰি লয়। আমি বসবাস কৰা পৰিৱেশে আমাৰ মানসিক দিশ আৰু বোধ তৈয়াৰ কৰে। যদি আমি এক অস্বাস্থ্যকৰ পৰিৱেশত বাস কৰোঁ তেতিয়াই আমাৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্য নিম্নখাপৰ কৰিব। যদি আমি উপযুক্ত, স্বাস্থ্যসম্মত পৰিৱেশত বাস কৰোঁ, তেতিয়া আমি শাৰীৰিক আৰু মানসিক দিশত সুস্থতা লাভ কৰিম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ মনোবৈজ্ঞানিক দৃষ্টিভংগীৰ অর্থ লিখক।

.....

.....

প্রশ্ন নং ৭ ঃ মনোবৈজ্ঞানিক দৃষ্টিভংগীৰ এটা দিশ লিখক।

.....

.....

২.৪.১ পৰিৱেশে আমাক মনোবৈজ্ঞানিকভাৱে কিদৰে প্রভাৱিত কৰে

মানুহ আৰু পৰিৱেশৰ মানসিক দৃষ্টিভংগীৰ গুৰুত্বপূর্ণ ক্ষেত্রটো উপলব্ধি, কিয়নো প্রতিজন মানুহে পৰিৱেশক নিজস্ব ধৰণে গ্রহণ কৰে যিয়ে পিছলৈ বিভিন্ন পৰিৱেশ-পৰিস্থিতিৰ প্রতি আমাৰ প্রতিক্রিয়াৰ সিদ্ধান্ত লয়। সামগ্রিকতাবাদী

মনোবিদসকলে মতপোষণ কৰে যে এজন ব্যক্তিয়ে স্বতঃস্ফূৰ্তভাৱে বিভিন্ন পৰিৱেশত বাস কৰে। পৰিৱেশতে যুক্তিযুক্ত আচৰণৰ আৰম্ভণি হয় আৰু সিদ্ধান্ত গ্ৰহণ কৰে। আগতে উল্লেখ কৰা হৈছে যে ব্যক্তিয়ে পৰিৱেশক কেনেদৰে গ্ৰহণ কৰে সেইটোৱে তেওঁৰ প্ৰতিক্ৰিয়া নিৰূপণ কৰে। প্ৰতিক্ৰয়াসমূহ ইতিবাচক বা নেতিবাচক হ'ব পাৰে।

প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্ক অতি জটিল। আমাৰ পৰিৱেশ প্ৰায়ে প্ৰতিদিনে সলনি হয় আৰু প্ৰতিটো জীৱই সেই পৰিৱৰ্শৰ সৈতে সমাযোজন কৰে। আমি কিমান ভালদৰে সমাযোজন কৰোঁ সিয়ে আমাৰ জীৱনৰ গুণমান নিৰ্ধাৰণ কৰে। পৰিৱেশৰ সৈতে উপযুক্তভাৱে সমাযোজন কৰা ব্যক্তিসকলে সমাযোজন কৰিব নোৱৰা ব্যক্তিসকলতকৈ সুখী আৰু স্বাস্থ্যসম্মতভাৱে জীৱন নিৰ্বাহ কৰে। পৰিৱেশে বহুতো দৃষ্টিভংগীক সামৰি লয়, য'ত মানুহে পৰিৱেশক মানসিক অৰ্থত কেনেকৈ গ্ৰহণ কৰে আৰু অনুভৱ কৰে, মানুহৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে ইয়াক কেনেকৈ পৰিৱৰ্তন আৰু ব্যৱহাৰ কৰে আৰু শেষত মানুহে নিজৰ আচৰণক কেনেকৈ নিৰন্তৰ পৰিৱৰ্তিত পৰিৱেশ তন্ত্ৰত গ্ৰহণ কৰে।

পৰিৱেশৰ গুণমানো মানুহৰ স্বাস্থ্য, সম্পদ আৰু সুখৰ ক্ষেত্ৰত জটিল। কিছুমান পৰিৱেশ মানসিক ক্লান্তি পুনৰুদ্ধাৰৰ বাবে অনুকূল আৰু কিছুমান নহয়। এজন মানুহৰ সম্পদো তেওঁৰ পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। মানুহ পৰিৱেশৰ কেৱল সাধাৰণ উৎপাদন নহয়, তেওঁ হৈছে নিৰ্দিষ্ট লক্ষ্য থকা জীৱ যিয়ে পৰিৱেশত কাৰ্য কৰে আৰু সেইবাবে পৰিৱেশৰ দ্বাৰা প্ৰভাৱিত হয়। আমাৰ প্ৰয়োজন পূৰাবৰ বাবে আমি প্ৰাকৃতিক সম্পদক ব্যৱহাৰ কৰোঁ, যিয়ে পিছলৈ আমাক প্ৰভাৱিত কৰে। আনহাতে, ই আমাৰ জীৱন সুবিধাজনক কৰি তোলে আৰু আনফালে নেতিবাচকভাৱে প্ৰভাৱিতও কৰে। প্ৰকৃতিক ধংস কৰাৰ বাবে আমি কিছুমান সমস্যাৰ সন্মুখীন হওঁ যেনে— গোলকীয় উষ্ণতা বৃদ্ধি, পানীৰ নাটনি ইত্যাদি যিবোৰে আমাৰ চাপৰ স্তৰ বৃদ্ধি কৰে আৰু আমাৰ অন্য ৰোগৰ প্ৰৱণতা দেখা যায়। মানুহে কেৱল পৃথিৱীখনকে প্ৰভাৱিত কৰি থকা নাই, পৃথিৱীত মানুহৰ সৈতে বাস কৰা অন্য জীৱকো প্ৰভাৱিত কৰি তুলিছে।

পৰিৱেশত বিভিন্ন ধৰণৰ উৎস থাকে যিবোৰে আমাৰ জীৱন, আমাৰ বৃদ্ধি, বিকাশ আৰু পৰিপক্কতাক প্ৰভাৱিত কৰে। প্ৰাকৃতিক পৰিৱেশৰ সৈতে মানৱে সৃষ্টি কৰা পৰিৱেশো আছে যিয়ে আমাৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্য প্ৰভাৱিত কৰে। পৰিৱেশৰ সমস্যা সৃষ্টিকাৰী যেনে— বায়ু প্ৰদূষণ, জল প্ৰদূষণ, শব্দ প্ৰদূষণ আদিয়ে আমাৰ জীৱন ধাৰণ মানদণ্ডত বেয়া প্ৰভাৱ পেলায়। এইবোৰে অন্য কিছুমান বিশেষ দিশ যেনে— দীৰ্ঘদিনীয়া চন্দৰ বিফলতা, ভৱিষ্যতবাণীৰ অভাৱ, উদ্দীপকৰ অতিৰিক্ত বোজা আদিত সমস্যাৰ সৃষ্টি কৰে। বহুতো আচৰণযুক্ত আৰু সংজ্ঞানাত্মক ফলাফল আছে যিবোৰে শাৰীৰিক ৰোগ, হ্ৰাস পোৱা পৰম্পৰা, অসহায় অৱস্থা আৰু ক্লান্তি।

ব্যক্তিৰ তাৎক্ষণিক জীৱন পৰিৱেশেও আমাৰ জীৱনক মানসিকভাৱে

পৰিচালিত কৰে। পৰিকল্পনা, ঘৰ আৰু কার্যালয়, প্রাকৃতিক সম্পদৰ সংৰক্ষণ আৰু অনুষ্ঠানৰ ঘৰ নির্মাণ আদিবোৰ আদান-প্রদান, সেৱা, চিন্তা, আৰু অনুভৱ আদি ব্যক্তিৰ চাৰিওফালে থকা অন্য লোকৰ বাবে কৰা হয়। সুস্থ জীৱন-যাপন কৰাৰ বাবে কিছুমান উদ্দীপক থাকে, যিবোৰ ব্যক্তিয়ে মৃত্যুলৈকে লাভ কৰে। মানুহে কিছুমান ঠাই বিচাৰে য'ত তেওঁলোকে আত্মবিশ্বাস সক্ষমতা অনুভৱ কৰে আৰু এনেকুৱা ঠাই বিচাৰে য'ত ব্যস্ত হৈ থাকোঁতে পৰিৱেশৰ অনুভৱ আহে। পছন্দৰ পৰিৱেশ সংৰক্ষণ, পুনৰুদ্ধাৰ আৰু সৃষ্টি কৰাটোৱে মানুহৰ মংগলৰ অনুভূতি আৰু আচৰণৰ ফলপ্রসূতা বৃদ্ধি কৰে বুলি ভবা হয়।

মানুহ আৰু পৰিৱেশৰ সম্পর্ক মনোবৈজ্ঞানিক দৃষ্টিকোণৰ পৰা অধ্যয়নৰ অন্য এটা গুৰুত্বপূর্ণ দিশ হৈছে ঠাইৰ জ্ঞান বা চিনাক্তকৰ। ঠাইৰ জ্ঞান হৈছে স্মৃতি, অনুভৱ, মূল্যবোধ আৰু অভিজ্ঞতাবোৰ ভৌতিক পৰিৱেশ এক প্রতিনিধিত্বমূলক চিহ্ন। স্থানৰ পৰিচয়ে জ্ঞানমূলক গোট প্রদান কৰে যিয়ে সেই বিশেষ পৰিস্থিতিত নীতিগত আচৰণ বুজায়। উদাহৰণস্বৰূপে, আমি অনানুষ্ঠানিক পৰিৱেশতকৈ আনুষ্ঠানিক পৰিৱেশত বেলেগ ধৰণে আচৰণ দেখুৱাওঁ। গুষ্টাফচন (২০০০)-এ মতামত দিয়ে যে স্থান চিনাক্তকৰণ হৈছে সংজ্ঞানাত্মক গাঁথনি যিয়ে বিশ্বব্যাপী আত্ম-শ্রেণীবিভাজন আৰু সামাজিক পৰিচয় প্রক্রিয়াত অৰিহণা যোগায়, যিটো প্রতিজন ব্যক্তিৰ বাবে নিজৰ বাসস্থানৰ পৰিৱেশ বিবেচনা কৰি মানসিক সংগৰ বাবে কৰা হয়।

মানুহৰ মৌলিক প্রয়োজন হৈছে বাসস্থান, যি ঘৰ বা গৃহই আমাক আশ্রয়, জলবায়ুৰ পৰিস্থিতি আৰু অবাঞ্ছিত অনুপ্রৱেশৰ পৰা নিৰাপত্তা আৰু সুৰক্ষা প্রদান কৰে। ব্যক্তিৰ মানসিক মংগলৰ ক্ষেত্রত ঘৰৰ পৰিৱেশে এক গুৰুত্বপূর্ণ উপাদান হিচাপে কাম কৰে। গৃহ নির্মাণৰ পৰিৱেশক বহুতো স্থাপত্য, অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক কাৰকৰ ক্ষেত্রতো বিবেচনা কৰিব পাৰি যিয়ে ব্যক্তিৰ ব্যক্তিত্বক প্রত্যক্ষভাৱে গঢ় দিয়ে। উদাহৰণস্বৰূপে, যিখন ঘৰত ল'ৰা-ছোৱালীৰ যত্ন লোৱা হয় তাত সি/তাই খেলৰ সুবিধা পায়, নিজৰ অনুভৱৰ আদান-প্রদান কৰিব পাৰে, অন্যৰ সৈতে ভাগ-বতৰা কৰিব পাৰে, তেনে শিশুবোৰে একো সুবিধা নোপোৱা শিশুবোৰতকৈ সোনকালে পৰিপক্কতা লাভ কৰে।

অর্থনৈতিক বৃদ্ধিৰ যন্ত্র দ্রুত নগৰীকৰণে আমাৰ নগৰ আৰু গাঁও অঞ্চলৰ পৰিৱেশ সম্পূর্ণভাৱে সলনি কৰি পেলাইছে। মানুহে ভাল অর্থনৈতিক সুবিধা বিচাৰি গাওঁ অঞ্চলৰ পৰা চহৰলৈ অনুপ্রৱেশ কৰে আৰু অর্থনৈতিক উন্নতিৰ প্রয়োজনীয়তাই পৰিৱেশৰ মংগলৰ ওপৰত ছাঁ পেলাইছে। ভাৰতে গৃহৰ নাটনিৰ বিশাল সমস্যা আৰু আনকি গৃহৰ মানদণ্ডৰ অৱনতিও কঢ়িয়াই আনিছে, যাৰ বৈশিষ্ট্য হৈছে অতি ঘন বসতি। ইয়াৰ ফলত জীৱনৰ মানদণ্ড নিম্নগামী হৈছে আৰু স্বাধীনতাৰ বাবে স্থান নোহোৱা হৈছে। তাৰোপৰি ই ব্যক্তিৰ মানসিক ক্ষেত্রত নেতিবাচক প্রভাৱ পেলাইছে। বস্তি অঞ্চলৰ

অতি ঘন বসতিয়ে মানুহৰ আচৰণতো প্ৰভাৱ পেলায়।

পৰিৱেশ এটা জীৱন সহায়ক ব্যৱস্থা হোৱা বাবে ইয়াৰ মানদণ্ড বজাই ৰাখিবলৈ, পৰিৱেশৰ নিয়ন্ত্ৰণ কৰিবলৈ আৰু পৰিৱেশৰ ওপৰত মানুহৰ কাৰ্যকলাপৰ প্ৰভাৱ মূল্যায়ন কৰিবলৈ সঠিক পৰিকল্পনাৰ প্ৰয়োজন। আমাৰ চাৰিওফালৰ সকলোবোৰে হৈছে আমাৰ পৰিৱেশ আৰু পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে মানুহৰ মৌলিক দায়িত্ব থকা উচিত। মানুহ আৰু পৰিৱেশৰ সম্পৰ্ক দ্বি-দিশযুক্ত, কাৰণ ইটোৱে সিটোক প্ৰভাৱিত কৰে। পৰিৱেশক সংশোধন কৰাৰ সক্ষমতা হৈছে মানুহৰ এক স্পষ্ট গতিশীল দিশ, য'ত সময় আৰু ব্যৱধানৰ পাৰ্থক্য থাকে। মানুহৰ এক দায়িত্ব হৈছে মানৱ জাতিৰ বাবে ভাল আৰু সুস্থ পৰিৱেশ সৃষ্টি কৰা আৰু সম্ভৱ হোৱালৈকে পৰিৱেশক সুৰক্ষা দিয়া।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ তাৎক্ষণিক জীৱিত পৰিৱেশে মানুহৰ আচৰণক কেনেদৰে নিৰ্দেশনা দিয়ে?

.....

.....

প্ৰশ্ন নং ৯ ঃ স্থানৰ জ্ঞান বুলিলে কি বুজে?

.....

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰিৱেশ হৈছে প্ৰধানকৈ প্ৰাকৃতিক পৰিৱেশ (যেনে— ঠাই, ভৌগোলিক বৈশিষ্ট্য যেনে— নদী, পৰ্বত, উপত্যকা, পৰিৱেশীয় চৰ্ত যেনে— তাপমাত্ৰা, বৰষুণ, উদ্ভিদ আৰু প্ৰাণীজগত) আৰু গঢ়ি তোলা পৰিৱেশ যেনে— ঘৰ, বিল্ডিং, চহৰ, সম্প্ৰদায় ইত্যাদি)। পৰিৱেশীয় চৰ্তসমূহে কেৱল আমাৰ ভৌতিক পৰিৱেশকে প্ৰভাৱিত নকৰে মানসিক দিশকো কৰে।
- মানুহ আৰু পৰিৱেশৰ সম্পৰ্কৰ পৰিস্থিতিৰ গতিশীল দৃষ্টিভংগীয়ে বৃদ্ধিৰ গতিশীল প্ৰক্ৰিয়া, অৱনতি আৰু পুনৰ গঠন, স্থিৰ ব্যৱস্থা আৰু প্ৰতিক্ৰিয়াক অন্তৰ্ভুক্ত কৰে। ই শিক্ষামূলক পদ্ধতিসমূহৰ পৰামৰ্শ দিয়ে যিয়ে শিক্ষাৰ্থীসকলক নিজকে পৰিৱেশ ব্যৱস্থাৰ অংশ হিচাপে চাবলৈ সহায় কৰে আৰু সম্পদ ব্যৱস্থাপনা পদ্ধতি আৰু নীতিসমূহত অৱিহণা যোগায়।
- পৰিৱেশীয় দৃষ্টিভংগীৰ অন্যতম গুৰুত্বপূৰ্ণ অংশ হৈছে পৰিৱেশ তন্ত্ৰ। পৰিৱেশ তন্ত্ৰ হৈছে জীৱৰ এক একক যিটো এটা নিৰ্দিষ্ট স্থান আৰু সময়ৰ এককৰ ভিতৰত এটা আনটোৰ সৈতে সংযুক্ত হৈ থাকে। ই তিনিটা মৌলিক উৎপাদানেৰে গঠিত হয়— জৈৱিক, অজৈৱিক

আৰু শক্তি। পৰিৱেশ তন্ত্ৰৰ নিজস্ব উৎপাদন আছে যিটো হৈছে পৰিৱেশতন্ত্ৰৰ মাজেৰে পাৰ হৈ যোৱা শক্তিৰ উপলব্ধতা আৰু পৰিমাণৰ ওপৰত ভিত্তি কৰি জৈৱিক পদাৰ্থ নিৰ্মাণৰ প্ৰক্ৰিয়া।

- মানুহ কেৱল পৰিৱেশৰে সৃষ্টি নহয়, মানুহে নিজে সৃষ্টি কৰোঁতা আৰু ৰূপান্তৰ কৰোঁতা আৰু পৰিৱেশক অৱদমন কৰোঁতা। মানুহ খাদ্য শৃংখলৰ উচ্চ স্তৰত উপনীত হৈছে। ই কেৱল ভক্ষণ নকৰে, তাৰ উৎপাদনো কৰে। মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক উদ্ভিদ আৰু জীৱ-জন্তুতকৈ পৃথক। মানুহে জীয়াই থাকিবৰ বাবে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল হয় আৰু অন্যহাতে মানুহে নিজৰ জ্ঞান, বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতিৰ ফলত নিজৰ প্ৰয়োজন অনুসৰি প্ৰকৃতিৰ ৰূপান্তৰ কৰে।
- পৰিৱেশে কেৱল আমাৰ ভৌতিক সত্তাকে প্ৰভাৱিত নকৰে, ই মানুহৰ মানসিক দিশকো দিশৰ সুস্থতা পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰে। পৰিৱেশ আৰু মানুহৰ মাজত লেনদেন আছে। মানুহে তেওঁলোকৰ পৰিৱেশৰ পৰিৱৰ্তন কৰে আৰু তেওঁলোকৰ আচৰণ আৰু অভিজ্ঞতাই পৰিৱেশৰ পৰিৱৰ্তন আনে। পৰিৱেশে মানৱ আচৰণ প্ৰভাৱিত কৰে আৰু মানৱ আচৰণে পৰিৱেশক প্ৰভাৱিত কৰে, ইটোৱে সিটোক প্ৰভাৱিত কৰে।



২.৬ অধিক জানিবলৈ

Book

Sharma, R.A. (2006). *Environmental Education: Ecological Challenges and Educational Programmes.* Meerut: R. Lall Book Depot.

Online Sources

১) Bhattacharya, S. (2015). Human Being and Environment – Psychological Point of View. Working papers. *Voice of Research.* Retrieved from, *https://ideas.repec.org/p/vor/issues/2015-06-06.html*

২) Kumar, M. & Kumar, P. (2008). Valuation of the ecosystem services: a psycho-cultural perspective. *Ecological Economics.* 64, 808–819 DOI:10.1016/j.ecolecon.2007.05.008.

৩) Tidball, Keith G. and Krasny, Marianne E. (2011). Urban Environmental Education from a Social-Ecological Perspective: Conceptual Framework for Civic Ecology Education. *Cities and the Environment (CATE)*: 3(1). Retrieved from, https://digitalcommons.lmu.edu/cate/vol3/iss1/11.



২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশগত দৃষ্টিভংগীয়ে জীৱ আৰু পৰিৱেশৰ উপাদানৰ মাজৰ আন্তঃনির্ভৰশীলতা বুজাৰ ক্ষেত্রত আমাক সুযোগ প্রদান কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ মানৱ পৰিৱেশ তন্ত্রই মানুহ আৰু পৰিৱেশৰ সম্পর্ক অধ্যয়ন কৰে আৰু ইটোৰ ওপৰত সিটোৰ প্রভাৱ অধ্যয়ন কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ মানুহে কৃত্রিম পৰিৱেশ তন্ত্র পৰিচালনা কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ পৰিস্থিতিগত দৃষ্টিভংগী হৈছে সম্প্রদায় মনোবিজ্ঞানৰ এটা ধাৰণা য'ত এটা সম্প্রদায়ৰ মানুহৰ ভূমিকা, সংগঠন, স্থানীয় পৰিঘটনাৰ সম্পদ আৰু সমস্যাৰ মাজৰ আন্তঃসম্পর্কৰ ভিত্তিত চোৱা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ মানুহৰ কার্যৰ ফলস্বৰূপে বনাঞ্চল ধংস হৈছে। গছ-গছনিয়ে পৰিৱেশৰ সমতা ৰক্ষা কৰাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বনাঞ্চল ধংসকৰণে পৃথিৱীৰ উপৰিভাগ, বায়ু, তাপমাত্রা, আর্দ্রতা আৰু ৰৰষুণৰ পৰিৱর্তন ঘটায়। এইবোৰে মানুহৰ জীৱনশৈলীত পৰিৱর্তন আনি দিয়ে।

৬ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ আৰু মানুহৰ মানসিক প্রক্রিয়াৰ মাজত এক ওচৰ সম্পর্ক আছে। পৰিৱেশৰ উপাদানসমূহে মানুহৰ মানসিক আৰু আচৰণগত কার্যাৱলী দুয়োটাৰ ওপৰত উল্লেখযোগ্য প্রভাৱ পেলায়। মানসিক কার্যসমূহ হৈছে আমি কেনেকৈ বুজোঁ, বিচাৰ আৰু বিশ্বাস কৰোঁ আৰু আমাৰ মনোভাব, আকৌ আচৰণৰ কার্যবোৰ যেনে— আমি কেনেকৈ পৰিৱেশৰ প্রতি প্রতিক্রিয়া দেখুৱাওঁ আদি।

৭ নং প্রশ্নৰ উত্তৰ ঃ আমি কেনেকৈ মনোযোগ দিওঁ সেইটো আমাৰ পৰিৱেশৰ সৈতে থকা সম্পর্কই প্রভাৱিত কৰে। পৰিৱেশৰ প্রতি আমাৰ ধাৰণা আৰু আমাৰ মগজত পুনৰুদ্ধাৰ হোৱা তথ্যই আমাৰ কার্যকলাপ চিনাক্ত, পৰিচালনা আৰু পৰিকল্পা কৰাত সহায় কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ পৰিকল্পনা, ঘৰ আৰু কার্যালয়, প্রাকৃতিক সম্পদৰ সংৰক্ষণ আৰু অনুষ্ঠানৰ ঘৰ নির্মাণ আদিবোৰ আদান-প্রদান, সেৱা, চিন্তা, আৰু অনুভৱ আদি ব্যক্তিৰ চাৰিওফালে থকা অন্য লোকৰ বাবে কৰা হয়।

৯ নং প্রশ্নৰ উত্তৰ ঃ ঠাইৰ স্থান হৈছে স্মৃতি, অনুভৱ, মূল্যবোধ আৰু অভিজ্ঞতাবোৰ ভৌতিক পৰিৱেশৰ এক প্রতিনিধিত্বমূলক চিহ্ন।



২.৮ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ পৰিৱেশীয় দৃষ্টিভংগী বুলিলে আপুনি কি বুজে?

প্ৰশ্ন ২ ঃ বসবাস পৰিৱেশ কি?

প্ৰশ্ন ৩ ঃ পৰিস্থিতি তন্ত্ৰৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৪ ঃ পৰিৱেশৰ মনোবৈজ্ঞানিক দৃষ্টিভংগী কাক বোলে?

প্ৰশ্ন ৫ ঃ মানুহ আৰু পৰিৱেশ কিদৰে পাৰিপাৰ্শিকভাৱে সম্পৰ্কিত?

প্ৰশ্ন ৬ ঃ মানুহ আৰু পৰিৱেশ মনোবৈজ্ঞানিকভাৱে কিদৰে সম্পৰ্কিত?

প্ৰশ্ন ৭ ঃ বহনক্ষম বুলিলে কি বুজা?

খ) দীঘলীয়া প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ মানুহ আৰু পৰিৱেশৰ সম্পৰ্কৰ পৰিৱেশীয় দৃষ্টিভংগীৰ বিষয়ে উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ আধুনিক প্ৰযুক্তিবিজ্ঞানে আমাক শাৰীৰিক আৰু মানসিকভাৱে কিদৰে প্ৰভাৱিত কৰে? উপযুক্ত উদাহৰণসহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ মানুহৰ মানসিক কল্যাণৰ ওপৰত পৰিৱেশে কিদৰে প্ৰভাৱ পেলায় আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ নেতিবাচক পৰিৱেশৰ প্ৰভাৱ কেনেকৈ ঘূৰাই আনিব পাৰি? বৰ্ণনা কৰক।

প্ৰশ্ন ৫ ঃ নগৰীকৰণে আমাক কিদৰে প্ৰভাৱিত কৰে? আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ পৰিৱেশ অৱনতি

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ পৰিৱেশ অৱনতিৰ ধাৰণা

- ৩.৩.১ পৰিৱেশ অৱনতিৰ প্ৰকাৰ
- ৩.৩.২ পৰিৱেশ অৱনতিৰ কাৰণ
- ৩.৩.৩ পৰিৱেশ অৱনতিৰ প্ৰতিৰোধ
- ৩.৩.৪ পৰিৱেশ সজাগতা আৰু মনোভাৱ পৰিৱৰ্তনত শিক্ষাৰ ভূমিকা

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৫ অধিক জানিবলৈ

৩.৬ অগ্ৰগতিৰ খতিয়ান

৩.৭ আহিঁ প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পৰিৱেশ অৱনতিৰ অৰ্থৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- পৰিৱেশ অৱনতিৰ বিভিন্ন প্ৰকাৰসমূহ চিনাক্ত কৰিব পাৰিব,
- পৰিৱেশ অৱনতি ৰোধ কৰা উপায়ৰ বিষয়ে পদক্ষেপ গ্ৰহণ কৰিব পাৰিব,
- পৰিৱেশ সজাগতা আৰু মনোভাৱ পৰিৱৰ্তনত শিক্ষাৰ ভূমিকাৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব।

৩.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনাক পৰিৱেশ অৱনতিৰ কাৰণ, প্ৰকাৰ, প্ৰতিৰোধৰ সৈতে পৰিচয় কৰোৱাৰ লগতে পৰিৱেশ অৱনতি সম্পৰ্কে আৰু মনোভাৱ পৰিৱৰ্তনত শিক্ষাৰ ভূমিকা সম্পৰ্কেও অৱগত কৰাব। জনসাধাৰণৰ মাজত পৰিবেশ সম্পৰ্কীয় সজাগতা সৃষ্টি কৰাৰ আগতে পোন প্ৰথমে পৰিৱেশৰ অৱনতিত অৱিহণা যোগোৱা কাৰকসমূহ বিচাৰি উলিওৱাটো প্ৰয়োজনীয়। ইতিহাসৰ কালৰ পৰা ক'বলৈ গলে, যোৱাটো দশক বা তাৰ আগৰ পৰাই পৰিৱেশ অৱনতিত অৱিহণা যোগোৱা মানৱীয় কাৰ্যকলাপসমূহ অভাবনীয়ভাৱে বৃদ্ধি পাইছে। বৰ্তমান সময়ত, আমাৰ পৰিৱেশৰ প্ৰতিটো ক্ষেত্ৰই বিলুপ্তপ্ৰায় হৈ পৰিছে। আমি সেৱন কৰা বায়ু, আমি ব্যৱহাৰ কৰা খোৱাপানী আৰু আমি শস্য উৎপাদনৰ বাবে ব্যৱহাৰ কৰা ভূমি এই সকলোবোৰেই প্ৰদূষিত হৈ পৰিছে আৰু যিয়ে এক বৃহৎ পৰিৱেশ অৱনতিৰ সৃষ্টি কৰিছে। এই পৰিৱেশ অৱনতি ৰোধ

কৰিবলৈ আৰু ইতিমধ্যে সংঘটিত হোৱা পৰিৱেশ ক্ষতিসমূহৰ মেৰামতি কৰিবলৈ, লগতে কেতবোৰ ক্ষতিকাৰক ৰাসায়নিক দ্ৰব্যৰ সলনি আন দ্ৰব্যৰ ব্যৱহাৰত মনযোগ দিবলৈ বৰ্তমান সময়ত সমগ্ৰ বিশ্বই প্ৰযুক্তিবিদ্যা আৰু সম্পদৰ সঠিক ব্যৱহাৰত গুৰুত্ব দিছে, যাতে ইয়াৰ দ্বাৰা আমি আমাৰ পৰিৱেশ সুৰক্ষিত কৰাৰ লগতে সংৰক্ষিতও কৰিব পাৰো।

৩.৩ পৰিৱেশ অৱনতিৰ ধাৰণা

পৰিৱেশ অৱনতি হ'ল এক বহুল বিস্তাৰিত শব্দ যিটোৱে স্থানীয়, আঞ্চলিক আৰু বিশ্বক্ষেত্ৰত প্ৰাকৃতিক প্ৰক্ৰিয়া আৰু মানৱীয় কাৰ্য-কলাপৰ দ্বাৰা পৰিৱেশৰ গুণগত অৱক্ষয় আৰু নিম্নগামীতাক বুজায়। পৰিৱেশ প্ৰদূষণ হ'ল অৱক্ষয়ৰ এক প্ৰকাৰ যাৰ অৰ্থ হ'ল মানৱীয় কাৰ্যকলাপৰ দ্বাৰা পৰিৱেশৰ গুণগত মানদণ্ডৰ এক সামগ্ৰিক নিম্নগামীতা। বৰ্দ্ধিত জনসংখ্যাই পিছলৈ পৰিৱেশৰ অৱক্ষয়ক অধিক জটিল কৰি তোলে। উদ্যোগিক ভাৱে বিকশিত চহৰসমূহৰ বৰ্দ্ধিত জনসংখ্যাই বায়ু, পানী আৰু শব্দ প্ৰদূষণত অৰিহণা যোগাইছে। ই বৰ্তমান এনেকুৱা এক অৱস্থাৰ সৃষ্টি কৰিছে য'ত বায়ু সেৱনৰ বাবে, পানী খাবৰ বাবে আৰু লগতে শস্য উৎপাদনৰ বাবে ভূমি অনুপযুক্ত হৈ পৰিছে।

এনেদৰে, প্ৰদূষণৰ লগে লগে বৰ্তমান সময়ৰ জনসংখ্যা বিস্ফোৰণ আৰু উদ্যোগিক খণ্ডৰ বৃদ্ধিয়ে প্ৰাকৃতিক সম্পদ ধ্বংস কৰিছে আৰু ইয়ে এক বৃহৎ পৰিমাণৰ পৰিৱেশ অৱক্ষয়ৰ সৃষ্টি কৰিছে। বিশেষকৈ বিশ্বৰ উন্নয়নশীল দেশসমূহত এই প্ৰদূষণ হ'ল মানৱ সৃষ্ট এক সমস্যা। পৰিৱেশৰ অৱক্ষয় মানৱীয় কাৰ্যকলাপৰ লগে লগে প্ৰাকৃতিক দুৰ্যোগৰ ফলতো সৃষ্টি হ'ব পাৰে।



জানি থোৱা ভাল

পৰিৱেশ অৱনতি আৰু পৰিৱেশ প্ৰদূষণ এই দুয়োটা শব্দই বেছিভাগ মানুহেই সালসলনি কৰি ব্যৱহাৰ কৰে যদিও দুয়োটাৰে ধাৰণা আৰু অৰ্থ সম্পূৰ্ণ পৃথক। পৰিৱেশ প্ৰদূষণ আৰু পৰিৱেশ অৱনতি দুয়োটাই পৰিৱেশৰ গুণগত মানদণ্ডৰ নিম্নগামীতাকে বুজায়, যদিও ইয়াৰ দুটা দিশ আছে- পৰিৱেশৰ গুণগত মানদণ্ডৰ নিম্নগামীতা আৰু পৰিৱেশৰ গুণগত অৱক্ষয়। পৰিৱেশ প্ৰদূষণ হ'ল স্থানীয় ক্ষেত্ৰত মানৱীয় কাৰ্যকলাপৰ দ্বাৰা সম্পদৰ শোষণ। আনহাতে, পৰিৱেশ অৱনতিৰ অৰ্থ হ'ল স্থানীয়, আঞ্চলিক আৰু বিশ্বক্ষেত্ৰত প্ৰাকৃতিক প্ৰক্ৰিয়া আৰু মানৱীয় কাৰ্যকলাপৰ দ্বাৰা পৰিৱেশৰ গুণগত মানদণ্ডৰ অৱক্ষয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং১ ঃ পৰিৱেশ অৱনতিৰ ধাৰণাটো ৫০ টা শব্দৰ ভিতৰত লিখক।

.....

.....

প্রশ্ন নং ২ ঃ পৰিৱেশ প্রদূষণ আৰু পৰিৱেশ অৱনতিৰ মাজৰ পাথর্ক্য লিখক ।

.....

.....

৩.৩.১ পৰিৱেশ অৱনতিৰ প্রকাৰ

পৰিৱেশৰ গুণগত মানদণ্ডৰ নিম্নগামীতাৰ বাবে দায়ী কাৰকসমূহৰ ওপৰত ভিত্তি কৰি পৰিৱেশ অৱনতিক দুটা প্রধান ভাগত ভগাব পাৰি। সেয়া হ'ল-

(ক) দুর্যোগ আৰু ঘটনা।

(খ) পৰিৱেশ প্রদূষণ।

পৰিৱেশ দুর্যোগ হ'ল প্রাকৃতিক প্রক্রিয়া আৰু মানৱীয় সেইসমূহ কার্য্য কলাপ যিবোৰে এক নির্দিষ্ট সময়সীমাৰ ভিতৰত বা বাহিৰত এক মহনীয় পৰিধি পাৰ কৰাৰ লগতে পৰিৱেশৰ সৈতে সামঞ্জ্যতাক কঠিন কৰি তোলে আৰু মানৱ জীৱন আৰু সম্পত্তিৰো ক্ষতিসাধন কৰে।

পৰিৱেশ প্রদূষণ হ'ল পৰিৱেশৰ জৈৱিক, ৰাসায়নিক আৰু দৈহিক বৈশিষ্ট্য সমূহৰ (বায়ু পানী, মাটি) ক্ষেত্রত সংঘটিত হোৱা যিকোনো এক অবাঞ্চনীয় পৰিৱর্ত্তন, যিবোৰে জীৱন আৰু সম্পতিৰ ক্ষেত্রত বৃহৎ পৰিমাণে ক্ষতি কৰিব পাৰে। প্রদূষণৰ তিনিটা প্রধান প্রকাৰ হ'ল- বায়ু প্রদূষণ, পানী প্রদূষণ, মাটি প্রদূষণ।

৩.৩.২ পৰিৱেশ প্রদূষণৰ কাৰণ

আমি জানো যে পৰিৱেশ আৰু জৈৱবৈচিত্র্যৰ পৰিৱর্তনৰ কাৰণসমূহ হ'ল বিজ্ঞান আৰু প্রযুক্তিবিদ্যাই মানৱ জীৱনত সৃষ্টি কৰা পৰিৱর্তনৰ ফল। আর্থ-সামাজিক, বৈজ্ঞানিক আৰু প্রযুক্তিবিদ্যাৰ বিকাশৰ ফলত পৰিৱেশ অৱক্ষয়ৰ ক্ষেত্রত গভীৰ সমস্যাই দেখা দিছে। মুঠতে, পৰিৱেশ অৱক্ষয়ৰ কাৰণসমূহ দুটা ভাগত ভগাব পাৰি-দৈহিক বা প্রাকৃতিক আৰু মানৱীয় কার্য-কলাপ।

দৈহিক আৰু প্রাকৃতিক ঃ পৰিৱেশ অৱনতি কেতবোৰ প্রাকৃতিক পৰিঘটনাৰ ফলত সৃষ্টি হয়। তাৰে কিছুমান হ'ল-

- **ভূমি অৱক্ষয় ঃ** ভূমিৰ ক্ষতি বা ভূমিৰ গাঁথনিৰ ক্ষেত্রত দেখা দিয়া পৰিৱর্তনক সাধাৰণতে ভূমি অৱক্ষয় বুলি ক'ব পাৰি। ভূমি অৱক্ষয়ে গছ গছনিৰ ক্ষতিক বুজায় যিয়ে নির্বনানীকৰণ(deforestation) , চৰণীয়া ঠাইৰ অভাৱ, মৰুভূমিৰ প্রসাৰণ আৰু বানপানী, দুর্ভিক্ষ্য আদিৰ দৰে পৰিস্থিতিৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও ই ভূমি সম্প্রসাৰণ, ভূমি প্রবাহ আৰু ভূমিস্খলনবো সৃষ্টি কৰে।

- **ভূমিকম্প** ঃ ভূমিকম্প হ'ল এক প্ৰকাৰৰ কম্পন যিটো শিলৰ মাজেৰে কিছুমান কম্পনীয়টোৰ অহাযোৱাৰ ফলত সৃষ্টি হয়। ভূমিকম্পৰ ফলত মানুহৰ জীৱন, সম্পত্তি আৰু জৈৱ বৈচিত্ৰ্যৰ ওপৰত সৃষ্টি কৰা ক্ষয় ক্ষতিৰ পৰিমাণ অতিশয় বেছি হয়। ভূমিকম্পই ভূমিস্খলন, নদীৰ গতি পৰিৱৰ্তন, গছগছনি আৰু জীৱ-জন্তুৰ জীৱনৰ ক্ষতি, নদীবান্ধ ধ্বংস আৰু পৃথিৱীৰ পৃষ্ঠ ভূমিতো ক্ষয় ক্ষতিৰ সৃষ্টি কৰে।
- **আগ্নেয়গিৰি** ঃ আগ্নেয়গিৰিৰ বিস্ফোৰণ হ'ল এক প্ৰকাৰৰ পৰিৱেশজনিত দুৰ্য্যোগ, যিয়ে গছ-গছনি আৰু জীৱ-জন্তুৰ জীৱনৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণৰ ক্ষতি সাধন কৰে। ইয়াৰ লগতে ই ইয়াৰ কাষত বসবাস কৰা মানুহৰ জীৱনলৈও এক প্ৰধান দুৰ্য্যোগ আনিব পাৰে। আগ্নেয়গিৰিৰ পৰা বাহিৰ হোৱা বৃহৎ পৰিমাণৰ ধোৱা আৰু বিষাক্ত গেছে পৃথিৱীৰ বায়ুমণ্ডলত প্ৰৱেশ, বিশ্বায়নিক ক্ষেত্ৰত জলবায়ুৰ ওপৰত গভীৰ প্ৰভাৱ পেলাব পাৰে।
- **বানপানী, অনাবৃষ্টি আৰু দুৰ্ভিক্ষ** ঃ বানপানী আৰু অনাবৃষ্টি হ'ল বৰষুণৰ সৈতে জড়িত প্ৰাকৃতিক দুৰ্যোগ। বানপানী আৰু অনাবৃষ্টিৰ দৰে দুৰ্যোগে এটা অঞ্চলৰ সমগ্ৰ পৰিৱেশ গাঁথনিৰ ক্ষেত্ৰত গভীৰ সমস্যাৰ সৃষ্টি কৰে। বানপানীয়ে ভূমি খহনীয়া লগতে এখন নদীৰ তড়িৎ গতি আৰু পৰিবহণকাৰী গতিবিধিৰ ওপৰতো প্ৰভাৱ পেলায়। অনাবৃষ্টিও হ'ল এক প্ৰকাৰৰ প্ৰাকৃতিক দুৰ্যোগ যিয়ে এটা অঞ্চলৰ জৈৱ-বৈচিত্ৰ্যৰ ওপৰত প্ৰভাৱ পেলায়। সাধাৰণতে, যিবোৰ অঞ্চলত বৰষুণৰ পৰিমাণ কম হোৱাৰ ফলত কৃষিকৰ্মত সমস্যাৰ সৃষ্টি হয়, তেনেবোৰ অঞ্চলক অনাবৃষ্টি প্ৰৱণ অঞ্চল বুলি কোৱা হয়। অনাবৃষ্টি অৱস্থাৰ বৃদ্ধিৰ ফলত দুৰ্ভিক্ষৰ সৃষ্টি হয় আৰু যিয়ে মানুহ, জীৱ-জন্তু আৰু পৰিৱেশৰ ওপৰত ক্ষতিসাধন কৰে।
- **মৰুভূমিকৰণ** ঃ মৰুভূমিকৰণ হ'ল এটা প্ৰক্ৰিয়া যাৰ সহায়ত উৰ্বৰ আৰু অ-মৰুভূমিকৃত অঞ্চলসমূহ অনুৰ্বৰ, শুকান আৰু মৰুভূমি সদৃশ অঞ্চললৈ পৰিণত হয়। মৰুভূমিকৰণে সিঞ্চিত বা উৰ্বৰ শস্যভূমিসমূহক মৰুভূমি সদৃশ অৱস্থালৈ পৰিণত কৰে য'ত কৃষিভূমিৰ উৎপাদন গুৰুত্বপূৰ্ণভাৱে হ্ৰাস পায়। এনেদৰে শুকান বা মৰুভূমিয়ে জৈৱ-বৈচিত্ৰ্যৰ ক্ষতিৰ লগতে পৰিৱেশৰ ওপৰতো বৃহৎ ক্ষতিসাধণ কৰে ।
- **উষ্ণবলয়ী ঘূৰ্ণীবতাহ, ধুমুহা আৰু বা-মাৰলী** ঃ উষ্ণৱলয়ী ঘূৰ্ণীবতাহ হ'ল সবাতোকৈ শক্তিশালী আৰু ধ্বংসকাৰী ঘূৰ্ণীবতাহসমূহৰ এক প্ৰকাৰ। ই জীৱন আৰু সম্পত্তি ধ্বংস কৰাৰ লগে লগে অৰণ্য আৰু জীৱজন্তুৰো ক্ষতিসাধন কৰে। পৰিৱেশ আৰু বায়ুমণ্ডলীয় অৱস্থাসমূহ পৰিৱৰ্তন ঘটাৰ ক্ষেত্ৰত ইয়ে প্ৰধানতঃ দায়ী। ধুমুহা হ'ল শক্তিশালী বায়ুমণ্ডলীয় অৱস্থাৰ দ্বাৰা সৃষ্ট এক প্ৰকাৰৰ প্ৰৱল পৰিৱেশজনিত অৱস্থা। ধুমুহাৰ সৈতে বিজুলী আৰু বৰষুণ অহাৰ উপৰিও

কেতিয়াবা কেতিয়াবা মেঘৰ বিস্ফোৰণো ঘটে। বা-মাৰলী হ'ল এক প্ৰৱলবেগী ঘূৰ্ণীবতাহ য'ত বতাহ এক সৰ্বোচ্চ বেগত পাকঘূৰণী খাই ঘুৰে। বা-মাৰলীয়ে প্ৰতি ঘণ্টাত ৪০০ কিঃ মিঃ বেগত ঘূৰিব পাৰে আৰু এনেকুৱা অৱস্থাত ই এক চুঙাৰ আকৃতি লয়। এই চুঙা আকৃতিৰ মেঘৰ শেষ অংশটো পৃথিৱীৰ মাটিৰ সৈতে সংলগ্নিত হৈ থাকে আৰু তেনে অৱস্থাত ই মাটিত থকা সকলোবোৰ বস্তুকো এফালৰ পৰা ধ্বংস কৰি যায়।

মানৱীয় কাৰ্যকলাপৰ ফলত পাৰিৱেশ অৱনতিঃ

মানুহে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে পৰিৱেশৰ ওপৰত শোষণ চলায় আৰু এনেদৰে সমগ্ৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ ক্ষেত্ৰতে এক অস্থিৰ অৱস্থাৰ সৃষ্টি কৰে। এনেদৰে, যিবোৰ মানৱীয় কাৰ্যকলাপে পৰিৱেশৰ অৱনতিত অৰিহণা যোগায় তাৰে কিছুমান তলত উল্লেখ কৰা হ'ল-

- **জনসংখ্যা বৃদ্ধি ঃ** পৰিৱেশ পৰিৱৰ্তনৰ মূল কাৰণ হ'ল জনসংখ্যা বিস্ফোৰণ। মানৱীয় জনসংখ্যাৰ দ্ৰুত বৃদ্ধি আৰু খনিজ তেলৰ ব্যৱহাৰৰ সঘন বৃদ্ধিৰ লগতে নিৰ্বানীকৰণৰ বৃদ্ধিৰ হাৰে সেউজ-গৃহ গেছ, যেনে- কাৰ্বন ডাই অক্সাইড আদিৰ বৃদ্ধিৰ ক্ষেত্ৰত সহায় কৰিছে। বৰ্দ্ধিত জনসংখ্যাই মানুহৰ স্বাস্থ্য আৰু জীৱনৰ গুণগত মানদণ্ডৰ ওপৰতো প্ৰভাৱ পেলায়।
- **উদ্যোগীকৰণ ঃ** উদ্যোগীকৰণে দ্ৰুত নিৰ্বনানীকৰণ, অবৈধ খনন আৰু প্ৰদূষণৰ মাত্ৰা বৃদ্ধি কৰিছে। ই জৈৱ-বৈচিত্ৰ্য ক্ষেত্ৰসমূহ যেনে- অ'জন স্তৰ (Ozone layer), উষ্ণবলয়ী অৰণ্য (tropical forest) আদিৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰিছে আৰু অনেক প্ৰজাতিৰ বনৰীয়া চৰাই আৰু গছ গছনি বিলুপ্ত হোৱাৰ বাবেও বৰঙণি যোগাইছে। উদ্যোগীকৰণে কেতবোৰ প্ৰদূষকৰো উৎপত্তি ঘটাইছে, যেনে- গেছ, ধোঁৱা, তেল, প্লাষ্টিক আৱৰ্জনা আৰু এচিড জাতীয় পদাৰ্থ যিয়ে পৰিৱেশৰ অৱনতি ঘটায়।
- **নগৰীকৰণ ঃ** উদ্যোগীকৰণে পৃথিৱীৰ সকলোতে চহৰ গঢ়ি উঠাৰ বাবে উৎসাহিত কৰে। উদ্যোগসমূহ সাধাৰণতে চহৰ অঞ্চলতহে স্থাপন কৰা হয় আৰু কৰ্মৰ সন্ধানত গাঁও অঞ্চলৰ মানুহবোৰৰ চহৰলৈ প্ৰব্ৰজন ঘটে। ইয়াৰ ফলত চহৰত বস্তি অঞ্চলৰ হাৰ বৃদ্ধি পায় আৰু উচ্চ উৎপাদনকাৰী কৃষি ভূমিৰ ঠাইত নগৰৰ ৰাস্তা-ঘাট, ঘৰ আৰু উদ্যোগৰ সংখ্যা বৃদ্ধি হয়। পৰিৱেশিক ক্ষেত্ৰত, নগৰ কেন্দ্ৰসমূহৰ পৰাই পৃথিৱীৰ প্ৰদূষণৰ মাত্ৰা বৃদ্ধি পায় আৰু সেউজগৃহ গেছসমূহ বাহিৰ হয়। সেয়েহে অপৰিকল্পিত নগৰীকৰণে মানৱ স্বাস্থ্য আৰু পৰিবেশৰ গুণগত মানদণ্ডৰ অৱনতি ঘটোৱাৰ লগতে বহু দেশৰ সামাজিক, অৰ্থনৈতিক আৰু জৈৱবৈচিত্ৰ্যৰ অস্থিৰতাৰো প্ৰধান কাৰণ হৈ পৰে।
- **নিৰ্বনানীকৰণ ঃ** নিৰ্বনানীকৰণ হ'ল পৰিৱেশ দুৰ্যোগসমূহৰ প্ৰধান কাৰণ। এই

দুর্য্যোগসমূহৰ ভিতৰত হ'ল পৰিৱেশত কার্বন ডাই অক্সাইডৰ পৰিমাণ বৃদ্ধি হোৱা আৰু যিয়ে সেউজ বৃদ্ধিৰ লগতে ভূমি অৱক্ষয়, জলবায়ুৰ পৰিৱর্তন, বানপানী, অনাবৃষ্টি ইত্যাদিতো প্রভাৱ পেলায়। ইয়াৰ উপৰিও ইয়াৰ ফলত বন্যপ্রাণীৰ বাসস্থান হ্রাস পোৱাৰ লগতে ঔষধি গুণযুক্ত গছ-গছনি সমূহ আৰু আন মূল্যৱান গছ-গছনিও বিলুপ্ত হৈছে।

- **খনন কার্য্য ঃ** পৰিৱেশ অৱনতিৰ বাবে দায়ী আন এক কাৰক হ'ল বৃহৎ পৰিসৰত হোৱা খনন কার্য্য । খননে প্রাকৃতিক গছ গছনি আৰু বন্য জীৱ-জন্তুৰ ধ্বংস সাধন কৰে আৰু যিটোৱে জৈৱ-বৈচিত্র্যত সমস্যাৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও ই কর্মীসকলৰ লগতে কাষৰীয়া আবাসীসকলৰ মাজতো শ্বাস-প্রশ্বাস সম্বন্ধীয় সমস্যাৰ সৃষ্টি কৰিব পাৰে।
- **কীটনাশকৰ ব্যৱস্থাৰ ঃ** ৰাসায়নিক সাৰ আৰু কীটনাশকৰ অতিমাত্রা ব্যৱস্থাৰ ফলত পৰিৱেশৰ যথেষ্ট অৱনতি ঘটিছে আৰু আনহাতে মানুহৰ স্বাস্থ্যৰ প্রতিও ভাবুকিৰ সৃষ্টি কৰিছে। এই উচ্চ ৰাসায়নিক কীটনাশকসমূহে কেৱল অন্য জীৱজন্তুৰ জীৱনৰ প্রতি ভাবুকিৰ সৃষ্টিয়ে নকৰে, ইয়াৰ লগে লগে খাদ্যচক্রৰ সহায়ত শেষত মানৰ জীৱনলৈও ভাবুকি আনিব পাৰে।

৩.৩.৩ পৰিৱেশ অৱনতিৰ প্রতিৰোধ

পৰিৱেশ অৱনতিৰ প্রতিৰোধ কৰাটো এজন ব্যক্তিৰ সবাতোকৈ প্রধান কর্তব্য হোৱা উচিত। কেতবোৰ প্রাকৃতিক পৰিঘটনা, যেনে- ভূমিকম্প, ভূমি অৱক্ষয়, অনাবৃষ্টি, বানপানী আৰু ভূমি-স্খলনে পৰিৱেশ অৱনতিৰ সৃষ্টি কৰে। বায়ু প্রদূষণ, পানী প্রদূষণ, ভূমি প্রদূষণ আৰু শব্দ প্রদূষণ ইত্যাদি ৰোধ কৰিবলৈ জৰুৰীভাৱে কার্যকৰী ব্যৱস্থা গ্রহণ কৰা উচিত।

- **বায়ু প্রদূষণ ঃ** বায়ু প্রদূষণ ৰোধ কৰাটো অতি প্রয়োজনীয়। বায়ু প্রদূষণ যিমান পাৰি কমাবলৈ ব্যৱস্থা গ্রহণ কৰা উচিত। বায়ু প্রদূষণ কমাবৰ বাবে গ্রহণ কৰিব পৰা কেতবোৰ ব্যৱস্থা হ'ল-
  - চহৰ আৰু নগৰ অঞ্চলত গাড়ী মটৰৰ পৰা হোৱা প্রদূষণ হ'ল এক সাধাৰণ বৈশিষ্ট্য। গাড়ী মটৰৰ সঠিক আৰু নিয়মীয়া চোৱাচিতা কৰাটো অতি প্রয়োজনীয়। জনসাধাৰণৰ মাজত একেখন বাহনতে কেৰাজনৰো গমনৰ (car pool) ধাৰণা পৰিচিত কৰাৰ লগতে গাড়ীৰ মালিকসকলে ইয়াক মানি চলিব লাগে।
  - উদ্যোগসমূহত নিম্ন ছালফাৰযুক্ত কয়লা ব্যৱহাৰ কৰ্ত্তি লাগে।
  - ব্যৱসায়িক সাৰৰ সলনি জৈৱিক সাৰ ব্যৱহাৰ কৰা উচিত।
  - অপৰম্পৰাগত শক্তি উৎসসমূহ ব্যৱহাৰ কৰিব লাগে।

- বৃক্ষৰোপনৰ পৰিমাণ বৃদ্ধি কৰাৰ লগতে বিদ্যুতৰ ব্যৱহাৰ কম কৰিব লাগে।

➢ **পানী প্রদূষণ** ঃ বায়ু প্রদূষণ নিয়ন্ত্রণতকৈ পানী প্রদূষণ নিয়ন্ত্রণ কৰাটো কিছুদূৰ সহজ। পানী প্রদূষণক কেইবাটাও প্রতিকাৰমূলক ব্যৱস্থাৰ সহায়ত নিয়ন্ত্রণ আৰু নির্মূল কৰিব পাৰি। সেই সমূহ হ'ল-

- পেলনীয়া পানী আৰু বৰষূণৰ পানী বৈ যাব পৰাকে পৃথক নদর্মাৰ ব্যৱস্থা থাকিব লাগে।
- সংযোগী কর্তৃপক্ষই পানী নিয়ন্ত্রণ আইন মানি চলিব লাগে।
- খেতি-বাতিৰ বাবে দৰকাৰী ৰাসায়নিক পদার্থসমূহ যেনে- কীট নাশক আৰু সাৰ আদি এক নিয়মিত আৰু বিচাৰপূর্ণভাৱে কৃষিকার্যত ব্যৱহাৰ কৰিব লাগে।
- কৃষিকার্যত সাৰৰ ব্যৱহাৰৰ লগতে নাইট্র'জেনযুক্ত শস্যৰো ৰোপন কৰিব লাগে।
- প্রদূষিত পানী সৌৰশক্তি ব্যৱহাৰ কৰিও শোধন কৰিব পাৰি।
- পানী পৰিশোধন ব্যৱস্থা ব্যৱহাৰ কৰি পানীত উপস্থিত থকা প্রদূষকসমূহ আঁতৰ কৰিব লাগে।

➢ **ভূমি প্রদূষণ** ঃ জীৱিত প্রাণীসমূহৰ জীৱন ধাৰণ আৰু বৃদ্ধি প্রধানত নির্ভৰ কৰে ভূমি আৰু মাটিৰ সমানতাৰ ওপৰত। ভূমি প্রদূষণ পৰীক্ষণ কৰিবলৈ আৰু ভূমিৰ গুণগত মানদণ্ড উন্নত কৰিবলৈ তলত উল্লেখিত ব্যৱস্থাসমূহ গ্রহণ কৰিব পাৰি—

- ৰাসায়নিক সাৰৰ সঠিক ব্যৱহাৰৰ ক্ষেত্রত কৃষকসকলক প্রশিক্ষণ প্রদান কৰা উচিত।
- জৈৱিক সামগ্রীসমূহৰ পৰা বায়ু গেছ উৎপাদন কৰিব লাগে।
- অকর্তৃত্বশীলভাৱে পাহাৰ অঞ্চলৰ খনন কার্যৰ দ্বাৰা সৃষ্টি হোৱা ভূমি অৱক্ষয় ৰোধ কৰিবলৈ দৰকাৰী আইন প্রণয়ণ কৰিব পাৰে।
- কীটনাশক হিচাপে ডি. ডি. টি. ৰ ব্যৱহাৰ বন্ধ কৰিব লাগে।
- উদ্যোগিক পানী সামগ্রী আৰু চহৰ অঞ্চলৰ আৱর্জনাসমূহ সঠিকভাৱে পেলোৱাৰ ব্যৱস্থা কৰিব লাগে।

➢ **শব্দ প্রদূষণ** ঃ শব্দ প্রদূষণ হৈছে আন এক প্রদূষণৰ প্রকাৰ যিয়ে শাৰীৰিক আৰু মানসিক ক্ষতি সাধন কৰিব পাৰে। শব্দ প্রদূষণ নিয়ন্ত্রণৰ বাবে তলৰ ব্যৱস্থাসমূহ গ্রহণ কৰিব পাৰি-

- শব্দ প্রদূষণৰ ক্ষেত্রত আইনীব্যৱস্থা গ্রহণ কৰিবলৈ ইয়াক বায়ু প্রদূষণ আইনৰ অধীনস্থ কৰা হৈছে।
- ৰাষ্ট্রীয় ঘাইপথ, বাট-পথ আৰু হুলস্থুলীয়া ঠাইৰ ওচৰত অধিক পৰিমাণৰ

গছ ৰোপণ কৰিব লাগে যিয়ে শব্দ প্ৰদূষণ প্ৰতিৰোধ কৰাত সহায় কৰিব।

- আৱাসিক অঞ্চল আৰু উদ্যোগসমূহত শব্দ নিয়ন্ত্ৰণকাৰী সৰঞ্জাম ব্যৱহাৰ কৰা উচিত।
- হস্পিতাল, বিদ্যালয়ৰ আদিৰ কাষত হুলস্থুলীয়া আৰু গধুৰ যান বাহনৰ অনুমতি প্ৰদান কৰা অনুচিত।
- সা-সৰঞ্জামসমূহত সঠিকভাৱে তেলৰ ব্যৱহাৰ কৰিব লাগে।

➢ **গোটা আৱৰ্জনাৰ প্ৰদূষণ** (Solid Waste Pollution)ঃ উদ্যোগিক সামগ্ৰীৰ ক্ৰমাগত ব্যৱহাৰ আৰু জনসাধাৰণৰ উচ্চ জীৱন ধাৰণৰ প্ৰণালীয়ে বৰ্তমান সময়ত গোটা আৱৰ্জনাৰ প্ৰদূষণ সমস্যাটো সৃষ্টি কৰিছে। চহৰ অঞ্চলত সৃষ্টি হোৱা এই গোটা আৱৰ্জনাৰ সমস্যা তলত উল্লেখিত ব্যৱস্থাসমূহ গ্ৰহণৰ জৰিয়তে কিছু দূৰলৈ সমাধান কৰিব পাৰি-

- জৈৱিক আৱৰ্জনাসমূহ বায-গেছলৈ ৰূপান্তৰিত কৰিব পাৰি।
- ব্যৱহৃত সামগ্ৰীসমূহ পুনঃ সংশোধনী প্ৰক্ৰিয়াৰ জৰিয়তে দৰকাৰী সামগ্ৰীত পৰিণত কৰা উচিত।
- সামগ্ৰীসমূহ ঠাইতে পুৰি পেলোৱা উচিত।
- চহৰৰ জলাশয় আৰু নিম্ন ভূমি অঞ্চলসমূহ পূৰ কৰিবলৈ এই আৱৰ্জনাসমূহ ব্যৱহাৰ কৰিব পাৰি।

➢ **ৰেডিঅ'-সক্ৰিয় বা নিউক্লিয়াৰ প্ৰদূষণ** ঃ কেতবোৰ বিষাক্ত নিউক্লিয়াৰ অৱশিষ্টৰ বিকি�ৰণৰ ফলত পৰিৱেশত থকা আন জীৱিত প্ৰাণীসমূহৰ ওপৰত এক ক্ষতিকাৰক প্ৰভাৱ পৰে। এই ৰেডিঅ' সক্ৰিয় পদাৰ্থসমূহ মানৱ সৃষ্ট উৎসৰ পৰা সৃষ্টি হয়, যেনে- নিউক্লিয়াৰ যুদ্ধ, নিউক্লিয়াৰ শক্তি উৎস, এক্স-ৰে ইত্যাদি। আন্তৰ্জাতিক সংগঠনসমূহে সম্পন্ন কৰা নিউক্লিয়াৰ শক্তি পৰীক্ষা আৰু বিস্ফোৰণসমূহ এইক্ষেত্ৰত বন্ধ কৰা উচিত। এই উদ্দেশ্যে, ১৯৬২ চনত নিউক্লিয়াৰ শক্তি আইন প্ৰণয়ণ কৰা হৈছিল। নিউক্লিয়াৰ প্ৰদূষণ বন্ধ কৰিবলৈ কেইবাটাও কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। সেই সমূহ হ'ল-

- যুদ্ধ আৰু ধ্বংসৰ পৰিৱৰ্তে নিউক্লিয়াৰ শক্তিক শান্তি আৰু অৰ্থনৈতিক উন্নতিৰ বাবে ব্যৱহাৰ কৰা উচিত।
- পৰীক্ষাগাৰৰ পেলনীয়া সামগ্ৰীসমূহ য'ত ৰেডিঅ'-সক্ৰিয় পদাৰ্থ নিহিত থাকে সেইসমূহ ভালদৰে পেলাব লাগে।
- নিউক্লিয়াৰ শক্তি পৰীক্ষাৰ ক্ষেত্ৰসমূহ সাৱধানতাৰে বাচিব লাগে।
- নিউক্লিয়াৰ প্ৰদূষণ আৰু ইয়াৰ সম্ভাৱনীয় বিপদৰ বাবে বিশ্বক্ষেত্ৰত সজাগতাৰ সৃষ্টি কৰিব লাগে।

➢ **পৰিৱেশ অৱনতিৰ জৈৱিক বা প্ৰাকৃতিক কাৰকসমূহ ঃ** পৰিৱেশ অৱনতিৰ

কেতবোৰ জৈৱিক বা প্ৰাকৃতিক কাৰণো দেখা যায়, যেনে- ভূমিকম্প, বানপানী ইত্যাদি। ভূমিকম্প হ'ল এক প্ৰাকৃতিক দুৰ্যোগ যিয়ে মানুহৰ জীৱন আৰু সম্পত্তিৰ যথেষ্ট ক্ষতিসাধন কৰে। ভূমিকম্প প্ৰৱন অঞ্চলসমূহত ভূমিকম্প প্ৰতিৰোধী ঘৰ বনাই জীৱন আৰু সম্পত্তিৰ ওপৰত হোৱা এই ক্ষতি প্ৰতিৰোধ কৰিব পাৰি। অসম যিহেতু ভূমিকম্প প্ৰৱণ অঞ্চল হয় সেয়েহে ইয়াত অসম আৰ্হিৰ ঘৰ সমূহ উপযোগী।

ভূমিস্খলন প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ কৰাটো কঠিন কাম। ভূমিস্খলন ৰোধ কৰাৰ প্ৰথমটো স্তৰ হ'ল নিৰ্বনানীকৰণ বন্ধ কৰা। ইয়াক কমাবলৈ এঢলীয়া ঠাইসমূহত নদৰ্মাৰ ব্যৱস্থা কৰিব লাগে যাতে বাহিৰ অংশৰ পানীসমূহ নামি আহিব পাৰে নাইবা এঢলীয়া ঠাইসমূহত শিলৰ গাঁথনি দিও ইয়াক প্ৰতিৰোধ কৰিব পাৰি।

বানপানী যিহেতু এক প্ৰাকৃতিক পৰিঘটনা সেয়েহে ইয়াৰ পৰা সম্পূৰ্ণভাৱে হাত সাৰিব নোৱাৰি। কিন্তু প্ৰযুক্তিবিদ্যা কৌশল, সংকেতবাণী আৰু আন চৰকাৰী নিয়ন্ত্ৰণকাৰী ব্যৱস্থাসমূহৰ সহায়ত বানপানী কমাব পাৰি।

- **মানৱীয় কাৰ্যকলাপ ঃ** জনসংখ্যাৰ দ্ৰুত বৃদ্ধি, উদ্যোগিক প্ৰসাৰণ, অবাঞ্ছনীয় নগৰীকৰণ, কৃষিক্ষেত্ৰৰ বিকাশ, নিৰ্বনানীকৰণ ইত্যাদিয়ে ক্ৰমশঃ প্ৰাকৃতিক দুৰ্য্যোগৰ হাৰ বৃদ্ধি কৰিছে। পৰিৱেশৰ গুণগত মানদণ্ড মানি চলিবলৈ এক সুপৰিকল্পিত পৰিৱেশ, সংৰক্ষণযুক্ত আঁচনি, জনসাধাৰণৰ অংশগ্ৰহণ, পৰিৱেশৰ অৱস্থাৰ মূল্যায়ন আৰু পৰিৱেশ সংৰক্ষণ বিধেয়ক আৰু প্ৰশাসনৰ দৰকাৰ। এই পাৰিপাৰ্শ্বিক দুৰ্য্যোগসমূহ আঁতৰ কৰিবলৈ অতিৰিক্ত আঁচনি আৰু পৰিকল্পনাৰ প্ৰয়োজন।

শিক্ষা পৰিচালনা আঁচনিয়ে পৰিৱেশৰ গুণগত মানদণ্ড ধৰি ৰাখিবলৈ এনেদৰে চেষ্টা চলায়-

- পৰিৱেশীয় প্ৰভাৱৰ প্ৰতিৰোধ আৰু সুৰক্ষা।
- দুৰ্ঘটনা আৰু দুৰ্য্যোগৰ সৈতে যুঁজিবলৈ আকস্মিক পৰিকল্পনাৰ প্ৰস্তুতি।
- আঁচনিসমূহৰ পুনঃ সংস্থাপনৰ বাবে পৰিকল্পনা।
- প্ৰয়োজনীয় সুৰক্ষা আঁচনি ৰূপায়ণৰ বাবে চোৱা-চিতা আৰু কাৰ্যকৰী ব্যৱস্থাৰ প্ৰয়োজন।

পৰিৱেশ অৱনতিৰ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। সেয়া হ'ল এনেধৰণৰ ঃ

- শিক্ষাই বিভিন্ন মাধ্যমৰ সহায়েৰে দুৰ্য্যোগ আৰু দুৰ্ঘটনাসমূহৰ আকস্মিক উৎপত্তি সম্পৰ্কে আগতীয়াকৈ জনসাধাৰণক অৱগত কৰাব লাগে যাতে সকলোৱে মানসিক প্ৰস্তুত থকাৰ লগতে নিজৰ সুৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

- শিক্ষাই প্ৰশাসন আৰু আঁচনি প্ৰস্তুত কৰোতাসকলক মানচিত্ৰ প্ৰদান কৰি দুৰ্য্যোগৰ সময়ত পৰিস্থিতি চম্ভালিবলৈ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।
- দুৰ্যোগ কমাবলৈ তাৎক্ষনিক সাহাৰ্যৰ বাবে শিক্ষাই কৌশল আৰু ব্যৱস্থাসমূহৰ ব্যাখ্যা কৰিব লাগে।
- প্ৰাকৃতিক দুৰ্যোগে সৃষ্টি কৰা ক্ষয় ক্ষতিৰ পৰিমাণ কমাবৰ বাবে সুৰক্ষিত ব্যৱস্থাৰ সহায়ত কেনেদৰে ঘৰ সাজিব পাৰি সেই সম্পৰ্কে শিক্ষাই ব্যক্তিক সহায় কৰিব পাৰে।



জানি থোৱা ভাল

- পৰিৱেশ অৱনতিক দুটা ভাগত ভগাব পাৰি সেইসমূহ হ'ল দুৰ্যোগ আৰু পৰিৱেশ প্ৰদূষণ।
- মানুহে প্ৰাকৃতিক সম্পদসমূহ যেনেপেট্ৰ'লিয়ামজাত সামগ্ৰীৰ সু-বিবেচনাপূৰ্ণ ব্যৱহাৰ আৰু সৰু দল গঠন কৰি পৰিবহণৰ বাবে 'কাৰ পুল' পদ্ধতি ব্যৱহাৰ কৰিব পাৰে।
- যদি সম্ভৱ হয় পানীৰ পুনঃ ব্যৱহাৰ কৰা উচিত। উদাহৰণস্বৰূপে, ৰান্ধনি ঘৰৰ পেলনীয়া পানী ৰান্ধনি ঘৰৰ বাবে লগা বাগিচাত(Kitchen garden) ব্যৱহাৰ কৰিব পাৰি।
- পৰিৱেশ অৱনতি প্ৰতিৰোধ কৰিবলৈ জনসংখ্যা বৃদ্ধিৰ পৰিমাণ কমাব লাগে।
- পৰিৱেশৰ গুণগত মানদণ্ড বজাই ৰাখিবলৈ পৰিৱেশ সংৰক্ষণ আঁচনি, জনসাধাৰণৰ অংশগ্ৰহণ, পৰিৱেশজনিত অৱস্থা আৰু পৰিৱেশ সংৰক্ষণৰ বিধেয়ক আৰু প্ৰশাসনৰ দৰকাৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ বিভিন্ন প্ৰকাৰৰ পৰিৱেশ অৱনতি উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ পৰিৱেশ অৱনতিৰ কাৰণ সংক্ষেপে উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ বায়ু প্ৰদূষণ ৰোধ কৰিবলৈ চাৰিটা উপায় লিখক।

.....

.....

প্ৰশ্ন নং ৬ ঃ ভূমি প্ৰদূষণ প্ৰতিৰোধ কৰিবলৈ কি ব্যৱস্থা ল'ব পাৰি?

.....

.....



চিন্তা চৰ্চা কৰক ৬.১

"অত্যাধিক জনসংখ্যা আৰু পৰিৱেশ অৱনতি আন্তঃ-সম্পৰ্কযুক্ত।" ব্যাখ্যা কৰক।

.....

.....

৩.৩.৪ পৰিৱেশ সজাগতা আৰু মনোভাৱ পৰিৱৰ্তনত শিক্ষাৰ ভূমিকা

আধুনিক সমাজত শিক্ষাক সামাজিক পৰিৱৰ্তন, সামাজিক নিয়ন্ত্ৰণ আৰু বিকাশৰ এক শক্তিশালী আহিলা হিচাপে ব্যৱহাৰ কৰিব পাৰি। পৰিৱেশ প্ৰদূষণ হিচাপে পৰিৱেশ অৱনতিৰ সমস্যাটো হৈছে প্ৰধানতঃ মানৱ সৃষ্ট এক সমস্যা। সেয়েহে, পৰিৱেশৰ প্ৰতি এক দায়িত্বশীল মনোভাৱ প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত জনসাধাৰণক শিক্ষিত কৰিবলৈ শিক্ষা ব্যৱহাৰ অতি দৰকাৰ। এই ক্ষেত্ৰত ল'ব পৰা কিছুমান ব্যৱস্থা তলত উল্লেখ কৰা হ'ল-

- পৰিৱেশ সজাগতাৰ সৃষ্টি, পৰিৱেশৰ সমস্যাৰ প্ৰতি দায়বদ্ধতাৰ সৃষ্টি, মূল্যবোধ আৰু দৃষ্টিভঙ্গীৰ গঠন আদি হ'ল পৰিৱেশৰ দিশে দায়িত্বশীল মনোভাৱ গঠন কৰাৰ ক্ষেত্ৰত শিক্ষাই ল'ব পৰা কিছুমান প্ৰাৰম্ভিক খোজ।
- শিক্ষাই সাধাৰণ নাগৰিকৰ মাজত দুৰ্য্যোগ সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ লগতে প্ৰশাসক আৰু আঁচনি প্ৰস্তুত কৰোতাসকলক সমস্যা জড়িত অঞ্চলৰ মানচিত্ৰ প্ৰদান কৰি দুৰ্য্যোগৰ সময়ত পৰিস্থিতি চম্ভালিবলৈ প্ৰশিক্ষণ প্ৰদান কৰা উচিত।
- সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিৰ মাজত পৰিৱেশ সম্পৰ্কে আনুষ্ঠানিক আৰু অনানুষ্ঠনিক শিক্ষাৰ মাজেৰে সজাগতা প্ৰদান কৰা উচিত। ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ শিক্ষা সৰুৰে পৰা প্ৰদান কৰাৰ ওপৰত গুৰুত্ব দিব লাগে।
- শিক্ষাৰ সকলো বিভাগৰ মাজতে পৰিৱেশ সম্পৰ্কীয় শিক্ষাৰ বহুল প্ৰচাৰ কৰিব লাগে।
- পৰিৱেশ শিক্ষা প্ৰদান কৰিবলৈ আন্তঃবিষয় আৰু বহু বিষয়ক দৃষ্টিভঙ্গী গ্ৰহণ কৰিব লাগে। বহু বিষয়ক শিক্ষা পদ্ধতিত দৰকাৰী পৰিৱেশৰ ধাৰণাসমূহ প্ৰচলিত শিক্ষা বিষয় সমূহত অন্তৰ্ভুক্তি কৰিব লাগে। এই দৃষ্টিভঙ্গীসমূহে জ্ঞানৰ লগতে কৌশল, ধাৰণা আৰু প্ৰতিজ্ঞা পালনৰ শিক্ষা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক সিদ্ধান্ত গ্ৰহণত, আৰু দায়িত্বশীল হোৱাত সহায় কৰাৰ লগতে গঠনমূলক কাম কাজৰ প্ৰতি উৎসাহিত কৰে।

- বায়ু, পানী, ভূমি প্রদূষণ আৰু শক্তি ক্ষেত্রৰ অভাৱৰ কাৰণে হোৱা পৰিৱেশ অৱনতিসমূহৰ মূল কাৰণ হ'ল মানৱীয় জনসংখ্যা বিস্ফোৰণ। সেয়েহে বর্দ্ধিত জনসংখ্যা নিয়ন্ত্রণৰ প্রতি সংগতি ৰাখিহে পৰিৱেশ শিক্ষাৰ পাঠ্যক্রম প্রস্তুত কৰিব লাগে।
- পৰিৱেশ শিক্ষা হ'ল জনসাধাৰণৰ মাজত জন সজাগতা সৃষ্টি কৰাৰ বাবে এক পৰিকল্পনা। এইক্ষেত্রত চেমিনাৰ, দলীয় আলোচনা, শিক্ষণ দল ইত্যাদি স্থানীয়, আঞ্চলিক, ৰাষ্ট্রীয় পর্যায়ৰ উপৰিও আন্তঃৰাষ্ট্রীয় পর্যায়তো অনুষ্ঠিত হ'ব লাগে।

শিক্ষা হ'ল এনে এক মাধ্যম যাৰ সহায়ত মানুহে তেওঁলোকৰ সম্পূর্ণ সম্ভাৱনীয়তা প্রকাশ কৰিব পাৰে। দায়িত্ব আৰু কর্তব্যশীলতাৰ প্রতি নিজৰ ব্যৱহাৰ আৰু দৃষ্টিভংগী পৰিৱর্তন কৰাৰ ক্ষেত্রত শিক্ষা হ'ল সবাতোকৈ জৰুৰী। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষা দুয়োটাই এইক্ষেত্রত অতি প্রয়োজনীয় যাতে ইয়াৰ দ্বাৰা এজন ব্যক্তিয়ে পৰিৱেশৰ প্রতি নিজৰ দায়বদ্ধতা বুজি পোৱাৰ লগতে এক বহনক্ষম ক্ষমতা বিকাশৰ (Sustainable development) প্রতি নিজৰ চিন্তাশক্তি প্রকাশ কৰিব পাৰে। আনকি বহনক্ষম ক্ষমতাৰ বিকাশ আৰু সিদ্ধান্ত গ্রহণ প্রক্রিয়াত অংশগ্রহণ কৰাৰ বাবে প্রয়োজনীয় পৰিৱেশ সজাগতাৰ ধাৰণা আৰু মূল্যবোধ কৌশল আদি দৰকাৰী বিষযসমূহ আয়ত্ব কৰাত শিক্ষাই প্রধান ভূমিকা পালন কৰে।



জানি থোৱা ভাল

শিক্ষাই সকলো স্তৰতে জনসাধাৰণৰ মাজত দায়িত্বশীল পৰিৱেশ সজাগতা সৃষ্টি কৰাৰ দৰকাৰ। পৰিৱেশৰ প্রতি সঠিক দৃষ্টিভঙ্গী আৰু সজাগতা গ্রহণ কৰাৰ ক্ষেত্রত শিক্ষাই কিছুমান ব্যৱস্থা গ্রহণ কৰিব পাৰে-

- পৰিৱেশ শিক্ষা সকলো শিক্ষানুষ্ঠানতে প্রচলিত কৰিব লাগে।
- আন্তঃ বিষয়গত দৃষ্টিভঙ্গী দৰকাৰী।
- সকলো প্রকাৰৰ জ্ঞানৰ সৈতে পৰিৱেশ বিষয়টো সংযোগ ঘটাব লাগে।
- জনসংখ্যা শিক্ষাৰ পৰিচয় ঘটাব লাগে।
- জন সজাগতা কার্যসূচী গ্রহণ কৰা উচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ জনসাধাৰণৰ মাজত পৰিৱেশ সম্পর্কে সজাগতা সৃষ্টি কৰাত শিক্ষাৰ ভূমিকা সম্বন্ধে লিখক। এই ভূমিকা সম্বন্ধে আলোচনা কৰিবলৈ প্রত্যেকটো উপায়ৰ বিষয়ে তিনি বা চাৰি শাৰীত ব্যাখ্যা কৰক।

.....

.....



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰিৱেশ অৱনতি বুলিলে পৰিৱেশৰ সম্পদসমূহৰ অত্যাধিক শোষণ বা অত্যাধিক নিৰ্ভৰশীলতাৰ ফলত পৰিৱেশৰ ক্ৰমবৰ্দ্ধমান অৱনতি বা ক্ষতিক বুজায়।
- পাৰিৱেশৰ অৱনতি মানৱীয় কাৰ্যকলাপৰ লগতে প্ৰাকৃতিক দুৰ্য্যোগৰ ফলতো সৃষ্টি হ'ব পাৰে।
- পৰিৱেশ প্ৰদূষণৰ অৰ্থ হ'ল স্থানীয় ক্ষেত্ৰত মানৱীয় কাৰ্যকলাপ আৰু সম্পদৰ শোষণৰ ফলত পৰিৱেশৰ গুণগত মানদণ্ডৰ অৱনতি।
- পৰিৱেশ অৱনতিক দুটা ভাগত ভগাব পাৰি- দুৰ্য্যোগ বা ঘটনা আৰু পৰিৱেশ প্ৰদূষণ।
- বিভিন্ন কাৰকৰ ফলত পৰিৱেশৰ অৱনতি ঘটিব পাৰে, যেনেঃ- বায়ু প্ৰদূষণ, পানী প্ৰদূষণ, ভূমি প্ৰদূষণ, জনসংখ্যা বিস্ফোৰণ, নগৰীকৰণ ইত্যাদি।
- পৰিৱেশ অৱনতি ৰোধ কৰিবলৈ পৰিৱেশৰ গুণগত মানদণ্ড এক সঠিক পৰিৱেশ আঁচনি, জনসাধাৰণৰ অংশ গ্ৰহণ, পৰিৱেশ সংৰক্ষণৰ বিধেয়ক আৰু প্ৰশাসনৰ দৰকাৰ।
- শিক্ষাই ইয়াৰ সকলো আনুষ্ঠানিক ৰূপতে জনসাধাৰণৰ মাজত দায়িত্বপূৰ্ণ পৰিৱেশ সজাগতা আৰু দৃষ্টিভংগী পৰিৱৰ্তন কৰাৰ দৰকাৰ।
- প্ৰাকৃতিক দুৰ্যোগ আৰু দুৰ্ঘটনাৰ প্ৰভাৱ কম কৰাৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষা এক বহল পৰিসৰৰ হ'ব লাগে আৰু প্ৰত্যেকজন ব্যক্তিকে শিক্ষাৰ বাৰে সাঙুৰি লব লাগে।



৩.৫ অধিক জানিবলৈ

1) Mohapatra, Damodar: Environmental Education,Kalyani Publishers, New Delhi - 2002.

2) Reddy K.P. & Reddy D.N.: Environmental education, Neelkamal Publication Pvt. Ltd. Hyderabad (2003).

3) Sharma, R.A : Environmental Education, R. Lall Book depot Meerut (2005).



৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ অৱনতিৰ অর্থ হ'ল মানৱীয় কার্যকলাপৰ দ্বাৰা পৰিৱেশৰ প্রাথমিক উপাদান সমূহৰ ক্ষেত্রত সংঘটিত হোৱা কিছুমান প্রতিকূল পৰিৱর্তনৰ ফলত পৰিৱেশৰ সামগ্রিক গুণগত মানদণ্ডৰ এক অৱনতি আৰু এই পৰিৱর্তনসমূহ এনেকুৱা এক অৱস্থালৈ সংঘটিত হৈছে যে ই কেৱল সমগ্র জৈৱিক সম্প্রদায়কে নহয় বিশেষকৈ মানৱ জাতিকো প্রভাৱিত কৰিছে।

২ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ প্রদূষণৰ অর্থ হ'ল মানৱীয় কার্যকলাপৰ দ্বাৰা স্থানীয় ক্ষেত্রত পৰিৱেশৰ গুণগত মানদণ্ডৰ নিম্নগামীতা। আনহাতে, পৰিৱেশ অৱনতিৰ অর্থ হ'ল মানৱীয় কার্যকলাপ আৰু প্রাকৃতিক প্রক্রিয়াৰ দ্বাৰা স্থানীয়, আঞ্চলিক আৰু বিশ্বক্ষেত্রত পৰিৱেশৰ গুণগত মানৱ অৱনতি।

৩ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ অৱনতিৰ দুটা প্রধান ভাগ হ'ল- দুর্য্যোগ আৰু দুর্ঘটনা, পৰিৱেশ প্রদূষণ।

৪ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ অৱনতি কেতবোৰ প্রাকৃতিক পৰিঘটনাৰ দ্বাৰা সংঘটিত হয়। যেনে- ভূমি অৱক্ষয়, ভূমিকম্প, আগ্নেয়গিৰি, বানপানী, অনাবৃষ্টি আৰু দুর্ভিক্ষ ইত্যাদি। ইয়াৰ উপৰিও কেতবোৰ মানৱীয় কার্যকলাপৰ ফলতো পৰিৱেশ অৱনতিৰ সৃষ্টি হয়, যেনে- অত্যাধিক জনসংখ্যা, উদ্যোগীকৰণ, নগৰীকৰণ নির্বনানীকৰণ, খনন কার্য, কীটনাশকৰ ব্যৱহাৰ ইত্যাদি।

৫ নং প্রশ্নৰ উত্তৰ ঃ বায়ু প্রদূষণ নিয়ন্ত্রণ কৰিব পৰা চাৰিটা উপায় হ'ল-

- নগৰ আৰু চহৰ অঞ্চলত যিহেতু গাড়ী মটৰৰ পৰা হোৱা প্রদূষণৰ মাত্রা বেছি সেয়েহে গাড়ী মটৰৰ সঠিক আৰু নিয়মীয়া পৰীক্ষণ কৰোৱা উচিত। ইয়াৰ লগতে 'কাৰ পুল' ৰ ধাৰণা ব্যৱহাৰ কৰিব লাগে।
- উদ্যোগসমূহত নিম্ন ছালফাৰযুক্ত কয়লাৰ ব্যৱহাৰ।
- ৰাসায়নিক সাৰৰ পৰিৱর্তে জৈৱিক সাৰৰ ব্যৱহাৰ।
- অপৰম্পৰাগত শক্তি উৎসৰ ব্যৱহাৰ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভূমি প্রদূষণ পৰীক্ষা কৰিবলৈ আৰু ভূমি প্রদূষণৰ গুণগত মান উন্নত কৰিবলৈ তলত উল্লেখ কৰা ব্যৱস্থাসমূহ গ্রহণ কৰিব পাৰি-

- ৰাসায়নিক সাৰৰ উচিত ব্যৱহাৰৰ ক্ষেত্রত কৃষক সকলক প্রশিক্ষণ দিয়া উচিত।
- জৈৱিক আৱর্জনা সামগ্রীসমূহৰ পৰা বায়-গেছ প্রস্তুত কৰা উচিত।
- অকর্তৃত্বশীলভাৱে পাহাৰ অঞ্চল ধ্বংসৰ ফলত হোৱা ভূমি অৱক্ষয়ক আইনৰ সহায়ত ৰোধ কৰিব লাগে।
- কীটনাশক হিচাপে ডি. ডি. টি ৰ ব্যৱহাৰত বাধা আৰোপ কৰিব লাগে।

- চহৰ অঞ্চলৰ উদ্যোগিক আৱর্জনা আৰু পেলনীয়া সামগ্রীসমূহ সঠিকভাৱে পেলোৱাৰ ব্যৱস্থা কৰিব লাগে।

৭ নং প্রশ্নৰ উত্তৰ ঃ সমাজৰ সকলো শ্রেণীৰ মাজত আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ মাজেৰে পৰিৱেশ সম্পর্কে সজাগতা প্রদান কৰিব লাগে। সকলো ক্ষেত্রৰ বিষয়ৰ সৈতে পৰিৱেশ সম্পর্কীয় বিষয়ৰ সংযোগ ঘটাব লাগে। পৰিৱেশ শিক্ষাৰ পাঠ্যক্রম বর্দ্ধিত জনসংখ্যাৰ সৈতে সংগতি ৰাখি প্রস্তুত কৰিব লাগে। পৰিৱেশ শিক্ষা হ'ল জনসাধাৰণৰ মাজত জন সজাগতা সৃষ্টি কৰাৰ এক পৰিকল্পনা। এই উদ্দেশ্যে চেমিনাৰ, দলীয় আলোচনা, শিক্ষা দল ইত্যাদি স্থানীয়, আঞ্চলিক আৰু ৰাষ্ট্রীয় স্তৰৰ লগতে আন্তঃৰাষ্ট্রীয় স্তৰতো অনুষ্ঠিত কৰিব লাগে।



৩.৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পৰিৱেশ অৱনতি বুলিলে কি বুজে?

প্রশ্ন ২ঃ পৰিৱেশ প্রদূষণ বুলিলে কি বুজে?

প্রশ্ন ৩ঃ প্রদূষণৰ বিভিন্ন প্রকাৰসমূহ কি কি?

প্রশ্ন ৪ঃ আমি কেনেদৰে পৰিৱেশৰ গুণগত মানদণ্ড ধৰি ৰাখিব পাৰো?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পৰিৱেশ অৱনতিৰ প্রকাৰসমূহ কি কি? প্রতিটো প্রকাৰ সংক্ষেপে আলোচনা কৰক।

প্রশ্ন ২ঃ পৰিৱেশ অৱনতি কেনেদৰে পৰিৱেশ প্রদূষণতকৈ পৃথক?

প্রশ্ন ৩ঃ পানী প্রদূষণ প্রতিৰোধ কৰিবলৈ উপায়সমূহ লিখক।

প্রশ্ন ৪ঃ মাটিৰ গুণাগুণ উন্নত কৰিবলৈ বিভিন্ন উপায়সমূহ উল্লেখ কৰক।

প্রশ্ন ৫ঃ পৰিৱেশ অৱনতি ৰোধ কৰিবলৈ শিক্ষাৰ ভূমিকা উল্লেখ কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃপৰিৱেশ অৱনতি ৰোধ কৰিবলৈ কি কি ব্যৱস্থা গ্রহণ কৰিব পাৰি? আলোচনা কৰক।

প্রশ্ন ২ঃ পৰিৱেশ অৱনতিৰ বিভিন্ন কাৰণসমূহ আলোচনা কৰক।

প্রশ্ন ৩ঃ জনসাধাৰণৰ মাজত পৰিৱেশ সম্পর্কে সজাগতা সৃষ্টি কৰাত শিক্ষাৰ ভূমিকা কি হোৱা উচিত? আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ পাৰিপার্শ্বিক প্রদূষণ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ পাৰিপার্শ্বিক প্রদূষণৰ অর্থ
৪.৪ পাৰিপার্শ্বিক প্রদূষণৰ প্রকাৰ
৪.৪.১ বায়ু প্রদূষণ
৪.৪.২ জল প্রদূষণ
৪.৪.৩ ভূমি প্রদূষণ
৪.৪.৪ গোটা পেলনীয়া সামগ্রীৰ প্রদূষণ
৪.৪.৫ শব্দ প্রদূষণ
৪.৪.৬ ৰেডিঅ' সক্রিয় প্রদূষণ
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান
৪.৮ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পাৰিপার্শ্বিক প্রদূষণৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- পাৰিপার্শ্বিক প্রদূষণৰ উৎসৰ বিভিন্ন প্রকাৰ সম্পর্কে জানিব পাৰিব
- পাৰিপার্শ্বিক প্রদূষণৰ বিভিন্ন প্রকাৰ শ্রেণীভুক্ত কৰিবলৈ সমর্থ হ'ব
- বিভিন্ন প্রকাৰৰ পাৰিপার্শ্বিক প্রদূষণৰ প্রতিকূল প্রভাৱ সম্পর্কে ব্যাখ্যা আগবঢ়াব পাৰিব
- বিভিন্ন প্রকাৰৰ পাৰিপার্শ্বিক প্রদূষণ কিদৰে প্রতিৰোধ আৰু নিয়ন্ত্রণ কৰিব পাৰি সেই সম্পর্কে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

বর্তমান সময়ত পৃথিৱীখনে পাৰিপার্শ্বিক প্রদূষণৰ ক্ষেত্রত এক বৃহৎ প্রত্যাহ্বানৰ সন্মুখীন হৈছে, যি প্রতিবছৰে বাঢ়ি গৈ আছে আৰু পৃথিৱীখনক বিনাশৰ মুখলৈ ঠেলি দিছে। আমি ইয়াত পাৰিপার্শ্বিক প্রদূষণৰ অর্থ আৰু বিভিন্ন প্রকাৰ সম্পর্কে আলোচনা কৰিম। তদুপৰি ইয়াৰ বিভিন্ন কাৰণ, প্রকাৰ আৰু প্রদূষণৰ বিভিন্ন প্রতিকূল প্রভাৱ সম্পর্কে আলোচনা কৰিম। আগলৈ আমি পাৰিপার্শ্বিক প্রদূষণ কেনেকৈ প্রতিৰোধ কৰিব পাৰি বা নিয়ন্ত্রণ কৰিব পাৰি তাকো আলোচনা কৰিম।

৪.৩ পাৰিপার্শ্বিক প্রদূষণৰ অর্থ

মানুহৰ দমনমূলক আচৰণে মানুহ আৰু পৰিৱেশৰ মাজত থকা প্রাকৃতিক সম্পর্ক ক্ষুণ্ণ কৰিছে। মানুহৰ অদূৰদর্শিতা আৰু নিজৰ উপযোগিতাৰ বাবে প্রকৃতিক জধেমধে ব্যৱহাৰ কৰাৰ ফলত পৰিৱেশৰ জীৱিত আৰু নির্জীৱ উপাদানৰ মাজত জৈৱিক ভাৰসাম্যতা ৰক্ষাৰ ক্ষেত্রত ব্যাঘাত জন্মিছে। মানুহৰ অদূৰদর্শিতাৰ বাবে কেৱল মানুহৰ জীৱন নির্বাহৰ ক্ষেত্রতেই ভাবুকিৰ সৃষ্টি কৰা নহয়, ই অন্য জীৱিত প্রাণীৰ ক্ষেত্রতো ভাবুকিৰ সৃষ্টি কৰিছে।

এইটো কোৱা নিষ্প্রয়োজন যে স্বাভাৱিক আৰু স্বাস্থ্যকৰ জীৱনৰ বাবে সকলো জীৱ-জন্তু, মানৱ, গছ-গছনি, পশুধন, সূক্ষ্ম জীৱ আৰু বন্য জীৱনৰ বাবে সুস্থ পৰিৱেশৰ আৱশ্যক। প্রদূষণযুক্ত পৰিৱেশৰ এক বিশেষ গাঁথনিক প্রক্রিয়া থাকে। যেতিয়া ক্ষতিকাৰক পদার্থ এই প্রক্রিয়াৰ সৈতে মিলিত হৈ প্রক্রিয়াটোৰ পৰিবর্তন ঘটায় তেতিয়া পৰিবেশক প্রদূষিত পৰিৱেশ বুলি কোৱা হয় আৰু যি পদার্থই ইয়াক প্রদূষিত কৰে তাক প্রদূষক বুলি কোৱা হয়। সেয়ে কব পাৰি যে পৰিৱেশত থকা যিকোনো উপাদানৰ (বায়ু, জল, ভূমি) ভৌতিক, ৰাসায়নিক বা জৈৱিকভাৱে হোৱা অনাকাংক্ষিত পৰিবর্তনেই হ'ল পাৰিপার্শ্বিক প্রদূষণ যিয়ে জীৱন তথা সম্পত্তিৰ ক্ষেত্রত বিভিন্ন ধৰণে ক্ষতিকাৰক প্রভাৱ পেলায়। পৰিৱেশ (সুৰক্ষা অধিনিয়ম) ১৯৮৬ মতে। পৰিৱেশ প্রদূষক হ'ল পৰিৱেশত উপলব্ধ যিকোনো পাৰিপার্শ্বিক প্রদূষক।

পাৰিপার্শ্বিক প্রদূষণ আধুনিক বিষয় নহয় যদিও বর্তমান সময়ত এই প্রদূষণ সাধাৰণতে মানুহৰ কার্যকলাপৰ বাবে হয়। এইটো কথাত সকলোৱে সহমত প্রকাশ কৰিব যে নগৰীয়া উদ্যোগিক তথা প্রদ্যোগিক বিপ্লৱ, প্রাকৃতিক সম্পদৰ দ্রুতভাৱে ধ্বংস, সম্পদ আৰু শক্তি বিনিময়ৰ হাৰ বৃদ্ধি, ঔদ্যেগিক আৱর্জনা বৃদ্ধি, নগৰীয়া নিষ্কাশন, উপভোক্তাৰ সামগ্রী আদিয়ে নিঃসন্দেহে প্রদূষণ সৃষ্টি কৰিছে।

পাৰিপার্শ্বিক প্রদূষণৰ সমস্যাটো বিশ্বজুৰি হৈছে আৰু ই সকলো দেশকে আকৃতি, উন্নয়নৰ স্তৰ বা আদর্শৰ কথা গ্রাহ্য নকৰাকৈ প্রভাৱান্বিত কৰিছে। উদাহৰণস্বৰূপে— যদি বিশ্বৰ কোনো এটা প্রান্তত পাৰমাণৱিক পৰীক্ষা কৰা হয় তেন্তে তাৰ পৰা নির্গত তেজস্ক্রিয় পদার্থবোৰ বতাহে বিশ্বৰ অন্য এটা প্রান্তলৈ উৰুৱাই নিব পাৰে । এনে পৰীক্ষণৰ ফলত এখন দেশৰ দূৰবর্তী শক্তি প্রকল্পৰ পৰা নির্গত এনে তেজস্ক্রিয় পদার্থবোৰ দায়িত্বহীনভাৱে আন এখন দেশত নিস্পত্তি কৰিলে এখন ডাঙৰ যুদ্ধৰ আৰম্ভণি ঘটাব পাৰে।

৪.৪ পাৰিপার্শ্বিক প্রদূষণৰ প্রকাৰ

পাৰিপার্শ্বিক প্রদূষণক ভাগ কৰাটো এক কঠিন কাম কিয়নো প্রদূষণ আৰু প্রদূষক চলাচল যি মাধ্যম সেয়া আন্তঃসংযোগী আৰু আন্তঃসম্পর্কীয়। তৎসত্বেও প্রদূষিত সামগ্রীৰ ওপৰত ভিত্তি কৰি প্রদূষণক বিভিন্ন প্রকাৰে ভাগ কৰিব পাৰি। এনে দৃষ্টিকোণৰ পৰা প্রদূষণক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি -

পাৰিপার্শ্বিক প্রদূষণ

বায়ু প্রদূষণ জল প্রদূষণ ভূমি প্রদূষণ গোটা প্রদূষণ শব্দ প্রদূষণ তেজস্ক্রিয় প্রদূষণ

তলত এই বিষয়ে আলোচনা কৰো আহক ঃ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পাৰিপার্শ্বিক প্রদূষণ বুলিলে কি বুজে ?

.....

.....

প্রশ্ন নং ২ ঃ পাৰিপার্শ্বিক প্রদূষণৰ বিভিন্ন প্রকাৰ সম্পর্কে লিখক।

.....

.....

৪.৪.১ বায়ু প্রদূষণ

বায়ু প্রদূষণৰ সমস্যা প্রাগঐতিহাসিক কালৰ পৰা দেখা যায় যেতিয়া মানুহে ৰন্ধন কার্যৰ বাবে, গৰম কৰিবলৈ, গুহাত পোহৰৰ ব্যৱস্থা কৰিবলৈ জুইৰ আৱিস্কাৰ কৰিছিল। বায়ু প্রদূষণ হ'ল বায়ুমণ্ডলৰ এক অৱস্থা য'ত কিছুমান বিশেষ পদার্থ (সাধাৰণতে অধিক মাত্রত) পোৱা যায় যিয়ে মানুহ আৰু পৰিৱেশৰ ওপৰত বিৰূপ প্রভাৱ পেলায়। এই পদার্থ হ'ল--গেছ, অনুকণা, তেজস্ক্রিয় পদার্থ ইত্যাদি।

বায়ু প্রদূষণৰ উৎস ঃ

বায়ু প্রদূষণৰ মূল উৎস দুটা সেয়া হ'ল—

- **প্রাকৃতিক উৎস ঃ** ইয়াৰ অন্তগত হ'ল আগ্নেগিৰিৰ উদ্‌গিৰণ, বালি তথা ধূলিৰ উৰণ, সাগৰীয় নিমখৰ সিঁচৰতি জৈৱিক পচন, উদ্ভিদ জগতৰ বনজুই ইত্যাদি।
- **মানৱ সৃষ্টি উৎস ঃ** ইয়াৰ অন্তর্গত হ'ল— তাপ-বিদ্যুৎ প্রকল্প, ঔদ্যোগিক গোট, যানবাহনৰ ধোৱা নির্গমন, জীৱাশ্ম ইন্ধনৰ দহন, কৃষিজাত কাম কাজ ইত্যাদি এইবোৰৰ উপৰিও বিভিন্ন ধৰণৰ প্রদূষক বিভিন্ন উৎসৰপৰা নির্গত হৈ বায়ুত মিহলি হ'ল। তাৰে কিছুসংখ্যক হ'ল
- **কার্বন যৌথ ঃ** এইবোৰ সাধাৰণতে কার্বন-ডাই-অক্সাইড আৰু কার্বন মনোক্সাইড--যিবোৰ জীৱাশ্ম ইন্ধন দহন কৰাৰ পিছত তথা যানবাহনৰ পৰা নির্গত হয়।
- চালফাৰ যৌথ ঃ এইবোৰৰ ভিতৰত SO_2, H_2S আৰু চালফিউৰক এচিড, যি সাধাৰণতে জীৱাশ্ম ইন্ধন (কয়লা আদি), শক্তি উৎপাদন প্রকল্প (তাপ বিদ্যুৎ প্রকল্প), ঔদ্যোগক গোট (শোধনাগাৰ) ৰ পৰা নির্গত হয়।
- **নাইট্রজেন অক্সাইড ঃ** এইবোৰৰ ভিতৰত মুখ্যত নাইট্রজেন মনক্সাইড,নাইট্রজেন

অক্সাইড, নাইট্রিক এছিড— যিবোৰ যান-বাহন,শক্তি প্রকল্প তথা উদ্যোগৰপৰা নির্গত হয়।

- **অ'জন ঃ** ইয়াৰ স্তৰ মানুহৰ কার্যকলাপৰ বাবে বৃদ্ধি হব পাৰে।
- **হাইড্রকার্বন ঃ** এইবোৰৰ ভিতৰত মূখ্যত বেনযীন (আলকাতাৰাৰ পৰা উৎপন্ন এবিধ বর্ণহীন তৰল পদার্থ), বেনযী পাইৰেন্স আদি— যিবোৰ যান- যানবাহন তথা উদ্যোগৰপৰা নির্গত হয়।
- **ফ্লৰোকার্বন ঃ** এইবোৰ সাধাৰণতে উদ্যোগ, কীট-নাশক দ্রব্য, বাতানুকূল যন্ত্র, ডিওড্রেণ্টৰ পৰা নির্গত হয়।
- **ধাতু ঃ** এইবোৰৰ ভিতৰত সীহ, নিকেল, আর্চেনিক, বেৰিলিয়াম, টিন, ভানাডিয়াম, টিটেনিয়াম, কেডমিয়াম (এবিধ কোমল বগা ধাতু) আদি কঠিন বা জুলীয়া টোপাল বা গেছীয় ৰূপত বায়ুত উপলদ্ধ হয়। এইবোৰ সাধাৰণতে ধাতু নিষ্কাশনৰ প্রক্রিয়া, যানবাহন, সাগৰীয় স্প্রে আদিৰ পৰা উৎপন্ন হয়।

বায়ু প্রদূষণৰ প্রকাৰ ঃ

বায়ু প্রদূষণৰ দুটা দিশৰ ওপৰত ভিত্তি কৰি ভাগ কৰা হৈছে। সেয়া হ'ল --

- প্রদূষকৰ বিভিন্ন প্রকাৰৰ ভিত্তিত
- প্রদূষকৰ বিভিন্ন উৎসৰ ভিত্তিত
- প্রদূষকৰ বিভিন্ন প্রকাৰৰ ভিত্তিত বায়ু প্রদূষণক দুটা উপভাগত ভগাব পাৰি এনেদৰে—
- গেছীয় প্রদূষণ
- কণাযুক্ত বায়ু প্রদূষণ

আনহাতে প্রদূষকৰ বিভিন্ন উৎসৰ ভিত্তিত বায়ু প্রদূষণক চাৰিটা উপভাগত ভাগ কৰিব পাৰি এনেদৰে—

- যান বাহনৰপৰা বায়ু প্রদূষণ
- ঔদ্যোগিক বায়ু প্রদূষণ
- তাপ বিদ্যুৎ প্রকল্পৰ প্রদূষণ
- পাৰমাণৰিক প্রদূষণ

বায়ু প্রদূষণৰ প্রতিকূল-বিৰূপ প্রভাৱ ঃ

বায়ু প্রদূষণে মানুহৰ শৰীৰত বিভিন্ন গুৰুতৰ -জটিল ৰোগ ব্যাধিৰ সৃষ্টি কৰে।

- বায়ু প্রদূষণে কৃষিজাত শস্য আৰু উদ্ভিদ জগতৰ ক্ষতি সাধন কৰে।
- বায়ুৰ পৰা সৃষ্টি হোৱা ফ্লৰাইড আৰু আর্চেনিক প্রদূষণে কৃষিকার্যত ব্যৱহৃত পশুধনৰ ক্ষতি কৰে ।
- বায়ু প্রদূষকবোৰ বৰষুণৰ সৈতে মিহলি হৈ ক্ষতিকাৰক এচিড সৃষ্টি কৰি হ্রদৰ পনী প্রদূষিত কৰে । ইয়ে জলজীৱন বিশেষকৈ মাছৰ ক্ষতি কৰে।

- মানৱ সৃষ্টি বিভিন্ন সম্পদ যেনে-বিখ্যাত অট্টালিকা, স্মৃতি সৌধ আৰু কলা সংগ্রহ আদি বায়ু প্রদূষণত ক্ষতিগ্রস্ত হয়।
- বায়ু প্রদূষণে আঞ্চলিক, মহাদেশীয় অথবা গোলকীয় ভিত্তিত বতৰা, জলবায়ু প্রভাৱান্বিত কৰে।
- বায়ুমণ্ডলত কার্বন-ডাই-অক্সাইডৰ বৃদ্ধি পৃথিৱীৰ উত্তাপ বৃদ্ধিৰ কাৰক। ইয়াক "সেউজ গৃহৰ প্রভাৱ" বুলি জনা যায়।
- ই পাইলটৰ দৃষ্টিনিক্ষেপৰ ক্ষেত্রত বাধা প্রদান কৰে যি জাহাজ দূর্ঘটনাৰ কাৰক হৈ পৰে।

বায়ু প্রতিৰোধ আৰু নিয়ন্ত্রণ ঃ

বায়ু প্রদূষণ বহুলাংশে কমাব পাৰি তলত দিয়া উপায়েৰে ঃ

- ৰাজহুৱা পৰিবহন ব্যৱস্থাৰ ব্যৱহাৰ, চাইকেল ব্যৱহাৰ কৰি
- ইঞ্জিনৰ সময়তে নিৰীক্ষণ কৰি, অধিক প্রদূষিত পু�ৰণি গাড়ী সলনি কৰি, বৈদ্যুতিক আহিলাত অনুঘটন লগাই যানবাহনৰ প্রদূষণ ৰোধ কৰিব পাৰি।
- কম প্রদূষিত ইন্ধন যেনে হাইড্রেজেন গেছ ব্যৱহাৰ কৰি
- অপৰম্পৰাগত উৎস যেনে সৌৰ শক্তি, বতাহ ব্যৱহাৰ কৰি
- জৈৱিক ফিল্টাৰ আৰু জৈৱ বুৰুজ ব্যৱহাৰ কৰি
- সঠিক ৰূপত পাৰিপার্শ্বিক প্রভাৱ নির্ধাৰণৰ অধ্যয়ন কৰাৰ পিছত উদ্যোগ স্থাপন কৰি
- উদ্যোগবোৰত কম ছালফাৰযুক্ত কয়লা ব্যৱহাৰ কৰি।

৪.৪.২ জল প্রদূষণ

পানীৰ ভৌতিক, ৰাসায়নিক বা জৈৱিক বৈশিষ্ট্য লুপ্ত হৈ প্রাকৃতিক অৱস্থাত ব্যৱহাৰৰ অনুপযোগী হৈ পৰিলে তাক জল প্রদূষণ বুলি অভিহিত কৰা হয়।

জল প্রদূষণৰ মুখ্য উৎস দুটা। সেয়া হ'ল--

- **প্রাকৃতিক উৎস ঃ** জল প্রদূষক হ'ল— গৰাখহনীয়া, আগ্নেয়গিৰিৰ উদ্গীৰণ, ভূমিস্খলন, উপকূল আৰু পাহাৰৰ স্খলন গছ-গছনি আৰু জীৱ জন্তুৰ পচন ইত্যাদি।
- **মানৱ সৃষ্টি উৎস ঃ** জল প্রদূষক হ'ল— উদ্যোগ, শক্তি প্রকল্প, ভূগর্ভত থকা কয়লা খনি, মহানগৰীকৰণ, কৃষিজাত পথাৰৰ ভূপৃষ্ঠা স্খলন, সাংস্কৃতিক কার্যসূচী (ধার্মিক মেলা আৰু তীর্থযাত্রা) ইত্যাদি।

ভূপৃষ্ঠৰ জল প্রদূষণৰ মুখ্য উৎস হ'ল—

- নগৰ আৰু চহৰত সৃষ্টি হোৱা বর্জিত পদার্থ আৰু অন্যান্য পেলনীয়া সামগ্রী নলা-নর্মদাত প্রবাহিত হোৱা।

- উদ্যোগবোৰত বিশেষকৈ ৰাসায়নিক উদ্যোগবোৰত সৃষ্টি হোৱা অৱশিষ্ট ৰাসায়নিক সামগ্রীৰ নিষ্কাশন
- কৃষি কার্যত ব্যৱহৃত ৰাসায়নিক সাৰ আৰু কীটনাশক দ্রব্যৰ ব্যৱহাৰ
- সাগৰত তেল খনন আৰু প্রেৰণ কৰোতে পানীত তেল নিসৰণ হোৱা
- তাপ বিদ্যুৎ প্রকল্প আৰু পাৰমাণৱিক শক্তি প্রকল্পক পৰা সৃষ্টি পেলনীয়া সামগ্রী

ভূগর্ভৰ পানী কম পৰিমাণে প্রদূষিত কিয়নো যি ঠাইৰে পানী বৈ যায় তাত ভূমিৰ আৱৰণ থাকে যিয়ে পানী দূষিত হোৱা বিভিন্ন কাৰকক বাধা দিয়ে। তৎস্বত্বেও ভূগর্ভৰ পানী দূষিত হোৱাৰ বিভিন্ন উৎস পোৱা যায়। মল শোধন টেংকি, উদ্যোগ (বস্ত্র, ৰাসায়নিক, চর্ম),গভীৰ নলীনাদ বহুৱা, খনন কার্য ইত্যাদি প্রধানকৈ ভূগর্ভ প্রদূষণৰ মূখ্য কাৰক যি অপূৰণীয় ক্ষতিসাধন কৰে। আর্চেনিক, ফ্লৰাইড, নাইট্রেট আদিৰে ভূগর্ভৰ পানী প্রদূষিত হ'লে মানৱৰ গুৰুতৰ ক্ষতি হয়। জল প্রদূষণৰ প্রকাকঃ উৎসৰ বিভিন্ন ভাগ আৰু জল ভাণ্ডাৰৰ ভিত্তিত জল প্রদূষণক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি--

- নদীৰ জল প্রদূষণ
- হ্রদৰ জল প্রদূষণ
প্রশ্ন ২ ঃ ১৯৭৮ চনত ৰিটজে আগবঢ়োৱা পৰিৱেশ শিক্ষাৰ কার্যসূচীৰ পাঁচটা বৈশিষ্ট্য লিখক।

প্রশ্ন ৩ ঃ আনুষ্ঠানিক আৰু অগতানুগতিক পৰিৱেশ শিক্ষাৰ কার্যসূচীবোৰ কি কি?

প্রশ্ন ৪ ঃ পৰিৱেশ শিক্ষাৰ কার্যসূচীৰ গুৰুত্ব সম্পর্কে লিখক।

প্রশ্ন ৫ ঃ ইক' ক্লাব কার্যসূচীৰ ওপৰত চমুকৈ লিখক।

খ) দীঘলীয়া প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰে দিয়া)

প্রশ্ন ১ ঃ শিক্ষাৰ প্রাথমিক স্তৰত পৰিৱেশ শিক্ষাৰ কার্যসূচী সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ ঃ পৰিৱেশ শিক্ষা প্রদান কৰিবলৈ মাধ্যমিক পর্যায়ত কি কার্যসূচী অন্তর্ভূক্ত কৰিব লাগিব?

প্রশ্ন ৩ ঃ ভাৰতৰ মহাবিদ্যালয়সমূহত পৰিৱেশ শিক্ষাক কিদৰে ফলপ্রসূ কৰি তুলিব পাৰি আলোচনা কৰক।

প্রশ্ন ৪ ঃ বিশ্ববিদ্যালয়ৰ ছাত্র-ছাত্রীৰ বাবে পৰিৱেশ শিক্ষাৰ কার্যসূচী আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ অর্থ

৬.৩.১ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বৈশিষ্ট্যসমূহ

৬.৩.২ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ভাগসমূহ

৬.৩.৩ পৰিৱেশ সংৰক্ষণ, সুৰক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব

৬.৪ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্রত থকা আইনী ব্যৱস্থাসমূহ

৬.৫ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্রত থকা সাংবিধানিক সুবিধাসমূহ

৬.৬ পৰিৱেশ সংৰক্ষণৰ ক্ষেত্রত ব্যক্তি আৰু সমাজৰ ভূমিকা

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ধাৰণা বর্ণনা কৰিব পাৰিব
- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ প্রয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব
- পৰিৱেশ সংৰক্ষণৰ বিভিন্ন উপায় আৰু পদ্ধতিসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ আইনী সুবিধাসমূহ ক'ব পাৰিব
- পৰিৱেশ সংৰক্ষণৰ সাংবিধানিক সুবিধাসমূহ ব্যাখ্যা কৰিব পাৰিব
- পৰিৱেশ সংৰক্ষণৰ ক্ষেত্রত ব্যক্তি আৰু সমাজৰ ভূমিকা সম্পর্কে আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

আমি জানো যে আমাৰ চাৰিওফালৰ সকলো বস্তু সামৰি পৰিৱেশ গঠন হয়। ই মানুহ, জীৱ-জন্তু, গছ-গছনিৰ লগতে চকুৰে দেখা নোপোৱা অণুজীৱসমূহ, ভূ-পৃষ্ঠৰ পানী, ভূ-গর্ভৰ পানী, মাটি, খনিজ পদার্থ, আৰু তেল পৃথিৱীৰ উপৰিভাগত থকা অন্য উপাদানসমূহক সামৰি লয়। আমি জীৱিত প্রাণীবোৰ হৈছো পৰিৱেশৰ এক প্রধান অংশ আমাৰ অস্তিত্ব পৰিৱেশৰ ওপৰত

নির্ভৰশীল। আগৰ অধ্যায়ত কৰা আলোচনাৰ পৰা আপোনালোকৰ এইটো স্পষ্ট হৈছে যে সুবিধাজনকভাৱে জীয়াই থাকিবলৈ পৰিৱেশে আমাক যথেষ্ট সুবিধা প্রদান কৰে, কিন্তু আমি স্বার্থপৰ মানুহসকলে নিজৰ ইচ্ছা-অভিলাস পূৰণ কৰিবলৈ ধুনীয়া সেউজীয়া ধৰণীখনক ধ্বংস কৰি আহিছো। জীৱাশ্ম, শক্তিৰ বাবে ইন্ধন, উদ্যোগিক আৱর্জনাসমূহৰ অত্যাধিক ব্যৱহাৰে পৰিৱেশৰ প্রতি বিপদৰ সৃষ্টি কৰা প্রদূষকৰ সংখ্যা বৃদ্ধি কৰে আৰু ইয়াৰ ভাৰসাম্য ধ্বংস কৰে। আমাৰ কামবোৰ এনে ধৰণে চলি থাকিলে কেতিয়াবা আমাৰ এনে পৰিৱেশৰ সৃষ্টি হ'ব যেতিয়া জীয়াই থাকিবৰ বাবে অক্সিজেন কিনিব লগা হ'ব। সুস্থ সবলভাৱে এই পৃথিৱীত জীয়াই থাকিবলৈ আমি আমাৰ পৰিৱেশ সুৰক্ষা কৰিব লাগিব। এই অধ্যায়টোত আমি পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা, পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বিভিন্ন আইনী তথা সাংবিধানিক ব্যৱস্থাবোৰৰ বিষয়ে আলোচনা কৰিম। এতিয়া এই দিশত আগবাঢ়ো আহকচোন।

৬.৩ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ অর্থ

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ অর্থ হৈছে সম্পদৰ পৰিকল্পনা আৰু পৰিচালনা, যাতে ইয়াৰ আৱর্জনাৰ ব্যৱহাৰ আৰু যোগানৰ ধাৰাবাহিকতা সুৰক্ষিত কৰাৰ লগতে ইয়াৰ গুণগত মান, মূল্য, বৈচিত্রতা বজাই ৰখা আৰু বৃদ্ধি কৰা হয়। পৰিৱেশৰ সম্পদসমূহ মানৱসৃষ্ট বা প্রাকৃতিক দুয়ো প্রকাৰৰ হ'ব পাৰে। ই ধ্বংসাত্মক প্রভাৱ, প্রাকৃতিক অবক্ষয় বা অৱর্জনাসমূহক অন্তর্ভুক্ত কৰে।

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ সাধাৰণ অর্থ হৈছে মাটি, বায়ু, পানী, খনিজ দ্রব্য আৰু অন্য প্রাকৃতিক সম্পদক সতর্কতাৰে ব্যৱহাৰ কৰা। মানুহে কৰিব পৰা সকলো পৰিকল্পনা, দূৰদর্শিতা আৰু সহযোগিতাৰ ব্যৱস্থা কৰা ই এক পৰিকল্পিত পৰিৱেশ। ই প্রকৃততে প্রাকৃতিক আৰু মানৱসৃষ্ট সম্পদৰ বুদ্ধি সন্মত ব্যৱহাৰ। এইখিনিতে উল্লেখযোগ্য যে পৰিৱেশৰ সুৰক্ষা বা সংৰক্ষণে কৃষি, শক্তি প্রবাহ, আৱর্জনা পৰিচালনা, বন্যপ্রাণী ব্যৱস্থাপনা, প্রাকৃতিক উদ্যান, অভয়াৰণ্য, জল ব্যৱস্থাপনা আদিক অন্তর্ভুক্ত কৰে আৰু লগতে অপ্রদূষিত শক্তিৰ বিকাশত গুৰুত্ব আৰোপ কৰে।

পৰিৱেশ সংৰক্ষণৰ ক্ষেত্রত এটা গুৰুত্বপূর্ণ দিশ হৈছে এয়ে যে ই কেৱল সম্পদৰ বুদ্ধি সন্মত ব্যৱহাৰতেই গুৰুত্ব প্রদান নকৰে, ইয়াৰ উপৰিও ভৱিষ্যৎ প্রজন্মৰ বাবে সম্পদৰ উপযোগ কৰণতো গুৰুত্ব প্রদান কৰে।

পৰিৱেশ সংৰক্ষণৰ সংজ্ঞা

হোৱাটি (Whyte) ৰ মতে ' পৰিৱেশ সংৰক্ষণক জৈৱমণ্ডলৰ মানৱজাতিকে ধৰি সকলো জীৱৰ সুবিধাৰ বাবে পৰিচালনা হিচাবে সংজ্ঞায়িত কৰা হৈছে যাতে ই বর্তমানৰ প্রজন্মৰ বাবে বহনক্ষম সুবিধা প্রদান কৰিব পাৰে, যিয়ে ভৱিষ্যৎ প্রজন্মৰ প্রয়োজন আৰু আকাংক্ষা পূৰণৰ সম্ভাৱনা বজায় ৰাখে।'

পৰিৱেশ সংৰক্ষণ হৈছে এক বিশ্বব্যাপী থকা বিষয় আৰু ই সকলোৰে অৱগত। ই কেৱল জৈৱ মণ্ডলৰ বাবে গুৰুত্বপূর্ণ নহয়, মানৱ জাতিৰ বাবে গুৰুত্বপূর্ণ। পৰিৱেশ থাকিলেহে

মানুহ থাকিব পাৰিব। ৫ জুনত পৰিৱেশ দিৱস উদ্‌যাপনৰ জৰিয়তে মানুহক পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষাৰ প্ৰতি সজাগ কৰি তোলা হয়। যেতিয়া পৰিৱেশ সংৰক্ষণৰ বিষয়ে আলোচনা কৰা হয় তেতিয়া এইটো আৱশ্যকীয় যে ব্যক্তিৰ ধাৰণাৰ স্তৰৰ ওপৰত পৰিৱেশৰ সংৰক্ষণ প্ৰধানকৈ নিৰ্ভৰশীল। প্ৰত্যেকজন ব্যক্তিয়ে পৰিৱেশ সংৰক্ষণৰ কথা বিশেষভাৱে অনুভৱ কৰিব লাগিব আৰু তেতিয়াহে আমি আমাৰ লক্ষ্যত উপনীত হ'ব পাৰিম।



জানি থোৱা ভাল

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ সাধাৰণ অৰ্থ হৈছে মাটি, বায়ু, পানী, খনিজ দ্ৰব্য আৰু অন্য প্ৰাকৃতিক সম্পদক সতৰ্কতাৰে ব্যৱহাৰ কৰা। মানুহে কৰিব পৰা সকলো পৰিকল্পনা দূৰদৰ্শিতা আৰু সহযোগিতা ব্যৱহাৰ কৰাৰ ই এক পৰিকল্পিত পৰিৱেশ।

৬.৩.১ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বৈশিষ্ট্যসমূহ

তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহে পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষাৰ এক স্পষ্ট ধাৰণা আপোনালোকৰ সন্মুখত দাঙি ধৰিব।

- পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষা হৈছে প্ৰাকৃতিক সম্পদৰ সতৰ্কতাৰে ব্যৱহাৰ কৰা।
- ইয়াৰ অৰ্থ হৈছে পৰিৱেশৰ পৰিকল্পনা আৰু ব্যৱস্থাপনা।
- ইয়াৰ দ্বাৰা মানুহৰ পৰিৱেশৰ প্ৰতি থকা সজাগতাৰ আভাস পাব পাৰি।
- ই মাটি, পানী, খনিজ দ্ৰব্য, কৃষি, শক্তি প্ৰবাহ, আৱৰ্জনা ব্যৱস্থাপনা, বন্যপ্ৰাণী ব্যৱস্থাপনা, প্ৰাকৃতিক উদ্যান, অভয়াৰণ্য, জলব্যৱস্থাপনা আদিৰ ব্যৱহাৰক সমৰি লয়।
- ই অপ্ৰদূষণকাৰী নবীকৰণযোগ্য শক্তিৰ বিকাশত গুৰুত্ব প্ৰদান কৰে।
- ইয়াৰ অৰ্থ হৈছে পৰিৱেশ সংৰক্ষণ বা সকলো সম্পদ বৰ্তমানৰ বাবে কেৱল নহয়, ভৱিষ্যতৰ বাবেও প্ৰয়োজনীয়।



জানি থোৱা ভাল

- পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষা হৈছে প্ৰাকৃতিক সম্পদৰ সৰ্তকমূলক ব্যৱহাৰ।
- ইয়াৰ অৰ্থ হৈছে পৰিৱেশ পৰিকল্পনা আৰু ব্যৱস্থাপনা।
- ইয়াৰ অৰ্থ হৈছে পৰিৱেশৰ প্ৰতি থকা মানুহৰ সজাগতা।

৬.৩.২ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বৈশিষ্ট্যসমূহ

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ভাগসমূহৰ বিষয়ে আলোচনা কৰোঁতে, ইয়াৰ ভাগবোৰ আমি জনা উচিত।

- ইন চিটু সংৰক্ষণ
- এক্স চিটু সংৰক্ষণ

১) **ইন চিটু কনজাৰভেচন** (In situ conservation) এইটো হৈছে বংশগত সম্পদসমূহৰ সংৰক্ষণ, ইয়াৰ ৰক্ষনাবেক্ষণ প্ৰাকৃতিক বা আনকি মানৱ নিৰ্মিত পৰিৱেশ ব্যৱস্থাৰ ভিতৰত থাকে। ই বংশগত সম্পদ সংৰক্ষণৰ এক আদৰ্শগত ব্যৱস্থা। এই প্ৰকাৰটোৱে বিভিন্ন ভাগবোৰৰ সংৰক্ষণ ব্যৱস্থা, সমাজৰ উপৰিতা আনিবলৈ লোৱা বিভিন্ন উদ্দেশ্যসমূহক অন্তৰ্ভূক্ত কৰে।

ইন চিটু সংৰক্ষণে প্ৰাকৃতিক উদ্যান, অভয়াৰণ্য, প্ৰাকৃতিক স্মৃতিসৌধ, সংৰক্ষিত প্ৰকৃতি আদি অন্তৰ্ভূক্ত কৰে। তেওঁলোক যি ধৰণৰ সেই অনুসৰি তাক সংৰক্ষণ কৰিব লাগে। উদাহৰণ স্বৰূপে, ভাৰত চৰকাৰে তাজমহলক উপযুক্তভাৱে সংৰক্ষণ কৰি ৰাখিছে। কাজিৰঙাৰ সংৰক্ষণ কৰি ৰখা হৈছে ইত্যাদি। এইবোৰক প্ৰাকৃতিক আৰু লগতে মানৱসৃষ্ট পৰিৱেশ ব্যৱস্থাত ৰক্ষা কৰা, সংৰক্ষণ আৰু লগতে সুৰক্ষা কৰা হয়। ইয়াকে চিটু সংৰক্ষণ বোলা হয়।

২) **এক্স চিটু সংৰক্ষণ** (Ex-situ Conservation) এইপ্ৰকাৰৰ সংৰক্ষণ সেইবোৰৰ বাসস্থানৰ বাহিৰত কৰা হয়। চিৰিয়াখানা, উদ্ভিদ উদ্যানৰ সাংস্কৃতিক সংগ্ৰহ আদিৰ দৰে আনুষংগিক সম্পদকেন্দ্ৰত নমুনাৰ জনসংখ্যাক স্থায়ী কৰি ৰখাৰ দ্বাৰা সংৰক্ষণ কৰা হয়। মাছৰ বাবে জিন পুল বা গেমেট সংৰক্ষণ বীজৰ ৰোপন, বীৰ্যৰ ডিম্বাশয়ৰ বা জাৰ্মপাজম বেংকৰ ৰূপত সম্পদসমূহ সংৰক্ষিত কৰা হয়। জীৱ-জন্তুবোৰতকৈ গছ-গছনিবোৰক বেছি সাৱধানে প্ৰতিপালন আৰু সংৰক্ষণ কৰা হয়। চিৰিয়াখানা বা উদ্ভিদ উদ্যান বা সংগ্ৰহালয়ত আমি প্ৰায়ে এনেবোৰ বস্তু সংগ্ৰহ কৰি ৰখা দেখিবলৈ পাওঁ।



কাৰ্যৱলী ৬.১

ইন চিটু আৰু এক্স চিটু সংৰক্ষণৰ উদাহৰণ কিছুমান দাঙি ধৰক। আপোনাৰ ঘৰত এক্স চিটু সংৰক্ষণৰ বাবে কেনে পদক্ষেপ হাতত ল'ব?

৬.৩.৩ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বসমূহ

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ প্ৰয়োজনীয়তা তথা গুৰুত্বসমূহ তলত দাঙি

ধৰা হ'ল।

- **অত্যাৱশ্যকীয় পৰিৱেশ প্ৰক্ৰিয়া আৰু জীৱন সমৰ্থন ব্যৱস্থা ৰক্ষণাবেক্ষণৰ বাবে ঃ** পৰিৱেশৰ ভাৰসাম্য বজাই ৰাখিবলৈ পৰিৱেশৰ সংৰক্ষণ অতি প্ৰয়োজনীয় যিয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে পৰিৱেশৰ সকলো জীৱৰ জীৱন সুৰক্ষাৰ সহায়ক ব্যৱস্থাৰ সৃষ্টি কৰে।
- **জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ বাবে ঃ** আমি জানো যে আমাৰ পৰিৱেশ জৈৱ বৈচিত্ৰ্যৰ দ্বাৰা সমৃদ্ধিশালী। আমি সকলো জীৱিত প্ৰাণীয়ে আমাৰ পৰিৱেশৰ জৈৱ বৈচিত্ৰ্য উপযুক্তভাৱে ৰাখিব লাগে। পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ দ্বাৰা আমি পৰৱৰ্তী প্ৰজন্মলৈ ইয়াক প্ৰেৰণ কৰিব পাৰো।
- **বহনক্ষম উন্নয়ন নিশ্চিত কৰা ঃ** আমি জানো যে বহনক্ষম উন্নয়ন হৈছে বিশ্বজনীন লক্ষ্য। আজি আমাৰ যি আছে, সেইবোৰ আমাৰ ভৱিষ্যতেও জীয়াই থকাৰ বাবে প্ৰয়োজন। পৰিৱেশ সুৰক্ষাৰ অবিহনে, বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হোৱাতো অসম্ভৱ।
- **প্ৰজাতি আৰু পৰিৱেশ ব্যৱস্থাৰ সঠিক ব্যৱস্থা নিশ্চিত কৰা ঃ** বিভিন্ন প্ৰজাতিৰ জীৱ-জন্তুৰ দ্বাৰা আমাৰ পৰিৱেশ সমৃদ্ধ, উপযুক্তভাৱে পৰিৱেশ বৰ্তাই ৰাখিবলৈ এনে প্ৰজাতিবোৰক উপযুক্তভাৱে সংৰক্ষণ কৰাটো প্ৰয়োজনীয়, ইয়াৰ জৰিয়তে আমাৰ পৰিৱেশ পুনৰ সমৃদ্ধিশালী হৈ উঠিব। পৰিৱেশৰ উপযুক্ত সংৰক্ষণৰ জৰিয়তেহে এইবোৰৰ বিকাশ সম্ভৱ হ'ব পাৰে।
- **কেৱল বৰ্তমানৰ বাবেই নহয় ভৱিষ্যতৰ বাবেও প্ৰাকৃতিক সম্পদ সংৰক্ষণ ঃ** প্ৰাকৃতিক সম্পদবোৰ কেৱল সম্পদেই নহয়, এইবোৰ হৈছে ভৱিষ্যত প্ৰজন্মৰ বাবে সম্পত্তি। প্ৰাকৃতিক সম্পদৰ অতিমাত্ৰা ব্যৱহাৰে পৰিৱেশ সংৰক্ষণৰ দিশত ভয়াবহতা আনি এক গোলকীয় সমস্যাৰ সৃষ্টি কৰি তুলিছে। এইবোৰৰ ফলত পৰিৱেশত এক ভাৰসাম্যহীন অৱস্থাৰ সৃষ্টি হৈছে। এনেদৰে, প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰৰ উপৰিও আমি এইবোৰক ভৱিষ্যৎ প্ৰজন্মৰ বাবে সুৰক্ষা কৰিব লাগে।
- **ই ভূমি, পানী, বায়ু, বনাঞ্চল আৰু খনিজ পদাৰ্থৰ উপযুক্ত ব্যৱহাৰ কৰাত সহায় কৰে ঃ** পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা হৈছে পৰিৱেশৰ সজাগতা অনাৰ ক্ষেত্ৰত এক আৱশ্যকীয় আহিলা। মানুহে পৰিৱেশৰ বিভিন্ন বস্তুবোৰ যেনে পানী, মাটি, বায়ু, গছ-গছনি আদিবোৰ উপযুক্তভাৱে ব্যৱহাৰ কৰিব লাগে। পৰিৱেশৰ প্ৰতি থকা ব্যক্তিৰ উপযুক্ত মনোভাৱে আমাৰ পৰিৱেশৰ ভাৰসাম্যতা বজাই ৰখাত সহায় কৰে।
- **পৃথিৱীৰ সকলো দিশতে ভাৰসাম্য বজাই ৰখাত সহায় কৰে ঃ** আমি জানো যে পৃথিৱীত এনে কিছুমান দিশ আছে যিবোৰৰ আমাৰ জীৱনত যথেষ্ট গুৰুত্ব আছে।

এনে দিশবোৰৰ মাজত ভাৰসাম্য ৰখাৰ ক্ষেত্ৰত পৰিৱেশে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পৰিৱেশৰ ভাবুকিয়ে পৰিৱেশৰ প্ৰতি ডাঙৰ বিপদৰ সৃষ্টি কৰা ক্ষেত্ৰসমূহৰ ভাৰসাম্য ধ্বংস কৰে।

- **পৰিৱেশৰ চাপ আৰু বিপদসমূহ প্ৰতিবোধ কৰাত সহায় কৰে ঃ** আমাৰ পৰিৱেশত আমি বিভিন্ন ধৰণৰ চাপ আৰু বিপদবোৰ দেখা পাওঁ যেনে— ধুমুহা, ভূমিকম্প আদি - যিবোৰ পৰিৱেশৰ ভাৰসাম্যহীনতাৰ ফলত সৃষ্টি হয়। পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষাই এনেবোৰ চাপ আৰু বিপদসমূহ দূৰ কৰিব পাৰে।

পৃথিৱীৰ অস্তিত্ব থাকিবলৈ হ'লে পৰিৱেশৰ সংৰক্ষণ অতি প্ৰয়োজনীয়। ই অৱশেষত পৃথিৱী আৰু ইয়াৰ সেউজীয়াক বজাই ৰখাত সহায় কৰে যাতে সকলো জৈৱিক আৰু অজৈৱিক উপাদানবোৰ শান্তিপূৰ্ণভাৱে জীয়াই বাবে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনটো দিনক পৰিৱেশ দিবস হিচাবে পালন কৰা হয়?

.....

.....

প্ৰশ্ন নং ২ ঃ পৰিৱেশ সংৰক্ষণক কিয় অত্যাৱশ্যকীয় বুলি বিবেচনা কৰা হয়?

.....

.....

প্ৰশ্ন নং ৩ ঃ চিটু সংৰক্ষণ বুলিলে কি বুজে?

.....

.....

৬.৪ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত থকা আইনী ব্যৱস্থাসমূহ

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হৈছে যে পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা এক অত্যাৱশ্যকীয় দিশ। সেইবাবে পৰিৱেশৰ সুৰক্ষাৰ বাবে আমি প্ৰত্যেকেই প্ৰচেষ্টা চলাব লাগিব। এইখিনিতে উল্লেখযোগ্য যে পৰিৱেশৰ ওপৰত প্ৰথম আন্তৰ্জাতিক সন্মিলন চুইছ দেশৰ ৰাজধানী ষ্টক'হমত ১৯৭১ চনৰ ৫ জুন পতা হৈছিল। সেইবাবে ৫ তাৰিখটো সংযুক্ত ৰাষ্ট্ৰ পৰিৱেশ সন্মিলন হিচাবে প্ৰত্যেক বছৰতে পালন কৰা হয়। ইয়াক মানৱ পৰিৱেশৰ সংযুক্ত ৰাষ্ট্ৰ পৰিৱেশ সন্মিলন হিচাবে জনা যায়। আপোনালোকে জানে যে ১৯৪৭ চনত আমাৰ দেশে স্বাধীনতা লাভ কৰিছিল। স্বাধীনতাৰ পূৰ্বে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ পদক্ষেপ লোৱা হৈছিল, সেইবাবে এইক্ষেত্ৰত স্বাধীনতাৰ পূৰ্বৰে পৰা পৰিৱেশ সম্পৰ্কীয় আইন প্ৰণয়ন কৰা হৈছিল। কিন্তু ষ্ট'কহ'ম সন্মিলনৰ পিছত পৰিৱেশ সংৰক্ষণ আৰু সজাগতাৰ ক্ষেত্ৰত সমগ্ৰ পৃথিৱীৰ এক বৃহৎ পৰিৱৰ্তন

আহিছিল। ইয়াত পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ ক্ষেত্ৰত ভাৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আইনৰ সুবিধাবোৰৰ বিষয়ে আলোচনা কৰিম।



জানি থোৱা ভাল

পৰিৱেশৰ ওপৰত প্ৰথম আন্তৰাষ্ট্ৰীয় সন্মিলন ১৯৭১ চনত জুন মাহত ষ্ট'কহ'মত অনুষ্ঠিত হৈছিল।

১) **১৯৭২ চনৰ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদ ঃ** পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰথম পদক্ষেপ আছিল ১৯৭২ চনত বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ ভিতৰত পৰিৱেশ নীতি আৰু পৰিকল্পনাৰ ৰাষ্ট্ৰীয় পৰিষদ গঠন কৰা। পৰিৱেশৰ সৈতে জড়িত সকলো বিষয় চোৱাচিতা কৰিবলৈ ই আছিল এক নিয়ন্ত্ৰণকাৰী সংস্থা।

২) **১৯৭৪ পানী প্ৰতিৰোধ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন এইখন হৈছে পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণ সম্পৰ্কীয় আইন ঃ** এই আইনখনে এটা নিৰ্দিষ্ট মানদণ্ডৰ বাহিৰত জলভাগত প্ৰদূষণৰ নিৰ্গমন নিষিদ্ধ কৰে আৰু ইয়াৰ বিধান অমান্য কৰাৰ শাস্তি নিৰ্ধাৰণ কৰে। ইয়াৰ ভিতৰত অন্য এটা সংস্থা অন্তৰ্ভুক্ত হৈ আছে। সেইটো হৈছে কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ড (CPCB)। এই সংগঠনটোৱে কেন্দ্ৰত জল প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণত গুৰুত্ব দিয়ে। ৰাজ্যত জল সংৰক্ষণৰ বাবে CPCB ৰ অধীনত অন্য এক সংস্থা আছে, সেইটো হৈছে ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ড।

৩) **১৯৮১ চনৰ বায়ু প্ৰতিৰোধ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন ঃ** সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ ভিতৰত থকা ২৫৩ নং অনুচ্ছেদৰ বিষয়ে আমি ইতিমধ্যে আলোচনা কৰিছো। এইখনেই ষ্টক'হ'ম সন্মিলনত লোৱা সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈ ২৫৩ নং অনুচ্ছেদৰ অধীনত প্ৰণয়ন কৰা আইন। এই আইনখনৰ প্ৰধান কাৰ্য হৈছে বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ আৰু হ্ৰাস কৰা আৰু লগতে বায়ুৰ গুণমান উন্নত কৰি তোলা। এই আইনৰ অধীনত কেন্দ্ৰীয় আৰু ৰাজ্যিক বৰ্ড স্থাপন কৰা হৈছে যিবোৰে নিৰ্দিষ্ট অঞ্চলবোৰৰ কাৰ্যাৱলী নিৰীক্ষণ কৰে। সেইবাবে প্ৰত্যেক উদ্যোগিক পৰিচালকে ঘোষিত বায়ু প্ৰদূষণ এলেকাৰ বাবে ৰাজ্যিক বৰ্ডৰ পৰা অনুমতি লাভ কৰিব লাগিব।

৪) **১৯৮৫ চনৰ MOE ঃ** পৰিৱেশ নীতি আৰু পৰিকল্পনাৰ ৰাষ্ট্ৰীয় পৰিষদৰ পৰিৱৰ্তন ঘটি সম্পূৰ্ণ এক সংস্থাত পৰিণত হৈছে যাক পৰিৱেশ আৰু বনানিকৰণ মন্ত্ৰালয় স্বৰূপে জনা যায়। বৰ্তমান ই পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণ নিয়ন্ত্ৰণ আৰু নিশ্চিত কৰাৰ ক্ষেত্ৰত ই হৈছে ভাৰতৰ এটা শীৰ্ষ সংস্থা। ইয়াত পৰিৱেশ সুৰক্ষাৰ স্বাৰ্থত বিভিন্ন আইনী আৰু নিয়ন্ত্ৰণমূলক কাঠামো আৰু নীতি নিৰ্ধাৰণ কৰা হৈছে।

৫) **পৰিৱেশ, বনানিকৰণ আৰু বন্যপ্ৰাণী বিভাগ (DOEn ১৯৮৫) ঃ** ১৯৮৫ চনৰ ছেপ্টেম্বৰত পৰিৱেশ আৰু বন মন্ত্ৰালয়ত বৰ্তমানৰ পৰিৱেশ, বন আৰু বন্যপ্ৰাণীৰ সংহত বিভাগ গঠন

কৰা হয়। এই মন্ত্ৰালয়ে পৰিৱেশ আৰু বনবিভাগৰ পৰিকল্পনা, প্ৰসাৰ আৰু সমন্বয়ৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ প্ৰশাসনিক গাঁথনিৰ কেন্দ্ৰবিন্দু হিচাবে কাম কৰে। ইয়াৰ মূল কামবোৰ হৈছে উদ্ভিদ, প্ৰাণীৰ জৰীপ আৰু সংৰক্ষণ কৰা, প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ কৰা, বনানীকৰণ আৰু পৰিৱেশৰ অৱক্ষয় হোৱা অঞ্চলবোৰ পুনৰ যোগ্য কৰি তোলা।

৬) **১৯৮৬ চনৰ পৰিৱেশ (সংৰক্ষণ) আইন ঃ** এই আইনখনে কেন্দ্ৰীয় চৰকাৰক গুণগত মান সুৰক্ষিত আৰু উন্নত কৰাৰ লগতে প্ৰদূষণৰ সৃষ্টি কৰিব পৰা সকলো উৎসৰ পৰা হোৱা সকলোধৰণৰ প্ৰদূষণ নিয়ন্ত্ৰণ আৰু হ্ৰাস কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰে। ইয়াৰ উপৰিও পৰিবেশৰ ভিত্তিত যিকোনো উদ্যোগিক সুবিধা স্থাপন আৰু পৰিচালনা কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

৭) **২০০০ চনৰ পৌৰসভা গোটা আৱৰ্জনা (পৰিচালনা আৰু নিয়ন্ত্ৰণ) নীতি ঃ** ঠাইবোৰ পৰিস্কাৰ আৰু পৰিৱেশগতভাৱে সুৰক্ষিত কৰি ৰাখিবলৈ পৌৰসভাৰ গোটা আৱৰ্জনা সংগ্ৰহ, পৃথকীকৰণ, পৰিবহন আৰু নিষ্কাশনৰ বাবে প্ৰতিটো পৌৰসভা কৰ্তৃপক্ষৰ বাবে প্ৰযোজ্য হ'বলৈ চৰকাৰে এই আইনখন বা নিয়ম নিৰ্ধাৰণ কৰিছিল।

৮) **২০০২ চনৰ শব্দ প্ৰদূষণ নীতি (নীতি আৰু নিয়ন্ত্ৰণ সংশোধনী) ঃ** চৰকাৰে নিৰ্ধাৰণ কৰা নিয়মসমূহে প্ৰদূষণ হ্ৰাস কৰিবলৈ অপৰিহাৰ্য কিছুমান চৰ্ত আৰু নিয়ম নিৰ্ধাৰণ কৰে— লাউড স্পীকাৰ ব্যৱহাৰ কৰাৰ অনুমতি বা ৰাতিৰ সময়ত ১০ টাৰ পৰা ১২ টালৈ ৰাজহুৱা সাংস্কৃতিক বা ধৰ্মীয় অনুষ্ঠানৰ বা উৎসৱ পালন ইত্যাদি।

৯) **২০০২ চনৰ জৈৱ বৈচিত্ৰ্য আইন ঃ** ২০০২ চনৰ গ্ৰহণ কৰা জৈৱ বৈচিত্ৰ্য আইন ঃ ২০০২ চনত গ্ৰহণ কৰা জৈৱ বৈচিত্ৰ্য আইনখন হৈছে জৈৱ বৈচিত্ৰ্যৰ ওপৰত বহা ৰাষ্ট্ৰসংঘৰ সম্মিলন (১৯৯২) ৰ পৰিণতি। এই আইনখনৰ প্ৰধান উদ্দেশ্য হৈছে জৈৱিক সম্পদ আৰু ইয়াৰ লগত জড়িত জ্ঞানৰ সংৰক্ষণ কৰা। ইয়াৰ উপৰিও ই বহনক্ষমভাৱে ইয়াৰ প্ৰৱেশৰ সুবিধা প্ৰদানৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এই আইনখনৰ উদ্দেশ্যবোৰ বুজিবলৈ চেন্নাইত জৈৱ বৈচিত্ৰ্য কৰ্তৃপক্ষ প্ৰতিষ্ঠা কৰা হয়।

১০) **২০১০ চনৰ ৰাষ্ট্ৰীয় সেউজ ন্যাধিকৰণ ঃ** এই আইন প্ৰণয়নৰ লক্ষ্য হৈছে পৰিৱেশ-সুৰক্ষা আৰু বন আৰু অন্যান্য প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ সৈতে জড়িত গোচৰসমূহৰ ফলপ্ৰসূ আৰু ক্ষীপ্ৰ নিষ্পত্তি কৰাকে ধৰি পৰিৱেশ সম্পৰ্কীয় যিকোনো আইনী অধিকাৰ বলবৎ কৰা আৰু ব্যক্তি তথা সম্পত্তিৰ ক্ষতিপূৰণৰ বাবে সকাহ আৰু ক্ষতিপূৰণ দিয়া।

১১) **২০১১ চনৰ ই-আৱৰ্জনা/পৰিচালনা আৰু নিয়ন্ত্ৰণ নীতি ঃ** এই আইনখনৰ প্ৰধান উদ্দেশ্য হৈছে বৈদ্যুতিক সঁজুলিত বিপদজনক পদাৰ্থৰ ব্যৱহাৰ হ্ৰাস কৰা আৰু দেশত উৎপন্ন হোৱা 'ই'- আৱৰ্জনাসমূহক সুস্থ পৰিৱেশত পুনৰ ব্যৱহাৰৰ বাবে উপযুক্ত কৰি তোলা।

১২) **উপকূলীয় নিয়ন্ত্ৰণ অঞ্চলৰ অধিসূচনা, ২০১১ ঃ** চনৰ এই অধিসূচনাখন পৰিৱেশ আৰু বন মন্ত্ৰালয়ে ২০১১ চনত ৬ জানুৱাৰীত জাৰি কৰিছিল। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল উপকূলীয় অঞ্চলত বাস কৰা মাছমৰীয়া সম্প্ৰদায় নিশ্চিত কৰা। ইয়াৰ অন্য এক লক্ষ্য

হৈছে উপকূলীয় অঞ্চলসমূহৰ সংৰক্ষণ কৰা আৰু বৈজ্ঞানিক নীতিৰ ওপৰত ভিত্তি কৰি বহনক্ষমভাৱে প্ৰসাৰ কৰা।



কার্যাৱলী ৬.২

পৰিৱেশ সংৰক্ষণৰ বাবে আপোনাৰ নিজৰ অঞ্চলত কেনেবোৰ কার্য আপুনি কৰিব বিচাৰিব?

৬.৫ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত থকা সাংবিধানিক সুবিধাসমূহ

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে পৰিৱেশৰ সুৰক্ষা কৰিবলৈ বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী সংস্থাসমূহে তেওঁলোকৰ সাধ্য অনুযায়ী প্ৰচেষ্টা চলাই আহিছে। তাৰোপৰি আমাৰ সংবিধানতো পৰিৱেশ সংৰক্ষণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে, সেইবাবে ইয়াৰ জৰিয়তে পৰিৱেশ সুৰক্ষাৰ কিছুমান অধিকাৰ জনসাধাৰণক প্ৰদান কৰা হৈছে। ইয়াত আমি পৰিৱেশ সংৰক্ষণ, সুৰক্ষাৰ লগতে পৰিৱেশৰ নিৰাপত্তা ৰক্ষাৰ বাবে থকা সাংবিধানিক সুবিধাসমূহৰ বিষয়ে আলোচনা কৰিম।

১৯৭৬ চনৰ ৪২ তম সংশোধনী আইন অনুসৰি সংবিধানে ৰাষ্ট্ৰনীতিৰ নিৰ্দেশনাত্মক নীতিৰ লগতে মৌলিক অধিকাৰো নিৰ্ধাৰণ কৰে য'ত পৰিৱেশ সুৰক্ষা আৰু উন্নয়ন সংবিধানত স্পষ্টভাৱে অন্তৰ্ভুক্ত কৰা হৈছিল। এইটো আপোনালোকে জনাটো গুৰুত্বপূৰ্ণ যে এই সংশোধনীয়ে সংবিধানৰ সপ্তম অনুসূচীত কিছুমান পৰিৱৰ্তন আনিছিল। 'বন' আৰু 'বন্যপ্ৰাণী' বিষয় দুটা ৰাষ্ট্ৰীয় তালিকাৰ পৰা সমৱৰ্তী সূচীলৈ পৰিৱৰ্তন কৰা হয় (কেন্দ্ৰ আৰু ৰাজ্যৰ যুটীয়া দায়িত্ব)। ই পৰিৱেশ সংৰক্ষণ ব্যৱস্থাটোক ৰাষ্ট্ৰীয় তালিকাত অন্তৰ্ভুক্ত কৰিছিল।

তলত নিৰ্দেশনাত্মক নীতি আৰু মৌলিক কৰ্তব্যৰ অধীনত পৰিৱেশ সুৰক্ষাৰ বাবে সাংবিধানিক সুবিধাবোৰ দাঙি ধৰা হ'ল—

১) অনুচ্ছেদৰ ৪৮ A ৰ মতে ঃ 'ৰাষ্ট্ৰই পৰিৱেশ সুৰক্ষা আৰু উন্নত কৰাৰ লগতে দেশৰ বনাঞ্চল আৰু বন্যপ্ৰাণীসমূহক সুৰক্ষিত ৰখাৰ বাবে চেষ্টা কৰিব লাগিব।'

২) অনুচ্ছেদ ৫১ A ৰ মতে ঃ 'বনাঞ্চল, হ্ৰদ, নদী আৰু বন্য প্ৰাণীকে ধৰি প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত আৰু উন্নত কৰা আৰু জীৱিত প্ৰাণীৰ প্ৰতি মনতা থকাটো ভাৰতৰ প্ৰতিজন নাগৰিকৰে কৰ্তব্য।'

৩) অনুচ্ছেদ নং ২৫ ত অনুসৰি ঃ 'এই অধ্যায়ৰ পূৰ্বৰ বিধানসমূহৰ যিকোনো কথা স্বত্ত্বেও আন কোনো দেশ বা দেশৰ সৈতে হোৱা কোনো সন্ধি, চুক্তি বা কোনো আন্তঃৰাষ্ট্ৰীয় সন্মিলন, সংঘ বা আন সংস্থাত লোৱা যিকোনো সিদ্ধান্ত কার্যকৰী কৰাৰ বাবে সমগ্ৰ ভাৰত ভূখণ্ডৰ বাবে বা যিকোনো অংশৰ বাবে যিকোনো আইন প্ৰণয়ন কৰাৰ অধিকাৰ সংসদৰ আছে।'

- ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় বাধ্যবাধকতাসমূহ কাৰ্যকৰী কৰা আইন প্ৰণয়নৰ লগতে আন্তঃৰাষ্ট্ৰীয় সন্মিলন, সংঘ বা অন্যান্য সংস্থাত লোৱা সিদ্ধান্তসমূহ।
- ১৯৮১ চনৰ বায়ু সুৰক্ষা আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন আৰু ১৯৮৬ চনৰ পৰিৱেশ সুৰক্ষা আইন প্ৰণয়ন কৰি তোলা।
- প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ সৈতে জড়িত সকলো বিষয়ত আইন প্ৰণয়ন কৰা। মৌলিক অধিকাৰ আৰু পৰিৱেশ সংৰক্ষণ ভাৰত চৰকাৰে পৰিৱেশ সুৰক্ষাৰ সৈতে সম্পৰ্ক থকা কিছুমান সংবিধানৰ দ্বাৰা স্বীকৃত মৌলিক অধিকাৰ নাগৰিকসকলক প্ৰদান কৰিছে। সেইবোৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

১) **স্বাস্থ্যকৰ পৰিৱেশৰ অধিকাৰ** (অনুচ্ছেদ ২১) 'কোনো ব্যক্তিয়ে নিজৰ জীৱনৰ পৰা বঞ্চিত নহ'ব বা আইনে স্থাপন কৰা পদ্ধতি অনুসৰি ব্যক্তিগত স্বাধীনতাৰ অস্তিত্ব ৰক্ষা কৰিব নোৱাৰিব।'

এই অনুচ্ছেদটোৱে পৰিৱেশৰ ভাৰসাম্যৰ প্ৰয়োজনীয়তা প্ৰদান কৰা পৰিৱেশৰ অধিকাৰকো সামৰি লৈছিল।

এই অনুসৰি আদালতে ৰাষ্ট্ৰ আৰু নাগৰিকত্বৰ সকলো কাৰ্যই পৰিৱেশৰ ভাৰসাম্য বিঘ্নিত কৰাত নিষেধাজ্ঞা আৰোপ কৰাৰ অধিকাৰ আছে।

২) **জীৱিকাৰ অধিকাৰ** (অনুচ্ছেদ ২১) ঃ 'এই অধিকাৰে সম্ভাৱনাপূৰ্ণভাৱে চৰকাৰৰ কাৰ্যকলাপক পৰিৱেশৰ প্ৰভাৱৰ সৈতেপৰীক্ষা কৰাৰ লগতে দৰিদ্ৰ লোকসকলক উপেক্ষা কৰি তেওঁলোকৰ জীৱন শৈলী বিঘ্নিত কৰাৰ ভাবুকি দিছিল।'

৩) **সমতাৰ অধিকাৰ** (অনুচ্ছেদ ১৪) ঃ 'ৰাষ্ট্ৰই কোনো ব্যক্তিক আইনৰ আগত সমতা বা আইনৰ সমান সুৰক্ষা অস্বীকাৰ কৰিব নেলাগে।'

এই অধিকাৰ চৰকাৰৰ সিদ্ধান্তৰ দ্বাৰাও উলংঘা হ'ব পাৰে যিয়ে পৰিৱেশৰ ওপৰত প্ৰভাব পেলায়।

৪) **বাণিজ্যিক স্বাধীনতাৰ অধিকাৰ** (অনুচ্ছেদ ১৯ (১) (৭) ঃ সকলো নাগৰিকৰ যিকোনো বৃত্তি চৰ্চা কৰা বা যিকোনো বৃত্তিৰ ব্যৱসায় চলোৱাৰ অধিকাৰ থাকিব। এই অধিকাৰ ভোগ কৰোতে, ব্যক্তিয়ে পৰিৱেশৰ আগ্ৰহৰ ভাৰসাম্য বজাই ৰখাৰ প্ৰয়োজন।



জানি থোৱা ভাল

১৯৭৮ চনৰ ৪২ তম সংশোধনী সংবিধানে ৰাষ্ট্ৰনীতিসমূহৰ লগতে মৌলিক অধিকাৰসমূহো নিৰ্ধাৰণ কৰে য'ত পৰিৱেশ সুৰক্ষা আৰু উন্নয়নক সংবিধানত স্পষ্টভাৱে অন্তৰ্ভুক্ত কৰা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ খালী ঠাই পূৰণ কৰক

(i) বায়ু প্রতিৰোধ আৰু প্রদূষণ নিয়ন্ত্রণ আইন ভাৰতীয় সংবিধানৰ ..... অনুচ্ছেদৰ অধীনত প্রণয়ন কৰা হৈছিল।

(ii) বন আৰু বন্যপ্রাণী বিষয়দুটা ৰাষ্ট্র তালিকাৰ পৰা ..... পৰিৱর্তন কৰা হয়।

(iii) স্বাস্থ্যকৰ পৰিৱেশৰ অধিকাৰ ..... অনুচ্ছেদত অন্তর্ভুক্ত কৰা হয়।

প্রশ্ন নং ৫ ঃ ২০০২ চনৰ জৈৱ বৈচিত্র্য আইনৰ প্রধান উদ্দেশ্য কি আছিল?

.....

.....

প্রশ্ন নং ৬ ঃ জল সংৰক্ষণৰ ক্ষেত্রত থকা আইনী সুবিধাবোৰ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৭ ঃ ভাৰতৰ ক'ত ৰাষ্ট্রীয় জৈৱ বৈচিত্র্য কর্তৃপক্ষ স্থাপিত হৈছিল?

.....

.....

প্রশ্ন নং ৮ ঃ পৰিৱেশ সৈতে জড়িত মৌলিক অধিকাৰসমূহ কি কি?

.....

.....

৬.৬ পৰিৱেশ সংৰক্ষণৰ ক্ষেত্রত ব্যক্তি আৰু সমাজৰ ভূমিকা

পৰিৱেশ সংৰক্ষণৰ আৰু সুৰক্ষা ক্ষেত্রত ব্যক্তিসকল হৈছে গুৰুত্বপূর্ণ মাধ্যম। পৰিৱেশৰ বেছিভাগেই পৰিৱেশৰ ওপৰত মানুহে কৰা কার্যৰ ফলত হয়। সেইবাবে, তেওঁলোকে পৰিৱেশ আৰু প্রকৃতি সংৰক্ষণৰ বিষয় আৰু উদ্বেগসমূহৰ প্রতি নিজকে অভিমুখী আৰু শিক্ষিত কৰা উচিত। প্রাকৃতিক আৰু পৰিৱেশৰ সম্পদ সংৰক্ষণৰ ক্ষেত্রত ভোক্তা হিচাবে ব্যক্তিৰ গুৰুত্বপূর্ণ ভূমিকা আছে। প্রাকৃতিক সংৰক্ষণ আৰু সুৰক্ষাৰ দিশত ব্যক্তিৰ অৱদানৰ ৰূপৰেখা তলত দাঙি ধৰা হ'ল।

- **জল সংৰক্ষণ ঃ**

  জল বা পানী হৈছে মানুহৰ বাবে জীৱন দায়িনী আৰু জীৱন ৰক্ষা কর্তা। দ্রুত উদ্যোগীকৰণ আৰু নগৰীকৰণে পানী প্রদূষণত গভীৰভাৱে প্রভাৱ পেলায়। খোৱা পানীৰ হকে বিহকে কৰা ব্যৱহাৰে নগৰ অঞ্চলত পানীৰ নাটনিৰ সৃষ্টি কৰে। ব্যক্তিৰ সচেতনতাৰ অভাৱ আৰু বেয়া অভ্যাসও পানী প্রদূষণৰ বাবে জগৰীয়া। সেইবাবে, এই ক্ষেত্রত ল'বলগীয়া

পদক্ষেপবোৰ তলত দাঙি ধৰা হ'ল।

- ধোৱা-পখলা, গা-ধোৱা আৰু ব্ৰাচ কৰা আদিৰ পিছত পানীৰ টেপ খোলা ৰাখিব নেলাগিব।
- পানী লিক হোৱাতো পৰীক্ষা কৰি তৎক্ষণাত মেৰামতি কৰিব লাগে।
- ঘৰত পানী সংৰক্ষণ কৰিবৰ বাবে পানীৰ টেপবোৰত পানী নিয়ন্ত্ৰণৰ বাবে পানীৰ টেপবোৰত পানী নিয়ন্ত্ৰণৰ বাবে আহিলা ল'ব লাগিব।
- বৰষুণৰ পানী সংগ্ৰহ ব্যৱস্থাটো গ্ৰহণ কৰিব লাগে। অন্য ভাষাত, বৰষুণৰ পানী সংৰক্ষণ ব্যৱস্থাক উৎসাহিত কৰিব লাগে।
- বাগিছাত পানী ব্যৱহাৰৰ সময়ত সতৰ্ক হ'ব লাগে।
- চাবোন থকা পানীবোৰ কাপোৰ ধুবৰ বাবে পুনৰ ব্যৱহাৰ কৰিব লাগে।

- **মাটি সংৰক্ষণ**

সকলো প্ৰকাৰৰ জৈৱিক বৃদ্ধি আৰু বিকাশ মাটিতহে সম্ভৱ হয়। সেইবাবে, প্ৰদূষণ আৰু অৱক্ষয় হোৱাৰ পৰা মাটি সংৰক্ষণ কৰাতো আমাৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব। কিন্তু, বৈজ্ঞানিক জ্ঞান আৰু অৰ্থৰ অভাৱৰ ফলত কৃষিৰ লগত জড়িত ব্যক্তিসকলৰ বাবে মাটি প্ৰদূষণ ৰোধ কৰাটো সমস্যাজনিত হৈ পৰে। এই ক্ষেত্ৰত ব্যক্তিসকলে ল'বলগীয়া ভূমিকা বিষয়ে তলত দাঙি ধৰা হ'ল—

- ব্যক্তিগত ঘৰ বনাওতে আমি গছবোৰ কাটিব নেলাগে।
- আমি বাগিছাত বিভিন্ন প্ৰকাৰৰ আলংকাৰিক আৰু ঔষধি গছ ৰোপন কৰিব লাগে আৰু খোলা ঠাইত ঘাঁহ গজিব দিব লাগে আৰু খোলা ঠাইত ঘাঁহ গজিব দিব লাগে যিয়ে মাটি সংৰক্ষণ কৰাৰ লগতে খহনীয়া ৰোধ কৰে।
- ৰাস্তাৰ কাষত ছাঁ-দিয়া গছৰোৱাৰ অভ্যাস আমি গঢ়ি তুলিব লাগে।
- কৃষি ক্ষেত্ৰত ৰাসায়নিক সাৰৰ ব্যৱহাৰৰ পৰিৱৰ্তে জৈৱিক সাৰ ব্যৱহাৰ কৰিব লাগে।
- কৃষিকাৰ্য কৰাৰ আগতে মাটি পৰীক্ষা কৰি ল'ব লাগে।

- **শক্তিৰ সংৰক্ষণ**

মানৱ সভ্যতা বিকাশৰ ক্ষেত্ৰত শক্তি হৈছে প্ৰধান সম্পদ। বৰ্তমানৰ বৃদ্ধি পোৱা বৃহৎ শক্তিৰ জনসংখ্যাৰ বেছিভাগ কাৰ্যকলাপৰ বাবে বৃহৎ শক্তিৰ প্ৰয়োজন হয়। সেইবাবে শক্তিৰ সংৰক্ষণ অতি আৱশ্যকীয় হৈ পৰিছে। ঘৰুৱা আৰু উদ্যোগিক উদ্দেশ্যত ব্যৱহাৰ কৰা শক্তিৰ পৰিমাণ হ্ৰাস কৰাৰ প্ৰয়াস বিশেষকৈ উন্নত দেশবোৰত দেখিবলৈ পোৱা যায়।

প্ৰত্যেকজন ব্যক্তিয়ে ঘৰৰ শক্তি সংৰক্ষণৰ ক্ষেত্ৰত ভাল অভ্যাস গঠন কৰি এনে সমস্যা হ্ৰাস কৰি আনিব পাৰে। এই ক্ষেত্ৰত ব্যক্তিয়ে ল'বলগীয়া ভূমিকা তলত দাঙি ধৰা হ'ল—

- যেতিয়া প্ৰয়োজন নেথাকে লাইট বা অন্য বৈদ্যুতিক বস্তুবোৰ বন্ধ ৰাখিব লাগে।
- প্ৰাকৃতিক সম্পদৰ পৰা উৎপন্ন হোৱা ভাপৰ শক্তি ব্যৱহাৰ কৰিব লাগে, যেনে সূৰ্যৰ তাপ আদি।
- একেবাৰে অপৰিহাৰ্য হ'লেহে উচ্চ ভলল্টেজ শক্তি ব্যৱহাৰ কৰিব লাগে।
- খাদ্য প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সৌৰ কুকাৰ ব্যৱহাৰ কৰি LPG ৰ খৰচ কমাব লাগে।
- গৰমৰ মাত্ৰা কমাবৰ বাবে ছাঁ দিয়া গছ ৰোপন কৰিব লাগে।
- শীতকালত গৰম কাপোৰ ব্যৱহাৰ কৰি এয়াৰ কণ্ডিচন ব্যৱহাৰ কমাব লাগে।

- **বন্য প্ৰাণী সংৰক্ষণ**

মানৱ আৰু জীৱজন্তুৰ পৃথিৱীৰ মাজত প্ৰাকৃতিক সমন্বয় আৰু পৰিৱেশগত ভাৰসাম্য প্ৰতিষ্ঠা কৰি লাগে। মানুহে জীৱ-জন্তু হত্যা কৰা বন্ধ কৰিব লাগে। বন্যপ্ৰাণী সংৰক্ষণ হৈছে ব্যক্তি আৰু সমাজৰ নৈতিক দায়িত্ব। জীৱ-জন্তুৰ প্ৰতি ব্যক্তিৰ দায়িত্ব সম্পৰ্কে তলত ডাঙি ধৰা হ'ল।

- মানুহে জীৱ-জন্তুৰ প্ৰতি নিজ আচৰণ আৰু মনোভাবৰ পৰিৱৰ্তন আনি তেওঁলোকক ভাল পাব লাগে।
- চোৰাং চিকাৰীৰ দ্বাৰা বন্য প্ৰাণী হত্যা অনৈতিক কাৰ্য হিচাবে আখ্যা দি শাস্তিৰ ব্যৱস্থা কৰিব লাগে।
- বন্যপ্ৰাণী হত্যাৰ সলনি, তেওঁলোকক জীৱিত অৱস্থাত ধৰি চিৰিয়াখানাত ৰাখিব লাগে।
- জীৱ-জন্তুৰ দেহৰ পৰা বিশেষকৈ ছালৰ পৰা বনোৱা বস্তু বাণিজ্যিকভাৱে বন্ধ কৰিব লাগে।

- **বনজ সম্পদৰ সংৰক্ষণ**

প্ৰকৃতিৰ বনজ সম্পদবোৰ হৈছে এখন দেশৰ অৰ্থনৈতিক বিকাশৰ বাবে এক অমূল্য সম্পদ। এইসমূহক দায়িত্বশীল মানুহৰ আচৰণৰ দ্বাৰা সুৰক্ষা আৰু সংৰক্ষণ কৰিব পাৰি। মানুহৰ উদ্যোগিক প্ৰয়োজনীয়তাসমূহ বনজ সম্পদবোৰে পূৰণ কৰিব পাৰে। সেইবোৰ সংৰক্ষণ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত, ব্যক্তি আৰু সমাজে পালন কৰিব লগা দায়িত্বশীল ভূমিকা সম্পৰ্কে তলত দাঙি ধৰা হ'ল।

- চৰকাৰৰ সাহায্যত বনাঞ্চলত গছপুলি ৰোপন কাৰ্যসূচী গ্ৰহণ কৰিব লাগে।
- বন্য সম্পদ সংৰক্ষণৰ ক্ষেত্ৰত ব্যক্তিগত আৰু সামূহিকভাৱে কঠোৰ সৰ্তকতা অৱলম্বন কৰিব লাগে।
- বনজ সম্পদ সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰে ধাৰ্য কৰা নীতি নিয়মৰ প্ৰতি ব্যক্তিসকল সজাগ হ'ব লাগে আৰু তেনে নিয়মবোৰ মানি চলিব লাগে।
- স্থানীয় সম্প্ৰদায়ৰ লোকসকল আৰু বন বিভাগৰ কৰ্মীসকলে সহযোগিতাৰে অসামাজিক উপাদানৰ পৰা বনজ সম্পদসমূহ সংৰক্ষণ কৰিব লাগে। সেইবিষয়ে

বন বিভাগে প্রশিক্ষণ দিব লাগে আৰু তেওঁলোকৰ উপযুক্ত আহিলা পাতি প্রদান কৰিব লাগে যাতে তেওঁলোকে বেআইনী চোৰাংচোৰা আৰু চোৰাংবেপাৰীবোৰক ধৰা পেলাব পাৰে।

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা কৰাৰ ক্ষেত্রত সমাজে এক উল্লেখযোগ্য ভূমিকা পালন কৰে। আমি নিজকে পৰিৱেশৰ এক অংশ হিচাবে বিবেচনা কৰাতো গুৰুত্বপূর্ণ আমি পৰিৱেশৰ উদ্ভিদজগত আৰু প্রাণীজগত উভয়ৰে যত্ন ল'ব লাগে কাৰ তেওঁলোকে সৌন্দর্যবর্দ্ধন কৰে আৰু আমাৰ বাবে উপকাৰীও হয়। সেইবাবে পৃথিৱীত বাস কৰা আমি সকলোৱে জীৱ-জন্তু আৰু গছ-গছনি বচাই ৰখাৰ বাবে চেষ্টা কৰিব লাগে। যদি আমি সাৱধানতাৰে আমাৰ চৌপাশৰ যত্ন লওঁ, তেতিয়া পৃথিৱী যেতিয়ালৈ থাকিব তেতিয়ালৈ আমাৰ পৰিৱেশো থাকিব।

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্রত সমাজে পালন কৰা গুৰুত্ব ভূমিকাৰ যথেষ্ট উদাহৰণ দেখিবলৈ পোৱা যায়, য'ত বিভিন্নধৰণৰ পদক্ষেপ অবলম্বন কৰি পৰিৱেশ সুৰক্ষা প্রাধান্য দিয়া হৈছে। ভাৰতৰ উত্তৰাখণ্ডৰ লোকসকলে সম্পদ সংৰক্ষণৰ বাবে চলোৱা 'চিপকো আন্দোলন' (Chipko Movement) হৈছে এক দুখীয়া লোকসকলৰ এক আসাধাৰণ আন্দোলন। হিন্দী ভাষাত 'চিপকো' ৰ অর্থ হৈছে সাবটি ধৰা (To hug), গছক বাহিৰত ৰখাত বাধা দিবলৈ মহিলাসকলে দৃঢ়তাৰে সাৱটি ধৰাৰ আন্দোলন হিচাবে আৰম্ভ কৰা হৈছিল। ই ৰাষ্ট্রীয় পর্যায়ৰ লগতে আন্তঃৰাষ্ট্রীয় পর্যায়তো যথেষ্ট সফলতা লাভ কৰিছিল। মেধা পাটকাৰৰ নেতৃত্বত চলা নর্মদা বচাও আন্দোলন হৈছে সম্পদ সংৰক্ষণত সমাজ আন্দোলনে ডাঙৰ ভূমিকা লোৱাৰ আন এক উজ্জ্বল উদাহৰণ।

এনেদৰে আমাৰ পৰিৱেশ উপযুক্তভাৱে সংৰক্ষণ আৰু সুৰক্ষা কৰি লোৱাৰ ক্ষেত্রত সমাজে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে পৃথিৱীত মানুহৰ বহনক্ষম উন্নয়ন আৰু অর্থপূর্ণ অস্তিত্বৰ বাবে।



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ অর্থ হৈছে সম্পদৰ পৰিকল্পনা আৰু পৰিচালনা, যাতে ইয়াৰ আৱর্জনাৰ ব্যৱহাৰ আৰু যোগানৰ ধাৰাবাহিকতা সুৰক্ষিত কৰাৰ লগতে ইয়াৰ মূল্য আৰু বৈচিত্র্যতা বজাই ৰখা আৰু বৃদ্ধি কৰা হয়।
- পৰিবেশ সংৰক্ষণ আৰু সুৰক্ষাৰ সাধাৰণ অর্থ হৈছে মাটি, বায়ু, পানী, খনিজ দ্রব্য আৰু অন্য প্রাকৃতিক সম্পদক সতর্কতাৰে ব্যৱহাৰ কৰা।
- 'হোৱাটিৰ মতে (Whyte)' পৰিৱেশ সংৰক্ষণক জৈৱমণ্ডলৰ মানৱজাতিকে ধৰি সকলো জীৱৰ সুবিধাৰ বাবে পৰিচালনা হিচাবে সংজ্ঞায়িত কৰা হৈছে যাতে ই বর্তমানৰ প্রজন্মৰ

বাবে বহনক্ষম সুবিধা প্রদান কৰিব পাৰে, যিয়ে ভৱিষ্যত প্রজন্মৰ প্রয়োজন আৰু আকাংক্ষা পূৰণৰ সম্ভাৱনা বজাই ৰাখে।'

- ৫ তাৰিখে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়।
- পৰিৱেশ সংৰক্ষণৰ প্রধান বৈশিষ্ট্য হৈছে ই অপ্রদূষণকাৰী নবীকৰণযোগ্য শক্তিৰ বিকাশত গুৰুত্ব আৰোপ কৰে। ইয়াৰ অর্থ হৈছে পৰিৱেশ সংৰক্ষণ বা সকলো সম্পদ বর্তমানৰ বাবেই কেৱল নহয়, ভৱিষ্যতৰ বাবেও প্রয়োজনীয়।
- পৰিৱেশ সংৰক্ষণৰ উদ্দেশ্য হৈছে - অত্যাৱশ্যকীয় পৰিৱেশ আৰু জীৱন সমর্থন ব্যৱস্থা ৰক্ষণাবেক্ষণ দিয়া, জৈৱ বৈচিত্র্য সংৰক্ষণ আৰু বহনক্ষম উন্নয়ন নিশ্চিত কৰা।
- সংৰক্ষণক প্রধানকৈ দুটা ভাগত ভগোৱা হয়- ইন চিটু সংৰক্ষণ (In situ conservation) আৰু (Ex-situ conservation) এক্স চিটু কনচাৰভেচন।
- ইন চিটু সংৰক্ষণ হৈছে বংশগত সম্পদসমূহৰ সংকলন, ইয়াৰ ৰক্ষণাবেক্ষণ প্রাকৃতিক বা মানৱ নির্মিত পৰিৱেশ ব্যৱস্থাৰ ভিতৰত থাকে।
- এই প্রকাৰৰ সংৰক্ষণ বাসস্থানৰ বাহিৰত কৰা হয় চিৰিয়াখানা, উদ্ভিদ উদ্যান, সাংস্কৃতিক সংগ্রহ আদিৰ দৰে অনুবংশিক সম্পদ কেন্দ্রত নমুনাৰ জনসংখ্যা স্থায়ী কৰি ৰখাৰ দ্বাৰা সংৰক্ষণ কৰা হয়।
- পৰিৱেশৰ ওপৰত প্রথমখন আন্তঃৰাষ্ট্রীয় সম্মিলনখন অনুষ্ঠিত হৈছিল চুইচৰ ৰাজধানী ষ্টকহ'মত ১৯৭১ চনত ৫ জুনত।
- ভাৰতবর্ষৰ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা ক্ষেত্রত থকা বিভিন্ন আইনগত সুবিধাবোৰ হৈছে- ১৯৭২ চনৰ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ৰাষ্ট্রীয় পৰিষদ, ১৯৭৪ চনৰ পানী প্রতিৰোধ আৰু প্রদূষণ নিয়ন্ত্রণ আইন, ১৯৮১ চনৰ বায়ু প্রতিৰোধ আৰু প্রদূষণ নিয়ন্ত্রণ আইন, ১৯৮৫ চনৰ MOE, ১৯৮৬ চনৰ পৰিৱেশ (সংৰক্ষণ আইন, ২০০০ চনৰ পৌৰসভা গোটা আৱর্জনা (পৰিচালনা আৰু নিয়ন্ত্রণ) নীতি, ২০০২ চনৰ শব্দ প্রদূষণ নীতি, ২০১০ চনৰ ৰাষ্ট্রীয় সেউজ ন্যায়াধিকৰণ, ২০১১ চনৰ ই আৱর্জনা/পৰিচালনা আৰু নিয়ন্ত্রণ নীতি, উপকূলীয় নিয়ন্ত্রণ অঞ্চলৰ ২০১১ চনৰ অধিসূচনা।
- পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ ক্ষেত্রত বিভিন্ন সাংবিধানিক সুবিধা আছে।
- ১৯৭৬ চনৰ ৪২ তম সংশোধনী আইন অনুসৰি সংবিধানে ৰাষ্ট্রনীতিৰ নির্দেশনাত্মক নীতিৰ লগতে মৌলিক অধিকাৰো নির্ধাৰণ কৰে য'ত পৰিৱেশ সুৰক্ষা আৰু উন্নয়ণ সংবিধানত স্পষ্টভাৱে অন্তর্ভূক্ত কৰা হৈছিল।
- 'বন' আৰু 'বন্যপ্রাণী' বিষয় দুটা ৰাষ্ট্রৰ তালিকাৰ সমৱর্তী সূচীলৈ পৰিৱর্তন কৰা হয়।
- বিভিন্ন অনুচ্ছেদসমূহ হৈছে- অনুচ্ছেদ ৪৮ অনুসৰি অনুচ্ছেদ ৫১ ক অনুসৰি আৰু অনুচ্ছেদ ২৫ ত অনুসৰি 'মৌলিক অধিকাৰ আৰু পৰিৱেশ সংৰক্ষণবোৰ হৈছে - স্বাস্থ্যকৰ পৰিৱেশৰ অধিকাৰ (অনুচ্ছেদ ২১), জীৱিকাৰ অধিকাৰ (অনুচ্ছেদ ২১), সমতাৰ অধিকাৰ (অনুচ্ছেদ ১৪), বাণিজ্যিক স্বাধীনতাৰ অধিকাৰ (অনুচ্ছেদ ১৯ (১) (g)।

- আমাৰ পৰিৱেশ উপযুক্তভাৱে সংৰক্ষণ আৰু সুৰক্ষা কৰি লোৱাৰ ক্ষেত্ৰত সমাজে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, পৃথিৱীত মানুহৰ বহনক্ষণ উন্নয়ন আৰু অৰ্থপূৰ্ণ অস্তিত্বৰ বাবে।



৬.৮ অধিক জানিবলৈ

১) Bhattacharya K, Bhattacharya, R & Sharma, S (2012). Environmental Education. Guwahati: Assam Book Depot.

২) Sharma P.D. (1990). Ecology and Environment. Meerut: Rastogi Publishers.

৩) Sharma R. A. (2010). Environmental Education. Meerut: R. Lall Book Depot.

৪) Sigh, S. and Dubey, A. (1989). Environment Management. Allahabad: Allahbad University.



৬.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ দ

২ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশৰ সংৰক্ষণ অত্যাৱশ্যকীয় পৰিৱেশ প্ৰক্ৰিয়া আৰু জীৱন সহায়ক ব্যৱস্থা বজাই ৰাখিবলৈ-

- জৈৱ বৈচিত্ৰ্য সংৰক্ষণ
- বহনক্ষম বিকাশ নিশ্চিত কৰিবলৈ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এইটোৱেই হৈছে বংশগত সম্পদৰ সংৰক্ষণ, ইয়াৰ ৰক্ষণাবেক্ষণ প্ৰাকৃতিক আনকি মানৱ নিৰ্মিত পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ উঃ

(i) অনুচ্ছেদ ২৫৩, ভাৰতীয় সংবিধানৰ নিৰ্দেশাত্মক নীতি

(ii) সমৱৰ্তীসূচী

(iii) ২১ নং অনুচ্ছেদ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ এই আইনখনৰ প্ৰধান উদ্দেশ্য হৈছে জৈৱ সম্পদ আৰু তাৰ লগত জড়িত জ্ঞান সংৰক্ষণ কৰা। ইয়াৰ উপৰিও ই বহনক্ষম উন্নয়নত ইয়াৰ সুবিধা প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৪ চনৰ জল প্ৰতিৰোধ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন, ২০০২ চনৰ জৈৱ বৈচিত্ৰ্য আইন ইত্যাদি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ চেন্নাইত

৮ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশৰ সৈতে জড়িত মৌলিক অধিকাৰবোৰ হৈছে—

১) **'স্বাস্থ্যকৰ পৰিৱেশৰ অধিকাৰ** (অনুচ্ছেদ ২১) কোনো ব্যক্তিয়ে নিজৰ জীৱনৰ পৰা বঞ্চিত নহ'ব বা আইনে স্থাপন কৰা পদ্ধতি অনুসৰি ব্যক্তিগত স্বাধীনতা ৰক্ষা কৰিব নোৱাৰে।'

২) **জীৱিকাৰ অধিকাৰ** (অনুচ্ছেদ ২১) 'এই অধিকাৰে সম্ভাৱনাপূৰ্ণভাৱে চৰকাৰৰ কাৰ্যকলাপক পৰিৱেশৰ প্ৰভাৱৰ সৈতে পৰীক্ষা কৰে যিয়ে দৰিদ্ৰলোকসকলক উপেক্ষা কৰি তেওঁলোকৰ জীৱন শৈলী বিঘ্নিত কৰি দিছিল।

৩) **সমতাৰ অধিকাৰ** (অনুচ্ছেদ ১৪) ঃ 'ৰাষ্ট্ৰই কোনো ব্যক্তিক আইনৰ আগত সমতা বা আইনৰ সমান সুৰক্ষা অস্বীকাৰ কৰিব নেলাগে।'

৪) **বাণিজ্যিক স্বাধীনতাৰ অধিকাৰ** (অনুচ্ছেদ ১৯ (১) (g) ঃ 'সকলো নাগৰিকৰ যিকোনো বৃত্তি চৰ্চা কৰাৰ বা যিকোনো বৃত্তিৰ ব্যৱসায় বা ব্যৱসায় চলোৱাৰ অধিকাৰ থাকিব। এই অধিকাৰ ভোগ কৰোতে, ব্যক্তিয়ে পৰিৱেশৰ আগ্ৰহৰ ভাৰসাম্য বজাই ৰখাৰ প্ৰয়োজন।'



৬.১০ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্নসমূহ ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণ বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ ৫ জুন তাৰিখটোক কিয় বিশ্ব পৰিৱেশ দিৱস হিচাবে পালন কৰা হয়? আপোনাৰ মতামত লিখক।

প্ৰশ্ন ৩ ঃ পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ ভাগবোৰ উদাহৰণসহ লিখক।

প্ৰশ্ন ৪ ঃ পৰিৱেশ সংৰক্ষণৰ দিশৰ পৰা ভাৰতবৰ্ষৰ সংবিধানৰ ৪২ তম সংশোধনী কিয় গুৰুত্বপূৰ্ণ?

খ) দীঘল প্ৰশ্নসমূহ ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ ভাৰত চৰকাৰে গ্ৰহণ কৰা পৰিৱেশ সংৰক্ষণৰ আইনগত সুবিধাবোৰ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ সাংবিধানিক সুবিধাসমূহ লিখক।

প্ৰশ্ন ৩ ঃ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত ব্যক্তি আৰু সমাজৰ ভূমিকা আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ পৰিৱেশ শিক্ষাৰ সংস্থাসমূহ

অধ্যায় গাঁথনি

৭.১ শিক্ষণৰ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ আনুষ্ঠানিক পৰিৱেশ শিক্ষাৰ সংস্থাসমূহ

৭.৪ অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ সংস্থাসমূহ

৭.৫ চৰকাৰী/ৰাষ্ট্ৰীয় পৰিৱেশ সংস্থা

৭.৫.১ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় (MoEFCC)

৭.৬ বেচৰকাৰী পৰিৱেশ সংস্থা

৭.৬.১ ৰাষ্ট্ৰীয় পৰ্যায়ৰ অলাভজনক প্ৰতিষ্ঠান/এন জি অ/অন্য সংস্থা

৭.৬.২ ৰাজ্যিক পৰ্যায়ৰ অলাভজনক প্ৰতিষ্ঠান/এন জি অ/অন্য সংস্থা

৭.৭ আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ সংস্থা

৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৯ অধিক জানিবলৈ

৭.১০ অগ্ৰগতিৰ খতিয়ান

৭.১১ আৰ্হি প্ৰশ্ন

৭.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আনুষ্ঠানিক আৰু অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ সংস্থাসমূহ চিনাক্ত কৰিব পাৰিব
- ভাৰতৰ চৰকাৰ বা ৰাষ্ট্ৰীয় পৰিৱেশ সংগঠনৰ কাৰ্যকলাপৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ভাৰতৰ কিছুমান সুপৰিচিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ এন জি অ'ৰ কাৰ্যকলাপৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব
- অসমৰ কিছুমান উল্লেখযোগ্য ৰাজ্যিক পৰ্যায়ৰ পৰিৱেশ সম্পৰ্কীয় বেচৰকাৰী সংস্থাৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব
- কিছুমান গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ সংস্থাৰ কাৰ্যকলাপৰ ওপৰত আলোকপাত কৰিবলৈ সক্ষম হ'ব

৭.২ পৰিচয়

'পৰিৱেশ শিক্ষা' শব্দটোৰ অৰ্থ বহল। এই শব্দটোৱে প্ৰাকৃতিক পৰিৱেশৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ সন্দৰ্ভত সাধাৰণ জনসাধাৰণক সংবেদনশীল আৰু জ্ঞান প্ৰদানৰ বাবে ব্যৱহাৰ

কৰা সকলো প্ৰচেষ্টা অন্তৰ্ভুক্ত কৰে, যাতে মানুহে নিজৰ চৌপাশৰ জগতখনক ভালদৰে বুজিব পাৰে আৰু পৃথিৱীখনক উন্নত ঠাই হিচাপে গঢ়ি তুলিবলৈ ইয়াৰ সঠিক যত্ন ল'ব পাৰে।

ইয়াৰ বাবে ছপা সামগ্ৰী, ৰেবছাইট, সংবাদ মাধ্যমৰ অভিযান আদিকে ধৰি বিভিন্ন আনুষ্ঠানিক আৰু অনানুষ্ঠানিক মাধ্যম ব্যৱহাৰ কৰা হয়।

এই সন্দৰ্ভত এই অধ্যায়ৰ ৫ নং ইউনিটত শিক্ষাৰ বিভিন্ন স্তৰত - প্ৰাথমিক, মাধ্যমিক, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত গুৰুত্বৰ সৈতে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক উভয় ধৰণৰ পৰিৱেশ শিক্ষাৰ বিভিন্ন কাৰ্যসূচীৰ ওপৰত ইতিমধ্যে গভীৰ আলোচনা কৰা হৈছে।

এই অধ্যায়ত আমি পৰিৱেশ সুৰক্ষা আৰু আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োটা উপায়েৰে ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ জনতাক শিক্ষা প্ৰদানৰ সৈতে জড়িত বিভিন্ন সংগঠন, যেনে, চৰকাৰী আৰু বেচৰকাৰী সংস্থা; আঞ্চলিক, ৰাষ্ট্ৰীয়, আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ বিষয়ে আলোচনা কৰিম ।

৭.৩ আনুষ্ঠানিক পৰিৱেশ শিক্ষাৰ সংস্থাসমূহ

আপোনালোকে জানে যে পৰিৱেশ শিক্ষা প্ৰাথমিক, মাধ্যমিক আৰু তৃতীয় পৰ্যায়ৰ শিক্ষাৰ এক অবিচ্ছেদ্য উপাদান হৈ পৰিছে। আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত পৰিৱেশ শিক্ষাৰ এই অন্তৰ্ভুক্তিয়ে সমাজৰ নৱপ্ৰজন্মক পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ লগত জড়িত বৈচিত্ৰ্যপূৰ্ণ বিষয়সমূহৰ সৈতে পৰিচয় কৰাই দি সমাজৰ সজাগতা সৃষ্টিৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে । (অনুগ্ৰহ কৰি এই পাঠ্যক্ৰমৰ অধ্যায়-৫ ঃ পৰিৱেশ শিক্ষাৰ কাৰ্যসূচী চাওক, য'ত বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত শিক্ষাৰ বিভিন্ন স্তৰত প্ৰদান কৰা পৰিৱেশ শিক্ষাৰ কাৰ্যসূচীসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে।)

বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, আৰু অন্যান্য পেছাদাৰী প্ৰতিষ্ঠানৰ দৰে আনুষ্ঠানিক শিক্ষানুষ্ঠানসমূহে সুনিৰ্দিষ্ট আৰু পদ্ধতিগত পাঠ্যক্ৰম অনুসৰণ কৰি আনুষ্ঠানিক পৰিৱেশ শিক্ষা প্ৰদান কৰে।

আনুষ্ঠানিক খণ্ডত পৰিৱেশ শিক্ষাৰ পাঠ্যক্ৰম শক্তিশালী কৰাৰ উদ্দেশ্যে ভাৰতৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে (পূৰ্বতে পৰিৱেশ আৰু বন মন্ত্ৰালয় বুলি কোৱা হৈছিল) মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয় (MHRD), ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (এন চি ই আৰ টি), বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি), সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ (এ আই চি টি ই), আৰু ৰাজ্যিক শিক্ষা বিভাগ আদিৰ সৈতে ঘনিষ্ঠভাৱে মত বিনিময় কৰি আহিছে আৰু ইয়াৰ দ্বাৰা পৰিৱেশ শিক্ষাৰ ধাৰণাটোক আনুষ্ঠানিক শিক্ষাৰ পাঠ্যক্ৰমত ফলপ্ৰসূভাৱে সংযুক্ত কৰাটো নিশ্চিত কৰা হৈছে।

বিদ্যালয় শিক্ষাৰ বিভিন্ন পৰ্যায়ৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিৱেশ শিক্ষাৰ সৈতে জড়িত পাঠ্যক্ৰম, পাঠ্যপুথি, পাঠদান-শিক্ষণ সামগ্ৰীৰ ডিজাইন আৰু বিকাশৰ ক্ষেত্ৰত নেচনেল কাউন্সিল ফৰ এডুকেচন ৰিচাৰ্চ এণ্ড ট্ৰেনিঙে (NCERT) গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ৰাজ্যিক

পর্যায়ত একেই কাম বিভিন্ন ৰাজ্যৰ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে (SCERT) কৰি আহিছে। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পর্যায়ত পৰিৱেশ শিক্ষা বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) ৰ দ্বাৰা নিয়ন্ত্রিত হৈ আছে। স্নাতকোত্তৰ পর্যায়ত পৰিৱেশ শিক্ষাৰ ক্ষেত্রসমূহৰ পৰামর্শ দিবলৈ এখন উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰা হৈছে।

মন কৰিবলগীয়া যে সমগ্র ভাৰতৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত পৰিৱেশ অধ্যয়নৰ প্রায় দুশ বিভাগ আছে। তেওঁলোকে পৰিৱেশ বিজ্ঞান আৰু অভিযান্ত্রিকীৰ সকলো দিশ সামৰি ডিগ্রী বা ডিপ্লমা প্রগ্রেম আগবঢ়ায়। ইয়াৰ উপৰিও পৰিৱেশ বিজ্ঞান বা পৰিৱেশ অধ্যয়নৰ বিভিন্ন ডিপ্লমা, স্নাতক ডিগ্রী, এম.এছ.চি., এম.ফিল. আৰু পি এইচ ডি. পাঠ্যক্রম ভাৰতত আছে। তদুপৰি, চিভিল ইঞ্জিনিয়াৰিং আৰু কেমিকেল ইঞ্জিনিয়াৰিং বিভাগে পৰিৱেশ শিক্ষাত এম.ই., এম.টেক, আৰু পৰিৱেশ অভিযান্ত্রিকত পি এইচ ডি আদি ডিগ্রী আগবঢ়ায়। পৰিৱেশ ব্যৱস্থাপনাৰ স্নাতকোত্তৰ ডিগ্রী কার্যসূচী আৰু পৰিৱেশ ৰসায়ন/জীৱবিজ্ঞান/ভূতত্ত্ব বা পৰিৱেশ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্রী লাভ কৰা পাঠ্যক্রমও উপলব্ধ। কেন্দ্রীয় চৰকাৰ, ৰাজ্য চৰকাৰ, আৰু চি এছ আই আৰ, আই চি এ আৰ, আৰু আইচিএমআৰ আদি সংস্থাই প্রতিষ্ঠা কৰা বৃহৎ সংখ্যক স্বায়ত্তশাসিত গৱেষণা আৰু উন্নয়ন (আৰ এণ্ড ডি) প্রতিষ্ঠানতো ডক্টৰেট পর্যায়ত পৰিৱেশ শিক্ষা উপলব্ধ। গতিকে, দেখা যায় যে ভাৰতত পৰিৱেশ বিজ্ঞান বা অভিযান্ত্রিক বিষয়ৰ আনুষ্ঠানিক শিক্ষা উচ্চতম পর্যায়লৈকে উপলব্ধ।

(উৎস ঃ https://lotusarise.com/environmental-education-in-india-upsc)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'পৰিৱেশ শিক্ষাৰ আনুষ্ঠানিক সংস্থা' শব্দটোৱে কি বুজায়?

প্রশ্ন নং ২ ঃ বিভিন্ন স্তৰত আনুষ্ঠানিক পৰিৱেশ শিক্ষাৰ পাঠ্যক্রম চোৱাচিতা কৰা মন্ত্রালয়ৰ নাম লিখক। ৰাষ্ট্রীয় পর্যায়ত বিদ্যালয় শিক্ষাৰ বিভিন্ন পর্যায়ৰ বাবে পৰিৱেশ শিক্ষাৰ পাঠ্যক্রমৰ সন্দর্ভত মন্ত্রালয়ে কি সংস্থাৰ সৈতে যোগাযোগ কৰে?

৭.৪ অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ সংস্থাসমূহ

পৰিৱেশ শিক্ষা কেৱল আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ অন্তর্গত ছাত্র-ছাত্রীৰ মাজতে সীমাবদ্ধ নহয়। ই এক আজীৱন প্রক্রিয়া যিটো মানৱ জাতিৰ কল্যাণ আৰু সমাজৰ উন্নয়নৰ বাবে অপৰিহার্য। সেয়েহে সম্প্রদায়সমূহৰ সামাজিক, অর্থনৈতিক, সাংস্কৃতিক উন্নয়নত অংশগ্রহণ কৰা সকলো বয়সৰ লোকৰ বাবে পৰিৱেশ শিক্ষাৰ পাঠ্যক্রম ৰচনা কৰা হৈছে। যিহেতু ভাৰতৰ পৰিৱেশ পৰিস্থিতি জলবায়ু, ভৌগোলিক, শিক্ষা, জাতিগত, সামাজিক আৰু অর্থনৈতিকভাৱে অতি বৈচিত্র্যময় প্রকৃতিৰ। সেয়েহে পৰিৱেশ শিক্ষাও মূলতঃ স্থান-নির্দিষ্ট হ'ব লাগে। সেইবাবেই বিভিন্ন সম্প্রদায়, প্রতিষ্ঠান আৰু ব্যক্তিয়ে তেওঁলোকৰ স্থানীয় প্রয়োজন আৰু সামর্থ্যৰ সৈতে সর্বোত্তমভাৱে

খাপ খোৱা পদ্ধতি বাছি লয়।

অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ সংস্থাসমূহৰ ভিতৰত বিভিন্ন সম্প্রদায়ভিত্তিক গোট, সেৱা সংস্থা, চৰকাৰী আৰু বেচৰকাৰী সংস্থা, ল'ৰা-ছোৱালীৰ ক্লাব, উদ্যান আৰু সংৰক্ষিত বনাঞ্চল, ৰাজ্যিক আৰু ৰাষ্ট্রীয় বনাঞ্চল, আৱাসিক কেন্দ্র, প্রকৃতি কেন্দ্র, চিৰিয়াখানা, সংগ্রহালয়, স্কাউটিং সংগঠন আদি আছে। এনে সকলো ধৰণৰ সংগঠন অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ লগত জড়িত।

পৰিৱেশৰ সংৰক্ষণ, সু�ৰক্ষা আৰু পৰিচালনাৰ লক্ষ্যৰে বিভিন্ন কার্য্যকলাপত সাধাৰণ জনসাধাৰণৰ অংশগ্রহণক উৎসাহিত কৰি পৰিৱেশ শিক্ষা, সজাগতা আৰু প্রশিক্ষণে বহনক্ষম উন্নয়ন সাধনত উল্লেখযোগ্য ভূমিকা পালন কৰে। সেই অনুসৰি অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ প্রসাৰৰ জৰিয়তে বিভিন্ন ধৰণৰ পৰম্পৰাগত আৰু আধুনিক যোগাযোগ মাধ্যম ব্যৱহাৰ কৰি সমাজৰ সকলো শ্রেণীৰ মাজত সজাগতা সৃষ্টিৰ বাবে মন্ত্রালয়ে সর্বোচ্চ অগ্রাধিকাৰ প্রদান কৰিছে। ৰাষ্ট্রীয় পৰিৱেশ সজাগতা অভিযান (এন ই এ চি), গ্রীণ ইণ্ডিয়া মিছন (জি আই এন) আদিৰ দৰে কার্যসূচীসমূহো পৰিবেশ শিক্ষাৰ অনানুষ্ঠানিক খণ্ডৰ অন্তর্গত।



জানি থোৱা ভাল

ৰাষ্ট্রীয় পর্যায়ত পৰিৱেশ সজাগতা সৃষ্টিৰ বাবে ১৯৮৬ চনত ৰাষ্ট্রীয় পৰিৱেশ সজাগতা অভিযান (এন ই এ চি) কার্যসূচী আৰম্ভ কৰা হৈছিল। ইয়াৰ পিছত ২০০১-০২ চনত সজাগতা অভিযানত এটা কার্য্য উপাদান (action component) প্রৱর্তন কৰা হয়। এই কার্যসূচী "কঠিন আৱর্জনা ব্যৱস্থাপনা", ইংৰাজীত "Solid Waste Management" শীর্ষক বিষয়বস্তুৰে গোটেই বছৰটো চলি থাকিল। এই অভিযানৰ উপ-বিষয়সমূহৰ ভিতৰত আছিল ঘৰুৱা আৱর্জনা আৰু কম্পোজিট বা ভাৰমি-কম্পোজিং, পৌৰসভাৰ আৱর্জনা, জৈৱ-চিকিৎসা আৱর্জনা প্লাষ্টিক আৱর্জনা, অধিক উচ্চতাত আৱর্জনা ব্যৱস্থাপনা, বৈদ্যুতিন বা ই-আৱর্জনা আৰু ফ্লেছকে ধৰি বিভিন্ন উদ্যোগিক আৱর্জনা।

অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ কার্য্যকলাপৰ অধীনত গ্রহণ কৰা আন কিছুমান গুৰুত্বপূর্ণ কাম হ'ল-

- শিক্ষাৰ অনানুষ্ঠানিক সংস্থাসমূহৰ জৰিয়তে পৰিৱেশ সজাগতা — চৰকাৰী আৰু বেচৰকাৰী দুয়োটা সংস্থাই আয়োজন কৰা বিশেষ অনুষ্ঠান, বক্তৃতা, ক্ষেত্র ভ্রমণ, আলোচনা চক্র, সাময়িকী, পোষ্টাৰ, ছবি আদিয়ে পৰিৱেশ সম্পর্কীয় কার্য্যৰ প্রয়োজনীয়তাৰ প্রতি সাধাৰণ জনতাক সংবেদনশীল কৰাৰ উদ্দেশ্য সাধন কৰে ।
- পৰিৱেশ সজাগতা আৰু সম্প্রসাৰণ কার্যসূচী - বিশ্ব পৰিৱেশ দিৱস, বিশ্ব বন দিৱস, বিশ্ব জলাশয় দিৱস, বন্যপ্রাণী সপ্তাহ, জৈৱ বৈচিত্র্য দিৱস, আৰু এনেধৰণৰ অন্যান্য দিন উদযাপনৰ বাবে ছাত্র-শিক্ষক, স্থানীয় বেচৰকাৰী সংস্থা আৰু অন্যান্য সম্প্রদায়ভিত্তিক

সংস্থাসমূহে বিভিন্ন কার্যসূচী আয়োজন কৰিব পাৰে। যেনে— অভিযান, সামূহিক মোবাইল শিক্ষা (community mobile theatre) আৰু সম্প্রসাৰণ কার্যসূচী, দৃশ্য/শ্রব্য কার্যসূচী, সংৰক্ষণ বার্তা থকা বিলবোর্ড, বাটৰ থিয়েটাৰ, ইত্যাদি। জৈৱ বৈচিত্র্যৰ গুৰুত্ব, ইয়াৰ সংৰক্ষণ আৰু বহনক্ষম ব্যৱহাৰৰ বিষয়ে তথ্য প্রচাৰৰ বাবে এনে কার্যসূচী ফলপ্রসূ বুলি প্রমাণিত হৈছে। এনে ধৰণৰ কার্যসূচীয়ে স্থানীয় জনসাধাৰণৰ মাজত পৰিৱেশ সজাগতা সৃষ্টি কৰাত সহায় কৰে।

- গণমাধ্যমৰ জৰিয়তে সজাগতা — বৈদ্যুতিন মাধ্যমকে ধৰি গণমাধ্যমে ইয়াৰ বহু-চেনেল সেৱাৰ জৰিয়তে পৰিৱেশ আৰু প্রাকৃতিক সম্পদ সংৰক্ষণৰ বিষয়ে মানুহক সচেতন কৰি তোলাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। (অনুগ্রহ কৰি পৰৱর্তী অধ্যায়টো চাওক, অর্থাৎ 'অধ্যায় ৮ ঃ পৰিৱেশ শিক্ষাৰ মাধ্যম, য'ত পৰিৱেশ সজাগতা আৰু শিক্ষাৰ বাবে বিভিন্ন মাধ্যমৰ ব্যৱহাৰৰ সম্পর্কে বিশদ আলোচনা কৰা হৈছে।)



জানি থোৱা ভাল

অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ বিষয়বস্তু

- প্রাপ্তবয়স্ক শিক্ষা ঃ প্রাপ্তবয়স্কসকলে আঞ্চলিক ভাষাত পোষ্টাৰ, স্লাইড, দৃশ্য-শ্রাব্য আৰু তথ্য ছবি সৃষ্টি কৰি সমাজৰ আন সদস্যসকলক বহুমূলীয়া পৰিৱেশসমূহ সুৰক্ষিত কৰিবলৈ প্রভাৱিত কৰিব পাৰে।
- জনজাতীয়/বনবাসী লোক ঃ বনাঞ্চলত বসবাস কৰা জনজাতীয় বা ব্যক্তিসকলে বনাঞ্চলৰ সম্পদ সুৰক্ষাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এনে ধৰণৰ স্থানীয় সম্প্রদায়ৰ নেতা, মহিলা আৰু যুৱক-যুৱতীসকলক জড়িত কৰি শিক্ষাৰ কার্যসূচী গ্রহণ কৰিব পাৰি।
- জনপ্রতিনিধি ঃ ভাৰতত সংসদৰ সদস্য আৰু বিধানসভাৰ সদস্যৰ দৰে জনপ্রতিনিধিৰ বাবে পৰিৱেশ মঞ্চ আছে, য'ত তেওঁলোকে দেশৰ সন্মুখীন হোৱা পৰিৱেশজনিত সমস্যাৰ বিষয়ে আলোচনা কৰিব পাৰে। তেওঁলোকে সুস্থ জনমত গঢ়ি তুলিব লাগে আৰু পৰিৱেশ বিষয়ৰ সন্দর্ভত জনস্বার্থক উদ্দীপিত কৰিব লাগে।
- প্রশিক্ষণ কার্যবাহী/প্রশাসনিক বিষয়া ঃ পৰিৱেশ সম্পর্কীয় প্রশিক্ষণ প্রদানৰ বাবে বিভিন্ন প্রতিষ্ঠান যেনে, পৰিৱেশ ব্যৱস্থাপনা, উদ্যোগ-নির্দিষ্ট পৰিৱেশ ব্যৱস্থাপনা আদিৰ দ্বাৰা নিয়মীয়া পাঠ্যক্রমৰ ব্যৱস্থা কৰিব লাগে।
- গৱেষণা আৰু উন্নয়ন কার্যসূচী ঃ এনে গৱেষণা আৰু উন্নয়ন প্রচেষ্টা "জৈৱমণ্ডল আৰু মানুহৰ পৰিৱেশ" (Department of Environment in Biosphere and Men) বিভাগে আয়োজন কৰে।

- ফাউণ্ডেশ্যন পাঠ্যক্রম ঃ আই এ এছ, আই এফ এছ, আই পি এছ, আৰু সশস্ত্র বাহিনীৰ তিনিটা শাখাৰ কেডেটৰ বাবে নিৰ্বাচিত পৰীক্ষামূলক পাঠ্যক্রমৰ পৰিপূৰক হিচাপে পৰিৱেশৰ ওপৰত এটা ফাউণ্ডেশ্যন পাঠ্যক্রম দিব লাগে। এই ফাউণ্ডেশ্যন পাঠ্যক্রম তেওঁলোকৰ বিশেষজ্ঞতাৰ ক্ষেত্রখনৰ সৈতে প্রাসংগিক হ'ব লাগে।
- উৎকৃষ্টতাৰ কেন্দ্র ঃ পৰিৱেশ বিভাগে দেশত দুটা উকৃষ্টতাৰ কেন্দ্র স্থাপন কৰিছে। এটা কেন্দ্র গ্রীষ্মমণ্ডলীয় পৰিৱেশ বিজ্ঞানৰ ক্ষেত্রত (বেংগালুৰুত) আৰু আনটো পৰিৱেশ শিক্ষাৰ ক্ষেত্রত (আহমেদাবাদত)। এই উৎকৃষ্টতা কেন্দ্রসমূহে জ্ঞান আৰু পদ্ধতি আৰু প্রশিক্ষণ সৃষ্টি কৰাত সহায় কৰে।
- শৈক্ষিক আৰু শিক্ষণ সামগ্রীৰ বিকাশ ঃ সংবাদ মাধ্যমৰ বাবে সামগ্রী (টি.ভি, ৰেডিঅ', চলচ্চিত্র, বাতৰি কাকত আদি), শ্রৱণ, ভ্রাম্যমাণ প্রদর্শনী, দৃশ্য-শ্রাব্য সামগ্রীসমূহ দক্ষ ব্যক্তিৰ দ্বাৰা ডিজাইন কৰিব লাগে। শৈক্ষিক আৰু পাঠদান সামগ্রীৰ বিকাশৰ এনে এটা কেন্দ্র হৈছে আহমেদাবাদৰ পৰিৱেশ শিক্ষা কেন্দ্র।
- বিশ্ব পৰিবেশ দিৱস উদযাপন ঃ ৰাজ্য চৰকাৰ, কেন্দ্রীয় শাসিত অঞ্চল, বিশ্ববিদ্যালয়, বিদ্যালয়, মহাবিদ্যালয়, শিক্ষানুষ্ঠান আৰু স্বেচ্ছাসেৱী সংগঠনসমূহে প্রতিবছৰৰ ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱসত বিভিন্ন পৰিৱেশ সম্পৰ্কীয় কার্যসূচীৰ আয়োজন কৰে। পৰিৱেশ বিভাগে কামবোৰক আর্থিকভাৱে সহায় কৰে।
- শিশুৰ বাবে আয়োজন কৰা পৰিৱেশ সম্পৰ্কীয় কার্যসূচী ঃ ভাৰতীয় ইউনাইটেড স্কুলছ অর্গেনাইজেশ্যনৰ সহায়ত শিক্ষা বিভাগে শিশুসকলৰ বাবে পৰিৱেশ সম্পৰ্কীয় বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে। নেচনেল মিউজিয়াম অৱ নেচাৰেল হিষ্ট্রী (NMNH) ৰ দ্বাৰা শিশুসকলৰ বাবে স্পট পেইন্টিং, মডেলিং আৰু পোষ্টাৰ ডিজাইন প্রতিযোগিতা আদিৰ আয়োজন কৰা হয়।
- পৰিৱেশ উন্নয়ন শিবিৰ ঃ এই শিবিৰসমূহে যুৱক-যুৱতীসকলক জড়িত কৰি সুস্থ গ্রাম্য উন্নয়নত সহায় কৰে। এই সন্দর্ভত ১৯৮৪ চনত পৰিৱেশ বিভাগে ছাত্র-ছাত্রী আৰু অন্যান্য যুৱক-যুৱতীসকলৰ মাজত সজাগতা সৃষ্টি আৰু বহনক্ষম উন্নয়নৰ অভ্যাসৰ সৈতে পৰিচিত কৰাৰ বাবে এক নির্দেশনাৰ গোট প্রস্তুত কৰিছিল।
- বেচৰকাৰী সংস্থা ঃ সমগ্র দেশতে বৃহৎ সংখ্যক বেচৰকাৰী সংস্থাই পৰিৱেশ বিষয়ৰ বিভিন্ন ক্ষেত্র সামৰি পৰিৱেশ শিক্ষাৰ কামত নিয়োজিত হৈ আছে। যেনে, সজাগতা বৃদ্ধি, প্রকৃতি সংৰক্ষণ, প্রদূষণ নিয়ন্ত্রণ, বনানীকৰণ আৰু সামাজিক বনজ ফুলনি আৰু প্রাণীজগত অধ্যয়ন, গ্রাম্য উন্নয়ন, বন্যপ্রাণী সংৰক্ষণ, আৱর্জনা ব্যৱহাৰ, পৰিৱেশ উন্নয়ন ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ সৈতে জড়িত কিছুমান সংস্থাৰ নাম উল্লেখ কৰক।

প্রশ্ন নং ৪ ঃ ভাৰত চৰকাৰে গ্রহণ কৰা এটা অনানুষ্ঠানিক পৰিৱেশ সজাগতা কার্যসূচীৰ নাম উল্লেখ কৰক।

৭.৫ চৰকাৰী বা ৰাষ্ট্রীয় পৰিৱেশ সংস্থাসমূহ

ভাৰতত পৰিৱেশ অধ্যয়নৰ লগত জড়িত অধিকাংশ চৰকাৰী সংস্থাক হয় পোনপটীয়াকৈ ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন মন্ত্রালয়ৰ প্রশাসনিক নিয়ন্ত্রণত ৰখা হয়, নহয় পৰোক্ষভাৱে মন্ত্রালয়ে সহায় কৰে। প্রথম অৱস্থাত পৰিবেশ বিভাগক কেন্দ্রীয় চৰকাৰৰ প্রশাসনিক গাঁথনিত পৰিৱেশ সম্পর্কীয় বিভিন্ন কার্যসূচীৰ পৰিকল্পনা, প্রচাৰ আৰু সমন্বয়ৰ কেন্দ্রবিন্দু হিচাপে কাম কৰিবলৈ ১৯৮০ চনত গঠন কৰা হৈছিল। এইটো পিছলৈ পৰিবেশ আৰু বন মন্ত্রালয়লৈ পৰিণত হৈছিল ১৯৮৫ চনত। ২০১৪ চনত পুনৰ মন্ত্রালয়ৰ নাম সলনি কৰি বর্তমানৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন মন্ত্রালয়ৰ উপাধি দিয়া হয়।

৭.৫.১ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন মন্ত্রালয় (MoEFCC)

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন মন্ত্রালয়ে কেন্দ্রীয় চৰকাৰৰ প্রশাসনিক গাঁথনিত ভাৰতৰ পৰিৱেশ আৰু বন নীতি আৰু কার্যসূচীৰ পৰিকল্পনা, প্রসাৰ, সমন্বয় আৰু ৰূপায়ণৰ তদাৰকীৰ বাবে ন'ডেল এজেন্সী হিচাপে কাম কৰে।

মন্ত্রালয়ৰ প্রধান লক্ষ্যসমূহ হ'ল-

- উদ্ভিদ, প্রাণী, বনাঞ্চল আৰু বন্যপ্রাণীৰ সংৰক্ষণ আৰু জৰীপ
- প্রদূষণ প্রতিৰোধ আৰু নিয়ন্ত্রণ
- অৱনতি ঘটা অঞ্চলৰ বনানীকৰণ আৰু পুনৰুৎপাদন
- পৰিৱেশ সুৰক্ষা আৰু...
- জীৱ-জন্তুৰ কল্যাণ নিশ্চিত কৰা

মন্ত্রালয়ৰ এই লক্ষ্যসমূহ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ লক্ষ্যৰে আইনগত আৰু নিয়ন্ত্রণমূলক ব্যৱস্থাৰ দ্বাৰা সুৰক্ষিত কৰা হৈছে।

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন মন্ত্রালয়ে ৰাষ্ট্রসংঘৰ পৰিৱেশ কার্যসূচী (UNEP), দক্ষিণ এছিয়া সমবায় পৰিৱেশ কার্যসূচী (SACEP), আন্তঃৰাষ্ট্রীয় সংহত পর্বত উন্নয়ন কেন্দ্র (ICIMOD)ৰ বাবে দেশৰ ন'ডেল সংস্থা হিচাপে কাম কৰে। ৰাষ্ট্রসংঘৰ পৰিৱেশ আৰু উন্নয়ন সন্মিলনৰ পৰামর্শ অনুসৰণৰ বাবেও মন্ত্রালয়টোৱে ন'ডেল এজেন্সী হিচাপে কাম কৰে।

বহনক্ষম উন্নয়ন আয়োগ (Commission on Sustainable Development or CSD), গ্ল'বেল এনভাইৰনমেণ্ট ফেচিলিটি (Global Environment Facility or GEF) আৰু ইকনমিক এণ্ড ছ'চিয়েল কাউন্সিল ফৰ এছিয়া এণ্ড পেচিফিক (Economic and Social Council for Asia and Pacific or ESCAP) আৰু

চাউথ এছিয়ান এছ'চিয়েশ্যন ফৰ ৰিজিঅ'নেল ক'অপাৰেচন (South Asian Association for Regional Co-operation or SAARC) ৰ দৰে আঞ্চলিক সংস্থাৰ সৈতে জড়িত পৰিৱেশগত বিষয়সমূহো মন্ত্রালয়ক অর্পণ কৰা হৈছে। সকলো ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চল সামৰি সমগ্র দেশতে মন্ত্রালয়ৰ ১৯টা আঞ্চলিক কার্যালয় আছে।

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন মন্ত্রালয়ৰ অধীনত থকা বিভিন্ন সংস্থাসমূহ তলত উল্লেখ কৰা হৈছে—

অধীনস্থ কার্যালয়সমূহ ঃ

১) ভাৰতৰ বন জৰীপ
২) ভাৰতৰ উদ্ভিদ জৰীপ
৩) ভাৰতৰ প্রাণীবিজ্ঞান জৰীপ
৪) ইন্দিৰা গান্ধী ৰাষ্ট্রীয় বন একাডেমী
৫) বন শিক্ষা সঞ্চালকালয়
৬) ৰাষ্ট্রীয় প্রাণীবিজ্ঞান উদ্যান
৭) নেচনেল মিউজিয়াম অৰ নেচাৰেল হিষ্ট্রী

স্বায়ত্তশাসিত সংস্থাসমূহ ঃ

১) গোবিন্দ বল্লভ পন্ত ৰাষ্ট্রীয় হিমালয়ান পৰিৱেশ প্রতিষ্ঠান
২) ভাৰতীয় বন গৱেষণা আৰু শিক্ষা পৰিষদ
৩) ভাৰতীয় বন ব্যৱস্থাপনা প্রতিষ্ঠান
৪) ভাৰতীয় প্লাইউড উদ্যোগৰ গৱেষণা আৰু প্রশিক্ষণ
৫) ভাৰতীয় বন্যপ্রাণী প্রতিষ্ঠান

কর্তৃপক্ষ/ন্যায়াধিকৰণ ঃ

১) কেন্দ্রীয় চিৰিয়াখানা কর্তৃপক্ষ
২) ৰাষ্ট্রীয় জৈৱ বৈচিত্র্য কর্তৃপক্ষ
৩) ৰাষ্ট্রীয় বাঘ সংৰক্ষণ কর্তৃপক্ষ
৪) ৰাষ্ট্রীয় সেউজ ন্যায়াধিকৰণ

বর্ডসমূহ ঃ

১) কেন্দ্রীয় প্রদূষণ নিয়ন্ত্রণ ব'র্ড
২) ৰাষ্ট্রীয় বনানীকৰণ আৰু পৰিৱেশ উন্নয়ন ব'র্ড

৩) ছ'চাইটি অৱ ইণ্টিগ্ৰেটেড ক'ষ্টেল মেনেজমেণ্ট

৪) বন্যপ্ৰাণী অপৰাধ নিয়ন্ত্ৰণ ব'ৰ্ড

ইনষ্টিটিউট / প্ৰতিষ্ঠান ঃ

ভাৰতৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অধীনত উপলব্ধ একমাত্ৰ প্ৰতিষ্ঠানটোৰ নাম হৈছে "National Center for Sustainable Coastal Management"। এই প্ৰতিষ্ঠানটোৰ দৃষ্টিভংগী (Vision) আৰু মিছন তলত উল্লেখ কৰা হৈছে ঃ

দৃষ্টিভংগী / Vision ঃ বৰ্তমান আৰু ভৱিষ্যত প্ৰজন্মৰ সুবিধা আৰু মংগলৰ বাবে বৰ্ধিত অংশীদাৰিত্ব, সংৰক্ষণ পদ্ধতি, বৈজ্ঞানিক গৱেষণা আৰু জ্ঞান ব্যৱস্থাপনাৰ জৰিয়তে বহনক্ষম উপকূলসমূহক প্ৰসাৰ কৰা।

মিছন আৰু ভূমিকা ঃ তলত উল্লেখ কৰা কাৰ্যকলাপসমূহৰ জৰিয়তে জীৱিকা সুৰক্ষা, বহনক্ষম উন্নয়ন আৰু বিপদ ব্যৱস্থাপনাৰ বাবে উপকূলীয় আৰু সাগৰীয় পৰিৱেশৰ সংহত ব্যৱস্থাপনাত সহায় কৰা —

- জ্ঞান বৃদ্ধি কৰি
- গৱেষণা আৰু পৰামৰ্শদাতা কাৰ্য্যকলাপৰ বাবে সমৰ্থন বৃদ্ধি কৰি
- অংশীদাৰিত্ব আৰু নেটৱৰ্ক বৃদ্ধি কৰি
- উপকূলীয় সম্প্ৰদায়ৰ আন্তঃপৃষ্ঠ বৃদ্ধি কৰি

৭.৫.২ অন্যান্য ৰাষ্ট্ৰীয় সংস্থাসমূহ

ভাৰত চৰকাৰৰ দ্বাৰা সৃষ্টি আৰু পুঁজিৰে পৰিৱেশ বিষয়ৰ লগত জড়িত আন কিছুমান গুৰুত্বপূৰ্ণ সংস্থা তলত উল্লেখ কৰা হৈছে ঃ

- উদ্যোগিক বিষবিজ্ঞান গৱেষণা কেন্দ্ৰ (Industrial Toxicology Research Centre or IRTC), লক্ষ্ণৌ
- ৰাষ্ট্ৰীয় পৰিৱেশ অভিযান্ত্ৰিক গৱেষণা প্ৰতিষ্ঠান (National Environmental Engineering Research Institute or NEERI), নাগপুৰ
- ৰাষ্ট্ৰীয় প্ৰাকৃতিক গৱেষণা ব্যৱস্থাপনা ব্যৱস্থা (National Natural Research Management System or NNRMS)
- জলাশয় সংৰক্ষণ আৰু ব্যৱস্থাপনা কেন্দ্ৰ (Centre for Wetland Conservation and Management CWCM)
- ভাৰতীয় কৃষি গৱেষণা পৰিষদ (ICAR) ৰ অধীনত ভাৰতীয় ঘাঁহনি আৰু খাদ্য গৱেষণা প্ৰতিষ্ঠান (IGFRI), ঝান্সী আৰু কেন্দ্ৰীয় মাটিৰ লৱণীয়তা গৱেষণা প্ৰতিষ্ঠান (CSSRI), কৰ্ণাটককে ধৰি বিভিন্ন গৱেষণা প্ৰতিষ্ঠান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ খালী ঠাই পূৰণ কৰক ঃ

i) ২০১৪ চনত পৰিৱেশ আৰু বন মন্ত্রালয়ৰ নাম সলনি কৰি বৰ্তমানৰ নাম ..... কৰা হয়।

ii) সমগ্র দেশতে সকলো ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চল সামৰি মন্ত্রালয়ৰ ..... আঞ্চলিক কার্যালয় আছে।

iii) ভাৰতৰ পৰিবেশ, বন আৰু জলবায়ু পৰিবর্তন মন্ত্রালয়ৰ অধীনত উপলব্ধ একমাত্র প্রতিষ্ঠানটোৰ নাম হৈছে .....।

iv) ইংৰাজীত NEERI ৰ সম্পূর্ণ ৰূপটো হ'ল .....।

৭.৬ বেচৰকাৰী সংস্থাসমূহ

বেচৰকাৰী সংস্থাসমূহে (NGO) পৰিৱেশ শিক্ষাৰ ফলপ্রসূতাত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ভাৰতৰ দৰে এখন বিশাল দেশত পৰিৱেশ সম্পর্কীয় সমস্যাসমূহ অকলে সমাধান কৰাটো চৰকাৰী সংস্থাসমূহৰ বাবে এক অতি প্রত্যাহ্বানমূলক কাম। তদুপৰি ভাৰতৰ দৰে গণতান্ত্রিক দেশত মানুহক পতিয়ন নিয়াব পৰাৰ অন্যতম ফলপ্রসূ উপায় হ'ল তেওঁলোকক তেওঁলোকৰ কার্য্যৰ প্রতি সচেতন আৰু দায়বদ্ধ কৰা। কিন্তু দেশৰ জনসংখ্যাৰ এক বুজন অংশ এতিয়াও আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ বাহিৰত থকাৰ বাবে আনুষ্ঠানিক শিক্ষাৰ জৰিয়তে মানুহক পৰিৱেশ বিষয়ত সজাগ কৰাটো অসুবিধাজনক। আনহাতে, বেচৰকাৰী সংগঠনসমূহ সাধাৰণ জনসাধাৰণৰ সৈতে প্রত্যক্ষ সংস্পর্শত থাকে। এই সংস্থাসমূহৰ হাতত সাধাৰণ জনতাক বুজাবলৈ, বিভিন্ন উপায়েৰে শিক্ষিত কৰিবলৈ আৰু তাৰ দ্বাৰা পৰিৱেশ সুৰক্ষাত সহায় কৰাৰ বহুত উপায় আছে। তদুপৰি, বেচৰকাৰী সংস্থাসমূহে স্থানীয় পৰিৱেশৰ সমস্যাসমূহৰ বিষয়ে সংশ্লিষ্ট বিভাগসমূহক অৱগত কৰি স্থানীয় সম্প্রদায় আৰু চৰকাৰী সংস্থাসমূহৰ মাজত সংযোগী হিচাপেও কাম কৰিব পাৰে।

পৰিৱেশ সমস্যাৰ বিষয়ে মানুহক সচেতন কৰিবলৈ বিভিন্ন পর্যায়ত অর্থাৎ, আন্তঃৰাষ্ট্রীয়, ৰাষ্ট্রীয়, ৰাজ্যিক, আৰু স্থানীয় পর্যায়ত বহুতো বেচৰকাৰী সংগঠনসমূহে কাম কৰি আছে।

৭.৬.১ ৰাষ্ট্রীয় পর্যায়ৰ অলাভজনক প্রতিষ্ঠান/বেচৰকাৰী সংস্থা/অন্যান্য সংস্থা

- **পৰিৱেশ শিক্ষা কেন্দ্র** (Centre for Environmental Education or CEE) ঃ ১৯৮৪ চনত পৰিৱেশ শিক্ষা কেন্দ্র স্থাপন কৰা হৈছিল। পৰিৱেশ শিক্ষা কেন্দ্রৰ মুখ্য কার্যালয় আহমেদাবাদত অৱস্থিত, আৰু সমগ্র দেশতে ইয়াৰ শাখা কার্যালয় আছে। পৰিৱেশ শিক্ষা কেন্দ্রৰ মূল লক্ষ্য হৈছে জনগোষ্ঠীসমূহৰ মাজত পৰিৱেশ সজাগতা সৃষ্টি কৰা। এই কেন্দ্রসমূহে অতি বিশাল নেটৱর্কৰ জৰিয়তে ব্যাপক

হাৰত পৰিৱেশ শিক্ষা আৰু প্ৰশিক্ষণ কাৰ্যসূচী পৰিচালনা কৰে। জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিৱেশ উন্নয়নৰ সৈতে জড়িত প্ৰকল্পও গ্ৰহণ কৰে।

- **বম্বে নেচাৰেল হিষ্ট্ৰী ছ'চাইটি** (BNHS) ঃ বম্বে নেচাৰেল হিষ্ট্ৰী ছ'চাইটিয়ে ১৮৮৩ চনৰ ছেপ্টেম্বৰ মাহত মুম্বাইত কাম আৰম্ভ কৰে। বক্তৃতা, ক্ষেত্ৰ ভ্ৰমণ, সাহিত্য আৰু অভিযানৰ জৰিয়তে উদ্ভিদ আৰু প্ৰাণীজগতৰ জ্ঞান প্ৰচাৰ কৰাটোৱেই এই সংস্থাৰ মূল লক্ষ্য। এই সংস্থাটোৱে চৰাইৰ প্ৰব্ৰজনৰ ওপৰত ক্ষেত্ৰভিত্তিক গৱেষণা প্ৰকল্প, ভাৰতীয় পক্ষীপ্ৰাণী, কিছুমান বিপন্ন প্ৰজাতিৰ বন্যপ্ৰাণীৰ গতিবিধি আৰু জনসংখ্যাৰ গঠনৰ ওপৰত অধ্যয়ন চলায়। সংস্থাটোৱে স্থানীয় আৰু বহিঃৰাজ্যৰ সমকক্ষ সংস্থাসমূহৰ সৈতে মিলি চৰাই, সৰীসৃপ, স্তন্যপায়ী প্ৰাণী আদিৰ ওপৰত বহুতো প্ৰকল্প হাতত লৈছে।
- **শক্তি আৰু সম্পদ প্ৰতিষ্ঠান** (The Energy and Resources Institute or TERI) ঃ TERI হৈছে ১৯৭৪ চনত স্থাপিত এক স্বতন্ত্ৰ অলাভজনক গৱেষণা প্ৰতিষ্ঠান। ইয়াৰ লক্ষ্য হৈছে প্ৰাকৃতিক সম্পদৰ দক্ষ আৰু বহনক্ষম ব্যৱহাৰৰ বাবে প্ৰযুক্তি, নীতি আৰু প্ৰতিষ্ঠান বিকশিত আৰু প্ৰসাৰ কৰা। এই প্ৰতিষ্ঠানটোৱে প্ৰকল্প, কৰ্মশালা, দৃশ্য-শ্ৰাব্য সামগ্ৰী আৰু কুইজ প্ৰতিযোগিতা আদিৰ জৰিয়তে পৰিৱেশ শিক্ষা প্ৰদান কৰি আহিছে। জৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰতো টেৰিৰ এটা ডাঙৰ প্ৰকল্প আছে। ইয়াৰ প্ৰয়োগ জৈৱবস্তু উৎপাদন বৃদ্ধি কৰিবলৈ, আৱৰ্জনাক উপযোগী সামগ্ৰীলৈ ৰূপান্তৰিত কৰিবলৈ আৰু কেইবাটাও অৰ্থনৈতিক কাৰ্য্যকলাপৰ ক্ষতিকাৰক পৰিৱেশৰ প্ৰভাৱ কম কৰিবলৈ কৰা হৈছে।
- **উন্নয়ন বিকল্প গোট** (Development Alternatives group or DAG) ঃ উন্নয়ন বিকল্প গোট বহনক্ষম উন্নয়নৰ বাবে গৱেষণা আৰু কাৰ্য্যত নিয়োজিত এক অলাভজনক সংস্থা। ১৯৮৩ চনত ইয়াক স্থাপন কৰা হৈছিল। উন্নয়ন বিকল্প গোটৰ কাৰ্য্যকলাপে ব্যাপকভাৱে যিকোনো ধৰণৰ বহনক্ষম উন্নয়ন প্ৰক্ৰিয়াৰ অন্তৰ্নিহিত তিনিটা প্ৰাথমিক ক্ষেত্ৰ সামৰি লৈছে; সেইবোৰ হ'ল ঃ উপযুক্ত প্ৰযুক্তিৰ ডিজাইন আৰু বৃহৎ পৰিসৰৰ প্ৰচাৰ, পৰিৱেশ ব্যৱস্থাপনা ব্যৱস্থা আৰু ফলপ্ৰসূ জনমুখী প্ৰতিষ্ঠান আৰু নীতি। উন্নয়ন বিকল্প গোটৰ লক্ষ্য হৈছে বহনক্ষম ৰাষ্ট্ৰীয় উন্নয়নক প্ৰসাৰ কৰা।
- **চি পি আৰ পৰিৱেশ শিক্ষা কেন্দ্ৰ (চি.পি. ৰামাস্বামী আয়ৰ ফাউণ্ডেশ্যন)** ঃ চি পি আৰ পৰিৱেশ শিক্ষা কেন্দ্ৰ চেন্নাইত অৱস্থিত। ইয়াৰ লক্ষ্য হৈছে - পৰিৱেশ সজাগতা বৃদ্ধি কৰা, পৰিৱেশৰ ওপৰত মৌলিক শিক্ষামূলক আৰু ৰেফাৰেন্স সামগ্ৰী উৎপাদন আৰু প্ৰচাৰ কৰা আৰু পৰিৱেশ প্ৰকল্প গ্ৰহণ কৰা। কেন্দ্ৰটোৱে পৰিৱেশ আইন, পৰিৱেশ প্ৰভাৱ আৰু ব্যৱস্থাপনা অধ্যয়নৰ ওপৰত নিৰ্দেশনা দিয়ে।

- **ভানৰাই** (Vanrai) ঃ ভানৰাই পুনেত অৱস্থিত। ১৯৮২ চনত ইয়াক প্ৰথমবাৰৰ বাবে স্থাপন কৰা হৈছিল পৰিৱেশ সুৰক্ষা, বনানীকৰণ আৰু বহনক্ষম সংহত গ্ৰাম্য উন্নয়নৰ প্ৰসাৰৰ বাবে। এই সংগঠনৰ কাম-কাজ মহাৰাষ্ট্ৰ, গুজৰাট আৰু ৰাজস্থান ৰাজ্যত সম্পন্ন কৰা হয়। সংগঠনটোৱে স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ পৰিৱেশ শিক্ষাৰ ক্ষেত্ৰত কাম কৰি ইক'-ক্লাব গঠনত সহায় কৰিছে।
- **বিজ্ঞান আৰু পৰিৱেশ কেন্দ্ৰ** (Centre for Science and Environment or CSE) ঃ বিজ্ঞান আৰু পৰিৱেশ কেন্দ্ৰ নতুন দিল্লীত অৱস্থিত। ১৯৮০ চনত এই কেন্দ্ৰটো বিজ্ঞান, প্ৰযুক্তি, পৰিৱেশ আৰু উন্নয়নৰ ওপৰত জনসচেতনতা বৃদ্ধি কৰাৰ লক্ষ্যৰে এটা স্বতন্ত্ৰ জনস্বাৰ্থ সংস্থা হিচাপে প্ৰতিষ্ঠা কৰা হৈছিল। জনসাধাৰণ আৰু সম্প্ৰদায়ে নিজেই ৰূপায়ণ কৰিব পৰা সমাধান বিচাৰি কেন্দ্ৰটোৱে সক্ৰিয়ভাৱে জড়িত হৈ পৰিছে। ই ভাৰতক নিজৰ সমস্যাৰ সন্মুখীন হ'বলৈ প্ৰত্যাহ্বান জনাই আহিছে, পদক্ষেপ ল'বলৈ প্ৰেৰণা দি আহিছে, আৰু চৰকাৰক জনসাধাৰণ আৰু জনগোষ্ঠীসমূহে নিজাববীয়াকৈ কাম কৰিব পৰাকৈ কাঠামো সৃষ্টি কৰিবলৈ বাধ্য কৰাই আহিছে।
- **কল্পবৃক্ষ** (Kalpavriksh) ঃ ১৯৭৯ চনত আৰম্ভ হোৱা এটা স্বেচ্ছাসেৱী গোট যিয়ে পৰিৱেশ শিক্ষা, গৱেষণা, অভিযান আৰু প্ৰত্যক্ষ কাৰ্য্যৰ ওপৰত কাম কৰি আহিছে। কল্পবৃক্ষৰ মতে পৰিৱেশগত বহনক্ষমতা আৰু সামাজিক সমতা নিশ্চিত হ'লেহে এখন দেশ অৰ্থপূৰ্ণভাৱে বিকশিত হ'ব পাৰে। সেইবাবেই ইয়াৰ কাৰ্য্যকলাপসমূহ জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ নিশ্চিত কৰা, উন্নয়নৰ বৰ্তমানৰ ধ্বংসাত্মক পথক প্ৰত্যাহ্বান জনোৱা, জীৱিকা আৰু উন্নয়নৰ বিকল্প ৰূপৰ সন্ধানত সহায় কৰা, স্থানীয় লোকসকলক নিজৰ প্ৰাকৃতিক সম্পদ পৰিচালনা কৰিবলৈ নিজকে শক্তিশালী কৰাত সহায় কৰা, আৰু প্ৰকৃতিৰ সৈতে একতাৰ ভাৱনাক পুনৰ সজীৱ কৰি তোলা।
- **ৱৰ্ল্ড ৱাইড ফাণ্ড ফৰ নেচাৰ, ইণ্ডিয়া** (World Wide Fund for Nature or WWF, India) ঃ এই সংস্থাটো ১৯৬৯ চনৰ ২৭ নৱেম্বৰত চেৰিটেবল ট্ৰাষ্ট হিচাপে প্ৰতিষ্ঠা কৰা হৈছিল। পৃথিৱীৰ প্ৰাকৃতিক পৰিৱেশৰ অৱক্ষয় হ্ৰাস কৰা আৰু মানুহে প্ৰকৃতিৰ সৈতে মিলাপ্ৰীতিৰে জীয়াই থাকিব পৰা এটা ভৱিষ্যত গঢ়ি তোলাৰ লক্ষ্যৰে এই সংস্থাটো গঠন কৰা হৈছিল। এই সংস্থাটোৱে ১৯৮৭ চনত ৱৰ্ল্ড ৱাইল্ড লাইফ ফাণ্ডৰ (world wild life fund) পৰা ৱৰ্ল্ড ৱাইড ফাণ্ড ফৰ নেচাৰ, ইণ্ডিয়া (world wide fund for nature, India) লৈ নাম সলনি কৰে। এই সংস্থাটোৱে ক্ষেত্ৰ প্ৰকল্প, পৰামৰ্শ, গৱেষণা আৰু অন্যান্য সংস্থাসমূহক সহায় সহযোগিতাকে ধৰি জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰি আহিছে। ইয়াৰ উপৰিও সংস্থাটোৱে বন ব্যৱস্থাপনা, বন্যপ্ৰাণীৰ বাণিজ্য নিৰীক্ষণ, বাঘ সংৰক্ষণ কাৰ্যসূচী, বিশুদ্ধ পানী আৰু জলাশয় কাৰ্যসূচী, নদী ডলফিন সংৰক্ষণ

কার্যসূচী আৰু পৰিৱেশ শিক্ষা আৰু সজাগতাৰ ক্ষেত্ৰত কাম কৰি আহিছে। সময়ৰ লগে লগে দেশখনে সন্মুখীন হোৱা বিভিন্ন সংৰক্ষণ বিষয়সমূহৰ বিষয়ে অধিক সামগ্ৰিক বুজাবুজি প্ৰতিফলিত কৰিবলৈ সংস্থাটোৰ দৃষ্টিভংগী বহল কৰা হৈছে। সংস্থাটোৱে অন্যান্য বিভিন্ন সংস্থা, যেনে, চৰকাৰী আৰু বেচৰকাৰী সংস্থা, বিদ্যালয়, কলেজ, কৰ্পৰেট, ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য ব্যক্তিৰ সৈতে কাম কৰি পৰিৱেশ সংৰক্ষণক সামগ্ৰিকভাৱে উৎসাহিত কৰিব বিচাৰে।

৭.৬.২ ৰাজ্যিক পৰ্যায়ৰ অলাভজনক প্ৰতিষ্ঠান/ বেচৰকাৰী সংস্থা/অন্যান্য সংস্থা

- **অসম বিজ্ঞান সমিতি** (Assam Science Society or ASS) ঃ ১৯৫৩ চনত "গৌহাটী বিজ্ঞান সমিতি" নামেৰে এটা স্বেচ্ছাসেৱী সংগঠন প্ৰতিষ্ঠা কৰা হয়। পৰৱৰ্তী সময়ত সমগ্ৰ অসম ৰাজ্যখনকে সামৰি লোৱাৰ উদ্দেশ্যে ১৯৫৬ চনত ইয়াৰ নাম সলনি কৰি "অসম বিজ্ঞান সমাজ" ৰখা হয়। অসম বিজ্ঞান সমিতি (ASS). ১৯৫৩ চনত "গৌহাটী বিজ্ঞান সমিতি" নামেৰে এটা স্বেচ্ছাসেৱী সংগঠন প্ৰতিষ্ঠা কৰা হয়। পৰৱৰ্তী সময়ত সমগ্ৰ অসম ৰাজ্যখনকে সামৰি লোৱাৰ উদ্দেশ্যে ১৯৫৬ চনত ইয়াৰ নাম সলনি কৰি "অসম বিজ্ঞান সমাজ" ৰখা হয়। অসমীয়া ভাষাত বিভিন্ন ধৰণৰ সাহিত্য প্ৰকাশ, কৰ্মশালা, জনপ্ৰিয় বক্তৃতা, আলোচনা চক্ৰ, প্ৰদৰ্শনী, চিম্পোজিয়াম, প্ৰতিভা অনুসন্ধান প্ৰতিযোগিতা আদিৰ আয়োজন কৰি সমগ্ৰ ৰাজ্যতে বিজ্ঞান আৰু গণিতৰ জনপ্ৰিয়তাৰ বাবে কাম কৰাৰ উপৰিও অসম বিজ্ঞান সমিতিয়ে শিবিৰ আয়োজনৰ জৰিয়তে শিক্ষক আৰু ছাত্ৰ উভয়কে পৰিৱেশ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদান কৰে আৰু পৰিৱেশৰ ওপৰত জৰীপ চলায়।
- **কাজিৰঙা বন্যপ্ৰাণী সমাজ** (Kaziranga Wildlife Society or KWS) ঃ এইটো এটা প্ৰকৃতি সংৰক্ষণ সংস্থা। ১৯৬৯ চনত ডঃ ৰবিন বেনার্জীক প্ৰতিষ্ঠাপক সভাপতি হিচাপে লৈ সংস্থাটো প্ৰতিষ্ঠা কৰা হৈছিল। এই সংস্থাই কেৱল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানতে নহয়, সমগ্ৰ উত্তৰ ভাৰততে বন্যপ্ৰাণী আৰু ইয়াৰ বাসস্থানৰ সুৰক্ষা, সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে কাম কৰে।
- **নেচাৰ'ছ বেকন** (Nature's Bacon) ঃ এইটো হৈছে ১৯৮২ চনত সৌম্যদ্বীপ দত্ত ডাঙৰীয়াই প্ৰতিষ্ঠা কৰা এটা পৰিৱেশ কৰ্মী সংগঠন। শ্ৰী দত্ত অশোক ফেল'শ্বিপৰ প্ৰাপক আছিল। ১৯৯১ চনত ভাৰতীয় সমিতিৰ পঞ্জীয়ন আইনৰ অধীনত এই সংস্থাটো পঞ্জীয়ন কৰা হৈছিল। সংগঠনটোৰ মুখ্য কার্যালয় অসমৰ ধুবুৰীত অৱস্থিত। বন্যপ্ৰাণী সংৰক্ষণৰ বাবে কাম কৰাৰ উপৰিও পৰিৱেশ সজাগতা আৰু শিক্ষা, বৈজ্ঞানিক গৱেষণা আৰু নথিপত্ৰ আৰু অঞ্চলটোৰ গ্ৰাম্য জনসাধাৰণৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰতো সংস্থাটোৱে কাম কৰি আহিছে।

অশোক ফেলো

অশোক ফেলো হ'ল এনে এজন ব্যক্তি যিয়ে একে নামৰ আন্তঃৰাষ্ট্ৰীয় সংস্থা অর্থাৎ অশোক (ব্ৰেণ্ডেড অশোকা ঃ জনসাধাৰণৰ বাবে উদ্ভাৱক) দ্বাৰা বিশ্বৰ অন্যতম আগশাৰীৰ সামাজিক উদ্যোগী আৰু পৰিৱৰ্তনকাৰী হিচাপে স্বীকৃতি লাভ কৰিছে। সৌম্যদীপ দত্ত ডাঙৰীয়াই ১৯৯৯ চনত আন্তঃৰাষ্ট্ৰীয় অশোক ফেল'শ্বিপেৰে সন্মানিত হৈছিল।

- **উত্তৰ-পূবৰ পৰিৱেশ শিক্ষা কেন্দ্ৰ** (Centre for Environment Education, North East or CEE, NE) ঃ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ শিক্ষা কেন্দ্ৰ গুৱাহাটীৰ চেনিকুঠীত অৱস্থিত। এইটো ১৯৮৪ চনত 'নেহৰু ফাউণ্ডেশ্যন ফৰ ডেভেলপমেণ্ট'ৰ তত্বাৱধানত স্থাপন কৰা আহমেদাবাদৰ পৰিৱেশ শিক্ষা কেন্দ্ৰৰ এটা আঞ্চলিক শাখা। সেই একে সময়তে পৰিৱেশ আৰু বন মন্ত্ৰালয় (MoEF) বলবৎ হয়। এই মন্ত্ৰালয়টো অধিক কার্য্য আৰু নীতিমুখী আছিল। গতিকে, পৰিৱেশৰ শৈক্ষিক দিশটো চোৱাচিতা কৰিব পৰা সংস্থা এটা থকাৰ প্ৰয়োজনীয়তা সেই সময়ত অনুভৱ কৰা হৈছিল। সংগঠনটোৱে শৈক্ষিক প্ৰশিক্ষণ আৰু সামগ্ৰী প্ৰদান কৰি মন্ত্ৰালয়ৰ উদ্দেশ্য প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে। পৰিৱেশ শিক্ষা কেন্দ্ৰৰ মূল লক্ষ্য হৈছে বহনক্ষম উন্নয়নৰ বাবে শিক্ষা। চেণ্টাৰ ফৰ এনভাইৰনমেণ্ট এডুকেচন, নৰ্থ ইষ্টৰ মূল কাম পৰিৱেশ শিক্ষাৰ ক্ষেত্ৰত আৰু ই সাধাৰণতে চৰকাৰী বিভাগ যেনে, পৰিৱেশ আৰু বন মন্ত্ৰালয়/পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় (MoEF / MoEFCC), পৰিবহণ মন্ত্ৰালয় (MoT) আদিৰ লগতে অন্যান্য আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সৈতে সহযোগিতাৰে কাম কৰে।
- **আৰণ্যক** (Aaranyak) ঃ আৰণ্যক গুৱাহাটীস্থিত বন্যপ্ৰাণীৰ অন্যতম আগশাৰীৰ এন জি অ'। ১৯৮৯ চনত পৰিৱেশপ্ৰেমী যুৱক-যুৱতীসকলৰ এটা দলে ইয়াক আৰম্ভ কৰিছিল। আৰম্ভণিতে তেওঁলোকে পৰিৱেশ সুৰক্ষাৰ নতুন যুগৰ সূচনা কৰাৰ উদ্দেশ্যে গৱেষণা, পৰিৱেশ শিক্ষা, সামর্থ্য বিকাশ আৰু আইনী আৰু নীতি সংস্কাৰৰ পোষকতাৰ জৰিয়তে উত্তৰ-পূব ভাৰতৰ জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণক লালন-পালন কৰাৰ লক্ষ্যৰে এটা প্ৰকৃতি ক্লাব প্ৰতিষ্ঠা কৰিছিল। উত্তৰ-পূৱ ভাৰতৰ গুৰুত্বপূৰ্ণ পৰিৱেশ সমস্যাসমূহৰ সমাধানৰ বাবে তেওঁলোকে কেইবাটাও সংৰক্ষণ কৌশল প্ৰণয়ন কৰিছিল। আৰণ্যকৰ সংৰক্ষণ কৌশলৰ মূল ৰূপ গঠন কৰিবলৈ ১৪ টা ডাঙৰ বিভাগ আছে। এই ১৪ টা বিভাগৰ ভিতৰত ৮ টা বিভাগক বিশেষভাৱে উত্তৰ-পূব ভাৰতৰ কিছুমান গুৰুত্বপূৰ্ণ বিপন্ন প্ৰজাতিৰ চোৱাচিতা আৰু সংৰক্ষণৰ দায়িত্ব দিয়া হৈছে। আন বিভাগসমূহক অঞ্চলটোৰ জৈৱ বৈচিত্ৰ্যৰ গৱেষণা আৰু সংৰক্ষণৰ বাবে বিভিন্ন কেন্দ্ৰীভূত পদ্ধতি গ্ৰহণৰ দায়িত্ব দিয়া হৈছে।

- **এনভাইৰন** (ENVIRON) ঃ ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ পৰিৱেশ অৱক্ষয় আৰু অর্থনৈতিক উন্নয়নৰ সমস্যাসমূহ সমাধানৰ প্রয়াসেৰে ২০০৩ চনত এনভাইৰন প্রতিষ্ঠা কৰা হৈছিল। এনভাইৰন হৈছে ছাত্র-ছাত্রী, গৱেষক আৰু চিন্তাবিদৰ এক সংমিশ্রণ, যিসকলে বিশ্বাস কৰে যে নবীকৰণযোগ্য প্রাকৃতিক সম্পদৰ সঠিক ব্যৱস্থাপনা আৰু ব্যৱহাৰ এই অঞ্চলৰ বহনক্ষম উন্নয়নৰ চাবিকাঠি। ড° অমৰজ্যোতি কাশ্যপ এনভাইৰনৰ প্রতিষ্ঠাপক আৰু মুখ্য কার্যকর্তা। তেওঁ পৰিৱেশ আৰু কঠিন আৱর্জনা ব্যৱস্থাপনা (Environment and Solid Waste Management)ৰ বিজ্ঞানী। এনভাইৰনৰ প্রধান উদ্দেশ্য হৈছে প্রাকৃতিক সম্পদৰ জৰীপ আৰু প্রাকৃতিক সম্পদৰ বহনক্ষমভাৱে ব্যৱহাৰ। চহৰ অঞ্চলত কঠিন আৱর্জনা ব্যৱস্থাপনাৰ ক্ষেত্রত কাম কৰা একমাত্র সংস্থা এনভাইৰন বুলি কোৱা হয়। এই সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ ই প্রশিক্ষিত কর্মীৰ ওপৰত গুৰুত্ব আৰোপ কৰে যিয়ে আৱর্জনা ব্যৱস্থাপনা আৰু সাধাৰণতে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্রত নেতৃত্বৰ ভূমিকা ল'ব পাৰে। কঠিন আৱর্জনা ব্যৱস্থাপনাৰ ক্ষেত্রত বিভিন্ন পদক্ষেপ গ্রহণ কৰিবলৈ সংস্থাটো ছাত্র সম্প্রদায়ৰ ওপৰত প্রবলভাৱে নির্ভৰশীল। এই সংস্থাটোৱে নিয়মীয়াকৈ সজাগতা শিবিৰৰো আয়োজন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ ভাৰতৰ যিকোনো পাঁচটা সুপৰিচিত ৰাষ্ট্রীয় পর্যায়ৰ বেচৰকাৰী পৰিৱেশ সংস্থাৰ নাম উল্লেখ কৰক।

প্রশ্ন নং ৭ ঃ অসমৰ যিকোনো পাঁচটা সুপৰিচিত ৰাজ্যিক পর্যায়ৰ বেচৰকাৰী পৰিৱেশ সংস্থাৰ নাম উল্লেখ কৰক।

প্রশ্ন নং ৮ ঃ অসম বিজ্ঞান সমিতি (Assam Science Society)ৰ দ্বাৰা গ্রহণ কৰা বিভিন্ন প্রকাৰৰ কাম-কাজ কি কি?

৭.৭ আন্তঃৰাষ্ট্রীয় পৰিৱেশ সংস্থাসমূহ

পৰিৱেশ, বন, বন্যপ্রাণী আৰু পৰিৱেশৰ অন্যান্য প্রাসংগিক দিশৰ সৈতে জড়িত কিছুমান গুৰুত্বপূর্ণ আন্তঃৰাষ্ট্রীয় সংস্থাৰ বিষয়ে তলত আলোচনা কৰা হৈছে ঃ

- **ৰাষ্ট্রসংঘৰ পৰিৱেশ কার্যসূচী** (United Nations Environment programme or UNEP) ঃ এইটো ৰাষ্ট্রসংঘৰ এটা সংস্থা। এই সংস্থাটোৱে পৰিৱেশ নিৰীক্ষণ আৰু সুৰক্ষাৰ বাবে আন্তঃচৰকাৰী ব্যৱস্থাসমূহৰ সহযোগিতাৰ বাবে দায়বদ্ধ। ১৯৭২ চনত ইয়াক স্থাপন কৰা হৈছিল। ইয়াৰ মুখ্য কার্যালয় কেনিয়াৰ নাইৰোবিত। পৰিৱেশ ব্যৱস্থাপনাৰ বাবে আন্তঃৰাষ্ট্রীয় নির্দেশনা অধ্যয়ন আৰু প্রণয়ন কৰিবলৈ UNEP প্রতিষ্ঠা কৰা হৈছিল। ভাৰততো এনে বহু কার্যসূচীত UNEP য়ে সহায় কৰি আছে।

- **আন্তর্জাতিক প্রকৃতি আৰু প্রাকৃতিক সম্পদ সংৰক্ষণ সংঘ** (International Union for Conservation of Nature and Natural Resources or IUCN) ঃ ই এক স্বায়ত্তশাসিত সংগঠন। ১৯৪৮ চনত ইয়াৰ মুখ্য কার্যালয় ছুইজাৰলেণ্ডৰ মর্গেছত বৈজ্ঞানিকভাৱে সংৰক্ষণ ব্যৱস্থাৰ আৰম্ভ আৰু প্রচাৰৰ বাবে প্রতিষ্ঠা কৰা হৈছিল। ইয়াৰ উপৰিও ই ৰাষ্ট্রসংঘ আৰু অন্যান্য আন্তঃৰাষ্ট্রীয় চৰকাৰী সংস্থা আৰু ৱর্ল্ড-ৱাইড ফাণ্ড ফৰ নেচাৰ (WWF) ৰ ভগ্নী সংস্থাসমূহৰ সৈতেও সহযোগিতামূলকভাৱে কাম কৰে।
- **বিশ্ব বন্যপ্রাণী পুঁজি** (World Wildlife Fund or WWF) /**প্রকৃতিৰ বাবে বিশ্বব্যাপী পুঁজি** (World Wide Fund for Nature) ঃ ১৯৬১ চনত প্রতিষ্ঠা হোৱা এইটো এটা আন্তঃৰাষ্ট্রীয় বেচৰকাৰী সংস্থা। ইয়াৰ মুখ্য কার্যালয় চুইজাৰলেণ্ডৰ গ্লেণ্ডত অৱস্থিত। এই সংস্থাটোৱে প্রান্তৰ সংৰক্ষণ আৰু পৰিৱেশৰ ওপৰত মানুহৰ প্রভাৱ হ্রাস কৰাৰ ক্ষেত্রত কাম কৰে। ১০০ খনতকৈও অধিক দেশত কাম কৰা WWF বিশ্বৰ অন্যতম বৃহৎ সংৰক্ষণ সংস্থা। প্রথমতে ইয়াৰ নাম বিশ্ব বন্যপ্রাণী পুঁজি (World Wildlife Fund) আছিল। এই নামটো এতিয়াও কানাডা আৰু আমেৰিকাত ইয়াৰ চৰকাৰী নাম হিচাপে আছে।
- **ইউৰোপীয় অর্থনৈতিক সম্প্রদায়** (European Economic Community or EEC) ঃ এইটো হৈছে শক্তিশালী ৰাজনৈতিক, অর্থনৈতিক আৰু আইনী ভিত্তি থকা ১২ খন শক্তিশালী ইউৰোপীয় ৰাষ্ট্রৰ এটা সম্প্রদায়। ইয়াৰ পৰিৱেশ উন্নয়ন আৰু প্রাকৃতিক সম্পদ সংৰক্ষণৰ বাবে সমন্বিত নীতি নির্ধাৰণ আৰু ৰূপায়ণৰ নিজা কার্যসূচী আছে। ভাৰতৰ কেন্দ্রীয় প্রদূষণ নিয়ন্ত্রণ ব'র্ডে ECC ৰ সহায়ত বায়ুৰ গুণাগুণ নিৰীক্ষণৰ প্রকল্প গ্রহণ কৰিছে।
- **বিপন্ন প্রজাতিৰ আন্তঃৰাষ্ট্রীয় বাণিজ্য সম্পর্কীয় সন্ধি** (Convention on International Trade in Endangered Species or CITES) ঃ ই এক আন্তঃৰাষ্ট্রীয় মঞ্চ। এই সংগঠনত যোগদানৰ বাবে সদস্যপদৰ চুক্তি সকলো দেশৰ বাবে মুকলি। ভাৰতত পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন মন্ত্রালয়ে আন্তঃৰাষ্ট্রীয় চুক্তিত অংশগ্রহণৰ বাবে ন'ডেল এজেন্সী হিচাপে কাম কৰে।
- **ৰাষ্ট্রসংঘৰ শিক্ষা, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা** (United Nations Educational, Scientific and Cultural Organization or UNESCO) ঃ ই ৰাষ্ট্রসংঘৰ এটা সংস্থা। ১৯৪৫ চনত ইয়াৰ সদস্য ৰাষ্ট্রসমূহে বিশ্ব সম্পর্কৰ সাংস্কৃতিক দিশসমূহ বিকশিত কৰাৰ উদ্দেশ্যে শিক্ষা, বৈজ্ঞানিক গৱেষণা আৰু তথ্য, আৰু কলাৰ প্রসাৰৰ প্রচেষ্টাক সমর্থন আৰু কার্যকৰী কৰিবলৈ প্রতিষ্ঠা কৰা হৈছিল। ইয়াৰ মুখ্য কার্যালয় পেৰিছত। সংস্থাটোৱে স্বতন্ত্রভাৱে আৰু ৰাষ্ট্রসংঘৰ পৰিৱেশ কার্যসূচী (UNEP) ৰ দৰে অন্যান্য সংস্থাসমূহৰ সহযোগত পৰিৱেশৰ গুণগত মান, মানৱ বসতি, পৰিৱেশ অভিযন্তাসকলক প্রশিক্ষণ আৰু পৰিৱেশৰ সৈতে জড়িত অন্যান্য আর্থ-সাংস্কৃতিক কার্যসূচীৰ সৈতে জড়িত কার্য্যকলাপত সহায় কৰে।

- **দক্ষিণ এছিয়াৰ সমবায় পৰিৱেশ কার্যসূচী** (South Asia co-operative Environment Programme or SACEP) ঃ এই সংস্থাটো ইয়াৰ সদস্য দেশসমূহ — আফগানিস্তান, বাংলাদেশ, ভূটান, ভাৰত, ইৰাণ, পাকিস্তান আৰু শ্ৰীলংকাৰ মাজত পৰিৱেশ বিষয়সমূহৰ ওপৰত পেছাদাৰী জ্ঞান আৰু বিশেষজ্ঞতাৰ আদান-প্ৰদানৰ বাবে গঠন কৰা হৈছে।
- **পৰিৱেশ সুৰক্ষা সংস্থা** (Environmental Protection Agency or EPA) ঃ এইটো ১৯৭০ চনত স্থাপিত আমেৰিকা চৰকাৰৰ এটা স্বতন্ত্ৰ ফেডাৰেল এজেন্সী। ই বায়ু, পানী, কঠিন আৱৰ্জনা সুৰক্ষা আৰু বিকিৰণ, কীটনাশক, শব্দ আদিৰ ব্যৱস্থাপনাৰ কাম কৰে।
- **মানৱ সংস্পৰ্শ মূল্যায়ন স্থান** (Human Exposure Assessment Location or HEAL) ঃ এই প্ৰকল্পটো ইউএনইপিৰ সহযোগত বিশ্ব স্বাস্থ্য সম্পৰ্কীয় নিৰীক্ষণ কার্যসূচীৰ এটা অংশ।
- **পৰিৱেশ আৰু উন্নয়নৰ বিশ্ব আয়োগ** (World Commission on Environment and Development or WCED) ঃ ১৯৮৩ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ প্ৰস্তাৱ অনুসৰি ১৯৮৪ চনত পৰিৱেশ আৰু উন্নয়নৰ জটিল বিষয়সমূহ পুনৰ পৰীক্ষা কৰি ইয়াৰ বাবে প্ৰস্তাৱ প্ৰস্তুত কৰিবলৈ গঠন কৰা এইখন ২৩ জনীয়া এখন আয়োগ। এই আয়োগে পৰিৱেশ বিষয়ত ব্যক্তি, স্বেচ্ছাসেৱী সংগঠন আৰু চৰকাৰী সংস্থাসমূহৰ বুজাবুজি আৰু দায়বদ্ধতাৰ স্তৰৰ মূল্যায়ন কৰে।
- **পৃথিৱী চোৱাচিতা কার্যসূচী** (Earth Watch Programme or EWP) ঃ এই বিশ্বব্যাপী কার্যসূচী ১৯৭২ চনত মানৱ পৰিৱেশৰ ঘোষণাৰ চৰ্ত অনুসৰি স্থাপন কৰা হৈছিল। কেইবাটাও নিৰীক্ষণ ষ্টেচনৰ শৃংখলাৰ ওপৰত ভিত্তি কৰি, এই কার্য্যক্ৰমে পৰিৱেশৰ ধাৰাসমূহ নিৰীক্ষণ কৰে। এই কার্যসূচীৰ কার্য্যকলাপসমূহ ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কার্যসূচী (UNEP) ৰ জৰিয়তে সমন্বয় কৰা হয়।
- **প্ৰকল্প পৃথিৱী** (Project Earth) ঃ এই প্ৰকল্পটো ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কার্যসূচী (UNEP) ৰ সহযোগত বিশ্বজুৰি যুৱক-যুৱতীসকলক পৃথিৱীৰ পৰিৱেশৰ সন্মুখীন হোৱা গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত অনুপ্ৰাণিত আৰু জ্ঞান প্ৰদানৰ বাবে প্ৰস্তুত কৰা হৈছে।
- **মানুহ আৰু জৈৱমণ্ডল কার্যসূচী** (Man and the Biosphere Programme or MAB) ঃ ১৯৬৮ চনত ইউনেস্কো (UNESCO)ৰ আন্তঃৰাষ্ট্ৰীয় জৈৱিক সন্মিলনৰ ফলাফল হিচাপে MAB কার্যসূচীৰ কল্পনা কৰা হৈছিল। এই সন্মিলনৰ ফলাফলৰ জৰিয়তে উপলব্ধি কৰা হৈছিল যে পৰিৱেশৰ সমস্যা সমাধানৰ বাবে পৰিৱেশ বিজ্ঞানী, সমাজ বিজ্ঞানী, পৰিকল্পনাকাৰী, পৰিচালক আৰু স্থানীয় লোকসকলৰ সহযোগিতা অতি প্ৰয়োজনীয়। ১৯৭১ চনৰ নৱেম্বৰ মাহত ইউনেস্ক'ই ইয়াক আনুষ্ঠানিকভাৱে মুকলি কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যিকোনো পাঁচটা গুৰুত্বপূর্ণ আন্তঃৰাষ্ট্রীয় পৰিৱেশ সংস্থাৰ নাম উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ SACEP ৰ ইংৰাজী সম্পূর্ণ ৰূপটো লিখক। SACEP ৰ সদস্য দেশবোৰ কি কি?



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আনুষ্ঠানিক শিক্ষা খণ্ডই আগবঢ়োৱা পৰিৱেশ শিক্ষাই সমাজৰ নৱ প্রজন্মক পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ সৈতে জড়িত বৈচিত্র্যপূর্ণ বিষয়সমূহৰ সৈতে পৰিচিত কৰি শিক্ষা আৰু সজাগতাৰ ক্ষেত্রত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- পৰিৱেশ শিক্ষা হৈছে মানৱ জাতিৰ কল্যাণ আৰু সমাজৰ উন্নয়নৰ বাবে অপৰিহার্য এক আজীৱন প্রক্রিয়া। সেয়েহে সম্প্রদায়সমূহৰ সামাজিক, অর্থনৈতিক, সাংস্কৃতিক বিকাশত অংশগ্রহণ কৰা যিকোনো বয়সৰ লোকৰ বাবে পৰিৱেশ শিক্ষা কার্যসূচীসমূহ প্রস্তুত কৰা হয়।
- অনানুষ্ঠানিক পৰিৱেশ শিক্ষা কার্য্যসূচীৰ অধীনত গ্রহণ কৰা কিছুমান প্রধান কাম-কাজৰ ভিতৰত শিক্ষাৰ বিভিন্ন অনানুষ্ঠানিক সংস্থাৰ জৰিয়তে সজাগতা, পৰিৱেশ সজাগতা আৰু সম্প্রসাৰণ কার্যসূচীৰ আয়োজন আৰু গণমাধ্যমৰ জৰিয়তে সজাগতা আদি অন্তর্ভুক্ত।
- ভাৰতত পৰিৱেশ অধ্যয়নৰ লগত জড়িত বেছিভাগ চৰকাৰী সংস্থাই পোনপটীয়াকৈ ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন মন্ত্রালয়ৰ (MoEFCC) প্রশাসনিক নিয়ন্ত্রণত সহায় কৰে। সমগ্র দেশতে সকলো ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চল সামৰি মন্ত্রালয়ৰ ১৯টা আঞ্চলিক কার্যালয়, ৭টা অধীনস্থ কার্যালয়, ৫টা স্বায়ত্তশাসিত সংগঠন, ৪টা কর্তৃপক্ষ বা ন্যায়াধিকৰণ, ৪টা ব'র্ড আৰু ১টা প্রতিষ্ঠান উপলব্ধ।
- পৰিৱেশ শিক্ষাৰ ক্ষেত্রত বেচৰকাৰী সংস্থাসমূহক অতি ফলপ্রসূ সংস্থা বুলি গণ্য কৰা হয়। সাধাৰণ জনতাৰ মাজত পৰিৱেশ সজাগতা বিয়পোৱাৰ ক্ষেত্রত চৰকাৰী সংস্থাতকৈ তেওঁলোকৰ বহু সুবিধা আছে কাৰণ তেওঁলোক সাধাৰণ জনতাৰ সৈতে প্রত্যক্ষ সংস্পর্শত থাকে।
- বিভিন্ন পর্যায়ত অর্থাৎ আন্তঃৰাষ্ট্রীয়, ৰাষ্ট্রীয়, ৰাজ্যিক আনকি স্থানীয় পর্যায়তো বহু বেচৰকাৰী সংস্থাই মানুহক পৰিৱেশ বিষয়ক সজাগ কৰাৰ বাবে কাম কৰি আছে।
- এই অধ্যায়ত আলোচনা কৰা অসমৰ ৰাজ্যিক পর্যায়ৰ সুপৰিচিত বেচৰকাৰী সংস্থাসমূহ হ'ল— অসম বিজ্ঞান সমিতি (ASS), কাজিৰঙা বন্যপ্রাণী সমাজ (KWS), নেচাৰ'ছ

বেকন, Center for Environment Education, North East (CEE, NE), আৰন্যক আৰু এনভাইৰন (ENVIRON)।



৭.০ অধিক জানিবলৈ

১) Ali, L (2019). Environmental Education and Population Education. New DelhiÊ. Global Net Publication

২) Catherine, J (2011). Environmental Education. ISBNÊ. 978-81-8316-270-8. HyderabadÊ. Neelkamal Publishing House Pvt, Ltd.

৩) Saha, S (2012). Environmental Education. ISBNÊ. 978-81-313-1485-2. New DelhiÊ. APH Publishing Corporation

৪) Sharma, R.A., Maisan, P & Lenka, S.K ( ). ISBNÊ. 978-93-82065-31-9. Environmental Education. MeerutÊ. R. Lall Book Depot

৫) Tomar, A (2011). Environmental Education. ISBNÊ. 81-7835-548-5. New DelhiÊ. Kalpaz Publication



৭.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ শিক্ষাৰ আনুষ্ঠানিক সংস্থা শব্দটোৱে বিভিন্ন শিক্ষানুষ্ঠানক বুজায়, যেনে— বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, আৰু অন্যান্য পেছাদাৰী সংস্থা যিয়ে সুনির্দিষ্ট আৰু পদ্ধতিগত পাঠ্যক্রম অনুসৰণ কৰি আনুষ্ঠানিক পৰিৱেশ শিক্ষা প্রদান কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন মন্ত্রালয়, যিটো পূর্বতে ভাৰত চৰকাৰৰ পৰিৱেশ আৰু বন মন্ত্রালয় বুলি জনা গৈছিল। বিদ্যালয় পর্যায়ৰ পৰিৱেশ শিক্ষাৰ পাঠ্যক্রমৰ বাবে মন্ত্রালয়ে ৰাষ্ট্রীয় শিক্ষা গৱেষণা আৰু প্রশিক্ষণ পৰিষদ (NCERT)ৰ সৈতে মত বিনিময় কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ সংস্থাসমূহৰ ভিতৰত বিভিন্ন সম্প্রদায়ভিত্তিক গোট, সেৱা সংস্থা, চৰকাৰী আৰু বেচৰকাৰী সংস্থা, ল'ৰা-ছোৱালী ক্লাব, উদ্যান আৰু সংৰক্ষিত বনাঞ্চল, ৰাজ্যিক আৰু ৰাষ্ট্রীয় বনাঞ্চল, আৱাসিক কেন্দ্র, প্রকৃতি কেন্দ্র, চিৰিয়াখানা, সংগ্রহালয়, স্কাউটিং সংগঠন আদি আছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রীয় পৰিৱেশ সজাগতা অভিযান (ইংৰাজীত, National Environmental Awareness Campaign (NEAC)

৫ নং প্রশ্নৰ উত্তৰ ঃ i) পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্রালয়

ii) ১৯

iii) ৰাষ্ট্রীয় বহনক্ষম উপকূলীয় ব্যৱস্থাপনা কেন্দ্র

iv) National Environmental Engineering Research Institute

৬ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ ৰাষ্ট্রীয় পর্যায়ৰ পৰিচিত পৰিৱেশ সম্পর্কীয় বেচৰকাৰী সংস্থাসমূহৰ ভিতৰত পাঁচটা হ'ল- (i) পৰিৱেশ শিক্ষা কেন্দ্র (CEE), (ii) শক্তি আৰু সম্পদ প্রতিষ্ঠান (TERI), (iii) চিপিআৰ পৰিৱেশ শিক্ষা কেন্দ্র, (iv) বিজ্ঞান আৰু পৰিৱেশ কেন্দ্র (CSE) আৰু (v) প্রকৃতিৰ বাবে বিশ্বব্যাপী পুঁজি (World-Wide Fund for Nature, India)।

৭ নং প্রশ্নৰ উত্তৰ ঃ অসমৰ ৰাজ্যিক পর্যায়ৰ পৰিচিত পৰিৱেশ সম্পর্কীয় বেচৰকাৰী সংস্থাসমূহৰ ভিতৰত পাঁচটা হ'ল-

(i) কাজিৰঙা বন্যপ্রাণী সমাজ (KWS), (ii) নেচাৰ'ছ বেকন, (iii) আৰন্যক, (iv) উত্তৰ-পূবৰ পৰিৱেশ শিক্ষা কেন্দ্র (CEE, NE) আৰু (v) এনভাইৰন (ENVIRON)

৮ নং প্রশ্নৰ উত্তৰ ঃ অসম বিজ্ঞান সমাজে মূলতঃ অসমীয়া ভাষাত বিভিন্ন ধৰণৰ সাহিত্য প্রকাশ কৰি, কর্মশালা, জনপ্রিয় বক্তৃতা, আলোচনা চক্র, প্রদর্শনী, চিম্পোজিয়াম, প্রতিভা অনুসন্ধান প্রতিযোগিতা ইত্যাদি আয়োজন কৰি সমগ্র অসমতে বিজ্ঞান আৰু গণিতৰ জনপ্রিয়কৰণৰ বাবে কাম কৰে। ইয়াৰ উপৰিও, সংস্থাটোৱে পৰিৱেশৰ ওপৰত জৰীপ চলোৱাৰ লগতে শিবিৰ আয়োজনৰ জৰিয়তে শিক্ষক আৰু ছাত্র-ছাত্রী উভয়কে পৰিৱেশ শিক্ষা আৰু প্রশিক্ষণ প্রদান কৰে।

৯ নং প্রশ্নৰ উত্তৰ ঃ পাঁচটা গুৰুত্বপূর্ণ আন্তঃৰাষ্ট্রীয় পৰিৱেশ সংস্থা হ'ল — (i) ৰাষ্ট্রসংঘৰ পৰিৱেশ কার্যসূচী (UNEP), (ii) আন্তর্জাতিক প্রকৃতি আৰু প্রাকৃতিক সম্পদ সংৰক্ষণ সংঘ (IUCN), (iii) পৰিৱেশ সুৰক্ষা সংস্থা (EPA) , (iv)পৰিৱেশ আৰু উন্নয়নৰ বিশ্ব আয়োগ (WCED) আৰু (v) পৃথিৰী চোৱাচিতা কার্যসূচী (EWP)।

১০ নং প্রশ্নৰ উত্তৰ ঃ SACEP ৰ সম্পূর্ণ ইংৰাজী ৰূপ হৈছে "South Asia co-operative Environment Programme"। SACEP ৰ সদস্য দেশসমূহ হ'লঃ আফগানিস্তান, বাংলাদেশ, ভুটান, ভাৰত, ইৰাণ, পাকিস্তান আৰু শ্রীলংকা।



৭.১১ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দত দিয়ক)

প্রশ্ন ১ ঃ পৰিৱেশ শিক্ষাৰ আনুষ্ঠানিক সংস্থা শব্দটোৱে কি বুজায়? আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ বিভিন্ন স্তৰত পৰিৱেশ শিক্ষাৰ পাঠ্যক্রমৰ ফ্রেমৱর্ক প্রস্তুতৰ লগত জড়িত সংস্থাসমূহৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ "পৰিৱেশ শিক্ষা কেৱল আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ অন্তৰ্গত ছাত্ৰ-ছাত্ৰীৰ মাজতে সীমাবদ্ধ নহয়" — ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ কিছুমান সংস্থাৰ কথা উল্লেখ কৰক। অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ সংস্থাসমূহে প্ৰধানকৈ কেনেধৰণৰ কাম-কাজ গ্ৰহণ কৰে?

প্ৰশ্ন ৪ ঃ ইংৰাজীত MoEFCC ৰ সম্পূৰ্ণ ৰূপ কি? MoEFCC ৰ প্ৰধান উদ্দেশ্যসমূহ লিখক।

প্ৰশ্ন ৫ ঃ ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অধীনত কাম কৰা বিভিন্ন অধীনস্থ কাৰ্যালয়, স্বায়ত্তশাসিত সংস্থা, ন্যায়াধিকৰণ, ব'ৰ্ড আৰু প্ৰতিষ্ঠানৰ উল্লেখ কৰক।

প্ৰশ্ন ৬ ঃ সাধাৰণ জনতাৰ পৰিৱেশ শিক্ষাৰ সৈতে জড়িত চৰকাৰী সংস্থাসমূহৰ তুলনাত বেচৰকাৰী সংস্থাসমূহৰ সুবিধা কেনেকুৱা? ব্যাখ্যা কৰক।

প্ৰশ্ন ৭ ঃ ইংৰাজীত TERI ৰ সম্পূৰ্ণ ৰূপ কি? পৰিৱেশৰ ক্ষেত্ৰত এই সংস্থাটোৰ কাৰ্য্যকলাপৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৮ ঃ নৰ্মদা বাচাও আন্দোলনৰ ওপৰত এটা চুটি টোকা লিখক।

প্ৰশ্ন ৯ ঃ অসমৰ যিকোনো দুটা পৰিচিত ৰাজ্যিক পৰ্যায়ৰ পৰিবেশ সম্পৰ্কীয় বেচৰকাৰী সংস্থাৰ ওপৰত চমুকৈ লিখক।

প্ৰশ্ন ১০ ঃ ইংৰাজীত UNESCO ৰ সম্পূৰ্ণ ৰূপ কি? ইউনেস্কো (UNESCO) ৰ কাৰ্যকলাপৰ বিষয়ে চমুকৈ উল্লেখ কৰক।

খ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০- ৫০০ শব্দৰে দিয়ক)

প্ৰশ্ন ১ ঃ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক পৰিৱেশ শিক্ষাৰ সংস্থাসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ দেশৰ পৰিৱেশ শিক্ষাৰ ক্ষেত্ৰত পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ (MoEFCC) ভূমিকা সম্পৰ্কে এটা টোকা লিখক।

প্ৰশ্ন ৩ ঃ পৰিৱেশ বিষয়ৰ সৈতে জড়িত কাৰ্য্যকলাপৰ ওপৰত বিশেষ গুৰুত্ব দি অসমৰ ৰাষ্ট্ৰীয় পৰ্যায়ত বা ৰাজ্যিক পৰ্যায়ত কাম কৰা যিকোনো পাঁচটা পৰিবেশ সম্পৰ্কীয় বেচৰকাৰী সংস্থাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ পৰিৱেশ বিষয়ৰ ক্ষেত্ৰত কাম কৰা কিছুমান গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ সাধাৰণ জনসাধাৰণৰ মাজত পৰিৱেশ সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত বেচৰকাৰী সংস্থাসমূহৰ ভূমিকা সম্পৰ্কে আপোনাৰ নিজৰ দৃষ্টিকোণৰ পৰা সমালোচনাত্মকভাৱে মূল্যায়ন কৰক।

*** ***** ***

অধ্যায় ৮ ঃ পৰিবেশ শিক্ষাত গণ মাধ্যম

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ নির্দেশনামূলক বা শিক্ষণমূলক প্রচাৰ মাধ্যমৰ ধাৰণা
(Concept of Instructional Media)

৮.৪ আলোচনী

৮.৫ আলোচনা চক্র (seminar) / আলোচনা

৮.৫.১ আলোচনা চক্র আয়োজন কৰাৰ পর্যায় বা ক্রম

৮.৫.২ আলোচনা চক্রৰ সুবিধা

৮.৬ কর্মশালা (Workshop)

৮.৬.১ কর্মশালাৰ ক্রিয়া- কলাপ

৮.৬.২ কর্মশালা আয়োজন কৰাৰ নিয়ম

৮.৬.৩ কর্মশালাৰ সুবিধা

৮.৭ প্রদর্শনী

৮.৮ আৰ্হি

৮.৯ দৃশ্য-শ্রব্য আহিলা

৮.৯.১ শিক্ষামূলক ৰেডিঅ'

৮.৯.২ শিক্ষামূলক টেলিভিছন

৮.৯.৩ শিক্ষামূলক কথাছবি

৮.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.১১ অধিক জানিবলৈ

৮.১২ অগ্রগতিৰ খতিয়ান

৮.১৩ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- নির্দেশনামূলক বা শিক্ষামূলক প্রচাৰ মাধ্যমৰ ধাৰণাটো আলোচনা কৰিব পাৰিব
- পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা প্রসাৰৰ মাধ্যম হিচাপে আলোচনী এখনক কেনেদৰে ব্যৱহাৰ কৰিব পৰা যায় সেয়া ব্যাখ্যা কৰিব পাৰিব।
- আলোচনা চক্র আৰু কর্মশালা আয়োজন কৰাৰ পদ্ধতি সম্পর্কে অৱগত হ'ব।

- শিক্ষণ উদ্দেশ্যত প্রদর্শনী আৰু আৰ্হি কেনেদৰে ব্যৱহাৰ কৰা হয় সেয়া বৰ্ণনা কৰিব পাৰিব।
- পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা প্রসাৰত দৃশ্য-শ্রব্য আহিলাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

অধ্যায় ১ -ত আমি পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ ধাৰণা, নীতি, সুবিধা আৰু শিক্ষণ পদ্ধতি সম্পর্কে অধ্যয়ন কৰিলোঁ। আপোনালোকে নিশ্চয় ধৰিব পাৰিছে যে পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ মূল উদ্দেশ্য কেৱল পাৰিপার্শ্বিকতা সম্পর্কে অধ্যয়ন কৰাই নহয়; ইয়াৰ উদ্দেশ্যই পাৰিপার্শ্বিকতাৰ সৈতে জড়িত সমস্যাবোৰ সম্পর্কত সচেতনতা বঢ়াই তোলা কার্যকো সামৰি লয়। অর্থাৎ, পাৰিপার্শ্বিকতাৰ সৈতে জড়িত সমস্যাবোৰৰ বিষয়ে সজাগতা সৃষ্টি কৰা কার্য-কলাপবোৰ শিক্ষাৰ বিভিন্ন ৰূপৰ সৈতে সংলগ্ন কৰা উচিত। সেয়েহে শ্রেণীকোঠা আৰু সাধাৰণ মানুহৰ মাজত তথ্যৰ প্রসাৰ কৰিবলৈ শিক্ষাৰ মাধ্যম হিচাপে প্রচাৰ মাধ্যমৰ সহায় ল'ব পাৰোঁ। এই কার্যই শৈক্ষিক কার্যসূচীবোৰক অধিক সুফলদায়ক আৰু অর্থবহ কৰি তুলিব। এই অধ্যায়টিত পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ শিক্ষণ- শিকন প্রক্রিয়াটো ফলপ্রসূ কৰিবলৈ বিভিন্ন প্রকাৰৰ প্রচাৰ মাধ্যমৰ প্রয়োগ সম্পর্কে আলোচনা কৰা হ'ব।

৮.৩ নির্দেশনামূলক / শিক্ষণমূলক প্রচাৰ মাধ্যমৰ ধাৰণা

নির্দেশনামূলক /শিক্ষণমূলক প্রচাৰ মাধ্যমৰ প্রয়োগ হ'ল শিক্ষণ- শিকন প্রক্রিয়াৰ এক অপৰিহার্য অংগ। ই শিক্ষণ- শিকন প্রক্রিয়াৰ কার্যকুশলতা আৰু ফলপ্রসূতা বৃদ্ধিত অৰিহণা যোগায়। প্রচাৰ মাধ্যমবোৰ হ'ল পৰিপূৰক আহিলা। শিক্ষকসকলে ইয়াৰ জৰিয়তে শিক্ষার্থীৰ একাধিক সংবেদী মাধ্যম সক্রিয় কৰি তুলি ধাৰণা স্পষ্ট কৰা, নির্ভুলতাৰ প্রতিষ্ঠা আৰু সমন্বয় সাধন কৰা, টীকা-টিপ্পনী আৰু প্রশংসা কৰা আদি কার্য কৰিব পাৰে। এনে মাধ্যমৰ ব্যৱহাৰে জ্ঞান বৃদ্ধি কৰে, আগ্রহ জন্মায় আৰু শিশুৰ কল্পনাশক্তিক সমৃদ্ধ কৰে। ভিন ভিন প্রচাৰ মাধ্যমে ভিন ভিন কার্য সম্পাদন কৰে। প্রচাৰ মাধ্যমক মূলতঃ দুটা ভাগত ভগাব পাৰিঃ

(i) ছপা মাধ্যম আৰু

(ii) অনা-ছপা অথবা আধুনিক বৈদ্যুতিক মাধ্যম

কিতাপ, বাতৰি-কাকত, আলোচনী আদি ছপা মাধ্যমৰ অন্তর্গত। গণ শিক্ষা আঁচনিৰ (mass education scheme) মুখ্য মাধ্যম হ'ল ছপা মাধ্যম। ছপা মাধ্যমৰ প্রধান সুবিধাটো হ'ল ইয়াক বিভিন্ন শিক্ষাগ্রহণ পৰিৱেশত খাপ খুৱাই ল'ব পাৰি। ইয়াৰ উপৰি ই এটা কমখৰছী মাধ্যম আৰু শৈক্ষিক উদ্দেশ্যত ছপা মাধ্যমক পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰা হৈ আহিছে। এই মাধ্যমটোৰ সবাতোকৈ ডাঙৰ অসুবিধাটো হ'ল ই সাক্ষৰতাৰ দক্ষতা দাবী কৰে।

আনহাতে, অনা-ছপা (non- print) মাধ্যমত ৰেডিঅ' , টেলিভিছন, কম্পিউটাৰ, কথাছবি আদিৰ দৰে বিভিন্ন দৃশ্য-শ্রব্য আহিলাক সামৰি লোৱা হয়। বর্তমান গণপ্রচাৰ মাধ্যমৰ জৰিয়তে দিয়া শিক্ষা বহুখিনি বৈদ্যুতিক মাধ্যমৰ ওপৰত নির্ভৰশীল। এই মাধ্যমে বিভিন্ন ধৰণৰ শিক্ষাগ্রহণ উদ্দেশ্য পূৰণ কৰে। এই মাধ্যমে শিক্ষার্থীৰ ব্যক্তিগত প্রয়োজন পূৰণ কৰি শিক্ষকৰ বোজা কম কৰিব পাৰে।

ছপা আৰু অনা-ছপা মাধ্যমৰ উপৰি আলোচনা চক্র, কর্মশালা, আলোচনা চক্র (symposia) ইত্যাদিকো শিক্ষা আৰু প্রচাৰ মাধ্যম বুলি গণ্য কৰা হয়। শিক্ষকে প্রায়েই এই মাধ্যমবোৰৰ সহায় লয়। অধ্যায়টিৰ পৰৱর্তী শিতানবোৰত পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা অধিক ফলপ্রসূভাৱে প্রদান কৰিবলৈ ব্যৱহাৰ কৰিব পৰা দুটামান প্রচাৰ মাধ্যমৰ বিষয়ে আলোচনা কৰিম।

৮.৪ আলোচনী (MAGAZINE)

এই কথা আমি সকলোৱে জানো যে বাতৰি- কাকতে পৃথিৱীৰ সংবাদ আনি মানুহৰ হাতত তুলি দিয়ে। সাধাৰণ লোকক প্রভাৱিত কৰাৰ আৰু জনমত গঢ়ি তোলাৰ ই এক প্রভাৱশালী মাধ্যম। বাতৰি-কাকতৰ লগতে জনপ্রিয় আলোচনীবোৰেও পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাক লৈ সাধাৰণ লোকৰ জ্ঞানৰ দিগন্ত ব্যাপ্ত কৰিবলৈ শিক্ষাৰ মাধ্যম হিচাপে কাম কৰিব পাৰে।

আলোচনী হ'ল বাতৰি-কাকত আৰু কিতাপৰ মাজৰ ৰূপ। আলোচনী নির্দিষ্ট সময়ৰ মূৰে মূৰে ধাৰাবাহিকভাৱে, যেনে- সাপ্তাহিক, পোন্ধৰদিনীয়া, মাহেকীয়া, বার্ষিক ইত্যাদি প্রকাশিত হয়। আলোচনী বাতৰি- কাকততকৈ অলপ বেলেগ। বাতৰি-কাকতৰ দৈনিক ঘটনাৱলীৰ সংবাদ পৰিৱেশনকাৰী বৈশিষ্ট্যটো আলোচনীৰ নাথাকে। আলোচনীৰ মূল উদ্দেশ্য হ'ল নির্বাচিত বাতৰি আৰু আগ্রহজড়িত বিষয়ৰ ওপৰত মতামত তথা নিৱন্ধ প্রকাশৰ জৰিয়তে তথ্য প্রদান কৰা, নির্দেশনা আগবঢ়োৱা আৰু পাঠকৰ মনোৰঞ্জন কৰা। এখন সাধাৰণ আলোচনীত পৰিপার্শ্বিকতা, শিক্ষা, অর্থনীতি, ধর্ম, সামাজিক তথা সাংস্কৃতিক বিষয়ৰ সৈতে জড়িত প্রৱন্ধ-পাতি নিয়মীয়াকৈ প্রকাশিত হয়। এই সকলোবোৰে সাধাৰণ লোকক, বিশেষকৈ শিক্ষার্থীসকলৰ ওপৰত গভীৰ শৈক্ষিক প্রভাৱ পেলায়।

পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ দৃষ্টিৰে পাৰিপার্শ্বিকতাৰ সমস্যা, বন্যপ্রাণীৰ সংৰক্ষণ, পাৰিপার্শ্বিকৰ প্রদূষণ আৰু অৱনতি, বনাঞ্চল ধ্বংস আৰু বনানিকৰণ আদি বিষয়ৰ ওপৰত ধাৰাবাহিক প্রৱন্ধ প্রকাশ কৰা আলোচনী এখনে জনগণৰ মাজত সজাগতাৰ সৃষ্টি কৰিব পাৰে। অর্থাৎ, এখন জনপ্রিয় আলোচনীয়ে সাধাৰণ জনতাক শিক্ষিত কৰি তোলাৰ মহান দায়িত্ব পালন কৰে।

এখন বিদ্যালয় অথবা মহাবিদ্যালয় আলোচনীয়েও সেই বিদ্যালয় অথবা মহাবিদ্যালয়খনৰ সামাজিক জীৱনৰ এক গুৰুত্বপূর্ণ অংগৰ ভূমিকা পালন কৰে। ই এক সাহিত্যিক পৰিৱেশৰ সৃষ্টি কৰি ছাত্র সম্প্রদায়ক লিখাৰ অভ্যাস গঢ় দিবলৈ অনুপ্রাণিত কৰাৰ লগতে

তেওঁলোকৰ লিখাৰ দক্ষতা বিকশিত কৰে। এনে আলোচনীবোৰ সু-পৰিকল্পিত ভাৱে যুগুতাই লৈ শিক্ষকৰ তত্ত্বাৱধানত ছপাব লাগে। তেতিয়াহে এনে ধৰণৰ আলোচনীবোৰে তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহেৰে সৈতে ফলপ্রসূ শিক্ষণ আহিলাত পৰিণত হ'ব-

- এনে আলোচনীয়ে শিক্ষার্থীসকল বাস কৰা সমাজখনৰ ঐতিহ্য আৰু পৰম্পৰাৰ লগতে বাহিৰৰ পৃথিৱীখনৰ সংবাদ প্রকাশ কৰি শিক্ষার্থীসকলক জ্ঞানসমৃদ্ধ কৰিব পাৰে,
- পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ বার্তা বিয়পাব পাৰে,
- শিক্ষার্থীৰ মাজত নৈতিক আৰু আধ্যাত্মিক প্রমূল্য গঢ় দিব পাৰে,
- অৱসৰৰ সময় সঠিকভাৱে খৰছ কৰাৰ পন্থা দেখুৱাব পাৰে,
- ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় বুজাপৰা বিকশাই তোলে,
- সমালোচনাত্মক চিন্তা আৰু যুক্তি প্রয়োগৰ শক্তি বিকশাই তোলাত সহায় কৰা জটিল উত্তৰযুক্ত প্রশ্ন (puzzles) আৰু সাঁথৰ (riddles) আদিৰ সৈতে ল'ৰা-ছোৱালীক পৰিচয় কৰাই দি এনে আলোচনীবোৰে মনোৰঞ্জনৰ উৎস হিচাপে কাম কৰে।

অর্থাৎ, আলোচনী হ'ল বাৰে বাৰে পঢ়িব পৰা, অইনৰ সৈতে ভগাই ল'ব পৰা নাইবা ভৱিষ্যত উল্লেখৰ বাবে সাঁচি ৰাখিব পৰা এটা অতি গুৰুত্বপূর্ণ মাধ্যম।

৮.৫ আলোচনা (SEMINAR)

আলোচনা বা অধ্যয়ন চক্রবোৰ হ'ল শিক্ষণৰ পদ্ধতি আৰু মাধ্যম। পৰম্পৰাগত বক্তৃতা পদ্ধতিত এটা অ-প্রত্যক্ষ (un-directional) পদ্ধতিৰে শিক্ষকৰ পৰা শিক্ষার্থীলৈ আন্তঃক্রিয়া প্রবহিত হয়। কিন্তু এখন অধ্যয়ন চক্রত দলৰ প্রতিগৰাকী সদস্যই, শিক্ষকেই হওক অথবা শিক্ষার্থীয়েই হওক, পৰস্পৰৰ সৈতে ভাৱ বিনিময় কৰাৰ সুযোগ পায়। এখন অধ্যয়ন চক্রত ভাগ লোৱা সকলো অংশগ্রহণকাৰীৰ মাজত স্পষ্ট মৌলিক ভাৱ বিনিময় হোৱাটো বাধ্যতামূলক। শিক্ষক এগৰাকীৰ দক্ষতাৰ ওপৰত বক্তৃতা এটা ভালনে বেয়া হয় সেয়া নির্ভৰশীল। একেদৰে, এখন আলোচনা চক্র আয়োজন কৰাৰ আঁৰত থকা উদ্দেশ্যত সফলতা লাভ কৰিবলৈ আলোচনা চক্র পতাত আগভাগ লোৱা শিক্ষকগৰাকী সাংগঠনিক দক্ষতা আৰু পৰিচালনাৰ ভিত্তিত আলোচনা চক্রখনৰ আন্তঃক্রিয়াশীল কালছোৱা দক্ষ পাৱদর্শিতাৰে সফলভাৱে সম্পন্ন কৰাটো প্রয়োজনীয়।

৮.৫.১ আলোচনা চক্র আয়োজন কৰাৰ পর্যায় বা ক্রম

- **বিষয় বস্তু চিনাক্তকৰণ ঃ** সাধাৰণতে আলোচনা চক্র এখনৰ আয়োজন কৰাৰ সময়ত আগতীয়াকৈ আলোচনাৰ বিষয়বস্তু আৰু উদ্দেশ্য ঘোষণা কৰা হয়। তেতিয়া আলোচনা চক্রত ভাগ ল'ব খোজাসকলে প্রস্তুতি চলাব পাৰে। বিষয়বস্তুকেন্দ্রিক ভাৱ- চিন্তা সজাই লোৱা, তথ্য সংগ্রহ কৰা আদি কাম হ'ল প্রস্তুতিৰ অংশ। উদাহৰণ স্বৰূপে ধৰা হ'ল পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা সম্পর্কে

এখন আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। আলোচনা চক্ৰৰ বিষয়বস্তু হ'ল- "পাৰিপার্শ্বিকতা সন্দর্ভত সজাগতা সৃষ্টি কৰাত পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ ভূমিকা।" আলোচনা চক্ৰত আলোচিত হ'ব লগীয়া উপ-বিষয় কেইটা তলত দিয়া ধৰণে ভগাই লোৱা হ'ল-

- পাৰিপার্শ্বিকৰ অৱনতি
- জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ
- গোলকীয় উষ্ণতা বৃদ্ধি
- জলবায়ু পৰিবর্তন
- বিষুৱীয় বনাঞ্চলৰ ধ্বংস ইত্যাদি

➢ **অংশগ্ৰহণকাৰীক অনুপ্ৰাণিত কৰা ঃ** কর্তৃপক্ষই অংশগ্ৰহণকাৰীসকলক আলোচনা চক্ৰৰ বিষয়বস্তু কেন্দ্ৰিক লিখিত কাকত প্ৰস্তুত কৰিবলৈ অনুৰোধ জনাব পাৰে। এই কাকতসমূহ অধ্যয়ন চক্ৰ আৰম্ভ হোৱাৰ বহু আগতে কর্তৃপক্ষৰ হাতত পৰাৰ ব্যৱস্থা কৰিব লাগে। আন অর্থত কর্তৃপক্ষই অংশগ্ৰহণকাৰীসকলক আলোচনা চক্ৰখনৰ সৈতে সর্বতোপ্রকাৰে জড়িত কৰাৰ চেষ্টা কৰিব লাগে আৰু আচল আলোচনা আৰম্ভ হোৱাৰ আগতে বিষয়বস্তুটো সম্পর্কে ভবা তথা অনুভৱ কৰাৰ সুযোগ দিব লাগে। এনে জড়িতকৰণ আৰু অনুপ্ৰেৰণাদায়ক কার্যৰ ফলত অংশগ্ৰহণকাৰীয়ে কোনো ভয়-শংকা নথকাকৈ নিজৰ দৃষ্টিভংগী প্ৰকাশ কৰিব পাৰিব।

যদি শিক্ষার্থীৰ কাৰণে বিদ্যালয় অথবা শ্ৰেণীকোঠা কেন্দ্ৰিক আলোচনা চক্ৰৰ আয়োজন কৰা হয় তেন্তে লিখিত কাকত পৰিৱেশন বাধ্যতামূলক কৰিব লাগে। যদি ছাত্ৰ-ছাত্ৰীসকলে লিখিত কাকত কেনেকৈ প্ৰস্তুত কৰে নাজানে তেন্তে শিক্ষকে তেওঁলোকক সহায় কৰা উচিত।

➢ **জাননী ঃ** আলোচনা চক্ৰ অনুষ্ঠিত হ'বলগীয়া তাৰিখ, সময় আৰু স্থানৰ আগতীয়া জাননী জাৰি কৰিলে অংশগ্ৰহণকাৰীসকলে লিখিত কাকত প্ৰস্তুত কৰাৰ সময় পোৱাৰ লগতে আলোচনা চক্ৰখনত ভাগ ল'বলৈ মনোবৈজ্ঞানিকভাৱেও সাজু হ'ব পাৰে। জাননীয়ে অংশগ্ৰহণকাৰীসকলক প্ৰয়োজনীয় গৃহকার্য কৰা আৰু সম্পূর্ণ প্ৰস্তুতিৰে অধ্যয়ন চক্ৰত ভাগ লোৱাত সহায় কৰে। ইয়াৰ ফলত উপস্থাপনৰ মান উন্নত হোৱাৰ লগতে অংশগ্ৰহণৰ মানো উন্নত হয়।

➢ **প্ৰকাশিত বিৱৰণৰ (write-ups) বিতৰণ ঃ** আলোচনা চক্ৰৰ লগত জড়িত বিষয়বস্তু আৰু উপ-বিষয়সমূহৰ প্ৰকাশিত বিৱৰণ আগতীয়াকৈ বিতৰণ কৰাৰ ব্যৱস্থা কৰিলে অংশগ্ৰহণকাৰীসকলে অধ্যয়নৰ বাবে পর্যাপ্ত সময় পাব। অংশগ্ৰহণকাৰীয়ে প্ৰকাশিত বিৱৰণ-সূচীক লৈ স্বতন্ত্ৰভাৱে চিন্তা কৰি নিজৰ প্ৰতিক্ৰিয়া, সন্দেহ দূৰ কৰাৰ (যদি কিবা আছে) বাবে প্ৰশ্ন আদি সজাই ল'ব

পাৰিব নাইবা বিষয়টোত ব্যুৎপত্তি থকা কাৰোবাৰ সৈতে আলোচনা কৰিব পাৰিব। ইয়াৰ ফলত অধ্যয়ন চক্রখনত অংশগ্রহণৰ মান উন্নত হয়।

৪.৫.২ পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ মাধ্যম হিচাপে আলোচনা চক্রৰ সুবিধা

প্রয়োগ, বিশ্লেষণ, তাত্বিক দ্বন্দ, মূল্যায়ন, সমস্যা সমাধান আৰু সিদ্ধান্ত গ্রহণৰ দৰে উচ্চ বোধসম্পন্ন দক্ষতাবোৰৰ বিকাশৰ বাবে আলোচনা চক্রবোৰ প্রয়োজনীয় আৰু যথোপযুক্ত মাধ্যম। ইয়াৰ সুবিধাসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি-

- এখন সাধাৰণ আলোচনা চক্র হ'ল শিক্ষাৰ বিভিন্ন ক্ষেত্র আৰু পাৰিপার্শ্বিকতাৰ বিভিন্ন দিশৰ সৈতে জড়িত বহুতো বিশেষজ্ঞ একত্রিত হোৱাৰ সুযোগ। এনে আলোচনা চক্রবোৰৰ পৰা পাৰিপার্শ্বিকতাজনিত সমস্যাবোৰ সমাধান কৰাৰ পদ্ধতি বাহিৰ কৰাতো সহায়কাৰীৰ ভূমিকা ল'ব পাৰে।
- আলোচনা চক্রবোৰত শিক্ষার্থীয়ে নিজৰ চিন্তাবোৰ শৈক্ষিক পৰিৱেশ এটাত স্পষ্ট, সংক্ষিপ্ত আৰু যুক্তিযুক্ত ভাৱে উপস্থাপন কৰিবলৈ শিকে। ই এক ফলপ্রসূ পন্থা আৰু স্থানীয় তথা আঞ্চলিক পর্যায়ত পাৰিপার্শ্বিকতাজনিত সমস্যাবোৰ দায়িত্ব গ্রহণত গভীৰ প্রভাৱ পেলাব পাৰে।
- আলোচনা চক্রত অংশগ্রহণ কৰাসকলে সৰু সৰু গোটত কেনেদৰে কাম কৰে সেয়া শিকাৰ সুযোগ পায় আৰু পাৰিপার্শ্বিকতা কেনেকৈ ৰক্ষা কৰিব পাৰি সেই বিষয়ে মানুহক সজাগ কৰিব পাৰে।
- শিক্ষক আৰু শিক্ষার্থীৰ বাবে আয়োজিত বিদ্যালয় পর্যায়ৰ আলোচনা চক্র এখনে পাৰিপার্শ্বিকতা ৰক্ষা কৰাত কেনেদৰে দায়িত্বশীল ভূমিকা ল'ব পাৰি, কেনেদৰে স্বাস্থ্যকৰ অভ্যাস অনুসৰণ কৰিব পাৰি, প্রদূষণ নিয়ন্ত্রণ কৰিব পাৰি, পানী বচাব পাৰি, পেলনীয়া বস্তু পুনৰ ব্যৱহাৰোপযোগী কৰিব পাৰি, পৰিমিতভাৱে প্রাকৃতিক সম্পদ ব্যৱহাৰ কৰিব পাৰি সেই সম্পর্কে কুমলীয়া মনবোৰ প্রভাৱিত কৰাত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ প্রচাৰ মাধ্যম মানে কি?

.....

.....

প্রশ্ন নং ২ঃ আপুনি জনা প্রচাৰ মাধ্যমৰ প্রকাৰ কেইটাৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৩ঃ বাতৰি-কাকত আৰু আলোচনীৰ মাজৰ পাৰ্থক্য কি?

.....

প্ৰশ্ন নং ৪ঃ বিদ্যালয়ৰ আলোচনী এখনে কোনবোৰ কাম সম্পাদন কৰিব পাৰে?

.....

.....

প্ৰশ্ন নং ৫ঃ এখন অধ্যয়ন চক্ৰ আয়োজন কৰাৰ পৰ্যায়বোৰ / ক্ৰমবোৰ কি কি?

.....

.....

প্ৰশ্ন নং ৬ঃ বিদ্যালয় পৰ্যায়ৰ অধ্যয়ন চক্ৰ এখনে কেনেধৰণৰ সমস্যাৰ ওপৰত আলোকপাত কৰা উচিত?

.....

.....

৮.৬ কৰ্মশালা

কৰ্মশালা হ'ল শিক্ষাগ্ৰহণৰ এক আন্তঃক্ৰিয়াশীল ৰূপ। ইয়াত সাধাৰণতে কোনো এটা বিশেষ কৰ্মসংহতিৰ (set of task) অংশ হিচাপে শিক্ষাৰ্থীসকলে দলৱদ্ধভাৱে কাম কৰে। কৰ্মশালাৰ ইংৰাজী প্ৰতিশব্দ 'Workshop' অভিযান্ত্ৰিক ক্ষেত্ৰৰ পৰা ধাৰলৈ লোৱা হৈছে। কৰ্মশালাত অংশগ্ৰহণকাৰী সকলে কিছুমান কাম হাতে-কামে কৰি কিবা এটা ফলাফল লাভ কৰাৰ চেষ্টা কৰে।

উচ্চ শিক্ষা গ্ৰহণৰ এটা প্ৰধান কৌশল হিচাপে কৰ্মশালাক ব্যৱহাৰ কৰা হয়। সৰু সৰু গোটত বিভক্ত হৈ আৰু ব্যক্তিগত অন্বেষণৰ জৰিয়তে শিক্ষাৰ্থীৰ মনত জ্ঞান সৃজন অথবা গঠন (formulating or constructing) কৰিবলৈ তেওঁলোকৰ প্ৰত্যক্ষ অংশগ্ৰহণৰ ওপৰত কৰ্মশালাৰ জৰিয়তে শিক্ষণ পদ্ধতিটো যথেষ্টখিনি নিৰ্ভৰশীল। পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাদান কৰিবলৈ কৰ্মশালা পদ্ধতিটো অতি উপযোগী। পাৰিপাৰ্শ্বিক প্ৰদূষণ নিয়ন্ত্ৰণ, বৃক্ষৰোপণ, মানুহ আৰু পাৰিপাৰ্শ্বিকৰ সম্পৰ্ক উন্নত কৰিবলৈ সজাগতা অভিযান, সাম্প্ৰতিক পাৰিপাৰ্শ্বিক অৱস্থাৰ মূল্যাংকন আদি বিষয়ৰ ওপৰত কৰ্মশালাৰ আয়োজন কৰিব পৰা যায়।

প্ৰতিখন কৰ্মশালাই কিছুমান নিৰ্দিষ্ট উদ্দেশ্য পূৰণৰ অৰ্থে আয়োজন কৰা হয়। এই উদ্দেশ্যবোৰ আমাৰ বোধশক্তি বা চেতনা (cognitive) আৰু মনোসঞ্চালন (psychomotor) দিশৰ সৈতে জড়িত। বোধশক্তি বা চেতনা জড়িত উদ্দেশ্যৰ সহায়ত তাত্বিক দিশৰ জ্ঞান বঢ়োৱাৰ প্ৰয়াস কৰা হয়। মনোসঞ্চালন উদ্দেশ্যবোৰ স্বতন্ত্ৰভাৱে কোনো কাম কৰিবলৈ প্ৰয়োজন হোৱা দক্ষতা বৃদ্ধি আৰু বিভিন্ন কৌশল-দৃষ্টিভংগীৰে বিষয় এটা চালি-জাৰি চোৱাৰ প্ৰশিক্ষণ আদিৰ দৰে ব্যৱহাৰিক দিশৰ সৈতে জড়িত।

৪.৬.১ কৰ্মশালাৰ ক্ৰিয়া-কলাপ

- কৰ্মশালা পদ্ধতি ব্যৱহাৰ কৰি কোনো এটা সমস্যাৰ সমাধান বিচৰা, অন্বেষণ কৰা আৰু চিনাক্ত কৰা হয়। কৰ্মশালাৰ জৰিয়তে কোনো অৱস্থাৰ বিস্তৃত অধ্যয়ন, ইয়াৰ প্ৰেক্ষাপট আৰু সামাজিক প্ৰয়োগ ফল বিচাৰ কৰিব পৰা যায়।
- বিভিন্ন ক্ষেত্ৰৰ নতুন কৰ্ম-অনুশীলন আৰু উদ্ভাৱনবোৰৰ বিষয়ে কৰ্মশালাৰ জৰিয়তে সজাগতাৰ সৃষ্টি কৰা আৰু প্ৰশিক্ষণ দিয়া হয়।
- কৰ্মশালাই বিশেষ বৃত্তিগত, বৃত্তি প্ৰশিক্ষণ সম্বন্ধীয় অথবা সমূহীয়া সেৱামূলক কাম-কাজবোৰ যুগুত কৰাৰ সুযোগ আগবঢ়ায়।

৮.৬.২ কৰ্মশালা আয়োজন কৰাৰ নিয়ম

কৰ্মশালা আয়োজন কৰাৰ নিয়মবোৰক দুটা ভাগত ভগাব পাৰি-প্ৰাক্-সক্ৰিয় (pre-active) আৰু সক্ৰিয় (active) নিয়ম। দুয়োটা ভাগৰে নিয়মবোৰ তলত উল্লেখ কৰা হ'ল-

প্ৰাগ্-সক্ৰিয় অৱস্থাৰ কাম- কাজ

- লক্ষ্য নিৰ্ধাৰণ কৰক ঃ প্ৰতিখন কৰ্মশালাৰে একোটা লক্ষ্য থাকিব লাগে। স্পষ্ট লক্ষ্য নথকাকৈ মানুহ গোট খুওৱাটো অৰ্থহীন কথা।
- লক্ষ্য গোট বাছি লওক (target group) ঃ লক্ষ্য গোট সম্পৰ্কীয় সিদ্ধান্তটো অতি গুৰুত্বপূৰ্ণ। ইয়াৰ কৰ্মশালাখনৰ উদ্দেশ্যৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক আছে। কৰ্মশালাত ভাগ লোৱাসকলে কৰ্মশালাৰ আলোচনা আৰু কাম-কাজলৈ সক্ৰিয় অৱদান আগবঢ়াব বুলি আশা কৰা হয়।
- আলোচনাৰ বিষয় ঃ আলোচনাৰ মূল বিষয়বোৰৰ এখন তালিকা প্ৰস্তুত কৰি লোৱা উচিত। এই বিষয়বোৰ পাছত বহলাই আলোচনা কৰা উচিত। প্ৰতিটো কৰ্ম-অনুশীলনৰ বাবে নিৰ্দিষ্ট সময় বান্ধি লোৱা উচিত।
- এটা অনুগামী কাৰ্য পৰিকল্পনা (follow-up plan) যুগুত কৰক ঃ কৰ্মশালা এখন স ফল হ'লনে নাই সেয়া গম পোৱাৰ একমাত্ৰ উপায় হ'ল এটা ফলপ্ৰসূ অনুগামী কাৰ্য পৰিকল্পনা ৰূপায়ণ কৰা।

সক্ৰিয় পৰ্যায়ৰ কাম-কাজ

- প্ৰথম পৰ্যায়ত অংশগ্ৰহণকাৰীসকলৰ আগত কৰ্মশালাৰ বিষয়বস্তু উত্থাপন কৰা হয়। এগৰাকী সমল ব্যক্তি নাইবা বিশেষজ্ঞই বিষয়বস্তুটোৰ তাত্বিক আৰু ব্যৱহাৰিক দিশবোৰ বুজাই দিয়ে। তাৰপাছত অংশগ্ৰহণকাৰীসকলে খোকোজা থকা দিশবোৰ প্ৰশ্ন-উত্তৰৰ জৰিয়তে খৰছি মাৰি বুজাৰ সুযোগ পায়।
- দ্বিতীয় পৰ্যায়ত অংশগ্ৰহণকাৰীসকলক সৰু সৰু দলত ভাগ কৰা হয়। বিষয়বস্তু

আৰু প্ৰসংগৰ আধাৰত দলবোৰ গঠন কৰা হয়। কি কাম কৰিব লাগিব এগৰাকী বিশেষজ্ঞই বুজাই দিয়ে। প্ৰতিটো দলেই নিজাববীয়াকৈ কামবোৰ কৰিব লাগিব আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত শেষ কৰিব লাগিব।

- কৰ্মশালাৰ সামৰণিত প্ৰতিটো দলৰ প্ৰতিনিধিয়ে ফলাফলবোৰ উপস্থাপন কৰিব। সকলোবোৰ দলৰ উপস্থাপন শেষ হোৱাৰ পাছত অংশগ্ৰহণকাৰীসকলে ফলাফলবোৰ আলোচনা কৰিব। অংশগ্ৰহণকাৰী সকলক মতামত আৰু পৰামৰ্শ আগৰঢ়োৱাৰ সুযোগ দিয়া যাব। একেবাৰে শেষত প্ৰয়োজনীয় কথা যোগ কৰি অথবা অদৰকাৰী কথা বাদ দি কৰ্মশালাৰ প্ৰতিবেদন প্ৰস্তুত কৰা হ'ব।

৮.৬.৩ কৰ্মশালাৰ সুবিধা

- উচ্চ বোধশক্তি আৰু মনোক্ৰিয়াশীল উদ্দেশ্য সাধন কৰিবলৈ কৰ্মশালা পদ্ধতি ব্যৱহাৰ কৰিব পৰা যায়।
- কৰ্মশালা পদ্ধতিয়ে আপেক্ষিকভাৱে বিমূৰ্ত ধাৰণাবোৰৰ অন্বেষণ অথবা ধাৰণাবোৰ সম্পৰ্কত ব্যুৎপত্তি লাভ কৰাত শিক্ষাৰ্থীক সহায় কৰে।
- শিক্ষাৰ বিভিন্ন অনুশীলনৰ বিষয়ে জ্ঞান আৰু দখল বিকশাই তোলাৰ বাবে কৰ্মশালা পদ্ধতি সুফলদায়কভাৱে প্ৰয়োগ কৰিব পৰা যায়।
- এগৰাকী শিক্ষকৰ ব্যক্তিগত সামৰ্থৰ বিকাশ ঘটাবলৈ দৰকাৰ হোৱা সুবিধা আৰু পৰিৱেশো কৰ্মশালাই গঢ়ি দিব পাৰে।
- কৰ্মশালা পদ্ধতিয়ে সহযোগিতা আৰু দলবদ্ধভাৱে কাম কৰাৰ মানসিকতা বিকশাই তোলে।
- কৰ্মশালাই অংশগ্ৰহণৰ মনোভাৱ, ক্ষুদ্ৰ গোটত কৰা কাৰ্য-কলাপ আৰু সমস্যা সমাধান আদি দিশৰ ওপৰত আলোকপাত কৰে। অভিজ্ঞতাৰ 'সক্ৰিয়' প্ৰকৃতিৰ বাবে এই কামবোৰে বৃহৎ সংখ্যক শিক্ষাৰ্থীক অংশগ্ৰহণ কৰা আৰু শিক্ষাৰ বাবে অনুপ্ৰাণিত কৰে।

৮.৭ প্ৰদৰ্শনী

প্ৰদৰ্শনী এখনত সুপৰিকল্পিতভাৱে বিভিন্ন বস্তু আৰু দ্ৰব্যসম্ভাৰ মুকলিকৈ দেখুওৱা হয়। বিদ্যালয়ত আয়োজন কৰা প্ৰদৰ্শণীবোৰৰ জৰিয়তে সাধাৰণতে অভিভাৱক সাধাৰণদৰ্শক আৰু ছাত্ৰ-ছাত্ৰীক কিবা বিশেষ কথা বুজোৱাৰ পৰিকল্পনা কৰা হয়।

প্ৰদৰ্শনীৰ জৰিয়তে পাৰিপাৰ্শ্বিকতাৰ সৈতে জড়িত বিষয় আৰু সমস্যাবোৰৰ ওপৰত আলোকপাত কৰিব পৰা যায়। কথাবোৰ স্থিৰচিত্ৰ, ব্যখ্যামূলক চিত্ৰ, তালিকা, মানচিত্ৰ, আৰ্হি, ৰেখাচিত্ৰ আদিৰ সহায়ত প্ৰদৰ্শিত কৰা হয়। এখন সুপৰিকল্পিত প্ৰদৰ্শনীয়ে পাৰিপাৰ্শ্বিকৰ উন্নয়ন

আৰু সুৰক্ষাত মানুহৰ সক্ৰিয় অংশগ্ৰহণ সুনিশ্চিতকাৰী অনুপ্ৰেৰণাৰ উৎস হিচাপে কাম কৰিব পাৰে।

বিদ্যালয়বোৰত প্ৰদৰ্শনী আয়োজন কৰাৰ নিয়মটোক বাৰ্ষিক উৎসৱৰ ৰূপ দিব পৰা যায়। বিদ্যালয়বোৰে শিক্ষাবৰ্ষৰ আৰম্ভণিতে এখন প্ৰদৰ্শনী পতাৰ কথাটো পৃষ্ঠপোষকতা কৰা উচিত। সম্ভাব্য প্ৰদৰ্শনীৰ বাবে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক দিহা-পৰামৰ্শ দিয়া আৰু নেতৃত্ব বহন কৰা উচিত। প্ৰদৰ্শিত হ'বলগীয়া বস্তুবোৰ বিষয় অনুসৰি সজাই লোৱা আৰু অৰ্থবহভাৱে লেবেল লগোৱা কাম দুটা অতি গুৰুত্বপূৰ্ণ।

প্ৰদৰ্শনীৰ বিষয়বস্তু সজাওতে তলৰ কথাবোৰ মনত ৰখা উচিত-

- একেটা কোঠাতে সংখ্যাধিক প্ৰদৰ্শন সামগ্ৰী ৰাখিব নালাগে।
- প্ৰদৰ্শিত বস্তুবোৰ ভালদৰে পোহৰ পৰা স্থানত ৰাখিব লাগে।
- প্ৰদৰ্শনীখনৰ বিষয়বস্তু একেটাই হ'লে ভাল।
- লেবেলবোৰ চমু আৰু সহজে বুজি পোৱা হ'ব লাগে।
- প্ৰদৰ্শিত বস্তুবোৰৰ ব্যাখ্যা যিমান পাৰি সিমান চমুকৈ দিবলৈ চেষ্টা কৰিব লাগে।
- ৰঙীন আৰু গতিশীল প্ৰদৰ্শিত সামগ্ৰীয়ে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰে।

প্ৰদৰ্শনীৰ গুৰুত্ব তলত দিয়া ধৰণৰ (Sampath, 1987) ঃ

(i) প্ৰদৰ্শনী হ'ল গণসংযোগৰ এটা ফলপ্ৰসূ মাধ্যম। ই বৃহৎ সংখ্যক লোকক নিৰ্দেশনা দিব পাৰে।

(ii) প্ৰদৰ্শনীত ভাগ লোৱাসকলৰ আত্ম- সক্ৰিয়তাৰ (self-activity) বিকাশ ঘটে। বিশেষ প্ৰতিভাবোৰে আত্মপ্ৰকাশ কৰে আৰু সৃজনশীলতা বাঢ়ে।

(iii) বিভিন্ন কাৰ্য-কলাপ আৰু প্ৰক্ৰিয়াৰ ফলাফলবোৰ ছাত্ৰ-ছাত্ৰীয়ে খুব ভালদৰে বুজি পায়।

(iv) প্ৰদৰ্শিত বস্তুৰ বিষয়ে ব্যাখ্যা কৰা ছাত্ৰ-ছাত্ৰীসকলে অভিব্যক্তি প্ৰকাশৰ কলা আয়ত্ব কৰে আৰু নিজৰ মনৰ ভাৱ দক্ষতাৰে প্ৰকাশ কৰিব পৰা হয়।

(v) দলীয়ভাৱে কাম কৰাৰ মানসিকতাক অনুপ্ৰাণিত কৰা হয়। কাৰণ প্ৰদৰ্শনী এখন পৰিচালনা কৰাতো হ'ল এক সহযোগিতামূলক প্ৰয়াস।

(vi) প্ৰদৰ্শনী এখনে বৃত্তিগত প্ৰমূল্য, নান্দনিক প্ৰমূল্য, সাংস্কৃতিক প্ৰমূল্য, শৃংখলাবদ্ধতাৰ প্ৰমূল্য আৰু নীতিগত প্ৰমূল্যৰ দৰে প্ৰমূল্যসমূহৰ বিভিন্ন মাত্ৰাত বিকাশ ঘটে।

(vii) ছাত্ৰ-ছাত্ৰীয়ে প্ৰদৰ্শনীৰ বাবে প্ৰস্তুত কৰা সামগ্ৰীবোৰৰ বিষয়ে অভিভাৱক আৰু দৰ্শকে ধাৰণা কৰিব পাৰে আৰু প্ৰদৰ্শনীবোৰে অভিভাৱক আৰু বিদ্যালয়ৰ মাজৰ সম্পৰ্ক উন্নত কৰে।

৮.৮ আর্হি

আর্হি হ'ল বাস্তৱ সামগ্রীৰ পৰিপূৰক। আর্হিক শিক্ষণ সামগ্রী হিচাপে ব্যৱহাৰ কৰা হয়। বিভিন্ন কাৰণত বাস্তৱ সামগ্রী শ্রেণীকোঠালৈ অনাতো সম্ভৱপৰ নহ'বও পাৰে। শিক্ষার্থীক দেখুৱাব খোজা বাস্তৱ সামগ্রী এপদ যথেষ্ট ডাঙৰ নাইবা অতি সৰু হ'ব পাৰে।

আর্হিবোৰ হ'ল মূল সামগ্রীৰ অনুৰূপ অথবা প্রতিলিপি। আর্হিবোৰ হ'ল বাস্তৱ বস্তুৰ ত্রিমাত্রিক উপস্থাপন। আর্হিবোৰ হ'ল সংগ্রথিত (concrete) সামগ্রী। বাস্তৱ সামগ্রীৰ গঠন নাইবা কার্য-কলাপ আদিক আর্হিৰ সহায়ত পৰিস্কাৰকৈ ব্যাখ্যা কৰা হয়। আর্হিবোৰ সক্রিয় অথবা স্থিৰ হ'ব পাৰে। সক্রিয় আর্হি এটাই অতি সোনকালে আমাৰ দৃষ্টি আকর্ষণ কৰে। ই শিক্ষা গ্রহণ কৰিবলৈ অনুপ্রেৰণা যোগাৱাৰ কাম কৰিব পাৰে।

বিভিন্ন আর্হি প্রস্তুত কৰি কোনো প্রকল্প- কার্যৰ (project work) বাবে একোটা বিষয় সজাই ল'ব পাৰি। সৰু ল'ৰা-ছোৱালীৰ মনত সৃজনশীল কাম-কাজৰ প্রতি আগ্রহ জগাই তোলাটো এটা প্রয়োজনীয় কাম। আর্হি প্রস্তুত কৰিবৰ বাবে ডাঠ কাগজৰ টুকুৰা, প্লাষ্টিক, বোকা মাটি, থার্ম'ক'ল, প্লাষ্টাৰ অৱ পেৰিছ, কাঠ, ধাতু আদি সামগ্রী ব্যৱহাৰ কৰা হয়।

শিক্ষণৰ সময়ত আর্হিৰ ব্যৱহাৰ কৰি যথেষ্ট সুফল পোৱা যায়। আর্হিয়ে তলত উদ্দেশ্য সমূহ সাধন কৰে-

- আর্হিয়ে বাস্তৱক সৰল কৰি তোলে। আর্হিবোৰ ত্রিমাত্রিক হোৱা বাবে আর্হিয়ে শিক্ষার্থীৰ মনত আগ্রহৰ মাত্র বৃদ্ধি কৰে।
- আর্হিয়ে বাস্তৱ বস্তু এটাৰ গঠন আৰু কার্য-কলাপ স্পষ্টৰূপত ব্যাখ্যা কৰাত সহায় কৰে।
- আর্হিয়ে বৃহৎ আকাৰৰ বস্তু এটাক নিৰীক্ষণসাধ্য ৰূপলৈ সলনি কৰে।
- কোনো বৃহৎ ঔদ্যোগিক গোট নাইবা বৃহৎ যন্ত্রৰ সৈতে জড়িত ধাৰণাবোৰ আর্হিৰ সহায়ত শুদ্ধ ৰূপত জানিব পৰা যায়।
- এটা গতিশীল আর্হিয়ে অতি সহজে ছাত্র-ছাত্রীৰ মনোযোগ আকর্ষণ কৰিব পাৰে আৰু আগ্রহ বৃদ্ধি কৰিব পাৰে। ছাত্র-ছাত্রীৰ এই বর্দ্ধিত আগ্রহ আৰু মনোযোগক উপযুক্তভাৱে শিক্ষণ প্রক্রিয়াত ব্যৱহাৰ কৰিব লাগে।
- আর্হি প্রস্তুত কৰা কামে ছাত্র-ছাত্রীৰ সৃজন ক্ষমতাৰ বিকাশ ঘটায়। কোনো এটা বিষয়ক লৈ ছাত্র এজনে নিজে তৈয়াৰ কৰা আর্হি এটাৰ পৰা ছাত্রজনে শিক্ষকে তৈয়াৰ কৰা আর্হি এটাতকৈ বহু বেছি কথা শিকিব পাৰিব। কাৰণ আর্হি নিজ হাতেৰে প্রস্তুত কৰা কার্যত প্রত্যক্ষ অভিজ্ঞতাৰ কথা সাঙোৰ খাই আছে।

  পাৰিৰ্শ্বিকতা বিষয়ক শিক্ষাৰ ক্ষেত্রত বিদ্যালয়ৰ পৰিৱেশতেই ছাত্র-ছাত্রীক বিভিন্ন আর্হি প্রস্তুত কৰাৰ বিভিন্ন প্রকল্পৰ কাম দিব পাৰে। ছাত্র-ছাত্রীয়ে বনস্পতি সংগ্রহালয়, ঘৰচীয়া আৰু বনৰীয়া জন্তু, পর্বত, বৈ যোৱা নদী আদিৰ আর্হি প্রস্তুত কৰিব পাৰে। এইদৰেই

পাৰিপার্শ্বিকৰ সৈতে জড়িত বিভিন্ন সামগ্রীৰ আৰ্হি প্ৰস্তুত কৰিবলৈ দি শিক্ষকে ছাত্র-ছাত্রীক পৰিৱেশ সম্পৰ্কে সজাগ কৰি তোলাৰ লগতে পৰিৱেশৰ অৱস্থা উন্নত কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ কর্মশালা মানে কি?

.....

.....

প্রশ্ন নং ৮ঃ প্রাক্-সক্রিয় পর্যায়ত কর্মশালা এখনৰ আয়োজকে কৰিবলগীয়া প্রয়োজনীয় কামবোৰৰ বিষয়ে উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৯ঃ প্রদর্শনী এখনৰ বাবে প্রদর্শন সামগ্রীবোৰ কেনেদৰে সজোৱা উচিত লিখক।

.....

.....

প্রশ্ন ১০ ঃ প্রদর্শনীৰ জৰিয়তে বিকাশ ঘটিব পৰা পাঁচ প্রকাৰৰ প্রমূল্যৰ বিষয়ে লিখক।

.....

.....

প্রশ্নঃ ১১ ঃ শিক্ষণ প্রক্রিয়াত আৰ্হিয়ে কেনেকৈ সুফল প্রদান কৰিব পাৰে?

.....

.....

৮.৯ দৃশ্য-শ্রব্য আহিলা

দৃশ্য-শ্রব্য আহিলা অথবা প্রযুক্তিগত মাধ্যম হ'ল দেখা আৰু শুনাৰ সুবিধা থকা নির্দেশনামূলক যন্ত্র। যিবোৰ কথা শিকাতো জৰুৰী তেনে কথাবোৰৰ আৰু শিক্ষার্থীৰ মাজত থকা অসুবিধাবোৰ আঁতৰাই শিক্ষা গ্রহণ প্রক্রিয়াটো উজু কৰি তোলাই হ'ল প্রযুক্তিগত মাধ্যমেৰে শিক্ষাদান কৰাৰ মূল লক্ষ্য। ই শিক্ষাগ্রহণৰ ত্রিকোণ প্রক্রিয়াটো সম্পন্ন কৰাত সহায় কৰে। অনুপ্রেৰণা, সন্দেহ বা প্রশ্নৰ স্পষ্টীকৰণ আৰু উদ্দীপনাই এই ত্রিকোণ প্রক্রিয়াটো গঠন কৰে। দৃশ্য-শ্রব্য আহিলাবোৰে তথ্যভিত্তিক শিক্ষা, অৱধাৰণশীলতা আৰু স্মৰণ, চিন্তা আৰু যুক্তিবাদিতা, কার্য-কলাপ, আগ্রহ, কল্পনা আৰু ধাৰণাৰ উন্নত আত্মীকৰণত উল্লেখযোগ্য সহায় আগবঢ়ায় (Aggarwal,2005)। পৰিৱেশ সম্পৰ্কীয় শিক্ষা অধিক ফলপ্রসূভাৱে গ্রহণত সহায় কৰিব পৰা কেইটামান দৃশ্য-শ্রব্য মাধ্যমৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

৮.৯.১ শিক্ষামূলক ৰেডিঅ'

ৰোডিঅ'ৰ উদ্ভাৱন ঘটাৰে পৰা আজিলৈকে যোগাযোগ ক্ষেত্ৰখনত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ৰেডিঅ'ই কেৱল শব্দ বা ধ্বনি প্ৰচাৰ কৰে যদিও এই কথাবোৰৰ প্ৰমূল্য জগাই তুলিব পৰা, কল্পনা শক্তিক অনুপ্ৰাণিত কৰিব পৰা তথা জ্ঞান আৰু বোধশক্তি বঢ়াব পৰা ক্ষমতা থাকে। ৰেডিঅ' হ'ল গণসংযোগৰ এটা শক্তিশালী মাধ্যম। পৃথিৱীৰ যিকোনো অঞ্চলৰ পৰা আন এক অঞ্চললৈ, লাগিলে তেনে অঞ্চল আওহতীয়াই নহওক কিয় ৰেডিঅ'ৰ সহায়ত তথ্য প্ৰেৰণ কৰা সম্ভৱ।

বিদ্যালয়ত পঢ়ি থকা ল'ৰা-ছোৱালীক শিক্ষামূলক নিৰ্দেশনা দিয়াতো ৰেডিঅ'ই এক প্ৰধান ভূমিকা পালন কৰে। বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে প্ৰচাৰিত অনুষ্ঠানবোৰক শিক্ষামূলক প্ৰচাৰণ বোলে। এনে অনুষ্ঠানবোৰ বিশেষকৈ শৈক্ষিক প্ৰতিষ্ঠানৰ সুবিধা হোৱাকৈ নিৰ্দিষ্ট পাঠদান সময়ৰ ভিতৰত নিৰ্দিষ্ট বাৰত প্ৰস্তুত কৰা হয়। বিধানসম্মত পাঠ্যসূচীৰ আধাৰত পাঠ্যক্ৰম ভিত্তিক বিষয়ৰ ওপৰত এনে অনুষ্ঠানবোৰ যুগুত কৰা হয়। শিক্ষামূলক অনুষ্ঠান প্ৰচাৰে শিক্ষকক তেওঁৰ শ্ৰেণীকোঠাকেন্দ্ৰিক নিৰ্দেশনাবোৰৰ পৰিপূৰক হিচাপে যথেষ্টখিনি সহায় কৰে। কিন্তু প্ৰক্ৰিয়াটোৰ পৰা অধিক সুফল লাভ কৰিবলৈ শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দিষ্ট ৰেডিঅ' অনুষ্ঠান শুনিবলৈ সাজু কৰাৰ লাগিব। অনুষ্ঠানবোৰৰ পৰা লাভ কৰা শিক্ষা সুদৃঢ় কৰিবলৈ শিক্ষকে একোটা উপযুক্ত অনুগামী কাৰ্য পৰিকল্পনাও যুগুত কৰিব লাগে।

ৰেডিঅ' অনুষ্ঠানৰ যোগেদি পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰদান কৰিব পাৰি। ৰেডিঅ'ৰ মাধ্যমেৰে প্ৰচাৰ কৰিবলৈ কোনো অনুষ্ঠান যুগুত কৰাৰ সময়ত তলত দিয়া কথাবোৰ মানি চলিব লাগে ঃ

- কোনো এক নিৰ্দিষ্ট বয়সৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিধানসম্মতভাৱে যুগুত কৰা পাঠ্যসূচীৰ পৰা বিষয়বস্তু বাছি লোৱাৰ কামটো বিশেষজ্ঞৰ হাতুৰাই কৰোৱা উচিত।
- পাঠৰ উদ্দেশ্য স্পষ্টকৈ উল্লেখ কৰা উচিত।
- ছাত্ৰ-ছাত্ৰীসকলে যাতে শুনিয়েই পাঠটোত সন্নিৱিষ্ট আটাইবোৰ ধাৰণা সহজে বুজি পায় ৰেডিঅ' অনুষ্ঠানটো বিশেষজ্ঞসকলে তেনেধৰণে প্ৰস্তুত কৰা উচিত।
- পাঠৰ উপস্থাপন আকৰ্ষণীয় হোৱা উচিত।
- পাৰি পাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ পাঠসমূহ প্ৰশ্ন আৰু উত্তৰৰ ৰূপত সহজে উপস্থাপন কৰিব পৰা যায়। এনে অনুষ্ঠানত কোনো বিষয়ৰ বিশেষজ্ঞ আৰু ছাত্ৰ-ছাত্ৰীসকলে মিলিত হৈ আলোচনাত ভাগ ল'ব পাৰে।
- ৰেডিঅ' প্ৰচাৰৰ বাবে বাণীৱদ্ধ কৰা অনুষ্ঠান এটা সংগ্ৰহালয়ত সংৰক্ষণ কৰি থ'ব আৰু প্ৰয়োজনসাপেক্ষে পুনৰ প্ৰচাৰ কৰিব পৰা যায়।

সুবিধাসমূহ

- ৰেডিঅ' এটা জনপ্রিয় মাধ্যম। অন্য মাধ্যমতকৈ ই কমখৰচী। দেশৰ প্রতিটো কোণতে ৰেডিঅ' কিনিবলৈ পোৱা যায়।
- ৰেডিঅ'ই আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়ো ধৰণৰ শিক্ষাৰ বিকাশত সহায় কৰে।
- প্রাপ্তবয়স্ক শিক্ষাৰ মাধ্যম হিচাপেও সমগ্র দেশতে ৰেডিঅ'ই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। ৰেডিঅ' অনুষ্ঠানৰ যোগেদি দেশৰ গ্রামাঞ্চলৰ বহুতো নিৰক্ষৰ প্রাপ্তবয়স্ক লোকক সাক্ষৰ কৰি তোলা হৈছে।
- স্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচ্ছন্নতা, কৃষি, পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা সম্পর্কে সজাগতা বৃদ্ধি কৰিবলৈ ৰেডিঅ' অনুষ্ঠানবোৰ অতি উপযোগী।
- স্থানীয় প্রয়োজন আৰু শ্রোতাৰ সামাজিক পটভূমি অনুসৰি ৰেডিঅ' অনুষ্ঠানবোৰ স্থানীয় ভাষাত প্রস্তুত কৰিব পাৰি।
- ৰেডিঅ' অনুষ্ঠানবোৰ অন্য কাম কৰি থকা সময়তো শুনিব পাৰি। দূৰণিবটীয়া শিক্ষার্থীসকলে যিকোনো পৰিস্থিতিতে মন কৰিলে ৰেডিঅ' অনুষ্ঠানবোৰ শুনিব পাৰে।
- ৰেডিঅ' প্রযুক্তি তুলনামূলকভাৱে কমখৰছী। বৈদ্যুতিক মাধ্যমৰ তুলনাত ৰেডিঅ' অনুষ্ঠানবোৰ প্রস্তুত কৰা পদ্ধতি সৰল।
- ৰেডিঅ' অনুষ্ঠানবোৰ প্রয়োজনসাপেক্ষে পুনৰ প্রচাৰ কৰিব পাৰি।

সীমাৱদ্ধতা

- ৰেডিঅ' অনুষ্ঠান প্রচাৰ কৰাটো হ'ল এটা একমুখী সংযোগ। শ্রোতাৰ শ্রৱণ বোধৰ (sense of hearing) ওপৰত ৰেডিঅ' অনুষ্ঠানৰ শৈক্ষিক মূল্য নির্ভৰশীল।
- অনুষ্ঠান প্রচাৰক আৰু শ্রোতাৰ মাজত মুখামুখি সম্পর্ক নথকা হেতুকে শিক্ষার্থীসকলে বুজি নোপোৱা ধাৰণাবোৰ তাৎক্ষণিকভাৱে স্পষ্ট কৰি ল'ব নোৱাৰে।
- সকলো প্রকাৰৰ বিষয়ৰ অনুষ্ঠান প্রচাৰৰ বাবে ৰেডিঅ' সিমান ফলপ্রসূ মাধ্যম নহয়। যেনে- প্রদর্শনমূলক আৰু ব্যাখ্যামূলক চিত্রাংকন সম্বলিত বিষয়বোৰ ৰেডিঅ'ৰ যোগেদি সুফলদায়কভাৱে প্রচাৰিত কৰিব পৰা নাযায়।
- শিক্ষামূলক ৰেডিঅ' অনুষ্ঠানবোৰ প্রচাৰ কৰাৰ সময় শিক্ষার্থীৰ বাবে উপযুক্ত-নহ'বও পাৰে। অনুষ্ঠান প্রচাৰৰ সময় অনুসৰি নিজৰ কাম-কাজ মিলাই লোৱাতো শিক্ষার্থীৰ বাবে অসুবিধাজনক হ'ব পাৰে।
- ভাৰতৰ দৰে দেশত শিক্ষাবিদসকলে ভিন্ন শ্রেণীৰ শ্রোতা, যেনে- নিৰক্ষৰ, আধাতে পঢ়িবলৈ এৰা, নিবনুৱা ইত্যাদিৰ বাবে অনুষ্ঠান পৰিকল্পনা কৰিব লাগে। সেয়েহে উমৈহতীয়া সুবিধা হোৱাকৈ ৰেডিঅ' অনুষ্ঠান যুগুত কৰাটো এটা কঠিন কাম।

৮.৯.২ শিক্ষামূলক টেলিভিছন

টেলিভিছন হ'ল গণসংযোগৰ এটা প্ৰধান মাধ্যম। ৰেডিঅ' অনুষ্ঠান আমি কেৱল শুনিবহে পাৰো। কিন্তু টেলিভিছন অনুষ্ঠানবোৰ শুনাৰ লগতে দেখাও পোৱা যায়। এই দৰ্শনসাধ্য বিশেষত্বৰ বাবে টেলিভিছন অধিক গতিশীল আৰু অৰ্থবহ মাধ্যমত পৰিণত হৈছে। টেলিভিছনে পৃথিৰীৰ মানুহৰ জীৱনলৈ বৈপ্লাৱিক পৰিৱৰ্তন আনিছে। পৃথিৰীৰ বিপুলসংখ্যক মানুহৰ বাবে টেলিভিছন হ'ল তথ্য আৰু মনোৰঞ্জনৰ এটা প্ৰধান উৎস। ঘৰ আৰু বিদ্যালয়ৰ পাছত সৰু ল'ৰা-ছোৱালীৰ শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াত গভীৰ প্ৰভাৱ পেলোৱা মাধ্যমটোৱেই হ'ল টেলিভিছন।

শিক্ষামূলক টেলিভিছন (Educational Television/ETV) হ'ল এটা পদ্ধতি যাৰ মাধ্যমেৰে কোনো এজেন্সীয়ে বিভিন্ন বিষয়ৰ ওপৰত শিক্ষামূলক অনুষ্ঠান প্ৰস্তুত আৰু সম্প্ৰচাৰ কৰে। শিক্ষামূলক টেলিভিছনৰ ভিতৰত নিৰ্দেশনামূলক টেলিভিছন আৰু অ-ব্যৱসায়িক টেলিভিছন অনুষ্ঠানবোৰক সামৰি লোৱা হয়। নিৰ্দেশনামূলক টেলিভিছন অনুষ্ঠান বুলিলে আনুষ্ঠানিক নিৰ্দেশনা সম্বলিত সংগঠিত অনুষ্ঠান আৰু শিক্ষাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখা অনুষ্ঠানবোৰৰ কথা বুজোৱা হয়।

শিক্ষামূলক টেলিভিছনৰ সুবিধাসমূহ

- জনসাধাৰণক শিক্ষিত কৰি তুলিবলৈ টেলিভিছন হ'ল সবাতোকৈ সম্ভাৱনাপূৰ্ণ আহিলা। বৈচিত্ৰ্যময় ভৌগলিক পৰিৱেশেৰে ভাৰত এখন বিশাল দেশ। অনবৰতে জনসংখ্যা বৃদ্ধি হৈ থকা এই দেশৰ বহুতো অঞ্চল আওহতীয়া আৰু দুৰ্গম। দেশৰ শৈক্ষিক গাঁথনিটো উন্নত কৰি তোলাত গণসংযোগৰ মাধ্যম হিচাপে টেলিভিছনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।
- টেলিভিছনে শিক্ষকৰ ওপৰত থকা নিৰ্ভৰশীলতা কম কৰে। শিক্ষাৰ্থীয়ে নিজৰ প্ৰয়াসেৰে টেলিভিছনৰ সহায়ত শিকিব পাৰে। এই ক্ষেত্ৰত শিক্ষাৰ্থীক শিক্ষকৰ পৰা ন্যূনতম সহায়ৰ প্ৰয়োজন হয়।
- শিক্ষামূলক টেলিভিছনে সমগ্ৰ দেশতে সমান শৈক্ষিক সুবিধাৰ সৃষ্টি কৰে। দেশৰ গ্ৰামাঞ্চল আৰু অনগ্ৰসৰ এলেকাৰ ছাত্ৰ-ছাত্ৰীসকলেও এনে টেলিভিছনৰ জৰিয়তে নগৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সমানেই গুণমানসম্পন্ন শিক্ষা লাভ কৰে।
- যদি বৃহৎ পৰিসৰত টেলিভিছন ব্যৱহাৰ কৰা হয় তেন্তে সমগ্ৰ দেশতে ন্যূনতম খৰছৰ শিক্ষাৰ প্ৰসাৰ কৰিব পৰা যাব।
- এটা টেলিভিছন অনুষ্ঠানৰ জৰিয়তে পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ বিভিন্ন সমস্যা সুন্দৰকৈ উপস্থাপন কৰিব পাৰি। সাধাৰণ মানুহৰ মাজত পাৰিপাৰ্শ্বিকতা সম্পৰ্কে সজাগতাৰ সৃষ্টি কৰাতো টেলিভিছন ব্যৱহাৰ কৰিব পৰা যায়।
- বিদ্যালয়ৰ পাঠদান নথকা সময়ত শিক্ষকসকলক আন্তঃ সেৱা প্ৰশিক্ষণ (in-

service training) দিয়াৰ কামতো শিক্ষামূলক টেলিভিছন ব্যৱহাৰ কৰিব পাৰি। শিক্ষকসকলৰ দক্ষতা উন্নত কৰিবলৈ NCERT এ প্ৰতি সপ্তাহতে অনুষ্ঠান সম্প্ৰচাৰ কৰে।

- টেলিভিছনে বিষয় আৰু ঘটনাৰ পোনপটীয়া প্ৰদৰ্শনৰ সুবিধা আগবঢ়ায়। ভূমিকম্প, চুনামী, আগ্নেয়গিৰিৰ উদগীৰণ আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগ আদি ঘটাৰ পাছতেই টেলিভিছনৰ সহায়ত শ্ৰেণীকোঠাত দেখুৱাব পৰা যায়।
- টেলিভিছনে সময় আৰু চেষ্টা ৰাহি কৰে। টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ কৰিবলৈ আন্ধাৰ কোঠা (dark room), প্ৰ'জেক্শ্যন সুঁজুলি আদিৰ দৰে বিশেষ শ্ৰেণীকোঠা প্ৰস্তুতিৰ প্ৰয়োজন নহয়।

সীমাৱদ্ধতা

- টেলিভিছন হ'ল শিক্ষকে কৰিব পৰা এটা একমুখী সংযোগ স্থাপন প্ৰক্ৰিয়া। ইয়াত আন্তঃক্ৰিয়া অথবা আলোচনাৰ সুবিধা নাই। সেয়েহে টেলিভিছন অনুষ্ঠান চোৱাৰ পাছত শিক্ষাৰ্থীৰ প্ৰতিক্ৰিয়া, প্ৰশ্ন অথবা সন্দেহ তৎক্ষণাত জনাৰ কোনো উপায় নাই।
- যদি একে সময়তে বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীক শিকাব পৰা নাযায় তেন্তে টেলিভিছনৰ দ্বাৰা শিক্ষণ পদ্ধতিত সাধাৰণ শ্ৰেণীকোঠা শিক্ষণ প্ৰক্ৰিয়াতকৈ ব্যয় যথেষ্ট অধিক হয়।
- এটা টেলিভিছন পাঠদানৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত মতপাৰ্থক্যক বিবেচনা কৰা নহয়।
- টেলিভিছনৰ সহায়ত দিয়া নিৰ্দেশনাবোৰ শিক্ষাৰ্থীকেন্দ্ৰিক নহয় আৰু পাঠবোৰ নমনীয় নহয়।
- সমৰূপী পাঠ্যসূচীৰ অনুপস্থিতি, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অনুপস্থিতি, উপযুক্ত সময় আদিৰ অভাৱ বাবে টেলিভিছনৰ জৰিয়তে পাঠদান প্ৰক্ৰিয়াটো শ্ৰেণীকোঠাত কৰা পাঠদানৰ দৰে শিক্ষণৰ অপৰিহাৰ্য অংগৰূপে গঢ়ি তুলিব পৰা হোৱা নাই।

৮.৯.৩ শিক্ষামূলক টেলিভিছন

কথাছবি হ'ল সংযোগৰ এটা বহুমুখী মাধ্যম। ই ঘটনাক বাস্তৱ ৰূপত উপস্থাপন কৰে। শিক্ষামূলক কথাছবিয়ে সৰু ল'ৰা-ছোৱালীৰ মনত গভীৰ প্ৰভাৱ পেলাব পাৰে। সেয়েহে কথাছবিক ধাৰণা, মনোভাৱ, বৈজ্ঞানিক জ্ঞান আৰু অভিজ্ঞতা আদিক শিক্ষাৰ্থীৰ ওচৰলৈ কঢ়িয়াই নিয়া মাধ্যম হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োটা শিক্ষাৰ বাবেই কথাছবি হ'ল এটা অতি সুফলদায়ক মাধ্যম।

কথাছবিয়ে আমাৰ আগত শিকন পৰিস্থিতিবোৰক (learning situations) বাস্তৱ আৰু সঁচা যেন ৰূপত উপস্থাপন কৰে। প্ৰদূষণৰ বিভিন্ন উৎস আৰু প্ৰদূষণৰ

পৰিমাণ কেনেদৰে কম কৰিব পাৰি সেই বিষয়ে ধাৰণা দিবলৈ পাৰিপার্শ্বিকতাৰ প্রদূষণ সম্পর্কে কথাছবি নির্মাণ কৰিব পৰা যায়। উদ্ভিদ আৰু জীৱ-জন্তুৰ নিজ নিজ পৰিৱেশৰ সৈতে থকা আন্তঃসম্পর্ক, পাৰিপার্শ্বিকৰ অৱনতি, বিপদসংকুল পৰিৱেশ, প্রাকৃতিক দুর্যোগ আদিৰ দৰে পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ বিভিন্ন দিশৰ ওপৰত কথাছবি নির্মাণ কৰি মানুহক শিক্ষিত কৰি তোলাৰ কামত ব্যৱহাৰ কৰিব পাৰি।

শিক্ষামূলক কথাছবিয়ে শিক্ষণ প্রক্রিয়াক অনুপ্রাণিত কৰে। কাৰণ সৰু ল'ৰা-ছোৱালীয়ে কথাছবিৰ প্রতি যথেষ্ট আগ্রহ দেখুৱায়। ইয়াৰ জৰিয়তে সৰু ল'ৰা-ছোৱালীক পর্বত, মহাসাগৰ, মৰুভূমি আদিৰ বিষয়ে সঠিক ধাৰণা দিব পৰা যায়। শ্রেণীকোঠা অথবা প্রেক্ষাগৃহত এনেবোৰ ধাৰণা মূর্ত হৈ উঠিলে সৰু ছাত্র-ছাত্রী আকর্ষিত হয়।

কিছুমান নির্দিষ্ট শৈক্ষিক উদ্দেশ্যত উপনীত হবলৈ বিশেষ পৰিকল্পনা অনুসৰি শিক্ষামূলক কথাছবিবোৰ নির্মাণ কৰা হয়। শিক্ষাদানৰ উদ্দেশ্যৰে নির্দিষ্ট বিষয়ক লৈও এনে কথাছবি প্রস্তুত কৰা হয়। এনে কথাছবিবোৰ পটভূমিমূলক অথবা পোনপটীয়া শিক্ষণ কথাছবি হ'ব পাৰে। এনে কথাছবিবোৰে কোনো দক্ষতা অথবা মনোভাৱৰ পৃষ্ঠপোষকতা কৰাত আৰু কোনো বিশেষ কাৰণ, তথ্য, পৰিঘটনা অথবা তত্ব উপস্থাপন কৰাত সহায় কৰে।

কথাছবিক প্রচাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাত শিক্ষকৰ ভূমিকা ঃ

- এগৰাকী শিক্ষকে কথাছবি বাছনি কৰিব পাৰেঃ এগৰাকী শিক্ষকে নিজৰ শিক্ষণ উদ্দেশ্যত সহায়ক হোৱাকৈ কথাছবি বাছনি কৰিব পাৰে। তেওঁ শিকাই থকা অন্য শিকন অভিজ্ঞতাবোৰৰ সৈতে কথাছবিৰ বিষয়বস্তুৰ সংহতি থাকিব লাগিব। ইয়াৰ বাবে তেওঁ সহজলভ্য হৈ থকা শ্রেষ্ঠ কথাছবিখন বাছি উলিয়াব লাগিব আৰু কথাছবিখনৰ বিষয়বস্তুৰ সৈতে পৰিচিত হ'ব লাগিব।
- কথাছবিখন প্রদর্শনৰ ব্যৱস্থা কৰিব পাৰে ঃ শিক্ষকে কথাছবিখন প্রদর্শনৰ আগতে ছাত্র-ছাত্রীৰ বহাৰ সু-ব্যৱস্থা, পোহৰৰ সু-ব্যৱস্থা, বতাহ চলাচলৰ সু-ব্যৱস্থা কৰাৰ লগতে প্রজেক্টৰ পৰীক্ষা কৰা আৰু পৰীক্ষামূলকভাৱে কথাছবিখন চলাই চোৱা আদি কাম কৰিব লাগে।
- কথাছবিখনৰ প্রাক্-পৰীক্ষণ ঃ কথাছবিখনৰ সৈতে জড়িত নির্দেশনা হাতপুথি নাইবা নির্দেশনা পুথিখন শিক্ষকে ভালদৰে পঢ়ি চাব লাগে। কথাছবিৰ প্রদর্শন আৰম্ভ হোৱাৰ আগতে তেওঁ ছাত্র-ছাত্রীসকলক পটভূমি সম্পর্কীয় প্রয়োজনীয় তথ্য জনাই তেওঁলোকক সাজু কৰিব পাৰিব।
- কথাছবিৰ উপস্থাপনঃ শ্রেণীকোঠাৰ শিক্ষণৰ সৈতে সংহতি সাধন কৰি উপযুক্ত মূহুর্তত কথাছবিখনৰ প্রদর্শন আৰম্ভ কৰিব লাগে। প্রয়োজনসাপেক্ষে কথাবোৰ পুনৰ বুজাবলৈ প্রদর্শনী মাজতে বন্ধও কৰি দিব পাৰি। কথাছবি শেষ হোৱাৰ পাছত এটা চমু সামৰণিৰে ছাত্র-ছাত্রীৰ সৈতে ভাৰ বিনিময় কৰিব পৰা যায়।

➢ মূল্যাংকন আৰু প্ৰতিক্ৰিয়াঃ কথাছবিৰ প্ৰদৰ্শন শেষ হোৱাৰ লগে লগে তাৎক্ষণিক মূল্যাংকন আৰু মৌখিক অথবা লিখিত প্ৰতিক্ৰিয়া সংগ্ৰহ কৰিব লাগে। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা তথ্যত থকা ভুল ধাৰণা অথবা ত্ৰুটিবোৰ (যদি কিবা থাকে) তৎক্ষণাত শুধৰাব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১২ ঃ দৃশ্য-শ্ৰব্য আহিলাবোৰ হ'ল ..... আৰু ..... যন্ত্ৰ।

প্ৰশ্ন নং ১৩ ঃ ..... ক্ষেত্ৰখনত ৰেডিঅ'ই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

.....

.....

প্ৰশ্ন নং ১৪ ঃ ৰেডিঅ' অনুষ্ঠান প্ৰচাৰ হ'ল এটা ..... সংযোগ।

.....

.....

প্ৰশ্ন নং ১৫ ঃ ৰেডিঅ' অনুষ্ঠান প্ৰচাৰৰ পাঁচটা সুবিধা লিখক।

.....

.....

প্ৰশ্ন নং ১৬ ঃ শিক্ষামূলক টেলিভিছন কি?

.....

.....

প্ৰশ্ন নং ১৭ ঃ শিক্ষামূলক টেলিভিছনৰ সীমাৱদ্ধতাবোৰ তালিকা এখন প্ৰস্তুত কৰক।

.....

.....

প্ৰশ্ন নং ১৮ ঃ কথাছবি হ'ল সংযোগৰ এটা ..... মাধ্যম।

.....

.....



৮.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত বিভিন্ন প্ৰকাৰৰ প্ৰচাৰ মাধ্যমৰ বিষয়ে আলোচনা কৰা হ'ল।
- শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা প্ৰয়োজনীয় উপাদান হ'ল প্ৰচাৰ মাধ্যম।

- প্ৰচাৰ মাধ্যম মূলতঃ দুই প্ৰকাৰৰ- ছপা আৰু অনা-ছপা মাধ্যম। ইয়াৰ উপৰি অধ্যয়ন চক্ৰ আৰু কৰ্মশালাৰ দৰে আন কিছুমান প্ৰচাৰ মাধ্যমো আছে।
- আলোচনী হ'ল এটা ছপা মাধ্যম। সাধাৰণ লোকক প্ৰভাৱিত কৰিব পৰা ই এক অতি ফলপ্ৰসূ মাধ্যম।
- এখন আলোচনীত পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা, সামাজিক আৰু সাংস্কৃতিক বিষয়ৰ সৈতে জড়িত প্ৰবন্ধ-পাতি নিয়মীয়াকৈ প্ৰকাশিত হৈ থাকে।
- এখন বিদ্যালয় অথবা মহাবিদ্যালয় আলোচনীয়ে একোটা সাহিত্যকেন্দ্ৰিক পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত লিখাৰ অভ্যাস গঢ়ি তোলে।
- এখন অধ্যয়ন চক্ৰ হ'ল শিক্ষণৰ পদ্ধতি আৰু শিক্ষণৰ মাধ্যম। অধ্যয়ন চক্ৰ এখনত ভাগ লোৱা প্ৰতিগৰাকী সদস্যই পৰস্পৰৰ সৈতে মত বিনিময় কৰাৰ সুযোগ পায়। অধ্যায়ন চক্ৰ আয়োজন কৰাৰ সময়ত প্ৰথমে বিষয়বস্তু চিনাক্ত কৰিব লাগে, অংশগ্ৰহণ কৰিবলৈ আৰু অন্যৰ সৈতে সম বিনিময় কৰিবলৈ মানুহক অনুপ্ৰাণিত কৰিব লাগে। প্ৰয়োগ, বিশ্লেষণ আৰু তাত্ত্বিক দ্বন্দৰ দৰে উচ্চ বোধসম্পন্ন দক্ষতাবোৰ বিকাশৰ বাবে অধ্যয়ন চক্ৰবোৰ প্ৰয়োজনীয়।
- কৰ্মশালা হ'ল শিক্ষাগ্ৰহণৰ এক আন্তঃক্ৰিয়াশীল ৰূপ। শিক্ষাৰ্থীৰ মনত জ্ঞান সৃজন অথবা গঠন কৰিবলৈ সৰু সৰু গোটত বিভক্ত হৈ আৰু ব্যক্তিগত অন্বেষণৰ জৰিয়তে অংশগ্ৰহণ কৰাৰ মানসিকতা গঢ়াত কৰ্মশালাই গুৰুত্ব আৰোপ কৰে।
- প্ৰদৰ্শনী এখনত সুপৰিকল্পিতভাৱে বিভিন্ন বস্তু আৰু দ্ৰব্যসম্ভাৰ মুকলিকৈ দেখুওৱা হয়। প্ৰদৰ্শনীৰ জৰিয়তে পাৰিপাৰ্শ্বিকতাজনিত সমস্যাবোৰৰ ওপৰত আলোকপাত কৰিব পাৰি। এখন সুপৰিকল্পিত প্ৰদৰ্শনীয়ে পাৰিপাৰ্শ্বিকৰ উন্নয়ন আৰু সুৰক্ষাত মানুহৰ সক্ৰিয় অংশগ্ৰহণ সুনিশ্চিতকাৰী অনুপ্ৰেৰণাৰ উৎস হিচাপে কাম কৰিব পাৰে।
- আৰ্হি হ'ল বাস্তৱ বস্তুৰ ত্ৰিমাত্ৰিক উপস্থাপন। বাস্তৱ সামগ্ৰীৰ গঠন নাইবা কাৰ্য্য কলাপ আদিক পৰিস্কাৰকৈ ব্যাখ্যা কৰিবলৈ আৰ্হি অতি উপযোগী। আৰ্হিয়ে বাস্তৱক সৰল কৰি তোলে আৰু আমাৰ মনত আগ্ৰহৰ মাত্ৰা বৃদ্ধি কৰে। শুদ্ধ ধাৰণাৰ জন্ম দিবলৈ আৰ্হিৰ ব্যৱহাৰ উপযোগী। আৰ্হি প্ৰস্তুত কৰা কামে শিক্ষাৰ্থীৰ সৃজনশীলতাৰ বিকাশ ঘটায়।
- দৃশ্য-শ্ৰব্য আহিলাবোৰ হ'ল শুনিব আৰু চাব পৰা নিৰ্দেশনামূলক যন্ত্ৰ। ই শিক্ষাগ্ৰহণৰ ত্ৰিকোণ প্ৰক্ৰিয়াটো, যেনে- অনুপ্ৰেৰণা, সন্দেহ বা প্ৰশ্নৰ স্পষ্টীকৰণ আৰু উদ্দীপনা, সম্পন্ন কৰাত সহায় কৰে।
- বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নিৰ্দেশনাৰ মাধ্যমেৰে শিক্ষাৰ প্ৰচাৰ কৰাত ৰেডিঅ'ই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে প্ৰচাৰিত অনুষ্ঠানবোৰ বিধানসন্মত পাঠ্যসূচীৰ আধাৰত পাঠ্যক্ৰমভিত্তিক বিষয়ৰ ওপৰত যুগুত কৰিব লাগে। ৰেডিঅ'ই আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়ো ধৰণৰ শিক্ষাৰ বিকাশত অৰিহণা যোগায়।

- শিক্ষামূলক টেলিভিছনে বিভিন্ন বিষয়ৰ শিক্ষণ বিষয়সূচী উপস্থাপন কৰে। জনগণক শিক্ষিত কৰি তুলিবলৈ টেলিভিছন হ'ল সবাতোকৈ সম্ভাৱনাপূর্ণ আহিলা। দেশৰ গ্ৰাম্যাঞ্চল আৰু অনগ্ৰসৰ এলেকাৰ ছাত্ৰ-ছাত্ৰীসকলেও টেলিভিছনৰ জৰিয়তে নগৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সমানেই গুণমানসম্পন্ন শিক্ষা লাভ কৰে।
- কথাছবি হ'ল সংযোগৰ এটা বহুমুখী মাধ্যম। ই ঘটনাক বাস্তৱ ৰূপত উপস্থাপন কৰে। শিক্ষামূলক কথাছবিয়ে শিক্ষণ প্ৰক্ৰিয়াক অনুপ্ৰাণিত কৰে। কিছুমান নিৰ্দিষ্ট শৈক্ষিক উদ্দেশ্যত উপনীত হ'বলৈ বিশেষ পৰিকল্পনা অনুসৰি এনে কথাছবিবোৰ নিৰ্মাণ কৰা হয়।
- এগৰাকী শিক্ষকে নিজৰ শিক্ষণ উদ্দেশ্যত সহায়ক হোৱাকৈ কথাছবি বাছনি কৰিব পাৰে।



৮.১১ অধিক জানিবলৈ

1. Aggarwal,J.C. (2005). Essentials of Educational Technology: Teaching Learning. New Delhi. Vikas Publishing House.
2. Sampath, K et at. (1987). Introduction to Educational Technology, New Delhi: Sterling Publishers.
3. Shrivastava, K.K. (2004). Environmental Education: Principles Concepts and Management. New Delhi: Kanishka Publishing and Distributors.



৮.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰচাৰ মাধ্যমবোৰ হ'ল পৰিপূৰক আহিলা। ইয়াৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰ একাধিক সংবেদী মাধ্যম সক্ৰিয় কৰি তোলে যাতে তেওঁলোকৰ আগ্ৰহ বৃদ্ধি পায়, ধাৰণা স্পষ্ট হয় আৰু কল্পনাশক্তি সমৃদ্ধ হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ছপা মাধ্যম আৰু অনা-ছপা মাধ্যম।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বাতৰি-কাকতে দৈনিক ঘটা ঘটনাবোৰৰ সংবাদ পৰিৱেশন কৰে। কিন্তু আলোচনী এখনৰ প্ৰধান উদ্দেশ্য হ'ল পাঠকক বিভিন্ন বিষয়ৰ ওপৰত লিখা নিৰ্বাচিত বাতৰি আৰু প্ৰবন্ধৰ জৰিয়তে তথ্য প্ৰদান কৰা, নিৰ্দেশনা দিয়া আৰু মনোৰঞ্জন কৰা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নৈতিক আৰু আধ্যাত্মিক প্ৰমূল্য গঢ় দিয়া, পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ বাৰ্তা প্ৰচাৰ কৰা, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বুজাপৰা বিকশাই তোলা আৰু মনোৰঞ্জনৰ উৎস হিচাপে কাম কৰা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বিষয়বস্তু চিনাক্ত কৰা, জাননী জাৰি কৰা, অংশগ্ৰহণকাৰীক অনুপ্ৰেৰণা যোগোৱা আৰু অধ্যয়ন চক্ৰ চলি থাকোতে প্ৰকাশিত বিৱৰণ বিতৰণ কৰা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ স্বাস্থ্য সজাগতা, বৃক্ষৰোপণ, বাগিছা পতা, জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ ইত্যাদি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্মশালা হ'ল শিক্ষা গ্ৰহণৰ আন্তঃক্ৰিয়াশীল ৰূপ। ইয়াত শিক্ষাৰ্থীয়ে দলত বিভক্ত হৈ কোনো নিৰ্দিষ্ট কাৰ্য সমাধা কৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ লক্ষ্য নিৰ্ধাৰণ কৰা, লক্ষ্য গোট বাছি লোৱা, আলোচনাৰ বিষয় বাছি লোৱা, এটা অনুগামী কাৰ্য পৰিকল্পনা যুগুত কৰা।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ একোটা কোঠাতে সংখ্যধিক প্ৰদৰ্শন সামগ্ৰী ৰাখিব নালাগে, প্ৰদৰ্শিত বস্তুবোৰ ভালদৰে পোহৰ পৰা স্থানত ৰাখিব লাগে, প্ৰদৰ্শনীৰ বিষয়বস্তু মাত্ৰ এটা হ'ব লাগে আৰু লেবেলবোৰ চমু তথা সহজে বুজি পোৱা হ'ব লাগে।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰদৰ্শনীবোৰ হ'ল সংযোগৰ এটা ফলপ্ৰসূ মাধ্যম। ই সৃজনশীলতাৰ বিকাশ ঘটায়, শিক্ষাৰ্থীয়ে অভিব্যক্তি প্ৰকাশৰ কলা শিকে, দলীয়ভাৱে কাম কৰাৰ মানসিকতাক উৎসাহিত কৰে আৰু প্ৰমূল্যবোধৰ জন্ম দিয়ে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ আৰ্হিয়ে বাস্তৱক সৰল কৰি তোলে, আগ্ৰহ বঢ়ায়, শুদ্ধ ধাৰণা গঠন কৰে আৰু আৰ্হি প্ৰস্তুতকৰণৰ ফলত সৃজনশীলতাৰ বিকাশ ঘটে।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ দেখা, শুনা ।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ সংযোগ

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ একমুখী

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৰেডিঅ' অনুষ্ঠান প্ৰস্তুত কৰাটো এটা কমখৰছী প্ৰক্ৰিয়া, ই আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়ো ধৰণৰ শিক্ষাৰ বাবে উপযুক্ত, মানুহৰ মাজত সজাগতা বিয়পায়, স্থানীয় ভাষাত অনুষ্ঠান প্ৰস্তুত কৰিব পাৰি আৰু অনুষ্ঠানবোৰৰ প্ৰয়োজন সাপেক্ষে পুনৰ প্ৰচাৰ কৰিব পাৰি।

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষামূলক টেলিভিছন হ'ল এনে এটা পদ্ধতি যাৰ মাধ্যমেৰে কোনো এজেন্সীয়ে বিভিন্ন বিষয়ৰ ওপৰত শিক্ষামূলক অনুষ্ঠান প্ৰস্তুত আৰু সম্প্ৰচাৰ কৰে।

১৭ নং প্ৰশ্নৰ উত্তৰ ঃ ই দৰাচলতে এটা একমুখী সংযোগ, শিক্ষণ ব্যয় অধিক, ব্যক্তিগত মতপাৰ্থক্যৰ বিষয়ে বিবেচনা কৰা নহয়, পাঠবোৰ নমনীয় নহয় ইত্যাদি।

১৮ নং প্ৰশ্নৰ উত্তৰ ঃ বহুমুখী ।



৮.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ প্ৰচাৰ মাধ্যম বুলিলে কি বুজে?

প্রশ্ন ২ঃ সামাজিক মাধ্যমৰ (Social media) প্রয়োজনীয়তা মানে কি?

প্রশ্ন ৩ঃ সামাজিক সচেতনতা বৃদ্ধিৰ বাবে অধ্যয়ন চক্রৰ আয়োজন কৰাটো কিয় প্রয়োজনীয়?

প্রশ্ন ৪ঃ শিক্ষামূলক টেলিভিছন মানে কি?

প্রশ্ন ৫ঃ শৈক্ষিক উদ্দেশ্যৰ বাবে ৰেডিঅ' কিয় প্রয়োজনীয়?

(খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ গণ-সজাগতা সৃষ্টিৰ মাধ্যম হিচাপে শিক্ষামূলক টেলিভিছনৰ সুবিধা আৰু সীমাৱদ্ধতাবোৰ কি কি?

প্রশ্ন ২ঃ প্রদর্শনী আয়োজন কৰাৰ পর্যায়ক্রমিক কাম-কাজবোৰ কেনেধৰণৰ? আলোচনা কৰক।

প্রশ্ন ৩ঃ এখন সমাজৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাত শিক্ষামূলক কথাছবিয়ে কিয় সবাতোকৈ গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব পাৰে?

প্রশ্ন ৪ঃ ফলপ্রসূ শিক্ষণৰ বাবে আর্হিৰ প্রয়োজনীয়তা আৰু গুৰুত্ব আলোচনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ অধ্যয়ন চক্র মানে কি? অধ্যায়ন চক্র এখন আয়োজন কৰাৰ কর্মপর্যায়সমূহ চমুকৈ উল্লেখ কৰক। প্রচাৰ মাধ্যম হিচাপে অধ্যয়ন চক্র এখনৰ সুবিধাবোৰ কি কি?

প্রশ্ন ২ঃ কর্মশালাৰ কাম-কাজবোৰ কি? পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা প্রচাৰৰ বাবে কর্মশালা উপযুক্ত মাধ্যম হয়নে?

প্রশ্ন ৩ঃ শ্রব্য অনুষ্ঠান এটা প্রস্তুত কৰাৰ কর্মপর্যায়সমূহ বা প্রক্রিয়াৰ বিষয়ে ব্যাখ্যা কৰক। ৰেডিঅ' অনুষ্ঠান প্রচাৰৰ সুবিধা আৰু অসুবিধাবোৰ আলোচনা কৰক।

প্রশ্ন ৪ঃ টজনগণক শিক্ষিত কৰি তোলাৰ মাধ্যম হিচাপে টেলিভিছনৰ ভূমিকা সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ পৰিৱেশ বা পাৰিপার্শ্বিক শিক্ষাৰ সমস্যা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ বিভিন্ন সমস্যা

৯.৩.১ অসমত থকা বিশেষ পৰি ৱেশ বা পাৰিপার্শ্বিকতাজনিত সমস্যাবোৰ

৯.৩.২ পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সম্ভাৱনাসমূহ

৯.৩.৩ অসমত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সুযোগ

৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৫ অধিক জানিবলৈ

৯.৬ অগ্রগতিৰ খতিয়ান

৯.৭ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সমস্যাবোৰ চিনাক্ত কৰিব পাৰিব
- পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সম্ভাৱনাসমূহ বিচাৰ কৰি চাব পাৰিব
- অসমত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ প্রয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব
- অসমত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ প্রসাৰত দেখা দিয়া সমস্যাবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব, ইত্যাদি

৯.২ পৰিচয়

পৰি ৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ ধাৰণাটো আমাৰ বাবে তুলনামূলকভাৱে নতুন। বহল পৰিসৰত পৰি ৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাই জীৱন-মণ্ডল (biosphere) অথবা পাৰিপার্শ্ব -প্রণালী বা পৰিস্থিতিতন্ত্র (eco-system) থকা বিভিন্ন ধৰণৰ উপাদান, বস্তু, পদার্থ আৰু জীৱক সামৰি লয়। ইংৰাজী 'biosphere' শব্দটোৰ দুটা অংশ আছে- 'bio' আৰু 'sphere'। শব্দটোৰ মূল হ'ল দুটা গ্রীক শব্দ। 'bio' শব্দৰ মূল হ'ল 'bios'- ইয়াৰ অর্থ হ'ল মানৱ জীৱন। 'sphere' শব্দৰ মূল হ'ল 'sphaire' - ইয়াৰ অর্থ হ'ল এটি গোলাকাৰ বস্তু । চমুকৈ 'biosphere' (জীৱ-মণ্ডল) শব্দৰ অর্থ হ'ল পৃথিৱীৰ সেইবোৰ অংশ য'ত জীৱৰ (living organism) উপস্থিতি আছে।

মানুহ সদায় পাৰিপার্শ্বিকতাৰ বা পৰি ৱেশ ৰ ওপৰত নির্ভৰশীল। আৰম্ভণিতে যেতিয়া পৃথিৱীৰ জনসংখ্যা কম আছিল তেতিয়া মানুহৰ প্রয়োজন পূৰাবলৈ সীমিত সম্পদৰ দৰকাৰ

আছিল বাবে মানুহৰ কার্য-কলাপে পৰিৱেশত গুৰুত্বৰ কুপ্রভাৱ পেলোৱা নাছিল। কিন্তু পৃথিৱীৰ ক্রমবর্দ্ধমান জনসংখ্যাই প্রকৃতি আৰু ইয়াৰ সম্পদবোৰত মাত্রাধিক কুপ্রভাৱ পেলাইছে। ইয়াৰ ফলত আমাৰ পৰিৱেশ অৱস্থাৰ প্রাকৃতিক সমতা ধ্বংস হৈছে। সমগ্র বিশ্বতে পৰিৱেশ জনিত সমস্যাই এনে এক পর্যায় পাইছে যিটোৱে সমগ্র মানৱ জাতিৰ প্রতি গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰিছে। সেয়েহে লাহে লাহে সকলোৱে পৰিৱেশ জনিত সমস্যা আৰু দিশবোৰৰ বিষয়ে মানুহক শিক্ষিত কৰি তোলাৰ লগতে মানুহৰ কার্য-কলাপে কেনেদৰে পাৰিপার্শ্বিকতাক বা পৰিৱেশক প্রভাৱিত কৰে সেই সম্পর্কে সজাগ কৰি তোলাৰ প্রয়োজনীয়তা বুজি পাইছে। মানৱ জাতিৰ এই আত্মোপলব্ধিয়েই হ'ল পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ ধাৰণাটোৰ উত্থান আৰু বিকাশৰ ভেটি। এই অধ্যায়টিত আমি অসমত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সমস্যা আৰু সম্ভাৱনা সম্পর্কে আলোচনা কৰিম।

৯.৩ পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ বিভিন্ন সমস্যা

স্থানীয়, ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ গুৰুত্ব আৰু প্রয়োজনীয়তা লাহে লাহে সকলোৱে উপলব্ধি কৰিবলৈ ধৰিছে। বর্তমান সময়ত বিষয়টো প্রয়োগ কৰাৰ ক্ষেত্রত বিভিন্ন সমস্যা আছে। ইয়াৰে দুটামান প্রধান সমস্যা তলত উল্লেখ কৰা হ'ল—

- পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ প্রকৃতি এটি বিষয়-বস্তু হিচাপে অতি বিস্তৃত। ই প্রকৃতিৰ বিভিন্ন ৰূপ আৰু এনে ৰূপ গঠনৰ উপাদানবোৰৰ ভিন ভিন বৈচিত্র্যক সামৰি লয়। এই বিস্তৃত ৰূপৰ বাবে পাঠ্যক্রম হিচাপে বিষয়টো সংগঠিত কৰাত সমস্যাৰ সৃষ্টি হৈছে।
- শিক্ষাৰ যিকোনো আঁচনিৰ সফলতা সদায় বিষয়টোৰ সৈতে জড়িত শিক্ষকসকলৰ দক্ষতা আৰু পাৱদর্শিতাৰ ওপৰত নির্ভৰশীল। পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সৈতে জড়িত সমস্যা এটা হ'ল শিক্ষকৰ বাবে উপযুক্ত প্রশিক্ষণৰ অভাৱ।
- পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা হ'ল এটা বহু-বিভাগযুক্ত আৰু আন্তঃবিভাগযুক্ত বিষয়। ইয়াৰ বাবে অভূতপূর্ব শৈক্ষিক সহযোগিতাৰ প্রয়োজন হয়। ব্যৱহাৰিকভাৱে এনে সহযোগিতা গঢ়ি তোলাটো অতি কঠিন।
- পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা কার্যসূচীৰ সফল প্রয়োগৰ বাবে কিছুমান সুনির্দিষ্ট আন্তঃগাঁথনিমূলক সুবিধাৰ প্রয়োজন। অসমত এনে সুবিধা পর্যাপ্ত নহয়। সেয়েহে ৰাজ্যখনত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ প্রচলন কৰাত সমস্যাই দেখা দিছে।
- পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সফল প্রচলন কৰিব নোৱাৰাৰ আন এটা প্রধান কাৰণ হ'ল ছাত্র-ছাত্রীৰ ওপৰত থকা নির্ধাৰিত পাঠ্যসূচীৰ বোজা। এই বোজাই ছাত্র-ছাত্রীক যথেষ্ট মানসিক চাপৰ মাজত ৰাখে। পাঠ্যসূচীৰ অত্যাধিক বোজাৰ বাবে

বিদ্যালয়সমূহে পাৰি ৱেশীক ক্ষেত্রভিত্তিক কার্য-কলাপ বেছিকৈ হাতত ল'ব নোৱাৰে।

- আমাৰ দেশত যদিও পৰি ৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা বাধ্যতামূলক কৰা হৈছে তথাপিও ছাত্র-ছাত্রী, শিক্ষক তথা সংশ্লিষ্ট সকলোৰে মাজত পাৰিপার্শ্বিকতা সমতা পুনঃ সংস্থাপনৰ বিষয়টোক লৈ কোনো জৰুৰী প্রয়োজনীয়তাবোধ গঢ় লৈ উঠা নাই।
- যিকোনো বিশেষভাৱে যুগুতাই উলিওৱা বিষয় অধ্যয়ন কৰাৰ পাছত সংস্থাপনৰ সুযোগ কেনেধৰণৰ হ'ব পাৰে সেয়া বর্তমান সময়ৰ ছাত্র-ছাত্রীৰ বাবে এক ডাঙৰ প্রশ্ন। পৰি ৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা চাকৰিকেন্দ্রিক কৰি প্রস্তুত কৰিব নোৱাৰিলে ছাত্র-ছাত্রীক বিষয়টোক লৈ উচ্চ শিক্ষা আৰু গৱেষণা কৰিবলৈ উদ্বুদ্ধ কৰিব পৰা নাযায়।
- সমগ্র ভাৰত আৰু অসমত বিশেষকৈপৰি ৱেশ বাপাৰিপার্শ্বিকতা বিষয়ক শিক্ষা ক্ষেত্রখনত চলা গৱেষণাৰ সংখ্যা নিচেই সীমিত।
- পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাক লৈ ৰাজনৈতিক সদিচ্ছা আৰু চৰকাৰৰ অগ্রাধিকাৰ প্রদানকাৰী মানসিকতাৰ অভাৱ হ'ল বিষয়টোৰ প্রসাৰত বাধাৰ সৃষ্টি কৰা আন এক প্রধান কাৰণ। বিষয়টোৱে আমাৰ দেশত অতি কম গুৰুত্ব লাভ কৰাৰ কাৰণ হ'ল অন্য উন্নয়নমূলক আৰু শিক্ষাকেন্দ্রিক দিশবোৰত চৰকাৰে অধিক গুৰুত্ব আৰোপ কৰি আহিছে।
- পৰিৱেশ বাপাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সৈতে জড়িত প্রকল্প আৰু কার্য-কলাপবোৰ সম্পাদন কৰিবলৈ বৃহৎ পৰিমাণৰ পুঁজি আৰু প্রয়োজনীয় সা-সামগ্রী যোগান ধৰাৰ প্রয়োজন হয়।
- ভাৰত আৰু অসমত পৰিৱেশ বাপাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ আন এক সমস্যা হ'ল পাৰিপার্শ্বিকতা সম্বন্ধীয় সময়সাপেক্ষ তথ্যৰ অভাৱ। পৰি ৱেশ বিষয়ক ডেটা আৰু তথ্য সংগ্রহকাৰী তথা ব্যৱস্থাপনাকাৰী এজেন্সীবোৰৰ মাজত সমন্বয় আৰু যোগাযোগৰ অভাৱেই ইয়াৰ প্রধান কাৰণ।
- বিদ্যালয়সমূহত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাকেন্দ্রিক বিভিন্ন পৰিকল্পনা যুগুত কৰিবলৈ, বিভিন্ন কার্য-কলাপ অনুস্থিত আৰু কার্যৰূপায়িত কৰিবলৈ আৰু সেইবোৰৰ তদাৰক কৰিবলৈ চৰকাৰত সঠিকভাৱে প্রশিক্ষণ প্রাপ্ত শিক্ষা বিষয়াৰ অভাৱ। এই অভাৱৰ বাবেই পৰি ৱেশ বাপাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ বিভিন্ন কার্যসূচী ৰূপায়ণ আৰু প্রয়োগ কৰাত সমস্যাৰ সৃষ্টি হয়।

৯.৩.১ অসমত থকা বিশেষ পৰিৱেশ বা পাৰিপার্শ্বিকতাজনিত সমস্যাবোৰ

অসম ইয়াৰ সমৃদ্ধ প্রাকৃতিক পাৰিপার্শ্বিক সম্ভাৱনাৰ বাবে খ্যাত। ৰাজ্যখনৰ জল সম্পদ, বনজ সম্পদ, খনিজ সম্পদ আৰু শক্তি সম্পদবোৰে ইয়াক দেশৰ ভিতৰতে এক ঈর্ষণীয় মর্যাদা প্রদান কৰিছে। কিন্তু প্রাকৃতিক সম্পদেৰে চহকী হোৱা সত্বেও ৰাজ্যখনৰ বাসিন্দা অর্থনৈতিকভাৱে দুর্বল, অনগ্রসৰ আৰু ঔদ্যোগিকভাৱে অনুন্নত।

ইয়াৰ মূল কাৰণ হ'ল ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদবোৰৰ ফলপ্ৰসূ ব্যৱহাৰ নোহোৱাটো। এই সমস্যাৰ আঁৰৰ কাৰণ হ'ল মানৱ-সম্পদৰ নাটনি আৰু আন কেতবোৰ কাৰক। পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই সন্মুখীন হোৱা কিছুমান সমস্যাৰ বিষয়ে আমি ওপৰৰ শিতানত আলোচনা কৰিছোঁ। ওপৰৰ সমস্যাবোৰৰ লগতে অসমে আন কিছুমান বিশেষ সমস্যাৰ মুখামুখি হৈ আহিছে। পৰি ৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই অসমত মুখামুখি হোৱা প্ৰধান সমস্যাবোৰ তলত উল্লেখ কৰা হ'ল-

- **দ্ৰুত জনসংখ্যা বৃদ্ধিঃ** অসমত অস্বাভাৱিক হাৰত জনসংখ্যা বৃদ্ধি হৈছে। ইয়াৰ কুপ্ৰভাৱ প্ৰাকৃতিক সম্পদৰ ওপৰত পৰিছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা হ'ল ৩১,২০৫,৫৭৬। ইয়াৰে ১৫,৯৩৯,৪৪৩ জন হ'ল পুৰুষ আৰু ১৫,২৬৬,১৩৩ গৰাকী হ'ল মহিলা। ২০১১ চনত অসমৰ মুঠ জনসংখ্যা আছিল ভাৰতৰ মুঠ জনসংখ্যাৰ ২.৫৮ শতাংশ।
- **বৃহৎ পৰিসৰৰ প্ৰব্ৰজন আৰু অবৈধ অনুপ্ৰৱেশঃ** এই কথা সকলোৰে জ্ঞাত যে চুবুৰীয়া বাংলাদেশৰ পৰা অসমলৈ বৃহৎ হাৰত অবৈধ অনুপ্ৰৱেশ ঘটে। এই অনুপ্ৰৱেশৰ ফলত ৰাজ্যখনত প্ৰাকৃতিক সম্পদেই কেৱল ধ্বংস হোৱা নাই , ইয়াৰ ফলত ৰাজ্যখনৰ খিলঞ্জীয়া বাসিন্দাৰ জনসাংখ্যিক গাঁথনিৰো পৰিৱৰ্তন ঘটিছে।
- **বনজ সম্পদৰ বিনাশঃ** অসমৰ মূল্যবান বনজ সম্পদ দ্ৰুতগতিত কমি আহিবলৈ ধৰিছে। যধে মধে গছ কাটি ৰাজ্যৰ বাহিৰলৈ গোপনে সৰবৰাহ কৰিবলৈ লোৱাসকলৰ সৈতে বন বিষয়াৰ বুজা-বুজিৰ ফলতে এই সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে।
- **উদ্যোগৰ অপৰিকল্পিত বিকাশঃ** অসমত ঔদ্যোগিক বিকাশ দ্ৰুত হৈছে যদিও এই বিকাশ পৰিকল্পিত নহয়। ইয়াৰ ফলত ৰাজ্যখনত বায়ু, পানী আৰু ভূমি প্ৰদূষণ ঘটিছে আৰু পৰিৱেশৰ সমতা বিনষ্ট হৈছে।
- **যান-বাহনৰ সমস্যা ঃ** নগৰ অঞ্চলত, বিশেষকৈ গুৱাহাটীত যান-বাহনৰ দ্বাৰা সৃষ্ট সমস্যাই গুৰুত্বৰ ৰূপ ধাৰণ কৰিছে। নগৰৰ ঘন জনবসতিপূৰ্ণ এলেকাবোৰৰ মাত্ৰাধিক যান-বাহনে বায়ু আৰু শব্দ প্ৰদূষণ ঘটাইছে। ইয়াৰ ফলত বাসিন্দসকলৰ স্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে।
- **গোটা বৰ্জ্য সামগ্ৰীয়ে সৃষ্টি কৰা সমস্যা ঃ** নগৰ অঞ্চলৰ বাসিন্দাসকলৰ দায়িত্বজ্ঞানহীন আচৰণৰ বাবে গোটা বৰ্জ্য সামগ্ৰী আৰু অন্য জাবৰ-জোথৰে বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে। ই বায়ু, পানী আৰু মাটি প্ৰদূষিত কৰাৰ ফলত নগৰীয়া বাসিন্দাৰ স্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। নলা নৰ্দমাৰ ব্যৱস্থা সঠিক নোহোৱা বাবে এই বৰ্জ্য পদাৰ্থবোৰে পানী বৈ যোৱা পথ বন্ধ কৰি পেলাইছে। ইয়াৰ ফলস্বৰূপে গুৱাহাটীৰ দৰে নগৰত

কৃত্রিম বানপানীৰ সৃষ্টি হ'বলৈ ধৰিছে।

- **বানপানী আৰু খহনীয়াঃ** অসমৰ এটা প্ৰাকৃতিক সমস্যা হ'ল বানপানী আৰু খহনীয়া। প্ৰতি বছৰে গৰমকালি ৰাজ্যখনত এই সমস্যাই জীৱন আৰু সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন কৰে। ব্ৰহ্মপুত্ৰ নদীৰ বাবে হোৱা বানপানী আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক গোহাৰি জনোৱা হৈছে।
- **মানুহ-জন্তুৰ সংঘাত ঃ** অসমৰ আন এক বিশেষ পৰিৱেশ জনিত সমস্যা হ'ল মানুহ আৰু জন্তুৰ সংঘাত। মানুহে প্ৰায়েই বিভিন্ন প্ৰজাতিৰ বাঘ আৰু বনৰীয়া হাতীৰ সৈতে সংঘাতত লিপ্ত হ'ব লগীয়া হয়। এনে সংঘাতৰ পৰিণতি মানুহ অথবা জন্তুৰ মৃত্যুও হ'ব পাৰে। বনাঞ্চল ধ্বংস, শিল ফুটোৱা আদি কাৰ্য-কলাপে বনৰীয়া জন্তুক প্ৰাকৃতিক বাসস্থানৰ পৰা জনবসতিপূৰ্ণ এলেকালৈ ওলাই আহিবলৈ বাধ্য কৰিছে। ইয়াৰ ফলত মানৱ জীৱন আৰু সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে।
- **মাটিৰ অবৈধ খনন আৰু দখল ঃ** নগৰ অঞ্চলত জনসংখ্যাৰ বিস্ফোৰণ ঘটাৰ লগে লগে পাহাৰীয়া এলেকাৰ মাটি কটা, দলনি পোতা আৰু অকৰ্তৃত্বশীলভাৱে ঘৰ সজা আদি কাম সাধাৰণ দৃশ্যত পৰিণত হৈছে। ইয়াৰ ফলত বহুতো অঞ্চলত ভূমি প্ৰদূষণ আৰু ভূমিস্খলনৰ দৰে সমস্যাই দেখা দিছে।



জানি থোৱা ভাল

পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সৈতে জড়িত কেইটামান প্ৰধান সমস্যা হ'ল-

- প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ
- সঠিক আন্তঃগাঁথনিমূলক সা- সুবিধাৰ অভাৱ
- ছাত্ৰ-ছাত্ৰীৰ ওপৰত অত্যাধিক পাঠ্যসূচীৰ বোজা
- অতি সীমিত গৱেষণা
- ৰাজনৈতিক সদিচ্ছাৰ অভাৱ
- পুঁজি নাটনি
- উপযুক্তভাৱে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষা বিষয়াৰ নাটনি ইত্যাদি

এই সমস্যাবোৰৰ উপৰি অসমত থকা দুটামান পৰিৱেশ বা পাৰিপাৰ্শ্বিকতাজনিত সমস্যা হ'ল-

- বনজ সম্পদৰ ধ্বংস
- অপৰিকল্পিতভাৱে বিকাশ ঘটা উদ্যোগ
- বনৰীয়া জন্তুই সৃষ্টি কৰা সমস্যা
- প্লাষ্টিক বেগৰ বহুল ব্যৱহাৰ ইত্যাদি



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ অসমৰ বিশেষ উল্লেখৰ সৈতে পৰিৱেশ বা পাৰিপার্শ্বিকতাজনিত সমস্যাবোৰৰ বিষয়ে লিখক।

.....

.....

৯.৩.২ পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সম্ভাৱনাসমূহ

প্রতিটো নতুন বিষয়েই প্রাৰম্ভিক অৱস্থাত বিভিন্ন সাংগঠনিক আৰু নীতি নির্দেশনামূলক সমস্যাৰ সন্মুখীন হ'ব লগীয়া হয়। পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাও ইয়াৰ ব্যতিক্রম নহয়। কিন্তু ভৱিষ্যত প্রজন্মৰ কল্যাণ আৰু সুস্বাস্থ্যৰ ওপৰত ইয়াৰ সম্ভাব্য সুপ্রভাৱৰ কথালৈ লক্ষ্য কৰিলে বিষয়টোৰ গুৰুত্ব তথা সম্ভাৱনা সম্পর্কে সহজেই বুজিব পাৰি। বিষয়টোৰ সৈতে জড়িত কেইটামান প্রধান দিশৰ ওপৰত, তলত আলোকপাত কৰা হ'ল। বিশ্বই এই দিশবোৰৰ প্রতি মনোযোগ দিয়া উচিত।

- **উন্নয়নশীল আৰু অনুন্নত দেশৰ বাবে সুবিধা ঃ** আমি সকলোৱে বুজা উচিত যে বিশ্বৰ উন্নয়নশীল আৰু অনুন্নত দেশবোৰৰ আর্থ- সামাজিক উন্নয়নৰ সৈতে পৰি ৱেশবা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ ঘনিষ্ঠ সম্পর্ক আছে। এনে দেশবোৰে জনসংখ্যা বিস্ফোৰণ, নিৰক্ষৰতা, সাংস্কৃতিক তথা ধর্মীয় গোড়ামি, অর্থনৈতিক অনগ্রসৰতা আৰু নিবনুৱা সমস্যা আদিৰ দৰে গুৰুতৰ সমস্যাৰ সৈতে যুঁজিবলগীয়া হয়। এনে সমস্যাবোৰ পৰিৱেশ বা পাৰিপার্শ্বিকতাজনিত প্রদূষণ আৰু পৰিৱেশ অৱনমনৰ বাবে দায়ী। সেয়েহে এনে দেশবোৰৰ অৱস্থা আৰু মান উন্নত কৰাত পৰিৱেশ অধ্যযনে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে।
- **মানুহৰ মাজত থকা আন্তঃ সম্পর্কৰ প্রয়োজনীয়তা উপলব্ধি কৰা ঃ** পৰি ৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা হ'ল মানৱ সমাজৰ মানসিক স্বাস্থ্য (sanity) অক্ষুণ্ণ ৰখাৰ বাবে লোৱা এক সাহসী পদক্ষেপ। ই পৰি ৱেশ সন্দর্ভত আন্তঃৰাষ্ট্রীয় বোধ উদয়ৰ ক্ষেত্রত পালন কৰিবলগীয়া আচাৰ-আচৰণক যুক্তিযুক্ততা প্রদান কৰে। পাৰিপার্শ্বিকতা বিষয়ক বিশ্বজনীন সংস্থা ইউনেস্ক' ই (UNESCO) ১৯৭০ চনত কৈছিল যে "মানুহ, তেওঁৰ সংস্কৃতি আৰু তেওঁৰ চৌপাশৰ বৃহৎ ভৌতিক পৰিৱেশৰ সৈতে থকা আন্তঃসম্পর্কৰ কথা বুজিবলৈ আৰু এই সম্পর্কক আদৰ কৰিবলৈ প্রয়োজন হোৱা দক্ষতা আৰু মানসিকতাৰ বিকাশ ঘটাবলৈ কিছুমান প্রমূল্যক স্বীকৃতি দিবলৈ তথা কিছুমান ধাৰণা স্পষ্ট কৰিবলৈ থকা প্রক্রিয়াটোৱেই হ'ল পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা ।" পাৰিপার্শ্বিকতাৰ সমস্যা হ'ল এটা বিশ্বজনীন সমস্যা। সেয়েহে ইউনেস্ক'ৰ (UNESCO) দৰে

আন্তঃৰাষ্ট্ৰীয় সংগঠনে বিষয়টো সন্দর্ভত গ্ৰহণ কৰা ব্যৱস্থাবোৰে বিশ্বৰ উন্নয়নশীল আৰু অনগ্ৰসৰ দেশবোৰৰ বাবে আশাৰ ৰেঙনি কঢ়িয়াই আনিছে।

- **ন্যায্য আৰু নৈতিক প্ৰমূল্যৰ উত্থান ঃ**পৰিৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই মানুহক পৰি ৱেশৰ প্ৰতি নিজৰ চিন্তা, কৰ্ম আৰু আচৰণ শৃংখলাৱদ্ধ কৰি তোলাৰ বাবে প্ৰয়োজন হোৱা ন্যায্যতাৰ ধাৰণা, নৈতিক প্ৰমূল্য তথা নান্দনিক সচেতনতা গঢ়ি তুলিবলৈ আৰু সেয়া প্ৰয়োগ কৰিবলৈ শিকায়। যি পৰিৱেশত আমি জীয়াই থাকো আৰু আমাৰ বিকাশ ঘটে সেই পৰিৱেশৰ প্ৰতি আমি দায়বদ্ধ হোৱা উচিত। বৰ্তমান বিশ্বৰ দেশবোৰে সন্মুখীন হৈ থকা বিভিন্ন পাৰিপাৰ্শ্বিকতাজনিত সমস্যাৰ সমাধান বাহিৰ কৰাত এই শিক্ষাৰ জৰিয়তে উত্থান ঘটা নৈতিক প্ৰমূল্যবোৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।
- **আৰ্থ-সামাজিক সমস্যাৰ সমাধান ঃ** আধুনিক সমাজৰ মানুহে সন্মুখীন হোৱা বিভিন্ন গুৰুত্বৰ আৰ্থ-সামাজিক সমস্যা সমাধানৰ ক্ষেত্ৰত পৰি ৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই সহায় কৰে। জনসংখ্যা বিস্ফোৰণ, শক্তি সম্পদ হ্ৰাস পোৱা, বনাঞ্চল ধ্বংস, মানুহৰ প্ৰাকৃতিক বাসস্থান ধবংস হোৱা, বায়ু-পানী-মাটি প্ৰদূষণ, ভূমিস্খলন, গোলকীয় উষ্ণতা বৃদ্ধি আদিৰ দৰে সমস্যাবোৰৰ সমাধান সূত্ৰ মানুহক পৰি ৱেশ অধ্যয়নেৰে শিক্ষিত কৰি তোলাৰ আঁৰত লুকাই আছে। এখন দেশৰ আৰ্থ-সামাজিক সমস্যাবোৰ একপাক্ষিকভাৱে সমাধান কৰিব নোৱাৰি।
- **স্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখা ঃ** পৰি ৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই বৰ্তমান সময়ত মানুহৰ পৰিস্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাৰ দৰে গুৰুত্বপূৰ্ণ সমস্যাৰ সৈতে জড়িত কৰা হৈছে। জীৱ-মণ্ডল আৰু বায়ুমণ্ডলৰ ষ্ট্ৰেট'স্ফেয়াৰত (Stratosphere) হোৱা জল আৰু বায়ু প্ৰদূষণৰ দৰে পাৰিপাৰ্শ্বিকতাজনিত সমস্যাৰ মাজতেই কেন্সাৰ আৰু টিউমাৰ আদিৰ দৰে মাৰাত্মক বেমাৰৰ উৎস লুকাই থকাৰ কথা পোহৰলৈ আহিছে। এনে ৰোগবোৰে আধুনিক মানৱক চিকিৎসা বিজ্ঞানৰ সহায় লৈ জীয়াই থকাৰ প্ৰত্যাহ্বান জনাইছে। পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই শৰীৰতত্ব বিজ্ঞানৰ উচ্চ গৱেষণা আৰু অধ্যয়নৰ পথ মুকলি কৰিছে।
- **নতুন সৃজনশীলতাৰ সুযোগ ঃ** পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই সৃজনশীল বুদ্ধিদীপ্ত ব্যক্তিসকলৰ বাবে পৰিৱেশ বিষয়ক উচ্চ শিক্ষা আৰু বিভিন্ন গৱেষণাৰ বাবে প্ৰয়োজনীয় সুবিধাৰ সৃষ্টি কৰিছে। এই শিক্ষাই সৃজনশীল প্ৰতিভাৰ অধিকাৰীসকলক ভৱিষ্যতৰ বাবে উন্নত জীৱন আৰু পৰিৱেশ গঢ়ি তোলাৰ বাবে একেলগে চিন্তা, অনুভৱ আৰু কাম কৰাৰ সুযোগ দিছে।

ভাৰতীয় সংবিধানেও পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা আৰু

প্ৰমূল্যবোধক প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰিছে। সংবিধানৰ দফা 48-A ত কোৱা হৈছে- "ৰাষ্ট্ৰই পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা সুৰক্ষিত আৰু উন্নত কৰাৰ লগতে দেশৰ বনাঞ্চল আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে অহোপুৰুষাৰ্থ কৰিব।"

দফা 51- (g)- ত পুনৰ কোৱা হৈছে যে-

"বনাঞ্চল , হ্ৰদ, নদী আৰু বন্যপ্ৰাণীকে ধৰি সকলো প্ৰাকৃতিক পৰিৱেশৰ সুৰক্ষা আৰু অৱস্থা উন্নত কৰাৰ প্ৰয়াসৰ লগতে সকলো জীৱৰ প্ৰতি কৰুণা প্ৰদৰ্শন কৰোটো দেশৰ প্ৰতিগৰাকী নাগৰিকৰে কৰ্তব্য হ'ব।"

1986- চনৰ শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতিত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাক গুৰুত্ব দি কোৱা হৈছে যে- "পৰিৱেশক বা পাৰিপাৰ্শ্বিকতাক লৈ সচেতনতাবোধ গঢ়ি তোলাটো অতীৱ প্ৰয়োজনীয় হৈ পৰিছে। বয়স আৰু শ্ৰেণী নিৰ্বিশেষে সমাজৰ সকলোকে সচেতন কৰি তুলিব লাগিব। বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্য্যয়ত শিশুৰ পৰা আৰম্ভ কৰি সকলোৰে মনত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক সচেতনতাবোধৰ জন্ম দিব লাগিব। এই দিশটো সমগ্ৰ শৈক্ষিক প্ৰক্ৰিয়াৰ সৈতে সংযুক্ত কৰিব লাগিব।"

শিক্ষা বিষয়ক বিভিন্ন আয়োগ, প্ৰতিবেদন আৰু নীতিতো পৰিৱেশ পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ ওপৰত জোৰ দিয়া হৈছে। ইমানবোৰ প্ৰয়াসৰ পাছতো বৰ্তমান সময়লৈকে আমাৰ আনুষ্ঠানিক শিক্ষা পদ্ধতিত বিষয়টোৱে প্ৰাপ্য মনোযোগ আৰু গুৰুত্ব লাভ কৰা নাই।

অসমক ভাৰতৰ জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ ৰাজ্যবোৰৰ মাজৰ এখন বুলি গণ্য কৰা হয়। অসম প্ৰাকৃতিক সম্পদত চহকী ৰাজ্য। অসমত জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ বিশ খনতকৈও অধিক সংৰক্ষিত বনাঞ্চল আছে। কিন্তু সংৰক্ষণ সম্পৰ্কীয় সজাগতাৰ অভাৱ আৰু সম্পদৰ প্ৰয়োজনাধিক ব্যৱহাৰে অঞ্চলটোৰ বনাঞ্চল আৰু বন্য জীৱৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।

৯.৩.৩ অসমত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সুযোগ

- **অনা-চৰকাৰী সংস্থাবোৰৰ (NGOs) ভূমিকা ঃ** পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক সজাগতা বৃদ্ধিত অসমৰ বিভিন্ন প্ৰান্তত কাম কৰি থকা অনা-চৰকাৰী সংস্থাবোৰে এক ফল প্ৰসূ সাংগঠনিক দায়িত্ব পালন কৰিব পাৰে। শেহতীয়াভাবে চেভ গুৱাহাটী এণ্ড বিল্ড গুৱাহাটী (SGBG) নামৰ অনা-চৰকাৰী সংস্থাটোৱে গুৱাহাটী- এলেকাৰ পাহাৰ, জলাহ অঞ্চল আৰু সমতল অঞ্চলৰ জৰীপ কৰাৰ দাবী উত্থাপন কৰিছে। অসম বিজ্ঞান সমিতিৰ দৰে আন কিছুমান সংস্থাই বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে মানুহক পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক বিজ্ঞানসম্মত জ্ঞান প্ৰদান কৰি আহিছে। পৰিৱেশৰ সমস্যা আৰু সমাধানৰ ক্ষেত্ৰত এনে সংস্থাবোৰে চৰকাৰ আৰু ৰাইজৰ মাজত যোগসূত্ৰকাৰীৰ ভূমিকা পালন কৰিব

পাৰে। এনে শিক্ষা প্ৰসাৰত ব্ৰতী অনা-চৰকাৰী সংস্থাবোৰক চৰকাৰে বিত্তীয় সাহায্য প্ৰদান কৰিব পাৰে।

- **কৃষি সম্প্ৰসাৰণ শিক্ষা ঃ** ৰাজ্যৰ কৃষি বিশ্ববিদ্যালয়ে গ্ৰামাঞ্চলৰ কৃষিজীৱি লোককপৰি ৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা দিবলৈ বিভিন্ন সম্প্ৰসাৰণ সেৱা আগবঢ়াব পাৰে। বিশ্ববিদ্যালয়ে ৰাজ্যৰ খেতিপ্ৰধান অঞ্চলবোৰত প্ৰশিক্ষণ কেন্দ্ৰ খুলি সাৰ, ৰাসায়নিক দ্ৰব্য আদিৰ প্ৰয়োগ বিধি, মাটি সংৰক্ষণ আৰু জলসিঞ্চনৰ পদ্ধতি আদি শিকাব পাৰে। চৰকাৰৰ কৃষি বিভাগেও ৰাজ্যখনৰ বাসিন্দাক এই ক্ষেত্ৰত প্ৰয়োজনীয় সহায় আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰে।
- **চৰকাৰৰ ভূমিকা ঃ** অসম চৰকাৰৰ পৰি ৱেশ বাপাৰিপাৰ্শ্বিকতা আৰু বন বিভাগে ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে বিভিন্ন নীতি-নিয়ম বান্ধি দিছে। বিভাগে হস্তী উৎসৱ আৰু বনোৎসৱৰ দৰে বিভিন্ন কাৰ্যসূচীৰো আয়োজন কৰে। পাৰিপাৰ্শ্বিকতাজনিত সমস্যাবোৰৰ বিষয়ে মানুহক সজাগ আৰু সংগঠিত কৰিবলৈ অসম চৰকাৰে অসম প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ড (PCBA) গঠন কৰিছে। ইয়াৰ মূল উদ্দেশ্য হ'ল পৰিৱেশ সুৰক্ষিত কৰা আৰু ৰাজ্যৰ প্ৰদূষণৰ হাৰ নিয়ন্ত্ৰণ কৰা। পৰিৱেশ আৰু বন বিভাগে PCBA ৰ সৈতে মিলি ৰাজ্যৰ বাসিন্দাৰ মাজত পৰিৱেশ বিষয়ক সচেতনতা আৰু জ্ঞানৰ উন্মেষ ঘটাব পাৰে।
- **বিভিন্ন বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ ভূমিকা ঃ** পৰিৱেশ বাপাৰিপাৰ্শ্বিকতাৰ সাম্প্ৰতিক অৱক্ষয়ৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনৰ বাসিন্দাক অনতিপলমে বিষয়টো সন্দৰ্ভত সজাগ কৰি তোলাৰ প্ৰয়োজন হৈ পৰিছে। প্ৰচলিত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাই এতিয়াও পৰি ৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাক প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰা নাই। বিষয়টোৰ মৌলিক প্ৰয়োজনীয়তাক স্বীকৃতি দি ২০০৩ চনত উচ্চতম ন্যায়ালয়ে ২০০৪-০৫ শিক্ষাবৰ্ষৰ পৰা সকলো শ্ৰেণীতেপৰি ৱেশ অধ্যয়ন আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলোবোৰ ৰাজ্য আৰু বিদ্যায়তনিক কৃৰ্তৃপক্ষক পুনৰ -নিৰ্দেশ দিছিল। ন্যায়ালয়ে NCERT আৰু UGC -ক ক্ৰমে বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ত পৰি ৱেশ অধ্যয়নৰ বাবে আৰ্হি পাঠ্যক্ৰম যুগুতাই উলিয়াবলৈ পৰামৰ্শ দিছিল। ইয়াৰ ফল শ্ৰুতিতে দেশৰ সকলো পৰ্যায়ৰ শিক্ষাতে পৰি ৱেশ অধ্যয়নৰ বিষয়টো বাধ্যতামূলক হৈ পৰিছে।
- **বৈজ্ঞানিক গৱেষণা কেন্দ্ৰ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ ভূমিকা ঃ** অসমত থকা দুটামান বৈজ্ঞানিক গৱেষণা কেন্দ্ৰ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে ৰাজ্যখনৰ বাসিন্দাৰ মাজত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এনে দুটামান কেন্দ্ৰ আৰু অনুষ্ঠান- প্ৰতিষ্ঠান হ'ল যোৰহাটৰ আঞ্চলিক গৱেষণা কেন্দ্ৰ (RRL), বশিষ্ঠৰ নলগাহৰি গৱেষণা কেন্দ্ৰ, খানাপাৰাৰ আঞ্চলিক বিজ্ঞান কেন্দ্ৰ, অসম স্বেচ্ছাসেৱী স্বাস্থ্য সংগঠন, অসম বিজ্ঞান আৰু প্ৰযুক্তি শিক্ষা পৰিষদ (ASTEC) ইত্যাদি।



জানি থোৱা ভাল

অসমত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰসাৰত তলৰ অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে উল্লেখনীয় ভূমিকা ল'ব পাৰে-

- অনা-চৰকাৰী সংস্থাসমূহ
- কৃষি সম্প্ৰসাৰণ প্ৰশিক্ষণ কেন্দ্ৰ
- পাৰিপাৰ্শ্বিকতা আৰু বন বিভাগ, অসম চৰকাৰ
- বিভিন্ন বিশ্ববিদ্যালয় কৰ্তৃপক্ষ



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ২ ঃ অসমত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰসাৰৰ দুটা সুযোগৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

.....

.....

প্ৰশ্ন ৩ ঃ "পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সম্ভাৱনাসমূহ"- বিষয়টো ৫০ টা শব্দৰ ভিতৰত বৰ্ণনা কৰক।

.....

.....



চিন্তা চৰ্চা কৰক ১৪.১

পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা সন্দৰ্ভত জন সচেতনতা কেনেদৰে গঢ়ি তুলিব পাৰি? মতামত লিখক।

.....

.....



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বহল পৰিসৰতপৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক জীৱ-মণ্ডল অথবা পাৰিপাৰ্শ্ব -প্ৰণালীত থকা বিভিন্ন ধৰণৰ উপাদান, বস্তু, পদাৰ্থ আৰু জীৱক সামৰি লয়। ইংৰাজী 'biosphere' শব্দটোৰ দুটা অংশ আছে- 'bio' আৰু 'sphere'। শব্দটোৰ মূল হ'ল দুটা গ্ৰীক শব্দ। 'bio' শব্দৰ মূল হ'ল 'bios' -ইয়াৰ অৰ্থ হ'ল মানৱ জীৱন।'sphere'শব্দৰ মূল হ'ল 'sphaire'- ইয়াৰ অৰ্থ হ'ল গোলাকাৰ বস্তু। চমুকৈ 'biosphere' (জীৱ-মণ্ডল) শব্দৰ

অর্থ হ'ল পৃথিৱীৰ সেইবোৰ অংশ য'ত জীৱৰ উপস্থিতি আছে।

- পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা হ'ল এনে এক কার্যসূচী যাৰ জৰিয়তে মানুহ আৰু তেওঁৰ পৰিৱেশৰ মাজত থকা আন্তঃসম্পর্কৰ প্রক্রিয়াটো অধ্যয়ন কৰা হয়।
- পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা কার্যসূচীবোৰে নিঃসন্দেহে মানুহৰ মাজত সজাগতাৰ বৃদ্ধি কৰি মানুহক বিষয়টো সন্দর্ভত সংবেদনশীল কৰি তুলিছে। কিন্তু এই কার্যসূচীবোৰে প্রয়োজনীয় দক্ষতা আৰু মানসিকতা গঢ়ি তোলাত মনোযোগ নিদিয়ে বাবে সিমান ফলপ্রসূ ৰূপ ল'ব পৰা নাই।
- পৰিৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা কার্যসূচীৰ বর্তমান পদ্ধতিটোক বহুতো সমস্যাই প্রভাৱিত কৰিছে। এনে দুটামান সমস্যা হ'ল- প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ অভাৱ, উপযুক্ত আন্তঃগাঁথনিমূলক সা-সুবিধাৰ অভাৱ, ছাত্র-ছাত্রীৰ ওপৰত মাত্রাধিক পাঠ্যসূচীৰ বোজা, অতি সীমিত গৱেষণা, ৰাজনৈতিক সদিচ্ছাৰ অভাৱ, পুঁজিৰ নাটনি, উপযুক্ত প্রশিক্ষণপ্রাপ্ত শিক্ষা বিষয়াৰ অভাৱ ইত্যাদি।
- অসমে যুঁজিবলগীয়া হোৱ দুটামান বিশেষ পৰিৱেশজনিত সমস্যা হ'ল- দ্রুত জনসংখ্যা বৃদ্ধি, বৃহৎ পৰিসৰত ঘটা প্রব্রজন আৰু অনুপ্রৱেশ, বনজ সম্পদ ধ্বংস, অপৰিকল্পিত ঔদ্যোগিক বিকাশ, যান-বাহনে সৃষ্টি কৰা সমস্যা, গোটা বর্জ্য পদার্থই সৃষ্টি কৰা সমস্যা, বানপানী আৰু খহনীয়া, মানুহ-জন্তুৰ সংঘাত, অকর্তৃত্বশীলভাৱে মাটি খন্দা আৰু মাটি দখল কৰা ইত্যাদি।
- ভাৰতীয় সংবিধানেপৰিৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা আৰু প্রমূল্যবোৰক প্রয়োজনীয় গুৰুত্ব প্রদান কৰিছে।

  সংবিধানৰ দফা 48-A-ত কোৱা হৈছে-

  "ৰাষ্ট্রই পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা সুৰক্ষিত আৰু উন্নত কৰাৰ লগতে দেশৰ বনাঞ্চল আৰু বন্যপ্রাণীৰ সুৰক্ষাৰ বাবে অহোপুৰুষার্থ কৰিব।"

  দফা 51- (g)-ত পুনৰ কোৱা হৈছে যে-

  "বনাঞ্চল, হ্রদ, নদী আৰু বন্যপ্রাণীকে ধৰি সকলো প্রাকৃতিক পৰিৱেশৰ সুৰক্ষা আৰু অৱস্থা উন্নত কৰাৰ প্রয়াসৰ লগতে সকলো জীৱৰ প্রতি কৰুণা প্রদর্শন কৰাটো দেশৰ প্রতিগৰাকী নাগৰিকৰে কর্তব্য হ'ব।"
- অসমক ভাৰতৰ জৈৱ-বৈচিত্র্যৰে ভৰপূৰ ৰাজ্যবোৰৰ মাজৰ এখন বুলি গণ্য কৰা হয়। অসম প্রাকৃতিক সম্পদত চহকী ৰাজ্য। অসমত জৈৱ-বৈচিত্র্যৰে ভৰপূৰ বিশখনতকৈও অধিক সংৰক্ষিত বনাঞ্চল আছে। কিন্তু সংৰক্ষণ সম্পর্কীয় সজাগতাৰ অভাৱ আৰু সম্পদৰ প্রয়োজনাধিক ব্যৱহাৰে অঞ্চলটোৰ বনাঞ্চল আৰু বন্য জীৱৰ প্রতি ভাবুকিৰ সৃষ্টি কৰিছে।
- অসমত পৰিৱেশ বিষয়ক শিক্ষা প্রসাৰত তলৰ কাৰকবোৰে অৰিহণা যোগাব পাৰে- অনা-চৰকাৰী সংস্থাবোৰৰ লগতে অন্য অনুষ্ঠান- প্রতিষ্ঠানৰ ভূমিকা, কৃষি সম্প্রসাৰণ শিক্ষা, চৰকাৰৰ ভূমিকা, বিশ্ববিদ্যালয়সমূহৰ কর্তৃপক্ষৰ ভূমিকা, বৈজ্ঞানিক গৱেষণা কেন্দ্র আৰু অনুষ্ঠান- প্রতিষ্ঠানৰ ভূমিকা ইত্যাদি।



৯.৫ অধিক জানিবলৈ

১) Reddy, K.P. & Reddy, D.N. : Environmental Education (Neelkamal Publication Pvt. Ltd. Hyderabad)



৯.৬ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ বিশেষ পৰিৱেশ জনিত সমস্যাবোৰ হ'ল-

- দ্রুত জনসংখ্যা বৃদ্ধি
- বৃহৎ পৰিসৰত হোৱা প্রব্রজন আৰু অনুপ্রৱেশ
- বনজ সম্পদ ধ্বংস
- অপৰিকল্পিত ঔদ্যোগিক বিকাশ
- যান-বাহনে সৃষ্টি কৰা সমস্যা
- গোটা বর্জ্য সামগ্রীয়ে সৃষ্টি কৰা সমস্যা
- বানপানী আৰু খহনীয়া
- মানুহ-জন্তুৰ সংঘাত
- অকর্তৃত্বশীলভাৱে মাটি খন্দা আৰু দখল কৰা প্রক্রিয়া।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অসমত পৰিৱেশ বাপাৰিপার্শ্বিকতা বিষয়ক শিক্ষা প্রসাৰৰ দুটা সুযোগ হ'ল-

- ৰাজ্যৰ কৃষি বিশ্ববিদ্যালয়ে গ্রামাঞ্চলৰ কৃষিজীৱি লোকক পৰিৱেশ বিষয়ক শিক্ষা দিবলৈ বিভিন্ন সম্প্রসাৰণ সেৱা আগবঢ়াব পাৰে। বিশ্ববিদ্যালয়ে ৰাজ্যৰ খেতিপ্রধান অঞ্চলবোৰত প্রশিক্ষণ কেন্দ্র খুলি সাৰ, ৰাসায়নিক দ্রব্য আদিৰ প্রয়োগ বিধি, মাটি সংৰক্ষণ আৰু জলসিঞ্চনৰ পদ্ধতি আদি শিকাব পাৰে।
- পৰিৱেশ অধ্যয়নৰ ক্ষেত্রত জড়িত হৈ থকা বিভিন্ন চৰকাৰী আৰু অনা-চৰকাৰী সংস্থাই (NGO) অনা- আনুষ্ঠানিক শিক্ষা পদ্ধতিৰে মানুহক সজাগ কৰি তুলিব পাৰে। গুৱাহাটী কেন্দ্রিক অনা-চৰকাৰী সংস্থা SGBG- এ শেহতীয়াভাৱে গুৱাহাটী অঞ্চলৰ পাহাৰ, দলনি / জলাহ আৰু সমভূমি অঞ্চলৰ জৰীপ কৰাৰ দাবী উত্থাপন কৰিছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বৰ উন্নয়নশীল আৰু অনুন্নত দেশবোৰৰ আর্থ-সামাজিক উন্নয়নৰ সৈতে পৰিৱেশ বাপাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ ঘনিষ্ঠ সম্পর্ক আছে। এনে দেশবোৰে জনসংখ্যা বিস্ফোৰণ, নিৰক্ষৰতা, সাংস্কৃতিক তথা ধর্মীয় গোড়ামি, অর্থনৈতিক

অনগ্রসৰতা আৰু নিবনুৱা সমস্যাৰ দৰে গুৰুতৰ সমস্যাৰ সৈতে যুঁজিবলগীয়া হয়। এই সমস্যাবোৰ পৰিৱেশ প্রদূষণ আৰু পৰিৱেশ অৱনমনৰ বাবে দায়ী।



৯.৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ঃ ভাৰতীয় সংবিধানৰ দফা 48-A ই পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা সম্পর্কে কি কৈছে?

প্রশ্ন ৩ঃ ভাৰতীয় সংবিধানৰ দফা 51(g) এ পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা সম্পর্কে কি কৈছে?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ যিকোনো পাঁচটা প্রধান সমস্যা উল্লেখ কৰক।

প্রশ্ন ২ঃ পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা প্রসাৰত অনা-চৰকাৰী সংস্থাৰ (NGO) ভূমিকা ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ অসমৰ বিশেষ উল্লেখৰ সৈতে পৰি ৱেশজনিত সমস্যাবোৰ চমুকৈ আলোচনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ অসমৰ বিশেষ উল্লেখৰ সৈতে গুৰুতৰ পৰি ৱেশজনিত সমস্যাবোৰ বহলাই আলোচনা কৰক।

প্রশ্ন ২ঃ পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সম্ভাৱনাসমূহ বহলাই ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ অসমৰ বিশেষ উল্লেখৰ সৈতে পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা প্রসাৰৰ উপায়বোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ জনসংখ্যা শিক্ষা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ জনসংখ্যা শিক্ষাৰ ধাৰণা
১০.৩.১ জনসংখ্যাৰ শিক্ষাৰ প্ৰকৃতি
১০.৩.২ জনসংখ্যাৰ শিক্ষাৰ উদ্দেশ্য
১০.৩.৩ জনসংখ্যাৰ শিক্ষাৰ পৰিসৰ
১০.৪ জনসংখ্যাৰ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্ৰগতিৰ খতিয়ান
১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জনসংখ্যাৰ শিক্ষাৰ ধাৰণাটোৰ সংজ্ঞা আগবঢ়াব পাৰিব।
- জনসংখ্যাৰ শিক্ষাৰ প্ৰকৃতি বৰ্ণনা কৰিব পাৰিব।
- জনসংখ্যাৰ শিক্ষাৰ উদ্দেশ্য বৰ্ণনা কৰিব পাৰিব।
- জনসংখ্যাৰ শিক্ষাৰ পৰিসৰ ব্যাখ্যা কৰিব পাৰিব।
- জনসংখ্যাৰ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

এই কথা সকলোৱে একেমুখে স্বীকাৰ কৰিবলৈ বাধ্য যে জনসংখ্যাৰ বিস্ফোৰণ (Population explosion) হ'ল এই মূহুৰ্তত বিশ্বই সন্মুখীন হোৱা সবাতোকৈ গুৰুতৰ সমস্যা। এই সমস্যাটোৱে সামগ্ৰিকভাৱে মানৱ জাতিৰ আৰু বিশেষভাৱে ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰৰ নাগৰিকৰ জীৱন যাপনৰ উন্নত মানৰ সৈতে জড়িত বিভিন্ন দিশত বিৰূপ প্ৰভাৱ পেলাইছে। দ্ৰুত জনসংখ্যা বৃদ্ধিৰ ফলস্বৰূপে সমগ্ৰ বিশ্বতে দৰিদ্ৰতা, নিবনুৱা সমস্যা, অনুপযুক্ত বাসগৃহ, পুষ্টিহীনতা, পুষ্টিৰ পৰিমাণে প্ৰয়োজনতকৈ খাদ্যবস্তু কম হোৱা, প্ৰদূষণ, যুঁজ-বাগৰ, বয়ঃসন্ধিকালৰ অপৰাধ প্ৰৱণতা, পানীৰ নাটনি, নিৰক্ষৰতা, ৰাজনৈতিক অস্থিৰতা, সন্ত্ৰাসবাদ, চোৰাং মানৱ সৰবৰাহ আদিৰ দৰে সমস্যাও দিনে দিনে বাঢ়িবলৈ লৈছে। ৰাষ্ট্ৰসংঘৰ হৈ বিস্তৃত

সমীক্ষা চলোৱা 'ওৱৰ্ল্ড'মিটাৰ্চ' (Worldometers)-ৰ শেহতীয়া প্ৰাক্‌কলন অনুসৰি ২০১৯ চনৰ অক্টোবৰ মাহত বিশ্বৰ সাম্প্ৰতিক জনসংখ্যা হ'ল ৭.৭ বিলিয়ন। অনুমান কৰা হৈছে যে ২০২৪ চনলৈ বিশ্বৰ জনসংখ্যাই ৮ বিলিয়ন সীমা স্পৰ্শ কৰিব। ২০৪২ চনলৈ এই জনসংখ্যা হ'বগৈ প্ৰায় ৯ বিলিয়ন। ৰাষ্ট্ৰসংঘৰ ডাটা অনুসৰি ২০১৯ চনৰ মাজভাগত ভাৰতৰ সাম্প্ৰতিক জনসংখ্যা আছিল প্ৰায় ১৩৬.৬৫ কোটি। এই কথাটোৰ সৈতে জড়িত আন দুটামান মৌলিক তথ্য জানি থওঁ আহকচোনহুঁ ভাৰতৰ জনসংখ্যা হ'ল সমগ্ৰ বিশ্বৰ মুঠ জনসংখ্যাৰ ১৭.৭১ শতাংশ আৰু ভাৰতৰ ভূ-খণ্ড হ'ল সমগ্ৰ বিশ্বৰ মুঠ মাটিকালিৰ ২.৪ শতাংশ। জনসংখ্যা বৃদ্ধিৰ সাম্প্ৰতিক ধাৰাটো অব্যাহত থাকিলে ভাৰতে হয়তো ২০৪৫ চনত চীনক অতিক্ৰম কৰি বিশ্বৰ সৰ্বাধিক জনসংখ্যাৰ দেশত পৰিণত হ'ব। এই কথা সকলোৱে জ্ঞাত যে দেশ এখনৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ প্ৰধান উদ্দেশ্য হ'ল নাগৰিকৰ জীৱনৰ মান উন্নত কৰা। উন্নত জীৱনৰ অধিকাৰী হ'ব পাৰিলেহে মানুহে নিজকে উৎপাদনশীলৰূপে গঢ় দি সমাজৰ বাবে সম্পদত পৰিণত হ'ব। কিন্তু জনসংখ্যা সুস্থিৰ নকৰাকৈ বহনক্ষম উন্নয়নৰ পৃষ্ঠপোষকতা কৰাতো প্ৰায় অসম্ভৱ কথা। অধিক জনসংখ্যাৰ দেশ এখনৰ বাবে উন্নয়নৰ সা-সুবিধাবোৰৰ পৰ্যাপ্ত সমবিতৰণ সম্ভৱ নহয়। সেয়েহে সময়ৰ দাবী মানি লৈ সকলোৱে স্বীকাৰ কৰিছে যে আনুষ্ঠানিক শিক্ষাইপ্ৰচলিত জনসংখ্যা নিয়ন্ত্ৰণ ব্যৱস্থাবোৰৰ বিষয়ে সজাগতা বৃদ্ধিৰ সৈতে জড়িত সমস্যাবোৰ বুজাত সহায় কৰাৰ লগতে প্ৰয়োজনীয় যুক্তিসংগত সিদ্ধান্ত ল'বলৈ সক্ষম কৰি তুলিব। আজিৰ শিশু কাইলৈৰ পিতৃ-মাতৃ। সেয়েহে জনসংখ্যা শিক্ষাৰ জৰিয়তে উঠি অহা প্ৰজন্মৰ মনত উপযুক্ত মনোভাব গঢ়ি তোলাৰ প্ৰয়াসে এই সমস্যাটো নিয়ন্ত্ৰণ কৰাৰ প্ৰচেষ্টাবোৰ সবল কৰি তুলিব।

এই অধ্যায়টিত জনসংখ্যা শিক্ষাৰ ধাৰণাটো সৈতে জড়িত কিছুমান প্ৰাথমিক কথা আলোচনা কৰা হ'ব। জনসংখ্যা শিক্ষাৰ প্ৰকৃতি, পৰিসৰ তথা ধাৰণাটোৰ সৈতে জড়িত বিভিন্ন সংজ্ঞা আৰু অৰ্থৰ বিষয়ে অধ্যাটিত বহলাই ব্যাখ্যা কৰা হৈছে।

আলোচনাত সামৰি লোৱা আন এটা উল্লেখনীয় বিষয় হ'ল আমাৰ দেশৰ জনসংখ্যা বিস্ফোৰণৰ সমস্যাটো নিয়ন্ত্ৰণ কৰিবলৈ জনসংখ্যা শিক্ষাৰ প্ৰসাৰ ঘটোৱাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব। অধ্যায়টিৰ জৰিয়তে শিক্ষাৰ্থীৰ মনত জনসংখ্যা শিক্ষা বোলা ধাৰণাটো স্পষ্ট কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। অধ্যায়টি পঢ়ি আপুনি জনসংখ্যা শিক্ষাৰ ধাৰণাটো বুজি পোৱাৰ লগতে আমাৰ ভাৰতৰ দৰে দেশ এখনত দ্ৰুত জনসংখ্যা বৃদ্ধিৰ প্ৰেক্ষাপটত এই শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কেও অৱগত হ'ব।

১০.৩ জনসংখ্যা শিক্ষাৰ ধাৰণা

আপুনি নিশ্চয় জন্ম নিয়ন্ত্ৰণ, পৰিয়াল পৰিকল্পনা আৰু যৌন শিক্ষা আদিৰ দৰে ধাৰণাৰ সৈতে পৰিচিত। এই ধাৰণাবোৰৰ জনসংখ্যা নিয়ন্ত্ৰণ ধাৰণাটোৰ সৈতে সম্পৰ্ক আছে। এই অধ্যায়টিত আপোনাক আন এটা বহল পৰিসৰৰ ধাৰণাৰ সৈতে পৰিচয় কৰাই দিব খোজা হৈছে। ধাৰণাটো হ'ল জনসংখ্যা শিক্ষা (Population Education)। বহুতে কয় বা ধাৰণা কৰে যে

জনসংখ্যা শিক্ষাৰ ধাৰণাটো জন্ম নিয়ন্ত্ৰণ, পৰিয়াল পৰিকল্পনা আৰু যৌন শিক্ষাৰ ধাৰণাৰ ব্যতিক্ৰমেৰে জনসংখ্যা শিক্ষাৰ ধাৰণাটো আনবোৰতকৈ কিছু পৃথক। নামটোৰ পৰাই সাধাৰণতে বুজা যায় যে জনসংখ্যা শিক্ষা হ'ল এটা শৈক্ষিক কাৰ্যসূচী। অভিধাটোত দুটা শব্দ আছে 'জনসংখ্যা' আৰু 'শিক্ষা'। সাধাৰণ অৰ্থত 'জনসংখ্যা' মানে হ'ল কোনো এডোখৰ নিৰ্দিষ্ট ভৌগোলিক এলেকাত বাস কৰা মুঠ মানুহৰ সংখ্যা। এই এলেকাটো এখন গাঁও, জিলা, দেশ অথবা সামগ্ৰিকভাৱে গোটেই পৃথিৱীখন হ'ব পাৰে। নাইবা জনসংখ্যা মানে কোনো এক নিৰ্দিষ্ট জাতি, ধৰ্ম, সামাজিক লিংগ, শ্ৰেণী, উপজাতি অথবা সম্প্ৰদায় আদিৰ মুঠ সদস্যৰ সংখ্যাও হ'ব পাৰে। শিক্ষা হ'ল এনে প্ৰক্ৰিয়াৰ নাম যিটোৰে ব্যক্তিক জ্ঞান, তথ্য, মনন, মনোভাব, দক্ষতা, সামৰ্থ আৰু অনুশীলন কৌশল আদিৰে সমৃদ্ধ অথবা ব্যক্তিৰ যাতে আগৰে পৰা থকা এই গুণবোৰৰ উন্নতি সাধন কৰে। ব্যক্তিয়ে এইবোৰৰ সহায়ত পৰিয়াল, সমাজ, দেশ অথবা বিশ্বৰ সদস্যৰূপে নিজৰ জীৱনত সুফলদায়ক পাৰদৰ্শিতা প্ৰদৰ্শন কৰে। এতিয়া জনসংখ্যা আৰু শিক্ষা শব্দ দুটাৰ কথা ভাবি চাও আহক। ই হ'ল জনসংখ্যা বিষয়ক কথাবোৰৰ গভীৰ জ্ঞান দিবলৈ মুঠ জনসংখ্যা কোনটো ভাগক শিক্ষা দিয়া হ'ব তাৰ সিদ্ধান্ত। এই শিক্ষাই জনসংখ্যা শিক্ষক (Population Educators) আৰু শিক্ষাবিদসকলকো বিষয়টোৰ সৈতে জড়িত গুৰুতৰ প্ৰত্যাহ্বানবোৰৰ প্ৰকৃতি-পৰিসৰ সম্পৰ্কীয় জ্ঞানেৰে সমৃদ্ধ কৰে।

'ইউনেস্ক' (১৯৭০)-ৰ মতে, 'জনসংখ্যা শিক্ষা হ'ল এক শৈক্ষিক কাৰ্যসূচী। ইয়াৰ সহায়ত পৰিয়াল, সম্প্ৰদায়, ৰাষ্ট্ৰ আৰু বিশ্বৰ জনসংখ্যা পৰিস্থিতি (Population Situation) অধ্যয়ন কৰা হয়। ইয়াৰ উদ্দেশ্য হ'ল এই পৰিস্থিতিৰ প্ৰতি শিক্ষাৰ্থীৰ মনত যুক্তিযুক্ত তথা দায়িত্বশীল মনোভাৱ গঢ়ি তোলা।' ষ্টিফেন ভাইডাৰমেনৰ জনসংখ্যা শিক্ষাৰ সংজ্ঞা অনুসৰি ই হ'ল এনে 'এক প্ৰক্ৰিয়া যিটোৰ দ্বাৰা শিক্ষাৰ্থীয়ে জনসংখ্যা প্ৰক্ৰিয়া, জনসংখ্যা বৈশিষ্ট্য, জনসংখ্যা পৰিৱৰ্তনৰ কাৰণ আৰু এই আটাইবোৰ প্ৰক্ৰিয়াৰ পৰিণাম, সমাজ আৰু সমগ্ৰ বিশ্বৰ বাবে কঢ়িয়াই অনা পৰিৱৰ্তনবোৰৰ বিষয়ে অধ্যয়ন কৰে'।

অৰ্থাৎ জনসংখ্যা শিক্ষাই শিকন প্ৰক্ৰিয়াটোত ব্যক্তিক জড়িত কৰি বিষয়টো সন্দৰ্ভত জ্ঞান তথা আকলন বৃদ্ধি কৰে। এই শিক্ষাই এক বহল দৃষ্টিভংগীৰে জনসংখ্যাৰ সৈতে জড়িত দিশবোৰ বিশ্লেষণ কৰাত সহায় কৰে। এই শিক্ষাৰ সহায়ত ব্যক্তিয়ে নিজৰ বাবে অৰ্থপূৰ্ণ আৰু সামাজিকভাৱে প্ৰাসংগিক উপায়েৰে জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে উপযুক্ত দক্ষতা আহৰণ কৰি বিষয়টো বিশ্লেষণ কৰিবলৈ তথা সংজ্ঞা আগবঢ়াবলৈ শিকে। জনসংখ্যা শিক্ষাই কেৱল জনসংখ্যা সমস্যাটোৰ সন্দৰ্ভত শিক্ষাৰ্থীৰ যথোপযুক্ত মনোভাবকে গঢ় নিদিয়ে। ই দ্ৰুত জনসংখ্যা বৃদ্ধিৰ ফলত গা কৰি উঠা আন সমস্যাবোৰক লৈ ব্যক্তিৰ যুক্তিসংগত সিদ্ধান্ত গ্ৰহণৰ সামৰ্থও বিকশিত কৰে। জনসংখ্যা শিক্ষাই জনসংখ্যাৰ সৈতে জড়িত তেনে সকলোবোৰ দিশ সামৰি লয় যিবোৰে উন্নয়ন, জীৱন যাপনৰ মান আৰু জীৱনৰ গুণগত মানক প্ৰভাৱিত কৰে। জনসংখ্যাবিষয়ক সকলোবোৰ কথাই বিস্তৃত আৰু সৰ্বাত্মক। সেয়েহে জনসংখ্যা শিক্ষাৰ বিষয়সূচী প্ৰস্তুত কৰোঁতে তেনে সকলোবোৰ কথা সামৰি ল'ব লাগে যিবোৰ অধ্যয়ন কৰি ব্যক্তি অথবা লক্ষ্য গোটবোৰে

এই বিষয়বোৰত যৌক্তিক তথা দায়িত্বশীল সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সমৰ্থ হয়।

আগতেই কৈ অহা হৈছে যে জনসংখ্যা শিক্ষা মানে কেৱল পৰিয়াল পৰিকল্পনা অথবা যৌন শিক্ষা নহয়। এইবোৰ বিষয়ৰ সৈতে জনসংখ্যা শিক্ষাৰ কিছু পাৰ্থক্য আছে। যৌন শিক্ষা প্ৰদান কৰাৰ সময়ত যৌনৰোগ প্ৰতিৰোধৰ বিষয়টোত আৰু পৰিয়াল পৰিকল্পনা সম্পৰ্কত জোৰ দিয়া হয়। পৰিয়াল পৰিকল্পনা হ'ল জনসংখ্যা শিক্ষাৰ এটা অংগ। যৌন শিক্ষাত ব্যক্তিক সৰ্বাধিক গুৰুত্ব দিয়া হয়। জনসংখ্যা শিক্ষাত ব্যক্তি, পৰিয়াল তথা ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সমাজৰ মাজত চলা আন্তঃক্ৰিয়াবোৰ বুজাত জোৰ দিয়া হয়। পৰিয়াল পৰিকল্পনাই দম্পতিক গুৰুত্ব দিয়ে। ই এটা চিকিৎসা বিজ্ঞানৰ সৈতে জড়িত বিষয়। কিন্তু জনসংখ্যা শিক্ষা হ'ল সম্পূৰ্ণৰূপে এটা শৈক্ষিক কাৰ্যসূচী। ইয়াৰ উদ্দেশ্য হ'ল বিষয়টোক লৈ মানুহৰ বোধশক্তি বিকশিত কৰা আৰু মানুহক সচেতন কৰি তোলা।

তলত জনসংখ্যা শিক্ষাৰ দুটামান সংজ্ঞা দিয়া হ'ল। সংজ্ঞাকেইটা আপোনাক ধাৰণাটো স্পষ্টকৈ বুজাত সহায় কৰিব।

ড° ভি. কে আৰ. ভি ৰাওৰ মতে, '.... জনসংখ্যা শিক্ষা মূলতঃ মানৱ সম্পদ বিকাশৰ সৈতে জড়িত। সেই দিশেৰে জনসংখ্যা শিক্ষা কেৱল জনসংখ্যা বিষয়ক সজাগতাৰ সৈতেই নহয়, প্ৰমূল্য আৰু মনোভাব বিকাশৰ সৈতেও জড়িত। যাতে এইবোৰৰ সহায়ত (জনসংখ্যাৰ) গুণগত মান আৰু পৰিমাণ দুয়োটা দিশৰে সমানে যত্ন ল'ব পৰা যায়।'

বাৰ্বছনৰ সংজ্ঞা অনুসৰি, 'জনসংখ্যা শিক্ষা হ'ল জনসংখ্যা, পৰিয়াল আৰু যৌনতাৰ বিষয়ে কৰা জ্ঞানৰ অন্বেষণ তথা মনোভাব গঢ়াৰ প্ৰক্ৰিয়া।'

আৰ. চি. শৰ্মাৰ ভাষাত, 'জনসংখ্যা শিক্ষা হ'ল পাৰিপাৰ্শ্বিকতাত বিৰূপ প্ৰভাৰ নেপেলোৱাকৈ ব্যক্তিৰ জীৱনৰ গুণগত মান উন্নত কৰাৰ উদ্দেশ্যেৰে ব্যক্তিৰ নিজৰ পাৰিপাৰ্শ্বিকতাৰ সৈতে থকা সম্পৰ্কৰ আধাৰত কৰা মানৱ জনসংখ্যাৰ অধ্যয়ন।'



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ জনসংখ্যা শিক্ষাৰ সংজ্ঞা কি?

.....

.....

প্ৰশ্ন নং ২ ঃ জনসংখ্যা দিশ আৰু সদৃশ ধাৰণাবোৰৰ মাজত কি পাৰ্থক্য আছে?

.....

.....

১০.৩.১ জনসংখ্যা শিক্ষাৰ প্ৰকৃতি

জনসংখ্যা শিক্ষা এক আপেক্ষিকভাৱে নতুন অধ্যয়নক্ষেত্ৰ। আমি জানো যে জনসংখ্যাকেন্দ্ৰিক কথাবোৰ সুস্থিৰ নহয়, সৰ্বদা পৰিৱৰ্তনশীল। ইয়াৰ ফলতেই জনসংখ্যা

শিক্ষাৰ ধাৰণাটোৱে লাহে লাহে গা কৰি উঠিছে আৰু পৰিৱৰ্তশীল প্ৰয়োজন, আৱশ্যকতা তথা অন্য উত্থানশীল সমস্যা আৰু চিন্তাৰ অনুকূলে নিজকে খাপ খুৱাই লৈছে। এই কথাবোৰৰ আধাৰতে তলত দিয়া ধৰণে জনসংখ্যা শিক্ষাৰ প্ৰকৃতি নিৰূপণ কৰা হৈছে।

১। প্ৰকৃতি অনুসৰি জনসংখ্যাই কেৱল পৰিমাণগত দিশ এটাৰ কথা নুবুজায়। ই মানুহৰ সংখ্যা বিষয়ক ৰচনা হোৱাৰ লগতে জীৱনৰ গুণগত মানৰ দৰে জনসংখ্যাৰ গুণগত দিশবোৰকো সামৰি লয়। জনসংখ্যা শিক্ষাক সেয়েহে মূলতঃ মানৱ সম্পদ বিকাশৰ সৈতে জড়িত বিষয় বুলি গণ্য কৰা হয়।

২। জনসংখ্যা শিক্ষা হ'ল এটা শৈক্ষিক কাৰ্যসূচী।

৩। আন শৈক্ষিক কাৰ্যসূচীৰ দৰে জনসংখ্যা শিক্ষায়ো শিক্ষাৰ্থীক ইয়াৰ বিষয়সূচীৰ অন্তৰ্গত দিশ সম্পৰ্কে জ্ঞান, আকলন, দক্ষতা আহৰণৰ লগতে মনোভাব আৰু প্ৰমূল্য বিকশিত কৰাত সহায় কৰে।

৪। জনসংখ্যা শিক্ষাৰ ধাৰণাটো শিক্ষাৰ একাধিক শাখাৰ অংগ আৰু ই নিজেও এক বহুধা বিভক্ত অধ্যয়ন ক্ষেত্ৰ।

৫। ই পৰিয়াল, সম্প্ৰদায়, ৰাষ্ট্ৰ আৰু সামগ্ৰিকভাৱে বিশ্বৰ জনসংখ্যা পৰিস্থিতি বুজিবলৈ এটা শিকন পৰিৱেশ আগবঢ়ায়।

৬। ই ব্যক্তি, পৰিয়াল আৰু সমাজৰ কল্যাণ সাধনৰ বাবে জনসংখ্যাৰ বিভিন্ন কাৰকৰ প্ৰভাৱ বুজাত সহায় কৰে।

৭। জনসংখ্যা শিক্ষাই জীৱনৰ গুণগত মানৰ দিশটোক প্ৰভাৱিত কৰা মানুহ আৰু পাৰিপাৰ্শ্বিকৰ মাজৰ সম্পৰ্কৰ অধ্যয়ন কৰে।

৮। জনসংখ্যা শিক্ষাৰ প্ৰাথমিক অধ্যয়নৰ বিষয় এটা হ'ল কোনবোৰ কাৰকে সময় বাগৰাৰ লগে লগে জনসংখ্যা সলনি কৰে সেই বিষয়ে গুৰুত্ব দিয়া।

৯। জনসংখ্যা পৰিৱৰ্তনে সম্প্ৰদায়, জাতি আৰু বিশ্বত কি প্ৰভাৱ পেলাব পাৰে তাৰ প্ৰতি জনসংখ্যা শিক্ষাই চিন্তা কৰে।

১০। জনসংখ্যা শিক্ষাৰ লগত জনসংখ্যা পৰিৱৰ্তনৰ সম্ভাব্য কাৰণ আৰু পৰিণতিৰ অধ্যয়ন জড়িত হৈ থাকে। এই কাৰণ আৰু পৰিণতি জৈৱিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক প্ৰকৃতিৰ হ'ব পাৰে।

১১। জনসংখ্যা শিক্ষাৰ বিষয়সূচীৰ আধাৰ হ'ল জনসংখ্যাৰ কাৰকবোৰ আৰু বিভিন্ন আৰ্থ-সামাজিক প্ৰক্ৰিয়াৰ মাজত থকা সম্পৰ্ক।

১২। জনসংখ্যা পৰিৱৰ্তন আৰু উন্নয়ন আন্তঃনিৰ্ভৰশীল। পৰিয়াল, সম্প্ৰদায় অথবা ৰাষ্ট্ৰ যিকোনো স্তৰত হোৱা জনসংখ্যা পৰিৱৰ্তন হ'ল কিছুমান নিৰ্দিষ্ট বিষয়ৰ ভিত্তিত লোৱা সিদ্ধান্তবোৰৰ ফল। এই সিদ্ধান্তবোৰ কোনো এক প্ৰদত্ত পৰিস্থিতি অথবা পটভূমিত যুক্তিসংগত হয়নে নহয় সেয়া সিদ্ধান্ত গ্ৰহণকাৰীসকলে কোনো এক নিৰ্দিষ্ট স্তৰত সকলোবোৰ প্ৰাসংগিক দিশ কেনেদৰে বিবেচনা কৰি চায়

অথবা বুজে তাৰ ভিত্তিত নির্ভৰ কৰে। জনসংখ্যা শিক্ষা থোৱতে হ'ল নিজৰ জনসংখ্যা পৰিস্থিতি সম্পর্কে থকা মানুহৰ জ্ঞান, বুজা শক্তি, মনোভাব, অনুশীলন আৰু আচৰণ। এইবোৰ কথাই জনসংখ্যা পৰিৱর্তন কৰাৰ লগতে ইয়াক প্রভাৱিত কৰে আৰু বর্তমান তথা ভৱিষ্যৎ জীৱনৰ গুণগত মান নিৰূপণ কৰে। অর্থাৎ জনসংখ্যা শিক্ষাই বর্তমান তথা ভৱিষ্যতৰ ব্যস্তিবাদী আৰু সমষ্টিবাদী স্তৰত জনসংখ্যা বিষয়ক বিভিন্ন দিশৰ অধ্যয়নক সামৰি লয়।

১০.৩.২ জনসংখ্যা শিক্ষাৰ উদ্দেশ্য

১৯৭১ চনত NCERT-এ নতুন দিল্লীত আয়োজন কৰা জনসংখ্যা শিক্ষা বিষয়ক কর্মশালা এখনত ইয়াৰ কিছুমান সাধাৰণ উদ্দেশ্য নিৰূপণ কৰিছিল। সেইবোৰ হ'ল—

(i) জনসংখ্যা গাঁথনিমূলক কিছুমান ধাৰণা আৰু প্রক্রিয়া সম্পর্কে বুজাৰ সামর্থ বিকশিত কৰা।

(ii) যুৱ প্রজন্মক আধুনিক বিশ্বৰ সবাতোকৈ গুৰুত্বপূর্ণ পৰিঘটনা হিচাপে জনাজাত দ্রুত জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ কাৰণবোৰৰ বিষয়ে বুজাত সহায় কৰা।

(iii) মানৱ জীৱনৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু অর্থনৈতিক আদি বিভিন্ন দিশত জনসংখ্যা ধাৰণাবোৰে পেলোৱা প্রভাৱ বুজাত সহায় কৰা।

(iv) মানুহৰ জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ চলাই থকা উন্নয়নমূলক কার্যসূচীবোৰৰ বিশেষ উল্লেখেৰে জনসংখ্যা বৃদ্ধি আৰু উন্নয়ন প্রক্রিয়াবোৰৰ মাজত চলি থকা ঘনিষ্ঠ আন্তঃক্রিয়াবোৰ বুজাৰ সামর্থ বিকশিত কৰা।

(v) মাত্রাধিক জনসংখ্যাৰ কু-প্রভাৱ আৰু প্রদূষণে কঢ়িয়াই আনিব পৰা বিপদ সম্পর্কে বুজাত সহায় কৰে।

(i) মৃত্যু হাৰ আৰু জন্ম হাৰৰ মাজত সৃষ্টি হোৱা অসমতাৰ কিছুমান প্রধান কাৰণ, যেনে— দুর্ভিক্ষ, ৰোগ আৰু অসময়ত হোৱা মৃত্যু নিয়ন্ত্রণ কৰাৰ সামর্থ বৃদ্ধি কৰিবলৈ প্রয়োজন হোৱা বিজ্ঞানসম্মত তথা চিকিৎসাবিজ্ঞানকেন্দ্রিক প্রগতিবোৰ বুজাৰ সামর্থ বিকশিত কৰা।

(vii) মানৱ প্রজাতিটো বর্তাই ৰখাত ভূমিকা লোৱা জীৱবিজ্ঞানবিষয়ক কাৰক তথা প্রজননৰ পৰিঘটনাটো সম্পর্কে বুজাত সহায় কৰা।

(viii) তলৰ কথাবোৰৰ সুফল বুজাৰ সামর্থ বিকশিত কৰা—

(ক) সৰু পৰিয়ালৰ নিয়মটো উপযুক্ত আৰু বাঞ্ছিত।

(খ) জনসংখ্যাৰ আকাৰ আৰু জীৱনৰ মানৰ মাজত সম্পর্ক আছে।

(গ) পৰিয়ালৰ আকাৰ নির্ধাৰণ কৰাটো এটা ইচ্ছাকৃতভাৱে পছন্দ কৰিব পৰা বিষয় আৰু ইয়াক মানুহে নিজে নিয়ন্ত্রণ কৰে। ই কোনো দুর্ঘটনা নহয়

আৰু মানৱিক নিয়ন্ত্রণৰ উৰ্দ্ধৰ আন কোনো শক্তিয়ে ইয়াক নিয়ন্ত্রণ নকৰে।

(ix) ব্যক্তিগত আৰু পৰিয়ালকেন্দ্রিক জীৱন যাপনৰ সকলো দিশতে দায়িত্ববোধসম্পন্ন মনোভাব তথা পাৰস্পৰিক সহায়-সহযোগিতাৰ ভাব বিকশিত কৰা।

(x) মাতৃক স্বাস্থ্যৱতী কৰি ৰখা, সন্তানৰ কল্যাণ আৰু পৰিয়ালৰ আকাৰ সৰু কৰা আদিৰ মাজত থকা সম্পর্কবোৰৰ প্রতি যত্নৱান মনোভাব বিকশিত কৰা।

(xi) সমাজৰ প্রতিগৰাকী সদস্যৰ কামে পৰস্পৰক প্রভাৱিত কৰে বুলি বুজাৰ মানসিকতা গঢ়ি তোলা আৰু পৰিয়ালৰ আকাৰ সম্পর্কে গ্রহণ কৰা ব্যক্তিগত তথা ৰাষ্ট্রীয় সিদ্ধান্তই সমগ্র বিশ্বতে সুদূৰপ্রসাৰী ফলাফল প্রদর্শন কৰিব পাৰে বুলি বুজাত সহায় কৰা।

(xii) দেশৰ জনসংখ্যা নীতি আৰু কার্যসূচীবোৰৰ বিষয়ে সজাগতা বৃদ্ধি কৰা।

(xiii) শিক্ষার্থীক এটা প্রাথমিক জনসংখ্যা গাঁথনিমূলক তথ্যভাণ্ডাৰেৰে সমৃদ্ধ কৰা যাতে তেওঁলোকে লাগতিয়াল কথাবোৰ বুজি জনসংখ্যা গাঁথনি বিষয়ক তথ্যবোৰ আয়ত্ব আৰু ব্যাখ্যা কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ জনসংখ্যা শিক্ষাৰ প্রকৃতি চমুকৈ বর্ণনা কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ জনসংখ্যা শিক্ষাৰ যিকোনো তিনিটা প্রধান উদ্দেশ্যৰ বিষয়ে লিখক।

.....

.....

১০.৩.৩ জনসংখ্যা শিক্ষাৰ পৰিসৰ

ওপৰত কৰা আলোচনা পৰা আপুনি নিশ্চয় জনসংখ্যা শিক্ষাৰ বিষয়সূচী সম্পর্কে সাধাৰণ ধাৰণা এটা কৰিবলৈ সক্ষম হৈছে। এইবাৰ আমি জনসংখ্যা শিক্ষাৰ পৰিসৰ সম্পর্কে কিছু কথা আলোচনা কৰিম। জনসংখ্যা বিষয়ক কার্যকলাপৰ পৰিসৰ প্রথম অৱস্থাত কেৱল জনসংখ্যা গাঁথনিমূলক অধ্যয়ন আৰু সিদ্ধান্ত গ্রহণতে সীমাবদ্ধ আছিল। সময় বাগৰাৰ লগে লগে ইয়াৰ বিষয়সূচী বিস্তৃত হৈ পৰিল। ইয়াত আন বহুতো ধাৰণাৰ সংযোজন ঘটিল। ফলত জনসংখ্যা শিক্ষাৰ পৰিসৰ বহল হৈ পৰিল। জনসংখ্যা শিক্ষা হ'ল এটা বহুশাখাযুক্ত প্রমূল্য সৃষ্টিৰ প্রয়াসকাৰী শৈক্ষিক কার্যসূচী। ইয়াৰ লক্ষ্য হ'ল বর্তমান আৰু ভৱিষ্যতে মানুহৰ জীৱনৰ মান উন্নত কৰা। জনসংখ্যা গাঁথনি, জনসংখ্যা গতিশীল, জনসংখ্যা অধ্যয়ন, যৌন শিক্ষা, পৰিয়াল পৰিকল্পনা, জনসংখ্যা নীতি আৰু কার্যসূচী আদিৰ পৰা বিভিন্ন বিষয় বাছনি কৰি জনসংখ্যা শিক্ষাৰ

বিষয়সূচী যুগুত কৰা হৈছে। ইয়াৰ ফলত অৱধাৰিতভাৱে এই বিষয়সূচীখন জনসংখ্যা গাঁথনি বিজ্ঞান, সমাজতত্ত্ব, ভূগোল, অর্থনীতি বিজ্ঞান, মনোবিজ্ঞান, জীৱবিজ্ঞান, পাৰিপার্শ্ব বিজ্ঞান, জনসংখ্যা অধ্যয়ন আৰু চিকিৎসাশাস্ত্ৰৰ দৰে নানা বিদ্যায়তনিক শাখাৰ সৈতে যুক্ত হৈ পৰিছে। সাধাৰণভাৱে জনসংখ্যা শিক্ষাৰ পৰিসৰে তলৰ দিশবোৰ সামৰি লয়—

(i) **জনসংখ্যা গাঁথনিবিজ্ঞান (Demography) ঃ** ই হ'ল জনসংখ্যা অধ্যয়ন। জন্মহাৰ, মৃত্যুহাৰ, প্ৰব্ৰজন হাৰ আদি ইয়াৰ সহায়ত জোখা আৰু বিশ্লেষণ কৰা হয়। জন্ম, মৃত্যু আৰু প্ৰব্ৰজন হ'ল জনসংখ্যা গাঁথনিৰ প্ৰধান উপাদান। জনসংখ্যাৰ পৰিৱর্তন এক জৈৱিক প্ৰক্ৰিয়া। আনহাতে জনসংখ্যা গাঁথনিৰ অধ্যয়নে জন্মহাৰ, মৃত্যুহাৰ, সামাজিক লিংগৰ পিৰামিড গাঁথনি আৰু জনসংখ্যা বৃদ্ধিৰ হাৰ আদি বিষয় সামৰি লয়।

(ii) **জনসংখ্যা বৃদ্ধিৰ পৰিণাম ঃ** দ্ৰুত জনসংখ্যা বৃদ্ধিয়ে মানুহৰ জৈৱিক, সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ বিভিন্ন দিশক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে। ই পাৰিপাৰ্শ্বিক আৰু জৈৱ-বৈচিত্ৰৰ সমতা নাইকিয়া কৰে। অধিক জনসংখ্যাই দেশবোৰৰ উন্নয়ন তথা কল্যাণমূলক কার্যসূচীবোৰতো বিৰূপ প্ৰভাৱ পেলায়।

(iii) **জনসংখ্যা পৰিৱর্তনৰ কাৰক নির্ণয় ঃ** জন্ম, মৃত্যু আৰু সাংস্কৃতিক কাৰকেও জনসংখ্যা পৰিৱর্তনকাৰী উপাদানবোৰক প্ৰত্যেক্ষভাৱে প্ৰভাৱিত কৰে। জনসংখ্যা শিক্ষাই এই আটাইবোৰ কাৰণৰ লগতে দৰিদ্ৰতা আৰু জনসংখ্যা পৰিৱর্তনত প্ৰভাৱ পেলোৱা বিভিন্ন সামাজিক অনুশীলনো বিশ্লেষণ কৰে।

(iv) **মানৱিক যৌন অভ্যাস আৰু প্ৰজনন প্ৰণালীৰ অধ্যয়ন ঃ** জনসংখ্যা শিক্ষাত মানৱিক যৌন আৰু প্ৰজনন প্ৰক্ৰিয়াবোৰৰ মৌলিক দিশসমূহো অধ্যয়ন কৰা হয়। যৌন আচৰণ, মানৱিক প্ৰজনন প্ৰণালীৰ বিকাশ তথা ইয়াৰ সৈতে জড়িত আন সমস্যাবোৰৰ অধ্যয়ন জনসংখ্যা শিক্ষাৰ এক অংশ। এই শিক্ষাৰ পৰিসৰে প্ৰজননকেন্দ্ৰিক স্বাস্থ্যৰ প্ৰতি এক ইতিবাচক মনোভাব গঢ়ি তোলাত সহায় কৰে।

(v) **ভৱিষ্যতৰ বাবে পৰিকল্পনা ঃ** জনসংখ্যা শিক্ষাই জনসংখ্যা ব্যৱস্থাপনাৰ বিভিন্ন দিশৰ পৰিকল্পনা কৰে। বিবাহৰ উপযুক্ত বয়স, প্ৰথম গর্ভধাৰণৰ সময়, সন্তানৰ মাজৰ বয়সৰ ব্যৱধান, পৰিয়াল পৰিকল্পনা, পৰিয়াল কল্যাণ আৰু গর্ভনিৰোধ ব্যৱস্থা আদি হ'ল এই শিক্ষা পৰিকল্পনাই সামৰি লোৱা কেইটামান বিষয়।

ওপৰত আলোচনা কৰা দিশবোৰৰ লগতে জনসংখ্যা শিক্ষাৰ পৰিসৰে তলৰ কথাবোৰো বিবেচনা কৰি চায়।

জনসংখ্যা শিক্ষাত ক্ৰমে গুৰুত্ব বৃদ্ধি পোৱা কথা এটা হ'ল জীৱনৰ গুণগত মান (The quality of life)। এই কথাটোক উপজীব্য হিচাপে লৈ ১৯৮৮ চনত NCERT-এ ছটা প্ৰধান বিষয়বস্তুক কেন্দ্ৰ কৰি জনসংখ্যা শিক্ষাৰ ধাৰণাটোৰ ৰেহৰূপ প্ৰস্তুত কৰিছিল। বিষয়বস্তু ছটা হ'ল - (i) পৰিয়ালৰ আকাৰ আৰু পৰিয়াল কল্যাণ (ii)

পলমকৈ বিয়া পতা (iii) দায়িত্বশীলভাৱে পিতৃত্ব-মাতৃত্বক গ্ৰহণ কৰা (iv) জনসংখ্যা পৰিৱৰ্তন আৰু সমলৰ বিকাশ (v) জনসংখ্যা বিষয়ক বিশ্বাস আৰু প্ৰমূল্য নিৰ্মাণ তথা (vi) সমাজত মহিলাৰ স্থিতি। এই ছটা বিষয়বস্তুতে কেন্দ্ৰীয়ভাৱে আৰোপ কৰা বিষয়সূচীক আন ছখন ক্ষেত্ৰৰ পৰা বাছনি কৰা হৈছিল। ক্ষেত্ৰকেইখন হ'ল ঃ (i) জনসংখ্যা আৰু অৰ্থনৈতিক উন্নয়ন (ii) জনসংখ্যা আৰু সামাজিক উন্নয়ন (iii) জনসংখ্যা, পাৰিপাৰ্শ্বিক আৰু উপলব্ধ সমল (iv) জনসংখ্যা আৰু পৰিয়ালকেন্দ্ৰিক জীৱন (v) জনসংখ্যা, স্বাস্থ্য আৰু পুষ্টি আৰু (vi) জনসংখ্যা গতিবিজ্ঞান।

সময় বাগৰাৰ লগতে ওপৰত আলোচনা কৰা বিষয়বোৰৰ লগতে আন যিবোৰ কথাই জনসংখ্যা শিক্ষাৰ ধাৰণাটোৰ ৰূপৰেখাত স্থান লাভ কৰিলে সেইবোৰ হ'ল— বয়ঃসন্ধিকালৰ সমস্যা, এইডচ্‌কে ধৰি যৌন প্ৰক্ৰিয়াৰে সংক্ৰমিত হোৱা নানা যৌনৰোগ (STD), নগৰীকৰণ প্ৰক্ৰিয়া আৰু বয়োজ্যেষ্ঠসকলক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা চিন্তাজনক পৰিস্থিতি।

২০০০ চনত অনুষ্ঠিত হোৱা 'মিলেনিয়াম শীৰ্ষ সম্মিলন'ত 'মিলেনিয়াম উন্নয়ন লক্ষ্য' (MDGs)ত জনসংখ্যা আৰু উন্নয়ণ শিক্ষাৰ লক্ষ্যবোৰক অবিচ্ছেদ্য অংশৰূপে অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ পাছৰ পৰাই জনসংখ্যা আৰু উন্নয়ন শিক্ষাৰ পৰিসৰে অধিক বিস্তৃত ৰূপ লৈছে। বৰ্তমান ই MDGS-ৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰাসংগিক হৈ পৰা যিকোনো বিষয় আৰু দিশৰ সকলো ধৰণৰ ৰূপকে সামৰি লয়। এনে দুটামান উল্লেখযোগ্য বিষয় হ'ল— দৰিদ্ৰতা আৰু ক্ষুধা নিৰ্মূলকৰণ, সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ, সামাজিক লিংগ সমতাৰ পৃষ্ঠপোষকতা, মহিলা সবলীকৰণ, শিশুৰ মৃত্যুহাৰ হ্ৰাসকৰণ, মাতৃৰ উন্নত স্বাস্থ্য, এইছ আই ভি/এইডচ্‌ মেলেৰিয়া আদি গুৰুতৰ ৰোগ প্ৰতিৰোধ, পাৰিপাৰ্শ্বিকতাৰ বহনক্ষমতা সুনিশ্চিতকৰণ আৰু উন্নয়ন সাধনৰ বাবে বিশ্বজনীন অংশীদাৰিত্বৰ বিকাশ আদি।

এইখিনিতে এটা কথা মনত ৰাখি থোৱাতো ভাল হ'ব যে লক্ষ্য গোটবোৰৰ (Target group) শিক্ষাৰ স্তৰ, ৰাষ্ট্ৰীয় তথা স্থানীয় প্ৰয়োজনীয়তা আৰু ব্যক্তিগত প্ৰয়োজনীয়তা তথা সমস্যাভেদে জনসংখ্যা শিক্ষাৰ উদ্দেশ্য বিষয়সূচী আৰু পৰিসৰ ভিন্‌ ভিন্‌ হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ জনসংখ্যা শিক্ষাৰ পৰিসৰে সামৰি লোৱা কেইখন গুৰুত্বপূৰ্ণ বিষয়সূচী নিৰ্ণায়ত ক্ষেত্ৰৰ বিষয়ে উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ জনসংখ্যা শিক্ষাৰ পৰিসৰ আৰু মিলেনিয়াম উন্নয়ন লক্ষ্যবোৰৰ মাজত থকা সম্পৰ্কৰ বিষয়ে চমু আলোচনা আগবঢ়াওক।

.....

.....

১০.৪ জনসংখ্যা শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব

আগতেই কোৱা হৈছে যে জনসংখ্যা বৃদ্ধিৰ সাম্প্রতিক ধাৰাটো অব্যাহতভাৱে চলি থাকিলে ২০৪৫ চনত ভাৰত চীনক চেৰাই গৈ বিশ্বৰ সর্বাধিক জনসংখ্যাৰ দেশ হৈ পৰিব। জনসংখ্যাৰ বিস্ফোৰণ এক বিশ্বজনীন সমস্যা হৈ পৰিছে যদিও সমস্যাটোৰ গভীৰতা আৰু ইয়াৰ গুৰুত্বৰ ৰূপ শীঘ্রে তথা জৰুৰীকালীনভাৱে নিয়ন্ত্রণ কৰাৰ আৱশ্যকতা ভাৰততেই সর্বাধিক হৈ পৰিছে। ভাৰতে বিশ্বৰ মুঠ জনসংখ্যাৰ ১৭.৭১ শতাংশৰ বোজা বহন কৰি আছে। এই বৃহৎ জনসংখ্যাই পৃথিৱীৰ মুঠ মাটিকালিৰ প্রায় ২.৪ শতাংশ আগুৰি আছে। ভাৰতৰ দৰে উন্নয়নশীল দেশত জনসংখ্যা শিক্ষাৰ অনতিপলমে প্রসাৰ ঘটাটো সময়ৰ দাবী। সামগ্রিকভাৱে বিশ্বৰ ক্ষেত্রতো এই কথা প্রযোজ্য। কাৰণ বর্দ্ধিত জনসংখ্যাই সৃষ্টি কৰা সমস্যাবোৰ বিশ্বৰ সকলোৱে ভুগিব লাগিব।

মানুহে নিজৰ জনসংখ্যা দ্রুত গতিত বৃদ্ধি কৰি ব্যক্তিগত, পৰিয়ালকেন্দ্রিক, সামাজিক আৰু ৰাষ্ট্রীয় কল্যাণৰ প্রতি ভাবুকিৰ সৃষ্টি কৰিছে। সমস্যাটো যিহেতু মানৱ-সৃষ্ট, সেয়েহে মানুহেই নিজৰ যুক্তিসংগত চিন্তা আৰু কামেৰে ইয়াৰ এক সুফলদায়ী সমাধানো উলিয়াব লাগিব। অর্থাৎ মানুহে যুক্তিগতভাৱে চিন্তা কৰিব পৰা মন এটা গঢ়িব লাগিব আৰু যুক্তিসংগত আচৰণ প্রদর্শন কৰিব লাগিব। ইয়াৰ বাবে বর্দ্ধিত জনসংখ্যাই সৃষ্টি কৰা সমস্যা আৰু বিষয়বোৰ নিয়ন্ত্রণ কৰাত মানুহৰ ব্যক্তিগত ভূমিকা কেনে হ'ব পাৰে তাৰ উচিত শিক্ষা প্রদান কৰিব লাগিব। জনসংখ্যা শিক্ষাই এই কথা সম্ভৱ কৰি তুলিব।

জনসংখ্যা শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে তলত বহলকৈ আলোচনা কৰা হ'ল।

১) জন্ম, প্রব্রজন আৰু জীৱনৰ অন্যান্য দিশৰ মাজত থকা আন্তঃসম্পর্ককে জনসংখ্যা পৰিস্থিতিৰ সাধাৰণ সংজ্ঞা বুলি ক'ব পাৰি। উচ্চ জন্মহাৰ আৰু নিম্ন মৃত্যুহাৰে দ্রুত গতিত জনসংখ্যা বৃদ্ধি কৰে। এই পৰিস্থিতিয়ে দেশ এখনৰ কল্যাণ, অর্থনীতি আৰু প্রমূল্যসমূহত গুৰুতৰ আঘাত হানে। জনসংখ্যা বৃদ্ধিৰ উচ্চ হাৰ ৰোধ কৰিবলৈ পৰিয়াল পৰিকল্পনাৰ শিক্ষা প্রসাৰ কৰাতো আৱশ্যক। জনসংখ্যা শিক্ষাৰ উদ্দেশ্য হ'ল জন্মৰ বাৰংবাৰতা বিষয়ক সজাগতাৰ সৃষ্টি কৰা আৰু আধুনিক গর্ভনিৰোধক কৌশল ব্যৱহাৰ কৰি এই পৰিস্থিতি নিয়ন্ত্রণ কৰাৰ উপায় সম্পর্কে মানুহক অৱগত কৰোৱা। এই শিক্ষাই জন্মহাৰ কম কৰাৰ সুবিধাবোৰৰ বিষয়েও মানুহক জানিবলৈ দিয়ে। আমাৰ দেশত বিভিন্ন জন্ম নিয়ন্ত্রণ কার্যসূচীৰ কাম চলি আছে। এইবোৰৰ লক্ষ্য হ'ল মাত্র এটা সন্তান থকা আৰু প্রজননক্ষম বয়স

গোটৰ মাজত থকা দম্পতিসকল। পৰিতাপৰ বিষয় যে বৰ্তমানলৈকে দেশত যুৱ প্ৰজন্মক সজাগ কৰি তুলিব পৰাকৈ জনসংখ্যা শিক্ষা কাৰ্যসূচী প্ৰচলন কৰাৰ কোনো তাৎপৰ্যপূৰ্ণ প্ৰয়াস পৰিলক্ষিত হোৱা নাই। আমি শিশুকালৰে পৰা ব্যক্তিক জনসংখ্যা শিক্ষাৰে সমৃদ্ধ কৰি তোলাৰ চেষ্টা চলোৱা উচিত। কাৰণ আজিৰ শিশুহঁতেই কাইলৈ মাক-দেউতাকৰ ভূমিকা ল'ব।

২) উঠি অহা প্ৰজন্মটোৱে জনসংখ্যা বৃদ্ধিয়ে ৰাষ্ট্ৰীয়, ৰাজনৈতিক, অৰ্থনৈতিক আৰু ব্যক্তিগত জীৱনত কেনে কুফল দেখুৱাব পাৰে সেই বিষয়ে স্পষ্টকৈ জনাৰ সুযোগ পোৱা উচিত। সৰু কালতেই যদি এই বিষয়ে উপযুক্তভাৱে শিক্ষিত কৰি তুলিব পৰা যায়, তেন্তে শিশুহঁতে এক পৰিকল্পিত প্ৰাপ্তবয়স্ক জীৱন যাপন কৰিব পাৰিব। শিশুহঁতক জনসংখ্যা শিক্ষা প্ৰদান কৰাতো সময়ৰ দাবী। তেতিয়াহে জনসংখ্যা বিষয়ক কথাবোৰক লৈ এক বাঞ্ছিত মনোভাব গঢ়ি তুলিব পৰা যাব। এই শিক্ষাৰে শিক্ষিৰে শিক্ষিতসকলে ভৰিষ্যতে জনসংখ্যা সমস্যাবোৰৰ প্ৰতি দায়িত্বশীল আচৰণ প্ৰদৰ্শন কৰিব পাৰিব।

৩) ভাৰতৰ দৰে দেশবোৰে বৰ্দ্ধিত জনসংখ্যাৰ মৌলিক চাহিদাবোৰ পূৰণ কৰিবলৈ বৃহৎ পৰিমাণৰ সমল বিনিয়োগ কৰিব লাগে। ইয়াৰ ফলত মানুহৰ জীৱনৰ মান উন্নত কৰি তুলিব পৰাকৈ যৎসামান্য সমলহে হাতত থাকে। মানুহৰ অনুন্নত জীৱন মানে খাদ্য নাটনি, অনুপযুক্ত শিক্ষা ব্যৱস্থা আৰু দুৰ্বল স্বাস্থ্য আদিৰ দৰে সমস্যাৰ কথাক বুজায়। জীৱনৰ মান উন্নত কৰিবলৈ অথবা প্ৰচলিত জীৱনৰ মান বৰ্তাই ৰাখিবলৈ জনসংখ্যাক কেতিয়াও ব্যৱহাৰসাধ্য সমল অতিক্ৰম কৰিবলৈ দিব নালাগে। এইটো কাৰণতে জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণ কৰাটো এক অতি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। এই নিয়ন্ত্ৰণৰ এটা কৌশল হ'ল বিশ্বৰ দেশবোৰে জনসংখ্যা শিক্ষাৰ প্ৰসাৰত ভাগ লোৱা। জীৱনৰ মান উন্নত কৰিবলৈ জনসংখ্যা বৃদ্ধিৰ হাৰ কম কৰাটোৱে অতি প্ৰয়োজনীয়। এই বিষয়ে বুজাবলৈ দেশবোৰে এই শিক্ষাৰ জৰিয়তে চলোৱা প্ৰয়াসৰ ফলত ব্যক্তিয়ে বিষয়টো সন্দৰ্ভত যুক্তিযুক্ত সিদ্ধান্ত গ্ৰহণ আৰু সেইবোৰৰ কাৰ্যৰূপায়ণ কৰিবলৈ শিকিব।

৪) জনসংখ্যা বঢ়াৰ লগে লগে অপৰাধ, হিংসাত্মক কাৰ্যকলাপ, অসামাজিক কাৰ্যকলাপ, কৈশোৰ অৱস্থাৰ অপৰাধ প্ৰৱণতা আৰু সন্ত্ৰাসবাদৰ দৰে সামাজিক সমস্যাবোৰো বৃদ্ধি হয়। ইয়াৰ উপৰি বৰ্দ্ধিত জনসংখ্যাই প্ৰদূষণ, গোলকীয় উষ্ণতা বৃদ্ধি আৰু জৈৱ-বৈচিত্ৰৰ অসমতাৰ দৰে বহুতো পাৰিপাৰ্শ্বিকতাকেন্দ্ৰিক সমস্যা সৃষ্টি কৰে। জনসংখ্যা শিক্ষাই এই আটাইবোৰ সমস্যাৰ দীৰ্ঘম্যাদী সমাধান উলিওৱাত সহায় কৰে।

৫) এটা শৈক্ষিক কাৰ্যসূচীৰ বাবে জনসংখ্যা শিক্ষাই মানুহক জ্ঞান, দক্ষতা, মনোভাব আৰু অনুশীলনৰ দিশেৰে প্ৰভাৱিত কৰি জনসংখ্যাকেন্দ্ৰিক বিষয়বোৰৰ প্ৰচলিত ছবিখন সলনি কৰিব পাৰে। বিভিন্ন অনুসন্ধানমূলক অধ্যয়নৰ পৰা গম পোৱা গৈছে যে জ্ঞানে মানুহৰ মনোভাব সলনি কৰে আৰু মনোভাবে অভ্যাস-অনুশীলন সলনি কৰিব পাৰে। এইটো কাৰণতে জনসংখ্যা বিষয়ক সমস্যাবোৰ সমাধান কৰিবলৈ মানুহক প্ৰত্যাশিত অনুশীলনেৰে

সমৃদ্ধ কৰি তুলিবলৈ জনসংখ্যা শিক্ষাক এক পূৰ্বচর্ত বুলি গ্রহণ কৰাৰ নিয়ম আৰম্ভ হৈছে।

৬) জনসংখ্যা শিক্ষাই সামাজিক লিংগৰ মাজত সমতা স্থাপনতো সহায় কৰে। ই মহিলাসকলক তেওঁলোকৰ প্রাপ্য সামাজিক স্থিতি দখলত সহায় কৰে। সবলীকৃত নাৰীয়ে সমাজৰ আর্থ-সামাজিক উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ সামগ্রিক লক্ষ্যত উপনীত হ'বলৈ পুৰুষৰ সমান অংশীদাৰ হয় আৰু এনেকৈয়ে লক্ষ্যৰে শিক্ষিতা মহিলা এগৰাকীয়ে ব্যক্তিগত, পৰিয়ালকেন্দ্রিক, সম্প্রদায়ভিত্তিক আৰু সামগ্রিকভাৱে গোটেই সমাজখনৰ কল্যাণ হ'ব পৰাকৈ নিজাবৰীয়া সিদ্ধান্ত ল'ব পাৰিব।

৭) জনসংখ্যা শিক্ষাই মানুহক জনসংখ্যা বৃদ্ধি কৰাৰ উপাদানবোৰ চিনাক্ত তথা সংজ্ঞাবদ্ধ কৰাত সহায় কৰে। এই শিক্ষাৰে সমৃদ্ধ ব্যক্তিয়ে সমস্যাটো সৃষ্টিৰ কাৰণবোৰ বুজি পায়। নিজৰ সিদ্ধান্ত আৰু কর্মৰ পৰিণতি সম্পর্কে সজাগ হয়। উন্নয়নমূলক কার্যকলাপৰ পৰিসৰৰ ভিতৰত যুগুত কৰা জনসংখ্যা শিক্ষা কার্যসূচী এখনে মানুহক আর্থ-সামাজিক উন্নয়নৰ ধাৰণা বুজাত সহায় কৰে। জনসংখ্যা বৃদ্ধিৰ প্রক্রিয়াটোৱে এই উন্নয়নক প্রভাৱিত কৰাৰ কথা বুজি পোৱা মানুহে এয়াও অনুধাৱন কৰিব পৰা হয় যে তেওঁলোকৰ ব্যক্তিগত সিদ্ধান্তই সমাজ তথা দেশৰ আর্থ-সামাজিক স্থিতিক প্রভাৱিত কৰে।

৮) জনসংখ্যা শিক্ষাক সামাজিক পৰিৱর্তনৰ এক আহিলাৰূপে ব্যৱহাৰ কৰিব পৰা যায়। আমাৰ দেশৰ বহুতো নাগৰিকৰ জীৱন আজি পর্যন্ত অন্ধবিশ্বাস, অন্ধ অনুকৰণ প্রৱণতা, অদৃষ্টবাদ আৰু বিভিন্ন কুপ্রথাৰে পৰিচালিত। এইবোৰকো বহুক্ষেত্রত জনসংখ্যা বৃদ্ধিৰ প্রধান কাৰণ হিচাপে চিহ্নিত কৰা হয়। জনসংখ্যা শিক্ষাই শিক্ষার্থীৰ চামটোক যৌক্তিক মানৱতাবাদেৰে সমৃদ্ধ কৰি তুলি এই পৰিস্থিতি সলনি কৰিব পাৰে। শিক্ষার্থী যদি বিজ্ঞানসম্মত অনুন্ধিৎসাৰ মানসিকতাৰে আগবাঢ়িব পৰা হয়, তেন্তে সমাজৰ পৰা অজ্ঞানতা আৰু অন্ধবিশ্বসৰ মানসিকতা নাইকিয়া হ'ব।

৯) জনসংখ্যা শিক্ষাই প্রত্যক্ষ অথবা পৰোক্ষভাৱে একোখন প্রকৃত গণতান্ত্রিক সমাজ প্রতিষ্ঠাত সহায় কৰে। জনসংখ্যা যিমানে কম হ'ব, গণতন্ত্র সিমানেই উন্নত হ'ব।

১০) জনসংখ্যা শিক্ষাৰ প্রকৃতি আচৰণগত আৰু বহুধা বিভক্ত। সেয়েহে ই প্রচলিত প্রমূল্য সলনি কৰাৰ এক শক্তিশালী আহিলা হ'ব পাৰে। ই প্রমূল্যকেন্দ্রিক শিক্ষা প্রদানৰ শ্রেষ্ঠ উপায় উলিওৱাত অথবা সুস্থ প্রমূল্যৰ বিষয়ে শিকাত সহায় কৰিব পাৰে। এই শিক্ষাই শিশুৰ ইতিবাচক প্রমূল্য প্রণালী বিকশিত কৰাত সহায় কৰাৰ উপৰি সামাজিকভাৱে বাঞ্ছিত মনোভাৱ গঢ়াত, প্রজ্ঞাত্মক দিগন্ত প্রসাৰিত কৰাত আৰু মানৱীয় সম্বন্ধ স্থাপনৰ মানসিকতাৰ বিকাশ ঘটোৱাত সহায় কৰে।



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলোঁ ঃ

- 'জনসংখ্যা শিক্ষা হ'ল এক শৈক্ষিক কার্যসূচী। ইয়াৰ সহায়ত পৰিয়াল, সম্প্রদায়, ৰাষ্ট্র আৰু বিশ্বৰ জনসংখ্যা পৰিস্থিতি (Population Situation) অধ্যয়ন কৰা হয়। ইয়াৰ উদ্দেশ্য হ'ল এই পৰিস্থিতিৰ প্রতি শিক্ষার্থীৰ মনত যুক্তিযুক্ত তথা দায়িত্বশীল মনোভাব গঢ়ি তোলা।'
- জনসংখ্যা শিক্ষা মানে কেৱল পৰিয়াল পৰিকল্পনা অথবা যৌন শিক্ষা নহয়।
- যৌন শিক্ষা প্রদান কৰাৰ সময়ত যৌনৰোগ প্রতিৰোধৰ বিষয়টোত আৰু পৰিয়াল পৰিকল্পনাৰ গুৰুত্বত জোৰ দিয়া হয়।
- পৰিয়াল পৰিকল্পনা হ'ল জনসংখ্যা শিক্ষাৰ এটা অংগ।
- যৌন শিক্ষাত ব্যক্তিক সর্বাধিক গুৰুত্ব দিয়া হয়। জনসংখ্যা শিক্ষাত ব্যক্তি, পৰিয়াল তথা ৰাষ্ট্রীয় প্রেক্ষাপটত সমাজৰ মাজত চলা আন্তঃক্রিয়াৰোৰ বুজাত জোৰ দিয়া হয়।
- জনসংখ্যাকেন্দ্রিক কথাবোৰ সুস্থিৰ নহয়, সর্বদা পৰিৱর্তনশীল। ইয়াৰ ফলতেই জনসংখ্যা শিক্ষাৰ ধাৰণাটোৱে লাহে লাহে গা কৰি উঠিছে আৰু পৰিৱর্তশীল প্রয়োজন, আৱশ্যকতা তথা অন্য উত্থানশীল সমস্যা আৰু চিন্তাৰ অনুকূলে নিজকে খাপ খুৱাই লৈছে।
- জনসংখ্যা পৰিৱর্তন আৰু উন্নয়ন আন্তঃনির্ভৰশীল।
- জনসংখ্যা শিক্ষা থোৱতে হ'ল নিজৰ জনসংখ্যা পৰিস্থিতি সম্পর্কে থকা মানুহৰ জ্ঞান, বুজা শক্তি, মনোভাব, অনুশীলন আৰু আচৰণ। এইবোৰ কথাই জনসংখ্যা পৰিৱর্তন কৰাৰ লগতে ইয়াক প্রভাৱিত কৰে আৰু বর্তমান তথা ভৱিষ্যৎ জীৱনৰ গুণগত মান নিৰূপণ কৰে।
- ১৯৮৮ চনত NCERT-এ ছটা প্রধান বিষয়বস্তুক কেন্দ্র কৰি জনসংখ্যা শিক্ষাৰ ধাৰণাটোৰ ৰেহৰূপ প্রস্তুত কৰিছিল। বিষয়বস্তু ছটা হ'ল— (i) পৰিয়ালৰ আকাৰ আৰু পৰিয়াল কল্যাণ (ii) পলমকৈ বিয়া পতা (iii) দায়িত্বশীলভাৱে পিতৃত্ব-মাতৃত্বক গ্রহণ কৰা (iv) জনসংখ্যা পৰিৱর্তন আৰু সমলৰ বিকাশ (v) জনসংখ্যা বিষয়ক বিশ্বাস আৰু প্রমূল্য নির্মাণ তথা (vi) সমাজত মহিলাৰ স্থিতি।
- এই ছটা বিষয়বস্তুতে কেন্দ্রীয়ভাৱে আৰোপ কৰা বিষয়সূচীক আন ছখন ক্ষেত্রৰ পৰা বাছনি কৰা হৈছিল। ক্ষেত্রকেইখন হ'ল ঃ (i) জনসংখ্যা আৰু অর্থনৈতিক উন্নয়ন (ii) জনসংখ্যা আৰু সামাজিক উন্নয়ন (iii) জনসংখ্যা, পাৰিপার্শ্বিক আৰু উপলব্ধ সমল (iv) জনসংখ্যা আৰু পৰিয়ালকেন্দ্রিক জীৱন (v) জনসংখ্যা, স্বাস্থ্য আৰু পুষ্টি আৰু (vi) জনসংখ্যা গতিবিজ্ঞান।

- মানুহে নিজৰ জনসংখ্যা দ্রুত গতিত বৃদ্ধি কৰি ব্যক্তিগত, পৰিয়ালকেন্দ্রিক, সামাজিক আৰু ৰাষ্ট্রীয় কল্যাণৰ প্রতি ভাবুকিৰ সৃষ্টি কৰিছে। সমস্যাটো যিহেতু মানৱ-সৃষ্ট, সেয়েহে মানুহেই নিজৰ যুক্তিসংগত চিন্তা আৰু কামেৰে ইয়াৰ এক সুফলদায়ী সমাধানো উলিয়াব লাগিব। অর্থাৎ মানুহে যুক্তিগতভাৱে চিন্তা কৰিব পৰা মন এটা গঢ়িব লাগিব আৰু যুক্তিসংগত আচৰণ প্রদর্শন কৰিব লাগিব। ইয়াৰ বাবে বর্দ্ধিত জনসংখ্যাই সৃষ্টি কৰা সমস্যা আৰু বিষয়বোৰ নিয়ন্ত্রণ কৰাত মানুহৰ ব্যক্তিগত ভূমিকা কেনে হ'ব পাৰে তাৰ উচিত শিক্ষা প্রদান কৰিব লাগিব। জনসংখ্যা শিক্ষাই এই কথা সম্ভৱ কৰি তুলিব।
- জনসংখ্যা শিক্ষাই সামাজিক লিংগৰ মাজত সমতা স্থাপনতো সহায় কৰে। ই মহিলাসকলক তেওঁলোকৰ প্রাপ্য সামাজিক স্থিতি দখলত সহায় কৰে। সবলীকৃত নাৰীয়ে সমাজৰ আর্থ-সামাজিক উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ সামগ্রিক লক্ষ্যত উপনীত হ'বলৈ পুৰুষৰ সমান অংশীদাৰ হয়।
- জনসংখ্যা শিক্ষাৰ প্রকৃতি আচৰণগত আৰু বহুধাবিভক্ত। সেয়েহে ই প্রচলিত প্রমূল্য সলনি কৰাৰ এক শক্তিশালী আহিলা হ'ব পাৰে।



১০.৬ অধিক জানিবলৈ

১) Aggarwal, J.C. (2010). *Theory and Principles of Education*. New Delhi: Vikash Publishing House Pvt. Ltd.

২) Gupta, P.K. (2012). *Population Education*. Meerut: R.Lall Book Depot.

৩) Nanda, S.K. (2008). *Population Education*. Delhi: Doaba House.

৪) Seshadri, C., and Pandey, J. L. (eds). 1991. *Population Education: A National Source Book* Vol- I. New Delhi: NCERT.

৫) Sharma, R. C. 1991. "An Overview of Population Education" in Seshadri, C. and Pandey, J. L. (eds). op cit.

৬) http://egyankosh.ac.in/bitstream/123456789/43753/1/Unit-1.pdf.



১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'জনসংখ্যা শিক্ষা হ'ল এক শৈক্ষিক কার্যসূচী। ইয়াৰ সহায়ত পৰিয়াল, সম্প্রদায়, ৰাষ্ট্র আৰু বিশ্বৰ জনসংখ্যা পৰিস্থিতি (Population Situation) অধ্যয়ন কৰা হয়। ইয়াৰ উদ্দেশ্য হ'ল এই পৰিস্থিতিৰ প্রতি শিক্ষার্থীৰ মনত যুক্তিযুক্ত তথা দায়িত্বশীল

মনোভাব গঢ়ি তোলা।'

২ নং প্রশ্নৰ উত্তৰ ঃ বহুতে কয় বা ধাৰণা কৰে যে জনসংখ্যা শিক্ষাৰ ধাৰণাটো জন্ম নিয়ন্ত্রণ, পৰিয়াল পৰিকল্পনা আৰু যৌন শিক্ষাৰ ধাৰণাৰ ব্যতিক্রমেৰে জনসংখ্যা শিক্ষাৰ ধাৰণাটো আনবোৰতকৈ কিছু পৃথক। নামটোৰ পৰাই সাধাৰণকৈ বুজা যায় যে জনসংখ্যা শিক্ষা হ'ল এটা শৈক্ষিক কার্যসূচী।

জনসংখ্যা শিক্ষা মানে কেৱল পৰিয়াল পৰিকল্পনা অথবা যৌন শিক্ষা নহয়। এইবোৰ বিষয়ৰ সৈতে জনসংখ্যা শিক্ষাই কিছু পার্থক্য আছে। যৌন শিক্ষা প্রদান কৰাৰ সময়ত যৌনৰোগ প্রতিৰোধৰ বিষয়টোত আৰু পৰিয়াল পৰিকল্পনাৰ গুৰুত্বত জোৰ দিয়া হয়। পৰিয়াল পৰিকল্পনা হ'ল জনসংখ্যা শিক্ষাৰ এটা অংগ। যৌন শিক্ষাত ব্যক্তিক সর্বাধিক গুৰুত্ব দিয়া হয়। জনসংখ্যা শিক্ষাত ব্যক্তি, পৰিয়াল তথা ৰাষ্ট্রীয় প্রেক্ষাপটত সমাজৰ মাজত চলা আন্তঃক্রিয়াবোৰ বুজাত জোৰ দিয়া হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যাকেন্দ্রিক কথাবোৰ সুস্থিৰ নহয়, সর্বদা পৰিৱর্তনশীল। ইয়াৰ ফলতেই জনসংখ্যা শিক্ষাৰ ধাৰণাটোৱে লাহে লাহে গা কৰি উঠিছে আৰু পৰিৱর্তশীল প্রয়োজন, আৱশ্যকতা তথা অন্য উত্থানশীল সমস্যা আৰু চিন্তাৰ অনুকূলে নিজকে খাপ খু�ৱাই লৈছে।

জনসংখ্যা পৰিৱর্তন আৰু উন্নয়ন আন্তঃনির্ভৰশীল। পৰিয়াল, সম্প্রদায় অথবা ৰাষ্ট্র যিকোনো স্তৰত হোৱা জনসংখ্যা পৰিৱর্তন হ'ল কিছুমান নির্দিষ্ট বিষয়ৰ ভিত্তিত লোৱা সিদ্ধান্তবোৰৰ ফল। এই সিদ্ধান্তবোৰ কোনো এক প্রদত্ত পৰিস্থিতি অথবা পটভূমিত যুক্তিসংগত হয়নে নহয় সেয়া সিদ্ধান্ত গ্রহণকাৰীসকলে কোনো এক নির্দিষ্ট স্তৰত সকলোবোৰ প্রাসংগিক দিশ কেনেদৰে বিবেচনা কৰি চায় অথবা বুজে তাৰ ভিত্তিত নির্ভৰ কৰে। জনসংখ্যা শিক্ষা থোৱতে হ'ল নিজৰ জনসংখ্যা পৰিস্থিতি সম্পর্কে থকা মানুহৰ জ্ঞান, বুজা শক্তি, মনোভাব, অনুশীলন আৰু আচৰণ। এইবোৰ কথাই জনসংখ্যা পৰিৱর্তন কৰাৰ লগতে ইয়াক প্রভাৱিত কৰে আৰু বর্তমান তথা ভৱিষ্যতৰ জীৱনৰ গুণগত মান নিৰূপণ কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৯৭১ চনত NCERT-এ নতুন দিল্লীত আয়োজন কৰা জনসংখ্যা শিক্ষা বিষয়ক কর্মশালা এখনত ইয়াৰ কিছুমান সাধাৰণ উদ্দেশ্য নিৰূপণ কৰিছিল। সেইবোৰ হ'ল—

(i) জনসংখ্যা গাঁথনিমূলক কিছুমান ধাৰণা আৰু প্রক্রিয়া সম্পর্কে বুজাৰ সামর্থ বিকশিত কৰা।

(ii) যুৱ প্রজন্মক আধুনিক বিশ্বৰ সবাতোকৈ গুৰুত্বপূর্ণ পৰিঘটনা হিচাপে জনাজাত দ্রুত জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ কাৰণবোৰৰ বিষয়ে বুজাত সহায় কৰা।

(iii) মানৰ জীৱনৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু অর্থনৈতিক আদি বিভিন্ন দিশত জনসংখ্যা ধাৰণাবোৰে পেলোৱা প্রভাৱ বুজাত সহায় কৰা।

৫ নং প্রশ্নৰ উত্তৰ ঃ (i) জনসংখ্যা আৰু অর্থনৈতিক উন্নয়ন (ii) জনসংখ্যা আৰু সামাজিক

উন্নয়ন (iii) জনসংখ্যা, পাৰিপাৰ্শ্বিক আৰু উপলব্ধ সমল (iv) জনসংখ্যা আৰু পৰিয়ালকেন্দ্ৰিক জীৱন (v) জনসংখ্যা, স্বাস্থ্য আৰু পুষ্টি আৰু (vi) জনসংখ্যা গতিবিজ্ঞান।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ২০০০ চনত অনুষ্ঠিত হোৱা 'মিলেনিয়াম শীৰ্ষ সম্মিলন'ত 'মিলেনিয়াম উন্নয়ন লক্ষ্য' (MDGS)ত জনসংখ্যা আৰু উন্নয়ন শিক্ষাৰ লক্ষ্যবোৰক অবিচ্ছেদ্য অংশৰূপে অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ পাছৰ পৰাই জনসংখ্যা আৰু উন্নয়ন শিক্ষাৰ পৰিসৰে অধিক বিস্তৃত ৰূপ লৈছে। বৰ্তমান ই MDGS-ৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰাসংগিক হৈ পৰা যিকোনো বিষয় আৰু দিশৰ সকলো ধৰণৰ ৰূপকে সামৰি লয়। এনে দুটামান উল্লেখযোগ্য বিষয় হ'ল— দৰিদ্ৰতা আৰু ক্ষুধা নিৰ্মূলকৰণ, সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ, সামাজিক লিংগ সমতাৰ পৃষ্ঠপোষকতা, মহিলা সবলীকৰণ, শিশুৰ মৃত্যুহাৰ হ্ৰাসকৰণ, মাতৃৰ উন্নত স্বাস্থ্য, এইছ আই ভি/এইডচ্ মেলেৰিয়া আদি গুৰুতৰ ৰোগ প্ৰতিৰোধ, পাৰিপাৰ্শ্বিকতাৰ বহনক্ষমতা সুনিশ্চিতকৰণ আৰু উন্নয়ন সাধনৰ বাবে বিশ্বজনীন অংশীদাৰিত্বৰ বিকাশ আদি।



১০.৮ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰায় ৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ আপোনাৰ নিজৰ ভাষাত জনসংখ্যা শিক্ষাৰ অৰ্থ বুজাই লিখক।

প্ৰশ্ন ২ ঃ জনসংখ্যা শিক্ষাৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যবোৰ কি কি?

প্ৰশ্ন ৩ ঃ ২০০০ চনৰ মিলেনিয়াম শীৰ্ষ সম্মিলনে ধাৰ্য কৰা মিলেনিয়াম উন্নয়ন লক্ষ্যৰ যিকোনো পাঁচটা উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ জনসংখ্যাৰ পৰিৱৰ্তন আৰু উন্নয়নৰ মাজত কি সম্পৰ্ক আছে?

প্ৰশ্ন ২ ঃ জনসংখ্যা শিক্ষাই কেনেকৈ সমাজত লিংগ সমতা স্থাপন কৰিব পাৰে?

প্ৰশ্ন ৩ ঃ জনসংখ্যা শিক্ষাৰ বিষয়টোক কিয় বিভিন্ন শৈক্ষিক বিষয়ৰ অবিচ্ছেদ্য অংশ বুলি গণ্য কৰা হয়?

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ জনসংখ্যা শিক্ষাৰ উদ্দেশ্যসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ জনসংখ্যা শিক্ষাৰ পৰিসৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ জনসংখ্যা শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ জনসংখ্যা গতিবিজ্ঞান

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ জনসংখ্যা গতিবিজ্ঞানৰ প্ৰকৃতি
১১.৪ জনসংখ্যা গতিবিজ্ঞানৰ উপাদান
১১.৪.১ স্বাভাৱিক বৃদ্ধি
১১.৪.২ প্ৰব্ৰজন
১১.৫ জনসংখ্যা গাঁথনিৰ বৈশিষ্ট্য
১১.৬ জনসংখ্যা নিয়ন্ত্ৰণৰ উপায়
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্ৰগতিৰ খতিয়ান
১১.১০ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জনসংখ্যা গতিবিজ্ঞানৰ ধাৰণাটো বৰ্ণনা কৰিব পাৰিব।
- জনসংখ্যা গতিবিজ্ঞানৰ উপাদানসমূহ চিনাক্ত কৰিব পাৰিব।
- জনসংখ্যা গতিবিজ্ঞানৰ জনসংখ্যা গাঁথনিৰ ধাৰণাটোৰ বৈশিষ্ট্য ব্যাখ্যা কৰিব পাৰিব।
- জনসংখ্যা বিস্ফোৰণ আৰু ইয়াক নিয়ন্ত্ৰণ কৰাৰ উপায়সমূহ আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

এছোৱা এছোৱা নিৰ্দিষ্ট সময় ধৰি এডোখৰ নিৰ্দিষ্ট স্থানত বসতি কৰি থকা অকে জীৱ প্ৰজাতিৰ ব্যক্তি সমষ্টি এটাকে জনসংখ্যা বোলে। জনসংখ্যা গতিবিজ্ঞান (Population dynamiecs) হ'ল কেনেদৰে এটা জীৱ প্ৰজাতিৰ সংখ্যা সময়ৰ সোঁতত সলনি হয় সেই সম্পৰ্কে কৰা অধ্যয়ন। কোনো এটা জীৱ প্ৰজাতিৰ জনসংখ্যা গতিবিজ্ঞান অধ্যয়ন কৰাৰ সময়ত সাধাৰণতে কেইটামান প্ৰশ্নৰ উত্তৰ প্ৰকাশ কৰাৰ চেষ্টা চলোৱা হয়। এনে প্ৰশ্ন দুটামান হ'ল— কোনো এক জনসংখ্যাৰ গঢ় প্ৰাচুৰ্য কিহে ব্যাখ্যা কৰে? এই প্ৰাচুৰ্যৰ বঢ়া-টুটা কিহৰ বাবে হয়? এই অধ্যায়টোত সময় বাগৰাৰ লগে লগে জনসংখ্যাৰ আকাৰ আৰু গাঁথনি কেনেকৈ আৰু কিয় সলনি হয় সেয়া আলোচনা কৰা হৈছে। অধ্যায়টোত জনসংখ্যা গতিবিজ্ঞানৰ কেইটামান গুৰুত্বপূৰ্ণ কাৰক, যেনে — প্ৰজনন, মৃত্যু আৰু প্ৰব্ৰজনৰ বিষয়েও আলোচনা কৰা হৈছে।

১১.৩ জনসংখ্যা গতিবিজ্ঞানৰ প্ৰকৃতি

কোনো এক জনসংখ্যাৰ আকাৰ আৰু গতিবিজ্ঞানক প্ৰভাৱিত কৰিব পৰা বিভিন্ন প্ৰক্ৰিয়া একে সময়তে ঘটিব পাৰে। জনসংখ্যাৰ আকাৰক জনমূৰি জনসংখ্যা বৃদ্ধি হাৰ (per capital population growth rate)-এ প্ৰভাৱিত কৰে। কোনো এক জনসংখ্যাৰ প্ৰতিগৰাকী ব্যক্তিৰ বাবে জনসংখ্যাৰ আকাৰ যিটো হাৰত সলনি হয় তাকেই জনমূৰি জনসংখ্যা বৃদ্ধি হাৰ বোলে। জনসংখ্যাৰ ক্ষেত্ৰত জন্ম, মৃত্যু, প্ৰবাসগমন (emigration) আৰু প্ৰব্ৰজন (migration)-এ প্ৰভাৱিত কৰে। যদি জনমূৰি জনসংখ্যাৰ বৃদ্ধিৰ হাৰ স্থিৰ হৈ থাকে, তেন্তে জনসংখ্যাত সূচকীয় হ্ৰাস (exponential growth) হয় আৰু তাৰ পাছতেই সূচকীয় হ্ৰাস (exponential decile) আৰম্ভ হয়। জনসংখ্যা বৃদ্ধিৰ উচ্চ হাৰে বিশাল আকাৰৰ প্ৰাণঘাতক ঘটনাৰ সৃষ্টি কৰে বুলি পোন প্ৰথমবাৰৰ বাবে মত প্ৰকাশ কৰা বিজ্ঞানীগৰাকী আছিল চাল্‌ৰ্চ ডাৰউইন। তেওঁ এই পৰিঘটনাটোক বংশানুক্ৰমিকভাৱে লাভ কৰা বৈশিষ্ট্য অথবা জিনত বহন কৰা ক্ৰমবিকাশকেন্দ্ৰিক পৰিৱৰ্তনৰ সৈতে যুক্ত কৰিছিল। কোনো এক জনসংখ্যাৰ সৰ্বোচ্চ জনমূৰি বৃদ্ধি হাৰক বৃদ্ধিৰ অন্তৰ্ভুক্ত হাৰ (intrinsic rate of increase) বোলা হয়।

কোনো এটা এলেকাত জনসংখ্যা বঢ়াৰ লগে লগে এই বৰ্দ্ধিত আকাৰে জনসংখ্যাৰ ঘনত্বও বৃদ্ধি কৰে। এক প্ৰদত্ত এলেকাত পাৰিপাৰ্শ্বিকে ভাৰ সহিব পৰা কোনো এটা জীৱ প্ৰজাতিৰ সৰ্বোচ্চ জনসংখ্যাক ইয়াৰ বহন ক্ষমতা (carryiny capacity) বোলে। পাৰিপাৰ্শ্বিকত উপলব্ধ সমল (খাদ্য, বসবাসৰ উপযোগী স্থান, খোৱাপানী আদি)-ৰ পৰিমাণে এই বহন ক্ষমতা নিৰূপণ কৰে। যেতিয়া কোনো এক জনসংখ্যাত ব্যক্তিৰ ঘনত্ব বাঢ়ে, তেতিয়া তেওঁলোকে পৰস্পৰৰ সৈতে এই সীমিত সমলৰ বাবে প্ৰতিযোগিতাত নামে (একে প্ৰজাতি অথবা আন্তঃপ্ৰজাতি প্ৰতিযোগিতা)। নাইবা এনে পৰিস্থিতিত এটা জীৱ প্ৰজাতিয়ে আন এটা জীৱ প্ৰজাতিৰ সৈতে (আন্তঃপ্ৰজাতি) প্ৰতিযোগিতাত লিপ্ত হয়। যদি জনসংখ্যা অনিৰ্দিষ্টভাৱে বৃদ্ধি পায়, তেন্তে জনসংখ্যাটো বৰ্তাই ৰাখিবলৈ প্ৰয়োজন হোৱা উপলব্ধিৰ সমলবোৰ কমি গৈ থাকে। জনসংখ্যাৰ ঘনত্ব সলনি হোৱা প্ৰক্ৰিয়াটোক ঘনত্ব নিৰ্ভৰশীলতা (density dependence) বোলা অভিধাটোৰে বুজোৱা হয়।

বিভিন্ন ধৰণৰ বিদ্যায়তনিক দৃষ্টিভংগীৰে মানৱ জাতিৰ অধ্যয়ন কৰা হয়। জীৱবিজ্ঞানকেন্দ্ৰিক অধ্যয়নত মানুহৰ দেহৰ অংশ নাইবা কোষ গঠনকাৰী অণু-পৰমাণু আদিৰ কথা জনাৰ প্ৰয়াস চলোৱা হয়। প্ৰাণীবিজ্ঞানৰ দৃষ্টিৰে আকৌ সমগ্ৰ মানৱ জাতিকে আদিম মানৱ (Primitive)-ৰ পৰা বৰ্তমান সময়লৈকে একেটা প্ৰজাতি (হোমো-চেপিয়েন্স)-ৰ অংশৰূপে অধ্যয়ন কৰা হয়। একাংশ জীৱবিজ্ঞানীয়ে ব্যক্তিৰ দেহৰ শৰীৰতত্ত্বভিত্তিক ক্ৰিয়া-কলাপ অধ্যয়ন কৰে, আন বিষয়ৰ গৱেষক-পণ্ডিতে আকৌ বিশ্বব্যাপ্ত মানৱ জাতিৰ বৈচিত্ৰ্য, জনসংখ্যাৰ বিতৰণ আৰু জনসংখ্যাৰ গোট বিভাজনৰ স্বৰূপ-প্ৰকৃতি অধ্যয়নত মনোনিৱেশ কৰে। সমাজ বিজ্ঞানৰ বিভিন্ন শাখাইপ্ৰায়েই মানৱ জাতিৰ বিভিন্ন গোট অধ্যয়ন কৰে। আমাৰ আলোচনাত জনসংখ্যাৰ সামাজিক

আৰু সাংস্কৃতিক কাৰকবোৰত আলোকপাত কৰা হৈছে। এই কাৰকবোৰে সমাজ, সম্প্রদায় আৰু নৃগোষ্ঠীয় গোটসমূহ নির্মাণ, সীমাবদ্ধকৰণ তথা সংজ্ঞাবদ্ধকৰণৰ পৰিঘটনাবোৰ সংঘটিত কৰে। এইবোৰৰ উপৰি মানৱ জাতিৰ বিষয়ে অধ্যয়ন কৰিবলৈ আচৰণ বিজ্ঞান (Behavioural Science)-ৰ শাখাবোৰো আছে। মানৱ গোট একক অথবা ব্যক্তিৰ আচৰণত অধ্যয়ন কৰিবলৈ এই বিজ্ঞানে জীৱবিজ্ঞান আৰু সামাজিক তথ্যৰ পৰা প্রয়োজনীয় সমল আহৰণ কৰে। বিংশ শতিকাৰ আৰম্ভণিতে মানৱ পৰিস্থিতি সংহতকাৰী (Human condition integrating) উপাদানবোৰ পর্যবেক্ষণকাৰীৰ দল এটাৰ উত্থান ঘটিল। অৱশ্যে মানুহৰ জৈৱিক আৰু সামাজিক প্রকৃতি সম্পর্কে তেওঁলোকে কিছুমান বিভ্রান্তকাৰী ধাৰণা আগবঢ়াইছিল বুলিহে ক'ব পাৰি। যিয়েই নহওক, পাৰ হৈ যোৱা শতিকাটোত অধ্যয়নৰ সকলো শাখাই অগ্রগতি লাভ কৰিছিল। জ্ঞানৰ জীৱবিজ্ঞানকেন্দ্রিক আৰু সামাজিক অন্বেষণত পথবোৰ লক্ষণীয়ভাৱে পৃথক আৰু বিস্তৃত হৈ পৰিছিল। ইয়াৰ ফলত তত্ত্বৰ গভীৰলৈ যোৱাত ব্যর্থ হোৱা আৰু বিৰোধী পক্ষৰ মন্তব্য ভুলকৈ বুজা একাংশ জীৱবিজ্ঞানী আৰু সমাজ বিজ্ঞানীৰ মাজত বহুতো তিক্ততাপূর্ণ বাদ-বিবাদৰ সৃষ্টি হৈছিল।

১১.৪ জনসংখ্যা গতিবিজ্ঞানৰ উপাদান

জনসংখ্যা গতিবিজ্ঞানৰ প্রধান উপাদানকেইটা হ'ল— জন্ম হাৰ, মৃত্যু হাৰ আৰু প্রব্রজন। জন্ম হাৰ হ'ল এটা বছৰত প্রতি হাজাৰ মানুহৰ মাজত মৃত্যু ঘটা লোকৰ সংখ্যা। প্রব্রজন হ'ল এটা অঞ্চলৰ পৰা আন এটা অঞ্চললৈ গৈ থিতাপি লোৱা মানৱিক গতিবিধি। প্রব্রজন আভ্যন্তৰীণ অথবা আন্তর্জাতিক প্রকৃতিৰ হ'ব পাৰে। আভ্যন্তৰীণ প্রব্রজনে জনসংখ্যাৰ আকাৰ সলনি নকৰে। ই কেৱল ৰাষ্ট্রৰ চাৰিসীমাৰ ভিতৰত জনসংখ্যাৰ বিতৰণক প্রভাৱিত কৰে। অর্থাৎ প্রব্রজনে জনসংখ্যাৰ সংৰচনা আৰু বিতৰণত এক গুৰুত্বপূর্ণ ভূমিকা লয়।

জন্ম আৰু মৃত্যুৱে জনসংখ্যাত পেলোৱা প্রভাৱক প্রায়ে যুক্তভাৱে বিচাৰ কৰি চোৱা হয়। ইয়াক স্বাভাৱিক বৃদ্ধি (natural increase) অথবা স্বাভাৱিক হ্রাস (natural decrease) অভিধাৰে বুজোৱা হয়। হ্রাসৰ গতিতকৈ বৃদ্ধিৰ গতি দ্রুত হ'লে জনসংখ্যাৰ বঢ়া-টুটা ঘটে। কোনো এটা অঞ্চলৰ স্বাভাৱিক পৰিৱর্তন আৰু প্রব্রজনৰ বিশেষ যুটীটো অধ্যয়ন কৰি জনসংখ্যা পৰিৱর্তনৰ কাৰণ আৰু গতি নির্ধাৰণ কৰিব পৰা যায়।

১১.৪.১ স্বাভাৱিক বৃদ্ধি

কোনো এক নির্দিষ্ট সময়ৰ জনসংখ্যাত জন্ম আৰু মৃত্যু হাৰৰ মাজত থকা পার্থক্যকে স্বাভাৱিক বৃদ্ধি বোলা হয়। বেছিভাগ সময়তে স্বাভাৱিক বৃদ্ধিৰ প্রকৃতি ইতিবাচক। ইয়াৰ অর্থ হ'ল মৃত্যু ঘটা লোকতকৈ জন্ম লোৱা কেঁচুৱাৰ সংখ্যা অধিক। এই স্বাভাৱিক পৰিৱর্তনকে স্বাভাৱিক বৃদ্ধি বোলা হয়। আমেৰিকা যুক্তৰাষ্ট্রৰ সকলো

অঞ্চলতে জনসংখ্যাৰ স্বাভাৱিক বৃদ্ধি পৰিলক্ষিত হয়। উটাহ্ৰ চল্ট লেক চিটি মেট্ৰ' এলেকাটোৰ উদাহৰণলৈ মন কৰক। ২০১৪-১৫ বৰ্ষত এলেকাটোত প্ৰায় ১৯,১০০ টা জন্ম আৰু ৬,৪০০ টা মৃত্যু পঞ্জীয়ন কৰা হৈছে। অৰ্থাৎ এলেকাটোত মৃত্যুতকৈ জন্মৰ সংখ্যা প্ৰায় ১২,৭০০ টা বেছি। গতিকে ক'ব পাৰি যে এলেকাটোৰ জনসংখ্যাৰ স্বাভাৱিক বৃদ্ধি হ'ল প্ৰায় ১২,৭০০ গৰাকী।

ইয়াৰ বিপৰীত পৰিঘটনাটো হ'ল স্বাভাৱিক হ্ৰাস। এই অৱস্থাত জন্মতকৈ মৃত্যুৰ সংখ্যা অধিক। ইয়াৰ ফলত জনসংখ্যা টুটে। বয়সস্থ লোক বেছি থকা অঞ্চলবোৰত এনে হোৱা দেখা যায়। ২০১৪-১৫ বৰ্ষত আমেৰিকা যুক্তৰাষ্ট্ৰৰ মেইন আৰু ৱেষ্ট ভাৰ্জিনিয়া প্ৰদেশত এই পৰিঘটনাটো ঘটিছিল। মেইনত জন্মতকৈ মৃত্যুৰ সংখ্যা ৪৫০টা আৰু ৱেষ্ট ভাৰ্জিনিয়াত ৯৪০ টা বেছি আছিল। এই কথাই প্ৰদেশ দুখনৰ জনসংখ্যা হ্ৰাস কৰিছিল।

১১.৪.২ প্ৰব্ৰজন

মানুহে এঠাইৰ পৰা আন ঠাইলৈ গৈ বসবাস কৰাকে প্ৰব্ৰজন বোলে। ইয়াক প্ৰায়েই 'মুঠ প্ৰব্ৰজন' (net migration) বুলি বুজোৱা হয়। এই অভিধাটোৰে এঠাইৰ পৰা আন ঠাইলৈ যোৱা আৰু আন ঠাইৰ পৰা অহা মানুহৰ 'মুঠ প্ৰব্ৰজন'। ধনাত্মক হোৱাৰ অৰ্থ হ'ল জনসংখ্যাৰ ক্ষেত্ৰত অন্য ঠাইলে যোৱা মানুহতকৈ অন্য ঠাইৰ পৰা অহা মানুহৰ সংখ্যা বেছি হোৱা। প্ৰব্ৰজনক 'ঘৰুৱা' আৰু 'আন্তৰ্জাতিক' এই দুভাগত ভগোৱা হয়। কথাটো বুজাবলৈ তলত আমেৰিকা যুক্তৰাষ্টৰ উদাহৰণ এটা দিয়া হ'ল।

'ঘৰুৱা প্ৰব্ৰজন' (Dosmestic migration) হ'ল ৰাষ্ট্ৰ এখনৰ ভিতৰতে মানুহে ইঠাইৰ পৰা সিঠাইলৈ গৈ বসবাস কৰিবলৈ লোৱা প্ৰক্ৰিয়া। ই প্ৰায়েই জনসংখ্যা পৰিৱৰ্তনত এক প্ৰধান ভূমিকা লয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দক্ষিণ অঞ্চলটোত সাধাৰণতে মুঠ ঘৰুৱা প্ৰব্ৰজনৰ হাৰ অধিক। ২০১৪-১৫ চনত এই অঞ্চলটোলৈ প্ৰায় ৪৪০,০০০ গৰাকী মানুহে প্ৰব্ৰজন কৰিছিল। ইয়াৰ তুলনাত অঞ্চলটো এৰি যোৱা মানুহৰ সংখ্যা কম। কেতিয়াবা মুঠ ঘৰুৱা প্ৰব্ৰজন ঋণাত্মক হয়। অৰ্থাৎ এডোখৰ ঠাইৰ পৰা আঁতৰি গৈ অন্য ঠাইত বসবাস কৰিবলৈ লোৱা মানুহৰ সংখ্যা অধিক হয়। ২০১৪-১৫ চনত ইলিন'ইচৰ চিকাগ'মেট্ৰ' এলেকা, ইণ্ডিয়ানা আৰু উইচ্কন'চিন প্ৰদেশৰ পৰা প্ৰায় ৮০,০০০ লোক অন্য ঠাইলৈ গুছি গৈছিল। এই পৰিঘটনাটোৱে মেট্ৰ' এলেকাটোৰ মুঠ ঘৰুৱা প্ৰব্ৰজনৰ দীৰ্ঘদিন ধৰি চলি থকা ঋণাত্মক ৰূপটো প্ৰকাশ কৰে।

'আন্তৰ্জাতিক প্ৰব্ৰজন'(International migration) মানে হ'ল এখন দেশৰ পৰা আন এখন দেশলৈ মানুহৰ গমন। আমেৰিকা যুক্তৰাষ্ট্ৰৰ উদাহৰণলৈকে মন কৰক। দেশখনত বিভিন্ন জাতি-গোষ্ঠীৰ লগতে অসংখ্য বিদেশত জন্মলাভ কৰা প্ৰবাসী (immigrant) আছে। ইয়াৰ উপৰি দেশখনৰ সামৰিক বাহিনীৰ লগতে যথেষ্ট সংখ্যক

নাগৰিকে পৃথিৱীৰ বিভিন্ন দেশত নানা কৰ্মত নিয়োজিত হৈ আছে। দেশখনৰ ফ্লৰিডা প্ৰদেশৰ মায়ামি মেট্ৰ' এলেকাৰ দৰে কিছুমান অঞ্চলৰ মুঠ আন্তৰ্জাতিক প্ৰব্ৰজনৰ হাৰ অতি উচ্চ। ২০১৪-১৫ চনত এই এলেকাটোৰ মুঠ আন্তৰ্জাতিক প্ৰব্ৰজনকাৰীৰ সংখ্যা আছিল প্ৰায় ৭০,০০০ গৰাকী। এই এলেকাটো জনসংখ্যা বৃদ্ধিৰ এক প্ৰধান কাৰণ হৈ পৰিছিল।

স্বাভাৱিক পৰিৱৰ্তন আৰু মুঠ প্ৰব্ৰজনে জনসংখ্যা পৰিৱৰ্তন কৰে। ইয়াৰ ফলাফল কেতিয়াবা অপ্ৰত্যাশিত ধৰণৰ হ'ব পাৰে। প্ৰায়েই এই কাৰক দুটাই জনসংখ্যা এটাক বিপৰীত দিশে ঠেলে। সাধাৰণ দৃষ্টিত জনসংখ্যাৰ পৰিমাণ বাঢ়িছেনে কমিছে সেয়া নিশ্চিত কৰাতো জটিল হৈ পৰে।

মুঠতে, স্বাভাৱিক পৰিৱৰ্তন (জন্ম-মৃত্যু) আৰু প্ৰব্ৰজন (ঘৰুৱা-আন্তৰ্জাতিক) হ'ল জনসংখ্যা পৰিৱৰ্তনৰ ঘাই কাৰণ। ওপৰৰ আলোচনাৰ পৰা অনুমান কৰিব পাৰি যে অঞ্চলভেদে এই কাৰণ দুটাৰ মাজত সমতা স্থাপন হোৱাৰ পদ্ধতি বেলেগ বেলেগ। ই সমগ্ৰ দেশ অথবা ভিন্ ভিন্ অঞ্চলত পৰিলক্ষিত হোৱা সাধাৰণ জনসংখ্যাকেন্দ্ৰিক বিন্যাসতকৈ কিছু পৃথক। এই সমতাই এলেকা এটাৰ বাবে সময় বাগৰাৰ লগে লগে একক প্ৰকৃতিৰ জনসংখ্যা বিন্যাসমূলক কাহিনীৰ সৃষ্টি কৰে। প্ৰজননৰ আধাৰত কৰা বছৰেকীয়া জনসংখ্যা প্ৰাক্কলন আৰু আলোচিত বিশ্লেষণ পদ্ধতিবোৰৰ সহায়ত জনসংখ্যা গাঁথনি নিৰূপণ কৰা হয়। সকলোবোৰ লোকপিয়ল সংস্থাবোৰৰ অবিৰত প্ৰয়াসৰ বাবেই আমি জনসংখ্যাৰ দিশেৰে বৰ্তমান ক'ত আছো আৰু ভৱিষ্যতে ক'ত থাকিম সেয়া গম পাওঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ জনসংখ্যা গতিবিজ্ঞান বুলিলে কি বুজে ?

.....

.....

প্ৰশ্ন নং ২ ঃ প্ৰব্ৰজনৰ ধাৰণাটো ব্যাখ্যা কৰক।

.....

.....

১১.৫ জনসংখ্যা গাঁথনিৰ বৈশিষ্ট্য

জনসংখ্যা গাঁথনি (Demographics) বুলিলে কোনো এক জনসংখ্যাৰ নিৰ্দিষ্ট বৈশিষ্ট্যবোৰৰ কথা বুজা যায়। 'Demography' শব্দটোৰ মূল হ'ল গ্ৰীক শব্দ 'demos' আৰু 'graphy' (ছবি)। জনসংখ্যা গাঁথনিৰ বৈশিষ্ট্যবোৰ হ'ল— বয়স (age), জাতি (race), সামাজিক লিংগ (gender), নৃগোষ্ঠীয় পৰিচয় (ethicity), ধৰ্ম (religion), আয় (income), শিক্ষা

(education), বাসগৃহৰ মালিকীস্বত্ব (home ownership), যৌনতা বিষয়ৰ অভিবিন্যাস (Sexual orientation), বৈবাহিক স্থিতি (marital status) পৰিয়ালৰ আকাৰ (family size), স্বাস্থ্য (heath), দিব্যাংগ স্থিতি (disability status) আৰু মনোৰোগৰ লক্ষণ পৰীক্ষা (psychiatric diagnosis) ইত্যাদি। জনসংখ্যা গাঁথনিৰ মূল হ'ল জনসংখ্যা আৰু জনসংখ্যা পৰিৱৰ্তনৰ বিভিন্ন দিশ গণনা কৰা।

কোনো এটা জীৱ প্ৰজাতিৰ অধ্যয়নৰ ক্ষেত্ৰত প্ৰজনন, মৃত্যু আৰু প্ৰব্ৰজন কাৰণ, আৰ্হি আৰু ফলাফলবোৰৰ হিচাপ প্ৰদৰ্শন কৰে। যিহেতু 'মানৱ বিজ্ঞান' বোলা শিতানটোৰ অন্তৰ্গত বিভিন্ন অধ্যয়ন জন্ম, মৃত্যু আৰু প্ৰব্ৰজনক কেন্দ্ৰীয় চলক বুলি ধৰা হয়, সেয়েহে জনসংখ্যা গাঁথনিৰ বিষয়ে স্পষ্টকৈ বুজিবলৈ অধ্যয়নৰ অন্য শাখাবোৰে প্ৰয়োগ কৰা আটাইবোৰ পদ্ধতি সামগ্ৰিকভাৱে বিচাৰ কৰি চোৱা উচিত।

জনসংখ্যা গাঁথনি বিজ্ঞান হ'ল মানৱ জনসংখ্যাৰ বৃদ্ধি হ্ৰাসৰ লগতে ইয়াৰ সংৰচনাত হোৱা পৰিৱৰ্তন বিশ্লেষণ কৰা বিজ্ঞান। কোনো এক জনসংখ্যাৰ সদস্যসকলৰ সঠিক সংখ্যা নিৰ্ধাৰণ কৰাৰ কিছুমান পোনপটীয়া আৰু বোধগম্য উপায় অৱলম্বন নকৰিলে জনসংখ্যা বিশ্লেষণৰ কামটো কৰিব নোৱাৰি। এই উপায়বোৰে তেতিয়াহে সুফল দিব যেতিয়া আমি এই গণনাত কাক অন্তৰ্ভুক্ত কৰিম আৰু কাক নকৰোঁ সেয়া আগতীয়াকৈ ঠিক কৰি ল'ম। জনসংখ্যা গাঁথনিবিদ (Demograpgers)-ৰ মতে কোনো এক জনসংখ্যাত কিছুমান নিৰীক্ষণসাধ্য বৈশিষ্ট্যৰ ভিত্তিত এনে যিকোনো ব্যক্তিৰ দল অথবা গোটক সামৰি লোৱা হয় যিবোৰৰ সংজ্ঞা নিৰ্ধাৰণ কৰিব পাৰি। ইয়াৰ সবাতোকৈ সাধাৰণ সংজ্ঞাটো হ'ল কোনো এডোখৰ প্ৰদত্ত ভৌগোলিক স্থানৰ চাৰিসীমাৰ ভিতৰত বসবাস কৰা লোকসমষ্টিয়েই এক জনসংখ্যা। যেনে 'ইংলেণ্ডৰ জনসংখ্যা' মানে হ'ল ইংলেণ্ডৰ চাৰিসীমাৰ ভিতৰত বসবাস কৰা আটাইবোৰ মানুহ। এইখিনিতে মনত ৰাখি থোৱাতো ভাল হ'ব যে জনসংখ্যা সংজ্ঞাবদ্ধ কৰাৰ বাবে কেৱল বাসগৃহই একমাত্ৰ চর্ত নহয়। জনজাতীয় স্বীকৃতিৰ আধাৰতো জনসংখ্যা এটা নিৰ্ধাৰণ কৰা হ'ব পাৰে। কেণিয়াৰ লু' (Lue) জনসংখ্যাত ভৌগোলিক বাসস্থানৰ লগতে এটা নিৰ্দিষ্ট জনজাতিৰ সদস্যসকলকো সামৰা হয়। কোনো এটা জনসংখ্যাৰ সংখ্যা নিৰ্ধাৰণৰ বাবে প্ৰয়োজনীয় বৈশিষ্ট্যবোৰ হ'ল নিৰীক্ষণসাধ্যতা আৰু সুসংজ্ঞাবদ্ধ কৰিব পৰা ভিত্তি। এই বৈশিষ্ট্যবোৰ পৰীক্ষা কৰি চাই এগৰাকী ব্যক্তি এছোৱা প্ৰদত্ত সময়ত কোনো এক জনসংখ্যাৰ সদস্য হ'ব পাৰেনে নোৱাৰে সেয়া ঠিৰাং কৰা হয়। মন কৰিবলগীয়া কথাটো হ'ল এই বৈশিষ্ট্যবোৰ জনসংখ্যা নিৰ্ধাৰণৰ বাবে পৃথকে পৃথকে ব্যৱহাৰ কৰা হয় যদিও বৈশিষ্ট্যবোৰ ইটো সিটোৰ সৈতে নিহিত হৈ থাকে। এইবোৰে কোনো এক নিৰ্দিষ্ট জনসংখ্যাৰ সদস্যসকলক একসূত্ৰে বান্ধি ৰাখে। জনসংখ্যাৰ বৃদ্ধি আৰু পৰিৱৰ্তন বিশ্লেষণ কৰিবলৈ প্ৰথমে জনসংখ্যায়ো মানুহৰ প্ৰৱেশ আৰু প্ৰস্থান প্ৰক্ৰিয়াবোৰ চিনাক্ত কৰি উলিয়াব লাগিব। জনসংখ্যা গাঁথনিবিদসকলৰ বাবে সুবিধাজনক কথাটো হ'ল কিছুমান সীমিত আৰু গণনাসাধ্যৰ ঘটনাৰ সমষ্টিয়ে জনসংখ্যাৰ আকাৰ সলনি কৰে। এক প্ৰদত্ত সময়ত কোনো এখন নিৰ্দিষ্ট দেশৰ জনসংখ্যাৰ উদাহৰণ এটালৈ মন কৰক। ধৰা হ'ল, ১ জানুৱাৰী ২০০০ চনত দেশখনৰ জনসংখ্যা হ'ল

P2000। একেদৰে, ১ জানুৱাৰী ২০০১ চনত এই জনসংখ্যা হ'ব P2001। ই P2000 আৰু 2000 চনৰ জন্ম হোৱা কেঁচুৱাৰ সংখ্যা তথা মৃত্যু হোৱা মানুহৰ সংখ্যা তথা সেই বছৰ দেশখনলৈ অহা প্ৰব্ৰজকৰ সংখ্য তথা দেশখনৰ পৰা আহি যোৱা মানুহৰ সংখ্যাৰ সমান। আগতেই কোৱা হৈছে যে জন্ম আৰু মৃত্যুৰ সংখ্যাৰ মাজৰ পাৰ্থক্যক 'স্বাভাৱিক বৃদ্ধি' (অথবা মৃত্যুৰ সংখ্যা অধিক হ'লে 'স্বাভাৱিক হ্ৰাস') বোলে। অৰ্থাৎ মানৱ জনসংখ্যাৰ আকাৰ পৰিৱৰ্তনৰ বিশ্লেষণত জন্ম আৰু মৃত্যুৰ লগতে প্ৰব্ৰজনৰ দিশটোও বিচাৰৰ বাবে লোৱা হয়। জন্ম প্ৰক্ৰিয়াটোক প্ৰজনন ক্ষমতা আৰু মৃত্যু প্ৰক্ৰিয়াটোক মৰণশীলতা বোলা হয়। প্ৰজনন ক্ষমতা, মৰণশীলতা আৰু প্ৰব্ৰজন— এই তিনিটা প্ৰক্ৰিয়াক জনসংখ্যা পৰিৱৰ্তনৰ প্ৰধান উপাদান বুলি কোৱা হয়। কোনো এক নিৰ্দিষ্ট জনসংখ্যাত এই ঘটনা তিনিটা সংঘটিত হোৱাৰ প্ৰৱণতা জনাৰ প্ৰতি জনসংখ্যা গাঁথনিবিদসকলে বিশেষ আগ্ৰহ দেখুৱায়। এক বৃহৎ জনসংখ্যা ক্ষুদ্ৰ জনসংখ্যাকৈ অধিক ঘটনাবহুল হোৱা বাবে এই প্ৰৱণতাৰ সৈতে জড়িত জোখ-মাখবোৰ এছোৱা নিৰ্দিষ্ট সময়ৰ বাবে জন্ম-মৃত্যুৰ সংখ্যা নিৰ্ধাৰণৰ কামত সীমিতভাৱেহে প্ৰয়োগ কৰিব পাৰি। জনসংখ্যা গাঁথনিবিদসকলে সেয়েহে এই সংখ্যা 'হাৰ' (Rate)-ৰ ভিত্তিত নিৰূপণ কৰে। জনসংখ্যা গাঁথনিভিত্তিক হাৰ হ'ল কোনো এক নিৰ্দিষ্ট প্ৰকাৰৰ ঘটনাৰ অনুপাত। যদি মৃত্যুক এনে এটা ঘটনা বুলি ধৰি লোৱা হয়, তেন্তে মৃত্যুহাৰ হ'ব এই ঘটনাৰ অভিজ্ঞতা প্ৰাপ্ত হোৱাৰ আশংকা থকা ব্যক্তিৰ সংখ্যা। অৰ্থাৎ অশোদিত (crude) মৃত্যু হাৰ হ'ল কোনো এছোৱা প্ৰদত্ত সময়ত হোৱা মৃত্যুৰ সংখ্যাক সেই সময়ছোৱাৰ 'গড়' জনসংখ্যাৰে হৰণক কৰি পোৱা হৰণফল। এইখিনিতে এটা গুৰুত্বপূৰ্ণ কথা হ'ল জনসংখ্যা এটাত ঘটা ঘটনা আৰু 'বিপদৰ সন্মুখীন হোৱা/মৃত্যু হোৱা জনসংখ্যা সামঞ্জস্যপূৰ্ণ। অৰ্থাৎ বিশ্লেষণৰ সময়ত এয়া নিশ্চিত হ'ব লাগিব যে বিপদৰ মুখামুখি হোৱা বুলি ধৰা ব্যক্তিসকলে প্ৰকৃততে বিচাৰৰ বাবে লোৱা ঘটনাটোৰ অভিজ্ঞতা লাভ কৰিব। ইয়াত গণনাৰ বাবে লোৱা ভগ্নাংশত আমি একে কোনোধৰণৰ ঘটনা অন্তৰ্ভুক্ত নকৰোঁ যিটো ভাজক (denominator) অংশত পৰা ব্যক্তিৰ ক্ষেত্ৰত ঘটা নাই। অৱশ্যে ইয়াত দুটামান ব্যতিক্ৰমো আছে। এনে এটা ব্যতিক্ৰম হ'ল অশোধিত জন্ম হাৰ (কোনো এক প্ৰদত্ত সময়ত জন্মৰ সংখ্যাক সেই সময়ছোৱাৰ গড় জনসংখ্যাৰে হৰণ কৰি পোৱা ফল)। ইয়াত জন্ম নিদিয়া মানুহৰ সংখ্যাকো ভাজক অংশত সামৰি লোৱা হয়। মানুহ যিহেতু সম্পূৰ্ণৰূপে সদৃশ নহয় সেয়েহে সকলো মানৱ জনসংখ্যাৰ নিজ নিজ গাঁথনি একোটা থাকে। জনসংখ্যা গাঁথনিবিদে জনসংখ্যা গাঁথনি অথবা সংৰচনা বুলিলে কোনো এক জনসংখ্যাৰ সকলো সদস্যৰ মাজত বিভিন্ন জনসংখ্যা বৈশিষ্ট্যৰ বিতৰণ বুজায়। জনসংখ্যা গাঁথনিবিদে এই ক্ষেত্ৰত বিচাৰৰ বাবে লোৱা সাধাৰণ বৈশিষ্ট্য দুটা হ'ল লিংগ আৰু বয়স।

১১.৬ জনসংখ্যা নিয়ন্ত্ৰণৰ উপায়

আগতেই আলোচনা কৰি অহা হৈছে যে ভাৰতৰ জনসংখ্যা বৃহৎ আৰু ই অহৰহ বাঢ়ি গৈ আছে। ১ শতাংশ বৃদ্ধি হাৰ বুলিলে এবছৰত ১ কোটি জনসংখ্যা বঢ়াৰ কথা বুজোৱা হয়।

কিন্তু আচলতে দেশৰ জনসংখ্যা প্ৰতি বছৰে ২কোটিকৈ বাঢ়ি আছে। অৰ্থাৎ জনসংখ্যা নিয়ন্ত্ৰণৰ ফলপ্ৰসূ উপায়ৰ প্ৰচলন সময়ৰ দাবী হৈ পৰিছে। এয়া সকলোৱে জানে যে দ্ৰুত জনসংখ্যা বৃদ্ধিৰ মূল কাৰণ হ'ল জন্ম হাৰ। জন্ম হাৰ কম কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাতো সেয়েহে অতি আৱশ্যক। এই ব্যৱস্থাবোৰক তিনিটা শিতানত ভগাব পাৰি।



(ক) **সামাজিক ব্যৱস্থা (Social Measure) ঃ** জনসংখ্যাৰ বিস্ফোৰণ এক সামাজিক সমস্যা। সমাজতেই ই গভীৰভাৱে শিপাই থাকে। আমাৰ ভাৰতৰ দৰে দেশৰ পৰা এই সামাজিক সমস্যাটো অনতিপলমে আঁতৰ কৰাৰ যথাসম্ভৱ প্ৰয়াস চলা উচিত।

১) **বিবাহৰ নূন্যতম বয়স ধাৰ্য কৰা উচিত ঃ** প্ৰজনন ক্ষমতাৰ ক্ষেত্ৰত বিবাহৰ বয়স কিছু বঢ়াই পুৰুষৰ ক্ষেত্ৰত ২১ বছৰ আৰু মহিলাৰ ক্ষেত্ৰত ১৮ বছৰ বুলি আইনে ধাৰ্য কৰি দিছে। এই আইন কঠোৰভাৱে বলবৎ কৰা উচিত। মানুহক প্ৰচাৰধৰ্মী কাৰ্যকলাপেৰে এই বিষয় সজাগ কৰি তোলাৰ ব্যৱস্থা লোৱা আৱশ্যক হৈ পৰিছে।

২) **সমাজত নাৰীৰ স্থিতি উন্নত হোৱা উচিত ঃ** আমাৰ সমাজত এতিয়াও বহুক্ষেত্ৰত নাৰী বৈষম্যৰ বলি হয়। এতিয়াও অধিকাংশ মহিলা ঘৰৰ চাৰিবেৰৰ মাজতে আবদ্ধ হৈ আছে। বেছিভাগ মহিলাৰে এতিয়াও প্ৰধান কাম হ'ল সন্তান জন্ম দিয়া আৰু সিহঁতক ডাঙৰ-দীঘল কৰা। নাৰীক সামাজিক তথা অৰ্থনৈতিক দিশত বিকশিত হোৱাৰ সুযোগ দিয়া উচিত। এই দিশত ল'ব পৰা প্ৰথম ব্যৱস্থাটো হ'ল মহিলাক বিনামূলীয়া শিক্ষা লাভৰ সুযোগ আগবঢ়োৱা।

৩) **শিক্ষাৰ প্ৰসাৰ ঘটা উচিত ঃ** শিক্ষা প্ৰসাৰিত হ'লে মানুহৰ দৃষ্টিভংগীও সলনি হ'ব। শিক্ষিত লোকে সাধাৰণতে দেৰিকৈ বিয়া পতাৰ কথা ভাবে আৰু পৰিয়াল সৰু কৰাৰ সিদ্ধান্ত লয়। শিক্ষিতা মহিলাক স্বাস্থ্য সচেতন বুলি গণ্য কৰা হয়। তেওঁলোকে সঘন গৰ্ভধাৰণ এৰাই চলে। এইবোৰ কথাই জন্মহাৰ হ্ৰাসত সহায় কৰে।

৪) **সন্তান তুলি লোৱাৰ নিয়ম ঃ** কিছুমান দম্পতি নিঃসন্তান। কিছুমানে ব্যয়বহুল চিকিৎসা কৰাৰ পাছতো সন্তান জন্ম দিব নোৱাৰে। এনে দম্পতিক অনাথ শিশু তুলি ল'বলৈ উৎসাহিত কৰিব পাৰি। ই দুয়োটা পক্ষৰ বাবে এক আবেগিকভাৱে লাভজনক কথা হ'ব পাৰে।

৫) **সামাজিক দৃষ্টিভংগীৰ পৰিৱৰ্তন সাধন ঃ** সন্তান জন্ম দিয়াৰ সন্দৰ্ভত সামাজিক দৃষ্টিভংগী পৰিৱৰ্তন হোৱা উচিত। বিবাহক এক সামাজিক বাধ্যবাধকতা বুলি মানি চলাৰ পৰম্পৰা পৰিহাৰ কৰা উচিত। সন্তানহীনা মহিলাক হেয় ব্যৱহাৰ কৰাৰ প্ৰথা নাইকিয়া হোৱা উচিত।

৬) **সামাজিক সুৰক্ষাৰ মান উন্নতকৰণ ঃ** সামাজিক সুৰক্ষাৰ আঁচনিবোৰে যিমান অধিক পাৰি সিমান মানুহক উপকৃত কৰা উচিত। মানুহে যাতে বৃদ্ধাৱস্থা, ৰোগক্রান্ত অৱস্থা আৰু কর্মসংস্থাপনহীন অৱস্থাত অইনক নির্ভৰ কৰি চলিবলগীয়া নহয় তাৰ বাবে উপযুক্ত সা-সুবিধা গঢ়ি তুলিব লাগে। এনে নির্ভৰশীলতাৰ মাত্রা হ্রাস পালে অধিক সন্তান জন্ম দিয়াৰ প্রৱণতাও হ্রাস পাব।

(খ) **অর্থনৈতিক ব্যৱস্থা**

১) **অধিক কর্মসংস্থাপন সুযোগ সৃষ্টি কৰা উচিত ঃ** জন্ম হাৰ হ্রাস কৰাৰ প্রথম অর্থনৈতিক ব্যৱস্থা হ'ল গ্রাম্য আৰু নগৰীয়া উভয় অঞ্চলতে কর্মসংস্থাপন লাভৰ ন-ন সুবিধা সৃষ্টি কৰা। সাধাৰণতে গ্রামাঞ্চলত ছদ্মৱেশী নিবনুৱাৰ সমস্যা থাকে। সেয়েহে গ্রামাঞ্চলৰ কর্মসংস্থাপনহীন ব্যক্তিক নগৰীয়া অঞ্চললৈ প্রব্রজন কৰাৰ সুযোগ দিয়া উচিত। সঠিকভাৱে কার্য ৰূপায়িত কৰিলে এই ব্যৱস্থাই জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্রণাধীন কৰি ৰাখিব।

২) **কৃষি আৰু উদ্যোগৰ উন্নয়ন সাধন কৰা উচিত ঃ** যদি কৃষি আৰু উদ্যোগ খণ্ডৰ সঠিক বিকাশ হয়, তেন্তে বৃহৎ সংখ্যক মানুহৰ কর্মসংস্থাপনহীনতাৰ সমস্যাটো আঁতৰ হ'ব। আয় বাঢ়িলে মানুহে নিজৰ জীৱন যাপনৰ মান উন্নত কৰিব আৰু পৰিয়ালৰ আকাৰ সৰু কৰাৰ নিয়ম মানিবলৈ আৰম্ভ কৰিব।

৩) **জীৱন যাপনৰ মান উন্নতকৰণ ঃ** জীৱন যাপনৰ উন্নত মান আৰু বৃহৎ পৰিয়ালৰ ধাৰণা দুটা পৰস্পৰ বিৰোধী। জীৱন যাপনৰ মান উন্নত কৰিবলৈ মানুহে পৰিয়ালৰ আকাৰ সৰু কৰিবই লাগিব। এ.কে. দাসগুপ্তাৰ ভাষাত যিসকলৰ প্রতি মাহৰ উপার্জন ১০০ টকাতকৈ কম, তেওঁলোকৰ গড় প্রজনন হাৰ হ'ল ৩.৪ টা সন্তান। যিসকলে প্রতিমাহে ৩০০ টকাতকৈ অধিক উৎপাদন কৰে। তেওঁলোকৰ গড় প্রজনন হাৰ হ'ল ২.৮ টা সন্তান।

৪) **নগৰীকৰণ ঃ** খতিয়ানভুক্ত তথ্য অনুসৰি নগৰ অঞ্চলবোৰৰ জন্মহাৰ গ্রামাঞ্চলতকৈ কম। সেয়েহে অঞ্চলবোৰৰ নগৰীকৰণত গুৰুত্ব দিয়া আৰু উৎসাহিত কৰা উচিত।

(গ) **অন্য ব্যৱস্থা**

তলত জন্মহাৰ নিয়ন্ত্রণৰ আন কেইটামান ব্যৱস্থাৰ উল্লেখ কৰা হ'ল—

১) **পলমকৈ বিয়া পতা ঃ** অবিবাহিত ব্যক্তিয়ে যিমান পাৰে ৩০ বছৰ বয়স হোৱাৰ পাছতহে বিয়া পতাৰ কথা ভবা উচিত। ই নাৰীৰ প্রজনন ক্ষমতা হ্রাস কৰিব। ফলত জন্মহাৰ নিম্নগামী হ'ব। ভাৰত চৰকাৰে দেশত বিবাহৰ বাবে ন্যূনতম বয়স পুৰুষৰ ক্ষেত্রত ২১ বছৰ আৰু মহিলাৰ ক্ষেত্রত ১৮ বছৰ ধার্য কৰি দিছে।

২) **আত্ম নিয়ন্ত্রণ কৰা ঃ** কিছুমান বিশেষজ্ঞই আত্মনিয়ন্ত্রণক জন্ম হাৰ কম কৰাৰ এক শক্তিশালী পদ্ধতি বুলি গণ্য কৰে। ই এক আদর্শ আৰু স্বাস্থ্যকৰ প্রচেষ্টা। মানুহে এই অভ্যাস গঢ় দিয়া উচিত।

৩) **পৰিয়াল পৰিকল্পনা ঃ** ই নিজ পছন্দৰ পৰিয়াল গঢ়াৰ কথা বুজায়। পৰিয়াল এনেকৈয়ে হৈ গ'ল (family by chance) বোলা ধাৰণাটোৰ পৰা ই পৃথক। প্ৰতিৰোধ ব্যৱস্থা প্ৰয়োগ কৰি মানুহে জন্ম হাৰ নিয়ন্ত্ৰণ কৰিব পাৰে। এই ব্যৱস্থাবোৰৰ বহুল প্ৰসাৰ ঘটা উচিত। জন্ম নিয়ন্ত্ৰণৰ বাবে ব্যৱহাৰ কৰিবলগীয়া আহিলাবোৰৰ মূল্য কম আৰু সহজলভ্য হৈ পৰিলেই পৰিয়াল পৰিকল্পনাৰ প্ৰচেষ্টাবোৰ সফল হ'ব। চন্দৰ শেখৰৰ ভাষাত, 'প্ৰথম সন্তানটো সোনকালে জন্ম দিয়ক, দ্বিতীয় সন্তানটো জন্ম দিওঁতে পলম কৰক আৰু তৃতীয় সন্তানটোক এৰাই চলক।'

৪) **অৱসৰ বিনোদনৰ বিকল্প সুবিধা ঃ** আজৰি সময় কটাবলৈ বিভিন্ন ধৰণৰ অৱসৰ বিনোদনৰ সুবিধা, যেনে— চিনেমা গৃহ, নাটঘৰ, নানা ক্ৰীড়াকেন্দ্ৰ, নৃত্য-গীতৰ কেন্দ্ৰ আদি পৰ্যাপ্ত পৰিমাণে থাকিলে জন্ম হাৰ হ্ৰাস হোৱাৰ সম্ভাৱনা থাকে।

৫) **প্ৰচাৰ ঃ** দেশৰ গ্ৰামাঞ্চল অথবা পিছপৰা অঞ্চলৰ অশিক্ষিত, নিৰক্ষৰ লোকসকলক পৰিকল্পিত পৰিয়ালৰ সুফলবোৰ বুজাই এনে পৰিয়াল গঢ়াৰ বাবে উৎসাহিত কৰিবলৈ টিভি, ৰেডিঅ' আৰু বাতৰি-কাকতৰ দৰে সংযোগ মাধ্যমবোৰ ব্যৱহাৰ কৰা উচিত।

৬) **বিভিন্ন ধৰণৰ ভাট্টা প্ৰদান ঃ** জন্ম নিয়ন্ত্ৰণৰ উপায়বোৰ গ্ৰহণ কৰাসকলক চৰকাৰে বিভিন্নধৰণৰ ভাট্টা প্ৰদান কৰি উৎসাহিত কৰিব পাৰে। বিত্তীয় ভাট্টাৰ লগতে বিশেষ ছুটী অথবা পদোন্নতি আদিৰ সুবিধা আগবঢ়াই কৰ্মজীৱি শ্ৰেণীটোক পৰিয়ালৰ আকাৰ সৰু কৰিবলৈ আগ্ৰহী কৰি তোলা উচিত।

৭) **মহিলাৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি ঃ** জন্ম হাৰ কম কৰাৰ ই আন এটা উপায় হ'ব পাৰে। বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়াবলৈ মহিলাসকলক আগবাঢ়ি অহাত উদগনি যোগাবলৈ ভাট্টা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। বৰ্তমান মহিলাই বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত সক্ৰিয়ভাৱে অৱতীৰ্ণ হয়। ইয়াৰ ফলত শিক্ষণ, চিকিৎসা আৰু বেংকিং আদিৰ দৰে খণ্ডত মহিলাৰ সংখ্যা বহুখিনি বাঢ়িছে। এই আটাইবোৰ ব্যৱস্থাই জনসংখ্যা বৃদ্ধি ৰোধ কৰাত নিজ নিজ অৱদান আগবঢ়াব পাৰে।

আগতেই আলোচনা কৰা হৈছে যে বৰ্তমানৰ এক জ্বলন্ত সমস্যা হ'ল জনসংখ্যা বিস্ফোৰণ। ইয়াৰ পাৰিপাৰ্শ্বিকতাকেন্দ্ৰিক পৰিণামো আছে। সেয়েহে জনসংখ্যা শিক্ষাৰ বিষয়টোৱেও গুৰুত্ব লাভ কৰিছে। শিক্ষাৰ নিম্নতম স্তৰৰ পৰা উচ্চতম স্তৰলৈকে সকলোতে জনসংখ্যা শিক্ষাই স্থান পাইছে। যৌন শিক্ষা, পৰিয়াল পৰিকল্পনা, পৰিয়াল কল্যাণ প্ৰকল্প, পৰিয়ালকেন্দ্ৰিক জীৱনৰ শিক্ষা আদিৰ সৈতে জনসংখ্যা শিক্ষা একে বুলি ধৰি লোৱাতো ভুল হ'ব। জনসংখ্যা শিক্ষা হ'ল এটা শৈক্ষিক কাৰ্যসূচী। ই পৰিয়াল, সম্প্ৰদায়, দেশ আৰু বিশ্বৰ পটভূমিত জনসংখ্যা পৰিস্থিতি অধ্যয়নত সহায় কৰে। ই ব্যষ্টি আৰু সমষ্টিবাদী স্তৰত জনসংখ্যা পৰিৱৰ্তন তথা জীৱনৰ গুণগত মানৰ মাজত থকা সম্পৰ্কবোৰৰ কথা বুজায়। জনসংখ্যা শিক্ষাৰে

শিক্ষিত লোসকলে জনসংখ্যা বৃদ্ধিয়ে জীৱন যাপনৰ মান আৰু পাৰিপার্শ্বিকক কেনেদৰে প্রভাৱিত কৰে তাৰ কাৰণ তথা পৰিণামবোৰৰ বিষয়ে সচেতন হৈ পৰে। শিশু অৱস্থাতে লাভ কৰা জনসংখ্যা শিক্ষাৰ বাবে শিশুৱে জনসংখ্যা আৰু পাৰিপার্শ্বিকৰ মাজত সংঘটিত হোৱা আন্তঃক্রিয়াসমূহ অনুসন্ধান তথা অন্বেষণ কৰাৰ সুযোগ পায়। সৰু ল'ৰা-ছোৱালীয়ে স্থানীয়, ৰাষ্ট্রীয় আৰু বিশ্বজনীন স্তৰত জনসংখ্যা বৃদ্ধি হোৱাৰ কাৰণ আৰু পৰিণামবোৰ গম পায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ জনসংখ্যা নিয়ন্ত্রণৰ সামাজিক ব্যৱস্থাসমূহ কি কি?

.....

.....

প্রশ্ন নং ৪ ঃ জনসংখ্যা নিয়ন্ত্রণৰ এক আহিলা হিচাপে মহিলাক কর্মসংস্থাপনৰ সুযোগ দিয়াৰ ব্যৱস্থাটো ব্যাখ্যা কৰক।

.....

.....



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জনসংখ্যা গতিবিজ্ঞান হ'ল কেনেদৰে এটা জীৱ প্রজাতিৰ সংখ্যা সময়ৰ সোঁতত সলনি হয় সেই সম্পর্কে কৰা অধ্যয়ন। কোনো এটা এলেকাত জনসংখ্যা বঢ়াৰ লগে লগে জনসংখ্যাটোৰ অন্তর্গত সদস্যসকলে বর্দ্ধিত ঘনত্বৰ প্রভাৱ অনুভৱ কৰে। কোনো এক প্রদত্ত এলেকাত পাৰিপার্শ্বিকে বহন কৰিব পৰা জীৱ প্রজাতিবোৰৰ জনসংখ্যাৰ সর্ববৃহৎ আকাৰটোকে 'বহন ক্ষমতা' বোলে। পাৰিপার্শ্বিকত উপলব্ধ সমল (খাদ্য, বাসস্থান, পানী)ৰ পৰিমাণে এই বহন ক্ষমতা নির্ধাৰণ কৰে।
- কোনো এক জনসংখ্যাৰ জন্ম আৰু মৃত্যু সংখ্যা দুটাৰ মাজত থকা পার্থক্যই স্বাভাৱিক পৰিৱর্তন। অধিকাংশ সময়তে স্বাভাৱিক পৰিৱর্তনৰ প্রকৃতি ধনাত্মক। ইয়াৰ অর্থ হ'ল নির্দিষ্ট জনসংখ্যাত মৃত্যু হোৱা লোকতকৈ জন্মগ্রহণ কৰা কেঁচুৱাৰ সংখ্যা অধিক।
- প্রব্রজন হ'ল মানুহ এঠাইৰ পৰা আন ঠাইলৈ বাস কৰিবলৈ যোৱা কার্য। ইয়াক প্রায়েই 'মুঠ প্রব্রজন' হিচাপে প্রকাশ কৰা হয়। ই হ'ল কোনো এডোখৰ স্থান এৰি যোৱা আৰু সেই স্থানডোখৰলৈ নতুনকৈ অহা মানুহৰ সংখ্যাৰ মাজত থকা প্রভেদ। মুঠ প্রব্রজন ধনাত্মক হোৱাৰ অর্থ হ'ল অন্য স্থানলৈ যোৱা মানুহৰ সংখ্যাতকৈ সেই স্থানলৈ অহা মানুহৰ সংখ্যা অধিক। প্রব্রজন 'ঘৰুৱা' আৰু 'আন্তর্জাতিক' শিতানত হিচাপ কৰি চোৱা হয়।
- জনসংখ্যা নিয়ন্ত্রণৰ উপায়বোৰ হ'ল এনে কিছুমান কার্যকলাপ যিবোৰৰ সহায়ত জনসংখ্যা

বৃদ্ধিৰ হাৰ কম কৰাৰ চেষ্টা চলোৱা হয়। এই উপায়বোৰৰ সামাজিক, অৰ্থনৈতিক আৰু অন্যান্য ব্যৱস্থা শিতানত ভগোৱা হয়।



১১.৮ অধিক জানিবলৈ

১) Dash, B.N. (1996): "Principles of Education and Education in the Emerging Indian Society", Delhi.

২) Macbeth, Helen, Collinson, Paul, and Collinson Paul (2002): "Human Population Dynamics: Cross- Disciplinary Perspectives", Cambridge University Press.



১১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জনসংখ্যা গতিবিজ্ঞান (Population dynamiecs) হ'ল কেনেদৰে এটা জীৱ প্ৰজাতিৰ সংখ্যা সময়ৰ সোঁতত সলনি হয় সেই সম্পৰ্কে কৰা অধ্যয়ন।

কোনো এক জনসংখ্যাৰ আকাৰ আৰু গতিবিজ্ঞানক প্ৰভাৱিত কৰিব পৰা বিভিন্ন প্ৰক্ৰিয়া একে সময়তে ঘটিব পাৰে। জনসংখ্যাৰ আকাৰক জনমুৰি জনসংখ্যা বৃদ্ধি হাৰ (per capital population growth rate)-এ প্ৰভাৱিত কৰে। কোনো এক জনসংখ্যাৰ প্ৰতিগৰাকী ব্যক্তিৰ বাবে জনসংখ্যাৰ আকাৰ যিটো হাৰত সলনি হয় তাকেই জনমুৰি জনসংখ্যা বৃদ্ধিৰ হাৰ বোলে। জনসংখ্যাটোৰ জন্ম, মৃত্যু, প্ৰবাস গমন (emigration) আৰু প্ৰব্ৰজন (migration)-এ প্ৰভাৱিত কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মানুহে এঠাইৰ পৰা আন ঠাইলৈ গৈ বসবাস কৰাকে প্ৰব্ৰজন বোলে। ইয়াক প্ৰায়েই 'মুঠ প্ৰব্ৰজন' (net migration) বুলি বুজোৱা হয়। এই অভিধাটোৰে এঠাইৰ পৰা আন ঠাইলৈযোৱা আৰু আন ঠাইৰ পৰা অহা মানুহৰ 'মুঠ প্ৰব্ৰজন' ধনাত্মক হোৱাৰ অৰ্থ হ'ল জনসংখ্যা এটাত অন্য ঠাইলে যোৱা মানুহতকৈ অন্য ঠাইৰ পৰা অহা মানুহৰ সংখ্যা বেছি হোৱা। প্ৰব্ৰজনক 'ঘৰুৱা' আৰু 'আন্তৰ্জাতিক' এই দুভাগত ভগোৱা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জনসংখ্যা বিস্ফোৰণ এটা সামাজিক সমস্যা। সমাজতে ই দ'কৈ শিপাই থাকে। ভাৰতৰ দৰে দেশৰ পৰা এই সমস্যাটো অনতিপলমে দূৰ কৰাৰ প্ৰয়াস চলোৱা উচিত। ইয়াৰ কেইটিমান সামাজিক উপায় হ'ল বিবাহৰ ন্যূনতম বয়সৰ সীমা উচ্চ কৰা; সমাজত মহিলাৰ স্থিতি উন্নত কৰা, শিক্ষা অধিক প্ৰসাৰিত কৰা আৰু সন্তান তুলি লোৱা প্ৰথাৰ প্ৰচলন আৰম্ভ কৰা।

৪ নং **প্রশ্নৰ উত্তৰ ঃ মহিলাৰ বাবে কর্মসংস্থাপনৰ সুযোগ সৃষ্টি ঃ** জন্ম হাৰ কম কৰাৰ ই আন এটা উপায় হ'ব পাৰে। বিভিন্ন ক্ষেত্রত সেৱা আগবঢ়াবলৈ মহিলাসকলক আগবাঢ়ি অহাত উদগনি যোগাবলৈ ভাট্টা প্রদানৰ ব্যৱস্থা কৰিব লাগে। বর্তমান মহিলাই বিভিন্ন প্রতিযোগিতামূলক পৰীক্ষাত সক্রিয়ভাৱে অৱতীর্ণ হয়। ইয়াৰ ফলত শিক্ষণ, চিকিৎসা আৰু বেংকিং আদিৰ দৰে খণ্ডত মহিলাৰ সংখ্যা বহুখিনি বাঢ়িছে। এই আটাইবোৰ ব্যৱস্থাই জনসংখ্যা বৃদ্ধি ৰোধ কৰাত নিজ নিজ অৱদান আগবঢ়াব পাৰে।



১১.১০ আৰ্হি প্রশ্ন

ক) অতি চমুপ্রশ্ন ঃ (প্রায় ৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ বহন ক্ষমতা মানে কি?

প্রশ্ন ২ ঃ ঘনত্ব নির্ভৰশীলতাৰ অর্থ কি?

প্রশ্ন ৩ ঃ ঘৰুৱা প্রব্রজন বুলিলে কি বুজে?

খ) চুটি প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দৰে দিয়া)

প্রশ্ন ১ ঃ আন্তর্জাতিক প্রব্রজনে কেনেদৰে জনসংখ্যা বৃদ্ধি কৰে ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ জনসংখ্যা এটাৰ জনসংখ্যা গাঁথনিভিত্তিক বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

গ) দীঘলীয়া প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰে দিয়া)

প্রশ্ন ১ ঃ জনসংখ্যা গতিবিজ্ঞান ধাৰণাটো সংজ্ঞা আগবঢ়াওক।

প্রশ্ন ২ ঃ জনসংখ্যা বৃদ্ধি নিয়ন্ত্রণৰ কামত ব্যৱহাৰ কৰা ব্যৱস্থাসমূহ বর্ণনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ জনসংখ্যা শিক্ষা শিকোৱাৰ পদ্ধতি

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ জনসংখ্যা শিক্ষা শিকোৱাৰ বিভিন্ন পদ্ধতি

- ১২.৩.১ পর্যবেক্ষণ পদ্ধতি
- ১২.৩.২ স্ব-অধ্যয়ন পদ্ধতি
- ১২.৩.৩ আলোচনা পদ্ধতি
- ১২.৩.৪ বক্তৃতা পদ্ধতি
- ১২.৩.৫ প্রকল্প প্রস্তুতকৰণ পদ্ধতি
- ১২.৩.৬ প্রদত্ত কার্য সম্পাদন পদ্ধতি
- ১২.৩.৭ ক্ষেত্রভিত্তিক অধ্যয়ন

১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৫ অধিক জানিবলৈ

১২.৬ অগ্রগতিৰ খতিয়ান

১২.৭ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জনসংখ্যা শিক্ষা শিকোৱাৰ বিভিন্ন পদ্ধতি ব্যাখ্যা কৰিব পাৰিব।
- জনসংখ্যা শিক্ষা শিকোৱাৰ পদ্ধতিবোৰৰ সুবিধা আৰু অসুবিধাসমূহ চিনাক্ত কৰিব পাৰিব।
- জনসংখ্যা শিক্ষা শিকোৱাৰ বিভিন্ন পদ্ধতিৰ গুৰুত্ব আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

বিশ্বৰ সকলোতে জনসংখ্যাৰ দ্রুত বৃদ্ধি হোৱাৰ পৰিপ্রেক্ষিতত জনসংখ্যা শিক্ষাৰ ধাৰণাটোৰ উত্থান ঘটিছে। সমগ্র বিশ্বতে জনসংখ্যা বিস্ফোৰণে কেনে ৰূপ ধাৰণ কৰিছে সেয়া আমি সকলোৱে জানো। জনসংখ্যা বঢ়াৰ লগে লগে সর্বত্র দৰিদ্রতা আৰু প্রদূষণো বাঢ়িছে। ই মানুহৰ মৌলিক প্রয়োজনবোৰ পূৰণ কৰাৰ কামটোও জটিল কৰি তুলিছে। ফলত মানুহৰ জীৱনৰ মানৰ অৱনতি ঘটিছে। সেয়েহে পৃথিৱীৰ প্রতিগৰাকী বাসিন্দাকে জনসংখ্যা বৃদ্ধিৰ সমস্যাটোৰ বিষয়ে সজাগ কৰি তোলাতো আৱশ্যক হৈ পৰিছে। জীৱনৰ মানত মাত্রাধিক জনসংখ্যাই কেনে বিৰূপ প্রভাৱ পেলায় সেই কথা আমি সকলোৱে উপলব্ধি কৰাৰ সময় আহিছে। এই বিষয়ে

প্রখ্যাত অর্থনীতিবিদ মাল্থাচে কৈছিল, "জনসংখ্যা এক জ্যামিতিক হাৰত বাঢ়ে, কিন্তু খাদ্য অংকশাস্ত্ৰৰ ক্রম অনুসৰিহে বাঢ়ে।" মাল্থাচক আধুনিক জনসংখ্যা অধ্যয়নৰ জনক বুলি স্বীকৃতি দিয়া হৈছে। তেওঁৰ জনসংখ্যা বিষয়ক তত্ত্বটো বিশ্বৰ উন্নয়নশীল দেশবোৰৰ ক্ষেত্রত বাস্তৱ অর্থত প্রযোজ্য বুলি প্রমাণিত হৈছে।

১২.৩ জনসংখ্যা শিক্ষা শিকোৱাৰ বিভিন্ন পদ্ধতি

জনসংখ্যা শিক্ষা হ'ল তুলনামূলকভাৱে নতুন অধ্যয়ন ক্ষেত্র। এই শিক্ষাই জনসংখ্যা সম্পর্কে থকা মানুহৰ মনোভাব আৰু আচৰণৰ আর্হিবোৰ সলনি কৰাৰ প্রয়াস চলায়। এই শিক্ষাই মানুহক জনসংখ্যা সন্দর্ভত যুক্তিসংগত সিদ্ধান্ত ল'বলৈ সমর্থ কৰি তোলে। জনসংখ্যা শিক্ষাৰ প্রসাৰৰ সৈতে জড়িত বিভিন্ন সমস্যা নোহোৱা কৰিবলৈ কিছুমান বিশেষ শিক্ষণ পদ্ধতিৰ প্রয়োজন। কাৰণ, এই মূহুর্তত বর্দ্ধিত জনসংখ্যাৰ সমস্যাটোৰ প্রতি মনোযোগী হোৱাৰ বাহিৰে আন কোনো বিকল্প নাই। আমি সকলোৱে প্রয়োজনাধিক জনসংখ্যাই সৃষ্টি কৰিব পৰা পৰিণাম সম্পর্কে সজাগ হ'ব লাগিব। তলত জনসংখ্যা শিক্ষাৰ বিষয়ে শিকোৱাৰ পদ্ধতি দুটামান আলোচনা কৰা হ'ল।

১২.৩.১ পর্যবেক্ষণ পদ্ধতি

জনসংখ্যা শিক্ষাৰ বিষয়ে শিকোৱাৰ এটা সাধাৰণ, জনপ্রিয় আৰু সৰল পদ্ধতি হ'ল পর্যবেক্ষণ (Observation)। ই এটা সমাজ বিজ্ঞানৰ গৱেষণা কৌশল। স্বাভাৱিক পটভূমিত জনসংখ্যা বৃদ্ধিৰ পৰিঘটনাটো প্রত্যক্ষৰূপত পর্যবেক্ষণ কৰি ইয়াৰ বিষয়ে শিকা হয়। অধ্যয়নৰ ই হ'ল প্রাচীনতম পদ্ধতি। এই পদ্ধতিত মূলতঃ বিভিন্ন ধৰণৰ সামাজিক সমস্যা নিৰীক্ষণ-পর্যবেক্ষণ কৰা হয়। পর্যবেক্ষকে ডাটা সংগ্রহ কৰোঁতে প্রত্যক্ষভাৱে সমস্যা জড়িত পৰিস্থিতিবোৰৰ বিষয়ে জ্ঞান আহৰণ কৰে। সৰু পৰিয়াল গঠনৰ প্রথা, মাতৃ-সন্তানৰ স্বাস্থ্য, নিৰক্ষৰতা, পৰিয়াল পৰিকল্পনা আদিৰ দৰে বিভিন্ন সমস্যাৰ বিষয়ে জনসংখ্যা শিক্ষাই আলোচনা কৰে। এইবোৰ ভালদৰে বুজাবলৈ পর্যবেক্ষণ পদ্ধতি ব্যৱহাৰ কৰিব পৰা যায়। এই পদ্ধতিৰে সংগ্রহ কৰা ডাটা নির্ভুল আৰু ভাৰসাম্যযোগ্য।

পর্যবেক্ষণ বিভিন্ন প্রকাৰৰ হ'ব পাৰে। যেনে— নিয়ন্ত্রিত পর্যবেক্ষণ, অ-নিয়ন্ত্রিত পর্যবেক্ষণত বিভিন্ন ধৰণৰ পৰীক্ষণমূলক প্রক্রিয়া অন্তর্ভুক্ত হৈ থাকে। এনে পর্যবেক্ষণকে নিয়ন্ত্রিত পর্যবেক্ষণ বোলে। আনহাতে অ-নিয়ন্ত্রিত পর্যবেক্ষণ স্বাভাৱিক পটভূমিত সংঘটিত হয়। ই পর্যবেক্ষকক জীৱন তথা ব্যক্তিৰ একোখন স্বতঃস্ফূর্ত ছবিৰে সমৃদ্ধ কৰে। অংশগ্রহণমূলক পর্যবেক্ষণৰ কালছোৱাত পর্যবেক্ষকগৰাকীয়ে কম-বেছি পৰিমাণে পর্যবেক্ষণ কৰি থকা গোটটোৰ সদস্য হৈ পৰে। পর্যবেক্ষকে পর্যবেক্ষণ কৰি থকা ব্যক্তি গৰাকীয়ে দেখা পোৱা স্থানত থাকে আৰু কেতিয়াবা পর্যবেক্ষণ কৰি থকা ব্যক্তি অথবা

দলৰ সৈতে কোনো কার্যকলাপত প্রত্যক্ষভাৱে ভাগ ল'ব পাৰে। অংশগ্রহণবিহীন পর্যবেক্ষণৰ সময়ত ব্যক্তি অথবা দলটোৰ বাবে কোনোধৰণৰ অসুবিধাৰ সৃষ্টি কৰিব নোৱৰা অৱস্থান এটাৰ পৰা পর্যবেক্ষকে কার্যকলাপবোৰ চাই থাকে।

পর্যবেক্ষণ পদ্ধতিৰ সুবিধা ঃ

১) পর্যবেক্ষণ পদ্ধতিয়ে শিক্ষণ-শিকন প্রক্রিয়াটো সহজ আৰু উদ্দেশ্যমুখী কৰি তোলে।

২) ই সহযোগিতা, দলীয়ভাৱে কাম কৰাৰ মানসিকতা, সহানুভূতি আদিৰ দৰে সামাজিক গুণ কিছুমানৰ বিকাশত অৰিহণা যোগায়।

৩) এই পদ্ধতিয়ে শিক্ষণ-শিকন প্রক্রিয়াই শ্রেণীকোঠাত উৎপন্ন হোৱা নিৰস আৰু একঘেয়ামি পৰিৱেশ নাইকিয়া কৰে।

৪) এই পদ্ধতিয়ে শিক্ষার্থীৰ মনত অধ্যয়নৰ বিষয়বস্তুবোৰৰ স্থায়ী চাপ ৰাখি থৈ যায়।

৫) এই পদ্ধতিৰে শিক্ষার্থীয়ে নিজৰ অনুসন্ধিৎসা পূৰাব পাৰে আৰু বাস্তৱক স্বচক্ষে দেখাৰ সুযোগ পায়।

পর্যবেক্ষণ পদ্ধতিৰ অসুবিধা ঃ

১) পর্যবেক্ষণ পদ্ধতি সময়খৰছী আৰু ব্যয়বহুল।

২) সমাজৰ দুর্বল শ্রেণীবোৰৰ ক্ষেত্রত এই পদ্ধতিটো উপযুক্ত নহয়।

৩) এই পদ্ধতিটো উপযুক্তভাৱে প্রয়োগ কৰিবলৈ বিশেষ প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ প্রয়োজন।

৪) কেতিয়াবা পিতৃ-মাতৃয়ে সন্তানক পর্যবেক্ষণস্থলীলৈ প্রেৰণ কৰিবলৈ দ্বিধা প্রকাশ কৰে।

১২.৩.২ স্ব-অধ্যয়ন পদ্ধতি

কোনো শিক্ষক অথবা প্রশিক্ষকৰ সহায় নোলোৱাকৈ শিক্ষার্থীয়ে নিজে অধ্যয়ন কৰি জনসংখ্যা শিক্ষা অর্জন কৰাকে স্ব-অধ্যয়ন (Selfstudy) পদ্ধতি বোলে। এই পদ্ধতিত শিক্ষার্থী নিজে নিজৰ অধ্যয়নৰ প্রতি দায়বদ্ধ আৰু অধ্যয়নৰ বাবে দায়ী। যিহেতু এই পদ্ধতিৰে কৰা অধ্যয়নত শিক্ষার্থীক দিক্-নির্দেশনা দিবলৈ কোনো নাথাকে সেয়েহ ইয়াক 'নিজে শিকা' (learning on your own) পদ্ধতিও বোলে। ই এটা সুফলদায়ক পদ্ধতি। এই পদ্ধতিটোৱে শিক্ষার্থীক শিকাৰ স্বাধীনতা দি তেওঁৰ আত্মবিশ্বাস তথা দায়িত্ববোধ বৃদ্ধি কৰে। এই পদ্ধতিৰে সাধাৰণতে তথ্য সংগ্রহ, সংসাধন আৰু সঞ্চয় কৰা হয়। স্ব-অধ্যয়ন পদ্ধতিৰে জনসংখ্যা শিক্ষা অর্জন কৰিব খোজা শিক্ষার্থীসকলক দিক্-নির্দেশক অথবা শিক্ষকে প্রথমে এনে শিক্ষাৰ বাবে প্রয়োজন হোৱা

অধ্যয়ন দক্ষতাবোৰৰ বিষয়ে বুজাই দিয়ে। তেওঁলোকে শিক্ষার্থীক প্রয়োজনীয় সমল আৰু সা-সুবিধাবোৰ সংগ্রহ কৰাৰ সঠিক উপায়বোৰৰ বিষয়ে জনায়। তাৰ পাছত শিক্ষার্থীয়ে স্বতন্ত্র অধ্যয়ন আৰম্ভ কৰে।

স্ব-অধ্যয়ন পদ্ধতিৰ সুবিধা ঃ

১) এই পদ্ধতিয়ে শিক্ষার্থীক আত্মনির্ভৰশীলতা, আত্মবিশ্বাস আৰু আত্মপ্রত্যয়ৰ দৰে ব্যক্তিত্ব বিকাশকাৰী গুণ কিছুমানেৰে সমৃদ্ধ কৰে।

২) শিক্ষার্থীৰ সৃজনীশক্তিৰ বিকাশ ঘটায়।

৩) শিক্ষার্থীক কাম-কাজ সুসংগঠিত আৰু প্রণালীবদ্ধভাৱে কৰিবলৈ শিকায়।

৪) শিক্ষার্থীৰ মনৰ দিগন্ত সম্প্রসাৰিত কৰে আৰু বৌদ্ধিক সামর্থৰ বিকাশ ঘটায়।

৫) এই অধ্যয়ন পদ্ধতিটোৱে শিক্ষার্থীক আজৰি সময়ৰ সদ্ব্যৱহাৰ কৰাৰ শিক্ষা দি তেওঁৰ জ্ঞানৰ পৰিসৰ ব্যাপক কৰি তোলে।

৬) এই পদ্ধতিটোৱে শিক্ষার্থীক যিকোনো বিষয় নিজে অধ্যয়ন কৰাত দক্ষ কৰি তোলে।

স্ব-অধ্যয়ন পদ্ধতিৰ অসুবিধা ঃ

১) শিক্ষার্থীৰ ভুল শুধৰাই দিবলৈ কোনো শিক্ষক নাইবা দিক্-নির্দেশক নাথাকে।

২) বুদ্ধিত পিছপৰা শিক্ষার্থীৰ বাবে এই পদ্ধতি উপযুক্ত নহয়।

৩) এই পদ্ধতিটোৰ কামত খুটৱাবলৈ অতি সাৱধানে উপযুক্ত ধৰণৰ পৰিকল্পনা যুগুত কৰি ল'ব লাগে।

৪) পঢ়াৰ পৰিৱেশ তথা প্রয়োজনীয় সা-সুবিধাবোৰ উন্নত মানৰ নহ'লে এই পদ্ধতিৰে সুফল পোৱা নায়ায়।

৫) শিক্ষার্থীৰ যদি স্ব-অধ্যয়নৰ প্রতি কোনো আগ্রহ নাথাকে অথবা তেওঁৰ মনোভাব যদি অনুকূল নহয় তেন্তে স্ব-অধ্যয়ন শিক্ষার্থীৰ বাবে কেৱল সময় আৰু শক্তি অপচয়কাৰী কামহে হ'ব।



চিন্তা-চর্চা কৰক ঃ ১

আপোনৰ অঞ্চলত বাস কৰা পৰিয়ালবোৰক লগ কৰি সাক্ষৰতাৰ শতকৰা হাৰ আৰু মাতৃ-সন্তানৰ স্বাস্থ্যদশা বিষয়ক তথ্য সংগ্রহ কৰক। এই তথ্যৰ ভিত্তিত বাসিন্দাসকলক জীৱন যাপনৰ মান পর্যবেক্ষণ কৰি এখন প্রতিবেদন প্রস্তুত কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জনসংখ্যা শিক্ষাৰ বিষয়ে শিকাবলৈ প্রয়োগ কৰা পর্যবেক্ষণ পদ্ধতিৰ বিষয়ে বর্ণনা কৰক।

.....

.....

প্রশ্ন নং ২ ঃ স্ব-অধ্যয়ন পদ্ধতি বুলিলে কি বুজে?

.....

.....

১২.৩.৩ আলোচনা পদ্ধতি

শিক্ষণ-শিকন প্রক্রিয়া হ'ল শিক্ষক আৰু শিক্ষার্থীৰ মাজত সংঘটিত হোৱা এটা সহযোগিতাপূর্ণ প্রক্রিয়া। এই প্রক্রিয়াৰ নিয়ম অনুসৰি এটা অনুকূল শিকন পৰিৱেশত সক্রিয়ভাৱে ভাগ লৈ শিক্ষার্থীয়ে নানা কথা শিকে। জনসংখ্যা শিক্ষাৰ সৈতে জড়িত বিভিন্ন সমস্যা আৰিষ্কাৰ কৰাত আলোচনা (Discussion) পদ্ধতিয়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই হ'ল অধ্যয়ন আৰু প্রস্তুতি তথা বিষয়বস্তু বাছনি আৰু সংগঠিতকৰণ আদিৰ দৰে কামবোৰ সম্পাদন কৰাৰ পদ্ধতি। এই পদ্ধতিৰে চিন্তা-ধাৰণাবোৰৰ লগতে শিকন প্রক্রিয়াটো গভীৰতৰ কৰি তোলাৰ প্রয়াস কৰা হয়। সামূহিকভাৱে সিদ্ধান্ত গ্রহণ কৰাৰ ই হ'ল এক প্রণালীবদ্ধ উপায়। আলোচনা বুলিলে যুক্তি-তর্ক, আলোচনা চক্র, বিশেষজ্ঞ মণ্ডলীয়ে কৰা আলাপ-আলোচনা আৰু বিভিন্ন সন্মিলন আদিৰ কথা বুজোৱা হয়।

জ'নচ'নৰ মতে আলোচনা সম্ভৱ কৰি তোলা প্রধান কাৰকবোৰ হ'ল—

১) নেতা ২) দল ৩) মূল সমস্যা আৰু ৪) আলোচনাৰ বিষয়সূচী।

১) নেতা ঃ আলোচনা পদ্ধতিত শিক্ষকে প্রধানকৈ এগৰাকী নেতাৰ ভূমিকা লয়। তেওঁ আলোচনাৰ পৰিকল্পনা কৰে, বিষয়বস্তু বাছনি কৰে আৰু আলোচনা কৰিবলগীয়া কথাবোৰ সুসংগঠিত কৰে। নেতা হিচাপে তেওঁ আলোচনাৰ গতি-প্রকৃতিক দিক্-নির্দেশনা দিয়ে আৰু দলৰ সকলো সদস্যই আলোচনাত ভাগ লৈছেনে নাই তালৈ মনোযোগ দিয়ে।

২) দল ঃ নেতাই দলৰ প্রতিগৰাকী সদস্যকে আলোচনাত সক্রিয়ভাৱে ভাগ ল'বলৈ উৎসাহিত কৰে।

৩) মূল সমস্যা ঃ শিক্ষক-শিক্ষার্থীয়ে মিলি আলোচনাৰ মূল সমস্যা অথবা বিষয়বস্তুটো বাছনি কৰিব লাগে। এনে সমস্যা বাস্তৱ জীৱনৰ পৰিস্থিতিভিত্তিক হোৱা উচিত।

৪) আলোচনাৰ বিষয়সূচী ঃ ইয়াৰ সহায়ত আমি বিভিন্ন তথ্যক পুনৰ সজ্জিত কৰিব

পাৰোঁ অথবা তথ্য বিষয়বোৰক সাধাৰণীকৃত কৰি ল'ব পাৰোঁ। আলোচনা পদ্ধতিত একেটা বিষয়ৰে বিভিন্ন দৃষ্টিভংগী উপস্থাপন কৰা হয়। সকলোবোৰ চালি-জাৰি চোৱাৰ পাছতহে এক সহমতত উপনীত হোৱা যায়।

আলোচনা পদ্ধতিত মানি চলা নীতিসমূহ ঃ

১) সক্রিয় অংশগ্রহণৰ নীতি

২) কাম কৰাৰ স্বাধীনতা নীতি

৩) দলীয় আৰু প্রকৃত অংশগ্রহণৰ নীতি

আলোচনা পদ্ধতিৰ সুবিধা ঃ

১) আলোচনা পদ্ধতিয়ে দল এটাৰ প্রতিগৰাকী সদস্যকে আলোচ্য বিষয়ত নিজৰ মনৰ ভাব প্রকাশ কৰাৰ সমান সুযোগ দিয়ে। ই অংশগ্রহণকাৰীৰ মৌখিক অভিব্যক্তি প্রকাশ দক্ষতা উন্নত কৰে।

২) ই সামূহিকভাৱে মৌখিক অভিব্যক্তি প্রকাশক দক্ষতা উন্নত কৰে।

৩) দলৰ সদস্যসকলে যুক্তি-তর্কৰ মাধ্যমেৰে নিজৰ দৃষ্টিভংগী যুক্তিসংগত কৰি তোলাৰ দক্ষতা বিকশিত কৰে। ই তেওঁলোকৰ সমালোচনাত্মক চিন্তাশক্তি আৰু যুক্তি প্রয়োগৰ সামর্থ বৃদ্ধি কৰে।

৪) আলোচনা পদ্ধতিয়ে অইনৰ মতামত সহ্য কৰিব পৰা অভ্যাস গঠন কৰে। ই অইনক মতামতক বুজাৰ চেষ্টা কৰাৰ মানসিকতা গঢ়ি তোলাৰ লগতে নিজৰ মতামত দাঙি ধৰিব পৰা সামর্থৰ বিকাশ ঘটায়।

৫) এই পদ্ধতিয়ে অংশগ্রহণকাৰীৰ বিভিন্ন বিষয় বুজাৰ শক্তি বৃদ্ধি কৰে।

আলোচনা পদ্ধতিৰ অসুবিধা ঃ

১) এই পদ্ধতিয়ে দলৰ সদস্যসকলক পোনপটীয়া শিকন অভিজ্ঞতাৰ গৰাকী নকৰে।

২) আলোচনাৰ পৰিৱেশ এটাত পঢ়া আৰু লিখাৰ সুবিধা সীমিত। কিন্তু লিখা আৰু পঢ়া শিকনৰ বাবে অপৰিহার্য উপাদান।

৩) ই এক সময় খৰছী প্রক্রিয়া।

৪) দলৰ প্রতিগৰাকী সদস্যই সমানে আলোচনাত ভাগ নলয়। কিছুমান শিক্ষার্থী আত্মবিশ্বাসী নহয়। তেওঁলোকে মনৰ ভাব প্রকাশ কৰিবলৈ লাজ পায়। সপ্রতিভ শিক্ষার্থীসকলে আলোচনাত আধিপত্য বিস্তাৰ কৰে আৰু অইনক কথা কোৱাৰ সুযোগ নিদিয়ে।

১২.৩.৪ বক্তৃতা পদ্ধতি

জনসংখ্যা শিক্ষা শিকোৱাৰ আন এটা পদ্ধতি হ'ল বক্তৃতা (Lecture) প্রদান। ই হ'ল এটা মৌখিক শিক্ষণ পদ্ধতি। শিক্ষাৰ উচ্চতৰ পর্যায়বোৰত শিক্ষকে সাধাৰণতে এই পদ্ধতিৰে শিক্ষাদান কৰে। শিক্ষার্থীৰ মনত খোকোজা আঁতৰাবলৈ এই পদ্ধতিটোত

প্রশ্ন সোধা কামটোত গুৰুত্ব দিয়া হয়। শিক্ষকে বক্তৃতা দিওঁতে বিভিন্ন মানচিত্র, তালিকা, আৰ্হি আৰু ছবি ব্যৱহাৰ কৰে। এইবোৰে শিক্ষার্থীসকলক বিষয়টোৰ প্রতি আগ্রহী কৰি তোলে। ভালদৰে প্রস্তুত কৰি লোৱা আৰু মনোগ্রাহীকৈ উপস্থাপন কৰা বক্তৃতাই শিক্ষার্থীৰ উপকাৰ সাধন কৰে।

প্রাথমিক পর্যায়ৰ শ্রেণীবোৰত কাহিনী কথন আৰু বার্তালাপ আদিৰ দৰে পদ্ধতিৰ সহায়ত বক্তৃতা প্রদান কৰা হয়। শ্রেণীকোঠাত একোটা উদাৰ আৰু সংঘাতবিহীন পৰিৱেশ তৈয়াৰ কৰি লোৱা হয়। এনে পৰিৱেশত শিক্ষার্থীয়ে মুকলি মনেৰে প্রশ্ন সুধিব পাৰে। এনেকৈয়ে সিহঁতৰ জ্ঞান বাঢ়ে।

উচ্চতৰ শ্রেণীবোৰত বক্তৃতা পদ্ধতিয়ে একোটা আনুষ্ঠানিক বার্তালাপৰ ৰূপ লয়। নির্দিষ্ট বিষয়ত শিক্ষকে বক্তৃতাটো প্রস্তুত কৰি লয় আৰু সেয়ে শ্রেণীকোঠাত শিক্ষার্থীৰ আগত উপস্থাপন কৰে। শিক্ষকে সম্পূর্ণ আত্মবিশ্বাসেৰে শ্রেণীকোঠাত বক্তৃতা প্রদান কৰিব লাগে। লগতে বক্তৃতা দি থকাৰ সময়ত তেওঁ শিক্ষার্থীসকলক নিৰীক্ষণ কৰিব লাগে।

বক্তৃতা পদ্ধতিৰ সুবিধা ঃ

১) জনসংখ্যা শিক্ষা প্রসাৰৰ এটা ফলপ্রসূ পদ্ধতি হ'ল বক্তৃতা প্রদান। ইয়াৰ সহায়ত শিক্ষকে উপযুক্ত ধৰণে শিক্ষার্থীক বিষয়টো জনাৰ প্রতি উদ্বুদ্ধ কৰিব পাৰে।

২) সঠিকভাৱে উপস্থাপন কৰা বক্তৃতাই শিক্ষার্থীৰ মনত থকা সন্দেহ আৰু খোকোজা আঁতৰাব পাৰে।

৩) ই শিক্ষক-শিক্ষার্থী উভয়ৰে সময় আৰু শক্তি ৰাহি কৰে। এই পদ্ধতিৰে শিক্ষকে নির্বাচিত বিষয় এটা উপযুক্ত আৰু সহজভাৱে উপস্থাপন কৰিব পাৰে।

৪) বক্তৃতা পদ্ধতি বিভিন্ন উদ্দেশ্যত ব্যৱহাৰ কৰিব পৰা যায়। শিক্ষকে কোনো পাঠৰ মূল কথাবোৰত এই পদ্ধতিৰে আকর্ষণীয়ভাৱে আলোকপাত কৰিব পাৰে।

বক্তৃতা পদ্ধতিৰ অসুবিধা ঃ

১) এই পদ্ধতিত শিক্ষার্থীসকলৰ ভূমিকা নিষ্ক্রিয়। বিভিন্ন সীমাবদ্ধতাৰ বাবে শিকন প্রক্রিয়াটোত সম্পূর্ণৰূপে অংশগ্রহণ কৰিব নোৱাৰে।

২) সকলো শিক্ষকে উপযুক্তভাৱে বক্তৃতা প্রদান কৰিব নোৱাৰে।

৩) ই শিক্ষণ-শিকন প্রক্রিয়াটো নিৰস আৰু একঘেয়ামি কৰি তোলে।

৪) এই পদ্ধতিৰে কেৱল তাত্ত্বিক জ্ঞানহে দিব পৰা যায়।



চিন্তা-চর্চা কৰক ঃ ২

জনসংখ্যা বিস্ফোৰণৰ সমস্যাটোত আলোকপাত কৰিব পৰা বিষয় এটা বাছনি কৰক। আপোনাৰ এলেকাৰ স্কুলীয়া ল'ৰা-ছোৱালীবোৰৰ মাজত এখন তর্ক প্রতিযোগিতাৰ আয়োজন কৰক। কার্যকলাপবোৰৰ ভিত্তিত এখন প্রতিবেদন প্রস্তুত কৰক।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ আলোচনা পদ্ধতিৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন নং ৪ ঃ বক্তৃতা পদ্ধতিটোৰ বিষয়ে আলোচনা কৰক।

.....

.....

১২.৩.৫ প্ৰকল্প প্ৰস্তুতকৰণ পদ্ধতি

শিক্ষার্থীক জনসংখ্যা শিক্ষাৰ ধাৰণাটো স্পষ্টকৈ বুজাবলৈ শিক্ষকে ব্যৱহাৰ কৰা আন এটা ফলপ্ৰসূ উপায় হ'ল প্ৰকল্প (Project) প্ৰস্তুতকৰণ পদ্ধতি। তাত্ত্বিক, পুথিগত আৰু বাস্তৱ জীৱনৰ পৰা বিচ্ছিন্ন শিক্ষাৰ প্ৰতিক্ৰিয়া হিচাপে এই পদ্ধতিৰ উত্থান ঘটিছে। এই পদ্ধতিয়ে শিক্ষার্থীক হাতে-কামে কৰি শিকাত আৰু শিক্ষার্থীক দায়িত্ববোধসম্পন্ন কৰি তোলাত জোৰ দিয়ে। কোনো এটা প্ৰদত্ত সমস্যাৰ সৈতে জড়িত সকলোবোৰ উপাদানৰ অধ্যয়ন আৰু সমস্যাৰ সম্ভাব্য সমাধানৰ চিন্তা আদিক প্ৰকল্পভিত্তিক কার্যকলাপে সামৰি লয়। প্ৰকল্প প্ৰস্তুত কৰিবলৈ বাছনি কৰা সমস্যাটোৰ বাস্তৱ জীৱনৰ পৰিস্থিতিৰ সৈতে সম্পৰ্ক থাকিব লাগিব। প্ৰসিদ্ধ শিক্ষাবিদ কিল্‌পেট্ৰিকে কৈছিল প্ৰকল্প হ'ল "সামাজিক পৰিৱেশত সম্পন্ন কৰা এক সম্পূৰ্ণ উৎসৰ্গিত উদ্দেশ্যপূৰ্ণ কার্যকলাপ।" প্ৰকল্প প্ৰস্তুতকৰণ পদ্ধতিৰ কেইটামান মৌলিক নীতি আছে। সেইবোৰ হ'ল—

i) উদ্দেশ্যৰ নীতি ii) কার্য কলাপৰ নীতি iii) বাস্তৱৰ নীতি iv) অভিজ্ঞতাৰ নীতি v) স্বাধীনতাৰ নীতি আৰু vi) উপযোগিতাৰ নীতি।

শিক্ষার্থীয়ে তেতিয়াহে কোনো কথা নাইবা কামৰ প্ৰতি আগ্ৰহ দেখুৱায়, যেতিয়া তেওঁলোকে কৰা কামটোৰ কিবা এক উদ্দেশ্য আছে অথবা কামটোৰ পৰা কিবা শিকিব পাৰিব বুলি ভাৱে। যিবোৰ কাম হাতে-কামে কৰা হয়, অভিজ্ঞতা অর্জন কৰিব পাৰি, বক্তিগত জীৱনৰ সৈতে সম্পৰ্ক থাকে, কামটো সম্পাদন কৰাত স্বাধীনতা থাকে আৰু যিবোৰ কাম শিক্ষার্থীৰ বাবে উপকাৰী। শিক্ষার্থীয়ে তেনে কাম কৰাত আগ্ৰহ প্ৰকাশ কৰে।

প্ৰকল্প প্ৰস্তুতকৰণ পদ্ধতিৰ কার্যঢাপ ঃ

তলত দিয়া কামবোৰ একাদিক্ৰমে কৰি প্ৰকল্প একোটা প্ৰস্তুত কৰা হয়।

(ক) পৰিস্থিতি সৃষ্টি ঃ শিক্ষকে প্ৰকল্পৰ বাবে এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিব লাগিব যিটোৱে শিক্ষার্থীসকলক প্ৰকল্পটোৰ বিষয়ে ভাবিবলৈ বাধ্য কৰাব।

(খ) **প্রকল্প বাছনি ঃ** দিক-নির্দেশক অথবা শিক্ষকৰ সহায়ত শিক্ষার্থীয়ে প্রকল্প এটা বাছনি কৰে। প্রকল্পটোৰ বাস্তৱ জীৱনৰ পৰিস্থিতিৰ সৈতে সম্পর্ক থাকে।

(গ) **পৰিকল্পনা ঃ** এই কার্যটাপটোত শিক্ষার্থীয়ে প্রকল্পটোৰ কার্য ৰূপায়িত কৰাৰ পৰিকল্পনা যুগুত কৰে। অংশগ্রহণকাৰীৰ সামর্থ আৰু আগ্রহ অনুসাৰে প্রকল্পটোৰ কাম-কাজবোৰ আগ বঢ়াই নিয়াৰ দায়িত্ব ভগাই দিয়া হয়। প্রকল্প কার্য এটা সফল কৰিবলৈ অংশগ্রহণকাৰীৰ মাজত উপযুক্ত সহযোগিতা থকা আৱশ্যক।

(ঘ) **প্রকল্পৰ কার্যৰূপায়ণ ঃ** শিক্ষক অথবা তত্ত্বাৱধায়কৰ নির্দেশনা অনুসৰি শিক্ষার্থীসকলে প্রকল্পটো সম্পূর্ণ কৰে। প্রকল্পটো চলি থকাৰ সময়ত শিক্ষার্থীসকলে বিভিন্ন ধৰণৰ কার্যকলাপ সম্পাদন কৰে। কামবোৰ নিজ হাতেৰে কৰি শিকে বাবে ই শিক্ষার্থীক ব্যৱহাৰিক জ্ঞানেৰে সমৃদ্ধ কৰে। এই কথাই শিক্ষার্থীৰ উপকাৰ সাধন কৰে।

(ঙ) **মান বিচাৰ আৰু মূল্যায়ন ঃ** প্রকল্প এটাৰ কাম সম্পূর্ণ কৰি শিক্ষার্থীসকলক একগোট কৰা হয় আৰু প্রকল্পটোৰ সফলতা-বিফলতাৰ মূল্যায়ন কৰে।

(চ) **খতিয়ানভুক্তকৰণ ঃ** শিক্ষার্থীয়ে প্রকল্পবোৰ কার্য ৰূপায়িত কৰাৰ খতিয়ান (Record) ৰাখিব লাগে। প্রথমৰ পৰা শেষলৈকে প্রতিটো কার্যটাপৰ বিস্তৃত বিৱৰণ এনে খতিয়ানত থকা উচিত। কথাবোৰ স্পষ্টকৈ লিখি ৰাখিলে ই ভৱিষ্যৎ প্রকল্পৰ কামত সহায় কৰে।

প্রকল্প পদ্ধতিৰ সুবিধা ঃ

(ক) প্রকল্প পদ্ধতিবোৰৰ ভিত্তি হ'ল শিকনৰ তিনিটা প্রধান বিধি। বিধিকেইটা হ'ল — অনুশীলনৰ বিধি, অনবৰতে সাজু হৈ থকাৰ বিধি আৰু প্রভাৱৰ বিধি। থ'র্নডাইকে এই বিধি তিনিটাৰ বিষয়ে পোনপ্রথমে আলোচনা কৰিছিল।

(খ) শিক্ষার্থীয়ে সকলো কাম নিজে কৰে বাবে এই পদ্ধতিয়ে শিক্ষার্থীৰ আত্মবিশ্বাস দৃঢ় কৰে।

(গ) শিক্ষার্থীয়ে মাজে মাজে সহযোগিতাৰ মনোভাব বৃদ্ধি কৰে।

(ঘ) শিক্ষার্থীয়ে শ্রমৰ মর্যাদা উপলব্ধি কৰে।

(ঙ) শিক্ষার্থীয়ে বিভিন্ন বিষয়ৰ ব্যৱহাৰিক জ্ঞান লাভ কৰে।

(চ) প্রকল্প পদ্ধতিয়ে শিক্ষার্থীক ভৱিষৎ প্রস্তুতিত সহায় কৰে। ই শিক্ষার্থীক সহযোগিতা, সংগঠন, কথা কোৱাৰ দক্ষতা (শুদ্ধ উচ্চাৰণ, কথা কোৱাৰ শৈলী), আত্মসচেতনতা আদি গুণেৰে সমৃদ্ধ কৰে।

প্রকল্প পদ্ধতিৰ অসুবিধা ঃ

(ক) এই পদ্ধতি ব্যয়বহুল। ইয়াৰ বাবে বহুতো সামগ্রী কিনিবলগীয়া হয়।

(খ) আধিপত্য বিস্তাৰ কৰি থকা সাম্প্রতিক শিক্ষার্থীয়ে আনসকলক কাম কৰাৰ সমান সুযোগ নিদিয়ে। ফলত উপযুক্ত আৰু সম্পূর্ণ অংশগ্রহণৰ পৰা বহুতো

শিক্ষার্থী বঞ্চিত হয়।

(গ) প্রকল্প এটা সফল কৰি তুলিবলৈ বিশেষভাৱে প্রশিক্ষণ পোৱা শিক্ষকৰ দিক্-নির্দেশনাৰ প্রয়োজন হয়। ইয়াৰ অভাৱ হ'লে প্রকল্প এটাই লক্ষ্য পূৰণ কৰিব নোৱাৰে।

(ঘ) প্রকল্প পদ্ধতিয়ে শিক্ষকৰ বাবে কামৰ হেঁচা বৃদ্ধি কৰে। তেওঁ প্রতিগৰাকী শিক্ষার্থীকে গাইগুটীয়াকৈ দিক্-নির্দেশনা দিব লাগে। অর্থাৎ শিক্ষকে প্রকল্প এটা নিয়াৰিকৈ সম্পন্ন কৰাৰ গুৰুদায়িত্ব পালন কৰিব লাগে।

(ঙ) এই পদ্ধতিৰে কোনো প্রণালীবদ্ধ জ্ঞান আহৰণ কৰিব নোৱাৰি। কোনো পাঠ্যবিষয়ৰ সম্পূর্ণ পাঠ্যক্রম এটা এই পদ্ধতিৰে শিকাব পৰা নাযায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ প্রকল্প পদ্ধতিৰ কার্যঢাপবোৰ আলোচনা কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ প্রকল্প পদ্ধতিৰ অসুবিধাবোৰ কি কি?

.....

.....

১২.৩.৬ প্রদত্ত কার্য সম্পাদন পদ্ধতি

সাধাৰণ অর্থত প্রদত্ত কার্য (Assignment) মানে হ'ল এক নির্ধাৰিত সময়সীমাৰ ভিতৰ শেষ কৰিবলৈ দিয়া কার্য। বিদ্যালয়ৰ ক্ষেত্রত কেতিয়াবা সম্পূর্ণ পাঠ্যক্রম এটা নির্ধাৰিত সময়ত শেষ নহয়। সেয়েহে কিছুমান কাম প্রদত্ত কার্য হিচাপে শিক্ষার্থীক নিজাকৈ কৰিবলৈ দিয়া হয়। প্রদত্ত কার্যবোৰৰ প্রয়োজনীয়তা আছে কাৰণ ই শিক্ষার্থীক নিজা সমল ব্যৱহাৰ কৰি শিকাৰ সুযোগ প্রদান কৰে।

প্রদত্ত কার্যৰ প্রকাৰ ঃ

১) ৰচনা ঃ ৰচনাৰ সহায়ত শিক্ষার্থীৰ কোনো বিষয় বুজাৰ দক্ষতা (Comprehension) পৰীক্ষা কৰা হয়। কোনো বিশেষ ক্ষেত্র অথবা বিষয়ক আধাৰ কৰি লিখা ৰচনাই শিক্ষার্থীৰ ব্যাখ্যা কৰিব পৰা সামর্থ প্রকাশ কৰে।

২) বিভিন্ন লেখনী ঃ এনে প্রদত্ত কার্যৰ দ্বাৰা শিক্ষার্থীৰ সৃজনাত্মক সামর্থ জোখা হয়।

৩) মৌখিক উপস্থাপন ঃ শিক্ষার্থীৰ কোনো এটা বিষয়ৰ তথ্য বুজা, সেইবোৰ সুসজ্জিত ৰূপত প্রকাশ কৰা আৰু কথা কোৱাৰ দক্ষতা আদি মৌখিক উপস্থাপনৰ জৰিয়তে মূল্যায়ন কৰা হয়।

৪) প্রকল্প ঃ প্রকল্পই শিক্ষার্থীৰ সৃজনশীলতা আৰু উদ্ভাৱনী দক্ষতা প্রকাশ কৰে।

৫) দলীয় আলোচনা ঃ দলবদ্ধভাৱে কৰা আলোচনাৰ পৰা শিক্ষার্থীৰ সংযোগ স্থাপন, সহযোগিতামূলক আৰু নেতৃত্ব দিব পৰা গুণ আদিৰ দৰে বৈশিষ্ট্যবোৰ জুখি উলিওৱা হয়।

প্রদত্ত কার্যৰ সুবিধা ঃ

১) প্রদত্ত কার্যই শিক্ষার্থীৰ আগ্রহ আৰু মনোযোগ বৃদ্ধি কৰে। শিক্ষার্থীক পঢ়িবলৈ উৎসাহিত কৰে।

২) ই শিক্ষার্থীৰ স্ব-অধ্যয়নৰ অভ্যাস গঢ়ি তোলে।

৩) শিক্ষক-অভিভাৱকৰ মাজত যোগসূত্র স্থাপন কৰে।

৪) শিক্ষার্থীক শিকন লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

৫) শিক্ষার্থীৰ আত্মবিশ্বাস তথা আত্মনির্ভৰশীলতা বৃদ্ধি কৰে।

৬) শিক্ষার্থীৰ পঢ়াৰ অভ্যাস গঢ়ি তোলে।

প্রদত্ত কার্যৰ অসুবিধা ঃ

১) ই শিকাৰ এটা নিৰস আৰু একঘেয়ামি উপায়।

২) অতিমাত্রা প্রদত্ত কার্যই শিক্ষার্থীক বিৰক্ত কৰে।

৩) কিছুমান শিক্ষকে প্রদত্ত কার্যবোৰ গুৰুত্ব সহকাৰে মূল্যায়ন নকৰে।

৪) এই পদ্ধতিত প্রত্যক্ষ অভিজ্ঞতা লাভ তথা প্রয়োগৰ কোনো সুবিধা নাই।

১২.৩.৭ ক্ষেত্রভিত্তিক অধ্যয়ন

কথা অথবা বিষয়ৰ প্রত্যক্ষ অভিজ্ঞতা লাভৰ সবাতোকৈ উত্তম উপায়টো হ'ল ক্ষেত্রভিত্তিক অধ্যয়ন (Field Study)। এই পদ্ধতিত শিক্ষার্থীয়ে তাত্ত্বিক জ্ঞান আৰু ব্যৱহাৰিক জ্ঞানৰ মাজত সহঃসম্পর্ক স্থাপন কৰিব পাৰে। শিক্ষার্থীয়ে কোনো বিষয়ৰ ডাটা উপযুক্তভাৱে নিজে সংগ্রহ কৰিব পাৰে। শিক্ষার্থীয়ে পুথিগত জ্ঞান আৰু বাস্তৱ জীৱনৰ পৰিস্থিতিৰ মাজত থকা পার্থক্য নির্ণয় কৰিবলৈ শিকে। ক্ষেত্রভিত্তিক অধ্যয়নবোৰৰ বাবে সঠিক পৰিকল্পনা কৰা উচিত। এনে অধ্যয়নত একোগৰাকী দলনেতা/দলনেত্রী থাকিব লাগে। তেওঁ আন সদস্যসকলক উপযুক্ত দিক্-নিদের্শনা দয়ে। জনসংখ্যা শিক্ষাভিত্তিক ক্ষেত্র অধ্যয়ন কৰি অহা শিক্ষার্থীয়ে জনসংখ্যা বৃদ্ধিয়ে সমাজত পেলোৱা বিভিন্ন প্রভাৱ সম্পর্কে ব্যৱহাৰিক জ্ঞান লাভ কৰিব। নিজ চকুৰে দেখি লাভ কৰা অভিজ্ঞতাই তেওঁলোকক জনসংখ্যা সমস্যাই সৃষ্টি কৰা প্রকৃত ছবিখন বুজাত সহায় কৰিব। ক্ষেত্রভিত্তিক অধ্যয়ন শেষ কৰি শিক্ষার্থীয়ে নিজৰ অভিজ্ঞতা পুনৰীক্ষণ কৰিব আৰু বিশদভাৱে বর্ণনা কৰিব লাগে।



চিন্তা-চৰ্চা কৰক ঃ ৩

আপোনাৰ এলেকাত থকা এডোখৰ ঘন জনবসতিৰ স্থান চিনাক্ত কৰি তালৈ এটা ক্ষেত্রভিত্তিক অধ্যয়ন কৰিবলৈ যাওক। স্থানডোখৰত দ্রুত জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা সমস্যাবোৰ বিচাৰি উলিয়াওক। ইয়াৰ আধাৰত এখন প্রতিবেদন যুগুত কৰক।



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জনসংখ্যা বঢ়াৰ লগে লগে সর্বত্র দৰিদ্রতা আৰু প্রদূষণো বাঢ়িছে। ই মানুহৰ মৌলিক প্রয়োজনবোৰ পূৰণ কৰাৰ কামটোও জটিল কৰি তুলিছে। ফলত মানুহৰ জীৱনৰ মানৰ অৱনতি ঘটিছে।
- জনসংখ্যা শিক্ষাৰ বিষয়ে শিকোৱাৰ এটা সাধাৰণ, জনপ্রিয় আৰু সৰল পদ্ধতি হ'ল পর্যবেক্ষণ (Observation)। ই এটা সমাজ বিজ্ঞানৰ গৱেষণা কৌশল। স্বাভাৱিক পটভূমিত জনসংখ্যা বৃদ্ধিৰ পৰিঘটনাটো প্রত্যক্ষৱদপত পর্যবেক্ষণ কৰি ইয়াৰ বিষয়ে শিকা হয়।
- কোনো শিক্ষক অথবা প্রশিক্ষকৰ সহায় নোলোৱাকৈ শিক্ষার্থীয়ে নিজে অধ্যয়ন কৰি জনসংখ্যা শিক্ষা অর্জন কৰাকে স্ব-অধ্যয়ন (Self-study) পদ্ধতি বোলে। এই পদ্ধতিত শিক্ষার্থী নিজে নিজৰ অধ্যয়নৰ প্রতি দায়ৱদ্ধ আৰু অধ্যয়নৰ বাবে দায়ী।
- জনসংখ্যা শিক্ষাৰ সৈতে জড়িত বিভিন্ন সমস্যা আৱিষ্কাৰ কৰাত আলোচনা (Discussion) পদ্ধতিয়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৱে। ই হ'ল অধ্যয়ন আৰু প্রস্তুতি তথা বিষয়বস্তু বাছনি আৰু সংগঠিতকৰণ আদিৰ দৱে কামবোৰ সম্পাদন কৰাৰ পদ্ধতি। এই পদ্ধতিৰে চিন্তা-ধাৰণাবোৰৰ লগতে শিকন প্রক্রিয়াটো গভীৰতৰ কৰি তোলাৰ প্রয়াস কৰা হয়। সামূহিকভাৱে সিদ্ধান্ত গ্রহণ কৰা ই হ'ল এক প্রণালীবদ্ধ উপায়।
- জনসংখ্যা শিক্ষা শিকোৱাৰ আন এটা পদ্ধতি হ'ল বক্তৃতা (Lecture) প্রদান। ই হ'ল এটা মৌখিক শিক্ষণ পদ্ধতি। শিক্ষাৰ উচ্চতৰ পর্যায়বোৰত শিক্ষকে সাধাৰণতে এই পদ্ধতিৰে শিক্ষাদান কৱে। শিক্ষার্থীৰ মনত খোকোজা আঁতৰাবলৈ এই পদ্ধতিটোত প্রশ্ন সোধা কামটোত গুৰুত্ব দিয়া হয়।
- শিক্ষার্থীক জনসংখ্যা শিক্ষাৰ ধাৰণাটো স্পষ্টকৈ বুজাবলৈ শিক্ষকে ব্যৱহাৰ কৰা আন এটা ফলপ্রসূ উপায় হ'ল প্রকল্প (Project) প্রস্তুতকৰণ পদ্ধতি। তাত্ত্বিক, পুথিগত আৰু বাস্তৱ জীৱনৰ পৰা বিচ্ছিন্ন শিক্ষাৰ প্রতিক্রিয়া হিচাপে এই পদ্ধতিৰ উত্থান ঘটিছে।
- সাধাৰণ অর্থত প্রদত্ত কার্য (Assignment) মানে হ'ল এক নির্ধাৰিত সময়সীমাৰ ভিতৰ শেষ কৰিবলৈ দিয়া কার্য। বিদ্যালয়ৰ ক্ষেত্রত কেতিয়াবা সম্পূর্ণ পাঠ্যক্রম এটা নির্ধাৰিত

সময়ত শেষ নহয়। সেয়েহে কিছুমান কাম প্রদত্ত কার্য হিচাপে শিক্ষার্থীক নিজাকৈ কৰিবলৈ দিয়া হয়। প্রদত্ত কার্যবোৰৰ প্রয়োজনীয়তা আছে কাৰণ ই শিক্ষার্থীক নিজা সমল ব্যৱহাৰ কৰি শিকাৰ সুযোগ দিয়ে।

- কথা অথবা বিষয়ৰ প্রত্যক্ষ অভিজ্ঞতা লাভৰ সবাতোকৈ উত্তম উপায়টো হ'ল ক্ষেত্রভিত্তিক অধ্যয়ন (Field Study)। এই পদ্ধতিত শিক্ষার্থীয়ে তাত্ত্বিক জ্ঞান আৰু ব্যৱহাৰিক জ্ঞানৰ মাজত সহঃসম্পর্ক স্থাপন কৰিব পাৰে। শিক্ষার্থীয়ে কোনো বিষয়ৰ ডাটা উপযুক্তভাৱে নিজে সংগ্রহ কৰিব পাৰে।



১২.৫ অধিক জানিবলৈ

১) Gupta, P.K.(2008). Population Education. Vinay Rakhaja, R. Lall Book Depot.

২) Kapoor.K.C, Kapoor,Anupam. Population Education. EBH Publisher, Ghy-1

৩) Dr. Das Phunu,Dr. Sahidullah, Fatima Tohsin. Environmental Education and Population Education. Shanti Prakashan, Ghy-1.



১২.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষাৰ বিষয়ে শিকোৱাৰ এটা সাধাৰণ, জনপ্রিয় আৰু সৰল পদ্ধতি হ'ল পর্যবেক্ষণ (Observation)। ই এটা সমাজ বিজ্ঞানৰ গৱেষণা কৌশল। স্বাভাৱিক পটভূমিত জনসংখ্যা বৃদ্ধিৰ পৰিঘটনাটো প্রত্যক্ষৰূপত পর্যবেক্ষণ কৰি ইয়াৰ বিষয়ে শিকা হয়। অধ্যয়নৰ ই হ'ল প্রাচীনতম পদ্ধতি। এই পদ্ধতিত মূলতঃ বিভিন্ন ধৰণৰ সামাজিক সমস্যা নিৰীক্ষণ- পর্যবেক্ষণ কৰা হয়। পর্যবেক্ষৰে **ডেটা** সংগ্রহ কৰোঁতে প্রত্যক্ষভাৱে সমস্যা জড়িত পৰিস্থিতিবোৰৰ বিষয়ে জ্ঞান আহৰণ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ কোনো শিক্ষক অথবা প্রশিক্ষকৰ সহায় নোলোৱাকৈ শিক্ষার্থীয়ে নিজে অধ্যয়ন কৰি জনসংখ্যা শিক্ষা অর্জন কৰাকে স্ব-অধ্যয়ন (Selfstudy) পদ্ধতি বোলে। এই পদ্ধতিত শিক্ষার্থী নিজে নিজৰ অধ্যয়নৰ প্রতি দায়বদ্ধ আৰু অধ্যয়নৰ বাবে দায়ী। যিহেতু এই পদ্ধতিৰে কৰা অধ্যয়নত শিক্ষার্থীক দিক্-নির্দেশনা দিবলৈ কোনো নাথাকে সেয়েহ ইয়াক 'নিজে শিকা' (learning on your own) পদ্ধতিও বোলে।

৩ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষাৰ সৈতে জড়িত বিভিন্ন সমস্যা আৰিষ্কাৰ কৰাত আলোচনা

(Discussion) পদ্ধতিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই হ'ল অধ্যয়ন আৰু প্ৰস্তুতি তথা বিষয়বস্তু বাছনি আৰু সংগঠিতকৰণ আদিৰ দৰে কামবোৰ সম্পাদন কৰাৰ পদ্ধতি। এই পদ্ধতিৰে চিন্তা-ধাৰণাবোৰৰ লগতে শিকন প্ৰক্ৰিয়াটো গভীৰতৰ কৰি তোলাৰ প্ৰয়াস কৰা হয়। সামূহিকভাৱে সিদ্ধান্ত গ্ৰহণ কৰাৰ ই হ'ল এক প্ৰণালীবদ্ধ উপায়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষা শিকোৱাৰ আন এটা পদ্ধতি হ'ল বক্তৃতা (Lecture) প্ৰদান। ই হ'ল এটা মৌখিক শিক্ষণ পদ্ধতি। শিক্ষাৰ উচ্চতৰ পৰ্যায়বোৰত শিক্ষকে সাধাৰণতে এই পদ্ধতিৰে শিক্ষাদান কৰে। শিক্ষাৰ্থীৰ মনত খোকোজা আঁতৰাবলৈ এই পদ্ধতিটোত প্ৰশ্ন সোধা কামটোত গুৰুত্ব দিয়া হয়। শিক্ষকে বক্তৃতা দিওঁতে বিভিন্ন মানচিত্ৰ, তালিকা, আৰ্হি আৰু ছবি ব্যৱহাৰ কৰে। এইবোৰে শিক্ষাৰ্থীসকলক বিষয়টোৰ প্ৰতি আগ্ৰহী কৰি তোলে। ভালদৰে প্ৰস্তুত কৰি লোৱা আৰু মনোগ্ৰাহীকৈ উপস্থাপন কৰা বক্তৃতাই শিক্ষাৰ্থীৰ উপকাৰ সাধন কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ তলত দিয়া কামবোৰ একাদিক্ৰমে কৰি প্ৰকল্প একোটা প্ৰস্তুত কৰা হয়।

(ক) **পৰিস্থিতি সৃষ্টি ঃ** শিক্ষকে প্ৰকল্পৰ বাবে এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিব লাগিব যিটোৱে শিক্ষাৰ্থীসকলক প্ৰকল্পটোৰ বিষয়ে ভাবিবলৈ বাধ্য কৰাব।

(খ) **প্ৰকল্প বাছনি ঃ** দিক্-নিৰ্দেশক অথবা শিক্ষকৰ সহায়ত শিক্ষাৰ্থীয়ে প্ৰকল্প এটা বাছনি কৰে। প্ৰকল্পটোৰ বাস্তৱ জীৱনৰ পৰিস্থিতিৰ সৈতে সম্পৰ্ক থাকে।

(গ) **পৰিকল্পনা ঃ** এই কাৰ্যটাপটোত শিক্ষাৰ্থীয়ে প্ৰকল্পটোৰ কাৰ্য ৰূপায়িত কৰাৰ পৰিকল্পনা যুগুত কৰে। অংশগ্ৰহণকাৰীৰ সামৰ্থ আৰু আগ্ৰহ অনুসাৰে প্ৰকল্পটোৰ কাম-কাজবোৰ আগ বঢ়াই নিয়াৰ দায়িত্ব ভগাই দিয়া হয়। প্ৰকল্প কাৰ্য এটা সফল কৰিবলৈ অংশগ্ৰহণকাৰীৰ মাজত উপযুক্ত সহযোগিতা থকা আৱশ্যক।

(ঘ) **প্ৰকল্পৰ কাৰ্যৰূপায়ণ ঃ** শিক্ষক অথবা তত্ত্বাৱধায়কৰ নিৰ্দেশনা অনুসৰি শিক্ষাৰ্থীসকলে প্ৰকল্পটো সম্পূৰ্ণ কৰে। প্ৰকল্পটো চলি থকাৰ সময়ত শিক্ষাৰ্থীসকলে বিভিন্ন ধৰণৰ কাৰ্যকলাপ সম্পাদন কৰে। কামবোৰ নিজ হাতেৰে কৰি শিকে বাবে ই শিক্ষাৰ্থীক ব্যৱহাৰিক জ্ঞানেৰে সমৃদ্ধ কৰে। এই কথাই শিক্ষাৰ্থীৰ উপকাৰ সাধন কৰে।

(ঙ) **মান বিচাৰ আৰু মূল্যায়ন ঃ** প্ৰকল্প এটাৰ কাম সম্পূৰ্ণ কৰি শিক্ষাৰ্থীসকলক একগোট কৰা হয় আৰু প্ৰকল্পটোৰ সফলতা বিফলতাৰ মুল্যায়ন কৰে।

(চ) **খতিয়ানভুক্তকৰণ ঃ** শিক্ষাৰ্থীয়ে প্ৰকল্পবোৰ কাৰ্য ৰূপায়িত কৰাৰ খতিয়ান (Record) ৰাখিব লাগে। প্ৰথমৰ পৰা শেষলৈকে প্ৰতিটো কাৰ্যটাপৰ বিস্তৃত বিৱৰণ এনে খতিয়ানত থকা উচিত। কথাবোৰ স্পষ্টকৈ লিখি ৰাখিলে ই ভৱিষ্যৎ প্ৰকল্পৰ কামত সহায় কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকল্প পদ্ধতিৰ অসুবিধা ঃ

(ক) এই পদ্ধতি ব্যয়বহুল। ইয়াৰ বাবে বহুতো সামগ্ৰী কিনিবলগীয়া হয়।

(খ) আধিপত্য বিস্তাৰ কৰি থকা সাম্প্ৰতিক শিক্ষাৰ্থীয়ে আনসকলক কাম কৰাৰ সমান সুযোগ নিদিয়ে। ফলত উপযুক্ত আৰু সম্পূৰ্ণ অংশগ্ৰহণৰ পৰা বহুতো শিক্ষাৰ্থী বঞ্চিত হয়।

(গ) প্ৰকল্প এটা সফল কৰি তুলিবলৈ বিশেষভাৱে প্ৰশিক্ষণ পোৱা শিক্ষকৰ দিক্-নিৰ্দেশনাৰ প্ৰয়োজন হয়। ইয়াৰ অভাৱ হ'লে প্ৰকল্প এটাই লক্ষ্য পূৰণ কৰিব নোৱাৰে।

(ঘ) প্ৰকল্প পদ্ধতিয়ে শিক্ষকৰ বাবে কামৰ হেঁচা বৃদ্ধি কৰে। তেওঁ প্ৰতিগৰাকী শিক্ষাৰ্থীকে গাইগুটীয়াকৈ দিক্-নিৰ্দেশনা দিব লাগে। অৰ্থাৎ শিক্ষকে প্ৰকল্প এটা নিয়াৰিকৈ সম্পন্ন কৰাৰ গুৰুদায়িত্ব পালন কৰিব লাগে।

(ঙ) এই পদ্ধতিৰে কোনো প্ৰণালীবদ্ধ জ্ঞান আহৰণ কৰিব নোৱাৰি। কোনো পাঠ্যবিষয়ৰ সম্পূৰ্ণ পাঠ্যক্ৰম এটা এই পদ্ধতিৰে শিকাব পৰা নাযায়।



১২.৭ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰায় ৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰদত্ত কাৰ্য পদ্ধতিৰ যিকোনো দুটা প্ৰকাৰৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ পৰ্যবেক্ষণ পদ্ধতি বুলিলে কি বুজে?

প্ৰশ্ন ৩ ঃ স্ব-অধ্যয়ন পদ্ধতিৰ সংজ্ঞা দিয়ক।

(খ) চুটি প্ৰশ্ন ঃ (প্ৰায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ আলোচনা পদ্ধতিৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বিষয়ে চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰায় ৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰকল্প পদ্ধতি বুলিলে কি বুজে? পদ্ধতিটোৰ সুবিধা-অসুবিধাবোৰ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ বক্তৃতা পদ্ধতিৰ সুবিধা-অসুবিধাবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ আলোচনা পদ্ধতিৰ কাৰকবোৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ পৰ্যবেক্ষণ পদ্ধতিৰ সুবিধা-অসুবিধাবোৰ বহলাই ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ জনসংখ্যা আৰু জীৱনৰ গুণমান

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ জীৱনৰ গুণমানৰ অর্থ
১৩.৪ উন্নতমানৰ জীৱনৰ সৈতে জনসংখ্যা
১৩.৪.১ সৰু পৰিয়াল গঠনৰ প্রথা
১৩.৪.২ পৰিয়াল পৰিকল্পনা
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জীৱনৰ মানৰ অর্থ সম্পর্কে অৱগত হ'ব
- সৰু পৰিয়াল গঢ়া প্রথাৰ অর্থ, প্রকৃতি আৰু উপকাৰিতাসমূহৰ বিষয়ে বুজি পাব
- পৰিয়াল পৰিকল্পনাৰ ধাৰণা আৰু ইয়াৰ সৈতে জড়িত কার্যসূচীবোৰৰ বিষয়ে জানিব পাৰিব
- ভাৰতত পৰিয়াল পৰিকল্পনা কার্যসূচীবোৰৰ মন্থৰ অগ্রগতিৰ কাৰণবোৰ অন্বেষণ কৰিব পাৰিব।

১৩.২ পৰিচয়

এখন দেশত জনসংখ্যা বৃদ্ধি হ'লে ই স্বাভাৰিকভাৱে দেশখনৰ নাগৰিকৰ জীৱন যাপনৰ মান অথবা জীৱনৰ গুণমানক প্রভাৱিত কৰে। এই জীৱন যাপনৰ মানে উন্নয়নৰ সকলো প্রধান দিশক প্রতিফলিত কৰে। উন্নয়নৰ দিশবোৰক বহলভাৱে দুটা ভাগ ভগোৱা হয় - মানৱ উন্নয়ন আৰু বিজ্ঞান প্রযুক্তিবিদ্যাভিত্তিক উন্নয়ন। মানৱ উন্নয়নৰ সৈতে সাঙোৰ খাই থকা উপাদানসমূহ অর্থনৈতিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, শৈক্ষিক, নৈতিক আৰু নান্দনিক হ'ব পাৰে। বিজ্ঞান-প্রযুক্তিবিদ্যাৰ উন্নয়নে দেশখনৰ নাগৰিকৰ উন্নয়নমূলক প্রয়োজনীয়তাবোৰ পর্যাপ্তভাৱে পূৰাব পৰাকৈ দেশখনত উপলব্ধ প্রাকৃতিক সম্পদ তথা সমলবোৰৰ পৰিকল্পিত কৌশলপূর্ণ ব্যৱহাৰৰ কথা বুজায়। ইয়াৰ বাবে বিজ্ঞান-প্রযুক্তিবিদ্যাৰ ক্ষেত্রখনত নতুন উদ্ভাৱনীমূলক জ্ঞানৰ

উন্মেষ ঘটাৰ লগতে ন ন বৈজ্ঞানিক অভিজ্ঞতা আহৰণ, ঔদ্যোগিকীকৰণ, আধুনিকীকৰণ, সংযোগ প্ৰণালীবোৰৰ উন্নয়ন আদিৰো প্ৰয়োজন হয়। এই প্ৰক্ৰিয়াবোৰৰ জৰিয়তে বিশ্বায়ন তৰান্বিত হয়। এই অধ্যায়টোত আলোচনা কৰা মূল বিষয়বোৰ হৈছে জীৱনৰ গুণগত মানৰ অৰ্থ আৰু সৰু পৰিয়ালৰ অৰ্থ-প্ৰকৃতি-উপকাৰিতা। পৰিয়াল পৰিকল্পনাৰ ধাৰণা আৰু ভাৰতত এই কাৰ্যসূচীৰ লেহেমীয়া অগ্ৰগতিৰ কাৰণবোৰো অধ্যায়টোত আলোচনা কৰা হৈছে।

১৩.৩ জীৱনৰ গুণমানৰ অৰ্থ

'জীৱনৰ গুণমান' অথবা 'Quality of Life' হ'ল এটা জটিল আৰু ভিন্ন দিশ সামৰি লোৱা ধাৰণা। ইয়াৰ এটা সৰল অৰ্থ বাহিৰ কৰাটো কঠিন কাম। 'গুণ' বুজোৱা ইংৰাজী শব্দ 'Quality' ৰ আভিধানিক অৰ্থ হ'ল কোনো বস্তু অথবা বিষয়ৰ উৎকৰ্ষতাৰ মাত্ৰা (degree of excellence)। ই কোনো বস্তু অথবা বিষয়ৰ উৎকৃষ্টতা, সৌন্দৰ্য আৰু মূলৰ বিষয়েও বুজায়। জীৱনৰ গুণমান বুলিলে এগৰাকী ব্যক্তিয়ে জীৱন যাপন কৰা উপায়বোৰৰ কথাকে বুজা যায়। ব্যক্তিগত আৰু সামাজিক দৃষ্টিভংগীৰে জীৱনৰ গুণমানে একোটা উৎকৃষ্ট, সুন্দৰ আৰু মূলসম্পন্ন জীৱন যাপনৰ কথা বুজায়। জীৱনৰ উন্নত গুণমানে ব্যক্তি তথা সমাজৰ শাৰীৰিক, মানসিক, আৱেগিক, সামাজিক আৰু অৰ্থনৈতিক প্ৰয়োজনীয়তাবোৰ যথোপযুক্ত, যুক্তিসংগত আৰু আশাব্যঞ্জক উপায়েৰে পূৰণ হৈ থকাৰ অৱস্থা এটাৰ কথা বুজায়।

জনসংখ্যা শিক্ষাৰ দিশেৰে জীৱনৰ গুণমান বোলা ধাৰণাটো সুকীয়াকৈ ব্যাখ্যা কৰা হয়। ইয়াক বিশ্লেষণ তথা নিৰ্ণয় কৰাৰ নিয়মবোৰ কিছু পৃথক। তলৰ কথাখিনি পঢ়িলে এই কথা স্পষ্টকৈ বুজিব পৰা যাব।

(১) এগৰাকী ব্যক্তিৰ শাৰীৰিক প্ৰয়োজনীয়তাবোৰ বিবেচনা কৰি গুণমান নিৰ্ণয় কৰা হয়। যিবোৰ বিষয়ক শাৰীৰিক প্ৰয়োজনীয়তাৰ অন্তৰ্গত বুলি ধৰা হয় সেইবোৰ হ'ল - খাদ্য, বস্ত্ৰ, বাসস্থান, শ্বাস-প্ৰশ্বাসৰ বাবে বায়ু, পানী ইত্যাদি। এই ভৌতিক উপাদানবোৰ মানৰ প্ৰয়োজনীয়তাবোৰ উপযুক্তভাৱে পূৰাব পাৰিলেই মানুহৰ জীৱনৰ গুণমান উন্নত, শ্ৰেষ্ঠতৰ তথা অধিক প্ৰতিশ্ৰুতিময় হৈ পৰে।

(২) ব্যক্তিৰ সামাজিক তথা সাংস্কৃতিক প্ৰয়োজনীয়তাবোৰ পূৰণ হোৱাৰ মাত্ৰা অনুসৰি জীৱনৰ গুণমান নিৰূপণ কৰা হয়। এই ক্ষেত্ৰত বিচাৰৰ বাবে লোৱা দিশবোৰ হ'ল শিক্ষা, কৰ্মসংস্থাপন, স্বাস্থ্যসেৱা, জিৰণি, আৱেগিক সুৰক্ষা আৰু সৃজনশীলতা আদি। এই সামাজিক তথা সাংস্কৃতিক প্ৰয়োজনীয়তাবোৰ সঠিকভাৱে পূৰণ হোৱাটোৱে ব্যক্তিৰ জীৱনৰ গুণমান উন্নত আৰু সমৃদ্ধ হোৱাৰ কথা বুজায়।

(৩) জীৱনৰ উন্নত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা আন এটা বিষয় হ'ল ব্যক্তিৰ অৰ্থনৈতিক প্ৰয়োজনীয়তাবোৰ পূৰণ হোৱাৰ এটা সুচল পৰিৱেশৰ অস্তিত্ব। এইটো দিশেৰে দেশ এখনৰ জনমূৰি আয় বৃদ্ধি হোৱা মানেই নাগৰিকৰ জীৱনৰ গুণমান উন্নত হোৱা বুলি ধৰি লোৱা হয়। ব্যক্তিগত ক্ষেত্ৰত উচ্চ উপাৰ্জন কৰা লোকৰ জীৱনৰ গুণমান উন্নত বুলি ধৰা

হয়। ইয়াৰ উপৰি অর্থনৈতিক দিশেৰে জীৱনৰ গুণমানক প্রভাৱিত কৰা অন্যান্য দিশ কেইটামান হ'ল জনসংখ্যাৰ আকাৰ, খাদ্যৰ সুলভতা খাদ্য উৎপাদন, স্বাস্থ্যসেৱা, বাসোপযোগী গৃহৰ সুলভতা আৰু শিক্ষা ইত্যাদি।

বিশ্ব স্বাস্থ্য (WHO)ৰ মতে 'ব্যক্তিয়ে য'ত বাস কৰে তাৰ সাংস্কৃতিক তথা প্রমূল্য প্রণালীৰ পটভূমিত আৰু ব্যক্তিগৰাকীৰ নিজস্ব লক্ষ্য, প্রত্যাশা, নিজে বান্ধি লোৱা মান তথা চিন্তাৰ বিষয়বোৰৰ তুলনাত জীৱনৰ তেওঁ যি অৱস্থানত আছে বুলি ধৰি লয় সেয়াই জীৱনৰ গুণমান। ই বিশাল পৰিসৰৰ ধাৰণা। ব্যক্তিৰ শাৰীৰিক স্বাস্থ্য, মনোবৈজ্ঞানিক স্থিতি, নির্ভৰশীলতাৰ মাত্রা, সামাজিক সম্পর্ক, নিজস্ব বিশ্বাস আৰু অইনৰ সৈতে থকা সম্পর্ক আদিয়ে এই ধাৰণাটোক জটিল ধৰণে ঘেৰি থাকে।' জীৱনৰ গুণমানত আৰোপ কৰা দুটামান উল্লেখযোগ্য বৈশিষ্ট্য হ'ল -

- জীৱনৰ গুণমান হ'ল এক বিস্তৃত পৰিসৰৰ আৱেগিক তথা জটিল মানৱীয় ধাৰণা।
- ই মানৱ জীৱনৰ সৈতে জড়িত এটা প্রক্রিয়া। উন্নত গুণমানক উৎকৃষ্ট, সুন্দৰ আৰু মূল্যৱান বুলি ধৰা হয়।
- জীৱনৰ গুণমানে দৈহিক, আৱেগিক, সামাজিক তথা নৈতিক প্রয়োজনীয়তাবোৰ পূৰাব লাগে।
- উন্নত গুণমানসম্পন্ন জীৱনে ব্যক্তিৰ অর্থনৈতিক প্রয়োজনীয়তাবোৰৰ পূৰণ কৰি জনমুৰি আয় বৃদ্ধি কৰে।

১৩.৪ উন্নতমানৰ জীৱনৰ সৈতে জড়িত জনসংখ্যা

জনসংখ্যা সৈতে জড়িত শিক্ষা, পাৰিপার্শ্বিকৰ অৱনতি, ৰাজহুৱা স্বাস্থ্য, কর্মসংস্থাপন, প্রদূষণ, সৰু পৰিয়াল গঠনৰ প্রথা, পৰিয়াল পৰিকল্পনা আদিৰ দৰে বিভিন্ন অনুকূল-প্রতিকূল বিষয়ৰ মানৱ জীৱনৰ উন্নত গুণমানৰ সৈতে সম্পর্ক আছে। এই সকলোবোৰ বিষয় চালি-জাৰি চাইহে জনসংখ্যাৰ ভিত্তিত জীৱনৰ গুণমানৰ ব্যাখ্যা কৰিব পাৰি। তলত এইবোৰৰ মাজৰে দুটা গুৰুত্বপূর্ণ বিষয় ক্রমে সৰু পৰিয়াল গঠনৰ প্রথা আৰু পৰিয়াল পৰিকল্পনাৰ বিষয়ে আলোচনা কৰা হ'ল।

১৩.৪.১ সৰু পৰিয়াল গঠনৰ প্রথা

ভাৰতৰ দৰে দেশত বিশেষকৈ সৰু পৰিয়াল গঢ়াৰ প্রথা প্রচলনৰ আৱশ্যকতা আহি পৰিছে। জনসংখ্যা বিস্ফোৰণে আমাৰ দৰে দেশ কিছুমানত গুৰুতৰ সমস্যাৰ ৰূপ ধাৰণ কৰিছে। সকলো পৰিয়ালে সৰু পৰিয়াল গঢ়াৰ নিয়ম গ্রহণ কৰি জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্রণ নকৰিলে ভাৰতৰ দৰে দেশবোৰৰ নাগৰিকৰ জীৱনৰ গুণমান সদায় স্বীকৃত বিশ্বমানতকৈ নিম্ন হৈ ৰ'ব। উন্নত দেশবোৰৰ খাদ্য, স্বাস্থ্যসেৱা আৰু শিক্ষা সা-সুবিধাবোৰ দিনে দিনে উন্নত হৈ গৈ আছে। ইয়াৰ বিপৰীতে বর্দ্ধিত জনসংখ্যাই ভাৰতৰ

দৰে দেশবোৰত এই উন্নতিৰ মান হয় অৱনমিত, নহয় স্থবিৰ কৰিছে। যেতিয়া দেশ এখনৰ অসংখ্য নাগৰিকে এমুঠিমান সেৱা অথবা সামগ্ৰীৰ পিছত দৌৰিবলগীয়া হয়, তেতিয়া মানুহৰ জীৱনৰ গুণমান স্বাভাৱিকভাৱেই নিম্ন হৈ পৰে। উন্নত দেশৰ নাগৰিকৰ জীৱন-শৈলী সলনি কৰাত ঔদ্যোগিকীকৰণে সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। আমাৰ ভাৰতৰ দৰে দেশত মাত্ৰ একাংশ লোকহে উন্নত দেশৰ নাগৰিকৰ দৰে জীৱন-শৈলীৰ গৰাকী। অধিকাংশ লোকেই এতিয়াও দাৰিদ্ৰ ৰেখাৰ তলত বাস কৰে। জনসংখ্যা বিস্ফোৰণে সৃষ্টি কৰা নিবনুৱা সমস্যা আৰু প্ৰয়োজনতকৈ কম কৰ্মসংস্থাপনৰ দৰে সমস্যাবোৰ ইয়াৰ বাবে দায়ী। যদি অধিকাংশ ভাৰতীয় জীৱনৰ মান উন্নত কৰিব লাগে, তেন্তে সৰু পৰিয়াল গঠনৰ প্ৰথাটো মানি লোৱাৰ বিকল্প নাই।

সৰু পৰিয়াল গঠন কৰা প্ৰথাৰ অৰ্থ

সৰু পৰিয়াল গঠন কৰা প্ৰথা মানে হ'ল পৰিয়ালত লোৱা সন্তানৰ সংখ্যা নিয়ন্ত্ৰণ কৰা। প্ৰজননৰ হাৰ আৰু পৰিয়াল নিয়ন্ত্ৰণকাৰী ব্যৱস্থাবোৰ গ্ৰহণ - এই দুটা কথাই আদৰ্শ পৰিয়াল নিয়ন্ত্ৰণকাৰী ব্যৱস্থাবোৰ গ্ৰহণ - এই দুটা কথাই আদৰ্শ পৰিয়াল এটাৰ আকাৰ সম্পৰ্কে থকা জনসাধাৰণৰ ধাৰণাক সবাতোকৈ গভীৰভাৱে প্ৰভাৱিত কৰে। বৰ্তমান সময়ত পৰিয়াল সৰু কৰাতো কেৱল গ্ৰহণীয় নিয়মেই হৈ থকা নাই, ই আৱশ্যকীয়ও হৈ পৰিছে। আজিকালি অধিক সদস্য থকা বৃহৎ পৰিয়ালত জীৱন নিৰ্বাহ কৰাতো অত্যন্ত জটিল হৈ পৰিছে। মূল্য বৃদ্ধি, মানুহৰ বৰ্দ্ধিত প্ৰয়োজনীয়তা আৰু আৱশ্যকীয় বস্তুৰ তালিকা দীঘলীয়া হৈ গৈ থকাৰ বাবেই এই সমস্যাই গুৰুতৰ ৰূপ লৈছে। এয়া সঁচা যে সৰু পৰিয়ালবোৰ সুখী। সন্তানৰ সংখ্যা কম হোৱা মানে পিতৃ-মাতৃ আৰু দেশ লাভৱান হোৱা। সৰু পৰিয়ালৰ শিশুৰ বাবে খাদ্য, বস্ত্ৰ আৰু শিক্ষাৰ সুবিধাবোৰ উন্নত হৈ পৰে। শিশুৰ সংখ্যা অধিক হোৱা মানে হ'ল সমাজ অথবা পৰিয়ালবোৰৰ বোজা বৃদ্ধি হোৱা। মাত্ৰাধিক জনসংখ্যাক এটা অভিশাপ বুলিব পাৰি।

পৰিয়াল এটা ভাৰাক্ৰান্ত হ'লে প্ৰগতি আৰু বিকাশৰ সকলো পৰিকল্পনা অসাৰ হৈ পৰে। আনন্দ-সুখ নাইকিয়া হয়। পৰিয়াল এটা ল'ৰা আৰু এজনী ছোৱালী থাকিলে পৰিয়ালটোক আদৰ্শ পৰিয়াল তুলি ক'ব পাৰি। বহুকেইটা ল'ৰা অথবা বহুকেইজনী ছোৱালী থকা পৰিয়ালবোৰ অশান্তি আৰু নিৰানন্দৰ কেন্দ্ৰ হ'ব পাৰে। এনে পৰিয়ালত অনাৱশ্যকভাৱে বিভিন্ন সমস্যাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। সন্তানৰ সংখ্যা বেছি পৰিয়ালত ওৰ নপৰা সমস্যা চলি থাকে।

১৯৫২ চনত এক প্ৰতিষ্ঠিত জনসংখ্যা নীতি কাৰ্যৰূপায়িত কৰাৰ সিদ্ধান্ত লোৱা ভাৰত আছিল প্ৰথমখন দেশ। ১৯৫১ চনতেই ইয়াৰ বাবে এলানি পঞ্চবাৰ্ষিক পৰিকল্পনা যুগুত আৰু কাৰ্যৰূপায়িত কৰাৰ কাম আৰম্ভ হৈছিল। ১৯৫১-১৯৫৬ চনৰ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত দেশৰ পৰিকল্পনা আয়োগে জনসংখ্যা নীতি নিৰ্দ্ধাৰণৰ প্ৰয়োজনীয়তাক স্বীকৃতি দি পৰিয়াল পৰিকল্পনাক বিধানৰ এটা গুৰুত্বপূৰ্ণ

উপাদান বুলি চিনাক্ত কৰিছিল। ইয়াৰ ফলস্বৰূপে পৰিয়াল পৰিকল্পনাবোৰলৈ কেন্দ্ৰীয় চৰকাৰে ১০০ শতাংশ পুঁজিৰ যোগান ধৰিছিল। ১৯৫৬-১৯৬১ চনত দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত বন্ধ্যাকৰণৰ পদ্ধতিবোৰ নিৰ্দ্ধাৰণ তথা প্ৰয়োগত জোৰ দিয়া হৈছিল। তাৰ পৰৱৰ্তী ৫ বছৰত পৰিয়াল পৰিকল্পনা কাৰ্যসূচীবোৰক ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছিল।

১৯৬৬ চনত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় গঠন কৰা হৈছিল। ইয়াৰ প্ৰধান কাল হ'ল 'সৰু পৰিয়াল গঠনৰ প্ৰথা' নাম দিয়া নতুন জনসংখ্যা নীতিটোৰ কাৰ্যৰূপায়ণ তদাৰক কৰা। ইয়াৰ জৰিয়তে পৰিয়ালবোৰক কেৱল দুটা সন্তান জন্ম দিবলৈ উৎসাহিত কৰা হৈছিল। পৰিয়াল পৰিকল্পনা, স্বাস্থ্য আৰু গৰ্ভনিৰোধক সেৱা সমূহৰ বাবে ওলোটা আকৃতিৰ ৰঙা ত্ৰিভূজ এটাক প্ৰতীক হিচাপে স্বীকৃতি দিয়া হৈছিল।

সৰু পৰিয়াল এটাই ৰাষ্ট্ৰীয় পৰ্যায়ত মাত্ৰাধিক জনসংখ্যাৰ সমস্যাটো প্ৰশমিত কৰাৰ লগতে পৰিয়ালবোৰৰ কল্যাণ তথা স্বাস্থ্যৰ দিশ দুটাৰো উপকাৰ সাধে। ভাৰত এখন অৰ্থনৈতিক দিশেৰে বৰ্দ্ধিত হাৰ প্ৰদৰ্শন কৰা দেশ যদিও বৃহৎসংখ্যক দুখীয়া নাগৰিকৰ ফলপ্ৰসূ উন্নতিৰ বাবে ব্যৱহাৰ কৰিব পৰাকৈ ইয়াত পৰ্যপ্ত সমল-সম্পদ নাই। ফলত ক্ৰমে উৰ্দ্ধগামী হ'বলৈ ধৰা অৰ্থনৈতিক বৃদ্ধিৰ হাৰটোও ভবা ধৰণে বৰ্তাই ৰাখিবলৈ ভাৰত অসমৰ্থ। সেয়েহে, এই দিশত গুণগত পৰিৱৰ্তন সাধন কৰিবলৈ ভাৰত চৰকাৰে মাত্ৰাধিক জনসংখ্যাৰ সমস্যাটো নিয়ন্ত্ৰণ কৰিবলৈ সুফলদায়ক ব্যৱস্থা গ্ৰহণ কৰাচো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে। দেশে জনসংখ্যা বৃদ্ধিৰ হাৰ মন্থৰ কৰাৰ উপায় কাৰ্যৰূপায়িত কৰাৰ বিকল্প নাই। এইখিনিতে মনত ৰখাতো ভাল হ'ব যে জন্ম হাৰ নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থাবোৰে আজিলৈকে ভবাধৰণে সুফল প্ৰদৰ্শন কৰা নাই। ইয়াৰ প্ৰধান কাৰণ হ'ল দেশৰ জনসাধাৰণ বিষয়টোৰ প্ৰতি উদাসীন। বিভিন্ন ধৰ্মীয়, সাংস্কৃতিক আৰু আৰ্থ-সামাজিক কাৰক এই উদাসীনতাৰ কাৰণ। দেশৰ গ্ৰামাঞ্চল আৰু নগৰ অঞ্চলৰ বস্তি এলেকাবোৰত জনসংখ্যা নিয়ন্ত্ৰণৰ বিষয়টো বহুল প্ৰসাৰ ঘটা নাই।

সৰু পৰিয়াল গঠন কৰা প্ৰথাৰ প্ৰকৃতি

সৰু পৰিয়াল গঠন কৰা প্ৰথাৰ আঁৰৰ মূল কথাটো হ'ল কোনো এখন দেশৰ জনসংখ্যা নিয়ন্ত্ৰণাধীন কৰি ৰখা। প্ৰতিখন সমাজেই পৰিয়ালৰ একোটা নিৰ্দিষ্ট আকাৰ গঢ়িবলৈ সুনিৰ্দ্ধাৰিত আচৰণকেন্দ্ৰিক আৰ্হি বিকশাই তোলা উচিত। বিবাহ, বিবাহৰ বয়স, যৌন সম্পৰ্ক স্থাপনক দিয়া অগ্ৰাধিকাৰৰ মাত্ৰা, স্বীকৃত প্ৰমূল্য আৰু পৰিয়ালত সন্তানৰ ভূমিকা আদিৰ দৰে বিষয়ৰ ভিত্তিত প্ৰধানত ঃ এই আচৰণকেন্দ্ৰিক আৰ্হিবোৰৰ বিকাশ ঘটে। এইবোৰে স্বয়ংক্ৰিয়ভাৱে প্ৰথাগত স্বীকৃতি লাভ কৰি পৰিয়ালৰ আকাৰ সুনিশ্চিত কৰে। পৰিয়ালৰ আকাৰ বিষয়ক দুটা সম্পূৰ্ণ বিৰোধী মনোভাৱ হ'ল 'সন্তান নালাগে' আৰু ঈশ্বৰ ইচ্ছাত যিমানটা সন্তান জন্ম হয় হ'ব।' এই দুটা চৰম মনোভাৱৰ মাজতেই সমাজভেদে পৰিয়ালৰ আকাৰ ভিন ভিন হোৱা দেখা যায়। পৰিয়ালৰ আকাৰ

সৰু-ডাঙৰ হোৱা কথাটোক প্ৰভাৱিত কৰা আন দুটামান কাৰক হ'ল আৰ্থ-সামাজিক পৰিবেশ, স্বাস্থ্যৰ দশা আৰু বিশেষভাৱে সমাজ এখনৰ মৃত্যুহাৰৰ স্থিতি। যিকোনো সমাজৰে আৰ্থ-সামাজিক স্থিতিৰ সৈতে সংগতি ৰাখি সমাজখন সমকালীন নহয়। কাৰণ, অৰ্থনৈতিক প্ৰগতিৰ তুলনাত প্ৰথাগত প্ৰমূল্য আৰু আচৰণকেন্দ্ৰিক আৰ্হিবোৰৰ পৰিৱৰ্তন মন্থৰ। এই সাংস্কৃতিক মন্থৰতাই সাধাৰণতে ব্যক্তিগত আৰু সামাজিক স্তৰত নিৰানন্দৰ ভাৱনা বৃদ্ধি কৰে। সেয়েহে ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিয়াল পৰিকল্পনা কাৰ্যসূচী প্ৰণয়ন কৰা প্ৰতিখন দেখৰে এটা প্ৰধান কৰণীয় হ'ল উপৰি উক্ত ব্যৱধান আঁতৰোৱাৰ চেষ্টা চলোৱা। যাতে পৰিয়ালবোৰে পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে নিজকে সোনকালে খাপ খুৱাই লৈ সামগ্ৰিক আৰ্থ-সামাজিক প্ৰগতিয়ে কঢ়িয়াই অনা সা-সুবিধাবোৰৰ পৰা সৰ্বাধিক পৰিমাণে উপকৃত হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সৰু পৰিয়াল গঠনৰ প্ৰথা বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ২ ঃ ভাৰতৰ পৰিয়াল পৰিকল্পনা বিষয়ক টোকা এটা প্ৰস্তুত কৰক।

.....

.....

প্ৰশ্ন নং ৩ ঃ সৰু পৰিয়াল গঠন কৰা প্ৰথাৰ আঁৰৰ মূল কথাটো কি?

.....

.....

জনসংখ্যা নিয়ন্ত্ৰণত সৰু পৰিয়াল গঠন কৰা প্ৰথাৰ সুবিধা -

এটা পৰিকল্পিতভাৱে গঠন কৰা সৰু পৰিয়ালে বিভিন্ন সুবিধা উপভোগ কৰিব আৰু বিভিন্ন ধৰণে উপকৃত হ'ব পাৰে। উপযুক্ত বয়সত বিবাহত বহাটোৱেই হ'ল পৰিয়াল গঠনৰ বিষয়ে পৰিকল্পনা কৰাৰ প্ৰথম কাম। মহিলাই ২০-৩০ বছৰৰ ভিতৰত প্ৰথমবাৰ গৰ্ভধাৰণ কৰিব পাৰিলে ভাল। কাৰণ, এই সময়ছোৱাক মাতৃ আৰু সন্তান দুয়োৰে সুস্বাস্থ্যৰ বাবে সৰ্বোত্তম বুলি ধৰি লোৱা হয়। দুটা সন্তান জন্ম দিয়াৰ মাজত থকা যুক্তিসংগত ব্যৱধানে মাতৃগৰাকীক প্ৰথম গৰ্ভাৱস্থাত হেৰুওৱা দৈহিক পুষ্টি ঘুৰাই পোৱাত সহায় কৰে। তলত জনসংখ্যা নিয়ন্ত্ৰণত সৰু পৰিয়াল গঠন কৰা প্ৰথাৰ সুবিধাসমূহ আলোচনা কৰা হ'ল।

১) মাতৃৰ সুবিধাসমূহ

- সৰু পৰিয়াল গঠন কৰা প্ৰথাই মাতৃগৰাকীৰ সুস্বাস্থ্য অক্ষুণ্ণ ৰখাত সহায় কৰে।

- পৰিকল্পনাই অবাঞ্ছিত গৰ্ভধাৰণৰ ভয়ৰ পৰা পৰিয়ালটোক আঁতৰাই ৰাখে।
- পৰিয়ালত সন্তানৰ সংখ্যা কম হয় বাবে মানসিক উদ্বিগ্নতা আৰু চিন্তা-শংকাৰ মাত্ৰাও কমে।
- মাতৃগৰাকীয়ে সন্তানৰ আপডালত অধিক সময় আৰু শক্তি খৰছ কৰিব পাৰে।
- মাতৃগৰাকীয়ে সন্তানৰ শিক্ষা আৰু বৃত্তি/ৰুচিমূলক প্ৰশিক্ষণত অধিক সময় খৰছ কৰিব পাৰে।
- সৰু পৰিয়াল গঠন কৰা প্ৰথাই মাতৃগৰাকীক অন্য কাম কৰাৰ অধিক সুযোগ প্ৰদান কৰে। কাৰণ, সৰু পৰিয়ালত অধিক সংখ্যক সন্তানে সৃষ্টি কৰাৰ দৰে পৰিয়ালকেন্দ্ৰিক সমস্যাৰ পৰিমাণো যথেষ্ট কম।
- মাতৃগৰাকীয়ে সন্তানৰ সুস্বাস্থ্যৰ বাবে মনোযোগেৰে পৰিপুষ্টিৰ যোগান ধৰাৰ সময় পায়।

২) সন্তানৰ সুবিধাসমূহ

- সৰু পৰিয়ালৰ সন্তানবোৰে উপযুক্ত শাৰীৰিক আৰু মানসিক বৃদ্ধি তথা বিকাশৰ বাবে অনুকূল পৰিৱেশ লাভ কৰে।
- সৰু পৰিয়ালৰ সন্তানে উপযুক্ত পুষ্টি, শিক্ষা, পিতৃ-মাতৃৰ যত্ন আৰু মৰম লাভ কৰে।

৩) পিতৃগৰাকীৰ সুবিধাসমূহ

- সন্তানক উন্নততৰ শিক্ষা, আৰাম, খাদ্য, সাজ-পোছাক আৰু অৱসৰ বিনোদনৰ সুবিধা দিব পাৰে।
- পিতৃগৰাকীৰ মানসিক চাপ কম হয় আৰু সুস্বাস্থ্যৰ গৰাকী হ'ব পাৰে।
- পৰিয়ালৰ জীৱন-যাপনৰ মান উন্নত কৰিব পাৰে। সকলোৰে উন্নত স্বাস্থ্যৰ প্ৰতি মনোযোগ দিব আৰু জীৱনৰ গুণমান উচ্চ কৰিব পাৰে।

৪) সম্প্ৰদায়ৰ সুবিধাসমূহ

- সৰু পৰিয়ালে প্ৰাকৃতিক সম্পদ সংৰক্ষণ তথা সঞ্চয় কৰাত সহায় কৰে।
- অঞ্চলবোৰত অধিক বিদ্যালয়, চিকিৎসালয় আৰু অন্যান্য মৌলিক সেৱা গঢ়ি তোলাৰ সুযোগ পোৱা যায়।
- সৰু পৰিয়ালে অধিক কৰ্মসংস্থাপন সৃষ্টি কৰে।
- সৰু পৰিয়ালে আনন্দ, শান্তি, সমন্বয় আৰু সমৃদ্ধিৰে সমাজ তথা দেশক আগবঢ়াই নিব পাৰে।

সৰু পৰিয়াল গঠন কৰা প্ৰথাৰ অসুবিধা

সৰু পৰিয়ালৰ কিছুমান অসুবিধাও আছে। সেইবোৰ তলত আলোচনা কৰা হ'ল।

১) ধৰ্মীয় অন্তৰায়

- **ল'ৰা সন্তানে পোৱা অগ্ৰাধিকাৰ ঃ** ভাৰতীয় সমাজত ল'ৰা সন্তান লাভৰ আকাংক্ষা মজ্জাগত। অধিকাংশ পৰিয়ালে ল'ৰা সন্তানক অগ্ৰাধিকাৰ দিয়ে।

সমাজ জীৱনত গভীৰভাৱে শিপাই থকা ধর্মীয় আৰু সাংস্কৃতিক প্রমূল্যবোৰে ল'ৰা সন্তানক অগ্রাধিকাৰ দিয়াৰ নিয়মটো বর্তাই ৰাখিছে। ল'ৰা সন্তানে পিতৃ-মাতৃৰ মৃত্যুৰ পাছত আত্মাৰ মুক্তি তথা মোক্ষলাভত সহায় কৰে বুলি থকা প্রগাঢ় বিশ্বাসেই এই হাবিয়াস বর্তাই ৰাখিছে। হিন্দু ধর্মীয় বিশ্বাস অনুসৰি ল'ৰা-সন্তানে পিতৃ-মাতৃৰ শেষকৃত্য সমাপন নকৰিলে আত্মা নৰকলৈ যায় বুলি ভবা হয়।

- ল'ৰা সন্তানক পিতৃ-মাতৃৰ বাবে বৃদ্ধাৱস্থাৰ আশ্রয় বুলি গণ্য কৰা হয়।
- **ঈশ্বৰে সন্তান উপহাৰ দিয়ে ঃ** সমাজৰ একাংশ লোকৰ ধর্মীয় বিশ্বাস অনুসৰি সন্তান ঈশ্বৰৰ দান অথবা উপহাৰ। গতিকে ঈশ্বৰৰ দান গ্রহণ কৰাৰ বিকল্প নাই।

২) জনসংখ্যা গাঁথনিমূলক অন্তৰায়

- **কম বয়সতে বিয়াত বহা ঃ** আমাৰ সমাজত এতিয়াও কম বয়সতে বিয়া পতাৰ প্রথা প্রচলিত। কিন্তু বাল্যবিবাহে বহুতো সামাজিক সমস্যাৰ সৃষ্টি কৰে। ইয়াৰ বাবেই নাৰী অধিকাৰৰ দিশত ভাৰতৰ স্থান বিশ্বৰ বহুতো দেশৰ তুলনাত নিম্ন।
- **পৰিয়াল পৰিকল্পনা পদ্ধতিবোৰৰ বিষয়ে উপযুক্ত জ্ঞানৰ অভাৱ ঃ** ভাৰতৰ বিবাহিত দম্পতিসকলৰ মাত্র এমুঠিমানেহে গর্ভনিৰোধক ব্যৱস্থাবোৰ গ্রহণ কৰে। ইয়াৰ প্রধান কাৰণ হ'ল এই ব্যৱস্থা অথবা পদ্ধতিবোৰৰ বিষয়ে উপযুক্ত জ্ঞানৰ অভাৱ।
- **বৃহৎ পৰিয়াল গঠনৰ প্রথা ঃ** এক দীঘলীয়া সময় ধৰি বৃহৎ পৰিয়াল গঠনৰ প্রথা সন্তান ডাঙৰ-দীঘল কৰাত আৰু যত্ন লোৱাত নানা ধৰণে সুবিধাজনক হৈ আছিল। মাক-দেউতাকে এনে পৰিয়ালত নিজ নিজ সন্তান সুৰক্ষিত হৈ থাকিব বুলি ভাবিছিল। এনে মনোভাৱেও সৰু পৰিয়াল গঠনৰ প্রক্রিয়াটোত অন্তৰায়ৰ সৃষ্টি কৰিছিল।

৩) অর্থনৈতিক বাধা

- **জীৱন যাপনৰ নিম্ন মান ঃ** সৰু পৰিয়াল গঠনৰ ই এক প্রধান বাধা। নিম্ন মানৰ জীৱন যাপন কৰা সমাজৰ এক বিশেষ শ্রেণীৰ বাবে যৌন সম্পর্ক স্থাপন হ'ল মনোৰঞ্জনৰ এক প্রধান উপায়।
- **অনগ্রসৰ কৃষি অর্থনীতি ঃ** ভাৰতত দশক দশক ধৰি কৃষিৰ পৰম্পৰাগত পদ্ধতিবোৰকে অনুসৰণ কৰা হৈ আহিছে। সেয়েহে পৰিয়ালত অধিক সংখ্যক সন্তান বিচৰা হয়। যাতে সিহঁতে ডাঙৰ হৈ বিভিন্ন কাম-কাজত পৰিয়ালটোক সহায় কৰিব পাৰে। পূর্বতে অৱশ্যে শিশুৰ মাজৰ একাংশই ১০-১৫ বছৰতকৈ অধিক কাল জীয়াই নাথাকিছিল। আনবোৰে পোহনীয়া জীৱ-জন্তু চৰোৱা অথবা তদাৰক কৰাৰ দৰে অর্থনৈতিক দিশেৰে লাভ হ'ব পৰা প্রকৃতিৰ কাম-কাজবোৰ কৰি পৰিয়ালক সহায় কৰিছিল। অতীজত খেতিপথাৰৰ সৰু-সুৰা কামবোৰ

পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰেই কৰিবলগীয়া হৈছিল।

৪) **শৈক্ষিক অন্তৰায়**

- **জনসাধাৰণৰ নিৰক্ষৰতা ঃ** সৰ্বজনৰ শিক্ষা সুনিশ্চিতকাৰী কোনো ধৰণৰ পৰিকল্পনা নথকাটোক বৃহৎ পৰিয়াল গঠনৰ এক গুৰুত্বপূৰ্ণ কাৰণ বুলিব পাৰি। পৰ্যাপ্ত শিক্ষা আৰু সক্ষমতাৰ অভাৱত মানুহে বহু কথা নজনাকৈ ৰৈ যায়। এনে লোকে বিভিন্ন অন্ধবিশ্বাসেৰে জীৱন পৰিচালিত কৰে। এইচাম অদৃষ্টবাদীয়ে বৃহৎ পৰিয়ালক ঈশ্বৰৰ উপহাৰ বুলি মানি লয়।
- **কন্যা সন্তানক শিক্ষা গ্ৰহণৰ সুযোগ নিদিয়া ঃ** আনুষ্ঠানিক স্ত্ৰী-শিক্ষাৰ অভাৱে সৰু পৰিয়াল গঠনৰ ক্ষেত্ৰত নানা অসুবিধাৰ সৃষ্টি কৰে। পৰিয়ালৰ মহিলা সমাজ পৰিয়াল পৰিকল্পনা সম্পৰ্কে অজ্ঞ হৈ ৰয়। গতিকে সৰু পৰিয়াল গঠনৰ কামত তেওঁলোকে কোনো ধৰণে সহায় কৰিব নোৱাৰে।

৫) **অৱসৰ বিনোদনৰ সীমিত উপায়**

- **মনোৰঞ্জনৰ সুবিধাৰ অভাৱ ঃ** সমাজৰ বৃহৎসংখ্যক লোকৰে অৱসৰ বিনোদন কৰিবলৈ কোনো উপযুক্ত উপায় নাথাকে। যৌন সম্পৰ্ক স্থাপনকে মনোৰঞ্জনৰ একমাত্ৰ উপায় হিচাপে গণ্য কৰা এইচাম লোকে ইয়াৰ দ্বাৰাই সন্তুষ্টি লাভৰ চেষ্টা কৰে।
- **জিৰণি লোৱাৰ সময় অধিক হোৱা ঃ** ভাৰতৰ দৰে দেশৰ প্ৰায় ৭০ শতাংশ নাগৰিক কৃষিজীৱি। কৃষিয়ে গোটেই বছৰ কৰ্মত ব্যস্ত হৈ থকাৰ সুযোগ নিদিয়ে। কৃষিত নিৰ্ভৰ কৰা বহুলোকৰ হাতত জিৰণি ল'বলৈ যথেষ্ট সময় থাকে। এই সময়খিনি যৌন সম্পৰ্ক স্থাপনত ব্যয় কৰাৰ পৰিণামতে পৰিয়ালবোৰৰ আকাৰ ডাঙৰ হৈ গৈ থাকে। ওপৰত আলোচনা কৰা বাধাবোৰ আঁতৰাবলৈ চৰকাৰে কিছুমান ব্যৱস্থা গ্ৰহণ কৰা উচিত। তলত ইয়াৰে দুটামান আলোচনা কৰা হ'ল।
- চৰকাৰে দেশৰ জনসাধাৰণক অৱসৰ বিনোদনৰ পৰ্যাপ্ত সুবিধা কৰি দিয়া উচিত। এই সুবিধাবোৰে পৰিয়ালৰ অৰ্থনৈতিক বিকাশ সাধন কৰা উচিত। লগতে ই পৰিয়ালৰ আকাৰ সৰু কৰি ৰখাতো আৰিহণা আগবঢ়োৱা উচিত।
- দুখীয়া আৰু নিৰক্ষৰ লোকৰ মাজত সৰু পৰিয়াল গঠনৰ প্ৰথা সম্পৰ্কে উপযুক্ত প্ৰকাৰ্যাত্মক শিক্ষাৰ প্ৰসাৰ ঘটোৱা উচিত।
- স্থানীয় স্বাস্থ্যসেৱা কেন্দ্ৰবোৰক মহিলাসকলক স্বৈচ্ছিক মাতৃত্ব সম্পৰ্কে বিভিন্ন তথ্য অৱগত কৰোৱাৰ উপযুক্ত স্থান হিচাপে গঢ়ি তোলা উচিত।
- পৰিয়াল পৰিকল্পনা কাৰ্যসূচীবোৰক জনসাধাৰণৰ কাৰ্যসূচীৰ ৰূপ দিয়া উচিত। এনে কাৰ্যসূচীৰ অধীনত দম্পতিসকলক নিজৰ পৰিয়ালৰ আকাৰ আৰু সন্তানৰ মাজত ব্যৱধান ৰখা বিষয়ক কথাবোৰত সিদ্ধান্ত গ্ৰহণ কৰাৰ সুবিধা দিয়া উচিত।
- জনসংখ্যা নিয়ন্ত্ৰণৰ শিক্ষা প্ৰদানত স্বৈচ্ছিক সংস্থা -সংগঠনবোৰে এক গুৰুত্বপূৰ্ণ

ভূমিকা পালন কৰে। বিভিন্ন চৰকাৰী আৰু অনা-চৰকাৰী স্বৈচ্ছিক সংস্থা-সংগঠনক দেশৰ জনসংখ্যা নিয়ন্ত্রণত ফলপ্রসূ আৰু কার্যসম্পাদনকাৰী ভূমিকা পালনৰ সুবিধা দিয়া উচিত।

- সমগ্র দেশতে আধুনিকীকৃত উন্নত কৃষি পদ্ধতিৰ প্রচলন ঘটোৱা উচিত। ই কৃষিৰ উৎপাদনশীলতা বৃদ্ধি কৰিব, কৃষক সমাজৰ জীৱন যাপনৰ মান উন্নত কৰিব। আধুনিক মনোভাৱেৰে পুষ্ট সমাজত জন্ম হাৰ কম হ'ব।
- গণ মাধ্যম, গীত-মাত, নাটক আৰু বিভিন্নধৰণৰ সম্প্রসাৰণ শিক্ষাৰ জৰিয়তে সাধাৰণ লোকৰ মাজলৈ পৰিয়াল পৰিকল্পনা কার্যসূচীবোৰ লৈ যোৱা তথা এই বিষয়ে তথ্য অৱগত কৰোৱাৰ প্রচেষ্টা চলোৱা উচিত।
- সমগ্র দেশতে পৰিয়াল পৰিকল্পনা কেন্দ্র খোলা উচিত। এইবোৰেও পৰিয়ালৰ আকাৰ সৰু কৰিবলৈ দম্পতিসকলক সন্মত কৰোৱাত ফলপ্রসূ ভূমিকা পালন কৰিব পাৰে।
- চৰকাৰে নানা ধৰণৰ ভাট্টা প্রদান আঁচনি আৰম্ভ কৰি সৰু পৰিয়াল গঠনৰ সিদ্ধান্ত লোৱা দম্পতিসকলক উৎসাহিত কৰিব পাৰে। এনে আঁচনিৰ জৰিয়তে বিত্তীয় ভাট্টা প্রদান, কর্মসংস্থাপনৰ ক্ষেত্রত অগ্রাধিকাৰ, বীমা কৰোৱাৰ ক্ষেত্রত অগ্রাধিকাৰ আৰু পদ্দোন্নতি আদিৰ দৰে সুযোগ আগবঢ়াব পৰা যায়। এয়া সকলোৱে জানে যে পৰিয়ালৰ আকাৰে সামগ্রিকভাৱে পৰিয়ালবোৰৰ কল্যাণ তথা আনন্দৰ মাত্রাক প্রভাৱিত কৰে। সৰু পৰিয়াল গঠনৰ প্রথাই সন্তানৰ কল্যাণত পেলোৱা সুপ্রভাৱ সম্পর্কে সকলো জ্ঞাত। এটা অথবা দুটা সন্তানেৰে পৰিয়াল গঢ়াৰ পৰিকল্পনা কৰি একো একোটা সুখী পৰিয়াল সৃষ্টি কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ পৰিয়াল এটাৰ পিতৃ গৰাকীয়ে সৰু পৰিয়াল গঠন কৰা প্রথাৰ দ্বাৰা কেনেদৰে উপকৃত হয়?

.....

.....

প্রশ্ন নং ৫ ঃ সৰু পৰিয়াল গঠন কৰা প্রথাত অৱসৰ বিনোদনৰ সীমিত সুযোগে কেনেধৰণৰ অন্তৰায়ৰ সৃষ্টি কৰে?

.....

.....

১৩.৪.২ পৰিয়াল পৰিকল্পনা

দেশ আৰু সমাজত ক্রমে বৃদ্ধি পোৱা জনসংখ্যাক সহজে কম কৰিব পৰা

নাযায়। আমাৰ দৰে দেশত বিভিন্ন কাৰণত এই প্ৰচেষ্টা সবলভাৱে চলাও নাই। দেশৰ নাগৰিকে বিচৰা অথবা প্ৰত্যাশা কৰা ধৰণে জনসংখ্যা বৃদ্ধিৰ হাৰ নিশ্চয়কৈ কম কৰিব অথবা নিয়ন্ত্ৰণ কৰিব পাৰি। এনে এটা স্বাভাৱিক আৰু পোনপটীয়া প্ৰচেষ্টা হ'ল জনসংখ্যা শিক্ষাৰ প্ৰসাৰ। এই শিক্ষাৰ এটা লক্ষ্য হ'ল পৰিয়ালত সদস্যৰ সংখ্যা কম কৰা। এই নিয়ন্ত্ৰণমূলক কাৰ্যবোৰ উপযুক্তভাৱে কাৰ্যৰূপায়িত কৰাৰ আগতে পৰিকল্পিত অথবা কৰ্তৃত্বশীল প্ৰকৃতিৰ কাৰ্য ৰূপায়ণ পদ্ধতি যুগুত কৰি লোৱা উচিত। পৰিয়াল পৰিকল্পনাই বৰ্দ্ধিত জনসংখ্যা নিয়ন্ত্ৰণত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বৰ্তমান সময়ৰ আধুনিক মানৱৰ হাতত ইয়াৰ বাহিৰে জনসংখ্যা নিয়ন্ত্ৰণ কৰাৰ আন কোনো সুফলদায়ক গ্ৰহণযোগ্য বিকল্প উপায় নাই।

সাম্প্ৰতিক জনসংখ্যা বৃদ্ধিৰ হাৰে বিস্ফোৰণমুখী ৰূপ লৈছে। এই কথাটো মনলৈ অহাৰ লগে লগে স্বাভাৱিকভাৱেই পৰিয়াল পৰিকল্পনাৰ ব্যৱস্থাবোৰ গ্ৰহণ কৰি জনসংখ্যা নিয়ন্ত্ৰণ কৰাৰ কথাটোও মনত খেলায়। প্ৰথমটো সন্তান জন্ম দিবলৈ ওলোৱা দম্পতিসকলে মাতৃত্ব আৰু পিতৃত্ব সম্পৰ্কে সম্পূৰ্ণ সজাগ হৈ সন্মান তথা মৰ্যদা সহকাৰে পৰিকল্পনা কৰি লোৱা উচিত। সন্তান জন্ম দিয়াৰ কামটো কেতিয়াও মুৰ্খামিভৰা আৰু অযুক্তিকৰ কাৰ্যৰ পৰিণতি হ'ব নালাগে। সন্তান জন্ম দিয়াৰ কামটো কেতিয়াও নভবাকৈয়ে ঘটা দূৰ্ঘটনা হোৱা উচিত নহয়। নৱবিবাহিতা দম্পতিসকলে পৰিকল্পনা আৰু যুক্তিপূৰ্ণ বিবেচনাৰে বিবাহিত জীৱন সুন্দৰ আৰু সুখী কৰি তোলাৰ লগতে সুদীৰ্ঘ বৈবাহিক জীৱন উপভোগৰ কৰা উচিত। সুপৰিকল্পিতভাৱে পৰিয়াল গঢ়া অথবা দূৰদৃষ্টিসহ বৈবাহিক জীৱন আগবঢ়াই নিয়া দম্পতিসকলে ভৱিষ্যতৰ অবাঞ্ছিত সমস্যা সম্পৰ্কেও সচেতনতা প্ৰদৰ্শন কৰে আৰু এনে সমস্যা সমাধান কৰাৰ সম্ভাব্য উপায় চিন্তা কৰি থয়। দম্পতিসকলে নিজে যুগ্ম ভৱিষ্যৎ গঢ়ে আৰু পৰিকল্পনাসহ যুগ্ম জীৱন যাপন কৰে। এয়াই পৰিয়াল পৰিকল্পনা বিষয়ক মৌলিক ধাৰণা আৰু আলোচনা কৰা কথাবোৰেই হ'ল ধাৰণাটোত নিহিত প্ৰত্যাশা।

আলোচনা কৰা কথাবোৰ আৰু পৰিয়াল পৰিকল্পনা তেতিয়াহে সফল হ'ব যেতিয়া পতি-পত্নীয়ে পাৰস্পৰিক বুজাবুজি আৰু সহমতেৰে এইবোৰ কাৰ্যৰূপায়িত কৰিব। পৰিয়াল পৰিকল্পনাক কেন্দ্ৰ কৰি পতি-পত্নীয়ে কিছুমান নতুন অনুভৱ আৰু অনুমান কৰিব লাগিব। নৱ-বিবাহিত দম্পতিহালে সুখী বৈবাহিক জীৱন অথবা সুখী পৰিয়াল এটা গঢ়িবলৈ এই নতুন অনুভৱ তথা মনোভাৱ স্মৰণ কৰি আগবাঢ়ি যাব লাগিব। পৰিয়াল পৰিকল্পনা আঁচনিৰ এয়াই হ'ল প্ৰধান বিচাৰ্য। এই পৰিকল্পনাসমূহৰ সামাজিক সফলতাক দম্পতিসকলে কৰা পৰিকল্পিত অনুশীলনে গভীৰভাৱে প্ৰভাৱিত কৰে।

কেলিষ্টাক (Calister) ৰ ভাষাত, 'পৰিয়াল পৰিকল্পনা হ'ল এটা জটিল প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰে একাধিক ব্যক্তিয়ে ইচ্ছা অনুসৰি তেওঁলোকৰ মাজলৈ আহিব

লগা সন্তান জন্ম দিয়াৰ সময়, দুটা সন্তানৰ মাজৰ ব্যৱধান আৰু সন্তানৰ সংখ্যা আদি কথা নিজে নির্দ্ধাৰণ কৰি লয়।'

ওপৰৰ উক্তিৰ আধাৰত আমি পৰিয়াল পৰিকল্পনাৰ ধাৰণাটোত নিহিত বৈশিষ্ট্য কিছুমান চিনাক্ত কৰিব পাৰো। বৈশিষ্ট্যবোৰ হ'ল -

- পৰিয়াল পৰিকল্পনা হ'ল বর্তমান যুগৰ মানুহৰ বাবে সাপেক্ষে চিন্তা আৰু জীৱন প্রক্রিয়া।
- বিবাহিত দম্পতিয়ে স্বৈচ্ছিকভাৱে গ্রহণ কৰা এটা দায়িত্ববোধসম্পন্ন সিদ্ধান্ত।
- ই হ'ল পৰিয়ালৰ সুস্বাস্থ্য আৰু কল্যাণ সুনিশ্চিতকাৰী একমাত্র পথ।
- পতি-পত্নীৰ পাৰস্পৰিক বুজাবুজি, ইচ্ছা শক্তি, সিদ্ধান্ত গ্রহণৰ ক্ষমতা আদি কথাই পৰিয়াল পৰিকল্পনাত সহায় কৰে। এই পৰিকল্পনা অন্য লোকে কৰি কোনো দম্পতিৰ ওপৰত জাপি দিব নোৱাৰে।
- পৰিয়াল পৰিকল্পনাই দেশ আৰু সমাজৰ সামগ্রিক উন্নয়নলৈ ইতিবাচক অৰিহণা আগবঢ়ায়।
- ই পৰিয়ালকেন্দ্রিক জীৱনৰ গুণমান আৰু সামাজিক জীৱনৰ অর্থনৈতিক পৰিস্থিতি উন্নত কৰে।
- এখন দেশৰ মানৱ সম্পদৰ সম্পূর্ণ প্রয়োগ সুনিশ্চিতকাৰী পৰিকল্পনাকে পৰিয়াল পৰিকল্পনা বোলা হয়।
- সাম্প্রতিক কাম-কাজে মানৱ স্বাস্থ্যত পেলাব পৰা প্রভাৱবোৰৰ কথা বিবেচনা কৰি পৰিয়াল পৰিকল্পনা আঁচনিবোৰক পৰিয়াল কল্যাণ কার্যসূচী (Family Welfare Programme) বুলিও কোৱা হয়।

ভাৰতত পৰিয়াল পৰিকল্পনা বিষয়ক কার্যকলাপৰ বাবে থকা কার্যসূচীসমূহ

১৯৫০ চনৰ মার্চ মাহত ভাৰত চৰকাৰে পৰিকল্পনা আয়োগ গঠন কৰিছিল। ১৯৫১ চনৰ ১ এপ্রিলত আয়োগে এখন উপ-আয়োগ গঠন কৰিছিল। এই উপ-আয়োগখনৰ জৰিয়তে আয়োগে সমগ্র দেশতে কেনেদৰে পৰিয়াল পৰিকল্পনা আঁচনিসমূহৰ কাম আৰম্ভ কৰিব পৰা যায় সেই বিষয়ে কেন্দ্রীয় চৰকাৰক পৰামর্শ দিছিল। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রালয়ৰ অধীনস্থ আয়ুক্ত এগৰাকীয়ে দেশৰ পৰিয়াল পৰিকল্পনা আৰু পৰিয়াল কল্যাণ আঁচনিবোৰ কার্যৰূপায়িত কৰা কামৰ নির্দেশনা দিয়ে। কেন্দ্রীয় পৰিয়াল পৰিকল্পনা বোর্ড হ'ল ভাৰত চৰকাৰৰ কেন্দ্রীয় মন্ত্রালয়ৰ অধীনস্থ আন এটা বিভাগ। ইয়াৰ উপৰি পৰিয়াল পৰিকল্পনাকেন্দ্রিক আঁচনিবোৰ কার্যৰূপায়ণত ৰাজ্যিক পৰিয়াল কল্যাণ এজেন্সীবোৰেও সহায় কৰে। পৰিয়াল পৰিকল্পনাৰ সাংগঠনিক আৰু প্রশাসনীয় প্রণালী দুটা কেন্দ্রীয় আৰু ৰাজ্যিক দুয়োটা স্তৰতে বিকশাই তোলা আৰু সক্রিয় কৰি ৰখা হৈছে।

আয়োগে গঠন কৰাৰ পাছত প্রস্তুত কৰা পঞ্চবার্ষিক পৰিকল্পানাত দেশৰ আর্থ-

সামাজিক উন্নয়ন সাধনৰ উদ্দেশ্য আগত ৰাখি পৰিয়াল পৰিকল্পনা আঁচনিবোৰৰ পাতনি মেলাত মনোনিৱেশ কৰা হৈছিল। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে এই কাম আগবঢ়াই নিয়াত সুবিধা হোৱাকৈ ৰাজ্য চৰকাৰসমূহক ৯০ শতাংশ বিত্তীয় সাহায্য প্ৰদান কৰিছিল।

তলত পৰিয়াল কল্যাণ মন্ত্ৰালয়ে এই আঁচনিসমূহ কাৰ্যত ৰূপায়িত কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰা হ'ল।

- **সৰু পৰিয়াল গঠন কৰাৰ প্ৰথা গ্ৰহণ ঃ** 'সৰু পৰিয়াল সুখী পৰিয়াল' নীতি গ্ৰহণ কৰি ইয়াক আঁচনিৰ জৰিয়তে সৰ্বসাধাৰণৰ মাজত জনপ্ৰিয় কৰি তোলাৰ প্ৰচেষ্টা চলিছিল। 'সৰু পৰিয়াল সুখী পৰিয়াল' আঁচনিৰ অধীনত দম্পতিসকলক দুটা সন্তান জন্ম দিয়াৰ নিয়ম মানি চলিবলৈ উৎসাহিত কৰা হৈছিল।
- **ব্যৱধান পদ্ধতি ঃ** এবছৰৰ পাছতেই এটাৰ পিছত এটা সন্তান জন্ম দিয়াৰ অনুশীলনে পৰিয়াল একোটাৰ বাবে উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি কৰে। পৰিয়াল পৰিকল্পনাৰ এটা বৈশিষ্ট্য হ'ল পৰিয়ালবোৰক দুটা সন্তানৰ মাজত পৰ্যাপ্ত ব্যৱধান ৰাখিবলৈ বুজোৱা। পৰিয়াল পৰিকল্পনা আঁচনিসমূহ প্ৰস্তুত তথা প্ৰণয়নৰ আঁৰত থকা সাৰবস্তুটোৱেই হ'ল দুটা সন্তানৰ মাজত থাকিবলগীয়া ব্যৱধানৰ শিক্ষা।
- **গৰ্ভনিৰোধক সামগ্ৰীৰ যোগান ঃ** সন্তান জন্ম দিবলৈ সক্ষম পুৰুষ আৰু মহিলাৰ বাবে আত্ম নিয়ন্ত্ৰণৰ উপায় হিচাপে গৰ্ভনিৰোধক সামগ্ৰীবোৰ সহজলভ্য কৰি তোলাটো হ'ল পৰিয়াল পৰিকল্পনা আঁচনিবোৰৰ উদ্দেশ্য। বিভাগীয় কৰ্তৃপক্ষসমূহে এই কথাটোত অনবৰতে দৃষ্টি ৰাখে। পৰিয়াল পৰিকল্পনা আঁচনিবোৰৰ অধীনত পিতৃ-মাতৃ হোৱাৰ ক্ষমতা থকা দম্পতিসকলক বিভিন্নধৰণৰ গৰ্ভনিৰোধক সামগ্ৰী সহজে উপলব্ধ কৰোৱালৈ বিশেষ ব্যৱস্থা গ্ৰহণ সহজে উপলব্ধ কৰোৱাবলৈ বিশেষ গ্ৰহণ কৰা হয়।
- **চিকিৎসামূলক সেৱা ঃ** পৰিয়াল পৰিকল্পনা আঁচনিসমূহে সাধাৰণ লোকক, বিশেষকৈ মাতৃ আৰু শিশুক চিকিৎসা আৰু অস্ত্ৰোপচাৰ সেৱাও আগবঢ়ায়। প্ৰয়োজন সাপেক্ষে অঞ্চল একোটাত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ খোলা হয় আৰু সাধাৰণ নাগৰিকক পৰিয়াল কল্যাণ আঁচনিবোৰেৰে সেৱা আগবঢ়োৱা হয়।
- **সামূহিক শিক্ষা ঃ** দেশৰ পিছপৰা অঞ্চলসমূহত বাস কৰা সম্প্ৰদায়বোৰৰ সদস্যক উপযুক্ত তথ্য অৱগত কৰোৱাব নোৱাৰিলে পৰিয়াল কল্যাণ আঁচনিবোৰ সফল নহ'ব। সেয়েহে চৰকাৰী কৰ্তৃপক্ষই পৰিয়াল পৰিকল্পনাৰ শিক্ষা প্ৰদান কৰিবলৈ বহুতো নতুন কাৰ্যসূচী, নীতি আৰু ব্যৱস্থা গ্ৰহণ তথ্য বলবৎ কৰিছে।
- **চিকিৎসা সেৱাৰ সৈতে জড়িতসকলৰ প্ৰশিক্ষণ ঃ** পৰিয়াল কল্যাণ আঁচনিবোৰৰ সফলতা বহু পৰিমাণে চিকিৎসা সেৱাৰ বিভিন্ন স্তৰত প্ৰয়োজন হোৱা প্ৰশিক্ষণপ্ৰাপ্ত বিষয়াকৰ্মীৰ ওপৰত নিৰ্ভৰশীল। এই বিষয়া-কৰ্মীসকল, চিকিৎসক, নাৰ্চ, সন্তান

জন্ম দিয়াত সহায় কৰা ধাইসকল অথবা অন্য আনুষংগিক চিকিৎসা প্ৰদানকাৰী বিষয়া-কৰ্মী হ'ব পাৰে। ভাৰতীয় চিকিৎসাবিজ্ঞান পৰিষদে এক পৃথক হ্ৰস্বম্যাদী চিকিৎসা সেৱাৰ সৈতে জড়িতসকলৰ বাবে বিভিন্ন প্ৰশিক্ষণৰ ব্যৱস্থা হাতত লয়।

ভাৰতত পৰিয়াল পৰিকল্পনা আঁচনিবোৰৰ মন্থৰ অগ্ৰগতি অথবা বিফলতাৰ কাৰণ এয়া যে ভাৰতত পৰিয়াল পৰিকল্পনা কাৰ্যসূচীবোৰে প্ৰত্যাশিত লক্ষ্যত উপনীত হোৱাত ব্যৰ্থতা প্ৰদৰ্শন কৰিছে। কেৰালা, তামিলনাড়ু, কৰ্ণাটক, গোৱা আৰু মহাৰাষ্ট্ৰৰ দৰে কেইখনমান ৰাজ্যত এই আঁচনিবোৰে কিছু সফলতাৰ মুখ দেখিছে যদিও আন কেন্দ্ৰীয় শাসিত প্ৰদেশবোৰ, বিহাৰ, মধ্যপ্ৰদেশ, ৰাজস্থান, হাৰিয়ান আৰু অসমত এই আঁচনিবোৰ বিফল হৈছে।

তলত ইয়াৰ কিছুমান কাৰণ চমুকৈ আলোচনা কৰা হ'ল।

- **পুৰুষৰ আধিপত্য থকা সামাজিক সংৰচনা ঃ** ভাৰতীয় সমাজ জীৱনত পুৰুষৰ আধিপত্য আছে। নাৰীয়ে নিজৰ দৃষ্টিভংগী, আশা-আকাংক্ষা আৰু আগ্ৰহ প্ৰকাশ কৰাৰ বেছি সুবিধা নাপায়। পুৰুষ-নাৰীৰ সন্মতি অথবা অসন্মতিৰ প্ৰশ্ন ভাৰতীয় সমাজত অপ্ৰাসংগিক। সেয়েহে পৰিয়ালকেন্দ্ৰীক জীৱনতো জন্ম নিয়ন্ত্ৰণৰ দৰে বিষয়ত নাৰীৰ মন নৰজে।
- **নাৰীসমাজৰ উচ্চ নিৰক্ষৰতা হাৰ ঃ** ভাৰতৰ সাধাৰণ নাগৰিকৰ নিৰক্ষতাৰ হাৰ উচ্চ। ইয়াৰ ভিতৰত মহিলাসকলক হাৰ পুৰুষতকৈ অধিক। পৰিয়াল পৰিকল্পনা কাৰ্যসূচীবোৰ ব্যৰ্থ হোৱাৰ ই এক প্ৰধান কাৰণ।
- **ল'ৰা সন্তান লাভৰ হাবিয়াস ঃ** ভাৰতীয় ল'ৰা সন্তান লাভৰ হাবিয়াস আৰু পিতৃ-মাতৃৰ ভৱিষ্যৎ জীৱন সুৰক্ষিত কৰাৰ ইচ্ছাও পৰিয়াল পৰিকল্পনা কাৰ্যসূচীবোৰৰ বিফলতাৰ আন এক কাৰণ। বিবাহিত দম্পতিয়ে গৰ্ভনিৰোধক অথবা বন্ধ্যাকৰণ ব্যৱস্থাবোৰৰ প্ৰতি তেতিয়ালৈকে কোনো আগ্ৰহ নেদেখুৱায় যেতিয়ালৈকে পৰিয়াললৈ এটা ল'ৰা সন্তান নাহে।
- **শিশুক পৰিয়ালৰ উপাৰ্জনকাৰী সদস্য হিচাপে ব্যৱহাৰ ঃ** ভাৰতৰ দৰিদ্ৰ আৰু অৰ্থনৈতিক দিশত পিছপৰা পৰিয়ালৰ পিতৃ-মাতৃয়ে সন্তানক শিক্ষা লাভৰ সুযোগ দিয়াৰ কথা ভাবিব নোৱাৰে। তেওঁলোকে সন্তানক কম বয়সৰে পৰা পৰিয়ালৰ বাবে উপাৰ্জন কৰাৰ কামত খটুৱায়। এনে পৰিয়ালত যিমানে উপাৰ্জনৰ পৰিমাণ বঢ়াৰ সম্ভাৱনা থাকে।
- **যৌন শিক্ষা প্ৰদানকাৰী ব্যৱস্থাৰ অভাৱ ঃ** যৌন শিক্ষাৰ বিষয়ে একো নজনোৱাকৈ পোনে পোনে পৰিয়াল পৰিকল্পনাৰ জ্ঞান দিয়াৰ চেষ্টাই এই কাৰ্যসূচীসমূহ বিফল কৰিছে। প্ৰাথমিক যৌনশিক্ষা অবিহনে এই কাৰ্যসূচীসমূহ প্ৰহসনৰ বিষয় হৈ পৰিছে।

- **নিষ্ঠাৱান কর্মীৰ অভাৱ ঃ** পৰিয়াল পৰিকল্পনা বিভাগত কাম কৰা লোকসকল নৈতিক আদর্শৰে পৰিচালিত হোৱা উচিত। তেওঁলোকৰ মনত সমাজৰ হকে নিঃস্বার্থভাৱে সেৱা কৰাৰ ভাৱ থকা উচিত। সংশ্লিষ্ট কর্তৃপক্ষই নিজ নিজ বিভাগৰ কর্মীসকলক তেওঁলোকৰ উৎসর্গা আৰু সেৱাৰ মনোভাৱৰ বাবে বঁটা, স্বীকৃতি আদি প্রদান কৰি ভালদৰে কাম কৰি যাবলৈ অনুপ্রাণিত কৰা উচিত। কিন্তু ভাৰতত এনে ব্যৱস্থাৰ অভাৱ দেখা যায়। পৰিয়াল পৰিকল্পনা কার্যসূচীবোৰ বাস্তৱ ক্ষেত্রত প্রয়োগ কৰি থকা কর্মীসকলে কেৱল চৰকাৰী চাকৰি কৰিয়েই সেৱাৰ মনোভাৱেৰে উদ্বুদ্ধ হ'ব নোৱাৰে। ইয়াৰ ফলতেই এই কার্যসূচীবোৰে একোটা যান্ত্রিক ৰূপ ধাৰণ কৰিছে।
- **ৰাজনৈতিক জটিলতা ঃ** ভাৰতৰ জনসংখ্যা নিয়ন্ত্রণ নীতি আৰু পৰিয়াল পৰিকল্পনা কার্যসূচীবোৰক ৰাজনৈতিক জটিলতাই আৱৰি ৰাখে। ভোট বেংক নীতিৰ বাবে ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাই জনসংখ্যা নিয়ন্ত্রণৰ আদর্শসমূহক আওকাণ কৰে। ৰাইজৰ প্রতিনিধিসকল কোনো কাৰণতে জনসংখ্যা নিয়ন্ত্রণ নীতিৰ প্রতি আগ্রহী অথবা উৎসাহী নহয়।

  তথাপিও এয়া সঁচা যে ভাৰতে পৰিয়াল পৰিকল্পনা কার্যসূচীবোৰৰ সমস্যাবোৰ চালি-জাৰি চাই সমাধান সূত্র বাহিৰ কৰিবই লাগিব। ইয়াৰ বাবে চৰকাৰে তলত উল্লেখ কৰা বিষয়বোৰত যথোপযুক্ত গুৰুত্ব দিয়া উচিত।
- সার্বজনীন প্রাথমিক শিক্ষা,
- মহিলাৰ আর্থিক স্বাৱলম্বীতা,
- সামূহিক উন্নয়ন কেন্দ্র স্থাপন,
- কুটীৰ উদ্যোগৰ বিকাশ,
- বৃদ্ধ পেন্সন ব্যৱস্থা,
- বন্ধ্যাকৰণ ব্যৱস্থাৰ প্রতি ইতিবাচক মনোভাৱৰ সৃষ্টি,
- যৌন শিক্ষাৰ প্রচলন,
- অৱসৰ বিনোদনৰ সু-পৰিৱেশ সৃষ্টিৰ উদ্যোগ আৰু
- পৰিয়াল পৰিকল্পনা কার্যসূচীবোৰৰ ৰূপায়ণত অনা-চৰকাৰী সংস্থা সংগঠনক জড়িত হ'বলৈ উৎসাহ প্রদান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ পৰিয়াল পৰিকল্পনাৰ সংজ্ঞা দিয়ক।

.....

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- 'জীৱনৰ গুণমান' অথবা 'Quality of Life' হ'ল এটা জটিল আৰু ভিন্ন দিশ সামৰি লোৱা ধাৰণা। ইয়াৰ এটা সৰল অর্থ বাহিৰ কৰাটো কঠিন কাম। 'গুণ' বুজোৱা ইংৰাজী শব্দ 'Quality' ৰ আভিধানিক অর্থ হ'ল কোনো বস্তু অথবা বিষয়ৰ উৎকর্ষতাৰ মাত্রা (degree of excellence)। ই কোনো বস্তু অথবা বিষয়ৰ উৎকৃষ্টতা, সৌন্দর্য আৰু মোলৰ বিষয়েও বুজায়। জীৱনৰ গুণমান বুলিলে এগৰাকী ব্যক্তিয়ে জীৱন যাপন কৰা উপায়বোৰৰ কথাকে বুজা যায়। ব্যক্তিগত আৰু সামাজিক দৃষ্টিভংগীৰে জীৱনৰ গুণমানে একোটা উৎকৃষ্ট, সুন্দৰ আৰু মোলসম্পন্ন জীৱন যাপনৰ কথা বুজায়। জীৱনৰ উন্নত গুণমানে ব্যক্তি তথা সমাজৰ শাৰীৰিক, মানসিক, আৱেগিক, সামাজিক আৰু অর্থনৈতিক প্রয়োজনীয়তাবোৰ যথোপযুক্ত, যুক্তিসংগত আৰু আশাব্যঞ্জক উপায়েৰে পূৰণ হৈ থকাৰ অৱস্থা এটাৰ কথা বুজায়।
- ভাৰতৰ দৰে দেশত বিশেষকৈ সৰু পৰিয়াল গঢ়াৰ প্রথা প্রচলনৰ আৱশ্যকতা আহি পৰিছে। জনসংখ্যা বিস্ফোৰণে আমাৰ দৰে দেশ কিছুমানত গুৰুতৰ সমস্যাৰ ৰূপ ধাৰণ কৰিছে। সকলো পৰিয়ালে সৰু পৰিয়াল গঢ়াৰ নিয়ম গ্রহণ কৰি জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্রণ নকৰিলে ভাৰতৰ দৰে দেশবোৰৰ নাগৰিকৰ জীৱনৰ গুণমান সদায় স্বীকৃত বিশ্বমানতকৈ নিম্ন হৈ ৰ'ব।
- সৰু পৰিয়াল এটাই ৰাষ্ট্রীয় পর্যায়ত মাত্রাধিক জনসংখ্যাৰ সমস্যাটো প্রশমিত কৰাৰ লগতে পৰিয়ালবোৰৰ কল্যাণ তথা স্বাস্থ্যৰ দিশ দুটাৰো উপকাৰ সাধে।
- পৰিয়ালৰ আকাৰ বিষয়ক দুটা সম্পূর্ণ বিৰোধী মনোভাৱ হ'ল 'সন্তান নালাগে' আৰু ঈশ্বৰ ইচ্ছাত যিমানটা সন্তান জন্ম হয় হ'ব।' এই দুটা চৰম মনোভাৱৰ মাজতেই সমাজভেদে পৰিয়ালৰ আকাৰ ভিন ভিন হোৱা দেখা যায়। পৰিয়ালৰ আকাৰ সৰু-ডাঙৰ হোৱা কথাটোক প্রভাৱিত কৰা আন দুটামান কাৰক হ'ল আর্থ-সামাজিক পৰিবেশ, স্বাস্থ্যৰ দশা আৰু বিশেষভাৱে সমাজ এখনৰ মৃত্যুহাৰৰ স্থিতি।
- এটা পৰিকল্পিতভাৱে গঠন কৰা সৰু পৰিয়ালে বিভিন্ন সুবিধা উপভোগ কৰিব আৰু বিভিন্ন ধৰণে উপকৃত হ'ব পাৰে। উপযুক্ত বয়সত বিবাহত বহাটোৱেই হ'ল পৰিয়াল গঠনৰ বিষয়ে পৰিকল্পনা কৰাৰ প্রথম কাম। মহিলাই ২০-৩০ বছৰৰ ভিতৰত প্রথমবাৰ গর্ভধাৰণ কৰিব পাৰিলে ভাল। কাৰণ, এই সময়ছোৱাক মাতৃ আৰু সন্তান দুয়োৰে সুস্বাস্থ্যৰ বাবে সর্বোত্তম বুলি ধৰি লোৱা হয়। দুটা সন্তান জন্ম দিয়াৰ মাজত থকা যুক্তিসংগত ব্যৱধানে মাতৃগৰাকীক প্রথম গর্ভাৱস্থাত হেৰুওৱা দৈহিক পুষ্টি ঘূৰাই পোৱাত সহায় কৰে।

- সৰু পৰিয়াল গঠন কৰা প্ৰথাৰ প্ৰধান অন্তৰায়সমূহ হ'ল - ল'ৰা সন্তান জন্মৰ দিয়া অগ্ৰাধিকাৰ, সন্তান ঈশ্বৰৰ দান বুলি পোষণ কৰা মনোভাৱ, কম বয়সতে বিয়া হোৱা, পৰিয়াল পৰিকল্পনা পদ্ধতিবোৰৰ বিষয়ে পৰ্যাপ্ত জ্ঞানৰ অভাৱ, বৃহৎ পৰিয়াল গঠনৰ প্ৰচলিত নিয়ম, জীৱন যাপনৰ নিম্নমান, অনগ্ৰসৰ কৃষি অৰ্থনীতি, জনসাধাৰণ নিৰক্ষতাৰ উচ্চহাৰ, কন্যা শিশুক শিক্ষা লাভৰ সুযোগ নিদিয়া, অৱসৰ বিনোদনৰ সা-সুবিধাৰ অভাৱ আৰু অধিক জিৰণিকাল ইত্যাদি।
- পৰিয়াল পৰিকল্পনাই বৰ্দ্ধিত জনসংখ্যা নিয়ন্ত্ৰণত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বৰ্তমান সময়ৰ আধুনিক মানৱৰ হাতত ইয়াৰ বাহিৰে জনসংখ্যা নিয়ন্ত্ৰণ কৰাৰ আন কোনো সুফলদায়ক গ্ৰহণযোগ্য বিকল্প উপায় নাই।
- পৰিয়াল পৰিকল্পনা আঁচনিসমূহৰ কাৰ্যৰূপায়ণৰ বাবে ভাৰত চৰকাৰৰ পৰিয়াল কল্যাণ মন্ত্ৰালয়ে লোৱা ব্যৱস্থা কেইটামান হ'ল - সৰু পৰিয়াল গঠন কৰাৰ প্ৰথা প্ৰচলন চেষ্টা, দুটা সন্তানৰ মাজত ব্যৱধান ৰখাৰ শিক্ষা প্ৰদান, গৰ্ভনিৰোধক সামগ্ৰীৰ যোগান, চিকিৎসামূলক সেৱা, সামূহিক শিক্ষা, চিকিৎসা প্ৰদানকাৰী বিষয়া-কৰ্মীসকলক প্ৰশিক্ষণ ইত্যাদি।



১৩.৬ অধিক জানিবলৈ

১) Aggarwal, J. C. (2013). *Population Education.* New Delhi: Shipra Publications.

২) Akhtar, Parveen R. (2014). *Environmental and Population Education.* Guwahati: Assam Book Depot.

৩) Chandel & Nand (2011). *Population Education.* Agra: Shri Vinod Pustak Mandir.

৪) Goswami, Meena Kumari (2013). *Environmental Education and Population Education.* New Delhi: Asian Books Private Limited.

৫) Gupta, P. K. (2005). *Population Education.* Meerut: R. Lall Book Depot.

৬) Kapoor & Kapoor (2013). Population Education. Guwahati: EBH Publishers.

৭) Nanda, S. K. (2002). *Population Education-An Informative Update.* Delhi: Doaba House.

৮) Rao, V. K. (2001). *Population Education.* Delhi: A. P. H. Publishing Corporation.



১৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রতিখন সমাজেই পৰিয়ালৰ একোটা নির্দিষ্ট আকাৰ গঢ়িবলৈ সুনির্দ্ধাৰিত আচৰণকেন্দ্রিক আৰ্হি বিকশাই তোলা উচিত। বিবাহ, বিবাহৰ বয়স, যৌন সম্পর্ক স্থাপনক দিয়া অগ্রাধিকাৰৰ মাত্রা, স্বীকৃত প্রমূল্য আৰু পৰিয়ালত সন্তানৰ ভূমিকা আদিৰ দৰে বিষয়ৰ ভিত্তিত প্রধানত ঃ এই আচৰণকেন্দ্রিক আৰ্হিবোৰৰ বিকাশ ঘটে। এইবোৰে স্বয়ংক্রিয়ভাৱে প্রথাগত স্বীকৃতি লাভ কৰি পৰিয়ালৰ আকাৰ সুনিশ্চিত কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৫২ চনত এক প্রতিষ্ঠিত জনসংখ্যা নীতি কার্যত ৰূপায়িত কৰাৰ সিদ্ধান্ত লোৱাৰ ক্ষেত্রত ভাৰত আছিল প্রথমখন দেশ। ১৯৫১ চনতেই ইয়াৰ বাবে এলানি পঞ্চবার্ষিক পৰিকল্পনা যুগুত আৰু কার্যত ৰূপায়িত কৰাৰ কাম আৰম্ভ হৈছিল। ১৯৫১-১৯৫৬ চনৰ প্রথম পঞ্চবার্ষিক পৰিকল্পনাৰ কালছোৱাত দেশৰ পৰিকল্পনা আয়োগে জনসংখ্যা নীতি নির্দ্ধাৰণৰ প্রয়োজনীয়তাক স্বীকৃতি দি পৰিয়াল পৰিকল্পনাক বিধানৰ এটা গুৰুত্বপূর্ণ উপাদান বুলি চিনাক্ত কৰিছিল। ইয়াৰ ফলস্বৰূপে পৰিয়াল পৰিকল্পনাবোৰলৈ কেন্দ্রীয় চৰকাৰে ১০০ শতাংশ পুঁজিৰ যোগান ধৰিছিল। ১৯৫৬-১৯৬১ চনত দ্বিতীয় পঞ্চবার্ষিক পৰিকল্পনাৰ কালছোৱাত বন্ধ্যাকৰণৰ পদ্ধতিবোৰ নির্দ্ধাৰণ তথা প্রয়োগত জোৰ দিয়া হৈছিল। তাৰ পৰৱর্তী ৫ বছৰত পৰিয়াল পৰিকল্পনা কার্যসূচীবোৰক ৰাষ্ট্রীয় অগ্রাধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছিল।

১৯৬৬ চনত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রালয় গঠন কৰা হৈছিল। ইয়াৰ প্রধান কাল হ'ল 'সৰু পৰিয়াল গঠনৰ প্রথা' নাম দিয়া নতুন জনসংখ্যা নীতিটোৰ কার্যৰূপায়ণ তদাৰক কৰা। ইয়াৰ জৰিয়তে পৰিয়ালবোৰক কেৱল দুটা সন্তান জন্ম দিবলৈ উৎসাহিত কৰা হৈছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ সৰু পৰিয়াল গঠন কৰা প্রথাৰ আঁৰৰ মূল কথাটো হ'ল কোনো এখন দেশৰ জনসংখ্যা নিয়ন্ত্রণাধীন কৰি ৰখা।

৪ নং প্রশ্নৰ উত্তৰ ঃ

- সন্তানক উন্নততৰ শিক্ষা, আৰাম, খাদ্য, সাজ-পোছাক আৰু অৱসৰ বিনোদনৰ সুবিধা দিব পাৰে।
- পিতৃগৰাকীৰ মানসিক চাপ কম হয় আৰু সুস্বাস্থ্যৰ গৰাকী হ'ব পাৰে।
- পৰিয়ালৰ জীৱন-যাপনৰ মান উন্নত কৰিব পাৰে। সকলোৰে উন্নত স্বাস্থ্যৰ প্রতি মনোযোগ দিব আৰু জীৱনৰ গুণমান উচ্চ কৰিব পাৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ

- **মনোৰঞ্জনৰ সুবিধাৰ অভাৱ ঃ** সমাজৰ বৃহৎসংখ্যক লোকৰে অৱসৰ বিনোদন কৰিবলৈ কোনো উপযুক্ত উপায় নাথাকে। যৌন সম্পর্ক স্থাপনকে মনোৰঞ্জনৰ একমাত্র উপায় হিচাপে গণ্য কৰা এইচাম লোকে ইয়াৰ দ্বাৰাই সন্তুষ্টি লাভৰ চেষ্টা কৰে।
- **জিৰণি লোৱাৰ সময় অধিক হোৱা ঃ** ভাৰতৰ দৰে দেশৰ প্রায় ৭০ শতাংশ নাগৰিক

কৃষিজীৱি। কৃষিয়ে গোটেই বছৰ কৰ্মত ব্যস্ত হৈ থকাৰ সুযোগ নিদিয়ে। কৃষিত নিৰ্ভৰ কৰা বহুলোকৰ হাতত জিৰণি ল'বলৈ যথেষ্ট সময় থাকে। এই সময়খিনি যৌন সম্পৰ্ক স্থাপনত ব্যয় কৰাৰ পৰিণামতে পৰিয়ালবোৰৰ আকাৰ ডাঙৰ হৈ গৈ থাকে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ কেলিষ্টাক (Calister) ৰ ভাষাত, 'পৰিয়াল পৰিকল্পনা হ'ল এটা জটিল প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰে একাধিক ব্যক্তিয়ে ইচ্ছা অনুসৰি তেওঁলোকৰ মাজলৈ আহিব পৰা সন্তান জন্ম দিয়াৰ সময়, দুটা সন্তানৰ মাজৰ ব্যৱধান আৰু সন্তানৰ সংখ্যা আদি কথা নিজে নিৰ্দ্ধাৰণ কৰি লয়।'



১৩.৮ আৰ্হি প্ৰশ্ন

(ক) অতি চুটি প্ৰশ্ন (প্ৰায় ৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ জীৱনৰ গুণমান মানে কি?

প্ৰশ্ন ২ ঃ সৰু পৰিয়াল গঠনৰ প্ৰথা বুলিলে কি বুজে?

প্ৰশ্ন ৩ ঃ সমাজৰ বাবে সৰু পৰিয়ালে সৃষ্টি কৰিব পৰা যিকোনো এটা সুবিধাৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ ঃ সৰু পৰিয়াল গঠনৰ প্ৰথাত অন্তৰায়ৰ সৃষ্টি কৰা যিকোনো এটা জনসংখ্যা গাঁথনিমূলক সমস্যা উল্লেখ কৰক।

প্ৰশ্ন ৫ ঃ পৰিয়াল পৰিকল্পনা মানে কি?

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ জীৱনৰ গুণমান বুলিলে কোনবোৰ বৈশিষ্ট্যৰ কথা বুজা যায়?

প্ৰশ্ন ২ ঃ সৰু পৰিয়াল গঠনৰ প্ৰথাৰ প্ৰকৃতি সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ সৰু পৰিয়াল গঠনৰ প্ৰথাত অন্তৰায় সৃষ্টি কৰা শৈক্ষিক সমস্যাবোৰ কি কি?

প্ৰশ্ন ৪ ঃ সৰু পৰিয়াল গঠনৰ প্ৰথাত বাধা দিয়া সমস্যাবোৰ আঁতৰাবলৈ চৰকাৰে কি ব্যৱস্থা লোৱা উচিত?

প্ৰশ্ন ৫ ঃ ভাৰতৰ পৰিয়াল পৰিকল্পনা কাৰ্যসূচীৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰক।

খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ ভাৰতে বৰ্তমানলৈকে কিয় সৰু পৰিয়াল গঠনৰ প্ৰথাটো প্ৰচলিত কৰিব পৰা নাই সেয়া নিজৰ ভাষাত বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ সৰু পৰিয়াল গঠনৰ সুবিধাসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতীয় দৃষ্টিভংগীৰে সৰু পৰিয়াল গঠনৰ প্ৰথাটোৰ বিষয়ে এখন ৰচনা লিখক।

প্ৰশ্ন ৪ ঃ ভাৰতত পৰিয়াল পৰিকল্পনা কাৰ্যসূচীবোৰৰ মন্থৰ অগ্ৰগতি অথবা বিফলতাৰ কাৰণবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ জনসংখ্যা নিয়ন্ত্রণত গণমাধ্যমৰ ভূমিকা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ জনসংখ্যা নিয়ন্ত্রণ

১৪.৩.১ জনসংখ্যা নিয়ন্ত্রণৰ তাৎপর্য

১৪.৩.২ জনসংখ্যা নিয়ন্ত্রণৰ উপায়

১৪.৪ গণমাধ্যমৰ ধাৰণা

১৪.৫ জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমৰ তাৎপর্য

১৪.৬ জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমৰ ভূমিকা

১৪.৬.১ বাতৰি-কাকত

১৪.৬.২ ৰেডিঅ'

১৪.৬.৩ টেলিভিছন

১৪.৬.৪ অন্য দৃশ্য-শ্ৰব্য আহিলা

১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৮ অধিক জানিবলৈ

১৪.৯ অগ্ৰগতিৰ খতিয়ান

১৪.১০ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জনসংখ্যা নিয়ন্ত্রণৰ তাৎপর্য বুজিব পাৰিব
- জনসংখ্যা নিয়ন্ত্রণৰ বিভিন্ন উপায় আৰু সেইবোৰ প্রসাৰৰ পন্থা সম্পর্কে অৱগত হ'ব
- গণ মাধ্যমৰ ধাৰণাটো বর্ণনা কৰিব পাৰিব
- জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমবোৰৰ তাৎপর্য ব্যাখ্যা কৰিব পাৰিব
- জনসংখ্যা নিয়ন্ত্রণত বাতৰি-কাকত, ৰেডিঅ' আৰু টেলিভিছনৰ ভূমিকা বিশ্লেষণ কৰিব পাৰিব
- জনসংখ্যা নিয়ন্ত্রণত অন্য দৃশ্য-শ্ৰব্য আহিলাবোৰে পালন কৰা ভূমিকা সম্পর্কে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

ইতিমধ্যে কৰা আলোচনাবোৰৰ পৰা এয়া বুজি পোৱা গ'ল যে সমাজৰ এটা অবিচ্ছেদ্য উপাদান হ'ল জনসংখ্যা। ইয়াক এটা উল্লেখ বিন্দু (point of reference) হিচাপে ব্যৱহাৰ কৰা হয়। এই বিন্দুটোৰ আলমতে সমাজ গঠনকাৰী অন্য উপাদানবোৰ নিৰীক্ষণ কৰা হয়। সেইবোৰৰ তাৎপর্য আৰু অর্থ বুজাৰ চেষ্টা চলোৱা হয়। জনসংখ্যাৰ পৰিমাণ, বিতৰণ, বৃদ্ধি আৰু বৈশিষ্ট্যই কোনো এক পাৰিপার্শ্বিকৰ বিভিন্ন দিশ বুজাৰ বাবে মৌলিক পটভূমিবোৰ নির্দ্ধাৰণ কৰি লোৱাত সহায় কৰে। পাৰিপার্শ্বিকত উপলব্ধ সমলবোৰৰ বিষয়ে বিবেচনা কৰাৰ সময়ত এই কথা বিশেষভাৱে গুৰুত্ব দিয়া হয়। কোনো এক জনসংখ্যাৰ আকাৰে সামাজিক উন্নয়নৰ গতি-প্রকৃতি নিৰূপণ কৰে আৰু ই অৱধাৰিতভাৱে ৰাষ্ট্রীয় উন্নয়নক প্রভাৱিত কৰে। জনসংখ্যাৰ আকাৰ আৰু উপলব্ধ সমলৰ অনুপাতে বিভিন্ন আর্থ-সামাজিক দিশৰ প্রতি আঙুলিয়াই দেখুৱায়। দৰিদ্রতা, ক্ষুধা, পৰিৱেশ, সাক্ষৰতাৰ হাৰ আদিৰ দৰে উন্নয়নৰ বিভিন্ন শিতানৰ জোখ-মাখত জনসংখ্যাৰ আকাৰ এক আৱশ্যকীয় আহিলা। কোনো এটা জনসংখ্যাৰ বাবে যেতিয়ালৈকে উপলব্ধ সমলবোৰ অবিৰতভাৱে পর্যাপ্ত থাকে, তেতিয়ালৈকে জনসংখ্যা নিয়ন্ত্রণৰ প্রয়োজনীয়তা নাথাকে। কিন্তু যেতিয়া জনসংখ্যা নিয়ন্ত্রণৰ প্রয়োজনীয়তা নাথাকে। কিন্তু যেতিয়া জনসংখ্যাৰ আকাৰ অনুসৰি উপলব্ধ সমলবোৰে পর্যাপ্তভাৱে প্রয়োজনীয়তা পূৰাবলৈ অসমর্থ হৈ পৰে অথবা ভৱিষ্যৎ প্রজন্মৰ বাবে সমলৰ বহনক্ষমতা নাথাকে তেতিয়াই জনসংখ্যা নিয়ন্ত্রণৰ প্রয়োজনীয়তা আহি পৰে। বিভিন্ন অভিকৰণে জনসংখ্যা নিয়ন্ত্রণত সহায় কৰিব পাৰে। ইয়াৰে ভিতৰত গণ মাধ্যম হ'ল সবাতোকৈ প্রভাৱশালী অভিকৰণ। এই অধ্যায়ত আমি জনসংখ্যা নিয়ন্ত্রণত সহায় কৰিব পাৰে। ইয়াৰে ভিতৰত গণ মাধ্যম হ'ল সবাতোকৈ প্রভাৱশালী অভিকৰণ। এই অধ্যায়ত আমি জনসংখ্যা নিয়ন্ত্রণৰ তাৎপর্য আৰু উপায়বোৰৰ লগতে বাতৰি-কাকত, ৰেডিঅ', টেলিভিছন অন্য দৃশ্য-শ্রব্য আহিলাবোৰে এই ক্ষেত্রত পালন কৰা ভূমিকাৰ বিষয়ে আলোচনা কৰিম।

১৪.৩ জনসংখ্যা নিয়ন্ত্রণ

'জনসংখ্যা' শব্দটোৰ কোনো এডোখৰ নির্দিষ্ট ভৌগলিক এলেকাত কোনো এক নির্দিষ্ট সময়ত বংশ বৃদ্ধিৰ (আন্তঃপ্রজনন) সামর্থ থকা কোনো এক জীৱ প্রজাতি অন্তর্গত সকলোবোৰ জীৱিত সত্ত্বাকে সামৰি লোৱা হয়। 'জনসংখ্যা' ই যিকোনো জীৱিত প্রাণীকূলৰ কথাকে বুজায় যদিও এই অধ্যায়টিত মানুহৰ জনসংখ্যা নিয়ন্ত্রণৰ সম্পর্কেহে আলোচনা কৰা হ'ব। 'জনসংখ্যা নিয়ন্ত্রণ' নাম দিয়া ধাৰণাটোৰে কোনো এক জনসংখ্যাৰ প্রকাৰ, অৱস্থান, আকাৰ আৰু বৃদ্ধি হাৰক কৃত্রিমভাৱে নিয়ন্ত্রণ কৰা তথা বর্তাই ৰখাৰ বাবে প্রয়োগ কৰা পদ্ধতিবিদ্যা অথবা অনুশীলনবোৰৰ কথা বুজোৱা হয়। জনসংখ্যা নিয়ন্ত্রণত অন্তর্ভুক্ত হৈ থকা ব্যৱস্থাবোৰৰ কার্যৰূপায়ণে মানুহক বংশ বৃদ্ধি নিয়ন্ত্রণ কৰাৰ অধিক ক্ষমতা প্রদান কৰি জীৱনৰ মান উন্নত কৰি তোলে। ঐতিহাসিকভাৱে সাধাৰণতে চৰকাৰী নির্দেশনাৰ জৰিয়তে জনসংখ্যা এটাৰ জন্মহাৰ সীমিত কৰি মানৱ জনসংখ্যা নিয়ন্ত্রণৰ প্রয়াস চলাই চলোৱা হৈছিল আৰু এতিয়াও এই প্রয়াস অব্যাহত আছে।

১৪.৩.১ জনসংখ্যা নিয়ন্ত্রণৰ তাৎপর্য

এয়া বুজাত কোনো অসুবিধা নহয় যে জনসংখ্যাৰ বৃদ্ধি অনিয়ন্ত্রিত হ'লেই ক্ষুধা, দৰিদ্রতা, নিৰক্ষতা, পাৰিপার্শ্বিকৰ অৱনতি আৰু নানা সমস্যাৰ বৃদ্ধি পায়। জনসংখ্যা নিয়ন্ত্রণ কৰিবলৈ চৰকাৰী পর্যায়ত বিভিন্ন নীতি প্রস্তুত আৰু প্রণয়ন কৰা হৈছে। ভাৰত চৰকাৰে দেশৰ জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্রণ কৰিবলৈ ১৯৫২ চনতেই পৰিয়াল পৰিকল্পনামূলক কার্যসূচীবোৰৰ কাম আৰম্ভ কৰিছিল। ২০০০ চনত ৰাষ্ট্রীয় জনসংখ্যা নীতি যুগুত কৰা হৈছিল। এই নীতি তাৎক্ষণিকভাৱে পূৰণ কৰিব খোজা উদ্দেশ্য আছিল গর্ভনিৰোধক ব্যৱস্থাবোৰৰ প্রয়োজনীয়তাৰ বিষয়টো প্রচাৰ কৰা, স্বাস্থ্য যত্ন লোৱা আন্তঃগাঁথনি নির্মাণ কৰা, স্বাস্থ্যকর্মী নিযুক্তি দিয়া আৰু সাধাৰণ প্রজননকেন্দ্রিক সমস্যা সমাধান তথা শিশুৰ স্বাস্থ্যৰ যত্ন ল'ব পৰাকৈ সংহত সেৱা আগবঢ়োৱা। সাধাৰণতে বিভিন্ন কথা নিৰীক্ষণ আৰু বহনক্ষম উন্নয়ণৰ মাজত সম্পর্ক স্থাপন কৰিবলৈ বিভিন্ন প্রয়াস চলি আছে। ভাৰতৰ অনগ্রসৰ উত্তৰ অঞ্চলৰ ৰাজ্যবোৰ আৰু উন্নতৰ দক্ষিণ অঞ্চলৰ কেৰালাৰ দৰে ৰাজ্যৰ জন্মহাৰে প্রদর্শন কৰা তাৰতম্যলৈ মন কৰক। কেৰালাৰ দৰে কেইখনমান ৰাজ্যৰ মহিলাসকলৰ অধিকাংশই সাক্ষৰ আৰু শিক্ষিত। সেয়েহে তেওঁলোকৰ সন্তানো সুস্বাস্থ্যৰ অধিকাৰী হোৱাৰ পূৰামাত্রাই সম্ভাৱনা আছে। বর্তমান সময়ক মানুহক এয়া অনুধাৱন কৰাতো প্রয়োজনীয় হৈ পৰিছে যে পৰিয়াল সন্তানৰ সংখ্যা কম হ'লেও আজিকালিৰ শিশুৰ আয়ুস অধিক আৰু সিহঁতে সহজে প্রাপ্তবয়স্ক অৱস্থাপ্রাপ্ত হয়। বিভিন্ন কাৰণত জনসংখ্যা নিয়ন্ত্রণৰ বিষয়টো অত্যাৱশ্যকীয় হৈ পৰিছে। জনসংখ্যা নিয়ন্ত্রণ কৰাত সফল হোৱা মানেই সমলৰ নাটনি ঘটা পৰিস্থিতিৰ উপশম ঘটা, পাৰিপার্শ্বিকতাৰ বহনক্ষমতা সুনিশ্চিত হৈ পৰা আৰু নিবনুৱা সমস্যা দৰিদ্রতা-ক্ষুধা আদিৰ দৰে সমস্যাবোৰ নিয়ন্ত্রণ কৰাতো সফলতা লাভ কৰা।

১৪.৩.২ জনসংখ্যা নিয়ন্ত্রণ উপায়

বিভিন্ন উপায় আৰু অনুশীলনৰ জৰিয়তে জনসংখ্যা নিয়ন্ত্রণ কৰিব পাৰি। ইয়াৰে কিছুমান উপায় ব্যক্তিগত স্তৰত গ্রহণ কৰা হয়। আন কিছুমান উপায় ৰাষ্ট্রীয় স্তৰত গ্রহণ কৰিব লাগে। জনসংখ্যা নিয়ন্ত্রণৰ ব্যক্তিগত প্রচেষ্টাবোৰে ব্যক্তিবাদী স্তৰত সুফলদায়ী ভূমিকা ল'ব পাৰে। ইয়াৰ দ্বাৰা পৰিয়াল আৰু স্থানীয় সম্প্রদায়বোৰ তেতিয়াহে পূৰণ হ'ব যেতিয়া ৰাষ্ট্রই ফলপ্রসূভাৱে বিষয়টোত হস্তক্ষেপ কৰিব পাৰিব। জনসংখ্যাৰ আকাৰ-আকৃতি প্রত্যাশিত দিশেৰে আগবঢ়াই নিয়াটোৱেই ৰাষ্ট্রৰ হস্তক্ষেপৰ লক্ষ্য হোৱা উচিত। চৰকাৰে জনসংখ্যাৰ পৰিস্থিতি ব্যক্তি তথা সমষ্টিবাদী দুয়োটা স্তৰতে নিয়ন্ত্রণ আৰু সলনি কৰি সমাজক উপকৃত কৰিব পাৰে। বর্তমান পৰিস্থিতিলৈ লক্ষ্য ৰাখি চৰকাৰে ইয়াক এক আৱশ্যকতা বুলি দৃঢ় সিদ্ধান্ত ল'ব পাৰে। সেই অনুসাৰে দেশৰ জনসংখ্যা

নীতিবোৰ আগবঢ়াই নিয়াত দিক্-নির্দেশনা প্রদান আৰু নীতিবোৰ সময়সাপেক্ষে পৰিৱর্তন কৰিব পাৰে। অৱশ্যে এই ক্ষেত্রত ৰাষ্ট্রীয় তথা ৰাজ্যিক উভয় স্তৰতে সাংবিধানিক আৰু ৰাজহুৱা ৰায়বোৰৰ প্রতি মনোযোগ দিব লাগিব।

জনসংখ্যা নিয়ন্ত্রণৰ দুটামান সাধাৰণ উপায় হ'ল গর্ভ নিৰোধক ব্যৱস্থাৰ ব্যৱহাৰ, আত্মসংযম, গর্ভপাত, প্রবাসগমন, প্রব্রজনৰ মাত্রা হ্রাস হোৱা, ক্ষুধা, দুর্ভিক্ষ, মহামাৰী যুদ্ধ ইত্যাদি। ৰাষ্ট্রভেদে কোনো জনসংখ্যা নিয়ন্ত্রণৰ উপায় বৈধ নাইবা অবৈধ হ'ব পাৰে। কিছুমান উপায় ৰাষ্ট্রভেদে নিয়ন্ত্রিত অথবা নিষিদ্ধ হ'ব পাৰে। গতিকে স্পর্শকাতৰ আৰু বিতর্কিত সমস্যা। দেশ এখনৰ জনসংখ্যা নীতিয়ে কেৱল জন্মহাৰ কম কৰাতেই সীমাৱদ্ধ হ'ব নোৱাৰে। ই সমাজ, দেশৰ অর্থনীতি আৰু জনসংখ্যা গাঁথনিৰ সামগ্রিক উন্নয়নৰ বাবে একোটা সর্বাত্মক পন্থা গ্রহণ তথা কার্য ৰূপায়ণ কৰিব লাগিব। আকৌ, ধর্ম- সংস্কৃতি -শিক্ষা -প্রচাৰ মাধ্যমৰ প্রভাৱ আদিৰ দৰে বিভিন্ন কাৰকৰ বাবে ব্যক্তিগত জনসংখ্যা নিয়ন্ত্রণৰ উপায়বোৰ গ্রহণ তথা অনুশীলন কৰাত ব্যক্তিয়ে বাধাৰ সন্মুখীন হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ জনসংখ্যা নিয়ন্ত্রণ বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ২ ঃ জনসংখ্যা নিয়ন্ত্রণৰ উপায় দুটামানৰ বিষয়ে লিখক।

.....

.....

১৪.৪ গণ মাধ্যমৰ ধাৰণা

এইবাৰ গণ মাধ্যম (Mass Media)ৰ ধাৰণাটো চমুকৈ আলোচনা কৰো আহক। তেতিয়া জনসংখ্যা নিয়ন্ত্রণত ইয়াৰ ভূমিকা সহজে বুজি পোৱা যাব। বৃহত্তৰ জনসাধাৰণ অথবা জনসংখ্যাৰ সৈতে সংযোগ স্থাপনৰ বাবে ব্যৱহাৰ কৰা মাধ্যমবোৰকে গণ মাধ্যম বোলে। বৃহত্তৰ জনসংখ্যা এটাই অথবা অধিকাংশ সাধাৰণ ব্যক্তিয়ে যিবোৰ উৎসৰ পৰা তথ্য আৰু সংবাদ লাভ কৰে সেইবোৰকে গণ মাধ্যম বোলে। গণ মাধ্যম সংযোগ স্থাপনৰ প্রাথমিক উপায়। ইয়াৰ সহায়ত একে সময়তে বিপুল সংখ্যক মানুহৰ কাষ চপা হয়। বর্তমান গণ মাধ্যম বুলিলে সেই প্রযুক্তিবোৰৰ কথা বুজোৱা হয় যিবোৰৰ ব্যৱহাৰ কৰি নিচেই কম সময়ৰ ভিতৰতে মানুহৰ একোটা বিশাল দল অথবা একাধিক দলৰ সৈতে সংযোগ স্থাপন কৰা হয়। গণ মাধ্যমে সংযোগ স্থাপনৰ উপায়, কোনো নির্দিষ্ট অভিকৰণ (Agency) অথবা আহিলাৰ কথা বুজায়। এইবোৰৰ সহায়ত চিন্তা-ধাৰণা মনোভাৱ, ভাৱমূর্তি আৰু প্রভাৱ বৃহৎসংখ্যক লোকৰ মাজত সমকালীনভাৱে প্রচাৰ কৰা

হয়। সাধাৰণতে জনগণে ৰাজনৈতিক বিষয় আৰু সামাজিক সমস্যাৰ তথ্যৰ লগতে মনোৰঞ্জন আৰু সংবাদৰ বাবে সাধাৰণতে গণ-মাধ্যমক নির্ভৰ কৰে। গণ-মাধ্যমৰ দুটামান অত্যন্ত জনপ্রিয় ৰূপ হ'ল বাতৰি-কাকত, আলোচনী, ৰেডিঅ', টেলিভিছন, সামাজিক মাধ্যম, ইণ্টাৰনেট আৰু কথাছবি ইত্যাদি। গণ-মাধ্যমে বিভিন্ন ধাৰণা শ্রেণীভুক্ত কৰাত, ব্যক্তি গোটক উদ্বুদ্ধ কৰাত আৰু বিভিন্ন ব্যক্তিগত কার্যকলাপ আগবঢ়াই নিয়াত সহায় কৰিব পাৰে বুলি প্রমাণিত হৈছে। এই মাধ্যমবোৰে সামূহিক সচেতনতা গঢ়ি তোলে, বিভিন্ন বিষয়ত জনসাধাৰণৰ মনোভাৱ সলনি কৰে। কোনো বিষয়ৰ নতুন সংৰচনা নির্মাণ কৰে অথবা সংগঠন গঢ়ি উঠাত সহায় কৰে। গণ মাধ্যমে মৌলিকতা আৰু সৃজনশীলতাক উৎসাহিত কৰে। এই মাধ্যবোৰত 'বার্তা গুণক' (message multipliess) বুলিও জনা যায়।

তলত গণ-মাধ্যমবোৰৰ প্রধান কার্যাৱলী উল্লেখ কৰা হ'ল -

- ৰাজহুৱা মতামতক প্রভাৱিত কৰে আৰু এনে মতামত সৃষ্টি কৰে ঃ বিভিন্ন গণ মাধ্যমৰ জনসাধাৰণৰ মানসিকতা আৰু আৱেগক প্রভাৱিক কৰাৰ ক্ষমতা থাকে। ইয়াৰ সহায়ত গণ মাধ্যমবোৰে জীৱনৰ বিভিন্ন দিশ সম্পর্কে থকা জনসাধাণৰ মতামত সলনি কৰিব পাৰে।
- বৃহৎ সংখ্যক লোকৰ মাজত অতি প্রয়োজনীয় তথ্য প্রচাৰ কৰে।
- যথোপযুক্ত ৰূপত মনোৰঞ্জনৰ সমল আগবঢ়ায়।
- বিজ্ঞাপন প্রচাৰকাৰী অভিকৰণৰ ভূমিকা লয়।

১৪.৫ জনসংখ্যা নিয়ন্ত্রণত গণ-মাধ্যমৰ তাৎপর্য

জনসংখ্যা নিয়ন্ত্রণৰ বিষয়টোক এটা গণ অভিযানৰ ৰূপ দিবলৈ গণ মাধ্যমৰ সহায় ল'ব লাগিব। কাৰণ, এই মাধ্যমবোৰে কম সময়ৰ ভিতৰতে এক বৃহৎ জনসমষ্টিৰ কাষ চাপিব পাৰে। গণ মাধ্যমবোৰে সমগ্র বিশ্বৰে যিকোনো প্রান্তত ঘটি থকা ঘটনাৱলীৰ বিস্তৃত তথ্য প্রচাৰ কৰে। সমগ্র বিশ্বৰ তথ্য সকলো ব্যক্তিৰ বাবে উপলব্ধ কৰোৱাৰ একমাত্র উপায় হ'ল গণ মাধ্যমবোৰে আওহতীয়া অঞ্চললৈকো তথ্য সম্প্রসাৰিত কৰিব পাৰে, তথ্যক বাস্তৱ ৰূপত উপস্থাপন কৰিব পাৰে, কোনো বিষয়ৰ কাৰণ আৰু পৰিমাণৰ মাজৰ সম্পর্ক প্রদর্শন কৰিব পাৰেষ মানুহক উদ্বুদ্ধ কৰিব পাৰে আৰু মানুহৰ মনোভাৱক প্রভাৱিত কৰিব পাৰে। গণ মাধ্যমবোৰে সামাজিক পৰিৱর্তন সাধনৰ এক শক্তিশালী অভিকৰণৰ ভূমিকা পালন কৰে আৰু মানুহৰ মনোভাৱ সলনি কৰাত সহায় কৰে। গণ মাধ্যমৰ বাবেই মানুহৰ মনত প্রত্যাশিত প্রমূল্যবোৰ গঢ় লৈ উঠে আৰু মানুহে নিজৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে পৰিচিত হোৱাৰ সুযোগ পায়।

গণ মাধ্যমে জটিল বিষয়ৰ সহজ ব্যাখ্যা আগবঢ়াই কথাবোৰ সকলোৰে বাবে স্পষ্ট কৰি তোলে। এই মাধ্যমবোৰে তথ্যক একোটা মূর্ত ৰূপ দিয়ে আৰু মানুহৰ আগ্রহ তথা অনুসন্ধিৎসা বৃদ্ধি কৰে। জ্ঞানৰ প্রসাৰ ঘটোৱাত গণ মাধ্যমবোৰে এটা গুৰুত্বপূর্ণ ভূমিকা লয়। সেয়েহে এইবোৰ জনসংখা বিষয়ক সমস্যাবোৰৰ ক্ষেত্রতো মানুহৰ মনোভাৱ সলনি কৰিবলৈ সক্ষম। জনসংখ্যা

শিক্ষাৰ বিষয়সূচীত জনসংখ্যা, স্বাস্থ্য, পৰিৱেশ, শিক্ষা, খাদ্য, পুষ্টি কল্যাণমূলক আঁচনি, সমল আৰু অৰ্থনৈতিক উন্নয়ণৰ দৰে বিভিন্ন বিষয় অন্তৰ্ভুক্ত। এই আটাইবোৰ বিষয়ৰ তথ্য মানুহক জনোৱাৰ প্ৰয়োজন। গণ মাধ্যমে এই কামটো সহজে কৰিব পাৰে। জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমৰ গুৰুত্বক তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পৰা যায়।

- গণ মাধ্যমৰ সবাতোকৈ তাৎপৰ্যপূৰ্ণ সুবিধাটো হ'ল ই কোনো সীমাৰ ভিতৰত আৱদ্ধ নহয়। গণ মাধ্যমে শ্ৰেণীকোঠা অথবা আনুষ্ঠানিক পৰিৱেশৰ বাহিৰত থকা ব্যক্তিকো চুব পাৰে। দূৰ্গম আৰু আওহতীয়া স্থানতো গণ মাধ্যম উপস্থিত থাকে।
- গণ মাধ্যমত প্ৰেৰক আৰু গ্ৰাহকৰ মাজত নিকটাৱস্থা নাথাকিলেও হয়। ই মাধ্যমবোৰৰ আন এক বৈশিষ্ট্য। গণ মাধ্যমৰ সেৱা গ্ৰহণ কৰিবলৈ মানুহ তথ্য প্ৰচাৰৰ সময়ত একে সময়তে একে স্থানত নাথাকিলেও হয়। ইয়াৰ উপৰি গণ মাধ্যমবোৰে কোনো ঘটনা ঘটি থকাৰ বাস্তৱ সময়খিনিতে পোনপটীয়া তথ্য প্ৰচাৰ কৰিব পাৰে।
- গণ মাধ্যমে অতীতত ঘটা ঘটনাৰ পুনৰাবৃত্তি হোৱাত বাধা দিব পাৰে আৰু ভৱিষ্যতে ঘটিবলগীয়া ঘটনাৰ বিষয়ে আগতীয়াকৈ জনাব পাৰে। সেয়েহে অনিয়ন্ত্রিত জনসংখ্যাই অতীতত সৃষ্টি কৰা ঘটনা আৰু ইয়াৰ পৰিণামৰ লগতে ভৱিষ্যতে সৃষ্টি কৰিব পৰা ঘটনাৰ বিষয়ে প্ৰচাৰ কৰিবলৈ গণ মাধ্যমক ব্যৱহাৰ কৰিব পাৰি।
- গণ মাধ্যমে শিকোৱা কথাবোৰ দীৰ্ঘদিনৰ বাবে মনত ৰখাত সহায় কৰে। বিভিন্ন দৃশ্য-শ্ৰৱ্য আহিলা প্ৰয়োগ কৰি গণ মাধ্যমে মানুহক দীৰ্ঘম্যাদী জনসংখ্যা নিয়ন্ত্রণ কৌশলবোৰৰ প্ৰভাৱ বুজাত সহায় কৰিব পাৰে।
- গণ মাধ্যমে কোনো বিষয় সন্দৰ্ভত মানুহৰ মনত স্পষ্ট ভাৱমূৰ্তি গঢ় লৈ উঠাত সহায় কৰে। ই বিমূৰ্ত ধাৰণাবোৰ মূৰ্ত ৰূপত উপস্থাপন কৰিব পাৰে। মূৰ্ত অভিজ্ঞতাই শিকনক স্বাভাৱিক আৰু বাস্তৱিক কৰি তোলে।
- গণ মাধ্যমে মানুহক ভিন্নধৰ্মী অভিজ্ঞতাৰে সমৃদ্ধ কৰে। অভিজ্ঞতাবোৰ ভিন ভিন ধৰণে লাভ কৰিব পৰাকৈ এই মাধ্যমবোৰৰ হাতত নানা উৎস থাকে। অভিজ্ঞতাৰ বিচিত্ৰতাই সংবেদনশীল প্ৰকৃতিৰ ধাৰণাবোৰ সহজে বুজাত সহায় কৰে।
- মানুহক জনসংখ্যা নিয়ন্ত্রণৰ বিষয়ে বুজোৱা আৰু ইয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰাতো এটা জটিল কাম। কাৰণ, ইয়াৰ সৈতে ধৰ্মীয় আৰু সাংস্কৃতিক আবেগ জড়িত হৈ থাকে। গণ মাধ্যমে এই ক্ষেত্ৰত এক প্ৰভাৱশালী অনুপ্ৰেৰণাৰ উৎস হিচাপে কাম কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ গণ মাধ্যমৰ ধাৰণাটোৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন নং ৪ ঃ গণ মাধ্যমক কিয় এটা প্ৰভাৱশালী অনুপ্ৰেৰণাৰ উৎস বুলি গণ্য কৰা হয় ?

.....

.....

১৪.৬ জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমৰ ভূমিকা

আগৰ শিতানটো অধ্যয়ন কৰাৰ পাছত আপুনি নিশ্চয় বুজিব পাৰিলে যে জনসংখ্যা নিয়ন্ত্রণক বাস্তৱ ৰূপ দিয়াত গণ মাধ্যমে এটা অতি সুফলদায়ক ভূমিকা পালন কৰিব পাৰে। এই মাধ্যমবোৰে জনসংখ্যা আৰু স্বাস্থ্যৰ সৈতে জড়িত বিভিন্ন বাতৰি আৰু তথ্য বহুলভাৱে প্ৰচাৰ কৰিব পাৰে। এই মাধ্যমবোৰৰ সহায়ত বিশ্বৰ জনসংখ্যা যথেষ্ট কম কৰিব পৰা গৈছে। এইবোৰে জনসংখ্যা সুস্থিৰ কৰাৰ মধ্যৱৰ্তী আৰু দীৰ্ঘম্যাদী উদ্দেশ্যসমূহ ফলৱৰ্তী কৰাত সহায় কৰে। হ্ৰস্বম্যাদী উদ্দেশ্যৰ ভিতৰত জনসংখ্যা আৰু স্বাস্থ্য সম্পৰ্কীয় ধাৰণাবোৰৰ বিষয়ে জনসাধাৰণক জ্ঞান দিয়া, সজাগতা সৃষ্টি কৰা, শেহতীয়া তথ্যৰ যোগান ধৰা আৰু ৰাজহুৱা সেৱা বিষয়ক ঘোষণাবোৰৰ প্ৰসাৰ অধিক ব্যাপ্ত কৰা আদি কাৰ্য সামৰি লোৱা হয়। মধ্যৱৰ্তী উদ্দেশ্য বুলিলে সামাজিক প্ৰথাবোৰক লৈ থকা মানুহৰ মনোভাৱ, আচৰণ আৰু দৃষ্টিভংগী সলনি কৰাৰ প্ৰয়াসবোৰৰ কথা বুজোৱা হয়। দীৰ্ঘম্যাদী উদ্দেশ্য হ'ল মানি লোৱা সামাজিক প্ৰথাবোৰৰ পুনঃসংৰচনাত মনোনিৱেশ কৰা। ভাৰতৰ দৰে বিশাল আৰু বৈচিত্ৰ্যময় জনসংখ্যাৰ দেশত পৰিয়াল পৰিকল্পনামূলক কাৰ্যকলাপ আৰু জনসংখ্যা নিয়ন্ত্রণ বিষয়ক চৰকাৰী নীতি তথা কাৰ্যসূচীবোৰক এক সামাজিক আন্দোলনৰ ৰূপ দিয়াত গণ মাধ্যমে এক তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰে। অশিক্ষিত আৰু নিৰক্ষৰ লোকক, বিশেষকৈ দেশৰ গ্ৰাম্যাঞ্চল আৰু অনগ্ৰসৰ এলেকাৰ বাসিন্দাসকলক পৰিকল্পিত পৰিয়ালৰ সুবিধাসমূহৰ বিষয়ে বুজোৱাত টিভি, ৰেডিঅ' আৰু বাতৰি কাকতৰ দৰে মাধ্যমৰ সহায় ল'ব পৰা যায়।

আনুষ্ঠানিক অথবা শ্ৰেণীকোঠাভিত্তিক পৰিৱেশত শিক্ষকে গণ মাধ্যমৰ বিভিন্ন উপায় ব্যৱহাৰ কৰি জনসংখ্যা শিক্ষাৰ বিভিন্ন প্ৰকাৰৰ পাঠ শিকাব পাৰে। এনে মাধ্যম দুটামান হ'ল - বিভিন্ন চিত্ৰ, তথ্য তালিকা, মানচিত্ৰ, ৰেখাচিত্ৰ, গ্ৰাফ, কথাছবি, ব্লেকবোৰ্ড, বুলেটিন বোৰ্ড, গোলক, টে'পৰেক'ৰ্ডাৰ, ক্ষেত্ৰ ভ্ৰমণ ইত্যাদি। এই মাধ্যমবোৰক শ্ৰেণীকোঠাভিত্তিক শিক্ষণৰ লগতে জনসংখ্যা বৃদ্ধিৰ সমস্যাৰ কথা বুজাই সজাগতা সৃষ্টি কৰাৰ কামতো ব্যৱহাৰ কৰিব পৰা যায়। তলত জনসংখ্যা নিয়ন্ত্রণত এনে দুটামান গণ মাধ্যমে পালন কৰা ভূমিকা সম্পৰ্কে আলোচনা কৰা হ'ল -

১৪.৬.১ বাতৰি-কাকত

এই মাধ্যমটোৰ সৈতে আমি সকলো পৰিচিত। বাতৰি-কাকত হ'ল সাধাৰণ লোকৰ সৈতে সংযোগ স্থাপন কৰাৰ এটা পুৰণি মাধ্যম। ই গণমাধ্যমৰ ছপা ৰূপ।

বাতৰি-কাকতে আনুষ্ঠানিক আৰু সাধাৰণ উভয় পর্যায়তে জনসাধাৰণৰ মাজত জনসংখ্যা সম্পর্কীয় সজাগতা সৃষ্টিত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বাতৰি-কাকতত বহুতো তথ্য, মতামত আৰু দৃষ্টিভংগী থাকে। এইবোৰে বিভিন্ন ৰাজহুৱা, সামাজিক আৰু ৰাজনৈতিক সমস্যা প্রতিফলিত কৰে। নিচেই কম খৰছতে বাতৰি-কাকতত প্রকাশিত তথ্য জনসাধাৰণৰ মাজত বিয়পি পৰে। সমাজৰ শিক্ষিত শ্রেণীটোৰ অধিকাংশই বিশ্বক জানিবলৈ আৰু বিশ্বৰ ক'ত কি ঘটি আছে তাৰ উমান ল'বলৈ বাতৰি-কাকতৰ সহায় লয়। সেয়েহে জনসংখ্যা নিয়ন্ত্রণৰ প্রয়োজনীয়তাৰ দৰে বিষয় এটাও বাতৰি-কাকতৰ মাধ্যমেৰে প্রচাৰ কৰিব পৰা যায়। তলত জনসংখ্যা নিয়ন্ত্রণত বাতৰি-কাকতে লোৱা ভূমিকাবোৰ সংক্ষেপে উল্লেখ কৰা হ'ল।

- বাতৰি-কাকতে জনসংখ্যা বৃদ্ধি, নিয়ন্ত্রণ, পৰিয়াল পৰিকল্পনা আৰু যৌন শিক্ষাৰ দৰে বিভিন্ন বিষয়ত ৰাজহুৱা মতামত গঢ়ি তোলে।
- বাতৰি-কাকতে নানা ধৰণৰ ছবি, গ্রাফ, কার্টুন, ৰেখাচিত্র আৰু তথ্য তালিকা আদিৰ সহায়ত জনসংখ্যা বিষয়ক শেহতীয়া তথ্য আৰু সংবাদ প্রকাশ কৰে।
- পঠনসাধ্য বিষয়বোৰে যথেষ্ট সম্ভাৱনীয়তা বহন কৰে। ই ব্যক্তিৰ বুদ্ধিমত্তা, আৱেগ আৰু মনোভাৱক গভীৰভাৱে প্রভাৱিত কৰে। ইয়াৰ সহায়ত ব্যক্তিৰ জীৱন-দর্শনক প্রভাৱিত কৰিব পৰা যায়।
- বাতৰি-কাকতে জনসাধাৰণক শিক্ষা প্রদান কৰাত তাৎপর্যপূর্ণ অৰিহণা আগবঢ়ায়। ছপা মাধ্যমে কোনো ঘটনাৰ তথ্যই কেৱল জমা নকৰে, সেইবোৰৰ বিষয়ে নিজৰ দৃষ্টিভংগীও উপস্থাপন কৰে। কোনো এটা বিষয় অথবা সমস্যা বিভিন্ন কোণেৰে বিচাৰ কৰি চোৱাত পাঠকক বাতৰি-কাকতে সহায় কৰে।
- পৰিয়াল পৰিকল্পনায়ো জনসংখ্যা নিয়ন্ত্রণৰ প্রয়োজনীয়তা আৰু পানীৰ দৰে সমলবোৰৰ মাত্রাধিক ব্যৱহাৰৰ দৰে বিভিন্ন বিষয়ত বাতৰি-কাকতে ভিন ভিন প্রকৃতিৰ শ্লোগান প্রচাৰিত হোৱাত সহায় কৰে। এনে শ্লোগানৰ সৈতে নানা চিত্র সংযোগ কৰি শ্লোগানৰ সৈতে নানা চিত্র সংযোগ কৰি শ্লোগানবোৰৰ আকর্ষণীয়তা বৃদ্ধি কৰে। ই জনসাধাৰণৰ মাজত দ্রুত গতিত সজাগতা বৃদ্ধি কৰে।
- বিশ্বত জনসংখ্যা বৃদ্ধি অনিয়ন্ত্রিত হ'লে কেনে পৰিণামৰ সৃষ্টি হ'ব সেই বিষয়ে মানুহক সজাগ কৰিবলৈ বাতৰি -কাকতে নিয়মীয়াকৈ নানা বিশেষ ৰচনা- প্রৱন্ধ ইত্যাদি প্রকাশ কৰে।
- বাতৰি-কাকতে শেহতীয়া জনসংখ্যা পৰিস্থিতিৰ বিশদ জ্ঞানৰ যোগান ধৰে, জনসংখ্যা বিস্ফোৰণৰ কাৰণ আৰু পৰিণামবোৰৰ বিষয়ে আলোচনা কৰে আৰু জনসংখ্যা নিয়ন্ত্রণৰ বার্তা প্রচাৰ কৰে।
- বাতৰি-কাকতে বাৰে বাৰে বিভিন্ন বিজ্ঞাপন প্রকাশ কৰি জনসংখ্যা নিয়ন্ত্রণৰ বাবে চৰকাৰে প্রকাশ কৰি জনসংখ্যা নিয়ন্ত্রণৰ বাবে চৰকাৰে গ্রহণ কৰা নীতিবোৰৰ

বিষয়ে জনসাধাৰণক অৱগত কৰোৱাৰ চেষ্টা চলায়।

- আমি প্ৰয়োজন সাপেক্ষে বাতৰি-কাকত জমা কৰি থ'ব পাৰো আৰু যেতিয়াই আৱশ্যক হয় তেতিয়াই প্ৰাসংগিক বাতৰি-কাকতখনৰ বিষয়ে বাৰে বাৰে উল্লেখ কৰিব পাৰো।

১৪.৬.২ ৰেডিঅ'

ৰেডিঅ' আধুনিক পৃথিৱীৰ মহত্ত্বম উদ্ভাৱন। শিক্ষাৰ অনানুষ্ঠানিক আৰু সাধাৰণ উপায় হিচাপে ৰেডিঅ'ই জনপ্ৰিয়তা অৰ্জন কৰিছে। যিকোনো বাৰ্তা সাধাৰণ জনতাৰ মাজত প্ৰচাৰ কৰাৰ সৰ্বাধিক সম্ভাৱনা থকা মাধ্যমটো হ'ল ৰেডিঅ'। উদ্ভাৱনৰ শতবৰ্ষ পাৰ কৰা এই আহিলাবিধক সম্প্ৰচাৰৰ দিশেৰে শিক্ষা প্ৰসাৰৰ সবাতোকৈ তাৎপৰ্যপূৰ্ণ মাধ্যম বুলি অভিহিত কৰি আৰ. জি. ৰে'লল্ডটে ইয়াৰ গুৰুত্ব বৰ্ণনা কৰিছে। শ্ৰেণীকোঠাভিত্তিক শিক্ষাৰ এক পৰিপূৰক আহিলা হিচাপে কাম কৰা ৰেডিঅ'ৰ তথ্য প্ৰচাৰৰ সম্ভাৱনা সীমাহীন। সম্প্ৰদায়ৰ সদস্য ল'ৰা-ছোৱালী আৰু প্ৰাপ্তবয়স্ক ব্যক্তি উভয়েই যিমানেই দূৰ্গম এলেকাত নাথাকক কিয় ৰেডিঅ'ৰ সহায়ত জ্ঞান আৰু কলা বিষয়ক সমগ্ৰ বিশ্বৰে তথ্য মজুত থকা সৰ্বোত্তম তথ্য ভাণ্ডাৰৰ গৰাকী হ'ব পাৰে (Aggarwal 2010)। এই দিশেৰে বিবেচনা কৰি চালে জনসংখ্যা নিয়ন্ত্রণত ৰেডিঅ'ই এটা গুৰত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এই ক্ষেত্ৰত ৰেডিঅ'ই কৰিব পৰা কামবোৰ তলত দিয়া ধৰণৰ -

- ৰেডিঅ'ক আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু ঘৰুৱা শিক্ষাত সমানে প্ৰয়োগ কৰিব পাৰি। বিদ্যালয়ৰ পাঠ্যসূচীবোৰ অধিক সমৃদ্ধ কৰি তোলা শিক্ষণ আহিলাৰূপে ৰেডিঅ'ক ব্যৱহাৰ কৰিব পৰা যায়। অনানুষ্ঠানিকভাৱে শিক্ষাৰ্থীৰ সন্মুখত জনসংখ্যা নিয়ন্ত্রণ সম্পৰ্কীয় বক্তৃতা দিবলৈ আৰু বিভিন্ন কথিকা আদি প্ৰচাৰ কৰিবলৈ ৰেডিঅ'ৰ সহায় ল'ব পাৰি। ঘৰুৱাভাৱে ই বৃহত্তৰ জনসাধাৰণৰ মাজত অতি দ্ৰুত গতিৰে জনসংখা আৰু ইয়াক নিয়ন্ত্রণ কৰা বিষয়ক বিভিন্ন তথ্য আৰু সংবাদ প্ৰচাৰ কৰিব পাৰে।
- ৰেডিঅ'ৰ জৰিয়তে সম্প্ৰচাৰিত অনুষ্ঠানবোৰ দূৰ-দূৰণি আৰু দূৰ্গম অঞ্চলৰ বাসিন্দায়ো শুনিব পাৰে। সেয়েহে ইয়াৰ সহায়ত জনসংখ্যা নিয়ন্ত্রণ বিষয়ক জ্ঞান প্ৰসাৰিত কৰিব পৰা যায়।
- ৰেডিঅ' পৃথিৱীখনৰ সম্পৰ্কে আৰু ইয়াৰ জনসংখ্যা সমস্যাৰ বিষয়ে মানুহৰ দৃষ্টিভংগী বহল কৰাত সহায় কৰিব পাৰে।
- জনসংখা বৃদ্ধি, স্বাস্থ্য, পৰিয়াল পৰিকল্পনা, পুষ্টি বিষয়ক তথ্যৰ লগতে চৰকাৰী নীতি কাৰ্যসূচীবোৰৰ শেহতীয়া খবৰেৰে ৰেডিঅ'ই নানা অনুষ্ঠান সম্প্ৰচাৰ কৰিব পাৰে।

- বর্তমান বৃদ্ধি, স্বাস্থ্য, পৰিয়াল পৰিকল্পনা, পুষ্টি বিষয়ক তথ্যৰ লগতে চৰকাৰী নীতি আৰু কার্যসূচীবোৰৰ শেহতীয়া খবৰেৰে ৰেডিঅ'ই নানা অনুষ্ঠান সম্প্রচাৰ কৰিব পাৰে।
- বর্তমান ৰেডিঅ'ৰ জৰিয়তে ফোন-ই অনুষ্ঠান সম্প্রচাৰ কৰা হয়। শ্রোতাসকলক সংযোগ স্থাপন কৰিবলৈ এটা ফোন নম্বৰ দিয়া হয়। এনে অনুষ্ঠানত সংশ্লিষ্ট বিষয়ৰ বিশেষজ্ঞই ভাগ লয়। অনুষ্ঠানলৈ ফোন কৰি শ্রোতাই বিভিন্ন বিষয়ত থকা খোকোজা আঁতৰাব পাৰে। জনসংখ্যা সমস্যাৰ বিভিন্ন দিশ আলোচনা কৰিবলৈ এনে অনুষ্ঠান সম্প্রচাৰ কৰিব পৰা যায়। শ্রোতাই নিজ নিজ এলেকাৰ জনসংখ্যা বৃদ্ধিৰ সমস্যাৰ লগতে বিভিন্ন ধৰণৰ যৌনৰোগৰ বিষয়েও নানা তথ্য জানিব পাৰে।
- ৰেডিঅ'ৰ জৰিয়তে সম্প্রচাৰ কৰা বিভিন্ন জনসংখ্যা সমস্যা বিষয়ক আলোচনা আৰু কথিকাই পৰিপূৰক নির্দেশনাৰ কাম কৰে। এইবোৰে সমস্যাটোৰ সন্দর্ভত জনসাধাৰণৰ ধাৰণা আৰু জ্ঞান স্পষ্ট কৰাত সহায় কৰে।
- ৰেডিঅ'ৰ সহায়ত জনসংখ্যা, বৃদ্ধি, জনসংখ্যা বিস্ফোৰণ, যৌন শিক্ষা আদিৰ দৰে বিষয়ৰ সৈতে জড়িত নানা সংবেদনশীল তথ্য কাকো আঘাত নকৰাকৈ কলাসুলভভাৱে পৰিৱেশন কৰিব পাৰি।
- ৰেডিঅ' সাধাৰণ লোকৰ বাবে মনোৰঞ্জনৰ এটা উৎস। সেয়েহে জনসংখ্যা বিস্ফোৰণ, যৌন শিক্ষা আৰু পৰিয়াল পৰিকল্পনাৰ দৰে বিষয়বোৰত সজাগতা সৃষ্টি কৰিবলৈ গীত-মাত-নাটকৰ দৰে বিভিন্নধৰণৰ ৰেডিঅ' অনুষ্ঠান পৰিৱেশন কৰিব পৰা যায়।
- ৰেডিঅ' বিজ্ঞাপনৰ জৰিয়তে বিভিন্ন প্রকাৰৰ জন্ম নিয়ন্ত্রণ ব্যৱস্থাৰ বিষয়েও প্রচাৰ চলাব পৰা যায়।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে জনসাধাৰণৰ মাজত জনসংখ্যা শিক্ষাৰ প্রসাৰ ঘটোৱাৰ এটা উপযোগী মাধ্যম হ'ল ৰেডিঅ'। বর্তমান মোবাইল ফোনতে ৰেডিঅ' পুনৰবাৰ এক জনপ্রিয় আৰু বহুল ব্যৱহৃত মনোৰঞ্জনৰ উৎস হৈ পৰিছে। কাম কৰি থাকোতে, খেলি থাকোতে, বহি থাকোতে, ভ্রমণ কৰি থাকোতে, অথবা অৱসৰ বিনোদনৰ সময়ত কোনো অসুবিধা নোহোৱাকৈ ৰেডিঅ' অনুষ্ঠানবোৰ শুনিব পাৰি। ই মানুহৰ মানসিকতাৰ প্রভাৱত কৰিব পৰা এটা শক্তিশালী মাধ্যম। অর্থাৎ ৰেডিঅ'ই কেৱল তথ্যই জানিবলৈ নিদিয়ে, ই মানুহক বিভিন্ন দিশেৰে অনুপ্রাণিতও কৰে। ই শ্রেতাক সজগুণ আৰু সৎ প্রমূল্যৰ গৰাকী কৰি তোলাৰ লগতে শ্রোতাৰ মনোভাৰ তথা আগ্রহ সলনি কৰে। ৰেডিঅ'ই শ্রোতাক ভাল কথা আৰু কামৰ প্রসংগৰ প্রতি আগ্রহী কৰি তোলে। অৱশ্যে, জনসংখ্যা বিষয়ক অনুষ্ঠানবোৰৰ সম্প্রচাৰ যাতে উচ্চমানসম্পন্ন হয় তালৈ মনোযোগ দিব লাগিব। বিষয়বস্তু, কথন, উপস্থাপন শৈলী,

শ্ৰৱণসাধ্যতা আৰু পৰিৱেশন এই আটাইবোৰে অনুষ্ঠান একোটা উপভোগ্য কৰি তুলিব লাগিব, তেতিয়াহে সকলো শ্ৰেণীৰ শ্ৰোতাই জনসংখ্যা সমস্যাৰ দৰে জটিল বিষয় এটাৰ কথা অধিক জানিবলৈ আগ্ৰহী হৈ পৰিব।

১৪.৬.৩ টেলিভিছন

শ্ৰৱণসাধ্য হোৱাৰ লগতে দৃশ্য দেখাৰ সুবিধাও থকা বাবে টেলিভিছনক ৰেডিঅ'তকৈ উন্নততৰ মাধ্যম বুলি গণ্য কৰা হয়। সাধাৰণতে কেৱল শুনা অথবা পঢ়াতকৈ দেখি শিকা কথা এটা অধিক সুফলদায়ক হয় বুলি ধৰি লোৱা হয়। টেলিভিছন হ'ল সাধাৰণলোকে মনোৰঞ্জনৰ বাবে ব্যৱহাৰ কৰা এটা জনপ্ৰিয় মাধ্যম। বিভিন্ন টেলিভিছন চেনেলে নিয়মীয়াকৈ বিভিন্নধৰণৰ অনুষ্ঠান সম্প্ৰচাৰ কৰে। এই মাধ্যমটোৰ সহায়ত জনসাধাৰণক আনুষ্ঠানিক, অনানুষ্ঠানিক, ঘৰুৱা আৰু কাৰ্যসম্পাদনকাৰী প্ৰকৃতিৰ বিভিন্ন শিক্ষা প্ৰদান কৰিব পৰা যায়। টেলিভিছনৰ পৰ্দাত যিহেতু দৃশ্য দেখা যায় সেয়েহে দৰ্শকে চেতন আৰু অৱচেতন দুয়োধৰণে নানা কথা শিকিব পাৰে। ই জনসংখ্যা নিয়ন্ত্ৰণ বিষয়ক তথ্য প্ৰচাৰ কৰাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ তথা শক্তিশালী গণ মাধ্যমৰ ভূমিকা পালন কৰিব পাৰে। তলত এক গণ মাধ্যম হিচাপে টেলিভিছনে জনসংখ্যা সমস্যাটোৰ বিষয়ে প্ৰচাৰ কৰাত ল'ব পৰা ফলপ্ৰসূ ভূমিকাবোৰ সংক্ষিপ্তৰূপত উল্লেখ কৰা হ'ল -

- টেলিভিছনে জনসংখ্যা নিয়ন্ত্ৰণ আৰু জনসংখ্যা শিক্ষা সম্পৰ্কীয় বিষয়বোৰৰ প্ৰতি সহজে সাধাৰণ দৰ্শকৰ দৃষ্টি আকৰ্ষিত কৰাব পাৰে।
- জনসংখ্যা নিয়ন্ত্ৰণ, পৰিয়াল পৰিকল্পনা, যৌন শিক্ষা আদিৰ দৰে বিষয়ত বিভিন্ন মনোগ্ৰাহী অনুষ্ঠান সম্প্ৰচাৰ কৰি টেলিভিছনে দৰ্শকৰ মনত দীৰ্ঘস্থায়ী প্ৰভাৱ পেলাব পাৰে।
- জনসংখ্যা শিক্ষাৰ সৈতে জড়িত প্ৰজনন ক্ষমতা, মৃত্যুহাৰ, যৌনৰোগ আদিৰ দৰে সহজে আৰু মুকলিকৈ আলোচনা নকৰা ধাৰণাবোৰ বিভিন্ন অনুষ্ঠানৰ জৰিয়তে মূৰ্ত আৰু বাস্তৱ জীৱনৰ সৈতে সংগতি থকা গ্ৰহণযোগ্য ৰূপত উপস্থাপন কৰিব পাৰে।
- মানুহৰ মন আধুনিক দৃষ্টিভংগীসম্পন্ন কৰি তোলাৰ এটা ফলপ্ৰসূ মাধ্যম হ'ল টেলিভিছন। ই জনসংখ্যা নিয়ন্ত্ৰণৰ দৰে বিষয়ত মানুহৰ মনোভাৱ সলনি কৰিব পাৰে। ই পৰিয়াল পৰিকল্পনা, যৌন শিক্ষা আৰু গৰ্ভ নিৰোধক ব্যৱস্থা আদিৰ দৰে বিষয়বোৰ জনসাধাৰণে নিঃসংকোচে আলোচনা কৰিব আৰু শুনিব পৰা পৰিৱেশ এটা গঢ়ি তুলিব পাৰে।
- টেলিভিছনৰ অনুষ্ঠানবোৰে জনসাধাৰণৰ বিভিন্নধৰণৰ ৰুচি আৰু আগ্ৰহ পূৰণ কৰে। কিছুমান দৰ্শকে আলাপ-আলোচনাৰ অনুষ্ঠান, আন কিছুমানে কথাছবি নাইবা গীত-মাতৰ অনুষ্ঠান ভাল পায়। দৰ্শকক জনসংখ্যা নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা

সম্পর্কে সজাগ কৰি তুলিবলৈ ভিন্ন ৰুচিৰ টেলিভিছন অনুষ্ঠান সম্প্রচাৰ কৰিব পৰা যায়।

- ভাৰত এতিয়াও ১০০% সাক্ষৰ নাগৰিকৰ দেশ হৈ উঠিব পৰা নাই। সমাজৰ একাংশলোক আজিও নিৰক্ষৰ। টেলিভিছনৰ জৰিয়তে এইসকল লোকৰ বাবে প্রয়োজন অনুসৰি প্রস্তুত কৰা জনসংখ্যা শিক্ষাৰ অনুষ্ঠান সম্প্রচাৰ কৰিব পৰা যায়। আনুষ্ঠানিক অথবা অনানুষ্ঠানিক শিক্ষাই সামৰি নোলোৱা শ্রেণীৰ লোকক তথ্য অৱগত কৰোৱাৰ এটা উপযুক্ত মাধ্যম হ'ল টেলিভিছন।
- জনসংখ্যা নিয়ন্ত্রণ আৰু জনসংখ্যা বিস্ফোৰণ বিষয়ক বিভিন্ন কথাছবি, আলোচনাৰ অনুষ্ঠান, চিকিৎসকৰ সাক্ষাৎকাৰ আৰু 'ফোন-ইন' অনুষ্ঠান আদি টেলিভিছনৰ জৰিয়তে সম্প্রচাৰ কৰিব পৰা যায়।
- টেলিভিছনৰ মাধ্যমেৰে সম্প্রচাৰ কৰা বক্তৃতানুষ্ঠানবোৰ অধিক মনোগ্রাহী হয়। দর্শকে ইয়াৰ জৰিয়তে মৌখিক তথ্য আৰু নানা ধৰণৰ ব্যৱহাৰিক নির্দেশনা লাভ কৰে। ইয়াৰ উপৰি দর্শকক বক্তাৰ ব্যক্তিত্ব আৰু ভাৱ প্রকাশ কৰাৰ ধৰণ-কৰণেও গভীৰভাৱে প্রভাৱিত কৰে বাবে দর্শকে এনে অনুষ্ঠানৰ পৰা জানিবলৈ পোৱা কথাবোৰ ভালদৰে মনত ৰাখে।
- বিশ্বৰ প্রায় সকলো অঞ্চলতে জনসংখ্যা বিস্ফোৰণ আৰু ইয়াৰ কুপ্রভাৱ পৰিস্ফুট হৈছে। টেলিভিছনৰ সহায়ত এই সংবাদ পোনপটীয়াকৈ দর্শকক দেখুৱাব পৰা যায়। প্রকৃত স্থানৰ পৰা বাস্তৱ সময়ত উপস্থাপন কৰা সংবাদ প্রতিবেদনবোৰৰ জৰিয়তে দর্শকে অন্য দেশে গ্রহণ কৰা জনসংখ্যা নিয়ন্ত্রণ ব্যৱস্থাবোৰৰ বিষয়েও জনাৰ সুযোগ পায়। ইয়াৰ প্রভাৱতে জনসংখ্যা সমস্যাটোৰ মুকলি আলোচনা চলে আৰু ইয়াক ৰোধ কৰাৰ ব্যৱহাৰিক উপায় অথবা সমাধান বাহিৰ কৰাৰ চিন্তা-চর্চা চলে।
- টেলিভিছনে নৃত্য-গীত-নাটক-চুটি কথাছবি আদিৰ জৰিয়তে এখন দেশৰ ঐতিহাসিক মূহুর্তবোৰ জনাত দর্শকক সহায় কৰে। একেদৰে, টেলিভিছনে প্রস্তুত কৰা জনসংখ্যা শিক্ষাৰ তথ্যচিত্র আদিয়ে বিষয়টোৰ ৰাজনৈতিক, সামাজিক আৰু বিশ্বজনীন তাৎপর্যৰ বিষয়েও দর্শকক প্রভাৱশালীভাৱে বুজাব পাৰে।

জনসংখ্যা শিক্ষাৰ দৰে সামাজিক উদ্দেশ্যত টেলিভিছনক ব্যৱহাৰ কৰাৰ বহুতো উল্লেখযোগ্য উদাহৰণ আছে। ১৯৫৬ চনত নতুন দিল্লীত আয়োজিত ইউনেস্ক'ৰ সাধাৰণ সন্মিলনত ভাৰতত শৈক্ষিক অনুষ্ঠান সম্প্রচাৰকাৰী টেলিভিছন সেৱা আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ১৯৭৫-৭৬ চনত চেটেলাইট ইন্সষ্ট্রাক্শ্যনেল টেলিভিছন এক্সপেৰিমেণ্ট (SITE) সেৱাৰ পাতনি মেলা হৈছিল। এই সম্প্রচাৰত শিক্ষা, কৃষি, স্বাস্থ্য, পৰিয়াল পৰিকল্পনা ৰাষ্ট্রীয় সংহতি আদিৰ দৰে বিষয়ৰ অনুষ্ঠান সামৰি লোৱা হয়। এই প্রকল্পবোৰৰ 'লক্ষ্য দর্শক' হ'ল গ্রামাঞ্চলৰ বাসিন্দাসকল। ২০১৪ চনত

'পপুলেশ্যন ফাউণ্ডেশ্যন অৱ ইণ্ডিয়া' নামৰ অনা-চৰকাৰী সংস্থাটোৱে 'মেঁ কুছ ভী কৰ চক্‌তি হুঁ' নামৰ বহু-মাধ্যম অন্তঃক্রিয়া উদ্যোগ (transmedia initiative) টোৰ পাতনি মেলে। ইয়াৰ অনুষ্ঠানসমূহ পোনতে ৰাষ্ট্রীয় টেলিভিছন সেৱা দূৰদর্শনে সম্প্রচাৰ কৰিছিল। অনুষ্ঠানসমূহ পৰিয়াল পৰিকল্পনাৰ প্রয়োজনীয়তা আৰু বাল্য বিবাহৰ দৰে সমস্যাবোৰক লৈ প্রস্তুত কৰা হৈছিল। আগ্রহীসকলে https://www.youtube.com/watch?v=ICuuaYsjWhs লিংকটো খুলি এই উদ্যোগৰ সংক্ষিপ্ত বর্ণনা থকা চুটি ভিডিঅ' এটা চাব পাৰে।

ওপৰৰ আলোচনাখিনি পঢ়াৰ অন্তত আপুনি নিশ্চয় জনসংখ্যা বিষয়ক সমস্যাবোৰ জনসাধাৰণৰ মাজত প্রচাৰ কৰাত, তথ্য বিয়পোৱাত টেলিভিছনে পালন কৰি অহা ভূমিকাটো স্পষ্টকৈ বুজি পালে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ বাতৰি-কাকতক জনসংখ্যা নিয়ন্ত্রণ সম্পর্কীয় তথ্য প্রচাৰ কৰাৰ এক মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ যিকোনো দুটা উপায় উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ ৰেডিঅ'ই কেনেদৰে শ্রোতাৰ মনোভাৱক প্রভাৱিত কৰে?

.....

.....

প্রশ্ন নং ৭ ঃ টেলিভিছনক কিয় বিভিন্ন স্তৰৰ জনসংখ্যাৰ বাবে এটা উপযুক্ত মাধ্যম বুলি গণ্য কৰা হয়?

.....

.....

১৪.৬.৪ দৃশ্য-শ্রব্য আহিলা

দৃশ্য-শ্রব্য আহিলাবোৰো অন্য প্রকাৰৰ প্রচাৰ মাধ্যম। এইবোৰৰ সহায়তো বহুতো মানুহক একে সময়তে সহজে আৰু সোনকালে বিভিন্ন তথ্য অৱগত কৰোৱাব পৰা যায়। এই আহিলাবোৰৰ সহায়ত শ্রব্য, দৃশ্যমান অথবা দৃশ্য-শ্রব্য দুয়োধৰণৰ বিভিন্ন উপাদান প্রয়োগ কৰি শিক্ষণ প্রক্রিয়াটো অধিক সুফলদায়ক কৰি তুলিব পৰা যায়। এই আহিলাবোৰে শিকন প্রক্রিয়াটোও অধিক বাস্তৱ, মূর্ত, প্রাণৱন্ত আৰু গতিশীল কৰি তোলে। এয়া আমি সকলোৱে জানো যে ভাৰতৰ দৰে দেশৰ জনসংখ্যা শিক্ষাৰ অন্তর্গত বিষয়বোৰ অথবা জনসংখ্যা নিয়ন্ত্রণকেন্দ্রিক সমস্যাবোৰৰ প্রকৃতি সংবেদনশীল, বিমূর্ত,

আলোচনাৰ আওতালৈ সহজে টানি আনিব নোৱাৰা আৰু কেতিয়াবা উপস্থাপন অথবা শিক্ষাৰ বাবে অত্যন্ত জটিল বিধৰ। সেয়েহে এই বিষয়বোৰ উপস্থাপন কৰাত দৃশ্য-শ্ৰব্য আহিলাৰ সহায় লোৱা হয়। তলত জনসংখ্যা নিয়ন্ত্রণ সম্পৰ্কীয় বিভিন্ন বিষয় ফলপ্রসূভাৱে উপস্থাপনত সহায় কৰা কেইবিধমান বহুল ব্যৱহৃত আহিলাৰ বিষয়ে আলোচনা কৰা হ'ল-

- **ছবি** (Pictures) ঃ জনসংখ্যা শিক্ষা প্রদানৰ কামত বিভিন্নধৰণৰ ছবিৰ ব্যৱহাৰে সুফল প্রদান কৰে। ছবিয়ে মৌখিক কথাতকৈ অধিক কথা প্রকাশ কৰিব পাৰে। মানুহৰ মাত্রাধিক কথাতকৈ অধিক কথা প্রকাশ কৰিব পাৰে। মানুহৰ মাত্রাধিক ভিৰ থকা স্থানৰ ছবি, আহল-বহলকৈ বসবাস কৰা অঞ্চল আৰু নিচেই সৰু অঞ্চলত অসুবিধাজনকভাৱে বসবাস কৰা অঞ্চলৰ ছবি, ডাঙৰ আৰু সৰু পৰিয়ালৰ ছবি, বাল্য বিবাহ, পৰিৱেশ প্রদূষণ আদি বিষয়ৰ ছবি দেখুৱাই বিভিন্ন কথা শিকাব পাৰি। এনে ছবি চাই মানুহে জনসংখ্যা বৃদ্ধিৰ প্রভাৱবোৰ বুজি পাব আৰু জনসংখ্যা নিয়ন্ত্রণৰ গুৰুত্ব উপলব্ধি কৰিব। সেয়েহে শিক্ষকে অত্যন্ত সাৱধানতা সহকাৰে এনে ছবি সংগ্রহ অথবা প্রস্তুত কৰিব লাগে।
- **তথ্য তালিকা** (charts) ঃ জনসংখ্যা শিক্ষা প্রদানৰ আন এবিধ ফলপ্রসূ আহিলা হ'ল বিভিন্ন তথ্য তালিকা। জনসংখ্যা বৃদ্ধি আৰু আর্থ-সামাজিক উন্নয়নৰ মাজৰ সম্পর্ক। জনসংখ্যা বৃদ্ধি আৰু স্বাস্থ্যৰ মাজৰ সম্পর্ক, জনসংখ্যা বৃদ্ধি আৰু জীৱনৰ গুণমানৰ মাজৰ সম্পর্ক বুজাবলৈ 'কাৰণ আৰু প্রভাৱ' শিৰোনামৰ তথ্য তালিকা ব্যৱহাৰ কৰিব পাৰি। কোনো ঘটনা ঘটি থকাৰ বর্ণনা দিবলৈ বর্ণনামূলক তথ্য তালিকা ব্যৱহাৰ কৰিব পাৰি। যেনে- ভাৰতত চলি থকা জনসংখ্যা নীতি আৰু কার্যসূচীবোৰৰ সময়ানুক্রিমক বর্ণনা, নগৰীকৰণ প্রক্রিয়াৰ বর্ণনা, জনসংখ্যা শিক্ষাৰ আনুষ্ঠানিকীকৰণ প্রক্রিয়াৰ বর্ণনা কৰিবলৈ এনে তথ্য তালিকা ব্যৱহাৰ কৰিব পাৰি। সাংখ্যিক তথ্য তালিকাৰ সহায়ত বিভিন্ন বিষয়ৰ তুলনা কৰি জনসংখ্যাৰ সাংখ্যিক তথ্য প্রদর্শন কৰিব পাৰি। জনসংখ্যাৰ সাংখ্যিক তথ্য প্রদর্শন কৰিব পাৰি। জনসংখ্যাৰ আন কেইবাটাও বৈশিষ্ট্য বুজাবলৈও তথ্য তালিকাৰ সহায় ল'ব পৰা যায়।
- **গ্রাফ্** (Graphs) ঃ গ্রাফ্ হ'ল সাংখ্যিক তথ্যৰ ৰেখা চিত্র ভিত্তিক উপস্থাপন। জনসংখ্যা বৃদ্ধিৰ হাৰ, মৃত্যুহাৰ, প্রজনন ক্ষমতাৰ হাৰ, প্রবাস গমনৰ ধাৰা, প্রবাসী বাসিন্দাৰ হাৰ, পুৰুষ-নাৰীৰ অনুপাত, সাক্ষৰ- নিৰক্ষৰৰৰ অনুপাত, জনসংখ্যাৰ বৃত্তিভিত্তিক সংৰচনা, ধর্মভিত্তিক সংৰচনা, বয়সভিত্তিক সংৰচনা আদি বিভিন্ন ধৰণৰ গ্রাফৰ সহায়ত উপস্থাপন কৰিব পৰা যায়।
- **মানচিত্র** (Maps) ঃ জনসংখ্যাৰ পৰিসংখ্যা আৰু বিশ্বৰ জনসংখ্যা গাঁথনিৰ বিষয়ে শিকাবলৈ বিশেষভাৱে মানচিত্র ব্যৱহাৰ কৰিব পাৰি। মানচিত্র ছপা কৰাও হ'ব

পাৰে অথবা শিক্ষকে নিজে ডাঠ কাগজতে আঁকি ল'ব পাৰে। শিক্ষকে ব্লেকবোর্ডৰ মেপ আঁকিব পাৰে। অৱশ্যে বোর্ডত অঁকাত অভ্যস্ত হ'বলৈ কিছু অনুশীলনৰ প্ৰয়োজন হ'ব।

- **বুলেটিন বোর্ড** (Bulletin Board) ঃ শ্ৰেণীকোঠাৰ বাহিৰ নাইবা ভিতৰত এনে বোর্ড আঁৱিব পাৰি। সামূহিক গ্ৰন্থাগাৰ, ক্লাব, খেলপথাৰ আদিৰ দৰে অন্য সামাজিক অনুষ্ঠানতো বুলেটিন বোর্ড ৰাখিব পাৰি। অধিকাংশ মানুহৰ চকুত পৰা স্থানত বুলেটিন বোর্ড অঁৰা হয়। এনে বোর্ডত বিভিন্নধৰণৰ ৰচনা-লেখনী, পোষ্টাৰ, কার্টুন, গ্ৰাফ আৰু সংবাদ আঠা লগাব নাইবা পিন মাৰিব পাৰি। বোর্ডত থকা বস্তুবোৰ যাতে নিয়মীয়াকৈ সলনি কৰি শেহতীয়া তথ্য প্ৰচাৰ কৰি থকা হয় তালৈ মনোযোগ দিব লাগে।
- **প্ৰচাৰ পুস্তিকা** (Pamplets) ঃ সৰুকৈ ছপা কৰা, নবন্ধোৱা কিতাপ অথবা এখিলা ডাঙৰ কাগজক মাজতে ভাঁজ কৰি অথবা তিনিটা ভাঁজ কৰি অথবা চাৰিটা ভাঁজ কৰি (লীফলেট) তথ্য ছপা কৰাকে প্ৰচাৰ পুস্তিকা বোলে। এনে পুস্তিকা কোনো এটা নির্দিষ্ট বিষয়ৰ তথ্য থাকে। জনসংখ্যা সমস্যা আৰু স্বাস্থ্য বিষয়ক বার্তা প্ৰচাৰ কৰিবলৈ এনে পুস্তিকাৰ সহায় লোৱা হয়। বিভিন্ন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়, ব্যক্তিগতভাৱে চিকিৎসাসেৱা প্ৰদান কৰা চিকিৎসকৰ কার্যালয়, স্বাস্থ্য যত্ন অনুষ্ঠান আৰু স্বৈচ্ছিক স্বাস্থ্যসেৱা সংস্থাবোৰে প্ৰচাৰ পুস্তিকা ব্যৱহাৰ কৰে। এনে পুস্তিকা শৈক্ষিক অনুষ্ঠানবোৰেও ব্যৱহাৰ কৰিব পাৰে। জনসংখ্যা নিয়ন্ত্ৰণ বিষয়ক সজাগতা কার্যসূচী আগবঢ়াই নিবলৈ প্ৰচাৰ পুস্তিকাৰ সহায় ল'ব পৰা যায়।
- **কথাছবি** (Films) ঃ কথাছবি এক দৃশ্য-শ্ৰাব্য মাধ্যম। কথাছবিৰ জৰিয়তে তথ্যৰ বাস্তৱিক উপস্থাপন কৰিব পৰা যায়। সেয়েহে ই এবিধ জনপ্ৰিয় দৃশ্য-শ্ৰব্য আহিলা। ইয়াৰ সহায়ত চিন্তা-ধাৰণা সদৰি কৰিব পৰা যায়। মানুহৰ মনোভাৱক প্ৰভাৱিত কৰিব পৰা যায়, অভিজ্ঞতা ভাগ-বটোৱাৰা কৰিব পাৰি আৰু মানৱিক সম্পর্ক বিকশাই তুলিব পৰা যায়। জনসংখ্যা শিক্ষাৰ প্ৰসাৰ ঘটোৱাত কথাছবিয়ে এক ফলপ্ৰসূ মাধ্যমৰূপে হুবহু ৰূপত উপস্থাপন কৰা হয় আৰু দর্শকে বুজি পোৱা ভাষাত কথাবোৰ বর্ণনা কৰা হয়। পৰিয়াল পৰিকল্পনা তথা পৰিয়াল কল্যাণ কার্যসূচীবোৰৰ কথা বুজাবলৈ আৰু সেইবোৰৰ প্ৰসাৰ ঘটাবলৈ চৰকাৰে কথাছবিৰ সহায় লয়। জনসংখ্যা বৃদ্ধিৰ ঘটনা, মৃত্যুহাৰ, প্ৰজনন ক্ষমতাৰ হাৰ, প্ৰব্ৰজন, নিবনুৱা অৱস্থা, জনসংখ্যৰা মাত্ৰাধিক ভিৰ, বাল্য বিবাহ আদিৰ দৰে বিষয়কলৈ নির্মাণ কৰা কথাছবি শ্ৰেণীকোঠাভিত্তিক পাঠদানৰ সময়তো অনুপূৰক পাঠ হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ পৰিণামক বিষয়বস্তু হিচাপে লৈ নির্মাণ কৰা কেইখনমান বহুল চর্চিত কথাছবি হ'ল - লোদানচ্ ৰান (১৯৭৬),

চিল্ড্ৰেণ অৱ মেন (২০০৬), ৱাই -ই (২০০৮), দ্য এজ অৱ ষ্টুপিড (২০০৬), মাদাৱঃ কেয়াৰিং ফৰ চেভেন বিলিয়ন (২০১১) ইত্যাদি।

- **সামাজিক মাধ্যম মঞ্চ** (Social Media Platfarms) ঃ বৃহৎসংখ্যক মানুহৰ কায চপাৰ এটা অতি দ্রুত আৰু ফলপ্রসূ উপায় হ'ল সামাজিক মাধ্যম মঞ্চবোৰৰ ব্যৱহাৰ। বিভিন্ন তথ্য প্রচাৰ কৰিবলৈ আজিকালি ফে'চবুক, ইন্ষ্টাগ্রাম আৰু ইউটিউব আদিৰ দৰে মঞ্চৰ সহায় লোৱা হয়। এই মঞ্চবোৰত থকা সুবিধা ব্যৱহাৰ কৰি মানুহে ভাৰ্ছুৱেল উপায়েৰে সমগ্র বিশ্বৰ সৈতে সামাজিকভাৱে সংযোগ ৰাখিবলৈ নিজৰ নাম পঞ্জীয়ন কৰে। বৰ্তমান বিশ্বৰ প্রায় সকলো বাসিন্দাই মোবাইল ফোন আৰু ইণ্টাৰনেট ব্যৱহাৰ কৰে বাবে এই মঞ্চবোৰৰ বহুল ব্যৱহাৰ ঘটিছে। এই মঞ্চবোৰত মুকলি কৰি দিয়া বার্তা, সংবাদ অথবা তথ্যৰ দ্রুত প্রসাৰ ঘটে ('ভাইৰেল হৈ পৰে)। সেয়েহে জনসংখ্যা সমস্যাৰ সৈতে জড়িত বিষয়বোৰ মানুহৰ মনোভাৱ প্রভাৱিত কৰিবলৈ এই মঞ্চবোৰক এটা সুফলদায়ক মাধ্যম বুলি গণ্য কৰা হয়। জনসংখ্যা নিয়ন্ত্রণৰ বিষয়ে প্রচাৰ চলাবলৈ প্রস্তুত কৰা শীর্ষক গীতটো এই লিংকটো খুলি শুনিব পাৰে — https://www.youtube.com/watch?v=ohe FP4v Ssac।

জনসংখ্যা শিক্ষাক কেৱল শিক্ষানুষ্ঠানৰ ভিতৰত দিবলগীয়া শিক্ষা বুলি ধৰি নলৈ সাধাৰণ লোকৰ বাবেও মুকলি কৰি দিয়াৰ কিছুমান সুফল আছে। গণ মাধ্যমবোৰৰ জৰিয়তে একে সময়তে এক বৃহৎ সংখ্যক লোকক একে শিক্ষাকে দিব পৰা যায়। ইয়াৰ ফলাফলো অতি তাৎপর্যপূর্ণ আৰু দীর্ঘম্যাদী হোৱাৰ পূর্ণ সম্ভাৱনা আছে। এই মঞ্চবোৰে জন্ম নিয়ন্ত্রণ ব্যৱস্থা আৰু যৌন শিক্ষাৰ দৰে সময় উপযোগী বিষয়বোৰ নিঃসংকোচে আৰম্ভ কৰিব পৰা পৰিৱেশ একোটাও গঢ়ি তোলে।



১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- কোনো এক জনসংখ্যাৰ আকাৰে সামাজিক উন্নয়নৰ গতি-প্রকৃতি নিৰূপণ কৰে আৰু ই অৱধাৰিতভাৱে ৰাষ্ট্রীয় উন্নয়নক প্রভাৱিত কৰে। জনসংখ্যাৰ আকাৰ আৰু উপলব্ধ সমলৰ অনুপাতে বিভিন্ন আর্থ-সামাজিক দিশৰ প্রতি আঙুলিয়াই দেখুৱায়।
- কোনো এটা জনসংখ্যাৰ বাবে যেতিয়ালৈকে উপলব্ধ সমলবোৰৰ অবিৰতভাৱে পর্যাপ্ত থাকে, তেতিয়ালৈকে জনসংখ্যা নিয়ন্ত্রণৰ প্রয়োজনীয়তা নাথাকে। কিন্তু যেতিয়া জনসংখ্যা নিয়ন্ত্রণৰ প্রয়োজনীয়তা নাথাকে। কিন্তু যেতিয়ালৈ জনসংখ্যা আকাৰ অনুসৰি উপলব্ধ সমলবোৰে পর্যাপ্তভাৱে প্রয়োজনীয়তা পূৰাবলৈ অসমর্থ হৈ পৰে অথবা ভৱিষ্যৎ প্রজন্মৰ

বাবে সমলৰ বহনক্ষমতা নাথাকে তেতিয়াই জনসংখ্যা নিয়ন্ত্রণৰ প্রয়োজনীয়তা আহি পৰে।

- বিভিন্ন অভিকৰণে জনসংখ্যা নিয়ন্ত্রণত সহায় কৰিব পাৰে। ইয়াৰে ভিতৰত গণ মাধ্যম হ'ল সবাতোকৈ প্রভাৱশালী অভিকৰণ।
- 'জনসংখ্যা নিয়ন্ত্রণ' নাম দিয়া ধাৰণাটোৰে কোনো এক জনসংখ্যাৰ প্রকাৰ, অৱস্থান, আকাৰ আৰু বৃদ্ধি হাৰক কৃত্রিমভাৱে নিয়ন্ত্রণ কৰা তথা বৰ্তাই ৰখাৰ বাবে প্রয়োগ কৰা পদ্ধতিবিদ্যা অথবা অনুশীলনবোৰৰ কথা বুজোৱা হয়। জনসংখ্যা নিয়ন্ত্রণত অন্তর্ভুক্ত হৈ থকা ব্যৱস্থাবোৰৰ কার্যৰূপায়ণে মানুহক বংশ বৃদ্ধি নিয়ন্ত্রণ কৰাৰ অধিক ক্ষমতা প্রদান কৰি জীৱনৰ মান উন্নত কৰি তোলে।
- জনসংখ্যা নিয়ন্ত্রণৰ দুটামান সাধাৰণ উপায় হ'ল গর্ভ নিৰোধক ব্যৱস্থাৰ ব্যৱহাৰ, আত্মসংযম, গর্ভপাত, প্রবাসগমন, প্রব্রজনৰ মাত্রা হ্রাস হোৱা, ক্ষুধা, দুর্ভিক্ষ, মহামাৰী যুদ্ধ ইত্যাদি।
- ধর্ম- সংস্কৃতি -শিক্ষা -প্রচাৰ মাধ্যমৰ প্রভাৱ আদিৰ দৰে বিভিন্ন কাৰকৰ বাবে ব্যক্তিগত জনসংখ্যা নিয়ন্ত্রণৰ উপায়বোৰ গ্রহণ তথা অনুশীলন কৰাত ব্যক্তিয়ে বাধাৰ সন্মুখীন হ'ব পাৰে।
- বৃহত্তৰ জনসাধাৰণ অথবা জনসংখ্যাৰ সৈতে সংযোগ স্থাপনৰ বাবে ব্যৱহাৰ কৰা মাধ্যমবোৰকে গণ মাধ্যম বোলে। বৃহত্তৰ জনসংখ্যা এটাই অথবা অধিকাংশ সাধাৰণ ব্যক্তিয়ে যিবোৰ উৎসৰ পৰা তথ্য আৰু সংবাদ লাভ কৰে সেইবোৰকে গণ মাধ্যম বোলে।
- গণ-মাধ্যমে বিভিন্ন ধাৰণা শ্রেণীভুক্ত কৰাত, ব্যক্তি গোটক উদ্বুদ্ধ কৰাত আৰু বিভিন্ন ব্যক্তিগত কার্যকলাপ আগবঢ়াই নিয়াত সহায় কৰিব পাৰে বুলি প্রমাণিত হৈছে। এই মাধ্যমবোৰে সামূহিক সচেতনতা গঢ়ি তোলে, বিভিন্ন বিষয়ত জনসাধাৰণৰ মনোভাৱ সলনি কৰে। কোনো বিষয়ৰ নতুন সংৰচনা নির্মাণ কৰে অথবা সংগঠন গঢ়ি উঠাত সহায় কৰে।
- গণ মাধ্যমবোৰে সামাজিক পৰিৱর্তন সাধনৰ এক শক্তিশালী অভিকৰণৰ ভূমিকা পালন কৰে আৰু মানুহৰ মনোভাৱ সলনি কৰাত সহায় কৰে। গণ মাধ্যমৰ বাবেই মানুহৰ মনত প্রত্যাশিত প্রমূল্যবোৰ গঢ় লৈ উঠে আৰু মানুহে নিজৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে পৰিচিত হোৱাৰ সুযোগ পায়।
- জ্ঞানৰ প্রসাৰ ঘটোৱাত গণ মাধ্যমবোৰে এটা গুৰুত্বপূর্ণ ভূমিকা লয়। সেয়েহে এইবোৰ জনসংখ্যা বিষয়ক সমস্যাবোৰৰ ক্ষেত্রতো মানুহৰ মনোভাৱ সলনি কৰিবলৈ সক্ষম। জনসংখ্যা শিক্ষাৰ বিষয়সূচীত জনসংখ্যা, স্বাস্থ্য, পৰিৱেশ, শিক্ষা, খাদ্য, পুষ্টি কল্যাণমূলক আঁচনি, সমল আৰু অর্থনৈতিক উন্নয়ণৰ দৰে বিভিন্ন বিষয় অন্তর্ভুক্ত। এই আটাইবোৰ বিষয়ৰ তথ্য মানুহক জনোৱাৰ প্রয়োজন। গণ মাধ্যমে এই কামটো সহজে কৰিব পাৰে।
- নিচেই কম খৰছতে বাতৰি-কাকতত প্রকাশিত তথ্য জনসাধাৰণৰ মাজত বিয়পি পৰে। সমাজৰ শিক্ষিত শ্রেণীটোৰ অধিকাংশই বিশ্বক জানিবলৈ আৰু বিশ্বৰ ক'ত কি ঘটি আছে

তাৰ উমান ল'বলৈ বাতৰি-কাকতৰ সহায় লয়। সেয়েহে জনসংখ্যা নিয়ন্ত্রণৰ প্রয়োজনীয়তাৰ দৰে বিষয় এটাও বাতৰি-কাকতৰ মাধ্যমেৰে প্রচাৰ কৰিব পৰা যায়।

- শিক্ষাৰ অনানুষ্ঠানিক আৰু সাধাৰণ উপায় হিচাপে ৰেডিঅ'ই জনপ্রিয়তা অর্জন কৰিছে। যিকোনো বার্তা সাধাৰণ জনতাৰ মাজত প্রচাৰ কৰাৰ সর্বাধিক সম্ভাৱনা থকা মাধ্যমটো হ'ল ৰেডিঅ'।
- শ্রেণীকোঠাভিত্তিক শিক্ষাৰ এক পৰিপূৰক আহিলা হিচাপে কাম কৰা ৰেডিঅ'ৰ তথ্য প্রচাৰৰ সম্ভাৱনা সীমাহীন।
- টেলিভিছনৰ পর্দাত যিহেতু দৃশ্য দেখা যায় সেয়েহে দর্শকে চেতন আৰু অৱচেতন দুয়োধৰণে নানা কথা শিকিব পাৰে। ই জনসংখ্যা নিয়ন্ত্রণ বিষয়ক তথ্য প্রচাৰ কৰাৰ সবাতোকৈ গুৰুত্বপূর্ণ তথা শক্তিশালী গণ মাধ্যমৰ ভূমিকা পালন কৰিব পাৰে।
- ভাৰতৰ দৰে দেশৰ জনসংখ্যা শিক্ষাৰ অন্তর্গত বিষয়বোৰ অথবা জনসংখ্যা নিয়ন্ত্রণকেন্দ্রিক সমস্যাবোৰৰ প্রকৃতি সংবেদনশীল, বিমূর্ত, আলোচনাৰ আওতালৈ সহজে টানি আনিব নোৱাৰা আৰু কেতিয়াবা উপস্থাপন অথবা শিক্ষাৰ বাবে অত্যন্ত জটিলবিধৰ। সেয়েহে এই বিষয়বোৰ উপস্থাপন কৰাত দৃশ্য-শ্রব্য আহিলাৰ সহায় লোৱা হয়।
- জনসংখ্যা বৃদ্ধিৰ হাৰ, মৃত্যুহাৰ, প্রজনন ক্ষমতাৰ হাৰ, প্রবাস গমনৰ ধাৰা, প্রবাসী বাসিন্দাৰ হাৰ, পুৰুষ-নাৰীৰ অনুপাত, সাক্ষৰ- নিৰক্ষৰৰৰ অনুপাত, জনসংখ্যাৰ বৃত্তিভিত্তিক সংৰচনা, ধর্মভিত্তিক সংৰচনা, বয়সভিত্তিক সংৰচনা আদি বিভিন্ন ধৰণৰ গ্রাফৰ সহায়ত উপস্থাপন কৰিব পৰা যায়।
- কথাছবি এক দৃশ্য-শ্রাব্য মাধ্যম। কথাছবিৰ জৰিয়তে তথ্যৰ বাস্তৱিক উপস্থাপন কৰিব পৰা যায়। সেয়েহে ই এবিধ জনপ্রিয় দৃশ্য-শ্রব্য আহিলা। ইয়াৰ সহায়ত চিন্তা-ধাৰণা সদৰি কৰিব পৰা যায়। মানুহৰ মনোভাৱক প্রভাৱিত কৰিব পৰা যায়, অভিজ্ঞতা ভাগ-বটোৱাৰা কৰিব পাৰি আৰু মানৱিক সম্পর্ক বিকশাই তুলিব পৰা যায়।



১৪.৮ অধিক জানিবলৈ

১) Aggarwal, J. C. (2010). Theories and Principles of education. New Delhi: Vikas Publishing House.

২) Aggarwal, J. C. (2009). Population Education. New Delhi: Shipra Publications.

৩) Gupta P.K (2012). Population Education. Meerut: R.Lall Book Depot.

৪) Nanda, S. K. (). Population Education, Published by DOABA HOUSE, Delhi.

৫) Aggarwal, J. C. (2009). Essentials of Educational Technology. New Delhi: Vikas Publishing House.

৬) Mangal, S. K. (2001). Foundation of Educational Technology. Ludhiana: Tandon Publications.

৭) Pandey, V. C. (2012). Population Education. Isha Books.

YouTube Channel Ravi Tripathi Official

YouTube Channel Population Foundation of India

১৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'জনসংখ্যা নিয়ন্ত্রণ' নাম দিয়া ধাৰণাটোৱে কোনো এক জনসংখ্যাৰ প্রকাৰ, অৱস্থান, আকাৰ আৰু বৃদ্ধি হাৰক কৃত্রিমভাৱে নিয়ন্ত্রণ কৰা তথা বৰ্তাই ৰখাৰ বাবে প্রয়োগ কৰা পদ্ধতিবিদ্যা অথবা অনুশীলনবোৰৰ কথা বুজোৱা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা নিয়ন্ত্রণৰ দুটামান সাধাৰণ উপায় হ'ল গর্ভ নিৱোধক ব্যৱস্থাৰ ব্যৱহাৰ, আত্মসংযম, গর্ভপাত, প্রবাসগমন, প্রব্রজনৰ মাত্রা হ্রাস হোৱা, ক্ষুধা, দুর্ভিক্ষ, মহামাৰী যুদ্ধ ইত্যাদি।

৩ নং প্রশ্নৰ উত্তৰ ঃ বৃহত্তৰ জনসাধাৰণ অথবা জনসংখ্যাৰ সৈতে সংযোগ স্থাপনৰ বাবে ব্যৱহাৰ কৰা মাধ্যমবোৰকে গণ মাধ্যম বোলে। বৃহত্তৰ জনসংখ্যা এটাই অথবা অধিকাংশ সাধাৰণ ব্যক্তিয়ে যিবোৰ উৎসৰ পৰা তথ্য আৰু সংবাদ লাভ কৰে সেইবোৰকে গণ মাধ্যম বোলে।

৪ নং প্রশ্নৰ উত্তৰ ঃ সমগ্র বিশ্বৰ তথ্য সকলো ব্যক্তিৰ বাবে উপলব্ধ কৰোৱাৰ একমাত্র উপায় হ'ল গণ মাধ্যমবোৰে আওহতীয়া অঞ্চললৈকো তথ্য সম্প্রসাৰিত কৰিব পাৰে, তথ্যক বাস্তৱ ৰূপত উপস্থাপন কৰিব পাৰে, কোনো বিষয়ৰ কাৰণ আৰু পৰিমাণৰ মাজৰ সম্পর্ক প্রদর্শন কৰিব পাৰে, মানুহক উদ্বুদ্ধ কৰিব পাৰে আৰু মানুহৰ মনোভাৱক প্রভাৱিত কৰিব পাৰে। গণ মাধ্যমে জটিল বিষয়ৰ সহজ ব্যাখ্যা আগবঢ়াই কথাবোৰ সকলোৰে বাবে স্পষ্ট কৰি তোলে। এই মাধ্যমবোৰে তথ্যক একোটা মূর্ত ৰূপ দিয়ে আৰু মানুহৰ আগ্রহ তথা অনুসন্ধিৎসা বৃদ্ধি কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ বাতৰি-কাকতে জনসংখ্যা বৃদ্ধি, নিয়ন্ত্রণ, পৰিয়াল পৰিকল্পনা আৰু যৌন শিক্ষাৰ দৰে বিভিন্ন বিষয়ত ৰাজহুৱা মতামত গঢ়ি তোলে। বাতৰি-কাকতে বাৰে বাৰে বিভিন্ন বিজ্ঞাপন প্রকাশ কৰি জনসংখ্যা নিয়ন্ত্রণৰ বাবে চৰকাৰে প্রকাশ কৰি জনসংখ্যা নিয়ন্ত্রণৰ বাবে চৰকাৰে গ্রহণ কৰা নীতিবোৰৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱাৰ চেষ্টা চলায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ কাম কৰি থাকোতে, খেলি থাকোতে, বহি থাকোতে, ভ্রমণ কৰি থাকোতে,

অথবা অৱসৰ বিনোদনৰ সময়ত কোনো অসুবিধা নোহোৱাকৈ ৰেডিঅ' অনুষ্ঠানবোৰ শুনিব পাৰি। ই মানুহৰ মানসিকতাৰ প্ৰভাৱত কৰিব পৰা এটা শক্তিশালী মাধ্যম।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ টেলিভিছনৰ অনুষ্ঠানবোৰে জনসাধাৰণৰ বিভিন্নধৰণৰ ৰুচি আৰু আগ্ৰহ পূৰণ কৰে। কিছুমান দৰ্শকে আলাপ-আলোচনাৰ অনুষ্ঠান, আন কিছুমানে কথাছবি নাইবা গীত-মাতৰ অনুষ্ঠান ভাল পায়। দৰ্শকক জনসংখ্যা নিয়ন্ত্রণৰ প্ৰয়োজনীয়তা সম্পৰ্কে সজাগ কৰি তুলিবলৈ ভিন্ন ৰুচিৰ টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ কৰিব পৰা যায়।



১৪.১০ আৰ্হি প্ৰশ্ন

(ক) অতি চুটি প্ৰশ্ন (প্ৰায় ৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ জনসংখ্যা নিয়ন্ত্রণৰ প্ৰয়োজনীয়তাই কেতিয়া গা কৰি উঠে?

প্ৰশ্ন ২ ঃ গণ মাধ্যমে সম্পাদন কৰা যিকোনো এটা কাৰ্যৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ ঃ ভাৰতত কেতিয়াৰ পৰা পৰিয়াল পৰিকল্পনা কাৰ্যসূচীৰ কাম আৰম্ভ হৈছিল?

(খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ জনসংখ্যা নিয়ন্ত্রণ সম্পৰ্কীয় বাৰ্তা প্ৰচাৰৰ কামত সামাজিক মাধ্যম মঞ্চবোৰক কেনেদৰে প্ৰয়োগ কৰিব পাৰি বৰ্ণনা কৰক।

প্ৰশ্ন ১ ঃ ৰেডিঅ'ৰ যোগেদি কেনেধৰণৰ জনসংখ্যা নিয়ন্ত্রণক ব্যৱস্থাৰ সৈতে জড়িত অনুষ্ঠান সম্প্ৰতাৰ কৰিব পাৰি চমুকৈ উল্লেখ কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ জনসংখ্যা নিয়ন্ত্রণত গণ মাধ্যমে পালন কৰা তাৎপৰ্যপূৰ্ণ ভূমিকা সম্পৰ্কে বহলাই লিখক।

প্ৰশ্ন ২ ঃ টেলিভিছন কেনেদৰে জনসংখ্যা নিয়ন্ত্রণৰ এটা ফলপ্ৰসূ মাধ্যমৰ ভূমিকা লয় বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ জনসংখ্যা বৃদ্ধি আৰু শৈক্ষিক উন্নয়ন

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ জনসংখ্যা বৃদ্ধি

১৫.৩.১ জনসংখ্যা বৃদ্ধিৰ ধাৰণা

১৫.৩.২ জনসংখা বৃদ্ধিৰ কাৰণ

১৫.৪ শিক্ষাৰ গুণগত মান আৰু জনসংখ্যা বৃদ্ধি

১৫.৫ জনসংখ্যা বৃদ্ধি আৰু প্ৰাপ্তবয়স্কৰ শিক্ষা

১৫.৬ জনসংখ্যা বৃদ্ধি আৰু বৃত্তিমুখী শিক্ষা

১৫.৭ জনসংখ্যা বৃদ্ধি আৰু অনানুষ্ঠানিক শিক্ষা

১৫.৮ জনসংখ্যা বৃদ্ধি আৰু জনসংখ্যা শিক্ষা

১৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.১০ অধিক জানিবলৈ

১৫.১১ অগ্ৰগতিৰ খতিয়ান

১৫.১২ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জনসংখ্যা বৃদ্ধিৰ অর্থ বর্ণনা কৰিব পাৰিব
- জনসংখ্যা বৃদ্ধিৰ কাৰণ আৰু প্ৰকৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- জনসংখ্যা বৃদ্ধি আৰু শিক্ষাৰ গুণগত মানৰ মাজত থকা সম্পর্ক ব্যাখ্যা কৰিব পাৰিব
- জনসংখ্যা বৃদ্ধিত প্ৰাপ্তবয়স্ক শিক্ষাই পেলোৱা প্ৰভাৱ সম্পর্কে আলোচনা কৰিব পাৰিব
- জনসংখ্যা বৃদ্ধি আৰু বৃত্তিমুখী শিক্ষাৰ মাজত থকা সম্পর্ক বিশ্লেষণ কৰিব পাৰিব
- জনসংখ্যা বৃদ্ধি আৰু অনানুষ্ঠানিক শিক্ষাৰ মাজত থকা সম্পর্ক ব্যাখ্যা কৰিব পাৰিব
- জনসংখ্যা শিক্ষাই জনসংখ্যা বৃদ্ধিত পেলোৱা প্ৰভাৱ ব্যাখ্যা কৰিব পাৰিব।

১৫.২ পৰিচয়

পূৰ্বৰ অধ্যায়বোৰ পঢ়ি আপুনি নিশ্চয় বুজি পাইছে যে জনসংখ্যা এটাৰ আকাৰ, গুণগত মান, ঘনত্ব আৰু বৃদ্ধি হাৰ আদিয়ে মানৰ জীৱনৰ বিভিন্ন দিশত প্ৰভাৱ পেলায়। কিন্তু জনসংখ্যা গতিশীলতা এক অনিবার্য আৰু অবিৰত প্ৰক্ৰিয়া। জনসংখ্যা বৃদ্ধিৰ উচ্চ হাৰেই জনসংখ্যা

বিস্ফোৰণৰ কাৰণ। সেয়েহে এই হাৰ নিয়ন্ত্ৰণাধীন কৰি ৰখাতো এক আৱশ্যকীয় কথা। জনসংখ্যাৰ বিস্ফোৰণ ৰোধ কৰিবলৈ অথবা এই সমস্যাৰ সমাধান হিচাপে জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণাধীন কৰি ৰখাতো প্ৰয়োজনীয়। ২০১৫ চনত ৰাষ্ট্ৰসংঘই সদৰি কৰা এক বিবৃতি অনুসৰি, '১৯৫০ চনৰ পৰা ২০১৫ চনৰ ভিতৰত বিশ্বৰ জনসংখ্যা প্ৰায় তিনিগুণ বাঢ়িছে। ১৯৫০ চনৰ প্ৰায় ২.৫ বিলিয়ন জনসংখ্যা ২০১৫ চনত প্ৰায় ৭.৩ বিলিয়ন হৈছেগৈ।' ৰাষ্ট্ৰসংঘৰ সমীক্ষা মতে বৰ্তমান বিশ্বৰ জনসংখ্যা বৃদ্ধিৰ হাৰ হ'ল বছৰি প্ৰায় ২.৫ শতাংশ। জনসংখ্যা বৃদ্ধিৰ এই হাৰ এক উদ্বেগজনক বিষয়। এই অধ্যায়টিত জনসংখ্যা বৃদ্ধিৰ ধাৰণাটোৰ লগতে ইয়াৰ কাৰণ আৰু পৰিণামবোৰৰ বিষয়ে আলোচনা কৰা হ'ব। অধ্যায়টিৰ আলোচনাত শিক্ষাত জনসংখ্যা বৃদ্ধিয়ে পেলোৱা প্ৰভাৱক বিশেষ গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণত প্ৰাপ্তবয়স্কৰ শিক্ষা, অনানুষ্ঠানিক শিক্ষা, বৃত্তিমুখী শিক্ষা আৰু জনসংখ্যা শিক্ষাৰ ভূমিকা হ'ল অধ্যায়টিত আলোচনা কৰা আন কিছুমান বিষয়।

১৫.৩ জনসংখ্যা বৃদ্ধি

শিক্ষাৰ কিছুমান বিশেষ দিশ আৰু জনসংখ্যা বৃদ্ধিৰ মাজত থকা সম্পৰ্কৰ বিষয়ে বহলাই আলোচনা কৰাৰ আগতে জনসংখ্যা বৃদ্ধিৰ ধাৰণাটোনো কি সেয়া বুজি লোৱাতো আৱশ্যক। ইয়াৰ প্ৰকৃতি আৰু জনসংখ্যা বৃদ্ধি হোৱাৰ কাৰণবোৰৰ বিষয়ে প্ৰথমে কিছু কথা জানি লোৱাতো ভাল। তলত জনসংখ্যা বৃদ্ধিৰ ধাৰণা আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা হৈছে।

১৫.৩.১ জনসংখ্যা বৃদ্ধিৰ ধাৰণা

'জনসংখ্যা' বোলা অভিধাটোৰ সৈতে আপুনি পৰিচিত। অতি চমুকৈ ক'বলৈ হ'লে জনসংখ্যা মানে হ'ল কোনো এক নিৰ্দিষ্ট সময়ত কোনো এক নিৰ্দিষ্ট অঞ্চলত বসবাস কৰি থকা মানৱ গোট। অধ্যায়ৰ এই শিতানটোত জনসংখ্যা বৃদ্ধিৰ ধাৰণা আৰু প্ৰকৃতিৰ বিষয়ে সংক্ষেপে আলোচনা কৰা হ'ব। জনসংখ্যা বৃদ্ধি মানে হ'ল কোনো এডোখৰ নিৰ্দিষ্ট স্থানত কোনো এক নিৰ্দিষ্ট সময়ত কোনো এক জনসংখ্যাৰ গোটবোৰৰ সংখ্যাগত পৰিৱৰ্তন। প্ৰধানত ঃ তিনিটা কাৰকে ক্ষমতা, মৃত্যুহাৰ আৰু প্ৰব্ৰজন। কোনো এক জনসংখ্যাৰ জন্ম আৰু মৃত্যুৰ সংখ্যা গণনা কৰি ইয়াৰ বৃদ্ধি হাৰ নিৰ্ণয় কৰা হয়।

কোনো এক জনসংখ্যাৰ জন্ম, মৃত্যু, প্ৰব্ৰজন আৰু প্ৰবাস গমনৰ সংখ্যা সমতাপূৰ্ণ হৈ থকাতো অত্যন্ত আৱশ্যক। জনসংখ্যা বৃদ্ধিৰ ঊৰ্দ্ধগামী হাৰে উপলব্ধ সমলবোৰত চাপৰ সৃষ্টি কৰে। ই মানুহৰ জীৱন যাপনৰ মানক প্ৰভাৱিত কৰে। ২০২০ চনত বিশ্বৰ মুঠ জনসংখ্যা আছিল প্ৰায় ৭.৮ বিলিয়ন। কিন্তু এই সংখ্যা অতি দ্ৰুত গতিত বাঢ়ি গৈ আছে। আসন্ন দশকবোৰতো এই হাৰ অবিৰতভাৱে কিন্তু এক ক্ৰমাগত মন্থৰ গতিৰে বাঢ়ি গৈ থাকিব বুলি ধৰি লোৱা হৈছে (ৰাষ্টসংঘ, ২০১১)। জনসংখ্যা বৃদ্ধিৰ আন

বহুতো সামাজিক সমস্যা, গোলকীয় উষ্ণতা বৃদ্ধিৰ সমস্যা, স্বাস্থ্য পাৰিপাৰ্শ্বিক সমস্যা আদিৰ লগতে সামগ্রিক উন্নয়নৰ সমস্যাৰ সৈতে সম্পর্ক আছে।

১৫.৩.২ জনসংখ্যা বৃদ্ধিৰ কাৰণ

আগৰ শিতানটো পঢ়ি আপুনি জানিব পাৰিলে যে জনসংখ্যা বৃদ্ধিত জন্মহাৰ, মৃত্যুহাৰ আৰু প্রব্রজনে প্রভাৱ পেলায়। এই কাৰক তিনিটাৰ মাজত সমতা নাথাকিলে এক অপৰিৱর্তিত হাৰত জনসংখ্যা বাঢ়ি গৈ থাকে এসময়ত জনসংখ্যা বিস্ফোৰণ হয়। এই কাৰকবোৰক প্রভাৱিত কৰা কাৰণবোৰৰ বিষয়েও আমি জানিব লাগিব। কাৰণবোৰৰ কথা বিবেচনা কৰাৰ সময়ত আমি এইবোৰৰ পটভূমিও বিচাৰ কৰি চাব লাগিব। কাৰণ, পটভূমি ভেদে এই কাৰণবোৰেও ভিন ভিন বৈশিষ্ট্য ধাৰণ কৰে। তলত ভাৰতৰ পটভূমিত কাৰণকেইটাৰ বিষয়ে আলোচনা কৰা হ'ল।

- **বর্দ্ধিত জন্মহাৰ ঃ** ভাৰতত জনসংখ্যা বৃদ্ধি হোৱাৰ এটা প্রধান কাৰণ হ'ল বর্দ্ধিত জন্মহাৰ। চিকিৎসা বিজ্ঞানৰ জগতখন উন্নত হোৱাৰ লগে লগে নৱজাতকৰ মৃত্যুহাৰ আৰু প্রাক্-প্রসৱ মৃত্যুহাৰ নিম্নগামী হৈছে বাবে জন্মহাৰ উর্দ্ধগামী হৈছে। ইয়াৰ লগতে জনস্বাস্থ্য সেৱাবোৰো উন্নত হোৱাৰ লগতে আৰু সকলোৰে বাবে সুচল হৈ পৰিছে। মানুহে সন্তান প্রসৱৰ সময়ত চিকিৎসালয়ৰ সেৱা গ্রহণ কৰিবলৈ আগবাঢ়ি অহাৰ ফলত স্বাস্থ্যৱান সন্তানৰ জন্ম হ'বলৈ ধৰিছে।
- **নিম্নগামী মৃত্যুহাৰ ঃ** মৃত্যুহাৰ কমি যোৱাৰ কাৰণটোও হ'ল উন্নত হৈ পৰা চিকিৎসা বিজ্ঞান আৰু জনস্বাস্থ্য সেৱা। এই উন্নতিৰ ফলত যক্ষ্মা, ক'লেৰা, মেলেৰিয়া আৰু সৰু আইৰ দৰে মাৰাত্মক ৰোগবোৰৰ প্রকোপ কমি গৈছে। এই ৰোগবোৰ সফলতাৰ নিয়ন্ত্রণধীন কৰিব পৰা গৈছে। যিকোনো মহামাৰি নিয়ন্ত্রণকাৰী সা-সুবিধাবোৰ উন্নত হৈছে আৰু বৃদ্ধি পাইছে। পূর্বতে চিকিৎসাৰ উপায় নথকা বহুতো ৰোগৰ চিকিৎসা পদ্ধতি উদ্ভাবন হৈছে। সেয়েহে মানুহে স্বাস্থ্য উন্নত কৰি ৰখাৰ সা-সুবিধাবোৰ গ্রহণ কৰাব পাৰিছে। স্বাস্থ্য সেৱা আগতকৈ মানুহৰ বাবে অধিক সুচল হৈ পৰাৰ ফলত ইয়াৰ প্রভাৱ ইতিবাচক হৈছে। স্বাস্থ্য আৰু স্বাস্থ্যসেৱাৰ বিষয়ে মানুহক সজাগ কৰি তুলিবলৈ নানা ধৰণৰ প্রচেষ্টা চলাই থকা হৈছে। গ্রামাঞ্চলবোৰত প্রাথমিক স্বাস্থ্যসেৱাৰ মান উন্নত হোৱাৰ লগতে ইয়াৰ প্রসাৰ অধিক ব্যাপ্ত হৈছে। চিকিৎসাৰ প্রতি থকা মানুহৰ মনোভাৱ সলনি হৈছে আৰু সংকোচ এৰি বিজ্ঞানসম্মত চিকিৎসা গ্রহণ কৰিবলৈ মানুহ আগবাঢ়ি আহিছে।
- **প্রব্রজন ঃ** ঔদ্যোগিক বিপ্লব আৰু বাণিজ্য নীতিৰ উদাৰীকৰণ আদিৰ বাবে মানুহে ইঠাইৰ পৰা সিঠাইলৈ গৈ বসবাস কৰিবলৈ লৈছে। ভাৰতৰ দৰে দেশত বিভিন্ন দেশত বিভিন্ন দেশৰ নাগৰিকৰ আগমন ঘটিছে। ই জনসংখ্যা বৃদ্ধিৰ এক গুৰুতৰ

কাৰণ হৈ পৰিছে। ইয়াৰ বাবে দেশবোৰ মাত্ৰাধিক জনসংখ্যাৰ সমস্যাৰে ভাৰাক্ৰান্ত হৈ পৰিছে। নগৰ অঞ্চলত এই সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। সমলৰ নাটনি, জীৱন যাপনৰ নিম্নমান আৰু বিভিন্ন সামাজিকভাৱে অশুভ ঘটনা ঘটাৰ মাত্ৰা বাঢ়ি গৈছে। জনসংখ্যা বৃদ্ধিৰ আন দুটামান কাৰণৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল -

- **দৰিদ্ৰতা ঃ** দৰিদ্ৰতা জনসংখ্যা বৃদ্ধিৰ এটা চিন্তনীয় কাৰণ। দৰিদ্ৰতা আৰু জনসংখ্যা বৃদ্ধিৰ মাজত এক চক্ৰীয় সম্পৰ্ক আছে। দৰিদ্ৰতা জনসংখ্যা বৃদ্ধিৰ কাৰক হৈ ৰোৱাৰ এক উল্লেখযোগ্য কাৰণ হ'ল-- মাত্ৰাধিক জনসংখ্যাই সৃষ্টি কৰা সমলৰ নাটনি। দৰিদ্ৰ পৰিয়ালত সন্তানৰ সংখ্যা অধিক। দৰিদ্ৰতাৰ সৈতে যুঁজাৰ এক প্ৰয়াস। ল'ৰা-ছোৱালীক উপাৰ্জনৰ পথত নিয়োজিত কৰি আৰ্থিক অৱস্থা উন্নত কৰাৰ চেষ্টা চলোৱাৰ পৰিণতিতে পৰিয়ালবোৰে অধিক সন্তান জন্ম দিয়ে। কিন্তু ইয়াৰ ফলত জনসংখ্যা বৃদ্ধি হয় আৰু জনসংখ্যা বঢ়া মানেই সমলৰ নাটনি হোৱা। সমলৰ নাটনিয়ে দাৰিদ্ৰৰ সৃষ্টি কৰে।
- **নিৰক্ষৰতা ঃ** নিৰক্ষৰতা আৰু জনসংখ্যা বৃদ্ধিৰ মাজতো এক ঘনিষ্ঠ সম্পৰ্ক আছে। নিৰক্ষৰতাই মানুহক অজ্ঞ কৰি ৰাখে। নিৰক্ষৰ লোকে জন্ম নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা নাইবা সৰু পৰিয়াল গঠন কৰা প্ৰথাৰ গুৰুত্ব নুবুজে। পৰ্যবেক্ষণৰ পৰা গম পোৱা গৈছে যে ভাৰতৰ যিবোৰ ৰাজ্যত সাক্ষৰতাৰ হাৰ নিম্ন, বিশেষকৈ যিবোৰ স্থানত নিৰক্ষ ৰ মহিলাৰ সংখ্যা অধিক তাত জন্মহাৰ অতি উচ্চ।
- **ছোৱালীক কম বয়সতে বিয়া দিয়াৰ নিয়ম ঃ** ছোৱালীক কম বয়সতে বিয়া দিয়াটোও জনসংখ্যা বৃদ্ধিৰ আন এটা কাৰণ। ভাৰতত ছোৱালী বিয়া দিয়াৰ আইনসন্মত বয়স ১৮ বছৰ আৰু ল'ৰাই বিয়া পতাৰ বয়স হ'ল ২১ বছৰ। কিন্তু বহুতো ছোৱালী, বিশেষকৈ গাঁও অঞ্চলৰ ছোৱালীবোৰ সাধাৰণতেই ১৫-২০ বছৰ বয়সৰ ভিতৰতে বিয়া হৈ যায়। ইয়াৰ ফলত তেওঁলোকৰ সন্তান জন্ম দিব পৰা বয়স দীঘলীয়া হৈ পৰে।
- **সজাগতাৰ অভাৱ ঃ** জনসংখ্যা বিষয়ক সমস্যাবোৰৰ বিষয়ে অনিয়ন্ত্ৰিত জনসংখ্যা বৃদ্ধিৰ পৰিণাম সম্পৰ্কে আৰু পৰিয়াল পৰিকল্পনা সম্পৰ্কে সজাগতাৰ অভাৱে জনসংখ্যা বৃদ্ধিত অৰিহণা যোগায়। বহুতে এতিয়াও পৰিয়াল পৰিকল্পনা পদ্ধতিসমূহৰ বিষয়ে নাজানে। তেওঁলোক ইয়াৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সম্পৰ্কে অজ্ঞ। গ্ৰাম্য বাসিন্দা আৰু নগৰ অঞ্চলৰ নিম্ন আয়ৰ পৰিয়ালবোৰৰ এনে অজ্ঞতাই জনসংখ্যা বৃদ্ধিৰ হাৰ উচ্চ হয়। সংস্কৃতিৰ অংশ ধৰ্মই পৰিয়াল পৰিকল্পনাত গভীৰ প্ৰভাৱ পেলায়। বহুতো ধৰ্মই বৃহৎ পৰিয়াল গঠনৰ পোষকতা কৰে আৰু কৃত্ৰিম জন্ম নিয়ন্ত্ৰণ পদ্ধতিবোৰৰ ব্যৱহাৰত বাধা দিয়ে। মহিলাক সীমিত শিক্ষা লাভৰ সুযোগ দিয়া, মহিলাৰ বাবে কৰ্মসংস্থাপনৰ সুবিধা নথকা,

কন্যা সন্তানতকৈ ল'ৰা সন্তানক অগ্ৰাধিকাৰ দিয়া আদি হ'ল জনসংখ্যা বৃদ্ধিত অৱিহণা যোগোৱা আন কেইটামান সমাজ-সাংস্কৃতিক কাৰক। শিক্ষিত মহিলাই অর্থনৈতিক সুৰক্ষা নিশ্চিত কৰিব পাৰে। এই মহিলাসকলে নিশ্চয়কৈ নিজ নিজ পৰিয়ালৰ আকাৰ সীমিত কৰাৰ উপযুক্ত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ জনসংখ্যা বৃদ্ধিক প্ৰভাৱিত কৰা তিনিটা প্ৰধান কাৰকৰ বিষয়ে লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ নিৰক্ষৰতা আৰু জনসংখ্যা বৃদ্ধিৰ মাজত কি সম্পর্ক আছে?

.....

.....

১৫.৪ শিক্ষাৰ গুণগত মান আৰু জনসংখ্যা বৃদ্ধি

জনসংখ্যা বৃদ্ধিৰ পৰিণামে দেশ এখনৰ শিক্ষা ব্যৱস্থা, অর্থনৈতিক উন্নয়ন, কর্মসংস্থাপনৰ সুযোগ আৰু সামগ্ৰিক পা�ৰিপার্শ্বিকতাত বিৰূপ প্ৰভাৱ পেলায়। শিক্ষাৰ গুণগত মান আৰু জনসংখ্যা বৃদ্ধি বিষয় দুটাৰ মাজত ওতঃপ্ৰোত সম্পর্ক আছে। জনসংখ্যা বৃদ্ধিয়ে শিক্ষাত পেলোৱা প্ৰভাৱ এটা অতি উদ্বেগজনক বিষয়। কাৰণ, একমাত্ৰ শিক্ষাই হ'ল এনে এক মাধ্যম যিটোৰ জৰিয়তে জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণ কৰিব পাৰি। ষ্টোনী ব্ৰুক বিশ্ববিদ্যালয়ৰ অর্থনীতি বিজ্ঞান বিষয়ৰ অধ্যাপক আৰু দ্য পপুলেশ্যন কাউন্সিলৰ এগৰাকী গৱেষক মার্ক মন্ত্গোমাৰিৰ মতে জনসংখ্যা বৃদ্ধিৰ হাৰ স্তিমিত কৰাৰ সবাতোকৈ শক্তিশালী আহিলা বিধ হ'ল শিক্ষা (Murray, 2015)। বিভিন্ন অধ্যয়নৰ পৰা গম পোৱা গৈছে যে শিক্ষাই পৰিয়ালৰ আকাৰ আৰু প্ৰজনন ক্ষমতা নিয়ন্ত্ৰণ বিষয়ক কথাবোৰত প্ৰত্যক্ষ প্ৰভাৱ পেলায়।

ভাৰতীয় সংবিধানত সকলোৰে বাবে গুণমানবিশিষ্ট শিক্ষাৰ কথা কোৱা হৈছে। গুণমানবিশিষ্ট শিক্ষাই একোটা নির্দিষ্ট স্বীকৃত মান বর্তাই ৰখা শিক্ষাৰ কথা বুজায়। গুণমানবিশিষ্ট শিক্ষাই শিশুৰ সর্বাংগীন বিকাশত মনোনিৱেশ কৰে। ই শিশুৰ সামাজিক, আৱেগিক, মানসিক, শাৰীৰিক আৰু প্ৰজ্ঞাত্মক বিকাশক প্ৰভাৱিত কৰে। এনে শিক্ষাই শিশুৰ সামাজিক লিংগ, জাতি, নৃগোষ্ঠীয় পৰিচয়, আর্থ-সামাজিক স্থিতি অথবা ভৌগলিক অৱস্থান আদি বিচাৰ নকৰে (Slade, 2021)। এখন দেশৰ প্ৰাপ্তবয়স্কৰ সাক্ষৰতাৰ হাৰ আৰু বিদ্যালয়ত নামভর্তি কৰাৰ অনুপাতত আধাৰত জুখি উলিওৱা শৈক্ষিক উন্নয়ন দেশখনৰ কিছুমান জনসংখ্যা গাঁথনিভিত্তিক বৈশিষ্ট্যৰ সৈতে সম্পর্ক থাকে। অধ্যয়নত এই কথা পোহৰলৈ আহিছে যে শিক্ষাৰ দিশেৰে উন্নত দেশবোৰত জনসংখ্যা বৃদ্ধিৰ হাৰ নিম্ন। ইয়াৰ বিপৰীতে শিক্ষাৰ দিশেৰে অনুন্নত দেশবোৰৰ জনসংখ্যা বৃদ্ধিৰ

হাৰ উচ্চ। শৈক্ষিক উন্নয়নৰ মধ্যমীয়া হাৰ প্ৰদৰ্শন কৰা দেশবোৰেও জনসংখ্যা বৃদ্ধিৰ সম্ভাৱনা বহনকাৰী তাৎক্ষণিক বৈশিষ্ট্য কিছুমান প্ৰকট কৰে। যদি শিক্ষাৰ গুণগত মান উন্নত হয় তেন্তে জনসংখ্যা বৃদ্ধিৰ হাৰ সুস্থিৰ হৈ থাকে আৰু ইয়াৰ ফলত সকলোৰে বাবে উন্নত শিক্ষা সুলভ কৰি তুলিব পৰা যায়। এখন দেশৰ শিক্ষাৰ গুণগত মানে দেশখনৰ সামগ্ৰিক উন্নয়নত প্ৰভাৱ পেলায়। গুণমান বিশিষ্ট শিক্ষাই ব্যক্তি তথা সমাজৰ সৰ্বাংগীন বিকাশ সাধন কৰে। ই মানুহৰ সম্ভাৱনীয়তাৰ সৰ্বোচ্চ বিকাশ ঘটাই মানুহক সমাজৰ উৎপাদনশীল সদস্যৰূপে গঢ়ি তোলে। গুণমানবিশিষ্ট শিক্ষাই দেশ এখনৰ স্থানীয়, আঞ্চলিক আৰু ৰাষ্ট্ৰীয় উন্নয়নমূলক প্ৰয়োজনীয়তাসমূহৰ লগতে বিশ্বজনীন বিকাশৰ প্ৰয়োজনীয়তাবোৰো পূৰ কৰে। শিক্ষাই জনসংখ্যা বিস্ফোৰণৰ দৰে ভয়াবহ সমস্যাৰ বিষয়ে বুজাত মানুহক সহায় কৰে। মানুহে শিক্ষাৰ প্ৰভাৱতে দেশবোৰে গ্ৰহণ কৰা জনসংখ্যা নীতিবোৰ পালন কৰাৰ অভ্যাস গঢ়ি তোলে। শিক্ষিতা মহিলাসকলে বিভিন্ন বিষয়ৰ লগতে পৰিয়ালকেন্দ্ৰিক বিষয়বোৰতো সিদ্ধান্ত গ্ৰহণ কৰিব পৰাকৈ সবল হৈ উঠে। ই জনসংখ্যা নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষাই সমাজৰ পৰা জন্ম নিয়ন্ত্ৰণ বিষয়ক নানা অন্ধবিশ্বাস, প্ৰথা-পৰম্পৰা আৰু সামাজিকভাৱে নিষিদ্ধ কাৰ্য নাইকিয়া কৰিব পাৰে। গৱেষণাৰ জৰিয়তে গম পোৱা গৈছে যে শিক্ষিতা মহিলাসকলৰ প্ৰজনন ক্ষমতা সীমিত কৰাৰ বিজ্ঞানসন্মত উপায় গ্ৰহণৰ গুৰুত্ব সম্পৰ্কে সজাগতা আৰু তেওঁলোকে দুটা সন্তানৰ জন্মৰ মাজত থাকিবলগীয়া সময়ৰ ব্যৱধানৰ কথা বুজি পায়। উচ্চ শিক্ষিতা মহিলাই সদায় সৰু পৰিয়াল গঠন কৰাৰ ইচ্ছা প্ৰকাশ কৰে (United Nations, 2003)। সৰু পৰিয়ালবোৰে সন্তানক উন্নত মানৰ শিক্ষা গ্ৰহণৰ সুযোগ দিব পাৰে। এনে পৰিয়ালত শিশুৰ বাবে উপলব্ধ সমলবোৰৰ মান আৰু পৰিৱেশো উন্নত হয়। ভাৰতত জনসংখ্যা বৃদ্ধিৰ হাৰ উচ্চ হোৱাৰ ফলত শিক্ষা ব্যৱস্থাটোও অতি ব্যয়বহুল হৈ পৰিছে। ফলত সমাজৰ এক বৃহৎ অংশ গুণমানবিশিষ্ট শিক্ষাৰ পৰা বঞ্চিত হৈছে। সৰু সৰু শ্ৰেণীকোঠাত মাত্ৰাধিক শিক্ষাৰ্থীক পঢ়ুৱাবলগীয়া হৈছে, শ্ৰেণীকোঠাত অনুশাসনৰ বান্ধোন শিথিল হৈ পৰিছে, উচ্চমানবিশিষ্ট শিক্ষা প্ৰদানৰ পৰিৱেশ নোহোৱা হৈছে, বিভিন্ন সমলৰ অপচয় ঘটিছে আৰু সমগ্ৰ শিক্ষা প্ৰক্ৰিয়াটোলৈ এক স্থবিৰতা আহি পৰিছে।

বিভিন্ন দেশে জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণ কৰিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰে। এই ব্যৱস্থাবোৰ বিধি-বিধান ভিত্তিক, শৈক্ষিক সম্পৰীক্ষাৰ দ্বাৰা এয়া বাৰে বাৰে প্ৰমাণিত হৈছে যে জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণৰ বহনক্ষম পদ্ধতিটো হ'ল শিক্ষাৰ প্ৰসাৰ। এক বিস্তৃত, সৰ্বাত্মক আৰু গুণমানসম্পন্ন শিক্ষা ব্যৱস্থাই জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণ কৰিব পাৰে। যেনে- যদি মহিলাসকল শিক্ষাৰে সবল কৰি তোলা হয় তেন্তে তেওঁলোকে প্ৰজননকেন্দ্ৰিক স্বাস্থ্যৰ বিষয়ে সজাগ হ'ব, বিয়াত বহাৰ আইনসংগত বয়সৰ কথা জানিব, নিজকে স্বাৱলম্বী কৰি গঢ়ি তুলিব পাৰিব আৰু এনে মহিলাক জন্ম নিয়ন্ত্ৰণৰ বিধি-বিধানবোৰ মানি চলিবলৈ সহজে মান্তি কৰাব পৰা যাব।

১৫.৫ জনসংখ্যা বৃদ্ধি আৰু প্ৰাপ্তবয়স্কৰ শিক্ষা

ভাৰতত ১৯-২১ বছৰ গোট অথবা তাতোকৈ অধিক বয়সৰ ব্যক্তিক প্ৰাপ্তবয়স্ক বুলি

ধৰা হয়। কোনো কাৰণত আনুষ্ঠানিক শিক্ষা গ্ৰহণ অথবা সমাপ্ত কৰিব নোৱাৰা প্ৰাপ্তবয়স্কসকলৰ বাবে বিকশাই তোলা শিক্ষা ব্যৱস্থাটোকে প্ৰাপ্তবয়স্কৰ শিক্ষা বোলে। সাৰ্বজনীনভাৱে শিক্ষা হ'ল এক জীৱনজোৰা অবিৰত প্ৰক্ৰিয়া। ব্যক্তিৰ জন্মৰ লগে লগে এই শিক্ষা আৰম্ভ হয় আৰু আমৃত্যু চলি থাকে। শিক্ষাৰ মৌলিক লক্ষ্য হ'ল ব্যক্তিৰ অন্তৰ্নিহিত শক্তিবোৰৰ বিকাশ সাধন কৰা। শিক্ষাই মানুহক শাৰীৰিক, মানসিক, নৈতিক, আধ্যাত্মিক আৰু আৱেগিক সামৰ্থবোৰ বিকশাই তোলে। প্ৰাপ্তবয়স্কৰ প্ৰতিভা আৰু কৰ্মক্ষেত্ৰত প্ৰদৰ্শন কৰা বুৎপত্তি বিকশাই তোলা শিক্ষাই হ'ল প্ৰাপ্তবয়স্কৰ শিক্ষা। ই এক সম্প্ৰদায়ভিত্তিক কাৰ্যকলাপ। ইয়াৰ প্ৰকৃতি স্থানীয়। কোনো এক নিৰ্দিষ্ট স্থানৰ সম্ভাব্য অংশগ্ৰহণকাৰীৰ প্ৰয়োজনীয়তাৰ দিশবোৰ বিবেচনা কৰি প্ৰাপ্তবয়স্কৰ শিক্ষাৰ আৰ্হি যুগুত কৰা হয়। ভাৰতত সাক্ষৰতাৰ সৈতে প্ৰাপ্তবয়স্ক শিক্ষাৰ ঘনিষ্ঠ সম্পৰ্ক আছে। প্ৰাপ্তবয়স্কৰ শিক্ষা হ'ল এক অনুশীলন। ইয়াৰ সহায়ত প্ৰাপ্তবয়স্কসকলে নতুন ধৰণৰ জ্ঞান, দক্ষতা, মনোভাৱ অথবা প্ৰমূল্যৰ গৰাকী হ'বলৈ কিছুমান নিৰ্দিষ্ট কাৰ্যকলাপ প্ৰণালীৱদ্ধভাৱে শিকে আৰু শিকা কথাবোৰ কাৰ্যত প্ৰয়োগ কৰে। এই শৈক্ষিক কাৰ্যকলাপবোৰ স্ব-শিকন পদ্ধতিৰ। ই ব্যক্তিক স্বাৱলম্বী, আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰশীল কৰি তোলে। ভাৰতত প্ৰাপ্তবয়স্কৰ শিক্ষাৰ মূল উদ্দেশ্য হ'ল দেশৰ সাক্ষৰতাৰ হাৰ বদ্ধি কৰা আৰু নিৰক্ষৰ লোকক বিভিন্ন ধৰণৰ জ্ঞানেৰে সমৃদ্ধ কৰা। প্ৰাপ্তবয়স্কৰ শিক্ষাই দেশ এখনৰ সামাজিক আৰু অৰ্থনৈতিক উন্নয়নত অৰিহণা যোগায়।

প্ৰাপ্তবয়স্ক শিক্ষাৰ্থীক জনসংখ্যা শিক্ষা প্ৰদানৰ সময়ত সংবেদনশীলতাৰ দিশটোলৈ লক্ষ্য ৰখা উচিত। প্ৰাপ্তবয়স্ককক আনুষ্ঠানিক ভাষণৰ জৰিয়তে এই শিক্ষা দিয়াৰ প্ৰয়াস কৰিলে সুফল পোৱা নাযায়। কাৰণ, তেওঁলোকে ইতিমধ্যে জন্ম নিয়ন্ত্ৰণ, পৰিয়াল পৰিকল্পনা, জনসংখ্যা বৃদ্ধি আদি বিষয়ত নিজ নিজ ধাৰণাৰে পুষ্ট। পৰিপক্ক বয়সত মানুহৰ মনত শিপাই যোৱা ধাৰণা, মনোভাৱ আৰু প্ৰমূল্যসমূহ সলনি কৰাটো এক জটিল কাম। সেয়েহে প্ৰাপ্তবয়স্কৰ শিক্ষা পৰিকল্পিতভাৱে অন্তৰ্ভূক্ত কৰি এক সংহত শিক্ষণ সামগ্ৰী প্ৰস্তুত কৰি ল'ব লাগে। প্ৰাপ্তবয়স্কৰ শিক্ষাই সমাজত সাক্ষৰ লোকৰ সংখ্যা বৃদ্ধি কৰি জনসংখ্যা বৃদ্ধিৰ সমস্যাটো নিয়ন্ত্ৰণ কৰাত সহায় কৰে। এনে শিক্ষাৰ শিক্ষণ সামগ্ৰীবোৰত সন্নিৱিষ্ট পাঠৰ সহায়ত সৰু পৰিয়াল গঠনৰ প্ৰথা, পৰিয়ালৰ সদস্যৰ সংখ্যা নিয়ন্ত্ৰণ কৰাৰ ফলত হোৱা সুবিধা, মাতৃ আৰু সন্তানৰ স্বাস্থ্যৰ দশা, পৰিয়ালৰ আৰ্থিক উন্নতি, সন্তানৰ বাবে উপযুক্ত শিক্ষাৰ ব্যৱস্থা, জীৱন যাপনৰ মান বৰ্তাই ৰখাৰ প্ৰয়োজনীয়তা আদিৰ বিষয়ে বুজাব পৰা যায়। প্ৰাপ্তবয়স্কৰ শিক্ষাই প্ৰজনন ক্ষমতা আৰু জন্ম নিয়ন্ত্ৰণ আদিৰ দৰে বিষয়ত প্ৰচলিত নানা অন্ধবিশ্বাস তথা ভুল ধাৰণা আঁতৰোৱাতো সহায় কৰিব পাৰে।

ভাৰত চকাৰে ১৯৭৮ চনত ৰাষ্ট্ৰীয় প্ৰাপ্তবয়স্কৰ শিক্ষা কাৰ্যসূচীৰ পাতনি মেলিছিল। এই কাৰ্যসূচীৰ লক্ষ্য আছিল দেশৰ অশিক্ষিত (নিৰক্ষৰ) প্ৰাপ্তবয়স্ক নাগৰিকক পাঁচ বছৰৰ ভিতৰত শিক্ষিত আৰু সাক্ষৰ কৰি তোলা। ১৯৮৬ চনত প্ৰাপ্তবয়স্কৰ সাক্ষৰতা আৰু শিক্ষা অব্যাহত ৰখা কাৰ্যসূচীত জনসংখ্যা শিক্ষা প্ৰকল্পটো সংযোজিত কৰা হয়। প্ৰাপ্তবয়স্ক শিক্ষাৰ নিৰ্দেশালয়ে এই

নতুন প্ৰকল্পটো কাৰ্যত ৰূপায়ন কৰাৰ দায়িত্ব লয়। ৰাজ্যিক আৰু আঞ্চলিক সমল কেন্দ্ৰবোৰৰ জৰিয়তে এই প্ৰকল্পৰ কাম-কাজবোৰ আগবঢ়াই নিয়া হৈছিল। এই কেন্দ্ৰবোৰে ৰাজ্যত চলি থকা সাক্ষৰতা কাৰ্যসূচীসমূহলৈ কাৰিকৰী আৰু শৈক্ষিক সহায়-সমৰ্থন আগবঢ়াইছিল। ১৯৮৮ চনত দেশত ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযান আৰম্ভ কৰা হৈছিল। এই অভিযান কেৱল সাক্ষৰতা সম্প্ৰসাৰণৰ কামতে চলোৱা হোৱা নাছিল। ই পৰিয়াল কল্যাণ ৰোগৰ প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা, মাতৃ-সন্তানৰ স্বাস্থ্যৰ যত্ন, পৰিৱেশ সংৰক্ষণ আদিৰ দৰে বিষয়বোৰকো সামৰি লৈছিল। সাক্ষৰতাই ব্যক্তিক যুক্তিসংগতভাৱে চিন্তা কৰিবলৈ আৰু নিজৰ দায়িত্ব সম্পৰ্কে সজাগ হ'বলৈ শিকায়।

প্ৰাপ্তবয়স্ক শিক্ষাৰ সবাতোকৈ উল্লেখনীয় সফলতা হ'ল মহিলা সবলীকৰণ। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ত ১০০% সাক্ষৰ নাগৰিকৰ লক্ষ্যত উপনীত হ'বলৈ শক্তিশালী আৰু উদ্ভাৱনীমূলক প্ৰাপ্তবয়স্ক শিক্ষাৰ কথা কোৱা হৈছে। তেতিয়াহে সাক্ষৰৰ হাৰ বৃদ্ধিকাৰী প্ৰয়াসবোৰৰ গতি ত্বৰান্বিত হ'ব। ইয়াৰ বাবে প্ৰাপ্তবয়স্ক শিক্ষাৰ পাঠ্যক্ৰম সংৰচনাটো উপযুক্ত হ'ব লাগিব, উপযুক্ত ধৰণৰ আন্তঃগাঁথনি গঢ়ি তুলিব লাগিব। ৰাষ্ট্ৰীয়/ৰাজ্যিক তথা জিলা পৰ্যায়ৰ সমল যোগানকাৰী সমৰ্থক প্ৰতিষ্ঠানবোৰে প্ৰশিক্ষক/তত্ত্বাৱধায়ক/শিক্ষাবিদসকলক উপযুক্ত প্ৰশিক্ষণ দিব লাগিব। সম্প্ৰদায়ৰ সদস্যসকলৰ প্ৰাপ্তবয়স্কৰ শিক্ষাৰ গ্ৰহণ কাৰ্যত ভাগ লোৱাতো সুনিশ্চিত কৰিব লাগিব। কিতাপ-পত্ৰ সুলভ, ক্ৰয়সাধ্য আৰু বুজাত সহজ হোৱাকৈ প্ৰস্তুত কৰিব লাগিব। বিভিন্ন কম্পিউটাৰ এপচ্, অনলাইন পাঠ্যক্ৰম/ম'ডিউলচ্, চেটেলাইটৰ দ্বাৰা অনুষ্ঠান সম্প্ৰচাৰকাৰী টিভি চেনেল, অন্‌লাইন কিতাপ, তথ্য-প্ৰযুক্তিবিদ্যাৰে পৰিচালিত গ্ৰন্থাগাৰ আৰু প্ৰাপ্তবয়স্কৰ শিক্ষাকেন্দ্ৰ আদিৰ দৰে গুণমানসম্প্ৰন্ন প্ৰযুক্তিবিদ্যাভিত্তিক বিকল্প সুবিধাৰ বিকাশ ঘটাই প্ৰাপ্তবয়স্কসকলৰ শিকন প্ৰক্ৰিয়াটো সমৃদ্ধ কৰি তোলাৰ প্ৰচেষ্টা চলাব লাগিব। এনেকৈয়ে প্ৰাপ্তবয়স্ককক শিক্ষিত কৰি তুলি তেওঁলোকক জনসংখ্যা বৃদ্ধিৰ হাৰ কম কৰাত নিজ নিজ ভূমিকা পালন কৰাৰ সুযোগ দিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ স্ত্ৰীশিক্ষাই কেনেদৰে জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণত সহায় কৰিব পাৰে?

.....

.....

প্ৰশ্ন নং ৪ ঃ প্ৰাপ্তবয়স্ক শিক্ষার্থীক জনসংখ্যা শিক্ষা প্ৰদান কৰাটোক এটা সংবেদনশীল বিষয় বুলি কিয় গণ্য কৰা হয়?

.....

.....

প্ৰশ্ন নং ৫ ঃ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০-ত প্ৰাপ্তবয়স্ক শিক্ষাৰ কোনবোৰ দিশত আলোকপাত কৰা হৈছে?

.....

.....

১৫.৬ জনসংখ্যা বৃদ্ধি আৰু বৃত্তিমুখী শিক্ষা

বৃত্তিমুখী শিক্ষাৰ সৈতে কৰ্মসংস্থাপনৰ এক সু সম্পৰ্ক আছে। কৰ্মসংস্থাপনৰ সম্পৰ্ক জনসংখ্যা বৃদ্ধিৰ সৈতেও জড়িত হৈ আছে। বৃত্তি হ'ল ব্যক্তিৰ জীৱন নিৰ্বাহৰ বাবে উপাৰ্জন কৰাৰ পথ। ই ব্যক্তিৰ উপাৰ্জনৰ প্ৰধান উপায়ো হ'ব পাৰে। বৃত্তিক ব্যক্তিৰ বাবে উপযোগী বুলি ধৰা হয়। বৃত্তিত নিয়োজিত হ'বলৈ ব্যক্তিৰ মনত নিষ্ঠাৰ মনোভাৱ থকা উচিত। বৃত্তিমুখী শিক্ষা হ'ল এক প্ৰকাৰৰ প্ৰশিক্ষণ। পাঠ্যক্ৰম আৰু হাতে-কামে দিয়া প্ৰশিক্ষেণেৰে ব্যক্তিয়ে বৃত্তিমুখী শিক্ষা গ্ৰহণ কৰে। কোনো এক বিশেষ কাৰ্য সম্পাদন কৰাৰ উদ্দেশ্যেৰে দিয়া এনে শিক্ষাৰ শিক্ষক আৰু শিক্ষাৰ্থী বিশেষীকৃত দক্ষতাৰ অধিকাৰী। বৃত্তিমুখী শিক্ষাৰ লক্ষ্য হ'ল ব্যক্তিক তেওঁৰ সামৰ্থ, শিক্ষা গ্ৰহণৰ ক্ষমতা, শাৰীৰিক দক্ষতা আৰু আৱেগিক সক্ষমতা অনুসৰি উপযুক্ত কাম একোটাত দক্ষ কৰি তোলাৰ প্ৰশিক্ষণ দিয়া।

এতিয়া জনসংখ্যা বৃদ্ধি আৰু বৃত্তিমুখী শিক্ষাৰ মাজত থকা সম্পৰ্কটো আলোচনা কৰো আহক। জনসংখ্যাৰ আকাৰ আৰু কৰ্মসংস্থাপনৰ সুযোগৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক আছে। দুয়োটা কথাৰ সৈতে আকৌ দেশ এখনৰ অৰ্থনীতিৰ সম্বন্ধ থাকে। জনসংখ্যা বৃদ্ধিৰ হাৰ উচ্চ হ'লে কৰ্মসংস্থাপনহীনতাৰ সমস্যাটোৱে গা-কৰি উঠে। জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ বাবে যুৱ প্ৰজন্মই পৰ্যাপ্ত কৰ্মসংস্থাপনৰ সুযোগ নাপায়। শিক্ষাৰ আনুষ্ঠানিক ব্যৱস্থাত বৃত্তিমুখী শিক্ষা লাভৰ সুবিধা নাই বুলিয়েই ক'ব পাৰি। বৃত্তিমুখী শিক্ষাৰ জৰিয়তে মানুহ আত্মনিৰ্ভৰশীল হয় আৰু নিজ নিজ পৰিয়ালক আৰ্থিক দিশেৰে সহায় কৰিব পাৰে। বৃত্তিমুখী শিক্ষাই যুৱ প্ৰজন্মক স্ব-নিয়োজিত হ'বলৈ অথবা কৰ্মজীৱন সম্পৰ্কে উচিত সিদ্ধান্ত লোৱাৰ দিক্-নিৰ্দেশনা প্ৰদান কৰে। এনে শিক্ষাই দক্ষ কৰ্মীবলৰ সৃষ্টি কৰে। ফলত উৎপাদনশীলতা বাঢ়ে। বৰ্দ্ধিত উৎপাদনশীলতাই জনসংখ্যাৰ বৰ্দ্ধিত আকাৰ অনুসৰি সহায়-সমৰ্থন আগবঢ়ায়।

ভাৰত চৰকাৰে বিভিন্ন প্ৰকাৰৰ বৃত্তিমুখী শিক্ষাৰ কাৰ্যসূচী চলাই আছে। ১৯৮৮ চনত শ্ৰম মন্ত্ৰালয়ে দেশৰ বৃত্তিমুখী শিক্ষাৰ প্ৰশিক্ষণ অনুষ্ঠানবোৰত 'বৃত্তিমুখী শিক্ষাৰ প্ৰশিক্ষণত জনসংখ্যা শিক্ষাৰ প্ৰকল্প' নামৰ প্ৰকল্পটো আৰম্ভ কৰিছিল। দেশৰ প্ৰধান ঔদ্যোগিক প্ৰশিক্ষণ অনুষ্ঠানবোৰত (ITIs) এই প্ৰকল্পৰ পাতনি মেলা হৈছিল। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ত ২০২৫ চনৰ ভিতৰত দেশৰ বিদ্যালয় আৰু উচ্চতৰ শিক্ষা ব্যৱস্থাৰ অধীনত শিক্ষা গ্ৰহণ কৰি থকাসকলৰ ভিতৰত অতি কমেও ৫০% শিক্ষাৰ্থীক বৃত্তিমুখী শিক্ষা প্ৰদান সুনিশ্চিত কৰাৰ লক্ষ্য বান্ধি লোৱা হৈছে। ইয়াৰ বাবে শিক্ষানীতিত কোৱা হৈছে যে বিভিন্ন উপায় প্ৰয়োগ কৰি দেশৰ সকলো শিক্ষানুষ্ঠানতে পৰ্যায়ক্ৰমিকভাৱে মূলসুঁতিৰ শিক্ষাত বৃত্তিমুখী শিক্ষাৰ পাঠ্যক্ৰম সংযোজিত কৰি

ইয়াক ফলপ্রসূ হোৱাকৈ এক সংহত ৰূপ দিব লাগিব। ইযাৰ বাবে শিক্ষানুষ্ঠানসমূহে স্থানীয় উদ্যোগ, দক্ষতা বিকাশকাৰী কেন্দ্র অথবা দক্ষতা পৰীক্ষাগাৰবোৰৰ সৈতে সহযোগিতামূলক সম্পর্ক স্থাপন কৰি বিভিন্ন হ্রস্বম্যাদী চাটিফিকেট পাঠ্যক্রম চলাব লাগিব। এই সংহতি স্থাপনৰ বাবে শিক্ষানীতিত 'বৃত্তিমুখী শিক্ষাৰ সংহতিকৰণৰ ৰাষ্ট্রীয় সমিতি' (NCIVE) এখন গঠন কৰাৰ আহ্বান জনোৱা হৈছে। বৃত্তিমুখী শিক্ষাৰ বিশেষজ্ঞ আৰু মন্ত্র্যালয়ৰ প্রতিনিধি সদস্যৰে গঠিত হ'বলগীয়া এই সমিতিখনে দেশৰ বিভিন্ন উদ্যোগৰ সৈতে সম্পর্ক স্থাপন কৰি সন্মিলিতভাৱে এই পাঠ্যক্রমবোৰ প্রস্তুত কৰিব।

১৫.৭ জনসংখ্যা বৃদ্ধি আৰু অনানুষ্ঠানিক শিক্ষা

আপুনি নিশ্চয় জানে যে শিক্ষা লাভৰ তিনিটা প্রধান ৰূপ আছে- আনুষ্ঠানিক (Formal), অনিয়মিত (Informal) অনানুষ্ঠানিক (Non-formal) শিক্ষা। অনানুষ্ঠানিক শিক্ষা হ'ল শিক্ষাৰ আনুষ্ঠানিক ব্যৱস্থাৰ এক বিকল্প। ই আনুষ্ঠানিক শিক্ষাৰ আওতাৰ বাহিৰত থাকে যদিও এই শিক্ষাত সু-সংগঠিত আৰু প্রণালীৱদ্ধ। অনানুষ্ঠানিক শিক্ষাৰো সুসংবদ্ধ উদ্দেশ্য আছে। এই শিক্ষাই এক বহল পৰিসৰত শিকাৰ সুযোগ সৃষ্টি কৰি দিয়ে। অনানুষ্ঠানিক শিক্ষাৰ সবাতোকৈ উল্লেখযোগ্য বৈশিষ্ট্য দুটা হ'ল ইয়াৰ নমনীয় প্রকৃতি আৰু এই শিক্ষা কমখৰছী। এই শিক্ষাৰ লক্ষ্য হ'ল কোনো কাৰণত আনুষ্ঠানিক শিক্ষাৰ প্রাথমিক পর্যায়টোত উত্তীর্ণ হ'ব নোৱাৰা অথবা প্রাথমিক শিক্ষা লাভৰ পৰা বঞ্চিত হৈ ৰোৱা শিক্ষার্থীসকল। বিদ্যালয় আধাতে এৰা, নতুনকৈ লিখা-পঢ়া শিকিবলৈ আৰম্ভ কৰা শ্রমজীৱি লোক আৰু সমাজৰ সা-সুবিধাৰ পৰা বঞ্চিত শ্রেণীটোক অনানুষ্ঠানিক শিক্ষাই সামৰি লয়। ই আনুষ্ঠানিক শিক্ষাৰ অনুপূৰক। ভাৰতক ১০০% সাক্ষৰতাৰ লক্ষ্যত উপনীত হোৱাত অনানুষ্ঠানিক শিক্ষাই সহায় কৰিব পাৰে। এই শিক্ষাই কর্মসংস্থাপন লাভৰ সুযোগৰ বৃদ্ধিৰ লগতে বৃত্তিগত দিশৰো বিকাশ সাধন কৰে। আগতেই উল্লেখ কৰা হৈছে যে অনানুষ্ঠানিক শিক্ষা হ'ল শিকনৰ এক সুসংগঠিত কার্যসূচী।

সমাজৰ পৰা অজ্ঞানতাৰ লগতে বিভিন্ন ধৰণৰ অন্ধবিশ্বাস আঁতৰ কৰাত অনানুষ্ঠানিক শিক্ষাই এক শক্তিশালী ভূমিকা পালন কৰিব পাৰে। এই শিক্ষাই সেইসকল লোকক লক্ষ্য কৰি লয় যিসকলে অংশগ্রহণৰ জৰিয়তে সক্রিয় নাইবা নিষ্ক্রিয়ভাৱে সামাজিক প্রথা-পৰম্পৰাবোৰৰ আৰ্হি প্রস্তুত কৰে। অনানুষ্ঠানিক শিক্ষাৰ আন এটা গুৰুত্বপূর্ণ লক্ষ্য গোট হ'ল মহিলা। শিক্ষাই মহিলাৰ সবলীকৰণ সম্ভৱ কৰি তোলে। শিক্ষিতা মহিলাসকল নিজৰ অধিকাৰ, কর্তব্য, স্বাস্থ্য, সন্তানৰ যত্ন, কম সন্তান জন্ম দিয়াৰ উপকাৰিতা আদিৰ দৰে কথাবোৰত সচেতন হৈ উঠে। এই কথাবোৰে জনসংখ্যাৰ সমস্যাটোক প্রত্যক্ষভাৱে প্রভাৱিত কৰে। অনানুষ্ঠানিক শিক্ষাই সমাজত সমতা সৃষ্টি কৰাত, মানুহৰ অর্থনৈতিক স্থিতিৰ উন্নতিত আৰু মানুহৰ নির্দিষ্ট প্রয়োজনীয়তাবোৰ পূৰণ কৰাত সহায় কৰাৰ লগতে মানুহৰ সবলীকৰণ ঘটায়। জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্রণত অনানুষ্ঠানিক শিক্ষাৰ ভূমিকা অতি তাৎপর্যপূর্ণ।

ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰত জনসংখ্যাৰ আকাৰ আৰু উপলব্ধ সমলৰ মাজত

ইতিমধ্যে অসমতাৰ সৃষ্টি হৈছে ভিন্নধর্মী প্রয়োজনীয়তাৰে দ্রুত গতিত বৃদ্ধি হোৱা জনসংখ্যাই সৃষ্টি কৰা শৈক্ষিক প্রয়োজনীয়তা এতিয়া আৰু কেৱল আনুষ্ঠানিকতা শিক্ষাই পূৰণ কৰিব নোৱাৰে। ভাৰত চৰকাৰে বিষয়টোৰ গুৰুত্ব অনুধাৱন কৰি সময়ে সময়ে অনানুষ্ঠানিক শিক্ষাৰ বিভিন্ন উদ্যোগৰ সূচনা কৰি আহিছে। দেশত চলি থকা কেইটামান অনানুষ্ঠানিক শিক্ষাৰ উদ্যোগ হ'ল শিক্ষা নিশ্চয়তা আঁচনি, (EGS), বিকল্প বিদ্যালয়ভিত্তিক শিক্ষা কার্যসূচী, শিক্ষা, কর্মী প্রকল্প, ৰাষ্ট্রীয় মুক্ত বিদ্যালয় প্রতিষ্ঠান, ৰাজ্যিক মুক্ত বিদ্যালয় প্রতিষ্ঠান ইত্যাদি। এই উদ্যোগসমূহ কেন্দ্রীয় অথবা ৰাজ্য চৰকাৰৰ তত্ত্বাৱধানত চলি আছে। এই কার্যসূচীবোৰৰ এক নির্দিষ্ট লক্ষ্য আছে। এই কার্যসূচীবোৰৰ লক্ষ্য হ'ল এক নমনীয় উপায়েৰে শিক্ষাক সকলোৰে বাবে সহজলভ্য কৰি তোলে। ইয়াৰ ফলত অধিক লোকে শিক্ষাগ্রহণৰ সুযোগ পাব। কালক্রমত ইয়াৰ বাবেই জনসংখ্যা নিয়ন্ত্রণ সম্পর্কীয় সজাগতা আৰু জ্ঞান বৃদ্ধি হয় তথা মানুহৰ মনোভাৱ সলনি হয়। মানুহে জনসংখ্যা নিয়ন্ত্রণৰ বাবে আৱশ্যকীয় দক্ষতা আহৰণ কৰে। শেহতীয়াভাৱে ৰাষ্ট্রীয় শিক্ষানীতি ২০২০ ৰ জৰিয়তে মুক্ত আৰু দূ�ৰৱর্তী শিক্ষা (ODL) ৰ কার্যসূচীসমূহ সুদৃঢ় তথা সম্প্রসাৰিত কৰাৰ পৰামর্শ আগবঢ়োৱা হৈছে। এই কার্যসূচীসমূহ ৰাষ্ট্রীয় মুক্ত বিদ্যালয় প্রতিষ্ঠান (NIOS) আৰু ৰাজ্যিক মুক্ত বিদ্যালয় প্রতিষ্ঠানবোৰে পৰিচালনা কৰে। ৰাষ্ট্রীয় শিক্ষানীতি এই প্রতিষ্ঠানবোৰৰ বাবে বিভিন্ন নতুন নতুন ধৰণৰ শৈক্ষিক কার্যসূচী প্রস্তুত কৰাৰো পৰামর্শ দিয়া হৈছে। শিক্ষানীতিত কোৱা হৈছে যে এই নতুন কার্যসূচীবোৰত নিৱিষ্ট সমল (Input) ত কমকৈ গুৰুত্ব দি ফলাফলৰ সম্ভাৱনীয়তা (Output potential) ত অধিক গুৰুত্বসহকাৰে মনোনিৱেশ কৰা উচিত। এনে কার্যসূচীয়ে যাতে প্রত্যাশিত শিকন ফলাফল প্রদর্শন কৰিব পাৰে তালৈ লক্ষ্য ৰাখি কার্যসূচীসমূহ প্রস্তুত কৰিব লাগিব। এই কাম সফলতাৰে আগবঢ়াই নিবলৈ সম্প্রদায় আৰু শিক্ষানুষ্ঠানবোৰৰ প্রাক্তন শিক্ষার্থীসকলৰ স্বেচ্ছামূলক সহায়-সহযোগিতা নিশ্চিত কৰিবলৈ প্রয়াস চলাই থকা হৈছে। এই অংশগ্রহণে শিকন প্রক্রিয়াটো অধিক সমৃদ্ধ কৰিব বুলি ভবা হৈছে। যিমানে অধিক মানুহৰ বাবে অনানুষ্ঠানিক শিক্ষা গ্রহণৰ ব্যৱস্থাটো সুচল হ'ব, সিমানেই মানুহে জনসংখ্যা বৃদ্ধিৰ সমস্যাটো ভালদৰে বুজি পাব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ কোন চনত 'বৃত্তিমুখী নিক্ষাৰ প্রশিক্ষণত জনসংখ্যা শিক্ষাৰ প্রকল্প' নামৰ প্রকল্পটোৰ কাম-কাজ আৰম্ভ হৈছিল ?

.....

.....

প্রশ্ন নং ৭ ঃ অনানুষ্ঠানিক শিক্ষা প্রসাৰ কৰিবলৈ ভাৰত চৰকাৰে চলাই থকা দুটা উদ্যোগৰ নাম লিখক।

.....

.....

১৫.৮ জনসংখ্যা বৃদ্ধি আৰু জনসংখ্যা শিক্ষা

ইতিমধ্যে আগৰ অধ্যায়বোৰ পঢ়ি আপুনি নিশ্চয় জনসংখ্যা শিক্ষাৰ ধাৰণাটো স্পষ্টকৈ বুজি পাইছে। ই তুলনামূলকভাৱে এক নতুন অধ্যয়ন ক্ষেত্ৰ। ই এক গতিশীল ধাৰণা। পৰিৱৰ্তিত প্ৰয়োজন আৰু নতুনকৈ গা কৰি উঠা সমস্যা তথা উদ্বেগৰ সৈতে জনসংখ্যা শিক্ষাৰ ৰেহৰূপ সলনি হৈ থাকে। জনসংখ্যা শিক্ষা বুলিলে সাধাৰণতে জনসংখ্যা বিষয়ক সমস্যাবোৰক লৈ থকা মানুহৰ মনোভাৱ তথা আচৰণৰ আৰ্হিবোৰলৈ পৰিৱৰ্তন কঢ়িয়াই অনা শিক্ষাৰ কথা বুজোৱা হয়। ই এক শৈক্ষিক প্ৰক্ৰিয়া। ইয়াৰ জৰিয়তে জনসংখ্যা বৃদ্ধিৰ কাৰণ আৰু পৰিণামবোৰৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰা হয়। ইয়াৰ লক্ষ্য হ'ল শিক্ষাৰ্থীক ব্যক্তি আৰু সমষ্টিবাদী স্তৰত জনসংখ্যা পৰিস্থিতিৰ বহুমুখী ৰূপবোৰৰ বিষয়ে জনা আৰু বুজাৰ সুযোগ দিয়া। জনসংখ্যাৰ বিভিন্ন দিশ তথা কাৰকৰ মাজত থকা কাৰণ-প্ৰভাৱ আৰু সম্পৰ্কবোৰত আলোকপাত কৰি জনসংখ্যা শিক্ষাই শিক্ষাৰ্থীৰ জ্ঞান সমৃদ্ধ কৰে। শিক্ষাৰ্থীয়ে পৰিয়াল পৰিকল্পনা, জন্ম নিয়ন্ত্ৰণৰ পদ্ধতি, সমলৰ বহনক্ষম ব্যৱহাৰ, জীৱন-যাপনৰ মান উন্নত কৰাৰ আৱশ্যকতা, জীৱনৰ গুণমান আদি বিষয়ত যুক্তিসংগত সিদ্ধান্ত ল'বলৈ শিকে। জনসংখ্যা শিক্ষা এটা বিস্তৃত কাৰ্যসূচী। ই জনসংখ্যা সলনি হোৱাৰ প্ৰকৃতি, কাৰণ, পৰিৱৰ্তনৰ ৰেহৰূপ, বৈশিষ্ট্য, জনসংখ্যা বিতৰণ আৰু পৰিণাম আদিৰ দৰে দিশবোৰৰ লগতে মানৱ জনসংখ্যা নিয়ন্ত্ৰণৰ উপায়সমূহক সামৰি লয়।

মানুহক ভৱিষ্যৎ প্ৰজন্ম আৰু সমাজখনৰ প্ৰতি থকা দায়িত্ব সম্পৰ্কে সজাগ কৰি তুলিবলৈ শিক্ষাৰ সকলো স্তৰতে উপযুক্ত পৰিকল্পনাৰে প্ৰস্তুত কৰি লোৱা জনসংখ্যা শিক্ষাৰ কাৰ্যসূচী প্ৰচলিত কৰোৱাটো অত্যন্ত আৱশ্যকীয় হৈ পৰিছে। এই শিক্ষাই সৰু ল'ৰা-ছোৱালীক ভৱিষ্যতৰ বাবে দায়িত্বশীল প্ৰাপ্তবয়স্ক কৰি গঢ়ি তোলে। জনসংখ্যা শিক্ষাই পৰিয়াল পৰিকল্পনা বিষয়ক শিক্ষাও প্ৰদান কৰে। পৰিয়াল পৰিকল্পনা হ'ল সন্তান জন্ম দিয়াৰ আচৰণ দায়িত্বশীলভাৱে নিয়ন্ত্ৰণ কৰি, সন্তান জন্মৰ নিৰ্দ্ধাৰণ কৰি পৰিয়াল গঢ় দিয়াৰ প্ৰয়াস। ইয়াৰ জনসংখ্যা নিয়ন্ত্ৰণৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক আছে । জনসংখ্যা শিক্ষাই জনসংখ্যাৰ উপাদান জড়িত হৈ থকা বিভিন্ন সমস্যাৰ প্ৰকৃতি চিনাক্তকৰণ তথা সংজ্ঞাৱদ্ধকৰণতো সহায় কৰে। জনসংখ্যা শিক্ষাৰে শিক্ষিত লোকে এই সমস্যাবোৰ উদ্ভৱ হোৱাৰ কাৰণ, মানুহৰ ব্যক্তিগত সিদ্ধান্ত আৰু কামৰ পৰিণাম আদিৰ বিষয়ে স্পষ্টকৈ বুজি পায়। এই শিক্ষাই ব্যক্তিক জনসংখ্যা বিষয়ক সমস্যাবোৰৰ সমাধান বাহিৰ কৰাত অৱিহণা যোগাবলৈ সমৰ্থ কৰি তোলে।

ভাৰতত জনসংখ্যা শিক্ষাৰ প্ৰচলন আৰু প্ৰসাৰ এক প্ৰত্যাহ্বানপূৰ্ণ বিষয়। কাৰণ, আমাৰ দেশত পৰিয়াল, পৰিয়াল পৰিকল্পনা আৰু জন্ম নিয়ন্ত্ৰণ আদিৰ দৰে বিষয়বোৰত বৈচিত্ৰ্যময় সামাজিক তথা সাংস্কৃতিক প্ৰথা-পৰম্পৰা জড়িত হৈ আছে। অৱশ্যে জনসংখ্যা শিক্ষা সম্প্ৰসাৰিত কৰাৰ বাবে বিভিন্ন ধৰণৰ প্ৰয়াস অব্যাহত আছে। ভৱিষ্যতৰ মাক-দেউতাকসকলক বৰ্তমানতেই জনসংখ্যা শিক্ষাৰে শিক্ষিত কৰি ল'লে এই শিক্ষাৰ ফলপ্ৰসূতা বাঢ়ে। ১৯৬৯ চনত জনসংখ্যা শিক্ষা বিষয়ক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ পাছৰে পৰাই ভাৰতীয় শিক্ষা

ব্যৱস্থাই এই বিষয়টোক গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। ইয়াৰ ফলস্বৰূপে ১৯৮০ চনত ৰাষ্ট্ৰসংঘৰ জনসংখ্যাকেন্দ্ৰিক কাৰ্যকলাপ পুঁজি (UNFPA) ৰ সহায়ত দেশত ৰাষ্ট্ৰীয় জনসংখ্যা শিক্ষা প্ৰকল্পৰ পাতনি মেলা হয়। ইয়াৰ সহায়ত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত জনসংখ্যা শিক্ষাক অন্তৰ্ভুক্ত কৰা হয়। UNFPA- ৰ পৰ্যৱেক্ষণত ধৰা পৰিছিল যে জনসংখ্যা বৃদ্ধিৰ সমস্যাটো আলোচনা কৰাৰ সময়ত ল'ৰা-ছোৱালীহঁতে কেৱল সন্তান জন্ম দিয়াৰ ক্ষমতা আৰু সামৰ্থৰ কথাতেই চিন্তা প্ৰকাশ কৰা নাই। সিহঁতৰ উদ্বেগে সিহঁতৰ শিক্ষা, জীৱিকা আৰু নাগৰিকত্বৰ দৰে বিষয়বোৰকো স্পৰ্শ কৰিছে। বিষটোৰ প্ৰসাৰ ঘটোৱাৰ বহল কাৰ্যকৌশলৰ অংশ কৰি ল'ব পৰা কাৰ্য কেইটামান হ'ল সহায়-সমৰ্থন আগবঢ়াব পৰা নীতি প্ৰস্তুতকৰণ, সামাজিক লিংগভেদে থকা সংবেদনশীলতাৰ কথা বিবেচনা কৰা, জীৱন-দক্ষতা বৃদ্ধিকাৰী শিক্ষা য'ত যুৱ প্ৰজন্মৰ অনুকূল যৌন আৰু সন্তান জন্ম দিয়াৰ সামৰ্থ বৰ্তাই ৰখা স্বাস্থ্য বিষয়ক বিভিন্ন সেৱাৰ পাতনি মেলা ইত্যাদি। এই কামবোৰ যুৱ নেতৃত্ব আৰু অংশগ্ৰহণেৰে আগবঢ়াই নিব লাগিব। UNFPA ৰ পৰা পোৱা বিত্তীয় সাহায্যেৰে ১৯৮৬ চনত পৰা দেশত 'উচ্চতৰ শিক্ষাত জনসংখ্যা শিক্ষা প্ৰকল্প'ৰ পাতনি মেলা হৈছিল। বিশ্ববিদ্যালয় পৰ্যায়ত জনসংখ্যা শিক্ষা অন্তৰ্ভুক্তকৰণৰ প্ৰধান উদ্দেশ্য আছিল এই শিক্ষা বিদ্যায়তনিক আৰু সামাজিক উভয় দিশেৰে সম্প্ৰদায়বোৰৰ মাজলৈ সম্প্ৰসাৰিত কৰা। বিশ্ববিদ্যালয় অনুদান আয়োগে (UGC) ১৯৮৩ চনত পৰা দেশৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ত জনসংখ্যা শিক্ষা প্ৰদানৰ প্ৰয়াস চলাই আহিছে। ইয়াৰ বাবে ৯২ খন বিশ্ববিদ্যালয় আৰু ১৩০০ খন মহাবিদ্যালয়ত 'জনসংখ্যা শিক্ষা ক্লাব' গঠন কৰি সেইবোৰেই বিত্তীয় সাহায্য আগবঢ়োৱা হৈছিল। ক্লাববোৰে শিক্ষানুষ্ঠানৰ চৌহদত শিক্ষাৰ্থীসকলৰ বাবে জনসংখ্যা শিক্ষা বিষয়ক বিভিন্ন শৈক্ষিক কাৰ্যকলাপৰ আয়োজন কৰিছিল। শিক্ষাৰ্থীৰ জৰিয়তে এই কাৰ্যকলাপসমূহ সম্প্ৰদায়ৰ মাজত বিয়পি পৰিছিল। ১৯৮৬ চনৰ জনসংখ্যা শিক্ষা বিষয়ক কাৰ্যসূচীবোৰ জনসংখ্যা শিক্ষা গৱেষণা কেন্দ্ৰবোৰৰ (PERCs) দ্বাৰা কাৰ্যৰূপায়িত কৰাৰ কাম আৰম্ভ হৈছিল। এই কেন্দ্ৰবোৰ প্ৰাপ্তবয়স্ক শিক্ষা অবিৰত তথা সম্প্ৰসাৰিতকৰণ বিভাগৰ অধীনস্থ আছিল। দেশৰ বাৰখন বিশ্ববিদ্যালয়ত এই কেন্দ্ৰ স্থাপন কৰা হৈছিল। প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰ থকা বিশ্ববিদ্যালয় কেইখন হ'ল - জম্মু, দিল্লী, গুজৰাত ৱিদ্যাপীঠ, এছ এন ডিটি মহিলা বিশ্ববিদ্যালয়, পুনা, মাদ্ৰাজ, কেৰালা, ৱিক্ৰম, বৰ্দ্ধৱান, ৰাঁচী নেহু আৰু গান্ধীগ্ৰাম ৰুৱেল বিশ্ববিদ্যালয়। ওপৰৰ আলোচনাৰ পৰা আমি জানিব পাৰিলো যে দেশৰ শিক্ষা ব্যৱস্থাৰ বিভিন্ন স্তৰত জনসংখ্যা শিক্ষাক অন্তৰ্ভুক্ত কৰাৰ অবিৰত প্ৰয়াস চলাই থকা হৈছে।



১৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- জনসংখ্যা বৃদ্ধি মানে হ'ল কোনো এডোখৰ নিৰ্দিষ্ট স্থানত কোনো এক নিৰ্দিষ্ট সময়ত

কোনো এক জনসংখ্যাৰ গোটবোৰৰ সংখ্যাগত পৰিৱৰ্তন। জনসংখ্যা বৃদ্ধিৰ প্ৰধানতঃ তিনিটা কাৰক-- ক্ষমতা, মৃত্যুহাৰ আৰু প্ৰব্ৰজন।

- কোনো এক জনসংখ্যাৰ জন্ম, মৃত্যু, প্ৰব্ৰজন আৰু প্ৰবাস গমনৰ সংখ্যা সমতাপূৰ্ণ হৈ থকাতো অত্যন্ত আৱশ্যক। জনসংখ্যা বৃদ্ধিৰ আন বহুতো সামাজিক সমস্যা, গোলকীয় উষ্ণতা বৃদ্ধিৰ সমস্যা, স্বাস্থ্য পাৰিপাৰ্শ্বিক সমস্যা আদিৰ লগতে সামগ্ৰিক উন্নয়নৰ সমস্যাৰ সৈতে সম্পৰ্ক আছে।
- শিক্ষাৰ দিশেৰে উন্নত দেশবোৰে জনসংখ্যা বৃদ্ধিৰ নিম্ন হাৰ প্ৰদৰ্শন কৰে। ইয়াৰ বিপৰীতে শিক্ষাৰ দিশেৰে অনুন্নত দেশবোৰৰ জনসংখ্যা বৃদ্ধিৰ হাৰ উচ্চ। শৈক্ষিক উন্নয়নৰ মধ্যমীয়া হাৰ প্ৰদৰ্শন কৰা দেশবোৰেও জনসংখ্যা বৃদ্ধিৰ সম্ভাৱনা বহনকাৰী তাৎক্ষণিক বৈশিষ্ট্য কিছুমান প্ৰকট কৰে।
- যদি শিক্ষাৰ গুণগত মান উন্নত হয় তেন্তে জনসংখ্যা বৃদ্ধিৰ হাৰ সুস্থিৰ হৈ থাকে আৰু ইয়াৰ ফলত সকলোৰে বাবে উন্নত শিক্ষা সুলভ কৰি তুলিব পৰা যায়।
- শিক্ষাই জনসংখ্যা বিস্ফোৰণৰ দৰে ভয়াবহ সমস্যাৰ বিষয়ে বুজাত মানুহক সহায় কৰে। মানুহে শিক্ষাৰ প্ৰভাৱতে দেশবোৰে গ্ৰহণ কৰা জনসংখ্যা নীতিবোৰ পালন কৰাৰ অভ্যাস গঢ়ি তোলে।
- শিক্ষিতা মহিলাসকলৰ প্ৰজনন ক্ষমতা সীমিত কৰাৰ বিজ্ঞানসন্মত উপায় গ্ৰহণৰ গুৰুত্ব সম্পৰ্কে সজাগ আৰু তেওঁলোকে দুটা সন্তানৰ জন্মৰ মাজত থাকিবলগীয়া সময়ৰ ব্যৱধানৰ কথা বুজি পায়। উচ্চ শিক্ষিতা মহিলাই সদায় সৰু পৰিয়াল গঠন কৰাৰ ইচ্ছা প্ৰকাশ কৰে
- বিভিন্ন দেশে জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণ কৰিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰে। এই ব্যৱস্থাবোৰ বিধি-বিধান ভিত্তিক, শৈক্ষিক সম্পৰীক্ষাৰ দ্বাৰা এয়া বাৰে বাৰে প্ৰমাণিত হৈছে যে জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণৰ বহনক্ষম পদ্ধতিটো হ'ল শিক্ষাৰ প্ৰসাৰ।
- প্ৰাপ্তবয়স্ক শিক্ষাৰ্থীক জনসংখ্যা শিক্ষা প্ৰদানৰ সময়ত সংবেদনশীলতাৰ দিশটোলৈ লক্ষ্য ৰখা উচিত। প্ৰাপ্তবয়স্কক আনুষ্ঠানিক ভাষণৰ জৰিয়তে এই শিক্ষা দিয়াৰ প্ৰয়াস কৰিলে সুফল পোৱা নাযায়। কাৰণ, তেওঁলোকে ইতিমধ্যে জন্ম নিয়ন্ত্ৰণ, পৰিয়াল পৰিকল্পনা, জনসংখ্যা বৃদ্ধি আদি বিষয়ত নিজ নিজ ধাৰণাৰে পুষ্ট। পৰিপক্ক বয়সত মানুহৰ মনত শিপাই যোৱা ধাৰণা, মনোভাৱ আৰু প্ৰমূল্যসমূহ সলনি কৰাটো এক জটিল কাম।
- ভাৰত চৰকাৰে ১৯৭৮ চনত ৰাষ্ট্ৰীয় প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচীৰ পাতনি মেলিছিল। এই কাৰ্যসূচীৰ লক্ষ্য আছিল দেশৰ অশিক্ষিত (নিৰক্ষৰ) প্ৰাপ্তবয়স্ক নাগৰিকক পাঁচ বছৰৰ ভিতৰত শিক্ষিত আৰু সাক্ষৰ কৰি তোলা। ১৯৮৬ চনত প্ৰাপ্তবয়স্কৰ সাক্ষৰতা আৰু শিক্ষা অব্যাহত ৰখা কাৰ্যসূচীত জনসংখ্যা শিক্ষা প্ৰকল্পটো সংযোজিত কৰা হয়। প্ৰাপ্তবয়স্ক শিক্ষাৰ নিৰ্দেশালয়ে এই নতুন প্ৰকল্পটো কাৰ্যৰূপায়িত কৰাৰ দায়িত্ব লয়।
- ১৯৮৮ চনত দেশত ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযান আৰম্ভ কৰা হৈছিল। এই অভিযান কেৱল সাক্ষৰতা সম্প্ৰসাৰণৰ কামতে চলোৱা হোৱা নাছিল। ই পৰিয়াল কল্যাণ ৰোগৰ প্ৰতিষেধক

প্রদানৰ ব্যৱস্থা, মাতৃ-সন্তানৰ স্বাস্থ্য যত্ন, পৰিৱেশ সংৰক্ষণ আদিৰ দৰে বিষয়বোৰকো সামৰি লৈছিল।

- ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ত ১০০% সাক্ষৰ নাগৰিকৰ লক্ষ্যত উপনীত হ'বলৈ শক্তিশালী আৰু উদ্ভাৱনীমূলক প্ৰাপ্তবয়স্ক শিক্ষাৰ কথা কোৱা হৈছে। তেতিয়াহে সাক্ষৰৰ হাৰ বৃদ্ধিকাৰী প্ৰয়াসবোৰৰ গতি ত্বৰান্বিত হ'ব।
- বৃত্তিমুখী শিক্ষা হ'ল এক প্ৰকাৰৰ প্ৰশিক্ষণ। পাঠ্যক্ৰম আৰু হাতে-কামে দিয়া প্ৰশিক্ষেণেৰে ব্যক্তিয়ে বৃত্তিমুখী শিক্ষা গ্ৰহণ কৰে। কোনো এক বিশেষ কাৰ্য সম্পাদন কৰাৰ উদ্দেশ্যেৰে দিয়া এনে শিক্ষাৰ শিক্ষক আৰু শিক্ষাৰ্থী বিশেষীকৃত দক্ষতাৰ অধিকাৰী।
- জনসংখ্যা বৃদ্ধিৰ হাৰ উচ্চ হ'লে কৰ্মসংস্থাপনহীনতাৰ সমস্যাটোৱে গা-কৰি উঠে। জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ বাবে যুৱা প্ৰজন্মই পৰ্যাপ্ত কৰ্মসংস্থাপনৰ সুযোগ নাপায়। শিক্ষাৰ আনুষ্ঠানিক ব্যৱস্থাত বৃত্তিমুখী শিক্ষা লাভৰ সুবিধা নাই বুলিয়েই ক'ব পাৰি। বৃত্তিমুখী শিক্ষাৰ জৰিয়তে মানুহ আত্মনিৰ্ভৰশীল হয় আৰু নিজ নিজ পৰিয়ালক আৰ্থিক দিশেৰে সহায় কৰিব পাৰে।
- বৃত্তিমুখী শিক্ষাই যুৱ প্ৰজন্মক স্ব-নিয়োজিত হ'বলৈ অথবা কৰ্মজীৱন সম্পৰ্কে উচিত সিদ্ধান্ত লোৱাৰ দিক্-নিৰ্দেশনা প্ৰদান কৰে। এনে শিক্ষাই দক্ষ কৰ্মীবলৰ সৃষ্টি কৰে। ফলত উৎপাদনশীলতা বাঢ়ে। বৰ্দ্ধিত উৎপাদনশীলতাই জনসংখ্যাৰ বৰ্দ্ধিত আকাৰ অনুসৰি সহায়-সমৰ্থন আগবঢ়ায়।
- ১৯৮৮ চনত শ্ৰম মন্ত্ৰ্যালয়ে দেশৰ বৃত্তিমুখী শিক্ষাৰ প্ৰশিক্ষণ অনুষ্ঠানবোৰত 'বৃত্তিমুখী শিক্ষাৰ প্ৰশিক্ষণত জনসংখ্যা শিক্ষাৰ প্ৰকল্প' নামৰ প্ৰকল্পটো আৰম্ভ কৰিছিল।
- ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ত ২০২৫ চনৰ ভিতৰত দেশৰ বিদ্যালয় আৰু উচ্চতৰ শিক্ষা ব্যৱস্থাৰ অধীনত শিক্ষা গ্ৰহণ কৰি থকাসকলৰ ভিতৰত অতি কমেও ৫০% শিক্ষাৰ্থীক বৃত্তিমুখী শিক্ষা প্ৰদান সুনিশ্চিত কৰাৰ লক্ষ্য বান্ধি লোৱা হৈছে।
- অনানুষ্ঠানিক শিক্ষা হ'ল শিক্ষাৰ আনুষ্ঠানিক ব্যৱস্থাৰ এক বিকল্প। ই আনুষ্ঠানিক শিক্ষাৰ আওতাৰ বাহিৰত থাকে যদিও এই শিক্ষাত সু-সংগঠিত আৰু প্ৰণালীৱদ্ধ। অনানুষ্ঠানিক শিক্ষাৰো সুসংবদ্ধ উদ্দেশ্য আছে। এই শিক্ষাই এক বহল পৰিসৰত শিকাৰ সুযোগ সৃষ্টি কৰি দিয়ে।
- ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ জৰিয়তে মুক্ত আৰু দুৰৱৰ্তী শিক্ষা (ODL) ৰ কাৰ্যসূচীসমূহ সুদৃঢ় তথা সম্প্ৰসাৰিত কৰাৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। এই কাৰ্যসূচীসমূহ ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় প্ৰতিষ্ঠান (NIOS) আৰু ৰাজ্যিক মুক্ত বিদ্যালয় প্ৰতিষ্ঠানবোৰে পৰিচালনা কৰে।
- জনসংখ্যা শিক্ষা বুলিলে সাধাৰণতে জনসংখ্যা বিষয়ক সমস্যাবোৰক লৈ থকা মানুহৰ মনোভাৱ তথা আচৰণৰ আৰ্হিবোৰলৈ পৰিৱৰ্তন কঢ়িয়াই অনা শিক্ষাৰ কথা বুজোৱা হয়।
- জনসংখ্যাৰ বিভিন্ন দিশ তথা কৰাকৰ মাজত থকা কাৰণ-প্ৰভাৱ সম্পৰ্কবোৰত আলোকপাত কৰি জনসংখ্যা শিক্ষাই শিক্ষাৰ্থীৰ জ্ঞান সমৃদ্ধ কৰে। শিক্ষাৰ্থীয়ে পৰিয়াল পৰিকল্পনা, জন্ম

নিয়ন্ত্রণৰ পদ্ধতি, সমলৰ বহনক্ষম ব্যৱহাৰ, জীৱন-যাপনৰ মান উন্নত কৰাৰ আৱশ্যকতা, জীৱনৰ গুণমান আদি বিষয়ত যুক্তিসংগত সিদ্ধান্ত ল'বলৈ শিকে।

- ১৯৮০ চনত ৰাষ্ট্ৰসংঘৰ জনসংখ্যাকেন্দ্ৰিক কাৰ্যকলাপ পুঁজি (UNFPA) ৰ সহায়ত দেশত ৰাষ্ট্ৰীয় জনসংখ্যা শিক্ষা প্ৰকল্পৰ পাতনি মেলা হয়।
- UNFPA ৰ পৰা পোৱা বিত্তীয় সাহায্যেৰে ১৯৮৬ চনত পৰা দেশত 'উচ্চতৰ শিক্ষাত জনসংখ্যা শিক্ষা প্ৰকল্প'ৰ পাতনি মেলা হৈছিল। বিশ্ববিদ্যালয় পৰ্যায়ত জনসংখ্যা শিক্ষাৰ অন্তভূৰ্ক্তকৰণৰ প্ৰধান উদ্দেশ্য আছিল এই শিক্ষা বিদ্যায়তনিক আৰু সামাজিক উভয় দিশেৰে সম্প্ৰদায়বোৰৰ মাজলৈ সম্প্ৰসাৰিত কৰা।



১৫.১০ অধিক জানিবলৈ

১) Aggarwal, J. C. (2010). Theories and principles of education. New Delhi: Vikas Publishing House.

২) Aggarwal, J. C. (2009). Population education. New Delhi: Shipra Publications.

৩) Gupta P.K (2012). Population education. Meerut: R.Lall Book Depot.

৪) Ministry of Human Resource Development, GoI (2020). National Education Policy.

৫) Murray, S. (2015). How education can moderate population growth. World Economic Forum.https://www.weforum.org/agenda/2015/07/how-education-can-moderate-population-growth/

৬) Nanda, S. K. (2005). Population education, Published by Doaba House, Delhi.

৭) Pandey, V. C. (2012). Population education. Isha Books.

৮) Pandya, R. & Maniar, A. (2014). Non formal education: An Indian context. Indore: International E-Publication.

৯) Slade, S. (2021). What do we mean by quality education? PAL Network. https://palnetwork.org/what-do-we-mean-by-a-quality-education/#:~:text=A%20quality%20education%20is%20one%20that%20focuses%20 on%20the%20whole,life%2C%20not%20just%20for%20testing.

১০) UNESCO. Population Education in Non-formal Education and

Development Programmes: A Manual for field workers. Bangkok: UNESCO Regional Office

11) UNESCO. (1978). Population Education: A Contemporary Concern.

12) United Nations (2003). Population, Education and Development.

13) United Nations (2015). Population 2030: Demographic Challenges and Opportunities for Sustainable Development Planning.

১৫.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰজনন ক্ষমতা, মৃত্যুহাৰ আৰু প্ৰব্ৰজন— এই তিনিটা প্ৰধান কাৰকৰ ভিত্তি কৰি জনসংখ্যা বৃদ্ধিৰ হাৰ নিৰ্ধাৰণ কৰা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নিৰক্ষৰতা ঃ নিৰক্ষৰতা আৰু জনসংখ্যা বৃদ্ধিৰ মাজতো এক ঘনিষ্ঠ সম্পৰ্ক আছে। নিৰক্ষৰতাই মানুহক অজ্ঞ কৰি ৰাখে। নিৰক্ষৰ লোকে জন্ম নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা নাইবা সৰু পৰিয়াল গঠন কৰা প্ৰথাৰ গুৰুত্ব নুবুজে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শিক্ষিতা মহিলাসকলে বিভিন্ন বিষয়ৰ লগতে পৰিয়ালকেন্দ্ৰিক বিষয়বোৰতো সিদ্ধান্ত গ্ৰহণ কৰিব পৰাকৈ সবল হৈ উঠে। ই জনসংখ্যা নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষাই সমাজৰ পৰা জন্ম নিয়ন্ত্ৰণ বিষয়ক নানা অন্ধবিশ্বাস, প্ৰথা-পৰম্পৰা আৰু সামাজিকভাৱে নিষিদ্ধ কাৰ্য নাইকিয়া কৰিব পাৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাপ্তবয়স্ক শিক্ষাৰ্থীক জনসংখ্যা শিক্ষা প্ৰদানৰ সময়ত সংবেদনশীলতাৰ দিশটোলৈ লক্ষ্য ৰখা উচিত। প্ৰাপ্তবয়স্কক আনুষ্ঠানিক ভাষণৰ জৰিয়তে এই শিক্ষা দিয়াৰ প্ৰয়াস কৰিলে সুফল পোৱা নাযায়। কাৰণ, তেওঁলোকে ইতিমধ্যে জন্ম নিয়ন্ত্ৰণ, পৰিয়াল পৰিকল্পনা, জনসংখ্যা বৃদ্ধি আদি বিষয়ত নিজ নিজ ধাৰণাৰে পুষ্ট। পৰিপক্ক বয়সত মানুহৰ মনত শিপাই যোৱা ধাৰণা, মনোভাৱ আৰু প্ৰমূল্যসমূহ সলনি কৰাটো এক জটিল কাম।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ত ১০০% সাক্ষৰ নাগৰিকৰ লক্ষ্যত উপনীত হ'বলৈ শক্তিশালী আৰু উদ্ভাৱনীমূলক প্ৰাপ্তবয়স্ক শিক্ষা কথা কোৱা হৈছে। তেতিয়াহে সাক্ষৰৰ হাৰ বৃদ্ধিকাৰী প্ৰয়াসবোৰৰ গতি ত্বৰান্বিত হ'ব। ইয়াৰ বাবে প্ৰাপ্তবয়স্ক শিক্ষাৰ পাঠ্যক্ৰম সংৰচনাটো উপযুক্ত হ'ব লাগিব, উপযুক্ত ধৰণৰ আন্তঃগাঁথনি গঢ়ি তুলিব লাগিব। ৰাষ্ট্ৰীয়/ৰাজ্যিক তথা জিলা পৰ্যায়ৰ সমল যোগানকাৰী সমৰ্থক প্ৰতিষ্ঠানবোৰে প্ৰশিক্ষক/তত্ত্বাৱধায়ক/শিক্ষাবিদসকলক উপযুক্ত প্ৰশিক্ষণ দিব লাগিব। সম্প্ৰদায়ৰ সদস্যসকলৰ প্ৰাপ্তবয়স্কৰ শিক্ষাৰ গ্ৰহণ কাৰ্যত ভাগ লোৱাতো সুনিশ্চিত কৰিব লাগিব। কিতাপ-পত্ৰ সুলভ, ক্ৰয়সাধ্য আৰু বুজাত সহজ হোৱাকৈ প্ৰস্তুত কৰিব লাগিব।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮৮ চনত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বিকল্প বিদ্যালয়ভিত্তিক শিক্ষা কাৰ্যসূচী আৰু ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় প্ৰতিষ্ঠান।



১৫.১২ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰায় ৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ জনসংখ্যা বৃদ্ধিৰ সংজ্ঞা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ মৃত্যুহাৰ নিম্নগামী হোৱাৰ কাৰণবোৰ কি কি?

প্ৰশ্ন ৩ ঃ UNFPA ই ভাৰতক পুঁজিৰ যোগান ধৰি চলাই থকা জনসংখ্যা শিক্ষা প্ৰকল্পটোৰ নাম লিখক।

(খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ প্ৰব্ৰজনে কেনেকৈ জনসংখ্যা বৃদ্ধিৰ কাৰক হিচাপে কাম কৰে বুজাই লিখক।

প্ৰশ্ন ২ ঃ বৃত্তিমুখী শিক্ষাৰ প্ৰসাৰৰ বাবে ভাৰত চৰকাৰে চলাই থকা উদ্যোগবোৰৰ বিষয়ে এটি চমুটোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতত চলি থকা জনসংখ্যা শিক্ষা উদ্যোগবোৰৰ বিষয়ে চমুকৈ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ শব্দৰে দিয়া)

প্ৰশ্ন ১ ঃ জনসংখ্যা বৃদ্ধি আৰু প্ৰাপ্তবস্কৰ শিক্ষাৰ মাজত থকা সম্পৰ্ক বহলাই ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ অধীনত প্ৰাপ্তবয়স্কৰ শিক্ষা, বৃত্তিমুখী শিক্ষা আৰু আনানুষ্ঠানিক শিক্ষা সন্দৰ্ভত আগবঢ়োৱা পৰামৰ্শৰলীয়ে কেনেদৰে জনসংখ্য বৃদ্ধি নিয়ন্ত্ৰণত সহায় কৰিব আলোচনা কৰক।

*** ***** ***

প্রসংগ পুথি

- Aggarwal, J. C. (2005). *Essentials of Educational Technology: Teaching Learning*. New Delhi: Vikas Publishing House.
- Akhtar, P. and others (2008). *Environment and Population Education*. Guwahati: Assam Book Depot.
- Akhtar, P. R. (2014). *Environmental and Population Education*. Guwahati: Assam Book Depot.
- Barua, J. (2009*). Paribesh Aru Janasankhya Siksha*. Guwahati: Chandra Prakash.
- Bhargava, A. (October 18th, 2019). List of Environmental Organisations in India. Retrieved from https://byjusexamprep.com/environmental-organisation-in-india-i
- Bhattacharjee, J. (2013). NGOs and Environment Protection in Assam. IOSR Journal of Humanities and Social Science (IOSR-JHSS) Volume 18, Issue 6 (Nov. - Dec. 2013), PP 68-76 e-ISSN: 2279-0837, p-ISSN: 2279-0845. Retrieved from https://www.iosrjournals.org/iosr-jhss/papers/Vol18-issue6/K01866876.pdf
- Bhattacharya K, Bhattacharya, R & Sharma, S (2012). *Environmental Education*. Guwahati: Assam Book Depot.
- Bhattacharya, S. (2015). Human Being and Environment – Psychological Point of View. Working papers. *Voice of Research.* Retrieved from, *https://ideas.repec.org/p/vor/issues/2015-06-06.html*
- Das, S. (2011). *Environmental Education- Concepts, Issues and Problems.* Guwahati: K.K. Publication.
- Das. P. and Sahidullah. F.T. (2019). *Environmental Education and Population Education*. Guwahati: Shanti Prakashan.
- Gupta, K. R. (2010). *Environmental Education in India*. New Delhi: Atlantic Publishers and Distributors (P) Ltd.
- Kaushik, A. and Kaushik, C.P. (2004). *Perspectives in Environmental Studies*. New Delhi: New Age International (P) Limited, Publishers.
- Krishnamacharyulu, V. (2004). *Environmental Education*. Hyderabad:

Neelkamal Publications Pvt. Ltd.

- Kumar, M. & Kumar, P. (2008). Valuation of the ecosystem services: a psycho-cultural perspective. *Ecological Economics.* 64, 808–819 DOI:10.1016/j.ecolecon.2007.05.008
- Lotus, A. (Feb, 15, 2021). Environmental Education in India – UPSC. Retrieved from https://lotusarise.com/environmental-education-in-india-upsc/#:~:text=Environmental%20education% 20at% 20the% 20doctoral, or %20 engineering% 20 is% 20 available%20in
- Mittal, S. & Agrawal, M (2010). *Environment & Environment Education in 21st century*. Meerut: R Lall Publications.
- Mohapatra, D. (nd). *Environmental Education*. New Delhi: Kalyani Publishers.
- Mohapatra, P. & Raval, M. (2018). Environmental Education: The Indian Context. (Conference Paper). Retrieved from - https://www.researchgate.net/publication/324748328_Environmental_Education_The_Indian_Context.
- Pandey, V. C. (2005). *Environmental Education*. New Delhi: Isha Book Publishers.
- Reddy, K.P. & Reddy D.N. (2003). *Environmental Education*. Hyderabad: Neelkamal Publication Pvt. Ltd. Hyderabad.
- Sampath, K et al. (1987). *Introduction to Educational Technology*. New Delhi: Sterling Publishers.
- Samuel, R. & Thanikachalam, V. (2003). "Non-Governmental Organisation (NGOs) Spearheading Public Participation in Environmental Issues" in Martin J. Bunch, V. Madha Suresh and T. Vasantha Kumaran, eds., Proceedings of the Third International Conference on Environment and Health, Chennai, India, 15-17 December, 2003. Chennai: Department of Geography, University of Madras and Faculty of Environmental Studies, York University. Pages 427 – 440. Retrieved from http://www.yorku.ca/bunchmj/ICEH/proceedings/Samuel_R_ICEH_papers_427to440.pdf
- Sarma, R.C. (1997). *Environmental Education*. Meerut: Surya Publication.

- Saruna, A. B. (1986). *Environmental Education*. Agra: National Psychological Corporation.
- Sharma P.D. (1990). *Ecology and Environment*. Meerut: Rastogi Publishers
- Sharma R. A. (2010). *Environmental Education*. Meerut: R. Lall Book Depot
- Sharma, R. A. (2005). *Environmental Education*. Meerut: Surya Publication.
- Sharma, R.A. (2006). *Environmental Education: Ecological Challenges and Educational Programmes.* Meerut: R. Lall Book Depot.
- Sharma, R.A. (2010). *Environmental Education*. Meerut: R.Lall Book Depot.
- Sharma, R.A. (2012). *Environmental Education*. New Delhi: Metro Politary Book Co. Pvt. Ltd.
- Shrivastava, K. K. (2004). *Environmental Education: Principles Concepts and Management*. New Delhi: Kanishka Publishing and Distributors.
- Shukla, B.C. (2016). Formal Environmental Education. Retrieved from http://www.pioneershiksha.com/news/3199-formal-environmental-education.html
- Sing, S. & Dubey, A. (1989). *Environmental Management*. Allahabad: Allahabad University.
- Tidball, Keith G. and Krasny, Marianne E. (2011). Urban Environmental Education from a Social-Ecological Perspective: Conceptual Framework for Civic Ecology Education. *Cities and the Environment (CATE)*: 3(1). Retrieved from, https://digitalcommons.lmu.edu/ cate/ vol3/iss1/11
- Vijayan. S. (2008). *Principles of Environmental Education*. New Delhi:Sarup & Sons.

Websites:

- http://edugreen.teri.res.in/explore/ngos.htm
- http://www.kazirangawildlifesociety.in/
- https://aaranyak.org/donation.asp

- https://assamsciencesociety.in/
- https://en.wikipedia.org/wiki/Nature%27s_Beckon
- https://moef.gov.in/en/
- https://www.worldwildlife.org/

- Aggarwal, J. C. (2009). *Population Education*. New Delhi: Shipra Publications.
- Aggarwal, J. C. (2009). *Essentials of Educational Technology*. New Delhi: Vikas Publishing House.
- Aggarwal, J.C. (2010). *Theory and Principles of Education.* New Delhi: Vikas Publishing House.
- Aggarwal, J. C. (2013). *Population Education.* New Delhi: Shipra Publications.
- Akhtar, Parveen R. (2014). *Environmental and Population Education.* Guwahati: Assam Book Depot.
- Chandel & Nand (2011). *Population Education.* Agra: Shri Vinod Pustak Mandir.
- Dash, B.N. (1996): *"Principles of Education and Education in the Emerging Indian Society"*, New Delhi.
- Gupta, P. K. (2005). *Population Education.* Meerut: R. Lall Book Depot.
- Gupta, P.K. (2012). *Population Education*. Meerut: R.Lall Book Depot.
- Goswami, Meena Kumari (2013). *Environmental Education and Population Education.* New Delhi: Asian Books Private Limited.
- Kapoor & Kapoor (2013). Population Education. Guwahati: EBH Publishers.Nanda, S. K. (2002). *Population Education-An Informative Update*. Delhi: Doaba House.
- Macbeth, Helen, Collinson, Paul, and Collinson Paul (2002): *"Human Population Dynamics: Cross- Disciplinary Perspectives"*, Cambridge University Press.
- Murray, S. (2015). How education can moderate population growth. World Economic Forum.https://www.weforum.org/agenda/2015/07/how-education-can-moderate-population-growth/
- Ministry of Human Resource Development, GoI (2020). National

Education Policy 2020.

- Mangal, S. K. (2001). *Foundation of Educational Technology*. Ludhiana: Tandon Publications.
- Nanda, S.K. (2008). *Population Education.* Delhi: Doaba House.
- Pandey, V. C. (2012). *Population Education*. Isha Books.
- Pandya, R. & Maniar, A. (2014). *Non formal education: An Indian context*. Indore: International E-Publication.
- Rao, V. K. (2001). *Population Education.* Delhi: A. P. H. Publishing Corporation.
- Sharma, R. C. 1991. "An Overview of Population Education". In Seshadri, C. and Pandey, J. L. (eds). *Population Education: A National Source Book,* Vol- I. New Delhi: NCERT.
- Slade, S.(2021). What do we mean by quality education? PAL Network. https://palnetwork.org/what-do-we-mean-by-a-quality-education/#:~:text=A%20quality%20education%20is%20one%20that%20focuses%20 on%20the%20whole,life%2C%20not%20just%20for%20testing.
- UNESCO. Population Education in Non-formal Education and Development Programmes: A Manual for field workers. Bangkok: UNESCO Regional Office
- UNESCO. (1978). Population Education: A Contemporary Concern.
- United Nations (2003). Population, Education and Development.
- United Nations (2015). Population 2030: Demographic Challenges and Opportunities for Sustainable Development Planning http://egyankosh.ac.in/bitstream/123456789/43753/1/Unit-1.pdf